কালিদহ

GOVT. OF ASSAM

শালকোচা শাখা সাহিত্য সভা
ধুবুৰী

KALIDAH :
A representation of Salkocha Sahitya Sabha, Published by Abul Kalam, Secretary of the Sabha - P O -Salkocha, Dist -Dhuburi, Assam

প্ৰকাশক ঃ আবুল কালাম
সম্পাদক, শালকোচা শাখা সাহিত্য সভা

প্ৰথম প্ৰকাশ ঃ
ফেব্ৰুৱাৰী ঃ ২০০৭

পৰিবেশক ঃ শালকোচা শাখা সাহিত্য সভা

বেটুপাত ঃ উৎপল ৰায়- আলোছায়া ষ্টুডিঅ', শালকোচা

আলোক চিত্ৰ ঃ পৃথ্বিশ দে- সোমা ষ্টুডিঅ', বিলাসীপাৰা
আৰু আজাৰ উদ্দিন, শ্ৰীগ্ৰাম

অলঙ্কাৰ- ড° হিতেন কৃষ্ণ মহন্ত আৰু
লোহিত শইকীয়া

বেচ ঃ ১১৫ ০০ টকা

মুদ্ৰক ঃ **ক্ৰিয়েটিভ এচোচিয়েটচ**
জি এন বি ৰোড, গুৱাহাটী ক্লাব
গুৱাহাটী - ৭৮১ ০০৩

: উচৰ্গা :

অসমীয়া ভাষাৰ কাৰণে

জীৱন আহুতি দিয়া

শ্বহীদ সকলৰ স্মৃতিত

GOVT. OF

উপহাৰ

প্ৰীতি আৰু শুভেচ্ছাৰে . ... ৰ

কৰ কমলত।

PRASANTA KR BARUA
M L A, BILASIPARA EAST ASSAM
প্ৰশান্ত কুমাৰ বৰুৱা
বিধায়ক, বিলাসীপাৰা পূব সমষ্টি, অসম

21, M L.A Hostel (Old)
Dispur, Guwahati-781 005
✆ (0361) 262983
(03667) 52009
e-mail blpeast27@rediffmail com

ঃ শুভেচ্ছা বাণী ঃ

শালকোচা শাখা সাহিত্য সভাই এই অঞ্চলৰ ঐতিহাসিক, পৌৰাণিক, সামাজিক আদি বিষয়-বস্তু লৈ স্থানীয় লেখক কিছুমানৰ লেখনিৰে এখন প্ৰবন্ধ সঙ্কলন - 'কালিদহ' নাম দি কিতাপ আকাৰে প্ৰকাশ কৰিবলৈ লোৱাটো আদৰণীয় হৈছে। কিতাপখনৰ নামটোও তাৎপৰ্য্যপূৰ্ণ হৈছে। এনে সৃজনীমূলক কামৰ বাবে সভালৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

5/12/06.

P. K. BARUA, M.L.A.
27 No BILASHIPARA
East L A.C Assam.

শ্ৰীবীৰেন্দ্ৰনাথ দত্ত

সভাপতি, অসম সাহিত্য সভা

অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১
☎ (০৩৭৬)২৩২০৩৭৬

গুৱাহাটী কাৰ্যালয় ঃ ভগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১ ☎ (০৩৬১) ২৫২১৮৩০

ডিফু কাৰ্যালয় ঃ ৰাংছিনা ভৱন, ডিফু-৭৮২৪৬০ ☎(৯৫৩৬৭১) ২৭২৫৯০

ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী-৭৮৩৩০১ ☎(৯৫৩৬৬২) ২৩২৫২৮

এটি সদিচ্ছা-বাৰ্তা

মই জানিবলৈ পাই অতি সুখী হৈছোঁ যে শালকোচা শাখা সাহিত্য সভাই এখন গ্ৰন্থৰ ৰূপত নিজৰ আলোচনীৰ বিশেষ সংখ্যা এটি প্ৰকাশৰ বাবে প্ৰস্তুতি চলাইছে। মই এই প্ৰশংসনীয় উদ্যোগৰ লগত জড়িত সকলোটিলৈ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা আগবঢ়াইছোঁ। তৃণমূল পৰ্য্যায়ত শাখা সাহিত্য সভাসমূহৰ এনে ধৰণৰ তৎপৰতাই সামগ্ৰিক ভাবে অসম সাহিত্য সভাৰ ভাবমূৰ্তিক উজ্জ্বল কৰি ৰখাত সহায় কৰে। মই আশা কৰিছোঁ যে পৰিকল্পিত গ্ৰন্থাকাৰৰ প্ৰকাশনটি মূল্যবান সম্ভাৰেৰে পুষ্ট হৈ আকৰ্ষণীয় ৰূপত প্ৰকাশিত হ'ব।

২ ফেব্ৰুৱাৰী, ২০০৫

শ্ৰীবীৰেন্দ্ৰনাথ দত্ত
সভাপতি, অসম সাহিত্য সভা

ব্যক্তিগত ঠিকনা ঃ চন্দ্ৰবালা বৰুৱা পথ ঃ গুৱাহাটী-৭৮১ ০০৩

ড° বীৰেন্দ্ৰনাথ দত্ত
চন্দ্ৰবালা বৰুৱা পথ
শিলপুখুৰী, গুৱাহাটী - ৭৮১০০৩
☎ : (০৩৬১)২৬৬৮৭৭০

Dr. Birendranath Datta
Chandrabala Barooah Lane
Silpukhuri, Guwahati -781003
☎ : (0361) 2668770

'কালিদহ'ৰ প্ৰকাশৰ প্ৰাক্‌ক্ষনত - দু-আষাৰ

মই অসম সাহিত্য সভাৰ সভাপতি হৈ থকা কালত শালকোচা শাখা সাহিত্য সভাৰ তৰফৰ পৰা মোক জনোৱা হৈছিল যে তেখেত সকলে শাখাৰ আলোচনীখন গ্ৰন্থৰ ৰূপত প্ৰকাশ কৰাৰ কাৰণে সিদ্ধান্ত লৈছে আৰু তাত সন্নিবিষ্ট কৰিবৰ কাৰণে মোৰ পৰা এটি শুভেচ্ছা-বাণী বিচৰা হৈছে। সেই মৰ্মে মই এটি 'সদিচ্ছা বাৰ্তা' লিখি তেখেতসকললৈ অভিনন্দন আৰু শুভেচ্ছা প্ৰেৰণ কৰিছিলোঁ। সেযা আছিল ২০০৫ চনৰ আৰম্ভনিৰ কথা। যিকোনো কাৰণত নহওক, প্ৰস্তাৱিত সেই সঙ্কলনৰূপী আলোচনীৰ সংখ্যাটিৰ প্ৰস্তুতি-পৰ্ব কিছু দীঘলীয়া হ'ল, আৰু সুখৰ কথা এতিয়া সি **'কালিদহ'** নামেৰে প্ৰকাশৰ ক্ষণ গনিছে। চুডান্ত মুদ্ৰনৰ আগে আগে ছপাশালৰ আৰ্হি-কাকতৰ সমলখিনি পঢ়ি চাবলৈ দি মোক এইবাৰ অনুৰোধ কৰা হৈছে- **কালিদহৰ** বিষয়ে মই দু-আষাৰ লিখি দিব লাগে।

সমলখিনি চকু ফুৰাই মই অকল সন্তোষ পোৱা বুলি ক'লে যথেষ্ট নহ'ব ঃ প্ৰকৃততে মই অভিভূত হৈছোঁ। সঙ্কলনটিয়ে মই প্ৰত্যাশা কৰাতকৈ বহু বেছি সুপুষ্ট সুন্যস্ত ৰূপ পাইছে। ইয়াক নিঃসন্দেহে শালকোচা অঞ্চলৰ নিৰ্ভৰযোগ্য তথ্য কোষ আখ্যা দিব পৰা হৈছে। ইযাত অঞ্চলটোৰ ভূ-প্ৰকৃতি, জৈৱ-বৈচিত্ৰ, জন-বিশ্বাস, ভাষা-সাহিত্য, ৰীতি-নীতি আচাৰ-বিশ্বাস আৰু উৎসৱ-অনুষ্ঠান আদি বিভিন্ন দিশ প্ৰণালীবদ্ধভাৱে সামৰা হৈছে। ইযাৰ পৰিকল্পনা আৰু ৰূপায়নত সম্পাদক শ্ৰী আবুল কালামৰ নিষ্ঠা আৰু পৰিপক্কতাৰ চিন সুস্পষ্ট হৈ উঠিছে।

মই মোৰ আগৰ সদিচ্ছা-বাৰ্তাত শালকোচা শাখা সাহিত্য সভাক অভিনন্দন জনাইছিলোঁ গ্ৰন্থাকাৰৰ আলোচনী প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে। এতিয়া আকৌ অভিনন্দন জনাব খুজিছোঁ সেই সিদ্ধান্ত অতি সফল আৰু সুচাৰু বাস্তৱ ৰূপায়নৰ বাবে।

শালকোচা মোৰ বাবে অতি পৰিচিত ঠাই। মই গোৱালপাৰা (অবিভক্ত) জিলাৰ লোক-সংস্কৃতি সম্পৰ্কে গৱেষণা চলাই থকা সময়ত শালকোচা অঞ্চলৰ

একাধিকবাৰ ক্ষেত্ৰ-অধ্যয়ন কৰিছিলো। সেই সময়ত মোক প্ৰভূতভাৱে সহায় কৰিছিল অঞ্চলটোৰ সমাজ-জীৱনত সুপৰিচিতা কল্যানীয়া প্ৰনীতা বৰুৱাই। তেওঁ শালকোচা শাখা সাহিত্য সভাৰ লগতো অতি সক্ৰিয়ভাৱে জড়িত। প্ৰকৃততে তেৱেঁই হৈছে শাখাটিৰ লগত মোৰ প্ৰত্যক্ষ সম্পৰ্কৰ যোগসূত্ৰ। সম্পাদক শ্ৰীআবুল কালামৰ লগতে মই শ্ৰীমতী প্ৰনীতাৰো শলাগ লৈছো।

কালিদহ নামটোৰ যোগেদি অসমৰ সামাজিক-সাংস্কৃতিক ভূখণ্ডত শালকোচাৰ আঞ্চলিক বৈশিষ্ট্যৰ প্ৰতিফলন ঘটিছে। সন্দেহ নাই যে বিভিন্ন আৰু বিচিত্ৰ আঞ্চলিক আৰু নৃগোষ্ঠীয় বৈশিষ্ট্যৰ সমাহাৰ আৰু সংশ্লেষণৰ মাজেদিয়েই গঢ় লৈ উঠিছে অসমীয়া সমাজ-সংস্কৃতিৰ সামগ্ৰিক ৰূপ। সেই দিশৰ পৰা '**কালিদহ**'ৰ দৰে প্ৰকাশনৰ গুৰুত্ব আৰু তাৎপৰ্য্য অনস্বীকাৰ্য্য।

৪ ডিচেম্বৰ, ২০০৬

শ্ৰীবীৰেন্দ্ৰনাথ দত্ত
প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা

অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় : চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১
(০৩৭৬)২৩২০৩৭৬

গুৱাহাটী কাৰ্যালয় : ভগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১
(০৩৬১) ২৫২১৮৩০

ডিব্ৰু কাৰ্যালয় : বাংছিনা ভৱন, ডিব্ৰু-৭৮২৪৬০ (৯৫৩৬৭১)
২৭২৫৯০

ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী-৭৮৩৩০১ (৯৫৩৬৬২)
২৩২৫২৮

কনকসেন ডেকা

শুভ-কামনা

অতি আনন্দৰ কথা যে ঐতিহ্যমণ্ডিত শালকোচা সাহিত্য সভাই অঞ্চলটোৰ বিভিন্ন জাতি-উপজাতিৰ পৰম্পৰা, কলা-কৃষ্টি সম্পৰ্কীয় কিছুসংখ্যক প্ৰবন্ধ সংগ্ৰহ কৰি এটি সংকলন প্ৰকাশ কৰিবলৈ ওলাইছে। দৰাচলতে অবিভক্ত গোৱালপাৰা জিলাৰ ভাষা-সংস্কৃতিয়েই অসমীয়া ভাষা-সংস্কৃতিৰ আধাৰস্বৰূপ। ইয়াৰ বিকাশ অবিহনে অসমীয়া সংস্কৃতিৰ বিকাশ সম্ভৱ নহয়। শালকোচা অঞ্চলৰ জনগণে হীনমান্যতা পৰিহাৰ কৰি তেওঁলোকৰ সংস্কৃতিৰ সমল সমূহক দেশবাসীৰ সন্মুখত দাঙি ধৰিবলৈ আগবাঢ়ি আহিব লাগিব। সেয়ে নহ'লে সাম্প্ৰতিক কালৰ বিশ্বায়নৰ ঢৌৱে আমাৰ থলুৱা সংস্কৃতিক উটুৱাই নিয়াৰ শংকা ঘনীভূত হৈছে। এই দিশত শালকোচা সাহিত্য সভাৰ সদস্য সকলে গুৰুত্ব দিলে সিয়েই অসমৰ সংস্কৃতিলৈ অমূল্য বৰঙনি স্বৰূপ হ'ব।

প্ৰবন্ধ সংকলনটি সৰ্বাংগ সুন্দৰ হওঁক, এয়ে কামনা।

ব্যক্তিগত ঠিকনা : অগ্ৰদুত ভৱন, গুৱাহাটী-৬ দূৰভাষ (৯৫৩৬১) ২২৬৭২১২



অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১ ☎ (০৩৭৬)২৩২০৩৭৬

গুৱাহাটী কাৰ্যালয় ঃ ভগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১ ☎ (০৩৬১) ২৫২১৮৩০

ডিফু কাৰ্যালয় ঃ ৰাংছিনা ভৱন, ডিফু-৭৮২৪৬০ ☎(৯৫৩৬৭১) ২৭২৫৯০

ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী-৭৮৩৩০১ ☎(৯৫৩৬৬২) ২৩২৫২৮

শ্ৰীপাচুগোপাল চক্ৰবৰ্ত্তী

উপ সভাপতি

ব্যক্তিগত ঠিকনা ঃ ডি কে ৰোড, অসম সাহিত্য সভা ভৱনৰ সমুখত, ধুবুৰী,
দুৰাভাষ-০৩৬৬২- ২৩০০৮৫, ৯৪৩৫০-২৯৫২১ (মোঃ)

আগকথা

শালকোচা শাখা সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিতব্য আখ্যানপ্ৰসিদ্ধ চান্দ সদাগৰৰ নৌ বহৰ নিৰ্মাজ্জত ঠাই বৰ্তমানৰ বৃহত্তৰ শালকোচা গাঁৱৰ উল্লিখিত আখ্যানৰ লগত সম্পৰ্ক থকা শালকোচা অঞ্চলৰ কেবাজনো বিশিষ্ট সাহিত্যিক, গবেষকে লিখা কেবাটাও প্ৰবন্ধৰে 'কালিদহ' শীৰ্ষক গ্ৰন্থখনৰ 'আগকথা' লিখি দিবলৈ সম্পাদকে আমাক জনাইছে, তেনে এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ শালকোচা শাখা সাহিত্য সভাই প্ৰকাশ কৰিবলৈ লোৱা পদক্ষেপক আমি শলাগিছোঁ গ্ৰন্থখনে সেই অঞ্চলৰ লোকক নতুন দিগন্তৰ সন্ধেদ যুগুতোৱাত নিশ্চয় কৃতকাৰ্য্য হৈছে। শালকোচা শাখা সাহিত্য সভাই ইতিমধ্যে কেবাখনো মূল্যবান গ্ৰন্থ প্ৰকাশ কৰি সাহিত্য জগতলৈ প্ৰচুৰ অৰিহনা যোগাইছে আৰু তেনে দুখনমান গ্ৰন্থৰ আগকথা লিখি দিবলৈ আমাৰ সৌভাগ্য ঘটিছিল।

আশা ৰাখিছোঁ, শালকোচা শাখা সাহিত্য সভাৰ নতুন পদক্ষেপ হিচাবে গ্ৰহণ কৰা 'কালিদহ' শীৰ্ষক গ্ৰন্থখন বলিষ্ঠ সম্পাদনাত প্ৰকাশ পাই অসমীয়া সাহিত্যৰ ভঁৰাল অধিক টনকিয়াল কৰিব। ভৱিষ্যতে শালকোচা সাহিত্য সভাই আৰু অধিক সক্ৰিয় হৈ সাহিত্য জগতলৈ বৰঙনি যোগাই থকাৰ কামনাৰে শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

N.K. Choudhury.
BSc hons (Gau), BSc Engg (BHU) MSc
Tech, Ph.D (Manchester) FIE (Ind) MISET
Formerly,
Professor, Civil Engineering
Principal, Engineering College
Director, Technical Education
Vice- Chaxcellor, Guwahati University

শুভেচ্ছা-বাৰ্তা

শালকোচা শাখা সাহিত্য সভাই পোন প্ৰথমবাৰৰ বাবে বৃহত্তৰ শালকোচা অঞ্চলৰ ঐতিহাসিক কাহিনী সমৃদ্ধ 'কালিদহ' নামেৰে নামাকৰণ কৰি এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰিবলৈ লোৱাত অত্যন্ত সুখী হৈছো।

আশা কৰিছোঁ বাছকবনীয়া লেখনীৰে স্মৃতিগ্ৰন্থখনি সমৃদ্ধ হব আৰু সেই অঞ্চলৰ বাবে বৰণীয়া সাহিত্য সংস্কৃতিৰ প্ৰতিৰূপ বৰ্ণাঢ্য ৰূপত প্ৰকাশ হব।

সাহিত্য সংস্কৃতিৰ দাপোন স্বৰূপ স্মৃতি গ্ৰন্থ খনলৈ আন্তৰিক শুভেচ্ছাৰে-

১৯/১১/২০০৬ ইং

(ড: নিৰ্মল কুমাৰ চৌধুৰী)



"চিৰ চেনেহী মোৰ ভাষা জননী"

শালকোচা শাখা সাহিত্য সভা

শালকোচা, ধুবুৰী, অসম।

পিন-৭৮৩ ৩৪৮

শ্ৰী দিলীপ কুমাৰ চক্ৰৱৰ্তী
সভাপতি

শ্ৰী আবুল কালাম
সভাপতি

প্ৰস্তাৱনা ঃ

১৯৭২ চনত প্ৰয়াত চৈতন্য দেৱ চক্ৰৱৰ্তীৰ সভাপতিত্বত শালকোচা সাহিত্য সভাৰ কমিটি গঠন হৈছিল। কৰ্মকৰ্ত্তা সকলে শালকোচা শাখা সাহিত্য সভাৰ কমিটিখন গঠন কৰিবলৈ কোৱাত, তেওঁলোকৰ সহযোগত ১৯৯৭ চনৰ ৩১ আগষ্ট তাৰিখত এখন সাধাৰণ সভা আহ্বান কৰি শ্ৰীদিলীপ কুমাৰ চক্ৰৱৰ্তীৰ সভাপতিত্বত নতুন কমিটি গঠন কৰা হয়। তেতিয়াৰ পৰা আজিলৈকে শালকোচা শাখা সাহিত্য সভাই লেখত লবলৈ কাম কাজ কৰিব নোৱাৰিলেও সুকলমে চলাই থকা হৈছে।

আমাৰ প্ৰথম কথা আছিল- অফিছ্ এটাৰ প্ৰয়োজন। বহুত দিন অফিছৰ প্ৰয়োজনীয় মাটি নোপোৱা বাবে, শাখা সাহিত্য সভাৰ মেল-মিটিং, উৎসৱ আদি অ'ত-ত'ত চলাই থকা হয়। পিছলৈ সদস্য-সদস্যা সকলোৰে সহযোগত বিশেষকৈ বৰ্তমান সম্পাদক আবুল কালাম ডাঙৰীয়াৰ তৎপৰতাত শালকোচা বোৱাকটা সমিতি

খনৰ ৰাস্তাৰ কাষৰ অলপ মাটি শালকোচা শাখা সাহিত্য সভালৈ হস্তান্তৰ কৰিবলৈ মান্তি হোৱাত, ৰাজহ বিভাগে মাটি ডোখৰ অতি সোনকালে শালকোচা শাখা সাহিত্য সভাৰ নামত হস্তান্তৰ কৰি দিয়ে। তাৰবাবে শালকোচা বোৱাকটা সমিতিৰ সভাপতি/সম্পাদক ধন্যবাদৰ পাত্ৰ। স্থানীয় বিধান সভাৰ বিধায়ক শ্ৰী প্ৰশান্ত কুমাৰ বৰুৱা মহোদয়ৰ আগ্ৰহত বৰ্তমান শালকোচা শাখা সাহিত্য সভাৰ ঘৰটো কৰা হ'ল। ইয়াৰ বাবে বিধায়ক মহোদয়ক শাখা সাহিত্য সভাৰ তৰফৰ পৰা কৃতজ্ঞতা জনোৱা হয়। অফিচ ঘৰটোৰ লগতে ৰাইজৰ বৰঙনি কিছু প্ৰয়োজনীয় আসবাব পত্ৰ পোৱা হ'ল, তাৰ বাবে দাতাসকলোক ধন্যবাদ জনোৱা হ'ল। অফিচ ঘৰটো কৰা হ'ল, এতিয়াও বহুত কাম আমাৰ আঁচনি মতে কৰিবলৈ বাকী আছে, যেনে অফিচৰ চাৰিওফালে বেৰ (বাল), পুথিভঁৰাল, লাইব্ৰেৰি আৰু সঙ্গীত বিদ্যালয়টোৰ আচুতীয়া কোঠা আৰু অফিছৰ চাৰিওফালে পি, ডাব্লিডি ৰাস্তাৰ সমান কৰি মাটি ভৰাই দিয়া আদি কাম বাকী আছে। সকলোবোৰ কামৰ, বিধায়ক মহোদয়ক অনুৰোধ কৰাত তেখেতে অতি সোনকালে আমাৰ কৰণীয় কামবোৰৰ বাবে অনুদান দিম বুলি প্ৰতিশ্ৰুতি দিয়ে।

শালকোচাৰ ল'ৰা-ছোৱালীবোৰ সঙ্গীত-চৰ্চ্চাৰ প্ৰতি আগৰে পৰা বিশেষ আগ্ৰহী। শালকোচা ৰাইজৰ অ'ত ত'ত সঙ্গীত বিদ্যালয় খুলি কৃতকাৰ্য্য হোৱা নাই।

শাখা সাহিত্য সভাই ৰাইজৰ প্ৰচেষ্টাক সহাৰি জনাই, যোৱা দুই বছৰৰ পৰা পৃথক ব্যৱস্থা নোহোৱালৈকে অফিচৰ কোঠাতেই সঙ্গীত বিদ্যালয়ৰ কাম-কাজ চলাই থকা হৈছে। বৰ্তমানলৈকে স্থানীয় শিক্ষক-শিক্ষয়িত্ৰীৰে বিদ্যালয় খনৰ কাম-কাজ চলাই থকা হৈছে। অভিভাৱক সকলে সঁহাৰি দিলে পূৰ্ণকালীন শিক্ষক-শিক্ষয়ত্ৰী নিযোগ কৰিব পৰা হ'ব। কথাতে আছে - "ৰাইজে নখ জোকাৰিলে নৈ বোৱাব পাৰে"।

বহু কাহিনী কিংবদন্তি বিজড়িত এই শালকোচা ঠাইখন। ঐতিহাসিক আৰু সাংস্কৃতিক ফালৰ পৰাও বহু চহকী। শালকোচা ঠাইখনৰ লগত জড়িত হৈ আছে। টোকোৰাবান্ধা দুধনাথ, চক্ৰশিলা, চান্দৰদিঙা, বৌকুমাৰী পাহাৰ। বিশাল ব্ৰহ্মপুত্ৰ আৰু গৌৰাং উপনৈ খনৰে আগুৰি আছে ঠাইখন। দিপ্লাই, ডাকাৰা, ধীৰ আদি বিলে এই ঠাইখনৰ শোভাবৰ্দ্ধন কৰিছে।

এই কিংবদন্তি বিজড়িত ঠাইখনৰ বহু কথা এতিয়াও পোহৰলৈ বা আজিৰ পুৰুষে নেজানে আৰু লুপ্ত হোৱাৰ পথত। সেই সকলো কথা পুনৰ পোহৰলৈ আনিবলৈ

সকলো সদস্য আৰু ৰাইজৰ প্ৰচেষ্টাত এখন আলোচনী প্ৰকাশ কৰিবলৈ লোৱা হৈছে। পৌৰাণিক পদ্মাপুৰাণ বৰ্ণিত 'কালিদহ'সাগৰ অৱস্থানে শালকোচাক সামৰি লৈছিল- এইহেতু ইয়াৰ নামাৰণ '**কালিদহ**' কৰা হৈছে।

(শ্ৰী দিলীপ কুমাৰ চক্ৰৱৰ্ত্তী)
সভাপতি।
শালকোচা শাখা সাহিত্য সভা
শালকোচা

"জয়তু অসম সাহিত্য সভা।
জয়তু শালকোচা শাখা সাহিত্য সভা"।।

সূচীপত্ৰ

		পৃষ্ঠা
(১)	কালিদহ — আবুল কালাম	১
(২)	সহ সম্পাদিকাৰ প্ৰতিবেদন — বাসৱী চক্ৰৱৰ্ত্তী	৮
(৩)	সম্পাদকীয় — অপৰ্ণা চক্ৰৱৰ্ত্তী	১০
(৪)	শালকোচাৰ অতীতত এভুমুকি — সুভাষ চৌধুৰী	১৩
(৫)	বাথানলৈ যাওঁ বলক — বিশ্বজিৎ গোস্বামী	২১
(৬)	শালকোচাৰ মাত-কথা ঃ গৱেষনাযোগ্য এটি বিষয-বস্তু — পাৰিজাত	৩২
(৭)	কোচ-ৰাজবংশী - অতীত আৰু ভৱিষ্যৎ — সুধীৰ কুমাৰ বৰ্মন	৪৫
(৮)	কইনা ধুৱানী — মনতোষ চক্ৰৱৰ্ত্তী	৬৫
(৯)	আজিকা বালিক নাজাইমৰে ছাৰিয়া — বাসবী চক্ৰৱৰ্ত্তী	৭০
(১০)	শালকোচাৰ জীৱ-জন্তু আৰু চিকাৰ কৰা পদ্ধতি — আবুতাহেৰ (লেমু) সৰকাৰ	৭৯
(১১)	ৰাজবংশী ভাষা ঃ এটি আলোচনা — আবুল কালাম	৮৬
(১২)	গাঁও দুখনৰ কথা ঃ কামাৰ ডিহি আৰু শ্ৰীগ্ৰাম — মহম্মদ আলী	৯৮
(১৩)	সূত্ৰধৰ সম্প্ৰদায়ৰ কিছু কথা — লক্ষ্মণ চন্দ্ৰ দেৱ সূত্ৰধৰ	১০২
(১৪)	শালকোচাৰ পুৰণিকলীয়া খেল-ধেমালি সমূহ — কানুৰাম বৰ্মন	১০৫

(১৫) শালকোচা অঞ্চলৰ ৰাজবংশী সম্প্ৰদায়ৰ সাজ-পোছাক আৰু আ-অলঙ্কাৰ — সুবল চন্দ্ৰ বৰ্মন ১১৮

(১৬) শালকোচাৰ অৰণ্যই বিনায় — শবনম ১২১

(১৭) শালকোচাৰ কায়স্থ পৰিবাৰ বৰ্গ — প্ৰণীতা বৰুৱা ১৩১

(১৮) শালকোচাৰ অঞ্চলৰ কেইটামান আপ্তকথা আৰু সাঁথৰ — অনামিকা লাহিৰী ১৩৮

(১৯) আই ঠাকুৰাণী পাটৰ গছজোপা — অনিল কুমাৰ নাথ ১৪০

(২০) বিস্মৃতিৰ পথত কেইগৰাকীমান বৰেণ্য আৰু কৃতী সন্তান — মনতোষ চক্ৰৱৰ্ত্তী ১৪২

(২১) নিন্দালী — বিমল চন্দ্ৰ দেৱ সূত্ৰধৰ ১৪৯

(২২) শালকোচাৰ (ঝাৰুৱা) মুচলমানৰ বিয়াৰ স্ত্ৰী-আচাৰ কেইটামান — খাযৰুণ নেছা ১৫২

(২৩) খুটাঘাট পৰগণাৰ পুখুৰীপাবা মৌজাৰ বিধিকৰ্ত্তা ইষ্টেটৰ ইতিবৃত্ত — শ্ৰীজীৱ লোচন চক্ৰৱৰ্তী ১৫৬

(২৪) শালকোচাৰ আশে-পাশে ভাস্কৰ্য্যৰ বিননি — সৰ্বেশ্বৰ ৰায়চৌধুৰী ১৬৪

(২৫) শালকোচা অঞ্চলৰ লুপ্তপ্ৰায় খেল-ধেমালিসমূহ — অপৰ্ণা চক্ৰৱৰ্ত্তী ১৭০

(২৬) সুৰালি — দীপিকা চক্ৰৱৰ্ত্তী ১৭৮

(২৭) নিয়োগী বংশৰ পূৰ্বকথা — কৃষ্ণেন্দু নিয়োগী ১৮০

(২৮) যায় কৰে পৰেৰ আশ, তাৰ ঘৰে নিত্যে উপাস — মনতোষ চক্ৰৱৰ্ত্তী ১৮৩

(২৯) শালকোচা অঞ্চলৰ নাট্যচৰ্চাৰ এটি চমু আভাস — নিৰঞ্জন নাথ ১৮৭

(৩০) অন্ধকাৰত বন্তি জ্বলাব কোনে — সিদ্ধাৰ্থ চক্ৰৱৰ্ত্তী ১৯৯

(৩১) শালকোচাৰ বড়ো-কছাৰী সমাজ — ডেভিড ২০১

(৩২) পঞ্চতীৰ্থ শালকোচা — নিৰঞ্জন চক্ৰবৰ্ত্তী ২০৭

(৩৩) সাঁথৰ — মনালিছা বৰুৱা ২২৫

(৩৪) শালকোচা অঞ্চলৰ পুৰণি কালৰ
সাহিত্য চৰ্চাৰ মেজলৈ — বিশ্বজিৎ গোস্বামী ২২৭

(৩৫) যোগী (নাথ) জাতিৰ চমু ইতিহাস — মনমোহন নাথ ২৫৪

(৩৬) শালকোচাৰ ৰাজবংশী সমাজৰ বিশিষ্ট লোকাচাৰ
অনুষ্ঠান কেইটামান — সুধীৰ কুমাৰ বৰ্মন ২৫৯

(৩৭) এৰা-বোটলা — (সম্পাদিত)

(ক) বিশিষ্ট ব্যক্তি কেইজন মানৰ চমু পৰিচয় ২৬৬

(১) মাণিক দেৱ নাথ — সুবল চন্দ্ৰ বৰ্মন

(২) গদাধৰ বৰ্মন — কাণুৰাম বৰ্মন

(৩) শব্দৰাম সিংহ — কাণুৰাম বৰ্মন

(৪) কাদং চন্দ্ৰ বৰ্মন --- কাণুৰাম বৰ্মন

(৫) দেবেন্দ্ৰ নাৰায়ন ৰায --- কাণুৰাম বৰ্মন

(৬) ধৃত কিশোৰ ৰায — কাণুৰাম বৰ্মন

(৭) নকুল চন্দ্ৰ দেববৰ্মা — কাণুৰাম বৰ্মন

(৮) সুৰেশ নাথ — নিৰঞ্জন নাথ

(৯) নিখাল চন্দ্ৰ বৰ্মন — সুৰেন্দ্ৰ বৰ্মন

(১০) সৰলা বালা ৰায — কল্পজান নেছা

(১১) বাহাল উদ্দিন আহমেদ — কুতুব উদ্দিন

(১২) সাজিৰাম গযাৰী -- সত্যবান গযাৰী।

(খ) কেইখন মান ৰাজহুৱা প্ৰতিষ্ঠানৰ ইতিকথা ১৭৫

(১৩) শালকোচা ডাকঘৰ — দক্ষিনা ৰঞ্জন ৰায়

(১৪) ডাক্তাৰ খানা — জ্যোৎস্না সেনগুপ্ত

(১৫) ভেলুপাৰা এম ভি স্কুল — প্ৰণীতা বৰুৱা

(১৬) শ্ৰীগ্ৰাম ৱাক্‌ফ্ জামে মছজিদ — আবুল কালাম

(৩৮) The Koch-Rabha of Salkocha
— Damasu Ram Koch ২৮০
(৩৯) শালকোচা শাখা সাহিত্য সভাৰ কিছু কথা — সম্পাদক ২৮৬
(৪০) 'কালিদহ'ৰ প্ৰবন্ধকাৰ সকলৰ চমু পৰিচয় — সম্পাদক ৩০২
(৪১) আলোক চিত্ৰাৱলী —
(ক) দাতা সকলৰ ৩০৫
(খ) ধৰ্মীয় স্থান সমূহৰ (শালকোচা)
(গ) প্ৰবন্ধকাৰ সকলৰ
(ঘ) প্ৰাকৃতিক দৃশ্য ৰাজি (শালকোচা)
(ঙ) বিযয-ৰবীয়া বৃন্দৰ
(চ) শালকোচা সাহিত্য সভাৰ

সম্পাদক
'কালিদহ'

কালিদহ

আৰ্য্যসকল ভাৰতত মহাপ্ৰবজন কৰি বসতি স্থাপন কৰে আনুমানিক খৃঃ পূঃ ১৫০০ - ৮০০ ৰ মাজত। ভাৰতবৰ্ষত অহাৰ সময়ত আৰ্য্যসকলৰ কোনো ৰচিত পুথি নাছিল। পুৰুষানুক্ৰমে মুখে মুখে বাগৰি অহা কিছুমান সাধুকথা, মালিতা, গীত আদি লৈ আহিছিল। এনেকি ৰামায়নৰ কাহিনীসমূহো মালিতা আছিল আৰু চাৰণ কবি সকলে এইসমূহ গাই ফুৰিছিল। ভৰতীয় পৰিবেশত পৰবৰ্ত্তী লিখিত ৰূপ পৰিগ্ৰহন কৰিছিল। আৰ্য্য-ৰচিত প্ৰাচীন পুথিসমূহত ভাৰতবৰ্ষৰ (কেৱল উত্তৰ ভাৰতৰ) বহুতো স্থানৰ উল্লেখ আছে যদিও বঙ্গঁ আৰু কামৰূপ ৰাজ্যৰ উল্লেখ পোৱা নাযায়। মৎস্য আৰু কুৰু (দিল্লী), কোশল (অযোধ্যা), বিদেহ (উত্তৰ বিহাৰ), মগধ (দক্ষিন বিহাৰ), শূৰসেন (মথুৰা), আদি ৰাজ্যৰ নামহে পোৱা যায়। ৰামাযণ মহাকাব্যত পূৰ্ব্বদেশত থকা এখন নগৰৰ উল্লেখ পোৱা যায় - 'দুৰ্গম পৰ্বতৰ ওপৰত গুহাৰে আৱৰা এক ৰমনীয় পৰিবেশত থকা নগৰ'খনকে বৰ্তমানৰ গুৱাহাটী বুলি ঠাৱৰ কৰিব পৰা যায়। মহাভাৰততো এই নগৰখনক 'দুৰ্গম' আৰু ভাগৱতত 'গিৰিদুৰ্গ' বুলি উল্লেখ্য হৈছে। কালিকা পুৰাণত উল্লেখ আছে যে বান্দৰ মুখাবয়বৰ দৰে দুজন যুৱকে পিতৃ শিৱক বিচাৰি বিচাৰি বাৰানসীৰ পৰা আহি আহি বশিষ্ঠ মুণিৰ আশ্ৰম সন্ধ্যাচল পাহাৰত আহি উপস্থিত হৈছিলহি। এই যুৱক দুজনৰ ভ্ৰমণ বৃত্তান্তত কৰতোৱা নদী পাৰ হোৱা কথা উল্লেখ আছে; কিন্তু বহ্মপুত্ৰ নদৰ কোনো উল্লেখ নাই। অথচ উমানন্দ - উৰ্বশী - কৰ্মনাশা টিলা সদৃশ ঠাই কেইখন শুক্ৰেশ্বৰ সৈতে সংলগ্ন হৈ ভস্মাচল পাহাৰ নাম ধৰিছে বুলি উল্লেখ আছে। আৰু উল্লেখ আছে যে কামাখ্যা মন্দিৰ থকা পাহাৰ খনৰ চাৰিটা ভাগ - পশুনাথ, চিত্ৰবহ, নীলাচল আৰু ব্ৰহ্মশৈল। এই বৰ্ণনাতো ব্ৰহ্মপুত্ৰ নদৰ কোনো নাম-গোন্ধেই নাই।

এই প্ৰসঙ্গত আৰু এটা কথা উল্লেখ কৰিব পৰা যায় যে খৃষ্টীয় প্ৰথম শতিকাত আৰব আৰু ভূমধ্যসাগৰৰ পূব উপকূলীয় আফ্ৰিকাৰ পৰা পাটসূতা, পাটকাপোৰ, তেজপাত, সুগন্ধি মছলা বিচাৰি সাউদ কেতবোৰে ভাৰতৰ উত্তৰ পূৰ্বৰ দুৰ্গম অঞ্চলত থকা ৰাজ্যখনলৈ আহিছিল। তেনে এজন অজ্ঞাত সাউদে গ্ৰীক ভাষাত ৰচনা কৰা 'পেৰিপ্লাচ অব দ্য ইৰিথ্ৰিযান ছী' নামৰ গ্ৰন্থখনত এই ৰাজ্যখনক 'থিলা' বুলি কৈছে। গ্ৰন্থখনত গঙ্গা নদীৰে সাগৰ বন্দৰলৈ যোৱাৰ বৰ্ণনা আছে। কিন্তু বহ্মপুত্ৰ নদৰ উল্লেখ নাই। বৰ্তমানৰ বঙ্গোপসাগৰ খন বৰ্তমানৰ প্ৰায সম্পূৰ্ণ বাংলাদেশখন জুৰি বিস্তৃত হৈ আছিল আৰু গোৱালপাৰা জিলাৰ পঞ্চৰত্ন পাহাৰলৈকে ঘোপা হৈ সোমাইছিল।

ভূ-তত্ত্ববিদ সকলৰ মতে খাগৰিজান (অধুনা নগাঁও) লৈকে দুখন সমান্তৰাল নদী - চিযাং আৰু দিহিং উজনিৰ পৰা গতিপথ লৈছিল। ভুমিকম্পৰ প্ৰভাৱত পৰৱৰ্ত্তী কালত ব্ৰহ্মপুত্ৰ নাম পৰিগ্ৰহন কৰে। এযা হযতো দ্বিতীয কিম্বা তৃতীয শতাব্দী (খৃষ্টীয) বুলি সমযসীমা টানিব পাৰি। কালিকা পুৰাণত থকা শান্তনু - ৰেণুকা - পৰশুৰাম আখ্যানটোও ইযাকে সমৰ্থন কৰে।

স কামৰূপমখিলং পীঠমাপ্লাব্য বাৰিণা।
গোপযন্ সৰ্বতীৰ্থানি দক্ষিনং যাতি সাগৰম্।।

বৰ্তমানৰ গুৱাহাটী চহৰখনত বহুতো বিশাল বিশাল বিল খাল, জলাশয আছিল। অধুনা চিল্কা হ্ৰদত (উৰিষ্যাৰ পুৰীৰ ওচৰত) ভালেমান পাহাৰৰ আগখিনি ওলাই থকাৰ দৰে গুৱাহাটীৰো উমানন্দ, কৰ্মনাশা, উৰ্বশী, নীলাচল শুক্ৰেশ্বৰ আদিও বিশাল জলাশযবোৰত অৱস্থান কৰিছিল বুলি ভুতত্ত্ববিদৰ মত। পৰশুৰামেই হ'ক বা ভুমিকম্পৰ প্ৰভাবতেই হ'ক উজনিৰ পৰা বহ্মপুত্ৰৰ জলধাৰা হিলদোল ভাঙি গুৱাহাটীৰ বিল-খাল বোৰ গ্ৰাস কৰি ভটিযাই আহি পুৰাণ- বৰ্ণিত কালিদহ সাগৰত পৰিছিল!

অসম ইতিহাসৰ পম খেদিলে পোৱা যায যে বৰ্তমানৰ কামৰূপ জিলাৰ দক্ষিন পশ্চিম অঞ্চলত কেবাখনো ৰাজ্যৰ অস্তিত্ব আছিল ঔগুৰি, লুকী, ৰাণী, পান্টান, গুমি আদি। এই ৰাজ্যকেইখন বৰ্তমানৰ বৃহত্তৰ ছয়গাঁও অঞ্চলত আছিল। ৰজা বিলাক ভুঞাঁ নামে জনাজাত আছিল আৰু স্বাধীন আছিল। 'বগে' নামৰ এখন ক্ষুদ্ৰ স্বাধীন ৰাজ্যৰ নাম পোৱা যায। ৰজা জনো ভুঞাঁ আছিল। আজিও 'ভুঞাঁপাৰা' নামৰ গাঁওখনিযে ভুঞাঁসকলৰ স্মৃতি সোঁৱৰাই দিযে। কোচ ৰজা বিশ্বসিংহই 'বগে' ৰাজ্য আক্ৰমন কৰে আৰু এখন এখনকৈ আটাইকেইখন ৰাজ্যকে কোচৰাজ্যৰ অন্তৰ্ভুক্ত কৰি লয়। কোচ ৰাজ্যৰ অন্তৰ্ভূক্ত হোৱাৰ সময়ত এই অঞ্চলত ধৰ্মীয সংঘাতৰ সৃষ্টি

হৈছিল। ভূঞাঁ সকল আছিল হিন্দুধৰ্মৰ (ব্ৰাহ্মন্যবাদ) উচ্চবৰ্ণী কায়স্থ। ধৰ্ম কৰ্মত তেওঁলোক অধিকতৰ সংস্কাৰ যুক্ত আছিল। আনহাতে কোচসকল নতুনকৈ হিন্দুধৰ্মত দীক্ষিত হোৱা। ভলেমান গোষ্ঠী সম্পদায়ৰ লোক কোচৰ অন্তৰ্গত - মেচ, কছাৰী, গাৰো, লালুং আদি কোচ নামে অভিহিত আছিল। উত্তৰ বঙ্গৰ অধুনা বাংলাদেশৰ ৰংপুৰ-দিনাজপুৰ আৰু পশ্চিম অসমৰ অবিভক্ত গোৱালপাৰা জিলাৰ কোচবিলাকে 'ৰাজবংশী' বুলি পৰিচয় দিবলৈ অধিকতৰ পছন্দ কৰে। এওঁলোক শক্তিৰ উপাসক আৰু তান্ত্ৰিকতাত প্ৰচণ্ড বিশ্বাসী। তন্ত্ৰ হৈছে শিৱ-পাৰ্বতীৰ নিৰ্দেশনা। তন্ত্ৰ উপাসনাৰ মহালক্ষ্য নীলাচলৰ কামাখ্যাদেৱী। প্ৰকৃতিৰ স্ত্ৰী-গুণৰ অৰ্চনা কৰাই তন্ত্ৰৰ উদ্দেশ্য। এই পূজাত নৰবলিয়ে প্ৰশস্ত। কালিকা পুৰাণ মতে এই অঞ্চলত 'ভোগী' নামেৰে একশ্ৰেনী লোকৰ বছৰে বলিদান কৰা হৈছিল। শিৱ মূলতে অনাৰ্য্য দেৱতা। শিৱ পৰিয়ালৰ দুৰ্গা, কাৰ্ত্তিক, গণেশ আদিৰ পূজা-পাতল যে অকল অৰ্য্যেতৰ সমাজতে প্ৰচলিত আছিল তেনে নহয় আৰ্য্য সমাজতো প্ৰক্ষিপ্ত হৈছিল।

ইমানলৈকে ঠিকেই আছিল, কিন্তু হঠাতে সমস্যা এটাৰ উদ্ভৱ হ'ল দেৱী পদ্মাক লৈ। পদ্মা হ'ল শিৱৰ অযোনি-সম্ভূতা তনয়া। শিৱৰ তনযা, অথচ তাইৰ পূজা অৰ্চনাৰ কোনো ব্যৱস্থা নাই। পদ্মাৰ যেন প্ৰচণ্ড ক্ষোভ পিতৃৰ ওপৰত। এবে পৰিযালৰে পাৰ্বতীৰ কত ৰূপত যে পূজা হয। গণেশৰ আকৌ সকলোৰে প্ৰথমতে পূজা হবই লাগিব। কাৰ্ত্তিকৰ দৰে অনাচাৰী জনো পূজাৰ ভাগ পায। পদ্মা কিয পূজিত নহব?

এইখিনিতে উল্লেখনীয যে ভাৰতবৰ্ষৰ সমতট (বঙ্গদেশ) আৰু কামৰূপ অঞ্চলত সাপ এবিধ বিভীষিকাময সৰীসৃপ। প্ৰতিবছৰে বিশেষকৈ বৰ্ষা ঋতুত এই অঞ্চলত বহুত মানুহ আৰু জীৱ জন্তুৰ সৰ্প-দংশনত মৃত্যু অনিবাৰ্য্য হৈ পৰে। সেই কাৰণে এই অঞ্চলৰ মানুহে সাপক বৰ সমীহ কৰে। সাপ থকাৰ উমান পোৱাৰ লগে লগে পৰিবেশটো আতঙ্কময হৈ উঠে। কাৰণ ঘৰে-বাহিৰে, জলে-স্থলে, গৰ্ত্তে-বৃক্ষে সাপৰ অবাধ বিচৰণ। ভযৰ পৰা ভক্তিৰ আৰ্বিভাৱ হয। ভক্তিযে পূজা-অৰ্চনাৰ সৃষ্টি কৰে। পূজা অৰ্চনাতে 'প্ৰতিমা'ৰ ধাৰণা মনলৈ আহে। 'প্ৰতিমা'ই পূজা অৰ্চনাৰ সাকাৰ ৰূপ। এই অঞ্চলৰ কোনোবা এজনে প্ৰথমে সৰ্প মহিমাৰ অনুভূতি ৰূপকথাৰ যোগেদি মালিতা (পাঁচালী) ৰূপে ৰূপাযিত কৰিছিল এজনী দেৱী ৰূপে সৰ্পকুলক প্ৰতিনিধিত্ব কৰাইছিল। পৰৱৰ্ত্তী গৰমিল হৈ এই সৰ্প-দেৱীয়ে শিৱ-তনয়া 'পদ্মা' নাম পায। হয়তোবা এইজন ব্যক্তিযে কোনোবা সৰ্প-দংশিত লোকক জৰা-ফুকা কৰি সুস্থ কৰি তুলিছিল। হযতোবা এইজন ব্যক্তিযে তেনে ভালেমান ৰোগীক সুস্থ কৰি তুলিব পাৰিছিল। চিকিৎসা শাস্ত্ৰযো কয যে সকলো সাপৰে বিষ একে নহয়। অধিকাংশ

সাপে বিষহীন। সৰ্প দংশিত লোক আতঙ্কগ্ৰস্ত হৈ মূৰ্চ্ছা যায়। পিচত তাক মনসিকভাৱে ভয় ভাৱ আঁতৰ কৰাব পাৰিলে ৰোগীজন আৰোগ্য লাভ কৰে। কেৱল ফেটীসাপে দংশিলেহে মৃত্যু অৱধাৰিত হয়। এনেবোৰ গাৱলীয়া চিকিৎসকক 'ওজা' বুলি কোৱা হয়। এই আদি 'ওজা' জনক বা তেওঁৰ ভক্তবৃন্দৰ একান্ত ইচ্ছা আছিল সৰ্পদেৱীৰ পূজাৰ প্ৰচলন কৰা। ফলস্বৰূপে, স্থিতাৱস্থাৰ সৈতে ধৰ্মীয় সংঘাতৰ সৃষ্টি হৈছিল। দেৱী পদ্মাক প্ৰতিষ্ঠিত কৰাৰ বাবে ছয়গাঁও অঞ্চলৰ প্ৰবল প্ৰতিপত্তি থকা 'চান্দ সদাগৰ'ক ধৰ্মান্তৰ কৰাটো অতি প্ৰযোজন হৈ পৰিছিল।

হৃদযে ভাবিযা চণ্ডী এতেক প্ৰমাদ।
পদ্মাৰ সহিত চান্দৰ লাগাইব বাদ।।

* * *

তোমাৰ ঘৰেতে গেছে মনসা নাগিনী।।
সৰ্বদা পদ্মাৰে তুমি দিবা অপমান।

* ✝ *

- পদ্মা পুৰাণ

প্ৰচলিত দেৱী আছিল শক্তিৰ উৎস শিৱ-জাযা আৰু প্ৰতিষ্ঠিত কৰাৰ আপ্ৰান চেষ্টা দেৱী পদ্মাৰ যি শিৱ-তনযা।

জনশ্ৰুতি মতে, চান্দৰ বসতি স্থানৰ নাম চম্পক নগৰ (বৰ্তমানৰ কুলসী নৈৰ পাৰত থকা ছয়গাঁও নগৰৰ কাষত 'চণ্ডিকা')। চান্দ সদাগৰৰ ছজন পুত্ৰৰ মৃত্যু হৈছিল সৰ্প-দংশনত। সৰ্প-দেৱী পদ্মাক পূজা নিদিযা বাবেই চান্দৰ ছয় পুত্ৰৰ সৰ্প-দংশনত মৃত্যু হয় বুলি তেওঁক বুজনি দিযা স্বত্বেও তেওঁ পদ্মাক পূজা কৰা নাছিল। পক্ষান্তৰে স্ত্ৰীক গৰ্ভ-সম্ভৱা অৱস্থাত এৰি চৈধ্যখন নাওৰ নৌবহৰ এটালৈ বাণিজ্যত ওলাই গৈছিল।

চৌদ্দ ডিঙ্গা বাহি যায়, পাইক সবে সাৰি গায, তোলপাৰ গুঞ্জৰি সাগৰ।
গুঞ্জৰিত দিল ভাটি, ছড়াইল কামাৰহাটী, দুৰ্জয় গড় ৰৈল হাতৰ বামে।
দক্ষিনে গোপালপুৰ, যাতে বৈসে দৈত্যপুৰ, সৃজিলেক ৰাজা শ্ৰীৰামে।
কালিদহ ছুডাইযা, মণ্ডেশ্বৰে পাৰে যাইযা, ভাঙ্গিলেক মন্দাৰেৰ থানা।
সেই স্থান বামে কৰি, দক্ষিণেতে বিষ্ণুপুৰী, পৰে যায সাগৰ লবনা।
.... সুকবি নাৰায়ন দেবে কয়।।

সুকবি নাৰায়নদেব বিৰচিত পদ্মাপুৰাণৰ উল্লেখ মতে ছয়গাঁওৰ উত্তৰত বৰ্তমানৰ ব্ৰহ্মপুত্ৰৰ দক্ষিন পাৰত বিশাল হ্ৰদ সদৃশ 'গুঞ্জৰি' সাগৰ এখন আছিল। ইয়াৰ পাৰত চান্দৰ ৰাজধানী চম্পক নগৰ। কিন্তু দক্ষিনত দুৰ্জ্জয় গড় 'সাতাইলা পৰ্বত' (শ্ৰীসূৰ্য্য পাহাৰ) আৰু 'গোপালপুৰ' (গোৱালপাৰা চহৰ)। তাৰ পিচতে 'কালিদহ' সাগৰ। আৰু পৰিশেষত 'সাগৰ লবনা' (বঙ্গোপসাগৰ)। সম্ভৱতঃ সেই সময়ত 'সমতট' সাগৰ গৰ্ভতে আছিল আৰু উপসাগৰ খন গোৱালপাৰা আৰু ধুবুৰী জিলাৰ পশ্চিম-দক্ষিন অংশলৈ ব্যাপ্ত হৈ আছিল। ইয়াৰ সমৰ্থন যোগিনী তন্ত্ৰতো পোৱা যায়-

উত্তৰাস্যাং কঞ্চগিৰিঃ কৰতোৱা তু পশ্চিমে

তীৰ্থ শ্ৰেষ্ঠা দিক্ষুনদী পূৰ্বাসাং গিৰি কন্যাকে

দক্ষিনে ব্ৰহ্মপুত্ৰস্য লাক্ষাযাঃ সঙ্গমাৱধি

কামৰূপ ইতি খ্যাতঃ।

সুকবি নাৰাযনদেৱ ('সুকন্নানি' নামেৰেও পৰিচিত) ৰাজবংশী আছিল। তেওঁ 'পদ্মাপুৰাণ' ৰচনা কৰিছিল। তেওঁক মৈমনসিঙীযা বুলি বঙালী সমাজে দাবী কৰিলেও, প্ৰকৃততে তেওঁ দৰঙী ৰজা ধৰ্মনাৰাযনৰ ৰাজত্বত (খৃঃ ১৬২৫-১৬৩৭) উদ্ভৱ হোৱা যেন লাগে। তেওঁৰ ৰচনাশৈলী, পৰিবেশ আৰু আচাৰ-ৰীতি পৰ্য্যবেক্ষন কৰিলে তেওঁ যে অসমীয়া তাত সন্দেহৰ অৱকাশ নাথাকে। মুখে মুখে পুৰুষানুক্ৰমে চলি অহা মনসা দেৱীৰ আখ্যানটোক এওঁ কাব্যৰূপ দিছে। সেয়েহে শ্ৰীশ্ৰী পদ্মাপুৰানখন 'ৰাজবংশী' সমাজত অতি প্ৰবিত্ৰ পুথি ৰূপে মান্য কৰা হয। মাৰৈ বা মনসা পূজা যি নিষ্ঠাৰে ৰাজবংশী সকলে পালন কৰে, তেনে নিষ্ঠা অন্য কোনোতে দেখা নাযায়। সৰ্পৰ প্ৰতীক ৰূপে এই পূজাত হাঁহ প্ৰশস্ত। ৰাজবংশীৰ পৰা হোৱা ভালেমান মুচলমান লোক আজিও মনসাৰ প্ৰতি দুৰ্বল।

সুকন্নানি পদ্মাপুৰাণত বৰ্ণিত 'কালিদহ' সাগৰ খনৰ অৱস্থান বৰ্তমানৰ কোনখিনি অঞ্চলত হব? - ই গৱেষণাৰ বিষয়। ওভতনি পথত চান্দ সদাগৰে ঠিক নিমজ্জনৰ আগে আগে মাঝি মাল্লাবোৰক উদ্দেশি কৈছিল -

এথা হতে ঘৰ আৰ চৌদ্দ দিনে পাই।।
বেবান ছাড়িয়া এখন পাইনু ভিতৰ পানি।

* * *

ক্ষনেক অছয়ে মাত্ৰ কালিদহে ভয়।

* * *

শ্বেতবর্ণ জল ফুটিয়াছে পদ্মফুলে।

* * *

পদ্মা নামে পদ্মপুষ্প ফেনিল কাটিয়া।
পদ্মাৰে পাড়িয়া গালি যায় ডিঙ্গা বাইযা।।

* * *

ঢেউযে নিয়ে লগাইল কুলেৰ নিকটে।
লক্ষ্মীপুৰ নগৰে।

ব্ৰহ্মপুত্ৰ নদ বৰ্তমানৰ গতিপথ লোৱাৰ পূৰ্বে 'কালিদহ' নামৰ গভীৰ জলৰাশি সাগৰখনৰ সৈতে সংলগ্ন আছিল বুলি ভূ-তত্ত্ববিদে মত পোষন কৰে। স্থানীয ভাষাত দুটা শব্দ আছে -'চাচাৰা' আৰু 'দহ'। প্ৰথমটোৱে তৰাং আৰু দ্বিতীযটোৱে গভীৰ পানীক বুজায। যিকোনো জলৰাশিৰ উপকূল থকা কম পানীৰ সমতল অঞ্চলক 'চাচাৰা' আৰু তাৰ কাষতে থকা দ পানীৰ অঞ্চলক 'দহ' কোৱা হয। শিযালদহ, মালদহ, জামালদহ, গিতালদহ, হাসদহ, কালিদহ আদি ঠাইসমূহৰ বৰ্তমানৰ অৱস্থান পৰ্যাবেক্ষণ কৰিলে দেখা যায যে ঠাই কেইখন আজিও ধেনুভেৰীয়াকৈ অৱস্থান কৰি আছে। কালিদহ সম্পৰ্কত কবিয়ে কৈছে তাৰ 'চচাৰা' অঞ্চলত পদ্ম ফুল ৰাশি ফুলি আছিল আৰু পদ্মা দেৱী এনে পদ্ম ফুলতে জন্মিছিল। সেযে, চান্দই ক্ষোভতে কিছু পদ্মফুল নাওৰ পৰাই কাটিছিল। যোগীঘোপাৰ পৰা শালকোচালৈকে বহ্মপুত্ৰৰ উত্তৰ পাৰত ভালেমান বিলত আজিও পদ্মবাৰী দেখা যায। পদুম ফুল কিন্তু সকলো ঠাইতে নহয আৰু তাক পোঁহ মনাবও নোৱাৰি। কবিযে আৰু কৈছে যে 'কালিদহ'ত নৌ বহৰ নিমজ্জিত হোৱাত চান্দক ঢে উৱে পাৰত লগাই দিছিল আৰু তাতে এখন নগৰ আছিল নাম- লক্ষ্মীপুৰ (বৰ্তমানৰ গোৱালপাৰা জিলাৰ লক্ষীপুৰ হোৱাটো সম্ভৱ।) লক্ষীপুৰৰ ঠিক বিপৰীত পাৰত শালকোচা। ইযাৰোপৰি, শালকোচাৰ দক্ষিনসীমাত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত ডিঙ্গা আকৃতিৰ এখন পাহাৰ আছে। জনশ্ৰুতিযে পাহাৰখনৰ নাম 'চান্দৰডিঙা' ৰাখিলে। জনশ্ৰুতিক অস্বীকাৰো কৰিব পৰা নাযায় আৰু অগ্ৰাহ্যও কৰিব পৰা নাযায। ই সাহিত্য আৰু সমাজৰ ভেটি স্বৰূপ। এই অঞ্চলত তেনে এটি আখ্যান আছে 'হস্তীকন্যা জযমালা'। সেইদৰে 'চান্দ সদাগৰ-বেউলা-লক্ষীন্দাৰ' আখ্যানটোক উৰুৱাই দিব নোৱাৰি। অসম বঙ্গৰ ৰাজবংশী সমাজে ইযাক কয 'মাৰৈ', বঙালী সমাজে কয 'মনসা-মঙ্গল' আৰু ইচলাম ধৰ্মত দীক্ষিত হোৱা সকলে কয 'ভাসান যাত্ৰা'।

আছিল যৱন ৰাজা বিদিত ভূৱন

ফাতিমা বিবিৰ পুত্ৰ হাসন-হুসন।

যোগীঘোপা, চাপৰ, শালকোচা অঞ্চলৰ দক্ষিন অংশত কুৱা/নলী নাদ খান্দিলে আজিও মাটিৰ ২৫-৩০ মিটাৰ তলত কাঠ, ডাউকী গছ, বিৰিণা আদি প্ৰায়ে পোৱা যায়। এই অঞ্চলটোৱে যে পদ্মাপুৰাণ বৰ্ণিত 'কালিদহ' সাগৰ আছিল - তাক পোনচাটে প্ৰত্যাখ্যান কৰাৰ ধৃষ্টতা কাৰো নাই। (কালিদহ>কালিদয়) যাৰ অৰ্থ কলা বৰণৰ বা কালিকা লগা ভয়ঙ্কৰ গভীৰ জলৰাশি - এই অঞ্চলৰ ঐতিহ্য, ধৰ্ম, সংস্কৃতি আদিৰ সৈতে নিবিড়ভাৱে ই সম্পৰ্কিত।

আবুল কালাম

সম্পাদক,

শালকোচা শাখা সাহিত্য সভা।

প্ৰাসঙ্গিক পুথি সমূহ :-

১। পদ্মাপুৰাণ প্ৰকাশক, জেনেৰেল লাইব্ৰেৰী এণ্ড প্ৰেচ, কলিকতা - ১

২। পদ্মাপুৰাণ ঐ, ৰাজেন্দ্ৰ লাইব্ৰেৰী, কলিকতা - ১

৩। যোগিনী তন্ত্ৰম ঐ দত্তবৰুৱা এণ্ড কোং, গুৱাহাটী- ১

৪। কালিকা পুৰাণ ঐ, ভট্টাচাৰ্য্য এজেঞ্চি, ডিব্ৰুগড়।

৫। ছয়গঞাঁ ইতিহাসৰ ৰেঙনি . ড° জিতেন দাস।

৬। প্ৰাগজ্যোতিষপুৰৰ পৰা গুৱাহাটীলৈ ড° প্ৰদীপ শৰ্মা।

৭। গোৱালপৰীয়া লোক-সাহিত্যত সমাজ-জীৱনৰ প্ৰতিফলন . শশী শৰ্মা।

৮। A History of Assam Sir Edward Gait

সহ সম্পাদিকাৰ প্ৰতিবেদন

গোৱালপাৰীযা ভাষাত এটি বহুল প্ৰচলিত শব্দ হ'ল 'তামাদী'। যাৰ অৰ্থ পাহৰণিৰ গৰ্ভত হেৰাই যোৱা অতীত। শালকোচাৰ গৌৰৱময় অতীতখিনিক তামাদী হোৱাৰ পৰা ৰক্ষা কৰিবলৈ স্মৃতি দেৱীৰ মন্দিৰত এযা এগচি চাকি জ্বলোৱাৰ হে প্ৰযাস কৰা হৈছে শালকোচা শাখা সাহিত্য সভাৰ ফালৰ পৰা।

গোৱালপাৰীয়া সংস্কৃতিৰ নিজাকৈ সুকীয়া বৈশিষ্ট্য থাকিলেও ই বৃহত্তৰ অসমীযা সংস্কৃতিৰেই বৈচিত্ৰ প্ৰদানকাৰী উপাদান। কামৰূপ, গোৱালপাৰা, কোচবিহাৰ, জলপাইগুৰি ৰংপুৰ এক বিস্তৃত অঞ্চলৰ উজান-ভাটী সংস্কৃতিত গোৱালপাৰীযা সংস্কৃতিৰ জন্ম। এই লোক সংস্কৃতিৰেই এটি ক্ষুদ্ৰ অংশ শালকোচাৰ তাহানিকালৰ সংস্কৃতিৰ পথাৰখনত 'লেছেৰী' বুটলিবলৈ কৰা আমাৰ এই প্ৰচেষ্টা বৰ কঠিন বুলিযে কব পাৰি। আমি অনুভৱ কৰিছো যে বহু কথাই জনা নগল, বহুত লুপ্ত হৈ ৰল। আনকি সুপ্ত ৰূপত থকা বহুখিনিকো বুটলিব পৰা নগ'ল। সুধী পাঠক বৃন্দই যাতে এনে এক বৃহৎ কাৰ্য্যৰ হব পৰা সকলো দোষ নিজ গুণে ক্ষমা কৰি দি আমাৰ দোষ খিনি আঙুলিয়াই দিয়ে। আমাৰ গ্ৰন্থখনে সন্নিবিষ্ট নকৰা যিকোনো অতীত আৰু কৃষ্টিৰ বিষযে আমাক অৱগত কৰালে নথৈ আনন্দিত হম। কোনে জানে, ইযে গ্ৰন্থখনৰ পৰৱৰ্ত্তী 'পৰিপূৰিক' প্ৰকাশত প্ৰেৰণাও হবগৈ পাৰে।

এই ছেগতে আমাৰ শালকোচা শাখা সাহিত্য সভাই বৰ্তমানলৈ নিজে মূৰপাতি লোৱা আন কিছু দায়িত্বৰ কথাও লিপিবদ্ধ কৰিবলৈ বিচাৰিছো। শালকোচা শাখা সাহিত্য সভাই এটি স্থায়ী ভৱন নিৰ্ম্মাণ কৰি (ভৱন নিৰ্ম্মানত বৰ্তমান বিধায়ক শ্ৰীযুত প্ৰশান্ত কুমাৰ বৰুৱাদেৱে কৰা সহায়ক শ্ৰদ্ধাৰে সুঁৱৰিছো) তাত এটি পুথিভঁৰাল গটি তোলাৰ কাৰ্য্য হাতত লৈছে। তাৰোপৰি ভৱনটিত এখন সঙ্গীত বিদ্যালয়ো সভাৰ উদ্যোগত চলাই থকা হৈছে। শাখা সাহিত্য সভাই শিল্পী দিৱস, ৰাভা দিৱস আদি উদ্‌যাপন কৰাৰ উপৰিও মাজে সময়ে বিভিন্ন বিদ্যালযৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত প্ৰতিযোগিতামূলক গীত-নৃত্য প্ৰশ্নোত্তৰ আদিৰ অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে।

শালকোচাৰ অতীত আৰু কৃষ্টিক লিপিবদ্ধ কৰাৰ আমাৰ এই প্ৰচেষ্টাত যি সকল সদাশয় ব্যক্তিৰ সহায় পাইছো তেখেতসকলক আমাৰ ফালৰ পৰা ধন্যবাদ জনালোঁ। গ্ৰন্থখনৰ প্ৰতিজন লেখক-লেখিকাৰ ওচৰত আমি কৃতজ্ঞ থাকিলো। আমাৰ শাখা সাহিত্য সভাৰ বিভিন্ন কাৰ্য্যত সহায়ৰ হাত আগবঢ়োৱা প্ৰতিজন ব্যক্তি আৰু অনুষ্ঠানক আন্তৰিক ধন্যবাদ জনাই আমাৰ প্ৰতিবেদনৰ অন্ত কৰিলোঁ।

আমাৰ প্ৰতিটো জ্ঞাত-অজ্ঞাত ভুলৰ বাবে পুনৰ ক্ষমা প্ৰাৰ্থনাৰে।

বাসৱী চক্ৰবৰ্ত্তী
সহ সম্পাদিকা,
শালকোচা শাখা সাহিত্য সভা।

সম্পাদকীয় -

'চিৰ চেনেহী মোৰ ভাষা জননী'ৰ অসম সাহিত্য সভাৰ এখন মহতী অনুষ্ঠান যি অসমী সন্তানৰ কাৰণে অতি আপোন আৰু অতি চেনেহৰ। অসমৰ ভাষা, সাহিত্য, কৃষ্টি-সংস্কৃতি আদিৰ বিকাশ আৰু প্ৰচাৰৰ বাবে ১৯১৭ চনতে এইখন জাতীয় অনুষ্ঠানৰ জন্ম লাভ হৈছিল। প্ৰথমাৱস্থাত বৃহত্তৰ অসমৰ নগৰে-চহৰে ইয়াৰ শাখা সভা গঢ়ি উঠিছিল। ৰঙিয়া অধিবেশনৰ গিৰিধৰ শৰ্মা দেৱ সভাপতি হোৱাৰে পৰা শাখা সভাৰ সংখ্যা বাঢ়িব ধৰিলে। গাঁও অঞ্চলতো ই প্ৰসাৰ লাভ কৰিব ধৰিলে। ১৯৭২ চনত শালকোচাত ইয়াৰ শাখা সভা '**শালকোচা শাখা সাহিত্য সভা**' গঠন হ'ল।

শালকোচাৰ দৰে এখন ঐতিহ্য আৰু সংস্কৃতিবাহী অঞ্চলত এইখন শাখা বহুপূৰ্বে গঠন হব লাগিছিল। হয়তো নেতৃত্বৰ অভাৱতে গঢ়ি উঠা নাছিল। সি যি কি নহওক, চৈতন্যদেৱ চক্ৰৱৰ্তী (শালকোচা হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক) মহাশয়ৰ সভাপতিত্বত এখন ৰাজহুৱা সভা স্কুল প্ৰাঙ্গনতে ইং ১৬/৯/১৯৭২ তাৰিখত বহে আৰু এখন কাৰ্য্যনিৰ্বাহক সভা গঠিত হয়। শ্ৰী নিৰঞ্জন চক্ৰৱৰ্তী আৰু আবুল কালাম মহাশয় যথাক্ৰমে সভাপতি আৰু সম্পাদক নিৰ্বাচিত হয়। বহুদিনলৈকে শালকোচা শাখা সাহিত্য সভাৰ নিজা ঘৰ-মাটি নোহোৱাৰ বাবে কাম-কাজ সুচাৰুৰূপে হোৱা নাছিল। অৱশেষত বহুত পলম হ'লেও সভাৰ ঘৰ-মাটি হ'ল। 'শালকোচা বোৱা-কটা সমবায় সমিতিয়ে ঘৰ সাজিবৰ বাবে এডোখৰ মাটি দান কৰিলে। স্থানীয় বিধায়ক প্ৰশান্ত কুমাৰ বৰুৱাদেৱে সেই মাটিত ঘৰ সাজিবলৈ অনুদান দিয়াত ধুনীয়া ঘৰ এটা নিৰ্মিত হ'ল। বৰ্তমানৰ সভাপতি শ্ৰী দিলীপ কুমাৰ চক্ৰৱৰ্তী আৰু সম্পাদক আবুল কালাম মহাশয়ৰ নিৰলস চেষ্টাত সভাখন গতিময় হৈ উঠে। উত্তৰোত্তৰ শ্ৰীবৃদ্ধি আৰু কাম-কাজেৰে সভা জিলিকি উঠে। ৰাজহুৱা দান বৰঙনিত কিতাপ-পত্ৰ, চেয়াৰ-টেবিল, আলমাৰী আদি ভালেমান বস্তু বাহানিৰে শালকোচা সাহিত্য সভা ভৱন ভৰি পৰে। সচাঁকৈয়ে জনসাধাৰণৰ আৰ্শীবাদ থাকিলে একোৰে অভাৱ

নহয়। শালকোচাৰ মাজ-মজিয়াৰ অভিজাত অঞ্চলত ৰাজআলিৰ দাঁতিত সাহিত্যসভাৰ ভৱনটো সৰ্বতোভাৱে দেখনিযাৰ হৈছে।

সাহিত্য সভা ভৱনত এখন সঙ্গীত বিদ্যালয় খুলা হৈছে। ইতিমধ্যে বিদ্যায়খন অসম চৰকাৰৰ পঞ্জীয়নকৃত হৈছে আৰু লক্ষ্ণৌৰ ভাটখাণ্ডে সঙ্গীত বিশ্ববিদ্যালয়ৰ অধীনত নিযমিত সঙ্গীত শিক্ষা চলিছে। 'শালকোচা সাহিত্যসভা সঙ্গীতালয়' সভাৰ এক সৌধীয কৃতিত্ব। ইয়াৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষিকা সকলে প্ৰতি বছৰে শিল্পীদিৱস, ৰঙালীবিহু, ৰাভা দিৱস, চেতনা দিৱস আদি উলহ-মালহেৰে উদ্‌যাপন কৰি আহিছে। বিলাসীপাৰা পূব সমষ্টিৰ বিধায়ক বৰুৱাদেৱ আমাৰ সাহিত্যসভাৰ প্ৰতিখন অনুষ্ঠানতে উপস্থিত থাকি যি উৎসাহ-উদ্দীপনা যোগায - ই সচাঁকৈয়ে শলাগিবলগীযা। শালকোচা সাহিত্য সভাই এবাৰ চকুৰ অস্ত্ৰোপচাৰ শিবিৰ পাতি স্থানীয় ভালেমান দুখীযা ৰোগীৰ চিকিৎসাৰ ব্যৱস্থা কৰে। এইক্ষেত্ৰত স্থানীয় স্বাস্থ্য বিষয়া ডঃ ৰাজদীপ গুহৰ সহায় সহযোগিতাৰ বাবে আমাৰ মনত তেওঁ চিৰ স্মৰণীয হৈ থাকিব।

অসম সাহিত্য সভাৰ উপসভাপতি শ্ৰী পাচুগোপাল চক্ৰৱৰ্ত্তীদেৱক সম্বৰ্দ্ধনা হেতু শালকোচা সাহিত্য সভাই পতা জাক-জমকীয বৰ্ণাঢ্য ৰাজহুৱা সভাখনত স্থানীয় ৰাইজ, ছাত্ৰ-ছাত্ৰী আৰু ধুবুৰী জিলা সাহিত্যসভাৰ বৰমূৰীযা সকলৰ প্ৰদৰ্শিত আন্তৰিক সহযোগিতা সচাঁকৈয়ে হৃদযগ্ৰাহী।

শালকোচা সাহিত্যসভাই মুখপাত্ৰ এখন প্ৰকাশ কৰিবলৈ বহুদিনৰে পৰা চিন্তা-চৰ্চা কৰি অহাৰ ফলশ্ৰুতিত আমাৰ এই নিবেদন - 'কালিদহ'। সুকবিনাৰায়নদেৱ বিৰচিত পদ্মা পুৰানত বৰ্ণিত কালিদহ সাগৰখনে শালকোচাৰ দক্ষিনাংশৰ এক বৃহৎ অঞ্চল এসময়ত সামৰি লৈছিল, যাৰ নিৰব সাক্ষী চান্দৰ ডিঙা পাহাৰ, যিয়ে পদ্মা, চান্দ, বেউলা-লক্ষীন্দাৰৰ মহিমাৰ নিৰলস অনুৰণন আজিও কৰি আছে। এনে পটভূমিতে আমাৰ মুখপত্ৰখনে নাম ললে 'কালিদহ'।

এই অঞ্চলৰ সম্পাদকীয টোকাটোত যিসকল ব্যক্তিৰ নাম উল্লেখিত হৈছে তেখেতসকল সমন্বিতে 'কালিদহলৈ' উপহাৰ দিয়া সমূহ লেখক-লেখিকালৈ শালকোচা শাখা সাহিত্যসভাৰ পক্ষে কৃতজ্ঞতা যাচিছোঁ। শালকোচা শাখা সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ সদস্যবৰ্গক মুখ্য কৰি অনুষ্ঠানখনৰ সৈতে জড়িত সমূহ ব্যক্তিলৈ সহায়-সহানুভূতি আগবঢ়োৱা হেতু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। পৰিশেষত যিজন ব্যক্তিৰ আশাশুধীয়া চেষ্টাৰ গুণত 'কালিদহ'ক আজি

সুধি সমাজৰ হাতত তুলি দিব পৰা হৈছে আমাৰ শাখা সভাৰ সেইজন সম্পাদক মহোদয়লৈ যাচিছো মই প্ৰণিপাত।

'কালিদহ'ত নিশ্চয়কৈ ভুলত্ৰুটী বৈ গৈছে তাৰ বাবে দায়বদ্ধ এই অভাজন আৰু ইয়াৰ বাবে সুধি সমাজৰ ওচৰত ব্যক্তিগত ভাৱে ক্ষমা বিচাৰিছোঁ।

জয় আই অসম।

জয়তু শালকোচা শাখা সাহিত্য সভা!!

অপৰ্ণা চক্ৰৱৰ্ত্তী

পত্ৰিকা সম্পাদিকা,

শালকোচা শাখা সাহিত্য সভা।

শালকোচাৰ অতীতত এভুমুকি

সুভাষ চৌধুৰী

ৰামুনগাঁও

ব্ৰহ্মপুত্ৰ, গৌৰাং, তাৰং নদী আৰু সৰ্পমাৰী পাহাৰৰ মধ্যবতী অঞ্চলক লৈ গঠিত হৈছে শালকোচা অঞ্চল। তাৰং শব্দই তৰাং বা অগভীৰ বুজায়। তাৰং শব্দৰ পৰাই তৰাই অঞ্চলৰ নামকৰণ হৈছে। আনহাতে গৌৰাং শব্দই গভীৰ পানীৰ কথাকে বুজাইছে। ভাস্কৰ বৰ্মনৰ পিছত শালস্তম্ভ বা শালকোচ কামৰূপৰ ৰজা হৈছিল। শালস্তম্ভ শালকোচ অঞ্চলৰ পৰাই হেনো ৰাজত্ব কৰিছিল। শালকোচৰ পৰাই শালকোচা অঞ্চলৰ নামৰ উৎপত্তি হোৱা বুলি একাংশ পণ্ডিতে ভাবে। পুৰাতাত্বিক প্ৰমান সমূহে বৰ্মন বংশৰ ৰাজধানী বৰ্তমান বংলাদেশৰ বগুৰা-ময়মনসিং অঞ্চলত থকাৰ কথাহে আঙুলিয়ায়। একেদৰে শালকোচৰ প্ৰশাসনিক ক্ষেত্ৰ ক'ত আছিল বৰ্তমানলৈকে ঠিৰাং কৰা সম্ভৱ হৈ উঠা নাই।

১৮৬৪ খ্ৰীঃত শালকোচা অঞ্চলক অসমৰ অন্তভূক্ত কৰা হয়। ইয়াৰ আগেয়ে শালকোচা মোগল আৰু ব্ৰিটিচ বঙ্গৰ প্ৰান্তীয় অঞ্চল আছিল। জনজাতীয় অঞ্চলটোত কোচ, খেন আৰু বৰ্মন বংশৰ প্ৰশাসনিক প্ৰভাৱৰ অন্তৰ্গত থকাৰ সম্ভাৱনা আছে। ১৮০ ইঞ্চি বাৰ্ষিক বৃষ্টিপাতৰ শালকোচা অঞ্চল অতীত কালত ডাঠ শাল, গামাৰী, তিতাচাপ, বনচম আদি বিশাল বিশাল গছ-গছনিৰে পৰিপূৰ্ণ আছিল। নৈ, বিল, জলাশয় আদিৰে ভৰা প্ৰাচীন বনাঞ্চল বাঘ, ভালুক, গড়, শিয়াল জন্তু আৰু অসংখ্য প্ৰজাতিৰ সৰীসৃপৰ ৰম্যভূমি আছিল। লোহাৰ আৱিস্কাৰ নোহোৱালৈকে অসমৰ ডাঠ হাবি চাফ কৰি কৃষি কৰ্ম কৰাৰ প্ৰশ্ন নাছিল। অসমৰ বিভিন্ন প্ৰান্তত প্ৰাপ্ত শৈলাস্ত্ৰ সমূহৰ আৰু অতীত কালত ইয়াত নেগ্ৰিটো আৰু আষ্ট্ৰিকসকল ভ্ৰমি ফুৰাৰ প্ৰমাণ পোৱা যায়। প্ৰাচীন আষ্ট্ৰিক সকলৰ কিছু সাংস্কৃতিক প্ৰভাৱ এই অঞ্চলত সিচৰিত হৈ থাকিলেও নেগ্ৰিটো জনগোষ্ঠীৰ প্ৰভাৱ নগাভূমিতহে কিছু পৰিলক্ষিত হয়। আনহাতে

চীন-তিব্বতী ভাষী মঙ্গোলীয় সকল কোন সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰবেশ কৰিছিল তাৰ সঠিক সময় এতিয়ালৈকে নিৰুপন কৰিব পৰা হোৱা নাই। সুনীতি কুমাৰ চেটাৰ্জি, চাৰু সান্যাল আদি পণ্ডিত সকলে এই সময় খ্ৰীঃপূঃ ১০০০ মানত হব পাৰে বুলি ঠাৱৰ কৰিছে। মহাভাৰতত কিৰাট সকলৰ উল্লেখে খ্ৰীঃপূঃ ১৫০০ মানত মঙ্গোলীয় জনগোষ্ঠী পূব ভাৰতৰ পৰা পশ্চিম ভাৰতৰ পাঞ্জাব প্ৰদেশলৈ বিয়পি পৰাৰ ইঙ্গিত দাঙি ধৰে। একাংশ পণ্ডিতে ভাৰত উপমহাদেশত মঙ্গোলীয় প্ৰব্ৰজন পূব প্ৰান্তৰ পাটকাই পৰ্বত অতিক্ৰম কৰি আৰু উত্তৰৰ তিব্বত অঞ্চলৰ পৰা ভাৰতলৈ প্ৰব্ৰজন কৰা অতীত কালত সম্ভৱ নাছিল। তিব্বতৰ বসবাস যোগ্য ভুমিৰ পৰা ভাৰত ভূখণ্ডৰ বসবাসযোগ্য ভূমিলৈ আহোতে কমেও ১০-১৫ দিনৰ সময় লাগে। খাদ্য সংগ্ৰহ কৰিবলৈ আগেয়ে প্ৰাচীন মানৱে এই পথ অতিক্ৰম কৰিব পৰা নাছিল। কাশ্মীৰৰ লাদাখী, অৰুনাচলৰ মনপা, শেৰদুকপেন, ভূটানৰ দ্ৰূকপা, চাৰচোপ, চিকিমৰ ভূটীযা নেপালৰ শেৰপা, খকলি আদি মঙ্গোলীয় জনগোষ্ঠীমূহ অষ্টম শতিকাৰ পৰবৰ্তী কালতহে ভাৰত উপমহাদেশলৈ প্ৰব্ৰজন কৰিছিল।

মগধ বংশত মৌৰ্য্য বংশৰ ৰাজত্বকালত ভাৰতত হাল-কৃষিৰ বিকাশ হয়। ৫ম শতিকাত হালকৃষি নামনি গঙ্গা উপত্যকাৰ বঙ্গত প্ৰবেশ কৰিছিল। আনহাতে মধ্য ব্ৰহ্মপুত্ৰৰ নদীৰ পাৰৰ অঞ্চল সমূহত বঙ্গৰ পাল আৰু সেন বংশৰ ৰাজত্বকালত হালকৃষিৰ প্ৰচলন হবলৈ ধৰে। অসমত হাল কৃষি বিকাশৰ মূল অন্তৰায় আছিল লোহাৰ কুঠাৰ, কোদাল আদিৰ লগতে শ্ৰমিকৰ অভাৱ। আৰ্যসকল অসমত প্ৰব্ৰজন কৰাৰ আগেয়ে এই অঞ্চলত বসবাস কৰা চীন-তিব্বতী ভাষী মঙ্গোলীয় সকল ঝুম খেতি আৰু বন্য খাদ্যৰ-ওপৰতে নিৰ্ভৰশীল আছিল। ৮ম শতিকাত বঙ্গৰ ৰজা গোপালক ৰাইজে মনোনীত কৰা বুলি ইতিহাসত পোৱা যায়। সেই সময়লৈকে বঙ্গত সামন্তবাদ সু-প্ৰতিস্থিত হোৱা নাছিল। হাল-কৃষিৰ বিস্তাৰৰ যোগেদি স্থায়ী গাঁওৰ প্ৰবৰ্ত্তনে সামন্তবাদৰ ভেটি তৈয়াৰ কৰে। আনহাতে অসমৰ মঙ্গোলীয় জনজাতিবোৰে একেটা স্থানতে বেছি দিনলৈ বসবাস নকৰাৰ কথা ইংৰাজ বুৰঞ্জীবিদ সকলেই লিখি গৈছে। যিযেই নহওঁক সপ্তম শতিকাৰ পৰা প্ৰায় ১২ শতিকালৈকে ব্ৰহ্মপুত্ৰ উপত্যকাৰ নদীৰ পাৰৰ কম বননি থকা সাৰুৱা অঞ্চলবোৰত নামনি ব্ৰহ্মপুত্ৰ তথা গঙ্গা উপত্যকাৰ পৰা আগত প্ৰব্ৰজন কাৰী সকলে স্থায়ী গাঁও পাতি বাস কৰিবলৈ লয়। এই কালছোৱাতে ব্ৰহ্মপুত্ৰৰ পাৰৰ অঞ্চলবোৰত সৰু সৰু ভুইয়াৰ আৰ্বিভাৱ হবলৈ ধৰে। নামনি ব্ৰহ্মপুত্ৰ উপত্যকাৰ শক্তিশালী দলপতি সকলে স্বকীয় স্থিতি সবল কৰাৰ স্বাৰ্থত হালকৃষিৰ অভিজ্ঞ পশ্চিমা ব্যক্তি বা গোটক ব্ৰহ্মপুত্ৰৰ পাৰৰ

সাৰুৱা অঞ্চলত ভূদান কৰিছিল। এনে ভূদানৰ তাম্ৰপত্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাত উদ্ধাৰ হৈছে। ১২ শতিকাত ভূঁইয়া সকলৰ ভিতৰত খেন বংশ শক্তিশালী ৰূপত প্ৰকট হয় আৰু কমতাপুৰ ৰাজ্য সৃষ্টি কৰে। ১৬ শতিকাত ৰজা বিশ্বসিংহই ভূইযাসকলক বশ কৰি বিশাল কোচবিহাৰ ৰাজ্য প্ৰতিষ্ঠা কৰিছিল।

হাল কৃষিত অভিজ্ঞ আৰ্য্যসকলে ব্ৰহ্মপুত্ৰৰ পাৰৰ অঞ্চলবোৰত প্ৰবেশ কৰাৰ লগে লগে হিন্দু সংস্কৃতিৰো প্ৰবেশ ঘটে। চক্ৰশিলা, উত্তৰ গুৱাহাটী, মদন কামদেৱ, তেজপুৰ আদি স্থান আৰ্য সংস্কৃতি বিকাশৰ কেন্দ্ৰৰূপে গঢ়ি উঠে। হিউয়েন চাঙৰ ভ্ৰমনৰ সময়ত ৰাজন্য বৰ্গৰ মাজত বৈদিক যাগ যজ্ঞহে প্ৰচলিত আছিল। আনহাতে জনসাধাৰণে পৰম্পৰাগত জনজাতীয় দেৱ-দেৱীৰহে উপাসনা কৰিছিল। ৮ম শতিকাত আদিগুৰু শংকৰাচাৰ্যই হিন্দু ধৰ্মত মহাদান প্ৰথাৰ প্ৰচলন কৰায়। মহাদান প্ৰথা ৰাজন্যবৰ্গই কুলদেৱীৰ ধাতু বা প্ৰস্তৰ মূৰ্ত্তি মন্দিৰ আদিও প্ৰতিষ্ঠা কৰিবলৈ লয়। ৮ম শতিকাৰ পিছত বৌদ্ধমতে ৰাজকীয় পৃষ্ঠপোষকতাৰ পৰা বঞ্চিত হয় আৰু অদ্বৈতবাদী শৈৱমতে ভাৰতত জনপ্ৰিযতা লাভ কৰিবলৈ সক্ষম হয়। ১১ শতিকাত শৈৱমতৰ বিৰুদ্ধে কৰ্ণাটকৰ ৰামানুজে নৱবৈষ্ণৱবাদৰ প্ৰচাৰ আৰম্ভ কৰে। বঙ্গ আৰু কামৰূপৰ পাল বংশৰ ৰাজত্বকালত ব্ৰহ্মপুত্ৰৰ পাৰৰ অঞ্চল সমূহত বৌদ্ধমঠ গঢ়ি উঠিলেও স্থানীয় মঙ্গোলীয় জনগোষ্ঠী সমূহৰ মাজত ইয়াৰ বিশেষ প্ৰভাৱ পৰা নাছিল। শ্মশানত নিচান উৰোৱা, বিচনদৈৰ ধুমসীয়া ঠাকুৰৰ থানৰ প্ৰবেশ দ্বাৰত আৰু প্ৰস্থান দ্বাৰত বৌদ্ধ প্ৰাৰ্থনা চক্ৰৰ প্ৰচলন, ৰাতি খোৱা প্ৰথা আদিত বৌদ্ধসংস্কৃতিৰ প্ৰভাৱ চেগা চেৰেকাকৈ পৰিলক্ষিত হয়। বৌদ্ধমতৰ পিছতে শৈৱমতে ব্ৰহ্মপুত্ৰৰ পাৰৰ জনজাতিবোৰৰ মাজত প্ৰবল জোকাৰণিৰ সৃষ্টি কৰে। বিশেষকৈ এই অঞ্চলৰ ৰাজন্য বৰ্গই শৈৱমত গ্ৰহন কৰাৰ পিছতে জনসাধাৰণৰ মাজত ই অধিক জনপ্ৰিয় হয়। শৈৱমত প্ৰচাৰক আৰু গ্ৰহনকাৰী জনজাতীয়সকলে সুকীযা নাথ সম্প্ৰদায়ৰ সৃষ্টি কৰিছিল। আনহাতে নৱবৈষ্ণৱবাদে ৰজা নৰনাৰায়নৰ দিনত অসমৰ জনজাতীয জীৱনত আমূল পৰিবৰ্তন আনে। বৈষ্ণৱবাদৰ একাংশ বাথৌ বড়োৱে বলিৰ ঠাইত ফুল প্ৰসাদ ব্যৱহাৰ কৰিবলৈ লয। পাম কৰিবলৈ অহা আৰ্য দ্ৰাবিড় সকলে স্থানীয় কোচসকলৰ লগত মিলি যায় আৰু কুল লুপ্তা বা কলিতা সম্প্ৰদাযৰ সৃষ্টি কৰে। চক্ৰশিলা পাহাৰৰ ওপৰত প্ৰায় ২০০০ লিটাৰ পানী ধৰি ৰাখিব পৰা শিলত কটা এটা চৌবাচ্ছা আছে। টোকৰাবান্ধা পাহাৰত প্ৰাপ্ত এটা প্ৰস্তৰ ব্যঘ্ৰ মূৰ্ত্তি বৰ্ত্তমানে বিলাসীপাৰাত পৰি আছে। পুথুৰীপাৰাৰ বুঢ়বুঢ়ী পাহাৰত থকা এটা ডাঙৰ শিলাখণ্ডত ৩২ টা ছিদ্ৰ দেখা যায়। কীৰ্তি চিহ্ন সমূহে একালত উক্তস্থানবোৰত ধৰ্মপ্ৰচাৰক

সকলে অৱস্থান কৰাৰ প্ৰমান পোৱা যায়। ব্ৰহ্মপুত্ৰৰে উজাই আহি সিদ্ধপুৰুষ সকলে চান্দৰডিঙা, বুঢা-বুঢী পাহাৰ আৰু চক্ৰশিলাত শিবিৰ পাতি ধৰ্মপ্ৰচাৰ কৰিছিল। সেই সময়ত এই অঞ্চলত বসবাস কৰা কোচ, ৰাভা, বডো, গাৰোসকলে জনজাতীয় দেৱ-দেৱীৰ উপাসক আছিল। জনজাতীয় দেৱ-দেৱীক গাহৰি, কুকুৰা আদিৰ বলিৰ লগতে মদ উপহাৰ দি পূজা কৰিছিল। মদ, গাহৰিত আসক্ত জনজাতীয় সকলে প্ৰকৃতিৰ বিভিন্ন ক্ৰিয়া কাণ্ডবোৰ একো একোজন দেৱতা-অপদেৱতাৰ মাহাত্ম্য বুলি বিশ্বাস কৰিছিল। যি দেৱ-দেৱীক পূজিলে কাৰ্য্যসিদ্ধি হয় সেই সমূহ দেৱ-দেৱীক পূজা পাতলেৰে সন্তুষ্ট কৰিবলৈ প্ৰযাস কৰিছিল। শৈৱমতৰ প্ৰভাৱতে বডোসকলৰ বহু অদ্বৈতবাদৰ তত্ত্ব প্ৰবেশ কৰে আৰু বাথৌ শ্ৰেষ্ঠ দেৱতা হিচাপে প্ৰতিষ্ঠিত হয়। সেইদৰে কোচসকলৰ ধূমসীযা ঠাকুৰ, তিৱাসকলৰ চাৰিভাই চাৰিবাৰা মুখ্য দেৱতাৰূপে পূজিত হবলৈ ধৰে। শৈৱমত প্ৰচাৰক সকলে জনজাতীয় সকলক আৰ্কষণ কৰিবলৈ শিৱ পাৰ্বতীক বুঢা-বুঢীৰ ৰূপত পূজা দিযাৰ প্ৰথা অসমত প্ৰচলন কৰায। জনজাতীয সকলৰ শ্ৰেষ্ঠ দেৱতাক শিৱৰ অন্যৰূপ বুলি প্ৰচাৰ কৰে।

পুখুৰীপাৰাৰ বুঢা-বুঢী থানৰ ডাঙৰ শিলটোত ৪ ইঞ্চি ব্যাসৰ ১ ফুট দ ৩২ টা ছিদ্ৰ আছে। শ্ৰীকৃষ্ণৰ ১০৮ টা নামৰ লগত সংগতি ৰাখি কোৱা হয যে ইযাত ১০৮ টা ফুটা আছে। ১০৮ জনী গাইৰ গাখীৰ ঢালি পুৰোহিতে ইযাত শিৱৰ পূজা কৰে। বস্তুতঃ শিৱ শ্ৰীকৃষ্ণৰ প্ৰতিদ্বন্দী। এই থানত পূৰ্বতে জনজাতীয গঞাঁ পূজা বাঁশ পূজাৰ থানহে আছিল। বৌদ্ধ ভিক্ষু সকলে ইযাত অৱস্থান কৰি ডাঙৰ শিলটো দুফাল কৰাৰ বাবে ছিদ্ৰবোৰ বনাইছিল। এটা শাৰীত কৰা ছিদ্ৰ সমূহত কেঁচা কাঠ ভৰাই পানী ঢালি দিলে, কাঠবোৰ ফুলি এটা সমযত শিলৰডোখৰত ফাট মেলে। সমান হোৱা পিঠিত মূৰ্ত্তি আদি খোদাই কৰিছিল। এনেকুৱা ছিদ্ৰ উত্তৰ গুৱাহাটী আৰু শ্ৰীসূৰ্য পাহাৰতো দেখা যায।

বগৰীবাৰী মহামাযা থানৰ সন্মুখত থকা মন্দিৰ এটাত কোচ ৰাজবংশী সকলে আজিও গাই গৰুৰ প্ৰথম গাখীৰ ঢালি পূজা দিযা দেখা যায। উক্ত স্থানত অতীত কালত কোচৰাজবংশী সকলৰ থান থকাৰ কথা স্পষ্টভৱে বুজা যায। জনজাতীয থানবোৰত হিন্দু দেৱ দেৱীৰ মন্দিৰ নিৰ্মান হোৱাৰ-ফলত সৃষ্টি হোৱা সংঘাতৰ কথা ৰজা নৰনাৰাযনৰ এটি ৰাজাজ্ঞাত পোৱা যায়। "গোঁহাই কমল আলি মধ্যসীমা কৰি, উত্তৰেৰ ফালে আছে দেৱালয যত, কোচে মোচে পূজিবেক মোহৰ বাক্যত, দক্ষিনেৰ পূজা ব্ৰাহ্মনে কৰিব, এটি নিবন্ধনে তেবে ধৰ্ম প্ৰবৰ্ত্তিব।" গাছতল শিলালিপিত ১২২৭ খ্ৰীঃত ৰজা বিশ্বসুন্দৰদেৱে চন্দ্ৰকান্তক ম্লেচ সকলে ভাঙি দিযা শিৱ মন্দিৰ মেৰামতি

কৰিবলৈ নিৰ্দেশ দিয়া আছে। অসমৰ ইতিহাসবিদ সকলে ম্লেচ শব্দই বংগৰ চুবেদাৰ গিয়াচুদ্দিনক বুজোৱা বুলি কব খোজে। প্ৰকৃততে ম্লেচ শব্দই জনজাতীয় দেৱ-দেৱীৰ উপাসক মঙ্গোলীয় জনজাতিকহে বুজাইছে। উত্তৰ গুৱাহাটীত থকা কাণাই বৰশী শিলালিপিত ১২০৬ খ্ৰীঃত তিব্বত অভিযানত যোৱা বখতিয়াৰ খিলিজিক তুৰ্কী বুলিহে উল্লেখ কৰিছে। বখতিযাৰ খিলিজি তিস্তা নদীৰ পাৰেৰে তিব্বতৰ চুম্বী উপত্যকালৈ গমন কৰিছিল নে তৰাই অঞ্চলেৰে গৈ ত্ৰিশূলী নদী অতিক্ৰম কৰি কাঠমাণ্ডু উপত্যকাত উপস্থিত হৈছিল এতিয়ালৈকে গৱেষণা হোৱা নাই।

ৰজা বিশ্বসিংহৰ দিনত শৈৱমত গোঁহাই কমল আলিৰ দক্ষিনাঞ্চলত ব্যাপক হাৰত প্ৰচাৰ হৈছিল। এই কালছোৱাতে ৰাজবংশী সকলৰ মাজত আৰ্য্যকৰণ ব্যাপক হাৰত হয় আৰু তিব্বত-বৰ্মী ভাষাৰ স্থানত মগধী অপভ্ৰংশৰ কামৰূপী ভাষাই মাতৃ ভাষা ৰূপে প্ৰতিষ্ঠিত হয়। ইয়াৰ পিছে পিছে আহোম, সনোৱাল, ভৈয়ামৰ তিৱা, ৰাভা, ঠেঙাল, চুতীযা আদি সকলেও নিজৰ পৰম্পৰা ভাষা হেৰুৱাব লগাত পৰে। হিন্দু সংস্কৃতি আৰু পৰবৰ্ত্তী কালৰ ইচলাম ধৰ্মৰ পোনপটীযা প্ৰভাৱৰ পিছতো কোচবংশী সমাজত এতিয়াও প্ৰাচীন ৰীতি-নীতি আৰু পৰম্পৰা বহু পৰিমানে বৰ্ত্তি আছে। সেয়ে হুদুম, সোনাৰায, মাশান, মাৰৈ, বাঁশ, তিস্তাবুটী, থানশ্ৰী আদি কোচ দেৱ-দেৱীৰ লগতে হিন্দু শিৱ-পাৰ্বতী, ভগবতী, চন্দ্ৰ, সূৰ্য, বৰুণ, গণেশ আদি আৰু ইচলাম ধৰ্মৰ গাজীপীৰ, তোৰৰাপীৰ, ফাতেমা বিবি আদি দেৱ-দেৱী পূজিত হয। বড়ো সকলে বাথৌ, জীমনজীলা, ছাইনাছি, বুদাৰু আদিৰ লগত হিন্দু বাৰগোপাল, লাওখাৰ গোঁসাই, মহাদেৱ, জগন্নাথ, মহমাযা আৰু ইচলামৰ পীৰ চাহাবক গাৰ্জা পূজাত থান দিযে। বৰ্ত্তমানে শালকোচা অঞ্চলৰ বড়ো জানাগুৰুৱে পীৰ চাহাবৰ উদ্দেশ্যে পশ্চিমফালে মুখ কৰি লেংটি খুলি বিচ্‌মিল্লাহ বুলি আওৰাই কুকুৰা জবাই দিয়া বাদ পৰিছে।

১৬ শতিকাত নৱবৈষ্ণৱ বাদ প্ৰচাৰৰ বাবে মহাপুৰুষ শংকৰদেৱ গৌৰাং নদীৰে উজাই ফুটুকীবাৰীত অৱস্থান কৰাৰ কথা জনা যায়। তেঁৰাৰ শিষ্য দামোদৰদেৱে বৌকুৱামাৰী পাহাৰৰ পাদদেশত কিছুদিন অৱস্থান কৰি ধৰ্ম প্ৰচাৰ কৰিছিল। তেখেতৰ নামেৰে গাঁওখনৰ নাম দামোদৰপুৰ হৈছে। ব্ৰহ্মপুত্ৰৰ পাৰৰ চান্দৰভিঙা পাহাৰখন দূৰৰ পৰা দেখাত ওলোটাই ৰখা নাও এখনৰ দৰে দেখে। প্ৰবাদ মতে চান্দ সদাগৰৰ বাণিজ্যিক নৌকা ইয়াতে ডুব গৈছিল। উটি যোৱা সোন ৰূপ টোকৰাবান্ধাত তুলি টোপোলা বান্ধা বাবে টোকৰাবান্ধা নাম হৈছে। সৰ্পদেৱী মাৰৈ বেছিভাগ কোচ ৰাজবংশীৰেই গৃহদেৱী। শৈৱ-শাক্ত হিন্দুসকলে মাৰৈ দেৱীক তুচ্ছ জ্ঞান কৰি দেৱীৰ

পূজাৰ পৰা বিৰত আছিল। মাৰৈ দেৱীৰ ভক্ত সকলে দেৱীক উচ্চ স্থান দিয়াৰ বাবে বেহুলা-লক্ষ্মীন্দৰৰ কাহিনীৰ অৱতাৰণা কৰিছিল। মাৰৈ দেৱীৰ কোপ দৃষ্টিত পৰা শাক্ত চান্দ সদাগৰৰ পুত্ৰ সকল বিবাহৰ নিশা সৰ্প দংশনত স্বৰ্গগামী হয়। অন্তিম পুত্ৰ লক্ষ্মীন্দৰৰ মৃত্যুৰ পিছত চান্দ সদাগৰে মাৰৈ দেৱীক পূজা-সেৱা আগবঢাই পুত্ৰৰ জীৱন ঘূৰাই পায়। মাৰৈ বা বিষহৰিৰ মন্দিৰ ৰাজবংশী সকলৰ চোতালত সাধাৰণতে দেখা যায়।

মধ্য ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰৱেশ পথত অৱস্থিত হোৱা বাবে শালকোচাৰ বিভিন্ন সময়ত বিভিন্ন সংস্কৃতিৰ প্ৰভাৱ পৰিছে। ১৩ শতিকাৰ পৰা মুছলমানসকলে কামৰূপ অধিকাৰ কৰাৰ বাবে বাৰম্বাৰ আক্ৰমন কৰিছিল। প্ৰথম পৰ্যায়ৰ আক্ৰমন সমূহ নদ নদীৰে আৰু হাবিৰে ভৰা অসমৰ কিমান দূৰলৈ অগ্ৰসৰ হৈছিল তাৰ ঐতিহাসিক তথ্য পোৱা নাযায়। ১৪৯৮ খ্ৰীঃত বঙ্গৰ চুলতান হোসেন শ্বাহে হাজোলৈকে অগ্ৰসৰ হৈছিল আৰু ১৫৩১ খ্ৰীঃলৈকে কমতাপুৰ নিজৰ দখলত ৰাখিছিল। হুছেন শ্বাহৰ আগমনৰ পিছত এই অঞ্চলত ইচলাম ধৰ্মৰ প্ৰত্যক্ষ প্ৰভাৱ পৰে। এই প্ৰভাৱ তৰান্বিত হয় ১৬৩১ খ্ৰীঃৰ মোগলৰ কোচ হাজো ৰাজ্য অধিকাৰৰ পিছত।

শালকোচা নাম কেতিয়াৰ পৰা প্ৰচলন হৈছিল জনা নাযায়। চিহাবুদ্দিন তালিছ প্ৰণীত "ফাতিহা-ই-ইব্ৰিযাত" পুস্কৰপুৰ কোচবিহাৰ ৰাজ্যৰ পূব সীমা বুলি উল্লেখ আছে। পুস্কৰ পুৰৰ পূবে পৰিক্ষিত নাৰায়নৰ কোচ-হাজো ৰাজ্য আছিল। এই পুস্কৰপুৰে (হয়তো) আজিৰ পুখুৰীপাৰা। ডিব্ৰাই, ধীৰ, ডাকৰা আদি বৃহৎ বিল আৰু অসংখ্য জলাশয়েৰে ভৰা শালকোচা অঞ্চলৰ চিহাবুদ্দিনে পুস্কৰপুৰ নাম দিছিল। ১৬১৩ খ্ৰীঃৰ মোগলৰ কোচ-হাজো ৰাজ্য আক্ৰমনত অংশ লোৱা মীৰ্জ নাথানে নিজে লিখা 'বাহাৰীস্তান-ই-ঘাযেবীত" গৌৰাং আৰু বাউকুমাৰী পাহাৰৰ কেবা বাৰো উল্লেখ কৰিছে। কোচ বিদ্ৰোহী নেতা সকলক বশ কৰাৰ বাবে মীৰ্জ নাথানে নিজে শালকোচা অঞ্চললৈ আহিছিল।

বড়ো ৰাজকুমাৰী বাও খুংগ্ৰীৰ পৰা বৌকুৱামাৰী পাহাৰৰ নাম হৈছে। খুংগ্ৰীৰ অৰ্থ কুমাৰী। বাওকুমাৰীক বহাৰীস্তান-ই-ঘাযেবীত পাওকুমাৰী কৈছে। বাওখুংগ্ৰীয়ে চুলি শুকোৱা শিলটো এতিয়াও বৌকুবামাৰী পাহাৰত দেখিবলৈ পোৱা যায়। বাওখুংগ্ৰী পাহাৰ নোবৰ ৰজাৰ শক্তিশালী দুৰ্গ আছিল। মোগল সৈন্যাই কোচ-হাজোৰ ৰজা পৰিক্ষিত নাৰায়নৰ অন্যতম দুৰ্গ গদাধৰ নদীৰ পাৰৰ ঘিলাথানে বা ঘিলা বিজয়পুৰ ১৬১৩ খ্ৰীঃৰ মধ্যভাগত দখল কৰিছিল। নোবৰ ৰাজা তাজাই ঘিলা বিজয়পুৰৰ মোগল সকলক উচ্ছেদ কৰিলেও কিছুদিন পিছত ঢাকাৰ পৰা প্ৰেৰণ কৰা সৈন্যাই

পুনৰ দখল কৰে। নোহৰ ৰজা পিছ হুহকি বাওখুংগ্ৰী পাহাৰত আশ্ৰয় লয। মোগল সৈন্য খেদি আহি গৌৰং নদীৰ পাৰত চাউনি পাতে। এক নৈশ আক্ৰমনত মোগল সৈন্য পৰাস্ত হয। ১৬১৫ খ্ৰীঃত মীৰ্জা নাথানৰ নেতৃত্বই মোগল সৈন্য নোবৰ ৰজাৰ খাদ্য সৰবৰাহৰ পথ বন্ধ কৰি দিযে। ৰজা নোবৰ কোচবিহাৰলৈ পলাই যায। কোচ বিহাৰৰ ৰজা লক্ষ্মীনাৰাযনে নোবৰক মোগল সৈন্যৰ হাতত গতাই দিযে আৰু শালকোচাৰ বীৰ সন্তান জনাৰ মোগলৰ হাতত মৃত্যু হয। এই ঘটনাৰ পিছতে মোগলে ৰাঙালীখাতাত (ৰোকাখাতা?) চাউনি পাতে। ৰাজা তাজা বা নোবৰৰ অৰ্থ নতুন ৰজা। নোবৰ ৰজাৰ প্ৰকৃত নাম জনা নাযায। মীৰজুমলাৰ অসম আক্ৰমনৰ সময়ত ৰঙামাটিৰ পৰা আগুৱাই আহি শালকোচাত কিছুদিন শিবিৰ পাতি আছিল। গৌৰাংটাৰীৰ ফৌজাদাৰ পাৰা, ঘোৰাবান্ধা আদি চুবুৰী আজিও বঙ্গৰ চুবেদাৰ জনৰ স্মৃতি বহন কৰি আছে। টাৰী শব্দই নদীৰ পাৰৰ বহল সমতল অঞ্চলক বুজায। গৌৰাঙৰ পাৰৰ সমতল ঠাইৰ পৰাই গৌৰাংটাৰী নাম হৈছে। চক্ৰশিলা আৰু বুঢ়া-বুঢ়ী পাহাৰত আশ্ৰয লোৱা সিদ্ধ পুৰুষ সকলে ব্ৰহ্মপুত্ৰৰে উজাই গৈ গৌৰাং নদীৰ এই অঞ্চললৈ অহা-যোৱা কৰিছিল। আজিও গৌৰাং নদীৰ মৰাঁসুঁতিটোক মৰা গৌৰাং কয। মীৰজুমলাই গৌৰাংটাৰীত বাহৰ পতাৰ সমযত গৌৰাং নদী বৰ্তমানৰ মৃত সুতিযেদি বৈছিল বুলি অনুমিত হয। সৈন্যবাহীনিৰ প্ৰযোজনীয জল সৰবৰাহৰ বাবে চাউনিবোৰ সাধাৰণতে নৈ পাৰত পতা হয। ১৮৫৮ খ্ৰীঃত চাপৰ জমিদাৰীৰ প্ৰশাসনিক কেন্দ্ৰ বিলাসীপাৰালৈ স্থানান্তৰিত হৈছিল। সেই সময়ত বিলাসীপাৰ অঞ্চল জংঘলেৰে ঢাক খাই আছিল। তথাপি ইয়াত কাৰ্যালয স্থানান্তৰ কৰাৰ মূলতে আছিল বিলাসীপাৰাৰ জাহাজঘাট। সেই সময়ত গৌৰাং নদী গতি পথ সলনি কৰি বিলাসীপাৰাৰ কাষেদি বৈ গৈছিল।

ইযাৰ আগেযে ১৭৮৪ খ্ৰীঃত ভূমি বন্দোবস্তী আইনৰ জৰিযতে ব্ৰিটিছে চৰাঞ্চলত কৃষি বিস্তাৰ বাবে বিজনী ৰাজ্যৰ পৰা চাপৰ জমিদাৰী কাটি উলিযায। এই বছৰতে শালকোচাত কমলাকান্ত বৰুৱাই বিজনী ৰজা মুকুন্দ নাৰাযন দেৱৰ পৰা চনদ লাভ কৰে। নিযোগী পৰিযালে ১৪ টা মৌজাৰ লাখেৰাজ বিজনীৰ পৰালাভ কৰিছিল। ১৭৮৪ খ্ৰীঃৰ আগেযে গৌৰাং নদীযে গতি পথ সলনি কৰাৰ ফলত বহুতো কৃষি উপযোগী ভূমি উদ্ধাৰ হয। কৃষি কৰ্ম চাহিদা পূৰণৰ বাবে কুমাৰ-কামাৰৰ আগমন হয। এনেদৰে কামাৰপাৰা, বনিযাপাৰা আদি চুবুৰীৰ সৃষ্টি হৈছিল। ১৮৭২ খ্ৰীঃৰ গোৱালপাৰা জিলাৰ লোকপিযলত মুচলমান আৰু ৰাজবংশী সকলক সুৰ্কীয়াকৈ গননা কৰা হৈছিল বুলি উল্লেখ আছে। ১৮৫৭ খ্ৰীঃৰ চিপাহী বিদ্ৰোহৰ পিছত ব্ৰিটিছে

নীতি পৰিবৰ্তন কৰে আৰু অন্তিম সময়ত কোচ ৰাজবংশী মুচলমান সকলক 'আনস্পেচিফাইদ' (Unspecified) মুচলিম হিচাপে প্ৰতিবেদন দাখিল ধৰা হয়। স্থানীয় মুচলমান সকলৰ শাৰীৰিক গঠন আৰু সংস্কৃতিত কোচ ৰাজবংশী সকলৰ সৈতে থকা মিল দৰ্শনীয়।

প্ৰবন্ধকাৰে আচুতীয়াকৈ প্ৰসঙ্গ পুথি সমূহৰ নাম দিয়া নাই। প্ৰবন্ধতে যি উল্লেখ আছে- সিয়ে যথেষ্ট বুলি বিবেচিত হৈছে।

\- সম্পাদক

—ঃOঃ—

উৎকৃষ্ট জনে নিন্দে নিজক, নিকৃষ্ট জনে নিন্দে পৰক।

\- কনফুচিয়াচ।

বাথানলৈ যাওঁ বলক

বিশ্বজিৎ গোস্বামী

পুখুৰীপাৰা

বাথান চাবলৈ যাবনে ? বলকণা, সেযা এখন বেলেগ শালকোচা। গৌৰীপুৰীয়া মাহুত বন্ধুৰ কথা-কাহিনী শুনিছে নিশ্চয। এযা শালকোচাৰ মৈষালৰ কাহিনী। প্ৰত্যক্ষ দৰ্শন কৰি অনাবিল আনন্দ পাব। অ' পাহৰিছোৱেই, বাথান মানে বুজি পাইছেতো ? ম'হৰ খুটি-বহুত ম'হ লৈ পাহাৰৰ কায, বিলৰ পাৰ, নৈৰ পাৰ আদি ঠাইত থকা ম'হ আৰু মানুহৰ সমাজ এখন। অকনমান অঘৰী, কাৰণ বানপানী, খৰাং বতৰ, খাদ্যৰ অভাৱ আদিত স্থান পৰিবৰ্ত্তন কৰা সমাজ এইখন।

আপুনি বৰ্ত্তমান পুখুৰীপাৰা চাৰিআলিত থিযদি আছে। ইযাৰ পৰাই আমাৰ যাত্ৰাৰ আৰম্ভ। বোৱাৰী পূৱাতে যাত্ৰা আৰম্ভ কৰি কষ্ট দিলো নেকি ? আচলতে ৫/৬ কিলোমিটাৰমান বাট মান খোজ কাটি বাথান গৈ পাবৰ উপযুক্ত সমযটিক মিলাবলৈকে এনে সমযত যাত্ৰা কৰিছো। আমি চাৰিআলিৰ পৰা এটা উত্তৰ ফালে যাব পৰা (দিপলাই বিল, কালজানি অভিমুখী) বাটটোৰ খোজ দিছো। এটা কেকুঁৰী ঘূৰি আহিলো নহয, আনটো কেকুঁৰী ঘুৰিলেই সন্মুখত বকুৰামাৰী পাহাৰ আৰু দিপ'লাই বিলখন দেখা পাম, তাৰে দমকী খাউৰা নামৰ ঠাইত এখন বাথান আছে। আমি তালৈকে যাওঁ বলক। অৱশ্যে এতিযা মত সলনি কৰাৰ উপাযো নাই কাৰণ আমি আগতীয়া জাননী নিদিযালৈকে কোনো বাথানলৈকে যাব নোৱাৰো। এযা দ্বিতীয কেকুঁৰীটো পাৰ হোৱাৰ লগে লগে দেখা আঘোন মাহৰ আৰম্ভনিৰ পক'ধৰা সোনোৱালী ধাননিখনে যেন আমাক সম্ভাষন জনাবলৈকে সাজি-কাচি ৰৈ আছে। অকনমান ৰবচোন- আগচোতালত সাৰি সাৰি গুণগুণাইথকা তিৰোতা জনীৰ গানৰ কথা ফাঁকিলৈ মন কৰকচোন-

"ঘুটলুং ঘুটলুং বাজেৰে মৈষাল,

মই'ষেৰ গলাৰ ঘন্টি
মুই নাৰী একলা ঘৰে কৰং কান্দা-কাটি।"

ধৰিব পাৰিছে চাগে- এখেতৰ গিৰিয়েক বাথানত আছে, মৈষাল হিচাবে। গতিকে বাথানত থকা গিৰিয়েকৰ বাবে হোৱা বিৰহ বেদনাক উপলব্ধি কৰাবলৈ মই চাগে আন একো কথা নকলেও হব। বৰকৈ বলকি থকা বাবে আমনি লাগিছে নেকি? কথাকৈ থাকিলে পথশ্ৰম লাঘৱ হব বুলি কথা কৈ-কৈ গৈ আছো। বাথানৰ লগত জড়িত এটা ঘটনাকে কওঁ দিযক। ৰ'ব, আগতে এইটো গানলৈ মন কৰকচোন- ন বোৱাৰী জনীযে যে গুণ-গুণাই আছে। চাব, আমাক দেখা পালে আকৌ গান বন্ধ হৈ যাব,

আজি ঘাটি বাজিলৰে
ওৰে এইযা গাঙেৰ পাৰে
তোৰ মৈষাল পিৰিতিৰ জন্যে
বাপ ভাই ছাৰিলুং দেশেৰে

সচাঁ কাহিনী এটা কওঁ বুলিছিলো নহয - বিদ্যাপুৰৰ ৰজাৰ বাথানখন এবাৰ ভাল ঠাই বিচাৰি গৈ (?) ওচৰত থিতাপি লৈছিল। ইতিমধ্যে তাত (?) বাথানখনো উপস্থিত হয। দুখন বাথান ওচৰা-ওচৰিকৈ থকা বাবে চৰিবলৈ যোৱা ম'হবোৰৰ মাজত দেখা দেখি হয। হঠাৎ এদিন ৰজাৰ বাথানৰ এটা ডাঙৰ মতা ম'হে আনখন বাথানৰ দলপতি ম'হৰ লগত যুঁজ দি তাক হৰুৱাই তাক আধামৰা কৰে আৰু নিজে ৰজাৰ বাথান এৰি ইখন বাথানলৈ গৈ ৰাতি থাকিবলৈ লয। এনেযে একো ডাঙৰ কথা হোৱা নাছিল। পিছে ৰজাৰ বাথানৰ এই বিশাল আকৃতিৰ ম'হটিযে আনখন বাথানৰ অচিনাকি মৈষাল সকলৰ বশ্যতা স্বীকাৰ নকৰিলে। গতিকে ম'হটোৱে দিনৰ দিনটো নিজমনে খেতি পথাৰত চৰি ফুৰে আৰু ৰাতি আহি বাথানত শুই থাকে। বাথানখনৰ আচল দলপতিক হৰুৱাই নিজে দলটিৰ ৰজা হৈ থকাৰ বাবে আন ম'হেও তাৰ বিৰুদ্ধে যুঁজ দিযাৰ সাহস কৰা নাছিল। পোনপটীয়াকৈ কবলৈ গলে ম'হটি বাথানত থাকিও বনৰীযা স্বভাৱৰ হৈ পৰিল। এনে অবাধ্য ম'হক সাধাৰণতে চৰকাৰে (পুলিচৰ হতুৱাই) বা খেতি নষ্ট কৰা গাঁওখনৰ ৰাইজে গুলিয়াই মাৰে। ইপিনে ৰজাই (বিদ্যাপুৰৰ) নিজ বাথানৰ ম'হৰ এনে কথা শুনি টান ভাষাৰে নিজৰ মৈষাল সকললৈ এখন পত্ৰ দিয়ে যাৰ সাৰমৰ্ম আছিল এনেধৰনৰ- 'তেওঁৰ বাথানৰ মৈষালে যদি ম'হটিক আয়ত্বত আনিব নোৱাৰে তেন্তে তাক সিহঁতেই মাৰি পেলাওক, যদি বেলেগ মানুহে বা পুলিচে ম'হটিক গুলিযাই মাৰে তেন্তে ৰজাই

নিজৰ মৈষাল সকলক কৰ্তব্য পালন নকৰাৰ বাবে কঠোৰ শাস্তি দিব।" চিঠি পাই মৈষাল সকল বিবুদ্ধিত পৰিল। এফালে দানবাকৃতিৰ ম'হৰ লগত যুঁজ আনফালে ৰজাৰ শাস্তি, শেষত যেনিবা ম'হৰ লগত যুঁজ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হ'ল। ৬ জন মৈষালে গধুলি বেলা আনখন বাথানলৈ গৈ তাৰ মৈষাল সকলক গোটেই কথাখিনি আৰু ম'হটিক ধৰাৰ পৰিকল্পনা ঠিক ব্যাখ্যা কৰিলে। আন বাথানৰ মৈষাল সকলেও ৰজাৰ বাথানৰ বন্ধুসকলক তেওঁলোকে বিচৰা মতেই সহায় কৰাৰ প্ৰতিশ্ৰুতি দিয়ে যদিও বাৰংবাৰ সকিয়াই দিয়ে যে ম'হ ধৰিবলৈ যাওঁতে তেওঁলেকৰ ৬ জনৰ প্ৰাণ নাশৰ আশংকা আছে। তাৰ পাছত নিশা ৮ বজাত কৰ্কালত খুকুৰী, হাতত দীঘল শকত ৰছি আৰু ৭ ফুটমান দীঘল দুই মূৰ জোঙা বাঁহ এডাল লৈ মৈষাল ৬ জনে বাথানখনৰ ভাল চাই ৬ টা ম'হৰ পিঠিত উঠি বাথানখনৰ ভিতৰলৈ যায়। বাথানৰ ভিতৰত সোমাইযে আটাইকেইজনে ম'হৰ পিঠিত উঠি শুই দিয়ে যাতে ডাঙৰ ম'হটিযে মানুহক দেখা নাপায। লাহে লাহে ম'হটিক চাৰিওফালে বেৰি ধৰাৰ পিছত মৈষাল কেইজনে মনে মনে বাহন ম'হটিৰ পিঠিৰ পৰা নামি পিঠিৰ তলত (চাৰি ভৰিৰ মাজত) সোমাই লয। বৰ ম'হটিৰ সন্মুখৰ ফালে থকা দুজনে আকৌ নিজ নিজ আশ্ৰযদাতা ম'হদুটাক মূৰটো তললৈ নমাই ৰখাৰ নিৰ্দেশ দিছিল যাতে দস্যুটোৱে কোনোপধ্যে মানুহ দেখা নাপায। ভাবি চাওঁকচোন, অলপ সন্দেহ হ'লেই দস্যুটোৱে কি কৰিব? যি কি নহওক কোনো বিঘিনি নোহোৱাকৈয়ে ইজনে-সিজনে জৰি দলিযাদলি কৰি দস্যুটোৰ ভৰি কেইখনত ভালদৰে বান্ধি পেলাই ভাল চাই খুটি কেইটামান বান্ধি আগৰ দৰে মনে মনে ওলাই আহে। ৰাতিখন আৰু একোকে কৰাৰ উপাই নাই। ৰাতি জোৰকৈ ম'হটোক উলিযাবৰ চেষ্টা কৰিলে হুলস্থূলত বাথানখনৰ আনবোৰ মহেও ভয় খাই নকৰিবলগীয়াও কৰি পেলাব পাৰে। ৰাতিপুৱা আন ম'হবোৰ ওলাই যোৱাৰ সমযত এই ম'টোয়েও ওলাই যাবৰ বাবে প্ৰচণ্ড চেষ্টা চলায। তেনে অৱস্থাতে ম'হটোৰ দুয়োফালে তিনিজনকৈ মৈষালে তাক ৰছিত ধৰি টানি লৈ যোৱাৰ চেষ্টা কৰে। ম'হটোয়ে এফালে খুচিবলৈ চেষ্টা কৰিলে আনফালৰ পৰা মানুহে বাঁহৰ জোঙেৰে তাক খুচে। মৈষাল কেইজনৰ উদ্দেশ্য আছিল- ম'হটোক কোনোমতে ওচৰৰ সৰু নৈখনত নমোৱাৰ, কাৰণ নৈৰ পানীত সাতোৰাৰ সমযত সি বৰ বেছি দিগ্‌দাৰী কৰিব নোৱাৰিব। ম'হটোয়েও চাগে এই উদ্দেশ্যটো বুজি পাইছিল, কাৰণ নৈৰ কাষ পোৱাৰ পিছত তাক এখোজো লৰাব নোৱাৰা হ'ল। তেতিয়া তেওঁলোকে ম'হটোক মাৰি পেলোৱৰ সিদ্ধান্ত গ্ৰহণ কৰে। গতিকে এজনে নিজ বাহন মহটোৰ পৰা নামি দস্যুটোৰ ফালে আগুৱাই যাওঁতেই ম'হটোৱে মানুহজনক খোজ মৰাৰ চেষ্টা কৰে। কিন্তু বাকী কেইজনে ৰছী টানি থকাৰ বাবে খোঁছটি মানুহজনৰ গাত

নালাগি মাটিত লাগি শিং দুটা মাটিত সোমাই যায। তেনেতে আগুৱাই যোৱা মানুহজনে হাতৰ খুকুৰীখনেৰে ততাতৈযাকৈ ঘপিয়াই দিয়াত এটা শিং ভাগি যায আৰু লগে লগে আনটো শিং মাটিৰ পৰা ছিটিকা খাই আহি মানুহজনৰ বুকুত খোঁচ লাগে আৰু মানুহজন বাগৰি পৰে। কথা বিষম দেখি পিছফালৰ পৰা ছজনে ম'হটোৰ পিছভৰি দুখনত খুকুৰীৰে ঘপিয়াই ঘপিযাই তাক দুৰ্বল কৰি পেলায, গতিকে ম'হটোক পানীত নমাব পৰা হ'ল আৰু আটাইকেইজন মৈষালে খুকুৰীৰে ঘপিয়াই ম'হটিক মাৰি পেলায (এই দুঃসাহসী নায়ক মৈষালজনৰ বুকুত ম'হৰ খোঁচৰ চিনলৈ আজিও অথাৎ ৩১/১২/২০০৪ তাৰিখটো শালকোচাৰ সতীপুৰা গাঁওত জীৱিত অৱস্থাত আছে)। ম'হ মৰাৰ পিছত মূৰ ডাঙি চাই মৈষালে কেইজনে দেখে যে, ম'হ মাৰিবৰ বাবে বন্দুকধাৰী পুলিছ কেইজনমানো আহি নৈৰ পাৰত উপস্থিত হৈছিলহি। ইফালে দূৰলৈ চাই দেখে যে, ৰজাই নিজেও ম'হৰ খবৰ লবলৈ আহি আছে। চাওঁকচোন কিমান ভযাবহ এই মৈষাল জীৱন। দৰমহা বুলি কেইটানো টকা পায।

ৰব' ৰব' সৌ দূৰলৈ চাওকচোন, বগা ধোৱা ওলাই থকা দেখিছে নহয? সেযাই বাথান। একেবাৰে সৰু ম'হ পোৱালী বোৰক মাখিৰ উপদ্ৰবৰ পৰা ৰক্ষা কৰিবলৈ খৰি, গোবৰ আদিৰে ধোঁৱা (থূপা) দিছে। Indegenious mosquito repealent- নে কি কয? আমি গৈ থকাখন গোঁসাই ঘৰৰ (মেধি ঘৰৰ) (পুখুৰীপাৰা) বাথান তাত ৭০০ ম'হ আছে। ইযাৰ বাহিৰেও থকা আন বাথানসমূহৰ কেইখনমানৰ নাম কৈ দিছো- বৰ্ত্তমান সতীপুৰাৰ ওচৰত 'হালি হাৰাত' বিধিকৰ্ত্তাৰ বাথান (৮০০ মান ম'হ), গোমাঠ (সতীপুৰা)ত মোহন বৰ্ম্মনৰ (কলিযাৰ খাল) বাথান (৩৫০) মান ম'হ, অভযাকুটীৰ গোৱালপাৰা মাঠত লক্ষীনাথ ঠাকুৰৰ (চৰাই খোলাৰ লক্ষীনাথ শৰ্ম্মা) বাথান (৩০০ মান ম'হ) শিলগাৰা-বালাঘাট অঞ্চলত ফুলচৰণৰ বাথান (৫০০ মান ম'হ) আৰু খাতিৰ-ফিকিৰ (লক্ষীগঞ্জৰ মানুহ- আচল নামতো কিবা ফকিৰ হ'ব চাগে) ৰ বাথান (১২০০ মান ম'হ)। সিফালে 'ধীৰ' বিল 'ডাকাৰ' বিলৰ পাৰতো বাথান আছিল দেই। ৰ'দে চেও চেওাই ধৰাৰ আগতে আহি আহি এযা দিপ'লাইৰ পাৰ পালোহিযেই। নাও এখনত উঠি সিপাৰ পালেই বাথান। সিপাৰ পালেই কিন্তু আমাৰ প্ৰথম কাম হ'ব, গাধুই কাপোৰ সলাই লোৱা। অশুচি গাৰে কাকো সোমাব নিদিয়ে। অৱশ্যে ঘৰতে গা ধুই ভাল কাপোৰ পিন্ধি আহিলেও হলহেঁতেন। পিছে শেষ নিশাখন কোনেনো গা ধুবৰ মন কৰে কওঁকচোন?

গা-ধুই উঠি ভোক লাগিছে নেকি? ৰব' গৈযে ম'হৰ গাখীৰ খাবলৈ পাব, যিমান মন যায়। দেখিছেনে ডাঙৰ ডাঙৰ গোঁজ (গছৰ শকত এমূৰ জোঙা কৰা ডাল

পুতি-পুতি কিমান সহজে অথচ মজবুত ভাৱেই সীমাৰ জেওঁৰাখন তৈয়াৰ কৰিছে। সৌ যে পোৱালীবোৰ দেখিছে নহয়, কওকচোন বাৰু সৌবোৰ মতা নে মাইকী পোৱলী। কি ' দূৰৰ পৰা চিনিব পৰা নাই বাবে কব নোখোজে। মই কিন্তু কব পাৰিম- আটাইকেইটা মাইকী পোৱালী ('পাৰু'-স্থানীয ভাষাত) কেনেবাকৈ এটা-দুটা মতা পোৱলীও থাকিব পাৰে দেই। কেনেকৈ কলো ধৰিব পৰা নাই। কৈছো বাৰু বাথানত সাধাৰণতে মতা পোৱালী (পাৰা-স্থানীয় ভাষাত) জন্মিলে, দাফাদাৰৰ (বাথানৰ মূল 'কেয়াৰ টেকাৰ' তথা চিফ মেডিকেল অফিচাৰ।) নির্দ্দেশ মৰ্ম্মে, তাক লগে লগে কোৱাই মাৰি পেলায়। কাচিৎহে অথাৎ ডাঙৰ মতা ম'হ ('ওৱান'- স্থানীয় ভাষাত) কেইটাৰ বযস হৈ আহিলে ভাল চাই কেইটামান পাৰাক ডাঙৰ হ'বলৈ দিয়ে। নৃশংসতা বুলি কৈছে। পিছে অসুবিধাতো হ'ল যে বেছিকৈ 'ওৱান' থাকিলে হয় গোটেই বাথানখনেই পিছলৈ বনৰীয়া হৈ যাব, নহ'লে আটাইকেইটা ওৱানে পৰস্পৰ যুদ্ধ কৰি ঘূণীযা হৈ পৰিব। গতিকে উপাই নাই। ভাল কথাই সুধিছে- হয় পোৱলীটো মাৰি পেলোৱাৰ পিছতো মাকজনীৰ গাখীৰ খিৰাব পৰা বুদ্ধি বাথানৰ মৈযাল সকলৰ আছে। এই বাথান খনলৈকে চাওঁক- বৰ্ত্তমান প্ৰায় ১০০ মান ম'হপোৱালী আছে নহয, পিছে খিৰতি ম'হ চাগে ১২৫ মান হবগৈ। বাকীবোৰ হয় 'ঠাৰিয়াল' নহয 'ওৱান'। কি- ঠাৰিয়াল মানে বুজি পোৱা নাই- বৰ্ত্তমানে পোৱালী নথকা ম'হ আকৌ। বাথানখনৰ ডাঙৰ ম'হবোৰ নেদেখি আচৰিত হৈছে নেকি? আচলতে ম'হবোৰ চৰিবলৈ যোৱা এই সময়টিক মিলাবলৈ আমি কাহিলীপুৱাতে যাত্ৰা কৰিছিলো। ডাঙৰ ম'হ বাথানত থকাৰ অৱস্থাত বাথানত সোমাবলৈকে ভয় লাগে। ম'হবোৰ ৰাতি বান্ধি নথয যে, সেয়েহে ভয় লাগে (কেৱল উৎপতীযা কেইটাকহে এযোৰ এযোৰ হিচাবে দুইটাৰে ভৰিত ভালদৰে ৰছীৰ পাক দি বান্ধি থয়)। পুৱতি নিশাই ম'হবোৰক চৰিবলৈ এৰি দিয়ে। নাই-নাই, ইমান পুৱাতে আটাইকেইজনীৰ গাখীৰ খীৰাব-নালাগে। সাধাৰণতে বছৰৰ এনেকুৱা সময়ত পুৱা ৫.৩০/৬.০০ বজাৰ পৰা পুৱা ১০ বজাৰ ভিতৰত গাখীৰ খীৰায়। কম বয়সীয়া পোৱলীবোৰক ('কাচি বাচ্চা'- স্থানীয় ভাষাত) আগত আৰু আনবোৰক পিছত। বেছি ভাগ খীৰতী গাই, গাখীৰ খিৰাবৰ সময়ত চৰণীয়া পথাৰৰ পৰা নিজে আহি বাথানত উপস্থিত হয় (পোৱালী বাথানতে থাকে যে- অপত্য স্নেহ)। কোনোবাটোৱে আহিব নুখুজিলেও ৰখীয়া মৈযাল কেইজন আছে নহয়- ম'হজনীৰ নাম ধৰি চিঞঁৰি দুটা মান গালি পাৰিলেই দৌৰি গুচি আহিব বাপ্লেকে। গালিৰ কথা সুধিছে মৈযালৰ কথাই তেনেকুৱা, আমাৰ বাবে অবাইচ শব্দবোৰ তেওঁলোকৰ বাবে সাধাৰণ কথা; তাতে আকৌ লাহে লাহে কথা কব নাজানেই (হুটা-কথা), দানৱাকৃতিৰ খঙাল জন্তুৰ লগত জীৱন-।

ৰব', বেলেগ কথা কোৱাৰ আগতে পৰিচয় পৰ্ব্ব শেষ কৰো- এয়া শ্ৰী বেৰা সৰ্দ্দাৰ (সৰ্দ্দাৰঃ 'হেড মৈষাল'), এয়া শ্ৰী তাফলা বৰ্ম্মন দাফাদাৰ, এযা শ্ৰী ঘটি বৰ্ম্মন, শ্ৰী মনো বৰ্ম্মন, শ্ৰী হকলো বৰ্ম্মন এওঁলোক চাৰিজনেই মৈষাল তাৰে আকৌ এখেত মনোবৰ্ম্মন মৈষালৰ গুৰুও। এইকেইজন তথা ম'হ চৰাবলৈ যোৱা কেইজনৰ ওপৰতে নিৰ্ভৰ কৰিব অহা ২৪ ঘন্টাত আমাৰ জীৱন। আজি ম'হবোৰ বাথানলৈ ঘূৰি আহি আমাৰ ফালে চালেই এওঁলোক 'মালিক' বা 'নিজেৰ মান্‌সী' (নিজা মানুহ) বুলি বাৰে বাৰে চিএৰিব আৰু ম'হে আমাক শত্ৰু বুলি ভাবি আক্ৰমন নকৰে। নহ'লে আমাৰ ফালে-।

সৰ্দ্দাৰ জনেই বাথানৰ 'জেনেৰেল মেনেজাৰো' (মহা প্ৰবন্ধক), তেওঁৰ লগতে মালিকৰ প্ৰত্যক্ষ যোগাযোগ থাকে। মালিকজন বাথানলৈ আহিব খুজিলে সৰ্দ্দাৰক আগতীযাকে জনাব লাগে আৰু ম'হবোৰৰ বাবে খাদ্য আনিব লাগে। মৈষাল সকলৰ বাবে দিব লগা 'সিধা' খিনিও সৰ্দ্দাৰৰ যোগেদি যোগান ধৰা হয। দাফাদাৰজনে ম'হবোৰৰ আলপৈচান ধৰাৰ দিশত চকু ৰখাৰ (যেনেঃ- কোনটোৱে কমকৈ খাইছে, কাৰ গা-ধুওবা ঠিক হোৱা নাই, পোবলীবোৰৰ মাখি কমিছেনে নাই, 'পাৰা বাচ্চা'ক ৰাখিবনে নাই ইত্যাদি) উপৰিও কোনো ম'হৰ বেমাৰ হ'লে (মহামাৰী হোৱা তথ্য পোৱা নাযায) তাৰ ঔষধ দিযা বা উপযুক্ত দিহা পৰামৰ্শ দিযা (অৱশ্যে আন জ্যেষ্ঠ মৈষাল সকলেও ঔষধ জানে) আদি কাৰ্য্য কৰে। বাথানত সাধাৰমতে বনৌষধহে ব্যৱহৃত হয। অৱশ্যে বেমাৰত মন্ত্ৰৰ প্ৰচলনো বৰ বেছি। তাৰোপৰি এখন বাথানে আনখন বাথানৰ ক্ষতি কৰাৰ উদ্দেশ্যেও মন্ত্ৰৰ ব্যৱহাৰ কৰে। তেনে কাৰ্য্যৰ পৰা পৰিত্ৰান পাবৰ মন্ত্ৰও দাফাদাৰ, গুৰু আদি জ্যেষ্ঠ মৈষাল কেইজনে জানে। এই বাথানখনত মুঠ ৮ জন মৈষাল (সৰ্দ্দাৰ আৰু দাফাদাৰক বাদ দি) আৰু এজন বনকৰা মনুহ ('লাদা-চটকা' বাথানৰ ভাষাত) আছে। যি সকলে গুৰুৰ ওচৰত শিক্ষা লৈ ম'হ চৰোৱা/ৰখোৱা বিদ্যা আযত্ব কৰিব পাৰিছে (শ্ৰী মনো বৰ্ম্মনে ১৫ বছৰ বযসতে মাযাংলৈ গৈ এজনী বুঢী মানুহৰ পৰা মৈযালৰ বিশেষ শিক্ষা গ্ৰহণ কৰিছিল) তেওঁলোকেহে মৈষাল হিচাবে নিযুক্তি পায। গুৰুৰ ওচৰত দীক্ষা গ্ৰহন নকৰা সকলে 'লাদা-চটকা' ৰূপে বাথানত থাকি- 'গৰু' আৰু 'নাথাৰ' মহৰ বাবে ঘাঁহ কটা, খৰি অনা, গোবৰ পেলোৱা, ভাত ৰন্ধা, থুপা সলোৱা আদি কাম কৰে)। অৱশ্যে বাথানত থাকোতে গুৰুক সন্তুষ্ট কৰি শিক্ষা গ্ৰহণ কৰিব পাৰিলে এওঁলোক মৈষাল পদত উন্নিত হয। মৈষাল সকলো ম'হ চৰোৱা, গাখীৰ খীৰোৱা, মহৰ বেমাৰ দৰৱ দিয়া আদি ম'হৰ আলপৈচান ধৰা কামত ব্যস্ত থাকে। ইংলেণ্ডৰ 'কাঔ বয়' সকলৰ কথা

শুনিছে নহয়?- সেই যে, ঘোঁৰাত উঠি গৰু চাৰি ফুৰে- আমাৰ মৈষাল সকলো তেনেকুৱাই। পিছে ঘোঁৰা নহয় দেই, এওঁলোকৰ বাহনটিও ম'হ। এই উঠি ফুৰিবৰ বাবে বিশেষ শিক্ষা দিয়া ম'হক 'নাথাৰ' বোলে (নাকত বিন্ধা কৰি ৰছী সুমুৱাই দিয়া থাকে অথাৎ নাকী লগোৱা থাকে বাবে এনে নাম)। প্ৰতিজনৰ বাবে এটা নিৰ্দিষ্ট 'নাথাৰ' থাকে আৰু সাধাৰণ অৱস্থাত এজনে আনজনৰ 'নাথাৰ' ব্যৱহাৰ নকৰে। খাকী (মাখন জীন কাপোৰেৰো প্ৰস্তুত) ৰঙৰ পেন্ট, চাৰ্ট আৰু টুপী (ৰ'দ/বৰষুণত ছাতি/জাপি আদি নাই) পিন্ধি, নাথাৰত উঠি বাঁহী ('পাইথালি বাঁশী' বুলি কয় অৰ্থাৎ এটা মূৰেৰে ফু মাৰি বজাব পৰা বিধৰ নহয়) বজাই ম'হ চাৰি ফুৰা মৈষাল- এওঁলোক গানৰ মাধ্যমেৰে এওঁলোকৰ জীৱনটিক ব্যাখ্যা কৰিছে নহয়-

আগেযে কৈছিলুং, অ'
মৈষালৰে চাকৰি নহয় ভাল
নল খাগ্ৰাৰ গুতা খাযা
বুকেৰ যাব ছাল মৈষালৰে ।

এওঁলোকৰ বাঁহীটিৰো বশীকৰণ ক্ষমতা আছে চাগে (গৰখীয়া ভগৱান শ্ৰী কৃষ্ণৰ দৰে?)। ম'হবোৰে এই বাঁহীৰ শব্দ শুনিযেই এফালৰ পৰা আনফালে যাব লাগে বা বাথানলৈ ঘূৰি আহিব লাগে বুলি বুজি পায (নে 'ড'গ হুইচেলৰ অন্য ৰূপ?)। এই বাঁহীৰ ক্ষমতাৰ বিষয়ে এটা ঘটনা কম বাৰু- বাঘ মৰাৰো কাহিনী সেইটো, পিছে গধুলি ম'হবোৰ ঘৰলৈ ঘূৰি অহাৰ পিছতহে কম। আৰে আৰে পিছফালে চাওঁকছোন- সৌৱা দুটা খিৰতী ম'হ আহি আছে- কৈছিলো নহয নিজে নিজে আহি থাকিব- এটা দুটাকৈ। গাখীৰ খীৰাবলৈ লোৱা পাত্ৰটি দেখিছে, কি ধুনীয়া কাঠৰ (বা বাঁহৰ) চুঙা- তাতে আকৌ মাজে মাজে পিতলৰ শকত আঙুঠি পিন্ধোৱা আছে। ইযাকে 'কাঠলীযা' বুলি কয- কমেও ৬/৭ লিটাৰকৈ গাখীৰ খীৰাব পাৰি। গাখীৰ খীৰোৱাৰ পিছত ডাঙৰ 'কাঠালীযা'ত বা 'ডগৰা'ত (পিতলৰ ডাঙৰ চৰু আকৃতিৰ বাচন) ঢালি থযগৈ। সেয়া বাঁহীৰ মাত শুনিছে নহয়- এই কেইজনীক আকৌ বাঁহী বজাইহে মাতি আনিব লগা হল-গাখীৰ খীৰাবলৈ।

ৰব', অকণমান জিৰণি লওঁগৈ- 'খানচাল' দিয়া (খেৰৰ চাল দুখন বেলেগে বেলেগে তৈযাৰ কৰি লৈ মুধা অংশত এখনক আনখনৰ ওপৰত অকণমান আগবঢাই দিযে।) বাৰ'ৰ (ইকৰাৰে নিৰ্মিত বেৰ, মাটিৰে লেপ দিযা নহয়) ঘৰৰ ভিতৰত। বৰ ভোক লাগিছে নহয- পিছে দৈ খাবনে গাখীৰ খাব- চাব কিন্তু শুদা পেটতে মাথুৰ দৈ হলে (গাখীৰ খীৰাওতে উঠা ফেনৰ পৰা প্ৰস্তুত কৰা দৈ) নাথাব আৰু কেতিয়াও

বেছিকৈ নাখাব- পেট চলিব লাগিলে সর্ব্বনাশ। এই যে বাঁহৰ চাংবোৰ দেখিছে, এইবোৰেই বাথানৰ বিছনা- এনেকুৱা চাঙতে কটাব লাগিব আজি ৰাতিটো। চাঙৰ তলতে প্রত্যেকে থৈ দিছে নিজা নিজা কাঁহী-বাটিবোৰ (এজনে আনজনৰ কাঁহী ব্যৱহাৰ নকৰে আৰু খোৱাৰ পিছত নিজে নিজৰখন চফা কৰে)। বাথানত সাধাৰণতে দুপৰীয়া ১ মান বজাত এবাৰ আৰু নিশা ৭ মান বজাত এসাজ ভাত খায় (জলপান বুলিবলৈ আন একো নাই কেৱল দৈ বা গাখীৰহে)। ইয়াত আমিষ-নিৰামিষৰ বাচ-বিচাৰ নাই। পিচে মিঠাতেলহে নচলে। কিয়- ঘিউৰে ৰান্ধি খায় আকৌ। অ' ইযাত মাটি তেল(কেৰাচিন তেল)ৰো প্রবেশ নিষেধ। ইন্ধনৰ কামটিক মাখনেৰে চলোৱা হয়। গধুলি বেলাতে এটা ডাঙৰ পিতলৰ চাকি (বা মাটিৰ চাকি)ত ওৰে ৰাতিটো চলিবৰ জোখাৰে মাখনৰ টকুৰা দি বাথানৰ সোঁমাজতে ওলমাই দিযা হয। বলক ভাতখাই এঘুমতি মাৰি লব পাৰিব। ভাতৰ পিছত দিয়া মাথুৰ দৈ খিনি কেনে লাগিল- একেবাৰে এঠাৰ দৰে তাতে আকৌ ৰঙচুৱা ৰঙৰ নহয়নে?

এহ! টোপনি ভগাই নাই নেকি? সৌৱা শুনকচোন মৈষালৰ গান- কন্যাৰে ...

তুইও যেমন ৰূপেৰ নাৰী,
মুইও তেমন বংশীধাৰী,
বাকায় বাকায মিলাইছে হৰি

দীঘলকৈ সুৰ টানি টানি গোৱা বাবে ভাল লাগিছে নহযনে? বলক বাহিৰলৈ যাঁও। ম'হবোৰ আহিবৰ সময হ'লেই- চাব আকৌ, সৰ্দাবৰৰ ওচৰৰ পৰা কলৈকো নাযাব- অন্তত ম'হবোৰৰ লগত চিনাকী পৰ্ব্ব শেষ নোহোৱালৈকে। বাপৰে! কিমান ডাঙৰ ডাঙৰ শিং দেখিছে। সেইটো 'ওৱান' (ডাঙৰ মতা ম'হ), শিংবোৰ দেখিছে- মৈষাল সকলে শিংৰ আগটো ধাৰ দি ৰাখিছে, প্রযোজনত যুজিবলৈ (এনেকুৱা ওৱান এইখন বাথানত ৭টা আছে ইহঁতেই বাথানৰ Army। আগে আগে ডাঙৰ 'ওৱান'টো আহি আছে- ইযে 'পালে প্ৰধান' (দলপতি)- শিং দেখিছে প্রতিটোৱে ৪ ফুটকৈ দীঘল-যোগ্য দলপতি, নে কি কয়? সেই যে ৰঙা-বগা ম'হকেইটা দেখিছে- ইহঁতক 'কুকুৰা ৰাঙা' 'ভৈষ'(ম'হ) বুলি কয়। 'কাছাৰীযা' ভৈষৰ ভৰিবোৰ চুটি তথা শকত আৰু গাটো ডাঙৰ হয়- এইবোৰ বৰ ভাল জাতৰ ম'হ বুলি কয়। - আৰে! আমাৰ সন্মুখত ঠিয় হৈ থকাটোৱে দেখোন 'কাচাৰীয়া ভৈষ'- দেখিছেনে, ভৰি চুটি হ'লে কি হব ওখই কিন্তু আনবোৰৰ সমান। ইহঁতৰ শাৰীৰিক শক্তিও বেছি। সেইয়া দাফাদাৰ জনে ঘূৰি ঘূৰি ম'হবোৰ চাইছে। প্রতিটো মহৰ তপিনাত ইংৰাজী N আখৰৰ সাঁচ

দেখিছেনে? এইয়া গোসাইৰ বাথানৰ চিন। পোৱালী থাকোতে লোৰে গৰম 'লো'ৰে এই সাঁচ দিয়ে, যাতে নিজৰ ম'হ বুলি চিনিব পাৰি। প্ৰত্যেকখন বাথানৰ সাঁচ বেলেগ বেলেগ।

গধুলি বেলা সাধাৰণতে বাথানত বিশেষ একো কাম নাথাকে। জহ কালি চাংৰ ওপৰত বহি আৰু জাৰকালি জুহালৰ তপত উম লৈ গান গাই (আজি ফান্দে পৰিয়া বগা কান্দে, আদি) বা মৈষাল জীৱনৰ বিশেষ ঘটনা সমূহৰ স্মৃতি পাগুলি পাগুলি বা নিজ নিজ ঘৰৰ কথা পাতি ভাত খোৱাৰ পৰলৈ বাট চাই থাকে। এওঁলোকে ঘৰলৈ যাবৰ বাবে বৰ বেছি সুবিধা নাপায়। এবাৰত একজনকৈহে যাব পাৰে। পূজা-বিহু আদিতো একে অৱস্থা।

পিছে আজিৰ সন্ধিযাতো সুকীযা। আজি ইয়াত ত্রিনাথ ঠাকুৰৰ (ভগৱান শিৱ) কীৰ্ত্তন আছে। গৰখীযা সকলে যেনেকৈ ৰাখাল ঠাকুৰৰ (শ্ৰী কৃষ্ণ) পূজা কৰে, তেনেকৈ মৈষাল সকলে মাদাৰ ঠাকুৰ (বুঢ়া মাদাৰ = শিৱ) আৰু ত্রিনাথ ঠাকুৰৰ পূজা কৰে। প্ৰতিজনক উদ্দেশ্য কৰি বছৰটোত কমপক্ষেও দুবাৰ পূজা/কীৰ্ত্তন হয়। আজি সেযেহে সেই ঠাইডোখৰ সাৰি-মছি লৈ কেইবাজনো মানুহ বহিব পৰাকৈ ঢাৰি পাৰি থৈছে। বৰ ভাল দিনতে আহিছো নহয়নে- পিছে আজি আৰু 'সাৰিন্দা' (বেহেলা সদৃশ এটা বাদ্য যন্ত্ৰ)/দোতৰা আদিৰ সমন্বয়ত হোৱা গানৰ মজলিছখন নাপাব। অশ্যে কীৰ্ত্তনৰ গানবোৰো শুৱলা।

ত্রিনাথ থাকুৰৰ কীৰ্তন-

১। এসো হে এক ৰূপত তিনিজন-
ত্রিনাথ ৰূপে কৰো আৰোহন।

অন্তৰা- আৰ, এক পইচাৰ তৈল দিয়া, তিনবাতি জ্বলাইযা-
বাতি জ্বলসে ধীৰে, নিমে নাৰে একি অৱধ কাৰখানা
আৰ এক পইচাৰ পান-শুপাৰী তিন খিলি সজাইয়া-,
পানেৰ খিলি সাধু নিলে, বৈসে খাইলো একবেলা
আৰ এক পইচাৰ গাঞ্জা দিয়া তিন কল্কি বানাইয়া-
গাঞ্জা দিয়া বম্ মাৰছে দম্, বম্-বম্-বম্ভলা
হায় কৰিতে ত্রিনাথেৰ মেলা।..... ...

বলক, ভাত-পানী খাই শুবৰ সময় হ'ল। ঢলপুৱাতে ('পৈল মুৰ্গা ডাকত'- স্থানীয় ভাষাত) ম'হ বোৰক চৰিবলৈ এৰি দিব, তেতিয়াই উঠি সেই দৃশ্যটিকো চাব

লাগিব নহয়। ম'হবোৰ এৰি দিয়াৰ পিচত এয়া কাম কৰা মানুহ (লাদা-চটকা) কেইজনে গোবৰ পেলোৱা, মাখি খেদিবলৈ থোপা দিয়া আদিত লাগিলগৈ। দৈনন্দিক জীৱন অভ্যস্ত কাৰ্য্যসূচী। ইয়াৰ পাছত ২ জনমান যাব ঘাঁহ কাটিবলৈ/খৰি গোটাবলৈ, আনজনে ৰাতিপুৱাৰ জলপান (কেৱল গৰম গাখীৰ), দুপৰীয়া ভাত আদি যোগাৰ কৰাত, ৰুইৱা (বাচন মাজা ধোৱা) আদি কামত মগ্ন হব।

আমাৰ বাথান ভ্ৰমনৰ ২৪ টি নিৰ্দ্দিষ্ট ঘন্টা শেষ হ'লেই। ব'লক গাখীৰ খাই পেট ভৰ্ত্তি হৈ থাকোতেই আটাইকে বিদায় জনাই ঘৰমুৱা হওঁগে। ম'হে বাঘ মৰা কাহিনী এটা কম বুলিছিলো নহয- বলক বাটে বাটে কৈ যাঁও- এবাৰ এই বাথানখনৰ ম'হ কেইটাই হাবিত চৰি থাকোতে আবেলি পৰত বাঘৰ গোন্ধ পোৱাৰ লগে লগে গোন্ধৰ উৎস জাৰনিখনক আৱৰি চাৰিওফালে বেষ্ঠ ৰচনা কৰি লয। এক-কেন্দ্ৰীক তিনিটা বৃত্তাকাৰে ৰচনা কৰা এই বেষ্টৰ একেবাৰে ভিতৰ বৃত্তটিত আছিল (জাৰণি খনৰ নিকততম বৃত্তটি) দলপতিকে ধৰি ওৱান কেইটা আৰু কেবাটাও বলিষ্ঠ ঠাঁৰিযাল। ইযাৰ গাতে লাগি থকা ধৰণে দ্বিতীয বৃত্তটি ৰচনা কৰিছিল পোৱালী ম'হ কেইটাই, নিজ নিজ পোৱালীক চাৰি ভৰিৰ মাজত (পেটৰ তলত) লুকুৱাই লৈ। তৃতীয বৃত্তটি দ্বিতীয বৃত্তৰ পৰা ভালেখিনি আঁতৰত আছিল। তাত আছিল ডাঙৰ শিং থকা কাছৰীযা কেইটাকে ধৰি আন ম'হবোৰ, পিছে এই তৃতীয় বৃত্তৰ মহবোৰ বাঘ থকা জাৰণি খনলৈ চকু দি নাথাকি আকাশৰ পিনেহে চাই আছিল, কিয জানেনে- যদিহে বাঘটোৱে জপিযাই প্ৰথম দুটা শাৰী পাৰ হৈ আহে তেন্তে তিনি নং শাৰীৰ ম'হ কেইটাই যাতে তাক মাৰিব পাৰে। - কি সুন্দৰ ৰণ কৌশল। লাহে লাহে বৃত্তবোৰৰ পৰিধি কমাই ম'হবোৰ জাৰণিখনৰ ওৰ্চৰ চপাৰ লগে লগে বাঘটোৱে জপিযাই প্ৰথমদুটা শাৰী পাৰ হৈ তৃতীয শাৰীৰ এটা ম'হৰ শিংত পৰিলগৈ, ম'টোৱেও লগে লগে মূৰটি জোকাৰি দিযাত বাঘটো চিটিকা খাই পৰেগৈ প্ৰথম শাৰীৰ ওৱান এটাৰ সম্মুখত, তাৰ পিচত বাঘটোৰ প্ৰতিটো অংগ সৰু সৰু টুকুৰা হৈ বিচাৰিব নোৱাৰা অৱস্থা হোৱালৈকে চলি থাকিল- শিং আৰু ভৰিৰে বাঘ নিধন যজ্ঞ। ই ফালে গধুলি হলেই, আন্ধাৰ হোৱাৰ আগতে ম'হক বাথানলৈ নিবই লাগিব। হাতত সৰু এচাৰি এডালকৈ লৈ ম'হ চৰাবলৈ যোৱা মৈষাল কেইজনে বাঘৰ ওপৰত খং উঠি থকা ম'হবোৰৰ ওচৰ চাপিবলৈ সাহ কৰা নাছিল আৰু দুৰৰ পৰাও সিহঁতক নিয়ন্ত্ৰন কৰিব পৰা নাছিল। কথা বিষম যেন দেখি বাথাথানলৈ খবৰ দিয়াত এইবাৰ ওলাল মৈষালৰ গুৰু নিজেই। লগত এজন জ্যেষ্ঠ মৈষালক লৈ। ঘটনাস্থলীৰ ওচৰৰে এটা ডাঙৰ গছৰ তলত বাহন হিচাবে অনা 'নাথাৰ' দুটাক বান্ধি থৈ দুয়োজনে গছৰ ওপৰত ভালদৰে বহি ললে আৰু

'মাদাৰ ঠাকুৰ' তথা 'ত্ৰিনাথ ঠাকুৰৰ' নাম স্মৰণ কৰি দুয়ো একেলগে বাঁহী বজাবলৈ ধৰিলে। বাঁহী বজাই থাকে আৰু লগতে মাজে মাজে এজনে কৈ উঠে- "মাদাৰ ঠাকুৰ দেখিছু, পালে প্ৰধানেৰ কাণত বাঁহী পৰুক' (অৰ্থাৎ 'হে মাদাৰ ঠাকুৰ তুমিয়ে চাবা যাতে দলপতিয়ে বাঁহীৰ মাত শুনে')। অবশেষত যেনিবা পালে প্ৰধানে বাঁহীৰ মাত শুনিলে- মাদাৰ থাকুৰৰ তথা ত্ৰিনাথ ঠাকুৰৰ কৃপাহে হব ছাগে, নহ'লে খণ্ডত গুজৰি -গুমৰি থকা ম'হে বাঁহীৰ মাত শুনাৰ কোনো সম্ভৱনাই নাছিল। পালে প্ৰধানে বাঁহীৰ মাত শুনিযে মুৰ দাঙি চাই গছৰ ওপৰত থকা মৈষাল দুজনক দেখা পালে আৰু লগে লগে শান্তভাৱে তেওঁলোকৰ ফালে গুচি আহিল- বাঁহীৰ বশীকৰণ মন্ত্ৰৰ প্ৰভাৱ নেকি? দলপতি গুচি আহিলেনো আৰু কোন থাকিব, বাঘৰ ওপৰত খং জাৰিবলৈ। কিমান ভযাবহ ঘটনাৰ কি সুন্দৰ পৰিসমাপ্তি।

দ্বিতীয বিশ্বযুদ্ধৰ পিছে পিছে বাথান সংস্কৃতিৰ বিলুপ্তি ঘটে। কাৰণ মুখ্যতঃ তিনিটা-

(১) চৰণীযা পথাৰসমূহ বহিৰাগতৰ দ্বাৰা বেদখলীকৃত (২) বাথানসমূহৰ পৰা বাণিজ্যিকভাৱে হোৱা আয় অতি সামান্য বাবে কম উপাজনৰ মধ্যবিত্ত শ্ৰেনীৰ বাথান-মালিক বিলাক ইয়াক বন্ধ কৰিবলৈ বাধ্য হোৱা। (৩) বাথানৰ কৰ্মীসকলৰ পাৰিশ্ৰমিক অতি কম অথচ পৰিশ্ৰম অতি বেচি বাবে কামৰ মানুহ পাবলৈ অভাৱ হোৱা।

প্ৰবন্ধটি তথ্যভিত্তিক আৰু বাস্তৱ ঘটান সম্বলিত। তথ্যৰ উৎস সমূহ ঃ-

১। শ্ৰী মনো বৰ্মন, গাঁও সতীপুৰা

২। শ্ৰী হকল বৰ্মন, গাঁও শিলগাৰা (দুযো মৈষালৰ কাম কৰিছিল।)

৩। শ্ৰী কাঞ্চন সূত্ৰধৰ, গাঁও পুখুৰীপাৰা (বাথানৰ কীৰ্ত্তনীযা আছিল।

৪। শ্ৰী মৃগেন বৰ্মন, গাঁও পুখুৰীপাৰা (তথ্য সংগ্ৰহত সহযোগ কৰে।)

আটাকেইজনলৈ ধন্যবাদ দিছোঁ।

- প্ৰবন্ধকাৰ।

—ঃ O ঃ—

বীৰ পুৰুষ সেইজন যিজনে নিজৰ ৰিপুক দমন কৰে।

- হজৰত মহম্মদ।

গালকোচাৰ মাত-কথা

গবেষণাযোগ্য এটা বিষয়-বস্তু

পাৰিজাত

শ্ৰীগ্ৰাম

অসমৰ পশ্চিম প্ৰান্তত থকা জিলাখনৰ নাম গোৱালপাৰা জিলা। বৰ্তমানে জিলাখন চাৰিখন জিলাত বিভক্ত- ধুবুৰী, কোকোৰাঝাৰ, বঙ্গাইগাঁও আৰু গোৱালপাৰা। এই জিলাত বসবাস কাৰী খিলঞ্জীয়া লোকসকলৰ মাত কথাকে 'গোৱালপাৰীয়া ভাষা' বুলি কয়। এই লোকসকলৰ 'ৰাজবংশী' সম্প্ৰদাযৰ লোক অধিক কাৰণে ইযাক 'ৰাজবংশী' ভাষা বুলিও কয়। কমতাৰজা বিশ্বসিংহৰ ৰাজ্যৰ কোচসকলে 'ৰাজবংশী' বুলি পৰিচয দি গৌৰৱবোধ কৰিছিল। কমতা ৰাজ্যৰ সৰ্বশ্ৰেষ্ঠ ৰজাজন আছিল মহাৰাজ নৰনাৰাযন। অসমৰ অবিভক্ত উত্তৰ লক্ষীমপুৰ জিলা, দৰং জিলা, কামৰূপ জিলা, উত্তৰ কাছাৰ জিলা, কাছাৰ জিলা, পূৰ্ব বঙ্গৰ শ্ৰী হট্ট, মৈমনসিং দিনাজপুৰ আৰু ৰংপুৰ জিলা কেইখন, পশ্চিমবঙ্গৰ জলপাইগুৰি আৰু কোচবিহাৰ জিলা, ভুটানৰ দক্ষিনৰ নামনি অঞ্চল আৰু অবিভক্ত গোৱালপাৰা জিলাক সামৰি বিশাল ভু-খণ্ডত কমতা শাষন চলিছিল। এই সমযত শিক্ষা-সংস্কৃতিৰ ভাষাৰ কেন্দ্ৰস্থল আছিল কোচ ৰাজধানী কোচবিহাৰ। ৰাজ্যখনৰ অঞ্চলভেদে ভাষা আৰু উচ্চাৰণৰ স্বাভাৱিক তাৰতম্য আছিল যদিও মুলতঃ একেটা ভাষাই প্ৰচলিত আছিল- ইয়ে 'ৰাজবংশী' ভাষা, যি আধুনিক অসমীযা ভাষাৰ ভিত্তি আছিল বুলি কলেও বেচি কোৱা নহব যেন লাগে।

বিশাল কমতা ৰাজ্যখন ভাঙি টুকুৰা-টুকুৰ হোৱাৰ পিছত পশ্চিম ফালেদি বঙলা ভাষাই প্ৰভাৱ বিস্তাৰ কৰিব ধৰিলে আৰু ই গৌৰাং নৈ লৈকে আগবাটি আহিল। ফলত 'গোৱালপাৰীযা' ভাষাটো বঙলা সুৰীয়া হ'ল। আনহাতে চম্পাৱতী

নৈ লৈকে পূবৰ পৰা অসমীয়া ঠাঁচ টো আগবাঢি আহিল। ফলত ই অসমীয়া সুৰীয়া হ'ল। এই দুই নদীৰ মধ্যবৰ্ত্তী বহলপুৰ, চাপৰ, শালকোচা, হাকামা, বাৰ্শী, ভোটগাঁও আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিনপাৰৰ গোৱালপাৰা, লক্ষীপুৰ অঞ্চলটোত এটা বিশেষ ঠাচৰ কথিত ভাষা চলি আছে। প্ৰাকৃতিক আৰু ভৌগলিক ভাৱে এই অঞ্চলটো আওহতীয়া হৈ থকাৰ বাবে তাহানিৰ ৰং-ৰূপ আজিও কিছু পৰিমানে স্বকীয় হৈ আছে। ভাষাবিদ ড° বানীকান্ত কাকতিদেৱে এই বিশেষ উপভাষাটোক 'শালকোচা' উপভাষা বুলি নামাকৰণ কৰিছে।

'শালকোচা' ভাষাটো 'গোৱালপাৰীয়া' বা 'ৰাজবংশী' ভাষাৰ প্ৰাচীন ৰূপ যেন লাগে। ইয়াত গৱেষণাৰ থল আছে। এই ভাষাটোত এনে কেতবোৰ শব্দ মৌলিক ৰূপত এতিয়াও আছে, যিবোৰৰ সৰ্মাথক বা প্ৰতিশব্দ আধুনিক অসমীয়া ভাষাত বিচাৰি পোৱা নাযায়। অৱশ্যে অঞ্চলভেদে উচ্চাৰণৰ তাৰতম্য আছে। এনেধৰণৰ কিছু শব্দ উল্লেখ কৰা হ'ল। উচ্চাৰণগতভাৱে বানান ৰখাৰ চেষ্টা কৰা হৈছে।

শব্দ (শালকোচা উপভাষা)	শব্দাৰ্থ (অসমীয়া)	শব্দ (শালকোচা উপভাষা)	শব্দাৰ্থ (অসমীয়া)

অ

অক্‌লা - খাবৰ বাবে মুখত সুমাই নিগিলাকৈ পুনৰ উলয়াই অনা।

অকাটা - কামত আউল লগাই দিওঁতাজন।

অখনা - উপকাৰৰ কথা মনত পেলাই দি ধিক্কাৰ দিয়া।

অকুমাৰী - ৰজস্বলা নোহোৱা অবিবাহিত বালিকা।

অজৰাৎ - কাম কৰিবলৈ অনিচ্ছা হেতু দেখুৱা আপত্তি।

অত্তি - সেইফালে।

অলগড্ড - ধোদ।

অৱান - প্ৰজনন হেতু এৰি দিয়া মতা ম'হ।

অসাৰ - পুতল।

অহবহ - পূৰামাত্ৰায, অবিকল।

আ

আইলন - আলপনা।

আউগুল - হাই উৰুমি।

আউ-সাউ - কামত মন নবহাত ঘূৰি ফুৰা।

আউস্-কাউস্ - অস্থিৰ মনা।

আখ্‌লা - পানীৰে সাধাৰণভাৱে ধুৱা।

আচাভুৱা - বুৰ্বক।

আটাল - ঘৰৰ চিলিং।

আটাস্ - বিকট ভাৱে চিএঁৰা।

শব্দ	শব্দাৰ্থ
আটকুৰা	সতি-সন্তান জন্মাব নোৱাৰা বিবাহিত পুৰুষ।
আণ্ঢাল	আঁৰ দিয়া।
আন্‌কান্	মনোযোগ দিব নোখোজা।
আব্রা	মুখেৰে মাত নসৰা
আইট	কথাৰ লৰচৰ নাই।
আমা-গুমা	বৰষুন হোৱাৰ সম্ভাৱনাৰে গোমোঠা আকাশ।
আম্রি-সুম্রি	মন মাৰি থকা।
আলাই-বালাই	অবাঞ্চিত।
আফাৰ	জুইশাল।

উ

শব্দ	শব্দাৰ্থ
উক্‌টা	বিচৰা।
উকাস	উশাহ।
উখ্রা	উভলা
উখাৰ	ফাগুন চ'তমাহৰ বতৰৰ তীব্ৰতা।
উচ্‌লতি	বেয়া কামত উচটনি।
উৰমাল	ৰুমাল।
উভৰা	বৈ লোৱা।
উষ্টা	উজুটি।
উসাসাৱ	উদাস ভাৱ।

এ

শব্দ	শব্দাৰ্থ
এউৰি	শলিধান চপোৱাৰ বতৰত ধান মাগি ফুৰা গীত।
এগুা	এৰা গছ

ক

শব্দ	শব্দাৰ্থ
কচ্‌লুৱা	মোহাৰি মোহাৰি ধোৱা।
কৰ্‌কাপ	ঠেক।
কন্‌কনা	অতি পুৰঠ।
কচলি	ৰন্ধা-বঢাৰ হাতা
কন্দলা	বস্তু লবৰ বাবে তিৰোতাই পিন্ধা কাপোৰ খনতে জোলাঙা কৰা। বা (কোচ)
কাঁকৈ	ফণী।
কাইতা	একফলীয়া হালি যোৱা।
কাচাৰ	থিয় গৰা।
(ক) কাচিলা	সদ্যজাত (পশু পোৱালী)
(খ) কাচিলা	কোমলা দৈ।
কাণ কাসা	কাণ থকা ফাল।
কাণাল	কাণ থিয় ৰাখা (চিকাৰী)
কাদা	মাটিৰ চৰিয়া।
কাপ্ ধাপ্	খৰখেদা।
কাউলুৱা	কাবৌ কৰা।
কাযমা	সেউজীয়া ৰং।
কুৰুচ	সাপৰ মোট।
কুৰি-কুস্টিয়া	অতি কৃপণ
কুহৰি	উধাই-মুধাই
কুইয়া	আধা পচা (মাছ-মাংস)
কেচেৰা	অপৰিস্কাৰ বা লেতেৰা।
কেতৰ	চকুৰ কোণৰ মলি।

শব্দ — শব্দাৰ্থ

কৌটালি - কোঢাল

খ

খনা - অনুপস্থিতি।

খক্ৰা - আঙলিৰে খান্দা।

খচ্‌লি - গচকত বোকা কৰা

খচাং - উৎপতীয়া (শিশু)

খম্ভাৰ - অমঙ্গল।

খসঙা - আশ্ৰয় (অশ্লীল)

খংটৰা - নখৰ দ্বাৰা আঘাত।

খাকাৰি - বদনামী তিৰোতা।

খস্‌টৰা - মাটি খুচৰা।

খন্তৱা - খং তুলি দিয়া (পশু)।

খদৰা - খহটা।

খাউদা - গাখীৰ।

খাজৰা - টুকুৰা কৰা।

খাপছাৰা - মিল নোহোৱা।

খাং-জাং - অস্থিৰ।

খেক্‌টি - কৰিব লগীয়া কাম নকৰাৰ বাবে পৰি থকা।

গ

গহ - অহঙ্কাৰ।

গৰ - আৰম্ভনি।

গড্ডা - বগৰাই তললৈ দিয়া।

গপ্টা - গাঁওৰ লুংলুঙীয়া বোকাময় ৰাস্তা।

গহেৰা - বাৰিষা কালত গাওঁৰ পৰা আঁতৰত বন্ধা গোহালী।

গাঠুৰি - টোপোলা।

গাপ্‌ছা - আত্মসাৎ কৰা।

গাসেক - বহুত (অদৰকাৰী)

গেলফা - চোলা (কাপোৰ)

ঘ

ঘক্‌টৰা - আঙুলি আদিৰে তৰল বস্তুত খেপিয়াই চোৱা।

ঘেংটৰা - তৰল খোৱা বস্তু হাতেৰে লাৰা-চাৰা কৰা।

ঘোঙ্গট, ঘোমটা - ওৰণি।

চ

চৰাণি - চাবি

চুবা - জুইত পোৰা।

চন্ন - উচ্ছন্ন।

চাৱা-চটো - ল'ৰা-ছোৱালী।

চচাৰা - তৰাং পানীৰ জলাশয়ৰ সমতল ঠাই।

চিল্ চিলা - মসৃণ।

চিক্কিৎ - মিচিকি হাঁহি।

চিকাস - নেৰানেপেৰা বৰষুণৰ মাজত হঠাতে আকাশ (দিনত) ফৰকাল হোৱা।

শব্দ	শব্দাৰ্থ

চিপিৰা - কৃপণ।

চুকুৰী - কুসান গানত ল'ৰাই ছোৱালী সাজি নাচনী।

চেচেৰা - নিলাজ।

চেৰী - অনুচৰী।

জ

জহুদ - খুব বলী মানুহ।

জব-থব - জৰাগ্ৰস্ত।

জাউ - গেলা (ভাত)

জাখন - বিভিন্ন পেলনীয়া বস্তু এঠাইত দম কৰি অপৰিচ্ছন্ন কৰা।

জাস্তি চেপা দি বা পিটিকি।

ঝ

ঝৰি - বৰষুন।

ঝক্ৰা - বাহীভাত।

ঝাপ্টা - হঠাতে অহা বেগী বতাহ বৰষুন।

ঝাপসি - ঘন হাবি।

ঝাকুৰা - অনেক লোকৰ একান্নবৰ্ত্তী পৰিয়াল।

ঝাটা - বাহিৰা কামত ব্যৱহাৰ কৰা বাঢনী।

ঝাঝ - নাকত পোৰণি তোলা গোন্ধ।

ঝিক্নি বাঁহ গছৰ ডাল।

ঝিদ - নিঃ শব্দ হোৱা (কন্দাৰ পিছত)

শব্দ	শব্দাৰ্থ

ঝিকা - পানীত তিতা।

ঝেটেঙা - সমান বস্তুৰ গাত কোনোবা এটা বস্তু বাহিৰলৈ ওলাই অহা।

ঝেম্ৰা - লেৰেলি পৰা।

ঝেংৰা - হঠাতে খং দেখুৱা।

ট

টংটঙা - তম্বুৰ দৰে ওখ ঘৰ আদি।

টংসি - অতি ওখ চাং ঘৰ।

টালি-বালি - ফাঁকি দি থকা।

টুনিযা - অসুখত ক্ষীন হোৱা।

টুপ্টুপা - ৰস বা পানীৰে ভৰি থকা।

টেং টেঙা - প্ৰখৰ ৰ'দ।

ঠ

ঠইসা - আঘাত পাই অচেতন হোৱা।

ঠকনা - দাগ নবহাকৈ মুখ মণ্ডলত আঘাত কৰা

ঠালা - হাতেৰে মূৰত মৃদুভাৱে আঘাত কৰা।

ঠাউৰা - অসুখৰ পাছত গা টঙোৱা।

ঠেকা - অসুবিধা (হঠাতে হোৱা)

ঠেকুৱা - দীঘল লাঠি।

ঠেটা - কামৰ নিৰ্দেশ পায়ো গহৰি কৰি থকা।

শব্দ	শব্দাৰ্থ

ঠেকন - বাগৰি পৰিব নোৱাৰাকৈ হালি থকা গছ, ঘৰ আদিত আউজি দিয়া খুটি।

ড

ডং ডঙা - বৃহৎ ফাঁক।

ডগৰ - ৰাজ্য বা দেশ।

ডাকামেলা - বসন্ত কালত গৰু-ম'হ ৰখীয়া নোহোৱাকৈ পথাৰত মেলি দিয়া।

ডামাডল - বিপ্লৱৰ সূচনা।

ডাৰাসাৰা - দাযবদ্ধতা নথকা লোক।

ডাসুৰা - আটিল দেহৰ দুঃখ কষ্ট সহ্য কৰিব পৰা লোক।

ডাং - লাঠি।

ডাংকাটি - দুৰন্ত তিৰোতা। ,

ডেনা - বাহু।

ডোহিৰি - দুৱাৰ মজিয়াৰ মধ্য সীমা।

ডেংসা - দ'কৈ কাটি পেলোৱা।

ডেঙেৰা - অপবাদ।

ঢ

ঢকা - কোনো বিধবাৰ আশ্ৰিত পুৰুষ (বৈধ)

ঢক্‌ঢকা - চিকুন ঠাই।

ঢং ঢঙা - উদং ফাঁক।

ঢপৰা - আকাৰত ডাঙৰ।

ঢাঙা - ওখ।

ঢাসি - ঘন হাবি।

ঢাডেয়া - ডাঠ।

ঢাপ্‌লা - বহল

ঢিপা - গৰু ম'হে শিং বা মূৰেৰে আঘাত কৰা।

ঢিলিস-ঢিপিস - ঢিলা।

ঢুল্‌কি - অকস্মাত দেখা দিয়া।

ঢেকা - শস্য আদিৰ বোজা বান্ধিবলৈ তৃণেৰে কৰা ৰচি।

ঢেঙেৰা - অলাগতিয়াল বস্তু লগত লৈ ফুৰা।

ঢেম্‌নি - স্ত্ৰী থকা পুৰুষৰ ওচৰত চপনীয়া তিৰোতা (বৈধ)।

ঢেং - ভাও জুৰা।

ত

তগু-নগু - ভাঙি চুৰমাৰ কৰা।

তাইন - আন্দাজ।

তাংখু - ধপাতৰ পাত বা গুৰি।

তিৰ্‌পিত্‌ - চকুৰ পলক।

তেঙল - বাঁহৰ দহি।

তেপুৱানি - পুৰণিকলীয়া।

থ

থত্‌ থৰা - জোঙা আগ।

শব্দ	শব্দার্থ

থৰ্কা - এটা মুৰ বন্ধ বাঁহৰ চুঙা (মাছ ধৰা)

থুৰা - মিহিকৈ কাটা (মাংস)।

থেত্ থেৰা - পানী আৰ্বজনাৰে লেতেৰা।

থেন্ থেনা - অসুখীযা অৱস্থা (শিশু)

থেপ্কা - এছাৰ মাৰা।

থেসুৰা - দাতেৰে গুৰি কৰা।

দ

দহ - গভীৰ (পানী)

দয়া - দীঘল বস্তু এটা ইমুৰৰ পৰা সিমূৰলৈ হাতেৰে চুই চুই যোৱা।

দৰাই - দুবছৰীযা।

দামান - বৰ (বিবাহ)

দানুৱা - দুঃসাহসী ডেকা।

দাপ্কি - ধমক (ভয দেখুৱাবলৈ)

দুদ - গাখীৰ।

দেবৰ - সূতা বা ৰচী আউল লগা।

দেউকি - ত্ৰাহি

দেৱা - আকাশ।

দেৱাৰি - কুসান গানৰ ধেমেলীযা ভাও দিযাজন।

ধ

ধইন্ সইন্ - কষ্টবোধ (বহন কৰাত)

ধক্কল - কামৰ হেঁচা।

ধাউৰ - টেঙৰ।

ধাক্ৰা - মুখা-মুখি সংঘৰ্ষ।

ধাপ্ৰা - জোৰা-তাপলি।

ধুপালি - বৰকৈ পীড়ন কৰা।

ধুমসিযা - অবিবাহিত উতনুৱা ডেকা।

ধুনি - জুই পুৱাবলৈ জুইশাল।

ধেজা - 'ঠেকন' চোৱা।

ন

নাথাৰ - যি ম'হৰ পিঠিত উঠি ফুৰা হয।

নাক্ৰা - তিৰোতা সেৰুৱা।

নাটন হাৰা - হাতত আয-যশ নথকা।

নাপাৰা - বেমাৰ।

নাক্াৰ - মেকুৰী।

নাৰেযা - গৰ্ভপাত (পশুৰ)

নিসাঙাতি - যি বিধৱাই দ্বিতীয স্বামী গ্ৰহন নকৰে।

নিসুত - এন্দুৰ।

নিকাৰি - মাছ-বেপাৰী।

নুন - নিমখ।

প

পৰু - ম'হৰ পোৱালী।

পযঠা - মৰাপাটৰ ফিতা লগোৱা কাঠৰ পাদুকা

পাচাৰা - গাত লোৱা দীঘল বদেৰ।

পাটানী - তিৰোতাই গাঁঠি মাৰি বুকুত পিন্ধা কাপোৰ।

শব্দ	শব্দাৰ্থ

পাটাসি - ৰচীৰ বাবে শুকান মৰাপাট।
পাৰা - মতা ম'হ।
পাগাৰ - ডাঙৰ খাল।
পিঠালি - চাউলৰ গুৰি।
পুসনা - পুহ সংক্ৰান্তিৰ উৎসৱ।
পেখ্না - বিৰক্তি দিয়া।
পেট্কা - আঙুলিৰ মূৰেৰে টিপি ভাঙা।
পেস্ৰি - চুহি ৰসহীন কৰা।

ফ

ফক্কৰ - ফাঁকিবাজ।
ফৰ্কা - ফুটা।
ফযলা - পিতনিৰে ভৰা জলাশয়ৰ মাজৰ মুকলি ঠাই।
ফৰ্ফৰা - ভিজা অৱস্থাৰ পৰা শুকাবলৈ ধৰা।
ফাকুৰা - ভেঁকুৰ ধৰা।
ফাস্কা - ঐ
ফাপ্ৰাই - সহজে হতবুদ্ধি হোৱা লোক।
ফাত্ৰা - মিছলীয়া।
ফুচকা - 'চেচেৰা' চোৱা।
ফুল্তা - বৰশীৰ পুঙা।
ফুসুৰ-ফাসাৰ - গোপনে কথা পাতা।
ফেট্কা - গছৰ ডালৰ ফেৰেঙনি।
ফেদেলা - আজে-বাজে গল্প কৰা।
ফেচ - তিৰোতাই পিন্ধা কাপোৰৰ ককাঁল অংশত বস্তু ৰাখিবলৈ মোনা।
ফেসেৰা - হাম (আই)।
ফেৰা - উৰু।
ফেসু - সদ্যজাত গাইগৰুৰ গাখীৰৰ পৰা কৰা মিঠাই।

ব

বইলা - পোৱালী দিয়াত অক্ষম গাই গৰু।
বকন - চেউৰী(গৰু)
বকেনা - মাকৰ গাখীৰ এৰা সৰু পোৱালী।
বগুনা - কাঁহ-পিতলৰ ডেক্চি আকৃতিৰ বাচন।
বাউ - সৰু ল'ৰাক কৰা সম্বোধন।
বাসুৱা - বলদ (গৰু)
বাৰি - লাঠি।
বযধৰা - মন-কাণ নকৰাত অভ্যস্ত হোৱা লোক।
বঙস - কইনাৰ ডাঙৰ ভাই আৰু দৰাৰ ডাঙৰ ভাইৰ হোৱা সম্বন্ধ।
বকালি - সৰু ল'ৰা-ছোৱালী ৰখীয়া মাইকী মানুহ।
বট্কা - আগ ডোখৰ ভাঙি ভোতা হোৱা।
বদংদঙা - কুন্দুচ।
বইৰাতি - বিয়াৰ আয়তী।

শব্দ	শব্দাৰ্থ
বতিসা	শৰীৰৰ মলি।
বালি	কইনা।
বাথান	ম'হৰ খুটি।
বাতুল	কুপথ্য।
বাৰুৱা	অহঙ্কাৰী।
বাৰ্কা	ফিৰাই দিযাৰ প্ৰতিশ্ৰুতিৰে ধাৰলৈ অনা অলঙ্কাৰ।
বাস্যাল	বাৰিষা কালত পোহনীয়া গৰু চৰি ফুৰি অৰণ্যত ৰাতি কটোৱা।
বাহে	সমনীয়াক কৰা সম্বোদ্ধন।
বাফুৰে	সম্মানাৰ্থত কৰা সম্বোদ্ধন।
বাখন	অতিপাত প্ৰশংসা কৰা।
বাখ্ৰা	ছন পথাৰ।
বাউধিয়া	ঘৰৰ দায়বদ্ধতা পালন নকৰি বাহিৰত ঘূৰি ফুৰা লোক
বিদ্ঘুটিয়া	নোহোৱা-নোপোজা
বিহা	বিয়া।
বিহান	পুৱা।
বেঙা	কাণেৰে নুশুনা।
বুকুনি	বিশেষ ধৰণে ৰন্ধা ভাত যাক খালে নিচা হয়।
বেথাৰ	পাছ পৰি থকা ঘৰুৱা কাম।
বেহেয়া	লাজ-চৰম নথকা ছোৱালী।

ভ

শব্দ	শব্দাৰ্থ
ভকৰা	বয়স হোৱা পঠা ছাগলী।
ভইস	ম'হ।
ভতা	জুই ধৰি ৰাখিবলৈ ধান খেৰেৰে পকোৱা লম্বা বস্তু।
ভচা	অলঙ্কাৰ হীনা।
ভগা	জুইৰ উকা।
ভাকুৰা	মুখ ওন্দোলোৱা।
ভাটাইত	বিযাৰ ঘটক।
ভাৰুৱা	স্ত্ৰৈণ।
ভাতাৰ	পতি।
ভাসা	চৰাইৰ বাহ।
ভুস্কা	পচা (কাঠ)
ভুত গুড়া	চাউল ভাজি কৰা গুড়া।
ভেব্ৰা	আটাহ পাৰা।
ভেস্ৰা	কোনো বস্তু (কঠাঁল, বেৰ) দুই হাতেৰে চাপ দি লম্বা ভাৱে ফালি দিয়া।
ভেঙ্কা	কুমলীযা (তামোল)

ম

শব্দ	শব্দাৰ্থ
মক্কৰ	ঠেহ।
মখা	দুখন বেৰ য'ত লগ হৈ কোণ হয়।
মৰ্ফা	পচা (গছ, কাঠ)।
মসম	খেতিৰ বতৰ।
মইসাল	ম'হৰখীয়া।
মাই	সৰু ছোৱালীক কৰা সম্বোধন।
মাৰ্কি	মহামাৰী।

শব্দ - শব্দাৰ্থ	শব্দ - শব্দাৰ্থ

মাৰৈয়া - মনসা দেৱীৰ উপাদক সম্প্ৰদায়।

মাদাং - ভুতৰ দৰে খুব সাহসী।

মাগী - বেশ্যা।

মাসাং - জলাশয়ত থকা অপদেৱতা।

মাহিৰি - মাইকী ছাগলী।

মালবা - বিশেষ আকৃতিৰ মাটিৰ চৰিয়া।

মাৰেযা - কৰ্ম-কৰ্ত্তা।

মাত্ৰি - অতিপাত ভয় পোৱা অবস্থা।

মাৰ্খা - যুদ্ধং দেহী।

মিঠাই - গুড।

মুসুৰি - আঠুৰা।

মুখ্ৰা - টিন বা বতলৰ ঢাকনি।

মুনিযা - শস্যৰ অপুষ্ট বীজ।

মেন্কা - দেখাত অজলা কিন্তু টেঙৰ।

মেৰ্কেসা - শোঁতা পৰা

ৰ

ৰসিয়া - ৰঙিযাল।

ৰাও - মাত, কথা।

ৰাংঠা - ৰঙা ৰং ধৰা (নষ্ট হোৱা অৰ্থত)

ল

লতৰ - শুংসুত্ৰ।

লট্‌কা - আঁৰি থোৱা।

লৰি - সৰু লাঠি।

লণ্ঠন - হাৰিকেন লেম্প।

লাঙী - মাছ ধৰা লম্বা জাল।

লিংলিঙা - মিহি অতি ওখ।

লুৰা - চুঙা আকৃতিত বন্ধা মৰাপাট আদি।

লেংটি - পোন্ধ।

লেট্‌কা - আঠালেতীয়া।

লেচ্ছৰ - নিলাজ।

লেবেন্ চুস - 'লজেন্স'।

স

সত্‌তা - হাতৰ তলুবাৰে চাফা কৰা।

সগায - সকলোৱে।

সক্‌সকা - ধুই-পখালি চিকুন কৰা।

সৰ্‌সৰা - প্ৰতিবন্ধক নোহোৱা কৰি দিয়া।

সলঙা - দীঘল কিন্তু ঠেক।

সদলা - ডাঠ।

সহৰা - জলাশয়ৰ পিতনিৰ মাজত থকা মুকলি ঠাই।

সল্লা - গোটে গোটে গিলি থোৱা।

সাজৰ - দুটা (পশু) বা ততোধিক একেলগে ৰচিৰে বান্ধা।

সাতাও - একেৰাহে বৰ্ষাকালত পৰি থকা বৰষুন।

সাপাৰি - সাপে খুটা বিষ ঝাৰা কবিৰাজ।

সাউৰি - পৰিশ্ৰমিক নোলোৱাকৈ সমাজৰ লোকক লগে ভাগে কৰা সহায়।

শব্দ	শব্দাৰ্থ
সাঙা/সাংনা	বিধৱাক পত্নী হিচাপে গ্ৰহন কৰা পুৰুষ।
সাঙানি	যি তিৰোতাই দ্বিতীয় স্বামী গ্ৰহন কৰে।
সিক্‌সিকা	আউল লগা বস্তু সুবিন্যস্ত কৰা।
সিত	নিয়ৰ।
সিয়ৰ	শিতান ফাল।
সিয়ান	টেঙৰ।
সিম্‌সা	চম্ভালা
সিট্‌কা	জাৰত ঠেটুৱা লগা।
সিটুকা	লেৰেলা।
সিতাবি	তাৰাতাৰি।
সিৰ্‌কিত	সন্ত্ৰস্ত।
সিসৰি	জুইৰ শিখা।
সুকাতি	মৰাপাটৰ পাত শুকাই ঔষধত ব্যৱহাৰ কৰা।
সুটকা	শুকান মাছ।
সুসাৰ	প্ৰস্তুত অঁতা।
সুট্‌কৰি	মনে মনে।
সেজা	বিছনা।
সেন্না	মৰাপাটৰ খৰি।
সেল্লা	দীঘল দি পৰা।
সেও	চাপৰ।
সেলকিয়া	এলেহুৱা।
সেৰুৱা	ক্ষীনাই লেৰেলা হোৱা।
সেপেৰা	ওফোন্দাটো কমি গৈ চেপা লগা।
সেটেৰা	লেৰেলা হোৱা।
সেপ্‌সেপা	স্বাদহীন।

হ

শব্দ	শব্দাৰ্থ
হদকদকি	খৰকৈ কাম কৰা জনী কিন্তু কাম ভাল নহয়।
হইযা	আচম্বিতে উচ্চ ৰোল।
হটংটঙা	ওখ (অসমান)
হন্য	বিচাৰি বিচাৰি ক্লান্ত হোৱা।
হৰ্‌কা	হঠাতে আক্ৰমন।
হস্কা	স্থানান্তৰ।
হাক্কা	পাহাৰৰ ৰাস্তাৰ চঢাই।
হাউস্	হেঁপাহ।
হাতুৱা	বৈ পিত্ৰেয়।
হাংৰা	জেওৰা।
হাবি-জাবি	নানা বিধৰ।
হাযমাৰা	অপাৰগ।
হাক্রুস্	হুঙ্কাৰ (গৰুৰ যুদ্ধং দেহী ভাৱ)
হাইল্‌চা	এটাৰ পাছত এটা লানি ধৰা।
হাদাম	স্তূপ।
হাপ্‌সি	ক্লান্তি।
হাবুৰ কাল	অতি পুৰণি কাল।
হাটাটালি-বাটাটালি	ডলাৰ বগৰী।

শব্দ - শব্দার্থ	শব্দ - শব্দার্থ
হাকু দাকু - খৰখেদা।	হেটা-টে পেলা - ওখোৰা মোখোৰা।
হিৰ্মালি - সোন।	হেকেৰা - আগলৈ হালি যোৱা/ বেঁকা
হুজুগ - কাৰ্য্য কাৰণ চিন্তা নকৰাকৈ লোকক উচতাই দিয়া বিপ্লব।	হেট্‌গেৰিয়া - এচলীয়া।
হুৰ্কা - দুৱাৰ বন্ধ কৰিব পৰা ভিতৰ ফালৰ খিলা।	হেলসামি - এলাহ
হুলকুচি - কৌশলেৰে কামত প্ৰবৃত্ত কৰা।	হেৰ্‌পা - অতি সন্তপনে দুৱাৰ বা বেৰ ভাঙি সোমোৱা (বেয়া উদ্দেশ্যত)
হুৰ - জন-সমাবেশত হঠাতে আতঙ্কৰ সৃষ্টি কৰা।	হেস্কে - খোৰাই খোৰাই খোজ কাঢ়া।
	হেপেৰ্ পেৰ্ . . অযথা তৰ্ক।

এনে ধৰণৰ অজস্ৰ শব্দ জীৱন্ত ৰূপত ভাষাটোত প্ৰচলিত হৈ আছে। এই উপভাষাটোৰ আন এটা বৈশিষ্ট লক্ষ্যনীয যে মান্যাৰ্থত কোনো সৰ্বনাম বা ক্ৰিয়া পদৰ ৰূপৰ প্ৰচলন নাই। এটা উদাহৰণ ঃ-

শাওনায আঘনাক কইন্, 'জেঠ, তুই আমাৰ বাৰিত জাইস্। মান্সি গুলা আসিবা ধৰছে।' আঘনাই কইল্, "তুই জায়া ক"- জেঠ আসিকা লাগ্ছে। তম্ৰা খানি বসেক্।'

আপুনি, তুমি, তই সৰ্বনামবোৰ বেলেগে বেলেগে ব্যৱহাৰ কৰা দেকা নাযায। সৰ্বক্ষেত্ৰতে 'তুই' ব্যৱহৃত হয়।

প্ৰবন্ধটো যুগুত কৰোতে কেইজনমান লোকৰ সহায় লোৱা হৈছে।

১। শ্ৰী কানুৰাম বৰ্মন - কমাৰপাৰা।

২। শ্ৰী লক্ষ্মণ সূত্ৰধাৰ - শালকোছা বাজাৰ।

৩। শ্ৰী আবুল কালাম - শ্ৰীগ্ৰাম।

৪। বাসবী চক্ৰৱৰ্ত্তী - বামুনপাৰা।

৫। সুধীৰ কুমাৰ বৰ্মন - ভোলাপাৰা।

৬। অপৰ্ণা চক্ৰৱৰ্ত্তী - কামাৰপাৰা।

সহায় লোৱা কিতাপ কেইখন ঃ-

১। Assamese-its formation and development- B. K. Kakoti

২। Linguistic Survey of India- G A Grierson

৩। কোচবিহাৰেৰ ইতহাস - আমানুল্লা খাঁ।

—ঃ O ঃ—

মানুহ নিজৰ কৰ্মদোষত দৰিদ্ৰ, মাকৰ দোষত ৰুগ্ন আৰু পিতৃৰ দোষত মূৰ্খ হয়।

-চাণক্য।

কোচ-ৰাজবংশীৰ-অতীত আৰু ভৱিষ্যৎ

- সুধীৰ কুমাৰ বৰ্মন
ভোলাপাৰা

যোগিনী তন্ত্ৰ মতে 'কুবাচ'ৰ পৰা 'কোচ' শব্দৰ সৃষ্টি। কোচ বিলাক ইন্দো মঙ্গোলীয় গোষ্ঠী সম্ভুত অতি প্ৰাচীন জাতি। এওঁলোক উত্তৰ পূৰ্বাঞ্চলৰ বংশজাত। পৰবৰ্ত্তী কালত দ্ৰাবিড ভাষাগোষ্ঠীৰ জনপ্ৰবাহৰ মিশ্ৰনত জনগোষ্ঠীটো এই অঞ্চলত বসবাস কৰে বুলি বহু পণ্ডিতে কৈছে।

ভাৰতীয় মুছলমান আমোলৰ গ্ৰন্থত কোচ জাতিৰ উল্লেখ পোৱা যায়। সপ্তদশ শতিকাৰ "আলম গীৰ নামা", "তাৰিখে আসাম" আৰু অষ্টদশ শতাব্দীৰ- "খৰসেদ জাহানামা" গ্ৰন্থত এই অঞ্চলৰ অধিবাসী কোচ আৰু মেচ বাদে আন ভিন্ন আৰ্য্যজাতিৰ উল্লেখ নাই। বিশ্লেষন কৰিলে দেখা যায় আদি কালত এই অঞ্চলত আদিবাসী সকল কৌম জীৱন যাপন কৰিছিল। ব্ৰাহ্মান অভিবাস আৰম্ভ কৰাৰ ফলত এওঁলোকৰ প্ৰভাৱত কৌম সমাজত মৰ্য্যাদাৰ বৈষম্য সৃষ্টি হয়, আদিবাসী সকল দ্বিধা বিভক্ত হৈ পৰে। কুবাচ ভাষী আৰু কৌম জীৱনৰ আচাৰ ব্যৱহাৰৰ পৰা যিবিলাক বাহিৰ হৈ আহিব নোৱাৰিলে তেওঁলোকক ব্ৰাহ্মানসকলে ম্লেচ্ছাচাৰী বুলি বৰ্ণনা কৰিলে। এওঁলোকেই ম্লেচ বা "মেচ"।

ব্ৰাহ্মান্যবাদৰ প্ৰভাৱত যিবিলাক আচাৰ অনুষ্ঠানত পৰিবৰ্ত্তন ঘটিল তেওঁলোক ম্লেচাচাৰী অপবাদ মুক্ত হ'ল যদিও ভাষাৰ ক্ষেত্ৰত কুবাচ ভাষী হৈ থাকিল। অপেক্ষাকৃত উন্নত এই আদিবাসী শ্ৰেনীটোৱে কুবাচ বা কোচ নামে আখ্যায়িত হয়।

১৫৮৭ চনত অহা ইংৰাজ বনিক ৰালফ ফিচৰ লিখনিত সপ্তদশ শতিকাৰ "তাৰিখে ফেৰিস্তা" 'আকবৰ মামা', 'তোজাক জাহাঙ্গিৰী' আদি গ্ৰন্থৰ উল্লেখেৰে এই অঞ্চলৰ নাম কোচৰাজ্য বুলি উল্লেখ কৰিছে। পৰ্তুগীজ পৰিব্ৰাজক স্টিফেন কাসিলাই উক্ত দেশৰ নাম "কোচ" আৰু ৰাজধানীৰ নাম "বিহাৰ" বুলিছে। "আইনী

আকবৰী" আৰু - "বাহাৰিস্তান ঘাইবী" গ্ৰন্থত কোচৰাজ্যৰ অন্তৰ্গত কামৰূপ আৰু কমতা নামৰ দুখন ৰাজ্যৰ কথা উল্লেখ আছে।

চাৰ এডোৱাৰ্ড গেইট্‌, হেণ্ডিমেন বুকানম, ডঃ মহেশ্বৰ নেওগ আদি পণ্ডিতেও কোচবিলাকক কুবাচ বুলি কৈছে। ডঃ নগেন্দ্ৰনাথ বসু, ৰায়বাহাদুৰ কনকলাল বৰুৱা এইচ, এইচ, উইলচন আদিৰ মতেও অতীতৰ আদিবাসী কোচেই কুবাচ আৰু আজিৰ কোচ। আৰ্য্যসকলে বিভিন্ন গ্ৰন্থত কোচবিলাকক দৈত্য, দানব, অসুৰ, কালকেয, নিষাদ, কুবাচ আদি নামেৰে নামাকৰণ কৰিছে। দেৱৰাজ ইন্দ্ৰই কুবাচ সকলক যুদ্ধত পৰাজিত কৰিছে বুলি ঋকবেদত উল্লেখ আছে। আদিত্য সকলে যজ্ঞাগ্নিত আহুতি প্ৰদানৰ সময়ত মন্ত্ৰ প্ৰদান কৰিছিল "হে দেৱতাৰ শত্ৰু কোচসকল। তোমালোক ধ্বংশ হোৱা।"

ভাৰতৰ উত্তৰ পূব কোণত থকা অঞ্চলটো পৌৰাণিক যুগত প্ৰাগজ্যোতিষপুৰ নামে খ্যাত আছিল। এই প্ৰাগজ্যোতিষপুৰেই পৰবৰ্ত্তী কামৰূপ নাম লয। পুৰাণ আৰু তন্ত্ৰ শাস্ত্ৰ অনুসাৰে কামৰূপ চাৰিটা পীঠত বিভক্ত আছিল। যেনে- কামপীঠ, ৰত্নপীঠ, স্বৰ্ণপীঠ আৰু সৌমাৰপীঠ। জনা যায 'খেন' বা ক্ষেণ বংশৰ ৰজাসকলে কামৰূপৰ পৰা ৰত্নপীঠক পৃথক কৰি কমতা ৰাজ্যৰ প্ৰতিষ্ঠা কৰে। "কামদা" বা 'গোসানীদেৱী' আছিল তেওঁলোকৰ কুলদেৱী। সেইকাৰণে ৰাজ্যৰ নাম কমতা আৰু ৰাজধানীৰ নাম কমতাপুৰ।"

স্যাৰ অ্যাসাল হডেনৰ গ্ৰন্থমতে ভূটানত জনবসতিৰ সময়সীমা দুইশ বছৰৰ বেচি নহয়। তাৰ আগত 'টেফু' নামক একশ্ৰেণীৰ কোচবিহাৰবাসী ভূটানৰ নামনিত বসবাস কৰিছিল। তিব্বতীসকলে তেওঁলোকক খেদি ভূটান দখল কৰি লয়।

কৰ্ণেল শেকচ্‌পিযেৰৰ মতে শঙ্কলাদীপ বা সাঙ্গলদেৱৰ অভ্যুত্থানৰ দিনৰে পৰা কোচ ৰাজত্বৰ অভ্যুত্থান কাল। তেওঁৰ মতে এই শঙ্কীল দীপৰ আৰ্বিভাব হৈছিল- ৪ৰ্থ শতিকাৰ শেষ আৰু ৫ম শতাব্দীৰ প্ৰথম ভাগ মানত, কাৰণ ৯৯৬ খৃষ্টাব্দৰ বানগড লিপিত ইয়াৰ সন্ধান পোৱা যায়।

ভগদত্ত বংশীয় ভাস্কৰ বৰ্মাই সপ্তম শতিকাত কামৰূপত ৰাজত্ব কৰিছিল। ডঃ সুনীতিকুমাৰ চট্টোপাধ্যয়ৰ মতে কুমাৰ ভাস্কৰ বৰ্মা আছিল অহিন্দু ইণ্ডোমঙ্গোলীয় পৰিয়ালৰ হিন্দুকৃত ম্লেচ সদস্য। ভাস্কৰ বৰ্মাৰ দেশ প্ৰাচীন কামৰূপৰ অন্তৰ্গত আছিল।

১২৫০ খৃষ্টাব্দত সান্ধ্যাৰায়ৰ প্ৰতিষ্ঠিত ৰাজবংশই হ'ল কমতাৰ প্ৰথম ৰাজবংশ। কনকলাল বৰুৱাৰ মতে কাছাৰীসকলৰ সম্প্ৰসাৰণৰ ফলত সান্ধ্যাৰায়ে উত্তৰ

গুৱাহাটীত অৱস্থিত ৰাজধানী পৰিত্যাগ কৰি কোচবিহাৰ নগৰত ৰাজধানী পাতে। ডঃ ৰমেন্দ্ৰ নাৰায়ন অধিকাৰীয়ে অনুমান কৰিছে যে তেওঁৰ ৰাজধানী কোচবিহাৰ নগৰৰ পৰা - ২৭ কি মি. দক্ষিনে দিনহাটা মহকুমাত অৱস্থিত আছিল। কলিকাতা বিশ্ববিদ্যালয়ৰ পুৰাতত্ত্ববিদ অমিয় কুমাৰ বন্দোপাধ্যায় 'কোচবিহাৰ জিলাৰ পুৰাকীৰ্তি' নামৰ গ্ৰন্থত উল্লেখ কৰিছে যে কোচবংশী অন্যান্য ৰজাসকলৰ ভিতৰত দুৰ্লভ নাৰায়ন, কামেশ্বৰ, কান্তেশ্বৰ আদিও কোচবংশীয় আছিল।

১২০৬ খৃষ্টাব্দত মহম্মদ বখতিয়াৰ খিলিজি তিব্বত অভিযানত ব্যৰ্থ হৈ ঘূৰাৰ পথত কোচ সৈন্যৰ হাতত নিশ্চিহ্ন প্ৰায় হৈছিল। উত্তৰ গুৱাহাটীত কানাই বৰশীত এই কথা শিলাক্ষৰে লিখিত আছে। ১২৪৭ খৃষ্টাব্দত ইখতিয়াৰুদ্দিন উজবেগ তুঘ্ৰিলখাঁৰ আক্ৰমন বাৰহাজাৰী কোচবিলাকে প্ৰতিহত কৰিছিল। কোচ সৈন্যৰ বীৰত্বৰ কাৰণে পাছৰ মোগল বিলাক কোচবিহাৰ আৰু বিজনী ৰাজ্য প্ৰত্যেক্ষ ভাৱে শাসন কৰাৰ চেষ্টা কৰা নাছিল। সুচতুৰ বৃটিচ সকলেও মোগলৰ পথকে অৱলম্বন কৰিছিল। ১৪১৫-১৮ চনৰ ভিতৰত বঙ্গদেশত দনুজমৰ্দন নামে এজন ক্ষমতাশালী ৰজাই ৰাজত্ব কৰিছিল। তেওঁৰ দিনৰ বহুতো মুদ্ৰা পোৱা গৈছে। তেওঁকো বহু পণ্ডিতে কোচ জাতিৰ ৰজা বুলি অভিমত দিছে।

কমতাৰাজ নীলাম্বৰ অতি ক্ষমতাশালী ৰজা আছিল। তেওঁৰ মন্ত্ৰী শতানন্দই (শচীপাত্ৰই) গৌড়েশ্বৰৰ হুশেন সাহৰ লগত মিলিত হৈ ১৪৬০ চনৰ পৰা ১৪৭০ চনৰ ভিতৰত কেবাবাৰো কমতাপুৰ ৰাজ্য আক্ৰমন কৰি নীলাম্বৰক পৰাজিত কৰে। ৰাণী সুলোচনাই পুত্ৰ দুৰ্লভ নাৰাযনক লগত লৈ আহোম ৰজা ছুহুমফা দিহিঙীযাৰ ছত্ৰছায়াত গুৱাহাটীত কিছু দিন ৰাজত্ব কৰিছিল। ইতিমধ্যে তেওঁৰে বংশৰ বৈমাতৃৰ পুত্ৰৰ পুত্ৰ ফেঙুৱাই দুৰ্লভ নাৰাযনক হত্যা কৰি নিজে ৰজা হয়। কামৰূপ বুৰঞ্জী মতে তেওঁলোক কোচবংশী আছিল।

কমতাপুৰ পতনৰ পিচত ৰত্নপীঠত একপ্ৰকাৰ অৰাজকতাই দেখা দিয়ে। অনুমান ১৫০৮ খ্ৰীষ্টাব্দত দানিয়েল কামৰূপৰ আহোমবংশীয় ৰজা চুহুংমুংৰ বিৰুদ্ধে যুদ্ধ কৰি নিহত হয়। সেই সময়ত তুৰ্কী শাসন বিলুপ্ত হোৱাৰ পথত। এই সুযোগতে হাড়িয়া সকলে চম্পাৱতী আৰু সৰলভাঙা নদীৰ মধ্যৱৰ্তী স্থান চিকনাঝাৰত (কোকোৰাঝাৰ জিলাৰ সেৰফাং,গুৰিৰ উত্তৰৰ বুলি ঠাৱৰ কৰা হয়) পৰৱতী বিশাল কমতা ৰাজ্যৰ ভিত্তি স্থাপন কৰে।

গন্ধৰ্ব নাৰায়ন বংশাৱলীত আছে -

"হাৰিয়াক আনি সবে মণ্ডল পাতিলা।
সেইদিন ধৰি তৈতে অধিকাৰী ভৈলা।।"

খড়্গ নাৰায়ন বংশাৱলীত আছে -

"পূৰ্বত মনাহ, সোনকোষ পশ্চিমত।
উত্তৰে ধৱল গিৰি দক্ষিনে লোহিত।।
সবে মিলি হাৰিয়াক মণ্ডল পাতিলা।
ভোজ ভাত খায়া সবে আনন্দে চলিলা।।

হৰকান্ত বৰুৱাৰ অসম বুৰঞ্জীতো এই উক্তিৰ সমৰ্থন পোৱা যায়।

হাৰিযা (হৰিদাস?) মণ্ডলৰ বিবাহ হয- কোচ সৰ্দাৰ হাজোৰ দুই কন্যা হীৰা আৰু জীৰাৰ লগত। ডাঃ বুকানন হেমিল্টন চাহাবে হীৰাৰ পিতাৰ নাম যে হাজো আছিল সেই কথা লিখি গৈছে।

হাডিযা মণ্ডলৰ পুত্ৰসকলে তুৰ্কী কটোৱাল সকলক পৰাস্ত কৰিছিল। এই যুদ্ধত ৰজা মদন নিহত হয আৰু তেওঁৰেই ভাই চন্দনক ১৫১০ খ্ৰীষ্টাব্দত ৰজা পতা হয যদিও মণ্ডলপুত্ৰ বিশ্বসিংহৰ সেনাপতিত্বত আৰু যুদ্ধ কৌশলত সমগ্ৰ কমতাপুৰ ৰাজ্য কোচৰাজ্যৰ অধীনস্থ হয। সেই সমযতে চন্দনৰ আকস্মিক মৃত্যুত ১৫১৫ খ্ৰীষ্টাব্দত বিশ্বসিংহই সিংহাসন আৰোহন কৰে। ইযাৰ পিচতে আৰম্ভ হয কোচৰাজ্যৰ স্বৰ্ণযুগ। ৪৩৫ বছৰীয়া নিৰবিচ্ছিন্ন শাসনৰ বৰ্ণিল ইতিহাস।

দুৰ্গাদাস মজুমদাৰে "হৰিভক্তি তৰঙ্গত" লিখিছে -

"কমতা নগৰ মাঝে পুৰিকৰি মহাৰাজ
যেন সুৰপতি পৃথিবীত।"

মাৰ্কেণ্ডেয পুৰানত আছে -

কমতা নগৰে বিশ্বসিংহ নৰেশ্বৰ।
প্ৰচণ্ড প্ৰতাপে ৰাজা ভোগে পুৰন্দৰ।।

মহাৰাজ বিশ্বসিংহৰ ওঠৰজনী ৰাণী আছিল বুলি জনা যায। নেপাল, গৌড, কাশী, কাশ্মীৰ, মিথিলা, কামৰূপ শোনিতপুৰ আদি বিভিন্ন ৰাজ্যৰ পৰা বিবাহ কৰি আনিছিল। ১৫৩৭ খ্ৰীষ্টাব্দত আহোম ৰাজ্য আক্ৰমন কৰি বিফল হব লগা হয়। যোগিনীতন্ত্ৰ মতে বিশ্বসিংহৰ ৰাজ্যৰ পূৰ্বে সৌমাৰ দক্ষিনে গৌড, উত্তৰে ভূটান আৰু পশ্চিমে কৰতোৱা নদীলৈকে বিস্তৃত আছিল। তেওঁ নিজ নামত মোহৰ মৰা

বুলিও জনা যায। বিধ্বস্ত কামাখ্যা মন্দিৰৰ সংস্কাৰ সাধন কৰিছিল- আৰু কনৌজ মিথিলা, নবদ্বীপ, কাশী গৌড় আদিৰ পৰা পুৰোহিত আনি মন্দিৰত নিত্য পুজাৰ ব্যৱস্থা কৰিছিল। মহাৰাজ বিশ্বসিংহ অতি বিদ্যানুৰাগী নৃপতি আছিল। তেওঁৰ পৃষ্ঠপোষকতাত বল্লভাচাৰ্যই মহাভাৰতৰ অনুবাদ, উষা পৰিনয় কাব্য, আৰু ভাগৱতৰ দশম স্কন্ধ এওঁৰ উল্লেখযোগ্য গ্ৰন্থ। তেওঁৰ ৰাজসভাতেই কবি দুৰ্গাবৰে গীতিৰামায়ন আৰু মনকৰে মনসামঙ্গল ৰচনা কৰি অসমীয়া সাহিত্যৰ সূচনা কৰে। ডাঃ মহেশ্বৰ নেওগৰ মতে মহাৰাজ বিশ্বসিংহই হিন্দুধৰ্ম গ্ৰহন কৰিছিল।

যোগিনীতন্ত্ৰত পোৱা যায -

"তস্যাপি বহুচঃ পুত্ৰাঃ পৃথিবী পৰিপালিকা
কুবচাঃ ধৰ্মিকাঃ সৰ্বেৰাজনো যুদ্ধ দুৰ্মদা।।"

অঠাৎ বিশ্বসিংহৰ পৃথিবীপালক বহু পুত্ৰৰ জন্ম হয - তাৰ ভিতৰত কুবাচসকল প্ৰত্যেকেই ধাৰ্মিক ৰজা আৰু দুদ্ধৰ্ষ বীৰ আছিল। তেওঁৰ ওঠৰজন পুত্ৰ আছিল বুলি জনা যায। কবি মনকৰে লিখিছে -

"কমতাই ৰাজা বন্দো বিশ্বসিংহ নৃপবৰ।
একশত মহিষী বন্দো ওঠৰ কুমাৰ।।"

আহোম বুৰঞ্জীত লিখিত আছে যে- তেওঁ আহোমৰাজ চুহুংমুংৰ লগত মিত্ৰতা কৰি মুছলমান আক্ৰমনকাৰীসকলক কৰতোৱা নদী পাৰ কৰি খেদি পঠাইছিল। তেওঁৰ বহুপুত্ৰৰ ভিতৰত নৰসিংহ, মল্লদেৱ (নৰনাৰায়ন), শুক্লধ্বজ (চিলাৰায) আৰু কমল নাৰাযন (গোহাই কমল) অধিক প্ৰসিদ্ধ। মহাৰাজ বিস্বসিংহই পুত্ৰসকলৰ মাজত যোগ্য বিবেচনা কৰি - তেওঁৰ অবিহনে মল্লদেৱ ৰজা আৰু শুক্লধ্বজ যুবৰাজ হব বুলি নিৰ্দ্ধাৰণ কৰি ৰাখিছিল। উক্ত দুয়োজনকে সৰ্ব্ববিদ্যাত পাৰদৰ্শী কৰাৰ বাবে কাশীত ব্ৰহ্মানন্দ ব্ৰহ্মাচাৰীৰ ওচৰত পঠাইছিল। এইজন মহাৰাজৰ ৰাজসভাত বহুত পণ্ডিতে পুৰাণ, কাব্য, বিভিন্ন শাস্ত্ৰ আদি ৰচনা আৰু অনুবাদ কৰিছিল। বিখ্যাত কবি পীতাম্বৰে মাৰ্কণ্ডেয পুৰাণৰ আৰম্ভনিত লিখিছে -

"একদিন সভামাজে বসি যুবৰাজ।
মনে আলোচিযা কহিলন্ত কায।
পুৰাণ আদি শাস্ত্ৰে যত ৰহস্য আচয।
পণ্ডিতে বুজা মাত্ৰ অন্যে নাবুজয়।।
সেই হেতু পদ ভাঙি সবে বুজিবাৰ।
নিজ দেশ ভাষা বন্ধে ৰচিয পয়াৰ।।

মল্লদেৱ আৰু শুক্লধ্বজ কাশীত শিক্ষা গ্ৰহন কৰি থকা অৱস্থাত ১৫৩৩ খৃষ্টাব্দত মহাৰাজে দেহৰক্ষা কৰে আৰু জ্যেষ্ঠপুত্ৰ নৰসিংহই কমতাৰ সিংহাসনত বহে। মল্ল-শুক্ল দেই ভাইযে এই বাৰ্তা পাই কাশীৰ পৰা নৰসিংহক বিতাডন কৰি পিতাৰ ইচছা অনুযাযী মল্লদেৱে নৰনাৰাযন নাম গ্ৰহন কৰি সিংহাসনত বহে আৰু শুক্লধ্বজক যুবৰাজ পাতে।

অসমৰ মাননীয প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎচন্দ্ৰ সিংহদেৱে লিখিছে - মহাৰাজ নৰনাৰাযন আছিল তদানিন্তন ভাৰতবৰ্ষৰ এগৰাকী প্ৰতাপশালী কীৰ্তিমান ৰজা। সেইকালত ৰজা হবলৈ কেৱল বাহুবলৰ প্ৰযোজন আছিল, শাস্ত্ৰ অধ্যযনৰ কোনো প্ৰযোজন নাছিল। কিন্তু মহাৰাজ নৰনাৰাযন ৰজাসকলৰ ভিতৰত এক ব্যতিক্ৰম। তেওঁ শাস্ত্ৰজ্ঞ বিদগ্ধ পণ্ডিত আছিল। তেওঁ আছিল- Naranarayana the Great সেইদৰে তেওঁৰ ভাতৃ চিলাৰায এক ব্যতিক্ৰমী দিগ্বিজযী বীৰ আছিল। তেওঁ শাস্ত্ৰজ্ঞ বিদ্যাবন্ত পণ্ডিত সেনাপতি আছিল। ইখনৰ পিচত সিখনকৈ যুদ্ধ জয কৰি কিমানযে যুদ্ধ কৰিছিল- সেই যুদ্ধৰ মাজতো তেওঁ গীত গোবিন্দৰ সাৰবতী টীকা লিখিছিল। সেই সাৰবতী টীকা আজিও চিলাৰাযৰ শাস্ত্ৰজ্ঞান আৰু গভীৰ পাণ্ডিত্যৰ স্বাক্ষৰ বহন কৰি আছে। তেওঁ আছিল- Chılaraı, the Conqueror

পাণ্ডু অঞ্চলৰ প্ৰতাপ ৰাযৰ কন্যা ভানুমতীক মহাৰাজ নৰনাৰাযনে আৰু ভাতৃস্পুত্ৰী চন্দ্ৰ প্ৰভাক শুক্লধ্বজে বিবাহ কৰে। ১৫৪৩ খীষ্টাব্দত ব্ৰহ্মকুণ্ড (দৰংজিলা)ৰ ওচৰত কোচ ৰাজকুমাৰ আৰু আহোম ৰাজপৰিযালৰ ভিতৰত মৃগযাত কাজিযাৰ সৃষ্টি হৈ তিনিজন কোচ ৰাজকুমাৰ নিহত আৰু এজনী ৰাজকুমাৰী অপহৃত হোৱাৰ কথা পোৱা যায। ফলত দুই ৰাজশক্তিৰ মাজত যুদ্ধ অনিবাৰ্য হৈ পৰিল। সেই সমযত আহোমৰ ৰজা আছিল- স্বৰ্গদেউ চুখাম্‌ফা।

মহাৰাজ নৰনাৰাযনৰ ভাতৃ কমল নাৰাযনে কমাতাপুৰ ৰাজধানীৰ পৰা- কোচৰাজ্যৰ পুবসীমা পৰশুৰাম কুণ্ডলৈ- চাৰিশমাইল দীঘল ৰাজপথ এবছৰৰ ভিতৰতে নিৰ্মান কৰিছিল। ইযেই ঐতিহাসিক গোহাই কমল আলি।

আহোমৰ সৈতে ৰণসজ্জা সম্পুৰ্ণ হোৱাত যুবৰাজ চিলাৰাযৰ সৰ্ব্বাধিনাযকত্বত দুইলাখ পদাতিক চাৰিহাজাৰ অশ্বাৰোহী, সাতশ গজাৰোহী, এহেজাৰ ৰণপোত লৈ যুদ্ধযাত্ৰা কৰিলে। (জানিবলৈ পোৱামতে মহাৰাজ চিলাৰাযে নৌ-বাহিনীৰ প্ৰবৰ্ত্তক) যুদ্ধত আহোম সেনাই পৰাজয় বৰণ কৰাত আহোম ৰজাই ৰাজধানী গডগাঁও এৰি নগা পৰ্বতৰ শৰাইদেওত আশ্ৰয় ললে। গড়গাঁও কোচৰ অধীনস্থ হয। ৰাজধানী উদ্ধাৰৰ কোনো আশা নেদেখি আহোম ৰাজ সন্ধি কৰিবলৈ বাধ্য হয়। ইযাৰ পিচত

কাচাৰ, মণিপুৰ, ত্রিপুৰা, জয়ন্তীয়া, খৈৰাম ৰাজ্য, শ্রীহট্ট আৰু ডিমৰুৱা ৰাজ্য জয় কৰি উত্তৰ পূব ভাৰতত বিশাল সাম্রাজ্য প্রতিষ্ঠা কৰে। ১৫৬৪ খৃঃত গুৱাহাটীৰ ওচৰত সাতগাঁওত শিবিৰ পাতি পৰাজিত ৰজাসকলৰ পৰা পোৱা ধন ৰত্নেৰে শক্তিপীঠ কামাখ্যা মন্দিৰ নির্মান কৰে। মহাৰাজ নৰনাৰাযনে ১৫৬৫ খৃঃত বিজয়া দশমীৰ দিনা সপৰিযালে আহি মন্দিৰৰ দ্বাৰ উদ্বোধন কৰি- ২৫০০ বিঘা নিষ্কৰ মাটি দেবোত্তৰ হিচাপে দান কৰে।

অসমৰ প্রাক্তন মুখ্যমন্ত্রী স্বৰ্গীয় হিতেশ্বৰ শইকীযাদেৱে ১৯৮৪ চনত মুর্ত্তি প্রতিষ্ঠা দিবসত কৈছে - চিলাৰাযৰ বীৰত্বৰ আৰত আছিল কিছুমান নিটোল আদর্শৰ প্রতি থকা তেওঁৰ নিষ্ঠাহে। বীৰত্ব কেৱল বাহুবল নহয়, হোৱাহ'লে শোষনকাৰী অত্যাচাৰী যোদ্ধাকো বীৰ কলোঁহেঁতেন সেইহেতু, চেংঘিচ, আট্টিলা, হিটলাৰ বীৰ হব পৰা নাছিল। চিলাৰায় আছিল নেপোলিযন বা আলেজেণ্ডাৰৰ সমপর্যাযৰ মহাবীৰ- বিশ্ববীৰ। নৰনাৰায়ন চিলাৰাযৰ যুদ্ধ যাত্রাৰ মাজত অহেতুক ৰণপিপাসা বিচাৰি পোৱা নযায। তাৰ পৰিবৰ্ত্তে দেখিবলৈ পোৱা যায় ঐক্যবদ্ধ আধুনিক অসম গঢ়াৰ প্রযাসহে।

ডঃ মহেশ্বৰ নেওগে কৈছে - শুক্লধ্বজ ৰণক্ষেত্রত যেনেকৈ প্রচণ্ড যোদ্ধা, কলাক্ষেত্রত তেনেকৈ ৰসিক পণ্ডিত। ডঃ সূয্যকুমাৰ ভূঞা মহাশযে কৈছে- "আজিও অসমীযাৰ প্রধান গৌৰবৰ বস্তু দুটাৰ এটা হৈছে কামাখ্যা মন্দিৰ আনটো হৈছে শঙ্কৰদেবৰ ৰচিত গ্রন্থাৱলী। এই দুই গৌৰবেই হৈছে - মহাৰাজ নৰনাৰাযন আৰু সেনাপতি শুক্লধ্বজৰ অবদান।"

সাহিত্যচার্য অতুলচন্দ্র হাজৰিকাদেৱে কৈছে -

চক্রধ্বজ সিংহ, ৰুদ্রসিংহ, ৰাজেশ্বৰ সিংহ, লাচিত বৰফুকন, আতন বুঢ়াগোহাই, বদনবৰফুকন, প্রভৃতি আহোমৰাজ পুৰুষ সকলৰ বিষযে আমি যিমান জানো মহাৰাজ নৰনাৰাযন, বীৰ চিলাৰায, লক্ষীনাৰায়ন প্রভৃতি কোচ ৰাজপুৰুষ সকলৰ বিষয়ে আমি সিমান কম জানো।

২০০৫ চনৰ ২৩ এপ্রিল তাৰিখে শালকোচা শাখা সাহিত্য সভাৰ সম্বৰ্দ্ধনা সভাত অসম সাহিত্যসভাৰ মাননীয় উপসভাপতি পাচুগোপাল চক্রৱর্তীদেৱে কৈছে- অসম বুৰঞ্জীমানে আহোম বুৰঞ্জী। ইযাত সুদীর্ঘ পাচশ বছৰীযা কোচ ৰাজ্যৰ বিৱৰণ, কোচ ৰজা সকলৰ বিষয় অতি সামান্যভাবেহে আলোকপাত কৰা হৈছে। এই সম্পর্কে যথেষ্ট চিন্তা-চর্চা আৰু গৱেষণাৰ প্রযোজন আছে।" ঐতিহাসিক পণ্ডিত আর্নল্ড টয়েনবিৰৰ মতে পৃথিবীৰ সর্বশ্রেষ্ঠ তিনিজন মহাবীৰৰ ভিতৰত চিলাৰায এজন, বাকী দুজন হৈছে - নেপোলিযন বোণাপার্ট আৰু ছত্রপতি শিৱাজী।

মহাৰাজ নৰনাৰায়নৰ পিতা মহাৰাজ বিশ্বসিংহৰ বীৰত্বকালৰ পৰা- ৰাজসভাত বহুত পণ্ডিতে সমাদৰ লাভ কৰিছিল আৰু পুৰাণ, ভাগৱত, কাব্য, শাস্ত্র আদি অনুবাদ আৰু ৰচনা হোৱাৰ প্ৰয়াস পোৱা যায়। আহোমৰাজ্যত শ্ৰীশ্ৰী শংকৰদেৱৰ জীৱন বিপন্ন হোৱাত ভটিয়াই কোচৰাজ্যৰ পাটবাউসীত আহি আশ্রম পাতি থাকিবলৈ লোৱাত কোচ সেনাপতি তথা যুৱৰাজ মহাবীৰ চিলাৰায়ৰ লগত পৰিচয় ঘটে। চিলাৰায়ে তেখেতক গুৰু পদত অধিষ্ঠিত কৰি সম্পূৰ্ণ ৰক্ষনাবেক্ষন দিয়াৰ যথাবিহিত ব্যৱস্থা কৰিছিল। শঙ্কৰদেৱৰ ভাই ৰামৰায়ৰ কন্যা ভূবনেশ্বৰী দেৱীক চিলৰায়ে চত্ৰশালত বিবাহ কৰিছিল। শঙ্কৰদেৱে একেশ্বৰবাদী বৈষ্ণৱ ধৰ্ম জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিবলৈ লোৱাত ব্ৰাহ্মন সকলে শঙ্কৰদেৱক ধৰ্ম নষ্টকাৰী- বা ধৰ্মদ্ৰোহী বুলি শাস্তিৰ ব্যৱস্থা কৰিবলৈ মহাৰাজৰ ওচৰত অভিযোগ দিছিল। মহাবীৰ চিলাৰায়ে এই কুথা জানি অতি সুকৌশলে শঙ্কৰদেৱৰ পাণ্ডিত্ব আৰু প্ৰবৰ্তন কৰা ধৰ্মৰ সাৰমৰ্ম মহাৰাজক বুজাই দিয়াত মহাৰাজে যথাযোগ্য প্ৰমান লৈ ৰাজদৰবাৰত সৰ্ব্বশ্ৰেষ্ঠ পণ্ডিত বুলি স্বীকৃতি দি সম্মান জনাইছিল। শঙ্কৰদেৱ আছিল ব্ৰহ্মাজ্ঞ মহাপুৰুষ। কোচৰাজ্যত থাকি- শঙ্কৰদেৱ, দামোদৰদেৱ, মাধবদেৱ আৰু বিভিন্ন পণ্ডিতে ৰচনা আৰু ভাঙনি কৰা গ্ৰন্থৰাজি আজিৰ অসমীয়া ভাষাৰ মূলভেটি। উল্লেখনীয় যে মহাৰাজ নৰনাৰায়ন আৰু তেওঁৰ ভায়েক দুয়োজন বিদগ্ধ পণ্ডিত আছিল। মহাৰাজ নিজে 'মন্নদেবী' অভিধান লিখিছিল বুলি জনা যায়। মহাৰাজ নৰনাৰায়নৰ সভাপণ্ডিত ৰামসৰস্বতীয়ে বনপৰ্বত লিখিছে -

"আমাক্ কৰিল অজ্ঞা পৰমসাদৰে।
ভাৰতৰ পদ তুমি কৰিয়ক সাৰে।।
আমাৰ গৃহত আছে ভাষ্যটীকাগত।
নিয়োক আপোন গৃহে দিলোহো সমস্ত।।
এইবুলি ৰজাসবে বলধি যোৰাই।
পঠাইলা পুস্তক সবে আমাসাৰ ঠাই।।
ধনবান অলঙ্কাৰ দিলা বহুতত।
দাস দাসী দিয়া মন বঢাই আমাৰ।।

আন এঠাইত লিখিছে ঃ-

পিতৃ মাতৃয়ে অনিৰুদ্ধ নাম দিলা।
কবিচন্দ্ৰ নামগোট দেৱানে বুলীযা।।
ৰাম সৰস্বতীৰ নাম নৃপতি দিলন্ত।

ভাৰতৰ পদ মোক কৰা বুলিলন্ত।।

সূৰ্য্যখৰি দৈবজ্ঞৰ মতে মহাৰাজ নৰনাৰায়নে কৈছে-

"শুনিয় শ্ৰীধৰ তুমি মোৰ বাক্য ধৰা।
জ্যোতিষক ভাঙি তুমি খণ্ড সাধ্য কৰা।।
বকুল কায়স্থ তুমি ভাঙা লীলাৱতী।
অলপতে বুজা যেন কায়স্থে সম্প্ৰতি।।

কবি পীতাম্বৰে লিখিছে - "জয়দেৱ নামে কাব্য বিৰচিলো সাৰ,
শুক্ৰধ্বজ ৰাজটীকা কৰিলন্ত যাৰ।।"

কবিৰত্ন ভাগৱত ভট্টাচাৰ্য আৰু অনন্ত কন্দলীও মহাৰাজ নৰনাৰায়নৰ ৰাজসভাত থাকি বহু গ্ৰন্থ ৰচনা কৰিছিল। মাধবদেৱে 'নৱমল্লিকা' নামে এখন গ্ৰন্থ সম্পাদনা কৰিছিল। ১৫৬৮ খ্ৰীষ্টাব্দত মহামহোপাধ্যয পুৰুষোত্তম বিদ্যাবাগীশে "প্ৰযোগ ৰত্নমালা" ব্যাকৰণ লিখে। মহাৰাজ প্ৰান নাৰাযনৰ দিনত দেৱভাষাত ৰচনা হৈছিল- "বিশ্বসিংহ চৰিত্ৰম" গ্ৰন্থ। আদি কাণ্ডৰ ভনিতাত মাধবদেৱে লিখিছে -

জয় জয় নাৰাযন হুই নৃপকুল শিৰোমনি।
যাহাৰ পৰম প্ৰচণ্ড প্ৰতাপে ঢাকিল ইটো ধৰণী।।

অনিৰুদ্ধদেৱে ভাগৱতৰ ৫ম আধ্যায অনুবাদ কৰোতে লিখিছে-

নৃপ ৰঘুবৰ পৰম সুন্দৰ
ৰূপে কামদেৱ সম।
কৰ্মত নিৰত বীৰৰ মধ্যত
সিংহৰ যেন বিক্ৰম।।
তাত যুগ্যতম বিশ্বাস পৰম
কাযস্থ দলৰ পতি
গুৰুৰ চৰণে পদচলে ভনে
অনিৰুদ্ধ শিশু মতি।।

মহাৰাজ নৰনাৰায়নৰ পাটমাদৈৰ কথামতে পুৰুষোত্তম বিদ্যাবাগীশে "প্ৰযোগৰত্নমালা" নামৰ ব্যাকৰণ লিখিছিল।

নৃপতিৰ প্ৰিয়তম ভানু পাটেশ্বৰী।
ভট্টাচাৰ্য আগে কথা কলে সাদৰি।।
পানিনিত বৰ্ণক্ৰমে গ্ৰন্থে নিলিখিবা।
মহেশৰ কৃত কলাপেৰ ক্ৰম দিবা।।

পীতাম্বৰ কায়স্থই মহাৰাজ ধৰ্মনাৰায়নৰ আদেশত বিৰাট পৰ্ব অনুবাদ কৰোতে প্ৰশস্তি গাইছিল -

"জয় শুক্লধ্বজ ৰাই।
কিছু অমঙ্গল নাই।।
বৈষ্ণব সবাহহিত।
সাদ্দামুখে প্ৰতিনিত।
শ্ৰীমন্ত শঙ্কৰ যাৰ।
শুনাই ভাগবত পাৰ।।
ভকতি প্ৰসাদ লাইলা।
জগতকে উদ্ধাৰিলা।।
তাহাৰ ৰাজ্যত থাকি।
হৰিনাম মুখে ডাকি।।

মহাপুৰুষ শঙ্কৰদেৱৰ ভটিমাত আছে -

"জয় জয় মল্ল নৃপতি ৰসজান।
যাকেৰি গুনগন সমনাহি আন।।
নাটক ভাটক পশ্চিম দেশকো
যত যত পণ্ডিত আৱে।
ঘটক কম্বল বহুত ৰজত
আপোনহি সমপুৰি পাৱে।।
অস্ত্ৰত সস্ত্ৰত শাস্ত্ৰত পাৰ্গত
বিপক্ষত আপোনজান।
দেৱব্ৰাহ্মনক পিতৃৰ অৰ্চনে
যাকেৰি নাহিক সমান।।

কবি পীতাম্বৰে "দশম ভাগৱত" পুথি ৰচনা কৰাৰ সময়ত আৰম্ভনিত লিখিছে-

"অভিনব পুৰ শেজে কমতা নগৰ।
আচয বিশ্বসিংহ নৰবৰ।।
তাহাৰ তনয যে সমৰ সিংহ নাম।
কৃষ্ণৰ লীলাত তাঞ্ৰেৱতি অভিধান।।

মহাৰাজ নৰনাৰাযনৰ ৰাজসভাৰ পণ্ডিত পীতাম্বৰ সিদ্ধান্ত বাগীশে প্ৰেত

কৌমুদী, সংক্রান্ত কৌমুদি, স্মৃতি নিবন্ধ আদি প্ৰণয়ন কৰে। উষা পাৰিণয় কাব্যত তেওঁ লিখিছে-

"কমতা নগৰে সুৰপুৰি পৰতেক।
তাতে শিশু পীতাম্বৰ নামে কবি এক।।
কমতা নগৰ সুৰ পুৰ অবতাৰ।
একমুখে বসিব যেন গুণতাৰ।।
তাত পীতাম্বৰ নামে কবি শিশুমতি।
উষা পাৰিলা গীত কৈলা সমাপতি।।

ৰজা হৰেন্দ্ৰনাৰায়নৰ ৰাজসভাত কামৰূপী ব্ৰাহ্মন সকলে দেশী ভাষাত বহুত পুথি ৰচনা কৰিছিল। ৰঘুনাথ দ্বীজৰ অযোধ্যা কাণ্ডৰ ভনিতাও আছে-

কামৰূপ ৰত্নপীঠ কমতা ঈশ্বৰ।
হৰেন্দ্ৰ নাৰায়ন সজ ৰাজেশ্বৰ।।
তাহাৰ আদেশে আমি স্বদেশী ব্ৰাহ্মন।
ৰঘুবান লক্ষ্মীবান ভাই দুই জন।।
ৰাজ আজ্ঞা ধৰি শিৰে কৰি পদ বন্ধ।
ৰচিলো অযোধ্যাকাণ্ড পয়াৰ প্ৰবন্ধ।।

ৰজা হৰেন্দ্ৰ নাৰায়নৰ ৰাজসভাত দ্বিজ বৈদ্যনাথ, মহীমান্ব আদিয়ে 'বনপৰ্ব', দ্বিজ মহীনাথে 'প্ৰাস্থানিক পৰ্ব', মাধবচন্দ্ৰই 'স্বৰ্গাৰোহন পৰ্ব'। জয়দেব দ্বিজ ব্ৰজসুন্দৰ আদিয়ে 'সভাপৰ্ব' দ্বিজ কবিৰাজে 'ভীমপৰ্ব, আদি ৰচনা কৰে। এইবোৰ ৰচনাত কোচবেহাৰক কামৰূপ দেশৰ অন্তৰ্গত বুলি উল্লেখ কৰিছে আৰু কবিসকলেও "স্বদেশী ব্ৰাহ্মন" বা কামৰূপী ব্ৰাহ্মন বুলি পৰিচয় দি গৈছে।

উল্লেখিত পণ্ডিত সকলৰ লিখিত বিবৰণীৰ পৰা জনা যায় যে - কোচ ৰাজত্বকালত দেশী তথা অসমীয়া ভাষাৰ ভৰাল যথেষ্ট টনকিয়াল হৈছিল।

অসমত ব্ৰাহ্মনসকলে জনজাতীয় ৰজাসকলক ক্ষত্ৰিয়ৰ মৰ্য্যাদা প্ৰদান কৰিছিল। প্ৰতিটো ৰাজবংশ একো একোটা দেৱতাৰ বংশৰ লগত জড়িত কৰিছিল। আহোম সকল ইন্দ্ৰৰ বংশ, কোচসকল শিৱৰ বংশ, চুতীয়াসকল কুবেৰৰ বংশ আৰু কছাৰীসকল ভীমৰ বংশ বুলি কৈছে। জনজাতীয় ৰজাসকলক পুৰোহিত শ্ৰেণীয়ে দেৱতাৰ অংশ কৰি লোৱাত ৰাজ আজ্ঞাই দেৱতাৰ আদেশ আৰু ৰজাৰ শাসনে প্ৰজাৰ শাসন হৈ পৰিল। ক্ষত্ৰিয় বিলাকৰ প্ৰধান কাৰ্য্য হ'ল ৰাজকৰ্ম পৰিচালনা কৰা, প্ৰজাক ৰক্ষা কৰা, ব্ৰাহ্মনক উপহাৰ প্ৰদান কৰা, অস্ত্ৰশিক্ষা লোৱা। পণ্ডিত ৰতিকান্ত

দ্বিজ আৰু তেওঁৰ চাৰিজন দৰঙী ৰাজ সভাৰ পণ্ডিতে ৰজা হৃয নাৰাযনৰ আদেশত ব্রহ্ম বৈবত্ত পুৰাণখন অসমীযালৈ অনুবাদ কৰে। কবিযে লিখিছে-

"শিববীর্যে বিশ্বসিংহ ভৈলা সংৰাজা।
পুত্রবৰে পালিলন্ত তান নিজ প্রজা।।
তানপুত্র মল্লদেৱ প্রধান নৃপতি।
ভাৰতৰ কিছুপদ তেহো কৰাইলান্তি।।
তানবংশে হৃয নাৰায়ন নৃপবৰ।
মহাদানী মানী ৰাজা নাৰাযন পাৰ।।
তেহে আজ্ঞা কৰিলন্ত পদ ভঙিবাক।
পদ ভৈলে বুজিবেক যত প্রজাজাক।।

পদ্মপুৰানত আছে (পার্বতী) "কুচুনী সহিত গোসাই আছে ক্রিযা কৰি
মইতো যাইব গঙ্গাবাই কুচুনী ৰূপ ধৰি।।
(শিব) "গোসাই বোলে কুচুনী কোথা হৈতে আইলো
কুচুনীক আজি মোক বিধিযে মিলাইল'।
"ভাঙ্গ ধুতুৰা খাই বলধত কৰি ভৰ
কুচুনী পাৰাত থাকে বেশ দিগাম্বৰ।।"

কবিৰ ভাষাত সতী বেউলাই নিজৰ পৰিচয দিওঁতে কৈছে-
"বেউলা বোলে শুন বাপ বণিক কুমাৰ।
মামা শশুৰ তুমি হৈযাছ আমাৰ।।
বেহাৰী ৰাজাৰ জী শশুৰী সনাই।
মোক বিযা কৈলা তাৰ কোৱৰ লখাই।।

দৰং ৰাজবংশীৰ পৰা জনা যায যে মহাৰাজ নৰনাৰাযনে কামাখ্যা মন্দিৰ সংস্কাৰ কৰাৰ পিছত গৌডদেশ জয কৰাৰ সুযোগ বিচাৰি দিল্লীৰ সম্রাট আকবৰৰ লগত মিত্রতা স্থাপন কৰে। কোচ সেনাপতি শুক্লধ্বজে পূব আৰু উত্তৰ দিশৰ পৰা গৌড আক্রমন কৰাত গৌডত পতন হ্য। ইয়াৰ ফলত কোচ দেশৰ সীমা কৰতোৱা নদীৰ বহু পশ্চিমলৈ বিস্তাৰ লাভ কৰে। মোগলেও পূর্বাঞ্চলত আধিপত্য বিস্তাৰ কৰিলে। এই যুদ্ধ জয়ৰ আনন্দ মাৰ নৌযাওঁতে বসন্ত ৰোগত আক্রান্ত হৈ গঙ্গাৰ পাৰত মহাবীৰ চিলাৰাযে ১৫৭১ খৃষ্টাব্দত দৌল পূর্ণিমা তিথিত ইহলীলা সম্বৰণ কৰিলে। পশ্চিমে মিথিলা, পূবে আহোম ৰাজ্যৰ সীমা, উত্তৰে ভুটানৰ পৰা দক্ষিনে বঙ্গোপসাগৰলৈকে কোচৰাজ্যৰ সীমা বিস্তীর্ণ হৈছিল।

মাহাৰাজ নৰনাৰায়নৰ বহুদিনলৈকে কোনো সতি-সন্তান হোৱা নাছিল। শুক্লধ্বজৰ পুত্ৰ ৰঘুদেৱ নাৰায়নেই আছিল যুৱৰাজ। কিন্তু ১৫৬৭ খ্ৰীষ্টাব্দত মহাৰাণী ভানুমতীৰ গৰ্ভত লক্ষ্মীনাৰায়নৰ জন্ম হয়। তেতিয়া ৰঘুদেৱ নাৰায়নে হতাশ হৈ বিদ্ৰোহ কৰিবলৈ বুদ্ধি পাঙিলে আৰু ৰাজধানী এৰি মানাহ নদীৰ পাৰত সৰভোগৰ ওচৰত বাহৰ পাতি সপৰিয়ালে থাকিবলৈ ললে। মহাৰাজে ৰঘুদেৱ নাৰায়নক ফিৰাই আনিবলৈ চেষ্টা কৰিও বিফল হৈ ১৫৮১ খৃষ্টাব্দত সোনকোষ নদীক সীমা কৰি পূবৰ সমুদায় অংশ ৰঘুদেৱ নাৰায়নক শাসন কৰিবলৈ এৰি দিলে। ইয়াৰ ফলত প্ৰবল প্ৰতাপী কোচ শক্তি বহুগুণে দুৰ্বল হবলৈ ধৰিলে।

মহাৰাজ নৰনাৰায়নৰ পৰা আৰম্ভ কৰি মাহৰাজ জগদ্দীপেন্দ নাৰায়নলৈ মুঠতে বাইশজন ৰজাই কোচবিহাৰ ৰাজত্ব কৰিছিল। এই ৰাজবংশই ৪৩৫ বছৰ অনুসীমাৰ ভিতৰত ২৫৭ বছৰ স্বাধীনভাৱে ৰাজত্ব কৰি গৈছে। সকলো কোচ নৃপতিয়ে নিয়মিত ভাৱে মুদ্ৰা প্ৰস্তুত কৰিছিল। কোচ ৰজা সকলে প্ৰস্তুত কৰা মুদ্ৰাৰ নাম নাৰাযনী মুদ্ৰা।

মহাৰাজ বিশ্বসিংহৰ পিছত সপ্তধা কোচ ৰাজবংশত সৃষ্টি হয় - (১) কোচবিহাৰৰ ৰাজবংশ, (২) ৰাযকত বংশ (জলপাইগুৰি) (৩) গাঙ্গাৰ ৰাজবংশ (ৰংপুৰ) (৪) কাছাৰ ৰাজবংশ, (৫) দৰং ৰাজবংশ, (৬) বিজনী ৰাজবংশ আৰু (৭) বেলতলা ৰাজবংশ।

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত স্বাধীন হয়। ভাৰত চৰকাৰৰ অনুৰোধত কেন্দ্ৰীয চৰকাৰৰ লগত কোচবিহাৰ ৰাজ্যৰ শেষ নৃপতি জগদ্দীপেন্দ নাৰায়ন ১৯৪৭ চনৰ ২৮ আগষ্টত এক ঐতিহাসিক চুক্তি স্বাক্ষৰ হয়। সেই চুক্তিত কোচবিহাৰক কেন্দ্ৰীয় চৰকাৰৰ অধীনত ৰখাৰ কথাও ঘোষিত হয আৰু ১৯৪৭ চনৰ ১২ চেপ্তেম্বৰত কেন্দ্ৰীয় চৰকাৰৰ হাতত আনুষ্ঠানিকভাৱে সমৰ্পন কৰা হয়। আনপিনে পশ্চিমবঙ্গৰ তদানিন্তন মুখ্যমন্ত্ৰী ডঃ বিধানচন্দ্ৰ ৰায়ে এই ৰাজ্যক পশ্চিমবঙ্গৰ লগত চামিল কৰাৰ বাবে চেষ্টা চলাই থাকে। বৃটিচ চৰকাৰে - কোচবিহাৰক "দেশীয় ৰাজ্যৰ" মৰ্য্যাদা দান দিছিল। দেশীয ৰাজ্যৰ ৰজা সকলে নিজ নিজ ৰাজ্যৰ ৰাজতান্ত্ৰিকভাৱে শাসন কৰিছিল। যদিও তেওঁলোকে অনেক ক্ষেত্ৰত ব্ৰিটিচ সম্ৰাটৰ আনুগত্য স্বীকাৰ কৰি চলিছিল। ডঃ বিধানচন্দ্ৰ ৰায়ৰ অক্লান্ত চেষ্টাত ১৯৫০ চনৰ ১ লা জানুৱাৰী তাৰিখত কোচবিহাৰক পশ্চিমবংগৰ লগত চামিল কৰা হয়।

১৯৫৩ চনত চৰকাৰ ৰাজ্য পুনঃগঠন আয়োগ গঠন কৰে। পুণ গঠনৰ সময়ত একে জনগোষ্ঠী বাস কৰা বিস্তৃত অঞ্চলবোৰ ভাগ কৰিব লগা হয়। তেতিয়া অসম প্ৰদেশ কমিটিয়ে তিনিজন সদস্য লৈ এখন কমিটি গঠন কৰি দিছিল। কোচবিহাৰ

জলপাইগুৰি অঞ্চলটো অসমৰ লগত আনিব পাৰিলেনে নাই এই কথা বিবেচনা কৰিবলৈ কমিটিক পঠালে। কমিটীৰ সদস্য তিনিজন আছিল- উপেন নবীশ, সন্তোষ কুমাৰ বৰুৱা আৰু শৰৎ চন্দ্ৰ সিংহ। অনুসন্ধান কৰি তেওঁলোকে ৰিপোৰ্ট দিছিল- কোচবিহাৰ, জলপাইগুৰিক অসমৰ লগত আনিব পাৰি। তেতিয়া অসমত প্ৰশ্ন উৎখাপন হয় যে - এই 'বঙাল' মখাক আনিলে বিসঙ্গতি দেখা দিয়াৰ সম্ভাৱনা বেছি। ৰাজ্য চৰকাৰে কাযদা কৰি নাকচ কৰি দিলে। এইদৰে কোচবিহাৰ ৰাজবংশ আৰু ১৯৫৬ চনত অসম চৰকাৰে জমিদাৰী প্ৰথা লুপ্ত কৰি দিযাত বিজনী, চিদলী, দৰং আৰু কোচৰজাসকলৰ ৰাজত্বৰ অৱসান ঘটে। চতুৰ্থ শতিকাৰ শেষ ভাগৰ পৰা আৰম্ভ কৰি বিংশ শতাব্দীৰ মাজভাগলৈকে উত্তৰ পূব ভাৰতত কোচজাতিৰ বিক্ৰমৰ ইতিহাস পোৱা যায।

ভাৰত বুৰঞ্জীত পোৱা যায় খৃষ্টপূৰ্বৰ ৫ম শতাব্দীৰ শেষত নন্দবংশৰ মহাপদ্মানন্দ মগধৰ ৰজা হয। পুৰাণৰ মতে এওঁ শূদ্ৰানী গৰ্ভজাত। শুদ্ৰানীত গৰ্ভজাত হোৱা হেতুকে ক্ষত্ৰিয ৰজা বিলাকে এওঁক তাচ্ছিল্য কৰিছিল। তেতিয়া শক্তি সঞ্চয কৰি ক্ষত্ৰিয নিধন আৰম্ভ কৰিলে।

দৰং ৰাজবংশাৱলীত পোৱা যায -

"নন্দীৰ ঘৰে সুত হয শূদ্ৰানী সম্ভূত।
মহাপদ্ম নাম তাৰ জগতে বিদিত।।
সিংহাসনে বসে সেই পিতৃ হত্যা কৰি।
সনাতন ধৰ্ম চাৰি বৌদ্ধ ধৰি ধৰি।।
ৰাজধৰ্ম বলি তাকে কৰেণ প্ৰচাৰ।
বিৰুদ্ধ ধৰ্মকে মাৰি কৰে চাৰখাৰ।
শূদ্ৰ সুত ৰাজ হয় হাসে ক্ষত্ৰিগন।
ক্ষত্ৰিয বিনাস তাৰে সে কৰে মহাপণ।।
উত্তৰ ভাৰতে যত ক্ষতি ৰাজা ছিল।
বৈদিক আচাৰি বুলি বহু বিনাসিল।।
ধৰ্ম জন্য যুদ্ধ কৰে পৌণ্ড্ৰ ক্ষত্ৰিগন।
সেই ৰণে বহু ক্ষত্ৰী হইল নিধন।।
তাৰে পুত্ৰগন ভীত হয়ে সেকাৰণ।
ৰণে ভঙ্গ দিয়া সবে কৰে পলায়ন।।
কৰতোৱা পাৰপাৰে ৰত্নপীঠ স্থান।

বনানীতে তেৰা মাঠে কৰে বাসস্থান।।
কেহ কেহ যাচে স্থান কমতা বিহাৰে।
আশ্ৰয় নিলকেহ প্ৰাগজ্যোতিষপুৰে।।
এই ৰূপে হেনা সেথা লইয়া আশ্ৰয়।
ৰাজবংশী বুলি সবে দেয় পৰিচয়।।

পদ্মা পুৰাণত আছে -

"তবনাম চন্দধৰ চন্দ্ৰকেতু নাম মোৰ
সমনামে হৈলা তুমি মিতা।।
চান্দে দিয়া পানকুল মিত্ৰ বুলি দিল কোল
বিদায় কৈল যাইতে আশ্ৰমে।
এমন না জানি আমি ৰাজবংশী হও তুমি
স্বপ্নাদেৱী বন্দী কৈনু ভ্ৰমে।।

আন এঠাইত, চন্দধৰ নাম মোৰ হই শূদ্ৰজাতি।
ভৰদ্বাজ গোত্ৰ গন্ধ বনিক উৎপত্তি।।

ৰাজবংশাৱলী মতে মহাপদ্মানন্দৰ বীৰত্বত তিষ্ঠিব নোৱাৰি ক্ষত্ৰিয় বিলাকে কৰতোৱা পাৰ হৈ কমতাপুৰ কামৰূপ আদিত বসবাস কৰি ক্ষত্ৰিয় নামৰ পৰিৰ্বৰ্তে ৰাজবংশী নাম ধাৰণ কৰি বসতি কৰিবলৈ লয় আৰু বহু ঐতিহাসিক পণ্ডিতে এওঁলোকক কুবাচ বুলি কৈছে। ব্ৰাহ্মনবিলাকে কৰা বৰ্ণাশ্ৰম মতে এওঁলোক শূদ্ৰ আৰু "জল-অচল" অৰ্থাৎ বৰ্ণ হিন্দুয়ে এওঁলোকৰ হাতে পানী নাখায়। কিন্তু পৰিস্থিতিৰ বাধ্যবাধকতাত আৰ্য ঋষি গোত্ৰীয় কৰি ৰাখিছে।

পঞ্চানন বৰ্মা আছিল কোচ ৰাজবংশীসকলৰ নেতা। তেওঁ হাইকোৰ্টৰ এজন ডাঙৰ এডভোকেট। তেওঁ ৰাজবংশী হোৱা বাবে সমাজত 'জল-অচল'। তেওঁক বিয়া-বাৰুত মাতিলে বৰ্ণ হিন্দুযে একে শাৰীত বহি নাখায়। বেলেগ ঘৰত মাতি নি খাবলৈ দিয়ে। তাৰ পিচত তেওঁ এটা আন্দোলন আৰম্ভ কৰিলে ক্ষত্ৰিয় হোৱাৰ আন্দোলন। ডাঙৰ আন্দোলন হ'ল। কোচবিহাৰ, ৰংপুৰ, জলপাইগুৰি, গোৱালপাৰা জিলাত আন্দোলন তীব্ৰ হৈ পৰিল। বেনাৰসৰ পৰা শাস্ত্ৰ কিতাপ পত্ৰ আনি প্ৰমান কৰা হ'ল কোচৰাজবংশীসকল আচলতে ক্ষত্ৰিয়। পৰশুৰামৰ ভয়ত পূৰ্বপুৰুষে উপবীত লুকাই পেলালে। পণ্ডিত সমাজে বিচাৰ বিবেচনা কৰি তলত উল্লেখ কৰা মতে ব্যৱস্থা দিলে।

(প্রতিলিপি)

ব্যৱস্থা পাত্র ঃ-

**কমতা বিহাৰ অর্থাৎ কুচবিহাৰেৰ
অধিবাসী পণ্ডিতগণেৰ মত। (বাঙ্গানুবাদ)
শূদ্রভাবাপন্ন ৰাজবংশীগনেৰ ক্ষত্রিয়ত্বই বটে,
অনাচৰনীয়ত্ব বা অন্ত্যজত্ব নহে।**

সেই ক্ষত্রিয় জাতিগুলি পৌণ্ড্রাদি দেশগত। পৌণ্ড্রক ওড্র, দ্রাবিড় কম্বোজ, জবম, শক, পাৰদ, পহলব, চীন, কিৰাত, দৰদ যশ- মনুকথিত এইগুলি ক্ষত্রিয় জাতিৰ যাহাৰ ম্লেচ্ছদেশ গিযাছিল এবং ম্লেচ্ছাচাৰ বিশিষ্ট হইযাছিল-তাহাৰা ম্লেচ্ছতা প্রাপ্ত হইযাছে।

অপৰগুলি শূদ্রভাবপন্ন ক্ষত্রিয বলিযেই মানিতে হইবে। কামৰূপেৰ অন্তর্গত কৰতোৱা নদীৰ পূর্ব্বৰতী দেশই পৌণ্ড্র দেশ।

তিথিতত্ত্বে উল্লেখিত মন্ত্রে পাওযা যায ঃ-

হে কৰতোযে, হে সদানীৰে, হে সুবিশ্রুতে, সৰিৎশ্রেষ্ঠে। তুমি নিত্যই পৌণ্ড্রদেশ প্লাবন কৰিতেছ- হে কৰোদ্ভবে পাপ হৰণ কৰো।

অত এব, তাদৃশ ক্ষত্রিযগনেৰ ৰাজবংশী বলিযা চিৰন্তন প্রসিদ্ধিও সুসঙ্গত বটে। কাৰণ অমৰকোষে ৰাজশব্দেৰ অর্থ চন্দ্র ও ক্ষত্রিয উক্ত আছে -যথা "ৰাজা মৃগাঙ্গে ক্ষত্রিযেপিচ" ৰাজশব্দ বাচ্য ক্ষত্রিযেৰ বংশ বলিযা শূদ্রভাৱাপন্ন ৰাজবংশীগনেৰ ক্ষত্রিয বংশ্যতা পাওযা যাইতেছে। "ৰাজবীজীৰাজবংশ্যেষ্ট' অমৰ কোষেৰ এই বচন দ্বাৰা ক্ষত্রিয বংশধৰ গনেৰ ৰাজবংশ নাম পাওযা যায।

যোগার্থ এই ঃ- ৰাজাৰ অর্থাৎ ক্ষত্রিযেৰ বংশ- ৰাজবংশ। ৰাজবংশ ইহাৰ আছে- এই অর্থে- ইন্ প্রত্যয কৰিযা ৰাজবংশী পদ সিদ্ধ। যদিও অমৰকোষে ৰাজবংশ্য এই দুই শব্দৰ অর্থ একই সুতৰাং কোন বিশেষ নাই। সুতৰাং কামৰূপেৰ অন্তর্গত কৰতোযা নদীৰ পূর্ব্ব পৌণ্ড্রদেশবাসী ভাৱাপন্ন ৰাজবংশীগনেৰ ক্ষত্রিযত্ব সিদ্ধ হৈইল। ক্ষত্রিয বলিযাই তাহাদেৰ চিৰন্তন ব্যবহার্য্যতা প্রসিদ্ধ। তাহাতে কোনো বাধা নাই। সন্দেহ কৰবাৰ অবসৰ নাই। ইহাই বিদ্বদ্‌গনেৰ পৰামর্শ।

ইতি- ১৩১৭ সাল। তাং ২৫ কার্ত্তিক।

মহামহাধ্যাপক

শ্ৰী সিদ্ধিনাথ বিদ্যাবাগীশ।	শ্ৰী ভানুনাথ বিদ্যাৰত্ন
শ্ৰী মোদনাথ স্মৃতিৰত্ন।	শ্ৰীবম্ভোলানাথ বিদ্যাবাগীশ
শ্ৰী বানীনাথ ন্যায় পঞ্চানন	শ্ৰী ৰামশঙ্কৰ তৰ্কৰত্ন
শ্ৰী হিৰণ্যনাথ শিৰোৰত্ন	শ্ৰীভৱশঙ্কৰ শ্ৰুতিৰত্ন

("ক্ষত্ৰিয় সমিতিৰ ব্যৱস্থা পত্ৰ। সম্পাদক শ্ৰীপঞ্চানন বৰ্মা, ৰংপুৰ)

উক্ত ধৰণে কামৰূপ, কলিকতা, নৱদ্বীপ ও বিক্ৰমপুৰ, কাশীধাম আদিৰ পণ্ডিতসকলৰ ব্যৱস্থা পত্ৰ মতে ১৩১৯ সালেৰ ২৭ মাঘ তাৰিখে কৰতোৱা নদীৰ পাৰত দেবীগঞ্জত অসংখ্য ৰাজবংশী মানুহে মস্তক কেশ মুণ্ডন কৰি উপবীত গ্ৰহন কৰি দ্বিজত প্ৰাপ্ত হয়। কিন্তু কাৰ্য্যক্ষেত্ৰত 'জল-অচল' থাকিল।

ক্ষত্ৰিয় হোৱাৰ পিছত কাকা কালেলকাৰ আযোগ গঠন হ'ল। অনুসূচীত জাতি, জনজাতি, অনাৰ্য্য পিছপৰা জাতি আদিৰ শ্ৰেণীবিন্যাস কৰিবৰ বাবে। তেওঁ আহি দেখিলে কোচবিহাৰ অঞ্চলৰ ৰাজবংশীসকল 'জল-অচল'। তেওঁলোকৰ হতুৱাই বৰ্ণ হিন্দুই পানী নাখায। সেইহেতু কালেলকাৰ চাহাবে তেওঁলোকক অনুসূচীত জাতিৰ তালিকাভূক্ত কৰিলে।

যেতিয়া ৰাজবংশীসকল ক্ষত্ৰিয় হয তেতিয়া দেশ স্বাধীন হোৱা নাছিল। স্বাধীনতাৰ পিছত কাকা কালেলকাৰ আযোগ গঠন হোৱাৰ পিছত ৰাজনৈতিক অৰ্থনৈতিক সুবিধা দিযাৰ কথা আহিল- কোচবিহাৰ আদি ঠাইত ৰাজবংশীসকলৰ দাবীমতে সুৰক্ষাৰ সুবিধা লাভ কৰে। কিন্তু অসমৰ ৰাজবংশী সম্প্ৰদাযৰ আত্মাভিমানী নেতা সকলৰ কাৰণে অসমত তালিকাভূক্ত নহ'ল।

কোচৰাজবংশী সকল পশ্চিমবঙ্গত অনসূচীত জাতি, মেঘালয়ত, অনুসূচীত জনজাতি, ত্ৰিপুৰাত অনুসূচিত আৰু অসমত অন্যান্য পিচপৰা জাতি। শৰৎচন্দ্ৰ সিংহ চৰকাৰৰ আমোলত অনুসূচীত জনজাতি নিগম, অ, বি,' চি, নিগম গঠন কৰি দিছিল। এযা কৰা হৈচিল যাতে নিগমক দিযা ধন সম্পূৰ্ণৰূপে সেই শ্ৰেনীগোষ্ঠীৰ লোকসকলে ব্যৱহাৰ কৰি আৰ্থিক উন্নতি সাধন কৰিব পাৰে। পৰৱৰ্ত্তী কালত ই ব্যৰ্থতাত পৰ্য্যবসিত হ'ল।

দেশ স্বাধীন হোৱাৰ সময়ত কোচ ৰাজবংশীসকলৰ মূল বসতিস্থল কমতাবিহাৰ ৰাজ্য তিনিটা প্ৰধান ভাগত বিভক্ত হ'ল। অসম, পূব পাকিস্তান (অধুনা বাংলাদেশ) আৰু পশ্চিমবঙ্গ পৰিনতিত জনবল মনবল হ্ৰাস হৈ নিস্তেজ হৈ পৰিল।

১৯১৩ চনত প্রতিষ্ঠিত “সদৌ অসম কোচ ৰাজবংশী সন্মিলনীয়ে যোৱা ১৯৬৭ চনৰ পৰা সাংবিধানিক আৰক্ষন পাবলৈ অনুসূচীত জনজাতিৰ মৰ্য্যাদা আদায় কৰিবলৈ আন্দেলন চলাই থকাৰ পৰিনতিত যোৱা ১৯৯৬ চনত ৰাষ্ট্ৰপতিয়ে অধ্যাদেশ জাৰিকৰি কেইমাহৰ কাৰণে এচ, চি, ভুক্ত কৰে যদিও লোকসভাত বিল পাছ নোহোৱাত অনুসূচীত জনজাতিকৰণ বাতিল হৈ যায়। এতিযাও এই আন্দেলন চলি আছে যদিও পৰিনাম কি হয তাক সময়েহে কব পাৰিব।

এই জনগোষ্ঠীৰ অধিকাংশ মানুহ আৰ্থিক, শৈক্ষিক দিশত পিচপৰা। এওলোকে ব্ৰাম্হন্য ধৰ্ম মানি চলে যদিও স্বকীয় কিছু কৃষ্টি-সংস্কৃতি আৰু পৰম্পৰা আজিও মানি চলে। পাহাৰ জংগলত মুগী, হৰিণ আদি মাৰিবলৈ দলবদ্ধ হৈ ধনু তীৰ লৈ চিকাৰ কৰে। নাঁও ভুৰা আদি লৈ মাছমাৰা, চাক, জাল, ঝকা, ঝাকৰা আদি লৈ দুই চাৰিজনে মিলি বা বহুজন একেলগে মিলিত হৈ মাছধৰা, হাবি বনত খৰি লুৰা আদি।

বিসুৱা পালন, কাতি গাছা দিয়া, আকাশ বাতি জ্বলোৱা, মাঘ সংক্ৰান্তিক ৰাতি গাধোৱা আৰু দৈ-চিৰা-পিঠা খোৱা, বাঁশ পূজা, সোনৰায পূজা, সুবচা। পূজা, হুদুম পূজা, বিষহৰি পূজা, মাৰৈ পূজা, মাসাং পূজা, জকা পূজা ইত্যাদি। বুকত কাপোৰ (পাটানী) পিন্ধা, শিশু পুত্ৰ কন্যাক বোকোচাত লোৱা এই বিলাকেই পৰম্পৰাগত ৰীতি-নীতি।

এওঁলোকৰ সাজ পোছাক বা কিছুমান ব্যৱহাৰ কৰা কাপোৰৰ ভিতৰত (১) আওঁছা, (২) ফতুৱা, (৩) গামছা, (৪) টোপৰ মাৰা, (৫) বোকালী (৬) কালী, (৭) পাটানী, (৮) বিয়াৰ কালী, (৯) ব্যৱহাৰিক দালী, (১০) কাতা বা পাচাৰা, (১১) দোপাটী (লবন গাঠি) (১২) তেল ধৰা কাপোৰ, (১৩) সৈতুলা কাপোৰ ইত্যাদি।

অলঙ্কাৰ পাতি - কানত ফুলকৰী, কদমসোনা, গোটামাথাৰি, সৰুমাথাৰি, খিৰন, অন্তি কানেৰ বালি।

কপালত ঃ- টিকলি, সীতাপাটি

নাকত ঃ- নথ, নলো, নাকফুল, কালাই নাকফুল।

ডিঙিত ঃ- চন্দ্ৰহাৰ, তিনসূতী চন্দ্ৰহাৰ, হাসা, পেউচী, বিস্কুট হাৰ, কড়ি হাৰ।

হাতত ঃ- গোট খাৰু, মোটাগাৰু, শাখা, বাজু, কাতিলা, পালিসপাতা, ছতি, আংঠি।

ককালত ঃ- ৰেট্

ভৰিত ঃ- বাঘখাৰু, ঝুৰি খাৰু, কালাইখাৰু, চেলনা, নেপুৰ।

উল্লেখিত কৃষ্টি-সংস্কৃতি ৰীতি-নীতি আৰু পাৰম্পৰিক ঐতিহ্যবোৰে আঙুলিযাই দিযে যে কাষৰীয়া বডো কছাৰী বা ৰাভা বা গাৰো জনগোষ্ঠীৰ সৈতে মূলগত ভাৱে ৰাজবংশী সকলৰ নিবিড় সম্বন্ধ আছে। গতিকে সাংবিধানিভাৱে অনুসূচীত জনজাতিৰ তালিকাভুক্ত হোৱাৰ যুক্তিযুক্ততা নিশ্চযকৈ ৰাজবংশীসকলৰ আছে। ৰাজবংশী ভাষাটোৱে এদিনাখন ৰাষ্ট্ৰভাষাৰ মৰ্য্যাদা লাভ কৰা বুলি জনা যায। চাৰ জৰ্জ্জ এব্ৰাহাম গ্ৰীৰ্যাচন চাহাবে কৈছে- "ঢাকাৰ পৰা পূবে ব্ৰহ্মপুত্ৰ নদপাৰ হৈ আহিলে- আমি বিশিষ্টতাপূৰ্ণ অন্য এটা ভাষা পাঁও, এই ভাষা ৰংপুৰ, উত্তৰ পূৰ্বত থকা জলপাইগুৰি, কোচবিহাৰ গোৱালপাৰা জিলাৰ ভাষা। এই ভাষাৰ নাম ৰাজবংশী ভাষা। একালত কোচ সাম্ৰাজ্যত ইযে ৰাষ্ট্ৰভাষা যে আছিল তাৰ প্ৰমান কমতাৰ সাহিত্যৰাজীযে

১৯৯৩ চনৰ ১৯ নবেম্বৰ তাৰিখত অগ্ৰদুত বাতৰিকাকতত একাডেমী বঁটা বিজযী মেদিনী চৌধুৰী মহাশযে কৈছে "ৰাজবংশী বিলাকৰ কথিত ভাষাই বিভিন্ন সমযত পৰিবৰ্ত্তনৰ মাজেদি আহি এই অসমীযা ভাষাৰ ৰূপ লয।

যামিনী কুমাৰ বৰুৱাদেবে কৈছে- "ৰাজবংশী ভাষাটো প্ৰাচীন অসমীযা ভাষাৰ পিতৃভাষা" ভাৰতবৰ্ষৰ উত্তৰ পুব ভূভাগত থকা মৰ্য্যাদাপূৰ্ণ বিশাল ৰাজবংশী জাতিধাৰা জাত্যাভিমানী সকলৰ কূটকৌশলৰ আৰ্বতত পৰি আজি স্বকীয পৰিচয চ্যুত হৈ আলাই আথানিত নিমজ্জিত হৈছে।এই আৰ্বতৰ পৰা উত্তৰণ ঘটাবলগাহ'লে প্ৰথমতে এখন গবেষনালব্ধ ইতিহাস অতি প্ৰযোজন। এই দায়িত্ব কাৰ? এই প্ৰশ্ন প্ৰতিজন ৰাজবংশীৰ মনত জাগৰূক হ'ক - আজি এয়া যুগৰ দাবী।

প্ৰসঙ্গ পুথি সমূহ ঃ-

(১) পদ্মা পুৰাণ

(২) দৰং ৰাজবংশাৱলী

(৩) যোগিনী তন্ত্ৰ

(৪) হৰিভক্তি তৰঙ্গ দুৰ্গাদাস মজুমদাৰ।

(৫) অসম বুৰঞ্জী হৰকান্ত বৰুৱা সদৰামিন।

(৬) অসম বুৰঞ্জী   চাৰ এডৰ্ৱাড গেইট

(৭) প্ৰবন্ধাৱলী -

(ক) যামিনী কুমাৰ বৰুৱা

(খ) মেদিনী চৌধুৰী

(গ) কাকা কালেলকাৰ

(ঘ) পঞ্চানন বৰ্মা

(ঙ) শৰৎ চন্দ্ৰ সিংহ

(চ) অম্বিকা চৰণ চৌধুৰী

(ছ) গুনাভিৰাম বৰুৱা

(জ) চাৰ জৰ্জ আব্ৰাহাম গ্ৰিয়াৰ্চন।

(ঝ) আবুল কালাম।

—ঃ O ঃ—

শিক্ষক এডাল মমৰ দৰে যি নিজে জ্বলি আমাক পোহৰ দিয়ে।

- ছক্ৰেটিচ।

কইনা ধুৱানী-

"স্ত্ৰীনাং আদ্য ঋতু"

শ্ৰী মনতোষ চক্ৰৱৰ্ত্তী

গাঁও- গৌৰাংটাৰী

আমাৰ গোৱালপাৰীয়া গাৱলীযা সমাজত আপিৰ[১] আদ্যঋতু স্নান মোচাক পৰম্পৰাগতভাৱে ধুৱানী শব্দটাকে ব্যৱহাৰ কৰা হয। বৈদিক শাস্ত্ৰত স্ত্ৰীনাং আদ্যঋতু স্নান হিচাবে উল্লেখ কৰা হৈছে। এই আদ্য ঋতু স্নান বৈদিক শাস্ত্ৰত উল্লেখ কৰা একটা শাস্ত্ৰীয় বিধান। এই আদ্য ঋতু আৰম্ভ হোৱাৰ সময়ত গ্ৰহ-নক্ষত্ৰৰ অৱস্থিতি তিথি, নক্ষত্ৰ, বাৰ, মাস আৰ সময গননা কৰিযা আপিটাৰ[১] ভবিষ্যত জীৱনে শুভাশুভ যোগ নিৰ্ণয কৰিয়া লোৱা হয়। মুলতঃ এই বিধি ব্যৱস্থাকে গৰ্ভধানাদি সংস্কাৰ প্ৰকৰণ হিচাবে মানা হয। শাস্ত্ৰত উল্লেখ কৰা হৈছে

"প্ৰাক পুস্পিতা যদা নাৰী দৈৱজ্ঞ সবতীৰ্ন কম।
কৃত্বা শুভা শুভভং তস্যাঃ জ্ঞাপয়েৎ স্নাদৰেনতু।।
পুস্পিতা যদ্দিনে ভুত্বা ঋাখঞ্চ তদ্দিনস্যাচ।
গনযেৎ কৃত্তি কাদৌ চ যতিষ্ঠতি সযোগতঃ।।"

এই সম্পৰ্কে শাস্ত্ৰত প্ৰথম পুস্পিতা[২] হোৱা আপিৰ যোগ গননাৰ বহুতো বিধান উল্লেখ কৰিছে। পুস্পিতা আৰম্ভ হোৱাৰ সমযত তিথি, গ্ৰহ নক্ষত্ৰ, বাৰ, মাস, ইত্যাদি গননাত বাইৰ কৰিয়া নেওয়া যায়। কিন্তু গননাকাৰীৰ গননা সঠিক হবা লাগিব। গননাত অশুভ অৰ্থাৎ বেয়া কিবা উঠিলে তাৰ প্ৰতিকাৰেৰ ব্যৱস্থাও শাস্ত্ৰত অতি সুন্দৰভাৱে উল্লেখ কৰা হৈছে। আমাৰ গাঁৱলীয়া সমাজত যথা সম্ভৱ শাস্ত্ৰত উল্লেখ কৰা মতে আৰ সমাজত পৰম্পৰাৰে অতি নৈষ্ঠিক ভাৱে আৰ মহা পয়োভৰেৰে আজি পৰ্য্যন্ত এই অনুষ্ঠান মানিয়া চলা পৰিলক্ষিত হয়। এই অনুষ্ঠান এক পক্ষীয়

ভাৱে সম্পূৰ্ণ ৰূপে স্ত্ৰী অনুষ্ঠান। যুগ সম্পৰ্কে শাস্ত্ৰত উল্লেখ কৰা মতে সাতাইশটা নক্ষত্ৰৰ ওপৰত নিৰূপক্ষ কৰিয়া গননা কৰা হয। গননা কৰা আপিক কন্যা বুলিয়া কোৱা হয়। আদ্য ঋতু হোৱা সময়ৰ পাৰায আপিটাৰ কন্যাকাল আৰম্ভ হ্য। আৰ আপিটাক কন্যা বা আৰো বিভিন্ন নামেৰে যথা পুষ্পিতা, ঋতুমতী, ৰজঃস্বলা, ৰজমতি, ঋতুময, ঋতুশ্ৰাব আৰ আমাৰ গাঁৱলীয়া ভাষাত 'বড' হৈছে বুলিয়া কোৱা হয। এই কন্যা সাত প্ৰকাৰৰ হয বুলিয়া শাস্ত্ৰত উল্লেখ কৰিছে। এই সাত প্ৰকাৰৰ ভিতৰত তিনটা ভাল আৰ বাকি কয়টাক বেযা বা অশুভ বুলিযা উল্লেখ কৰিছে। গোটায দিনটাক চাৰিটা ভাগত ভাগ কৰিয়া এই কন্যা গুলানক চাৰিটা নাম দেওযা হয। যাক যোগ বুলিযা কোৱা হয। দিনেৰ চাৰিভাগ হিচাবে যোগ চাৰিটা হয। গননাত উঠা যোগ হিচাবে কন্যাৰ ভবিষ্যৎ কি ধৰণেৰ হব জানা যায। যোগ কযটাৰ মূল অৰ্থ ভালেই যেমন (ক) হস্তিনী-মদগন্ধা (হাতৰ বিদ্যাত সুনিপুন) (খ) পদ্মিনী পদ্ম গন্ধা (পদ্ম ফুলেৰ মত শুভ্ৰ, নিৰ্ম্মল) (গ) চিত্ৰিনী, পুস্পগন্ধা (চিত্ৰ বিদ্যাত পাৰদৰ্শিনী) (ঘ) শঙ্খিনী, ক্ষাৰ গন্ধা কিন্তু গাঁওত, পৰম্পাৰা মতে উল্লেখিত চাৰিটা যুগেৰে ভুল ব্যাখ্যা কৰা দেখা যায। যেমন হস্তিনীৰ ব্যাখ্যা কৰা হয ধ্বংশকাৰী আপী হব বুলিযা। চিত্ৰিনী আপিযে সব কথাতে চিন্তা কৰিযা থাকিব। শঙ্খিনী আপি, সব কথাতে কাজিযা পেচাল কৰিব বুলিযা, পদ্মিনী আপি অতি নৰম অন্তৰৰ হয বুলিযা।

আৰো কিছু পৰম্পৰা মতে আদ্য ঋতুস্মতি কন্যাৰ দেহাটা অশুচি (চুযা) বুলিযা কোনো প্ৰবিত্ৰ বস্তু বা জিনিস লাৰিবা[৩] বা দেখিবা দেওযা নহয। যাৰ জন্যে ঋতুস্মতি কন্যাক বন্ধ ঘৰত বা ঘৰেৰ একটা কোঠাত বন্ধ কৰিযা ৰাখা হয। এমন কি এই দুই তিনিদিন যাতে আপিটাৰ গাৱত[৪] সূৰ্য দেৱতাৰ পোহৰ পৰিযা সূৰ্য দেৱতাও যাতে অশুচি বা চুৱা নহয। বাৰী বিশেষে ঐ ধৰণেৰ ব্যৱস্থাও লওযা হয। কাৰণ হিন্দু ধৰ্মত সূৰ্যক অতি প্ৰবিত্ৰ গ্ৰহ দেৱতা হিচাবে মান্য কৰা হয। জুঁই, পানী, আযনা অন্যৰ কাপোৰ কানিও লাৰিবা দেওযা নহয। অন্ন যিহেতু লক্ষ্মী দেৱীৰ সেই জন্য ভাতও খাবাৰো দেওযা নহয। আপিটাক এই দুইদিন খাদ্য হিচাবে সাবুদানা, ফল পাকৰ আৰ পানী খাবাৰ দেওযা হয। গাঁওৰ পৰম্পৰাগত ভাৱে চলিয়া থাকা কঠোৰ নিযম-নীতিৰে দুইদিন আপিটাক বন্ধ ঘৰত ৰাখাৰ পাছত তৃতীয় দিনত অভিজ্ঞ জনেৰ দেওযা বিধান মতে বিভিন্ন ধৰণৰ গাছেৰে ফুল পাত আদিৰে মিশল কৰা পানী দিযা গাৱ ধুইযা দেওযা হয়। গাৱ ধুইয়া পাছত লালপাৰী শাৰী আৰু লাল ব্লাউজ পিন্ধিব আৰ উৰিবা দেওযা হয। পৰম্পৰামতে সেইজন বোৱাৰীযে বা অকুমাৰী[৫] আপিযে গাৱ ধুইযা দেওযাৰ দাযিত্ব লয সেই বোৱাৰী জনকে বা অকুমাৰী আপিকে কন্যাৰ

পোষাক পাতি দিব লাগে। গাৰ ধুৱাৰ পাছত শাস্ত্ৰীয় বিধান মতে সূৰ্য্য দেৱতাৰ অৰ্ঘ্য দেওয়া হয। অৰ্ঘ্য দেওযা তিনিটা প্ৰকাৰৰ বিধান আছে। যেমন ১০৮ টা ৫০ টা আৰ ৩০ টা (অৰ্থাৎ গননাত আপিটাৰ যোগত উঠা মতে উল্লেখ কৰা যে কোনো একটা দিয়া অৰ্ঘ্য দেওযা হয়। অৰ্ঘ্য দেওয়াৰ পাছত চোতালত একডাল কলগাছা গাৰিয়া পিঠালিৰ আইলন[৬], দুনি, চালাণ্ডি, চাটি জ্বলেয়া দিয়া, বিযাৰ থলি সাজেয়া-পৰেযা আপিটাক শাখা পিন্ধিযা আৰ কপালত একটা সেন্দুৰৰ ফোটা দিয়া সূৰ্য্য, অগ্নি-আৰ উপস্থিত থাকা সগাকে[৭] সাক্ষী কৰিয়া কন্যা জনক কল গছ ডালেৰ লগত বিয়া দেওযা হয। আগেৰ দিনত ঐ সময়তে কন্যাৰ বিয়া দেওয়াৰ নিয়ম আছিল যদিও বঙ্গৰ বিখ্যাত আইন সংস্কাৰ আইনৰ মুখিয়াল 'ৰাজাৰামমোহন ৰায়ৰ' আন্দোলনত সতীদাহ প্ৰথা, বাল্য বিবাহ প্ৰথা আদি বৃটিশ চৰকাৰে আইন পাশ কৰিয়া বন্ধ কৰিয়া দেয। আৰ সেলাৰ থাকিযা সমাজে কন্যাৰ লগত কল গছেৰ বিয়া দেওযাৰ নিযম প্ৰচলিত কৰে বুলিযা জানা যায। আমাৰ এই পুৰুষ প্ৰধান সমাজেৰ ৰীতি-নীতি মতে কন্যাক ওৰ স্বামীৰ বাৰীত নিযা যায় আৰ আজি কালি যোগত উঠা অশুভ দিন কয়টা শেষ নাপাওযা পৰ্য্যন্ত বা কয়ে দিনেৰ জন্য নিজেৰ বাৰীত নিয়া ৰাখিয়া পাছত বাপ মাযেৰ বাৰীত আনিযা থযা যায। অশুভ দিন কযটাত কন্যাক হাবিস ভাত খুওৱা হয়। এই সামাজিক পৰম্পৰা গাঁও অঞ্চলত আজি পৰ্য্যন্ত মানিয়া থাকা দেখা যায। এই বিযাৰ অনুষ্ঠান অতি জাক জমকতাৰে মানিযা চলা হয। সম্পূৰ্ণ অনুষ্ঠান খিনিযে যেহেতু নাৰী কেন্দ্ৰিক, গতিকে নাৰীযে এই অনুষ্ঠানেৰ আগ ভাগ লয়।

বিযাৰ পাছত বাপ মাওৰ আৰু পূজনীয সকলে চাটিৰ পোহৰ ধান দুৰ্ব্বা দিযা কন্যাক আশীৰ্ব্বাদ দিযা যৌতুক দেয। কন্যা ধুৱানিৰ সময আৰু বিয়াৰ সময ধুৱানী গীত আৰ বিযাৰ গীত গাৱাৰো প্ৰচলন আছে।

(১)

নাতি বোলে আবো আবো

চিৰা দেৰে খাং,

আতা গেছে গোৱালপাৰা

খবৰ লবা যাং।

(২)

নাতিনী বোলে আবো আবো

চিৰা দেৰে খাং,

আতা আন্‌ছে লাল শাৰী

খানিক পিন্ধিয়া চাং।

(৩)

গাৱ ধুইয়া মাওকে খুজিলি

কি কাপুৰ পিন্ধুং ৰে মুই

সূতা বুনা নালাগে

মুগা বুনা নালাগে

গোৱালপাৰীয়া শাৰীকে লাগে।

এই ধুৱানি অনুষ্ঠানত সহযোগিতা কৰাৰ জন্য আৰ বিয়াৰ ভোজ খাওয়াৰ জন্যে মাত্র আপিখানকে নিমন্ত্রন কৰা হয়। আপিৰ মানত যিহেতু আপা মানসি দেৱতুল্য, গতিকে চুৱা লগা অপবিত্র বাৰীত আপা মানসিক নিমন্ত্রন দেওয়া নহয়। এই নিমন্ত্রন দেওয়াৰ বিশেষত্ব হইল কাটা পানগুৱা আৰ লগত একটুকৰা আদা দেওয়া। এইটাও একটা পৰম্পৰা। প্রথম ৰক্তঃস্বলা হোৱা কন্যায ব্রতৰ দিন কযটাত পালন কৰিব লগা নিয়মৰ উপৰতো শাস্ত্ৰৰ বিধি বিধান আৰ পৰম্পৰা মতে আৰো কিছু কঠোৰ বিধান মানিয়া চলিবা লাগে। যেমন চকুত অঞ্জন (কাজল) লাগাব নাপায়। অঞ্জন লগাইলে কানা ছাৱাৰ[৮] জন্ম হয়। নখ কাটিলে চকুটেৰা, দাঁত ঘসিলে কুষ্ঠ ৰোগী ছাৱাৰ, সাবোন বা খাৰ গাঁওত ঘসিলে মদপি ছাৱাৰ জন্ম হয়। কন্যাক গুৱা-পান, মৌ খাবা দেওযা নহয়, তুলসী গছ লাৰিবা দেওয়া নহয়। পাক ঘৰত সমাব দেওয়া নহয। কন্যাৰ অশুভ যোগ হৈলে বাপ-মাৱে বৰ দুঃশ্চিন্তাত পৰে, চকুৰ ঘুম নোহোৱা হয়। কন্যাৰ অশুভ যোগ হৈলে আপিটাৰ ভবিষ্যৎ জীৱন খুব দুঃখ আৰো কষ্টৰ জীৱন হব বুলিয়া বিশ্বাস কৰে। যোগত উঠা মতে অশুভ দোষ খণ্ডনেৰ জন্য (দোষ কাটাবাৰ জন্য) যতই কষ্ট সাধ্য নহওক কেনে আপিটাৰ ভবিষ্যৎ জীৱন যাতে সুখেৰ হয় শান্তিৰ হয়; নিখুত সুসন্তানেৰ মাও হয় তাৰ জন্য শাস্ত্ৰীয় সন্মতবাৱে গ্রহ পূজা দান দক্ষিনা আদি কৰে। এই ঐতিহ্য মণ্ডিত পৰম্পৰা আজি পৰ্য্যন্ত এই অঞ্চলৰ গ্রাম্য জীৱনত কঠোৰ ভাৱে মানিয়া চলিয়া আছে।

লেখাত কিবা ভুল ভ্ৰান্তি থাকিলে বিজ্ঞ জনেৰ ওচৰত ক্ষমা প্ৰাৰ্থনা খুজিয়া লইলুং।

শেষত, মোৰ সম্পৰ্কীয় নাতি ল'ৰা শ্ৰী সত্যজিৎ চক্ৰবৰ্তীয়ে শাস্ত্ৰত উল্লেখিত শ্লোকৰ তত্ত্বখিনি মোক বুজিয়া দেওয়াত সহায় কৰাত নাতি ভাইক মোৰ কৃতজ্ঞতা জনালুং।

টোকাঃ- [১]আপি . ছোৱালী। [২]পুষ্পিতা. প্ৰথম ঋতুমতী। [৩]লাৰা স্পৰ্শ কৰা। [৪]গাব শৰীৰ। [৫]অকুমাৰী ৰজঃস্বলা হোৱা নাই-তেনে বালিকা। [৬]আইলন আল্পনা। [৭]সগাকে . সকলোকে। [৮]ছাৱা. বালক বা বালিকা

- সম্পাদক।

—ঃ O ঃ—

> আমি যাক সৃষ্টি কৰিব নোৱাৰোঁ, তাক ধ্বংস কৰাৰ অধিকাৰ আমাৰ নাই।
>
> - গুৰু নানক।

আজিকা বালিক নাজাইমৰে ছাৰিয়া-

বাসৱী চক্ৰৱৰ্তী

বামুন পাৰা

'কেৱল বৰগীতেই নহয়, গোৱালপাৰীয়া লোকগীতৰো অধ্যয়ন আৰু গৱেষণা হোৱাটো উচিত। হাড়ে-হিমজুৰে গোৱালপাৰা অসমৰ অবিচ্ছেদ্য অঙ্গ। প্ৰচীন কালত আজিৰ গোৱালপাৰা জিলা অতিক্ৰম কৰি অসমৰ সীমা প্ৰসাৰিত হৈছিল। কেৱল লোকগীতেই নহয় গোৱালপাৰীয়া সংস্কৃতিৰো বিশেষ অধ্যয়ন আৰু গৱেষণা হোৱাটো উচিত। এই কাম অসম সাহিত্য সভাই কৰিব পাৰে।'

শালকোচাখন এই পুৰণি গোৱালপাৰা জিলাৰে এখন বৃহৎ গাঁও অঞ্চল। এই অঞ্চল খনিত বিভিন্ন সংস্কৃতি বিজড়িত হৈ আছে। ইয়াৰে শালকোচা শাখাসাহিত্য সভাই পুৰণি শালকোচাৰ অবয়বটো পিছৰ প্ৰজন্মলৈ উছৰ্গাৰ উদ্দেশ্যে এখন গ্ৰন্থ উলিওৱাৰ প্ৰযাস কৰিছে।

এই গ্ৰন্থখনিত উল্লেখ কৰিব বিচৰা হৈছে পুৰণি শালকোচাখন কেনেকুৱা আছিল। ইয়াৰ জনগাথনি, জনসাধাৰণৰ জীৱিকাৰ উপায, জীৱন ধাৰণৰ মান, কিমান জাতিৰ মানুহ বাস কৰিছিল, ইযাৰ কলা-সংস্কৃতি, ধৰ্মীয আচাৰ-অনুষ্ঠান, ঐতিহাসিক পটভূমি ইত্যাদি বিষযসমূহ বাচি লৈ একো একোজনক বিষযসমূহৰ ওপৰত লিখিবলৈ দাযিত্ব অৰ্পণ কৰিছিল। এই বৃহৎ কামটোৰ বাবে শালকোচা শাখা সভাৰ সহ সম্পাদিকা হোৱা হেতুকে এই অধমৰ ওপৰতো দায়িত্ব নেৰাকৈ নাথাকিল। সেযেহে দাযিত্বটো পালন কৰাৰ আগতে কলমৰ জোৰ নথকা লিখনিৰ বাবে সুধী পাঠক আৰু শালকোচা ৰাইজৰ ওচৰত মাৰ্জ্জনা বিচাৰিছো। বিভিন্ন বিষযসমূহৰ ভিতৰত ভাগত পৰিল অধুনা লুপ্তপায় পুৰণি শালকোচীযা বিযা আৰু বিযাগান। শালকোচা বুলি কলে ইয়াৰ বিভিন্ন জনগোষ্ঠীৰ মানুহৰ কথা মনলৈ আহে যেনে - ৰাজবংশী, বড়ো, গাৰো, ৰাভা, কৈবৰ্ত্ত, সুত্ৰধৰ ঋষি, যোগী, কলিতা, কাযস্থ, ব্ৰাহ্মণ আৰু মুছলমান ইত্যাদি। এই বিভিন্ন

জনগোষ্ঠীৰ মানুহ খিনিয়ে পুৰণি দিনৰে পৰাই বৰ মিলা-প্ৰীতিৰে বাস কৰি আহিছে। দেশৰ বিভিন্ন পৰিস্থিতিত বিভিন্ন সাম্প্ৰদায়িক হুলস্থুলৰ মাজতো কিন্তু শালকোচাই নিজৰ মিলা-প্ৰীতি অটুট ৰাখিছে। এইটো গাঁওখনিৰ বাবে এটা শুভ বৈশিষ্ট বুলিয়ে মই ভাৱো।

শালকোচা গাঁওখনত ৰাজবংশী মানুহৰ সংখ্যাই বেছি। আমি ব্ৰাহ্মণ আৰু ৰাজবংশী মানুহখিনি একেবাৰে ওচৰা-ওচৰিকৈ বাস কৰোঁ। গতিকে সকলো বিয়া সভা, ৰীতি-নীতি সমূহৰ যথেষ্ট মিল আছে। সেয়েহে আমাৰ মাজত প্ৰচলিত শালকোচাত গোৱা 'বিয়াগীত' কিছুমান সংগ্ৰহ আৰু ইয়াৰ সাৰংশখিনি লিপিবদ্ধ কৰাৰ মানসেৰে কিছু মানুহক লগ কৰিলো। বৰ্তমান আধুনিকতাই যিদৰে গা-কৰি উঠিছে আৰু এটা দশকৰ পিছৰ ল'ৰা-ছোৱালীয়ে হয়তো উমানকে নাপাব যে আমাৰো কিছুমান পুৰণি নিজস্ব বস্তু গীত-মাত আছিল।

[ওপৰৰ কথাখিনি অসম সাহিত্যসভাৰ ৩৯ তম ধুবুৰী অধিবেশনৰ সভাপতি অধ্যক্ষ হেম বৰুৱা দেৱৰ ভাষণ।]

সেযেহে গীত সমূহ সংগ্ৰহ কৰাৰ বাবে কেইবাখনো গাঁওৰ বিভিন্ন বযসীয়া মহিলাক লগ কৰি এটা পৰিবেশ গঢ়ি তুলি তেওঁলোকক গাবলৈ দি কিছু সংগ্ৰহ কৰা হ'ল। প্ৰথম অবস্থাত মহিলাসকলক গাব কলে তেওঁলোকৰ একো মনত নাই বুলি সিধা উত্তৰ। এতিয়া মোৰ অবস্থাটো চাওক কি কৰোঁ? এইখিনিতে মোৰ এই বিষয়তো 'নষ্টালজিক' হৈ যোৱা ভাবটো প্ৰকাশ নকৰি নোৱাৰিলো। সময়ৰ জোখাৰে ২০/২৫ বছৰ আগৰ কথা সেই কেৰ্ কেৰ্ শব্দটোলৈ বৰকৈ মনত পৰিল। আমি সৰু থাকোতে তেতিয়া আছিল শিলৰ আলিবাট (এতিয়া অৱশ্যে পকী হ'ল) তাত যেতিয়া বিয়া কৰাবলৈ দৰা লৈ যোৱা বা কইনা লৈ উভতি অহা ম'হৰ গাড়ীৰ চকাই ঘঁহনি খাইছিল তেতিয়াৰ সেই কেৰ্ কেৰ্ শব্দটো আৰু লগতে আয়তী (বৈৰাতী)ইঁতে জাউৰিয়ে জাউৰিযে গোৱা গীতবোৰ কাণত পৰাৰ সেই সময়লৈ মনটো গুচি গৈছিল। যিটো বস্তু অৱশ্যে আজি আৰু হেপাহ কৰিলেও শুনিবলৈ নাই। সেয়ে সৰুতে শুনা সেই গানৰ সেই দুই এক কলি মই নিজে বহি আৰম্ভ কৰি দিয়াৰ পিছত তেওঁলোকৰ ভিতৰত থকা গান খিনি ওলাই আহিল। সেই খিনিয়ে মই বুটলি লৈছো।

বিয়া বুলি কলে সমাজত পুৰুষ-নাৰীৰ স্বেচ্ছাচাৰী যৌন-মিলন ৰোধ কৰি সমাজখন শৃংখলাবদ্ধ কৰাৰ উদ্দেশ্যে সৰ্বপ্ৰথমে উদ্দালক ঋষিৰ পুত্ৰ শ্বেতকেতুৱেই হেনো ভাৰতীয় আৰ্য্য সমাজত পবিত্ৰ বিবাহৰ নিয়ম কৰি সমাজৰ চৰিত্ৰ গঠন প্ৰক্ৰিয়া সবল কৰে। এই বিবাহ কাৰ্য্য পবিত্ৰ বেদৰ মন্ত্ৰৰে হোম যজ্ঞৰ যোগেদি অগ্নিক সাক্ষী

কৰি ধৰ্মপত্নীক অৰ্ধাংগিনী ৰূপে স্বীকৃতি দিয়ে। সেয়েহে জীৱনে-মৰণে, দৰা-কইনাৰ সম্বন্ধ এৰাব নোৱাৰা হয়। আমাৰ বিবাহৰ দিনটো তিথি, নক্ষত্ৰ, দিন বাৰ মাহ লগতে দৰা-কইনাৰ ৰাহি-যোৰা চাই-চিতিহে স্থিৰ কৰা হয়। এই বিবাহত বহুত লৌকিক প্ৰথা জড়িত আছে। এই লৌকিক প্ৰথা সমূহৰ কিছু গান তলত উল্লেখ কৰা হ'ল।

বিয়াৰ বন্দবস্ত আৰম্ভনিৰ পৰা কইনা, দৰা চোৱাৰ পৰা ঠিক হোৱালৈকে যি গৰাকী ব্যক্তিয়ে মধ্যস্থতাকাৰী হিচাবে কৰিছিল শালকোচাত এই মানুহজনক ঘটক বা 'ভাটাইত' বুলি কৈছিল। ৰাহি-জোৰা চাই বিয়াৰ বন্দবস্ত কৰাৰ পিছত বিয়াৰ প্ৰতিশ্ৰুতিৰ চিন স্বৰূপে আৰু লগতে সামাজিক স্বীকৃতিৰ প্ৰতীক ৰূপে কইনাক আঙঠি পিন্ধোৱা হয। এই পৰ্ব্বটোক হেনো শালকোচাত আগতে 'যাত্ৰা চোৱা', 'টোপোলা থোৱা' বুলি কৈছিল। আজিকালি 'পাণচিনি' বুলি কয। এইখিনিতে এটা কথা উল্লেখ নকৰি নোৱাৰিলো আজি কালি আমাৰ এই সমাজত যিটো ব্যাধি সোমাইছে এইটোক ব্যাধি বুলিয়ে কব লাগিব কিয়নো ব্যাধিয়ে মানুহক যেনেদৰে শেষ কৰি পেলায় ঠিক তেনেধৰণে দৰাক পইচা দিয়া (দহেজ) নিযমটোৱে কইনাৰ মাক বাপেকৰ অৱস্থাও পানীত হাঁহ নচৰা অৱস্থা কৰি দিযে। এইষাৰ কথা উল্লেখ কৰাৰ অৰ্থ হ'ল আগতে হেনো এইখন সমাজতে কইনাক ওলোটাকৈ 'খালটি' ('গা-ধন' বা সোণ' অৰ্থাৎ ধান, টকা' ইত্যাদি) দিয়াৰ নিয়ম আছিল।

আনুষ্ঠানিকভাৱে বিয়াৰ কাম আৰম্ভ হয় দৰা কইনা দুযো ঘৰতে 'গন্ধতেল' কৰা পৰ্বৰে। পুৰণিকালত আজিকালিৰ দৰে সুগন্ধি তেল পোৱা নগৈছিল সেয়ে এইখিনি বস্তু ঘৰতে বনাই লোৱাৰ প্ৰথা আছিল সম্ভৱত এইটোৱে এই প ৰ্ব্বটো। এই প্ৰথাটো কিন্তু আজিও শালকোচাত চলিয়ে আছে। এনে লাগে যেনিবা এই গন্ধতেলৰ গন্ধটো নাপালে বিয়া ঘৰে নহয়।

[গন্ধতেলৰ উপকৰণখিনি হৈছে - সৰিযহৰ তেল, মেথি, মথা সন্ধাপোৰা, পাণ, চন্দন, তেজপাত, গোলাপফুলৰ পাহি ইত্যাদি।]

গন্ধতেল কৰোতে বিয়াগান গায় ঃ-

মেথিখিনি ৰুইলুং আই, মুই আধ বেৰ দিয়া
সেই মেথিৰ গন্ধ গেল মোৰ গোৱালপাৰা দিয়া।

ইয়াৰ পিছত বিয়াৰ আগদিনাখন তেল, সেন্দুৰ, গহনা, কাপোৰ আদিৰে কইনাক জোৰণ পিন্ধোৱা কাৰ্য্যটোক শালকোচাত 'ভাৰখোৱা' বুলি কোৱা হয়। এই ভাৰ খোৱা পৰ্ব্বটোত গহনা, কাপোৰ কানিৰ উপৰিও পুৰণি কালত হেনো সাত খন

ভাৰ লৈছিল যেনে - 'টোপাৰ ভাৰ', 'গন্ধতেলৰ ভাৰ' ইত্যাদি।

এই পৰ্ব্বটোতো বিয়াগান গায় -

(১) গৌৰাং নদীৰ কুলেৰে কুলে কিসেৰ বাইজন বাজেৰে,
সুন্দৰ ময়নাৰে।
বাইজনতো নাহয় ৰে বাবা বালিৰ জুৰণ আসেৰে,
সুন্দৰ ময়নাৰে।
দুধভাত খায়াৰে ময়না নিন্দভালা গেছেৰে,
সুন্দৰ ময়নাৰে।
সেন্দুৰ হিৰাৰে হিৰি চমকিল ময়নাৰ গাওৰে,
সুন্দৰ ময়নাৰে।

(২) কি শাৰী আনছেনৰে ভৈৰৱ চান বালি নাখায় মনেৰে
বালিৰ কমৰেৰ মেখেলা কৈ আনছেন বালি নাখায় মনেৰে।

(৩) বৰেৰ মাও জানিবি বাৰকা সোনা নানিবিৰে
ৰাৰকা সোনাদত্তেৰ ঘাই তাক কাটুং ঠাই ঠাই।

(৪) শাৰী আনিছুং বাকচে ভৰেয়া পিন্ধৰে ছাৱাল বালি মজিয়ায় বসিয়া,

শাখা আনিচুং কাগজে মেৰেয়া পিন্ধৰে ছাৱাল বালি মজিয়ায় বাসিয়া। আজিকা বালিক নাযাইমৰে ছাৰিয়া।

ভাৰখোৱাৰ দিনা নিশাৰ পৰাই দৰা-কইনায় এটা সংকল্প লয় এই পৰ্ব্বটোক 'অধিবাস' বুলি কয়। ইয়াত দৰা-কইনাক গন্ধতেল দিয়া হয়। অধিবাসৰ সময়ত বিয়া নাম গায় -

অধিবাস কৰেৰে বামুণ বাখলায় বাখলায় ছাৰে
ঘৰে আছে সুন্দৰী কইনা তাৰে মনত পৰেৰে বামুণ কান্দেৰে
ঘৰে আছে ময়নামতী তাৰে মনত পৰেৰে বামুন কান্দেৰ।

বিয়াৰ দিনা ধলপুৱাতে পানী তোলা হয়, শালকোচীয়া ভাষাত এইটোক 'ছুৰাপানী তোলা' বুলি কয়। এই সময়তো গায় -

দুৱাৰ মেলো মেলো মন্দিৰাৰে আই
উত্তম গঙ্গাৰে জল আনিছুং থবাৰ নাইপাং ঠাই।

বিয়াৰ দিনা দৰা-কইনাক মাহ হালধিৰে গা-ধুওৱা হয়। মাহ-হালধি দিয়াৰ আগতে 'নওৱা' হয়। এই সময়তো গোৱা হয় -

(১) চিতলেৰ নাউৱা বাৰী বহুদুৰ
হাটিতে নাপাৰে নাউৱা চৰণে নুপুৰ
যদি বাচা হাতে দুঃখ পায
যদি বাচা পাৱে দুঃখ পায়
পেট কাটিয়া নাউৱাৰ ঢোল সাজাইম
চকু কাটিয়া নাউৱাৰ প্ৰদীপ সাজাইম
নাউৱা চিতলৰে।

(২) আমেৰ গছত কাউৱাৰে
ভাল কৰিযা কামাও নাউৱাৰে।
কিছু 'খিচা গীতো' গায -

(৩) নাউৱাৰ তিৰিৰ ছাৱা নাই নাউৱা বসিয়া কান্দে
কচুবাৰীৰ ভোকোলা বেং নাউৱা বোকা বান্দে।

মাহ-হালধি দিয়াৰ সমযত গায - এইবোৰ গোৱাৰ সময়ত বিভিন্ন উপমা দি গোৱা হয়। যেনে- ৰাধা-ৰুক্মিণী, ৰাধা-কৃষ্ণ, ৰাম-সীতা, হৰ-গৌৰী, লক্ষ্মী-সৰস্বতী, উষা-অনিৰুদ্ধ আদি দেৱ দেৱীৰ দৰা-কইনাৰ লগত উপমা দিয়া হয -

(১) হলধি দগ মগ বাছাৰে মুখ ভৰিযা পৰে, বাছাৰে মুখ ভৰিযা পৰে
বাছাৰ ৰূপৰে
কুতি না গেলিৰে দযাৰ মাওৰে, আঞ্চলে মুছিয়া ৰাখ ৰূপৰে।

(২) ডাইন হাতে নাৰিকল বাওহাতে শ্ৰীফল
মস্তকে ঢালে গঙ্গাজল
এমন ভাগ্যৱতীৰ বেটিৰে
বৈৰাতী নাধৰে বাসৰৰে।

(৩) কইনা ঘৰেৰ পাছিলাতে হেলি পৰা নল,
কলসি কলসি ঢালে যমুনাৰে জল,
সীতা ৰাম সে ৰাম।

(৪) আমাৰ বাপু গাও ধুয মানাসেৰ পাৰত
চিকন কইনা পাইলি বাপু কপালেৰ জৰত।

ৰাম কান্দে লক্ষ্মণ কান্দে কান্দিবাকে পায
ডালত বসিয়া হনুমান কান্দে সীতাৰ বিলাপ গায়
সীতা ৰাম সে ৰাম।
ৰাম তোৰ ভাইয়া গেছে কত
ভাইযা গেছে মৃগ মাৰিবা দউকেৰপাৰত।

গা ধুই উঠাৰ পিচত আকৌ গায ঃ-

গাও ধুইযা উঠিলা আইকে পুছিলা কি কাপোৰ পিন্ধুং ৰে আই
ঘৰতে আছে মাছি মুৰীযা সেই কাপোৰ বাজাৰে নাই।

গা ধুই তুলি অনাৰ পিছত সোৱাগ তোলা হয় এই অনুষ্ঠানটিত গোৱা হয় ঃ-

(১) সউল মাছেৰ হিৰ হিৰি খৈলসা মাছেৰে টৌ
এত ৰাতি সোৱাগ তুলে ৰাধা কৃষ্ণেৰে বৌ।

আৰু গায ঃ-

(২) সোৱাগ তুলা কাপুৰ কানি মাকৰাৰে জাল
কায গঢাইছে কায় গঢাইছে? মুই গঢাইছুং হে'ঙা ৰাসত দিয়া
কুন বেটি দেখিযা নিন্দা কৰে ছৰেযা ভাঙাইম তাৰ গাল।

বিযা শব্দটো উচ্চাৰিত হ'লে সাধাৰণতে চকুৰ আগত ভাঁহি উঠে পদুলিত কলপুলি, তোৰণ, চোতালত ৰভা, বন্ধুবান্ধৱী, আত্মীয় স্বজনেৰে পৰিবেষ্টিত দৰা-কইনা-এক উদুলি-মুদুলি ব্যস্ত পৰিবেশ। সানাই বেনপাৰ্টি, উৰুলি (জোকাৰ), জাউৰীয়ে-জাউৰীযে বিযানাম কিযে এক উৎসৱ মুখৰ পৰিবেশ। দৰাকইনাৰ পক্ষেও নিজৰ নিজৰ জীৱনৰ এক গৌৰৱ অনুভৱ কৰাৰ চিৰস্মৰণীয় দিন।

বিযাৰ দিনা বন্ধু বান্ধৱীয়ে দৰা-কইনাক লেপন-অনুলেপনেৰে সজাই তোলতেও গায - দৰায ধুতি পিন্ধাৰ সময়ত গায -

ধুতি না পিন্ধৰে দামান
ধুতি ভালা সাজে
ধুতিৰ গৰে গৰে ভোমোৰা ডাকে।

দৰা বিয়া কৰাবলৈ ওলোৱাৰ সমযত গায় -

সাজো সাজো ৰে মণিৰাজ সাজো বালাৰ দেশেৰে,
সাজো বালাৰ দেশেৰে মণিৰাজ বৰ বাঘেৰ ভয়।
ভয় নাই ভয নাইৰে মণিৰাজ যোৰ বন্দুক দিয়া।

দৰা গৈ ৰভাৰ থলী পোৱাৰ পিছত কইনা বাহিৰ নকৰিলে আয়তীইঁতে গায়ঃ-

বাইৰাও ৰতন ছাযনাৰ তলে
বাবা ঘৰেৰ উচ্চা চালি
কতোয শুনিম তোৰ মায়েৰ গালি
বাইৰাও ৰতন তোক লেখিযা নিমৰে
ৰতন জনমেৰ মতে।

ইয়াৰ পিছত কইনা ৰভাৰ থলীত উলিযাই অনাৰ সমযত গায ঃ-

(১) বাইজ পৰে উত্তৰে বাইজ পৰে দক্ষিনে
বাইজ পৰে ৰমকে ঝমকে নাৰে।
সেই বাইজেৰ শবদে মায়েৰ পৰাণ দগধে
সাধ্য নাই তোৰ বেটিক ৰাখিতে নাৰে।

শালকোচাত কইনা উলিযাই সেযেহে গায -

(২) তুলিযা ধৰো তুলিযা ধৰো ৰতন সিংহাসন
চাইৰো চকু দুযো মুখো হৈল দৰশন
পাৰ্বতী সেৱা কৰে শিৱেৰ চৰণ।

(৩) শিৱেৰ গলায আছে হাৰ
গৌৰী কৰে নমস্কাৰ
সেই শিৱ গৌৰীৰ যোগ্য নাহযৰে।

বিযাৰ থলীত আঁখৈ তোলাৰ সমযত গায -

খৈ তুলেৰে উৰমাল
খৈ তুলে উৰমাল বাবাৰ মন্দিৰ ঘৰে
সুন্দৰ ময়নাৰে।

বিযাৰ মাজত কিছুমান 'খিচা গীত' গায যেনে -

আসকা তিতা বাসকা তিতা আৰো তিতা নিম
বৰ ঘৰেৰ বৈৰাতী গুটিক, চন্তা লাগেয়া দিম।

এইবোৰৰ উপৰিও বিযাৰ মাজত আৰু বহুতো ধৰণৰ গীত গায় বিয়াৰ শেষত কইনা দৰা ঘৰলৈ লৈ যোৱাৰ সময়ত গোৱা হয -

চান্দ উঠে চান্দ উঠে ধায়া
সুৰুজা উঠে বালি ধৈমালী খেলেযা

আজি বালিৰ শুভ দিনৰে
আজি বালিৰ ৰঙ্গ দিনৰে
কান্দে বালি মায়েৰ কোলে যায়া
আজিকা ৰাতি মাও ৰাখহে খুজিয়া
নিত্যে আসুং নিত্যে যাং ছাৰিয়া
আজিকা বালিক নাযাইমৰে ছাৰিয়া
হাসে দামান মুখে গামছা দিয়া
আজিকা ৰাতি বালিক নাযাইমৰে ছাৰিয়া।

এনেকৈয়ে আহি আহি বিয়াৰ শেষৰ পৰ্বত পৰেহি। ওপৰত উল্লেখ কৰা বিয়াগীত খিনিৰ উপৰিও আৰু হয়তো বহুত পৰিবেশত গোৱা বহু গীত আছে। এই সকলোখিনি সংগ্ৰহ কৰা সম্ভৱ নহল কিয়নো এই সম্পদ ৰাজী যুগ যুগ ধৰি মুখে মুখেহে চলি আহিছে ইযাৰ কোনো লিখিত ৰূপ পোৱা নাযায়। লোক সংস্কৃতিৰ এই অলঙ্কাৰ পদ আহি আহি লুপ্তপায় অৱস্থাত। ইয়াৰ মুল কাৰন হ'ল চৰ্চাৰ অভাৱ। চৰ্চা অবিহনে কোনো সংস্কৃতি জীযাই নাথাকে। সেযেহে কেইফাঁকি মান জীয়াই ৰখাৰ মানসেৰে এই প্ৰযাস। কোনোবাই এই সম্পৰ্কত উৎসাহিত হৈ গোৱালপৰীয়া বিয়া গীত সমূহ বিশেষকৈ শালকোচা অঞ্চলৰ গীত সমূহ সংগ্ৰহ কৰিব পাৰিলে আমাৰ জাতীয় সংস্কৃতিৰ ভঁৰালৰ সম্পদ হৈ ৰব।

[টোকা ঃ-

বাইজন = ঢোল নহবতৰ বাজন।

বালি = কিশোৰী কইনা।

গাও = দেহ।

ভৈৰব চান = বিয়াৰ সাজত থকা দৰা।

ভাইয়া = ভাযেক, ভনীজোঁৱাই

উৰমাল= ৰুমাল।

বৈৰাতী= আয়তী।

বাৰকা= ফিৰাই দিযাৰ প্ৰতিশ্ৰুতিৰে ধাৰ কৰি অনা গহনা।

নাউৱা = নাপিত।

কাউৱা = কাউৰী।

ছাৱা = সন্তান।

দামান = দৰা।

ছায়না = ৰভা।

- সম্পাদক]

এই প্ৰবন্ধটি যুগুতাই উলিওৱাত বিশেষভাৱে সহায় কৰে বাবে এই নিম্ন উল্লেখিত ব্যক্তি সকলৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিলো -

১। শ্ৰীমতী নিৰোবালা দেৱী (বামুণপাৰা)

২। শ্ৰীমতী চিনোবালা দেৱী (বামুণপাৰা)

৩। শ্ৰীমতী সুৱালা দেৱী (বামুনপাৰা)

৪। শ্ৰীমতী জগবালা দেৱী (পুখুৰীপাৰা)

৫। শ্ৰীমতী চলিতা দেৱী (পুখুৰীপাৰা)

৬। শ্ৰীমতী সুবালা দেৱী (পুখুৰীপাৰা)

৭। শ্ৰীমতী শুভা গোস্বামী (পুখুৰীপাৰা)

৮। শ্ৰী বিশ্বজিৎ গোস্বামী (পুখুৰীপাৰা)

৯। শ্ৰীমতী দমকীবালা দেৱী (হাপাপাৰা)

- লেখিকা

—ঃ O ঃ—

ভুল কথা জনাতকৈ একো নজনাই ভাল

-উইলিয়াম শ্বেক্সপীয়েৰ।

শালকোচাৰ জীৱ-জন্তু আৰু চিকাৰ কৰা পদ্ধতি।

আবুতাহেৰ (লেমু) সৰকাৰ
শ্ৰীগ্ৰাম।

শালকোচাৰ বনভূমি অঞ্চল বোলোতে শালকোচাৰ উত্তৰাঞ্চলৰ ডাকাৰাঝাৰ. বৌকুমাৰী পাহাৰ অঞ্চল, পশ্চিমৰ চৰুৱা বাখ্ৰা অঞ্চল, দক্ষিনৰ চান্দৰডিঙা- দুধনাথ-টোকোৰাবান্ধা পাহাৰ অঞ্চল আৰু পূবৰ সৰ্পমাৰী অঞ্চল সামৰি বিশাল অঞ্চলটোকে কোৱা হয। শালকোচাৰ মুঠ মাটি কালি প্ৰায ২৫০ বৰ্গ কিল'মিটাৰৰ প্ৰায় অৰ্দ্ধাংশই এই বনাঞ্চল। এই অঞ্চলটোত কুৰি শতিকাৰ পঞ্চাশৰ দশকলৈকে কোনো জন-বসতি নাছিল। দিৱলাই, ডাকাৰা, ধীৰবিল আৰু সিচৰিত জলাশযেৰে পৰিপুৰ্ণ আছিল এই অৰণ্য অঞ্চল। নল-খাগৰি, ইকৰা-বিৰিণাৰে গেজেপ মাৰা আছিল পাহাৰৰ নামনি অংশ। জলাশযবোৰত দলনি-পিতনিৰে ভৰা আছিল। পাহৰৰ নামনি অংশত যাতায়াতৰ ব্যৱস্থা নাছিল। যাতাযাত বোলোতে শালকোচাৰ মধ্যঅংশত কেইটামান গাঁওলীয়া ৰাস্তা আছিল। ৰাষ্ট্ৰীয় ঘাইপথতো দ্বিতীয় বিশ্বযুদ্ধৰ সমযত বৃটিচে নিৰ্মান কৰি উলিয়াইছিলহে মাথোন। তাৰ আগতে বিলাসীপাৰালৈ যোৱা ৰাস্তাটো আছিল টোকোৰাবান্ধা পাহাৰৰ দক্ষিন দিশেদি আৰু গৌৰাং নদীত খেৰা-ঘাট আছিল। অৰণ্য অঞ্চলত গাৰো-বডো আৰু ৰাভা সম্প্ৰদায়ৰ সৰু সৰু কিছুমান গাঁও আছিল।

শালকোচাৰ এই বনভূমি নানা ধৰণৰ জীৱ-জন্তু, চৰাই-চিৰিকতি আৰু সৰীসৃপেৰে ভৰপুৰ আছিল। এই সকলৰ সৈতে জনগোষ্ঠীৰ লোকসকল প্ৰায় সহ-অৱস্থান কৰি কটাইছিল। বিশেষকৈ শালকোচাৰ 'বৰ পাহাৰ' অঞ্চলত থকা জীৱ-জন্তুৰ ভিতৰত বাঘ-ঢেকীয়া পতীয়া, নাহৰফুটুকী, কুকুৰ-নেচীয়া, লতা মাকৰী বাঘ আছিল। পহুৰ ভিতৰত- ভালাণ্ডী, খটীয়া, শকৰা আদি আছিল। বনৰীয়া ম'হ আছিল। বৰ্তমান অৰুনাচলত পোৱা মেথোনৰ দৰে বন গৰু আছিল- যাক স্থানীয় ভাৱে 'মেটেং' বোলা হৈছিল। এইবোৰ আকৃতি প্ৰায় 'ভুটীয়া গৰু'ৰ দৰে কিন্তু গৰুৰ দৰে গল-

বিচনী নাই। বন-গাহৰি প্ৰচুৰ পোৱা গৈছিল। এইবোৰৰ নোমবোৰ খুব মোটা মোটা। এইবোৰ জীৱ-জন্তুৰ বৰ্তমান বিলুপ্তি ঘটিল। হঠাত দুটা-এটা গাহৰি, শকৰা আৰু নাহৰফুটুকী বাঘহে কেতিযাবা বৰ পাহাৰ (বৌকুমাৰী - চক্ৰশিলা পাহাৰ) অঞ্চলত লগ পোৱা যায়।

ইযাৰ উপৰি কেটেলা পহু (স্থানীয় নাম-'ছেদা') বনৰৌ আৰু দেওশৰ পোৱা গৈছিল। দেওশৰ এবিধ বিচিত্ৰ প্ৰাণী। দেখাত কেৰ্কেটুৱাৰ দৰে, কিন্তু আগঠেং আৰু পাছঠেং সংলগ্ন-বাদুলিৰ দৰে ছাল থাকে। প্ৰয়োজনত ই তীৰৰ দৰে প্ৰচণ্ড গতিত উৰি যোৱাৰ দৰে জপিযাব পাৰে। এই অঞ্চলত বান্দৰৰ তিনিটা প্ৰজাতি আজিও আছে- সাধাৰণ বান্দৰ, বগা-বান্দৰ আৰু আপুৰুগীযা সোণালী বান্দৰ। বগা বান্দৰবোৰ দীঘলে প্ৰায় ১৫ মিটাৰ আৰু সোণালী বান্দৰবোৰ ইবোৰতকৈ কিছু চুটি আৰু ইহঁতৰ গাৰ বৰণ মুগা বৰণৰ। এই সোণালী বান্দৰ বৰ্তমান বিশ্বৰ লুপ্তমান প্ৰাণীবোৰৰ অন্যতম।

কেটেলা পহু অৰণ্যে পোৱা যায। ই গাঁতত বাস কৰে। তাৰ পিঠিফালটো দীঘল কাঁইটেৰে ভৰা। কাঁইটবোৰ দীঘলে প্ৰায ৯/১০ ছে মিটাৰ আৰু বৰ টান। জাপ-জাপকৈ থাকে। অবযবটো ঠিক এটা ক্ষুদ্ৰ গাহৰি যেন। কাইটৰ মুৰটো খুব জোঙা। শত্ৰুৰ উমান পালে কাইটবোৰ ঠিয কৰি দিয়ে আৰু মূৰটো মাটিত 'গুঁজি দিযে। তাৰ মূৰটো বৰ কোমল। মূৰত সামান্য আঘাত পালেই ই মৰি যায। শত্ৰুযে খেদি আহিলে ই গাৰ পৰা কাঁইট এৰি দিযে। কাঁইটবোৰ তীৰৰ দৰে চাৰিওফালে ছিটিকি যায়। নেজত থকা কাইটকেইডাল লৰি থাকিলে জুনুক-জুনুক এটা বাজানা বাজি থাকে। সেইকাৰণে বনৰ কোনো পশুৱে তাক আক্ৰমন নকৰে। ই বৰ তিতাঁপ্ৰিয। গছৰ তিতা শিপা, ফল আদি খাই জীয়াই থাকে। সেইবাবে ওঝাসকলে ইযাৰ নাৰী-ভুৰি ঔষধ হিচাবে ব্যৱহাৰ কৰে। বনৰৌ হ'ল নেউলৰ আকৃতিৰ দীঘলীয়া পিঠিফালটো বৌমাছৰ বাকলিৰ নিছিনা ডাঙৰ ডাঙৰ বাকলিৰে জাপ-জাপকৈ ভৰা। পোক-পৰুৱা, উঁই, খাই ভাল পায। শত্ৰুৰ কবলত পৰিলে মূৰটোৰে মাটিততৎক্ষনাৎ গাঁত কৰি মূৰটো গুঁজি দিয়ে আৰু গাটো কেৰেলুৱাৰ দৰে কুণ্ডলী পকাই লাৰু হৈ থাকে।

নেউল প্ৰজাতিৰ এবিধ 'পাহাৰী নেউল' এই অঞ্চলত পোৱা গৈছিল। বৰ্ত্তমান প্ৰায় নোহোৱাই হ'ল। সাধাৰণ নেউলতকৈ কিছু ডাঙৰ। তাৰ মুখত দুডাল দীঘল বগা দাড়ি আছে। এই বগা দীঘল দাড়ি দুডাল চাবলগীযা।

আন এবিধ জন্তু 'খেক-শিয়ালী' ও বিলুপ্তিৰ পথত। আগেয়ে ৰাতি প্ৰায়ে

'ফেউ-উ' কৰি মাতি ফুৰিছিল। সাধাৰণতে বাঘ ৰাতি ওলালে খেক-শিযালীযে সকলোকে জাননী দিছিল।

সচৰাচৰ পোৱা আন এবিধ জন্তু আছিল, স্থানীয নাম 'হাগা গেদেৰা' ই 'বাঘা-সেল্লা' প্ৰজাতিৰ লগত মিল থকা। বাঘৰ দৰে গাত ক'লা-বগা পাট্টা আছে। বাঘৰ দৰে দীঘলীয়া আকাৰৰ, কিন্তু সৰু আৰু মুখখন হাপাৰ দৰে। এইবিধ জন্তুৰ এটা বৈশিষ্ট যে ই সদায একে ঠাইতে হাগে। য'তে নাথাকক কিয় লৰ মাৰি আহি নিৰ্দিষ্ট ঠাইতে হাগিব। জৰুৰীকালীন অৱস্থাত কেতিয়াবা এনেও হয় যে ঘাঁহ বন সোপা দি তাৰ নিৰ্দিষ্ট ঠাইত আহিহে হাগিব। বৰ্তমান এইবিধ জন্তুৰ হযতো বিলুপ্তিযে ঘটিল।

হাপা এবিধ লোকালযৰ ওচৰতে হাবি-জংগলত বাস কৰা জীৱ। ডাঙৰ মেকুৰীৰ দৰে দেখি। গাৰ বৰণ ছাই বৰণীযা, গৃহস্থৰ হাঁহ-মুগীৰ গৰালত ৰাতিলৈ ই ডকা-হকা দিযে। এইবিধ জন্তুযো হয়তো বিলুপ্ত হ'ল।

শালকোচাৰ বনাঞ্চল সৰীসৃপৰ ক্ষেত্ৰতো চহকী। ইযাত ভালেমান প্ৰজাতিৰ সাপ, গুঁই, বিছা আদি আছে। অজগৰে চিকাৰৰ বাবে 'মহৰা' (চিকাৰ ধৰিব পৰা সুবিধা) হিচাবে পৰি থাকে। তাৰ সন্মুখেদি যিমানে প্ৰকাণ্ড জন্তু নাহক 'কিয, যদি যায তাক কামুৰি ধৰিব। জন্তুটো যিমানে শক্তিমান নহওঁক কিয় তাৰ পৰা ছুটান পোৱাৰ কোনো উপায নাই। অজগৰেও এৰি দিব বিচাৰিলেও -দিব নোৱাৰে। দাঁত দুটা এনেভাৱে চিকাৰৰ গাত বহি যায যে বৰশীৰ দৰে ই খোল নাখায। নেজ ডালেৰে গছত পকাই লৈ খুটি পাতে আৰু জন্তুটো ছুটান পাবৰ বাবে প্ৰাণপ্ৰণে বল দিযে। ফলত সাপখন এখন ৰচীৰ দৰে টন-টনা হয। এনেভাৱে দুই তিনিদিনো থাকিব পাৰে। জন্তুটো যেতিযা দুৰ্বল হৈ পৰি যায তেতিযা সাপখনে গছৰ পৰা নেজৰ পাকটো খুলি জন্তুটোক এনেভাৱে মেৰিয়াই চাপ দিযে যে জন্তুটোৰ হাড় ভাঙি লাহি হৈ পৰে। তেতিযা ই গিলি খায।

আৰু এবিধ সাপ দেখিবলৈ পোৱা গৈছিল যে ই যেতিযা গতি লয - মূৰটো প্ৰায় ২৫ ছে মিটাৰ তুলি ধৰি যায, আৰু কিহবাৰ উমান পালে ই প্ৰায ১ মিটাৰ ওখকৈ মূৰটো তুলি নীৰিক্ষন কৰে। দেখাত ফেঁটী গোমৰ দৰে। বৰ্তমানে দেখা পোৱা নাযায। স্থানীয় ভাষাত 'কাযাৰ গোম' নামৰ আন এবিধ সাপ লুপ্ত হোৱা যেন লাগে। এইবিধ সাপ চলমান বা গতি ললে অনবৰতে এটা শব্দ হৈ থাকে। শব্দটো কাঁহৰ বাটিত কোব মাৰিলে হোৱা কম্পণৰ দৰে শুনি।

গুঁই এবিধ সৰীসৃপ। পানীত থকা 'জল গুঁই' আৰু গছৰ খোৰঙত থকা 'সোন গুঁই' আজিকালি নোহোৱাই হ'ল। 'সোণ গুঁই'ৰ ৰং সোণালী আৰু দীঘলে প্ৰায় ১ মিটাৰ মান হয়।

কুম জেলেকুৱাৰ দৰে লালটিৰে, যি বাটেৰে যায় পুনৰ সেই বাটেৰে আহাৰ কৰি উভতি অহা বামি মাছৰ দৰে দেখাত এবিধ সৰীসৃপ পানীত বাস কৰে যদিও মাটিত আহি শাক-পাচলি বিশেষ কৰি সৰিয়হৰ ফুল খায়। স্থানীয় মানুহে 'নাদাল বামি' বুলি কয়। গাটো বগা পখৰা। এইবিধ সৰীসৃপ খুব কম পৰিমানে এতিয়া দেখা যায়। 'বৰ পাহাৰ'ৰ নিজৰাত শিল টোকা নামৰ গৰৈ মাছৰ দৰে এবিধ মাছ পোৱা যায। তাৰ মূৰটো শিলৰ দৰে টান। কোনো কোনোৱে মাৰি খায যদিও মূৰটো কাটি পেলাই দিযে।

আন এবিধ জলজ প্ৰাণী কাছ প্ৰায নোহোৱাই হ'ল। ডিপ্লাই বিলত প্ৰচুৰ পিতনি আছিল। একোখন পিতনি প্ৰায় ৪০/৫০ বিঘা জমি আগুৰি আছিল। ১৯৮০ চনত প্ৰলয়ঙ্কাৰী বানত পিতনি সমূহ বামত উঠি অহাত কাছ আৰু শালমাছ আশ্ৰযহীন পৰিল। বৰ্তমান এই দুবিধ নাই বুলিযেই কব পাৰি।

শালকোচাৰ অৰণ্য আৰু বিলবোৰ চৰাই-চিৰিকতিৰ বাবেও ৰম্যভূমি আছিল। ডাকাৰা, ডিপ্লাই ধীৰ, ৰেণী, শৌলমাৰী আদি বিল জলাশয়ত হাঁহ জাতীয় চৰাই-বগা ৰাজহাঁহ (৭/৮ কি গ্ৰা ওজন), ভেলা (৫/৬ কি গ্ৰা ওজন) গয়াল (পানী কাউৰী দৰে দেখাত), বানৰাৰ (ক'লা বগলীৰ দৰে দেখাত) কাঙ্গম (চীনা মুৰ্গীৰ দৰে দেখাত বৰ ধুনীয়া), চকোৱা আদি বৰ্তমান নাই বুলিয়েই কব পাৰি। ধনেশ (৫/৬ কি.গ্ৰা ওজন), হাড়গিলা, সোনালী কানৰ শগুন, গলত মোনা থকা শগুন, মযনা, কুৰুৱা, মৌ-খোৱা, আদি চৰাই এতিয়া বিলুপ্ত হ'ল। স্থানীয় ভাষাত 'যমশীট' নামৰ এবিধ চৰাই শালকোচাৰ হাবি বননিত পোৱা গৈছিল। কাউৰীতকৈ অলপ সৰু ঈষৎ ক'লা বৰণৰ। ঠোঁটটো দীঘল কিন্তু আকৃতি কুঠাৰৰ দৰে। ইয়াৰ মাত বৰ ভযাল। প্ৰায় ২ কি.মি দূৰৰ পৰা ইযাৰ মাত স্পষ্টকৈ শুনা যায়। জনশ্ৰুতি মতে 'যমশীটে' মাতিলে মহামাৰী ৰোগ হবই। যি গাঁৱৰ ফালে মুখ কৰি মাতিব সেই গাঁও আক্ৰান্ত হয়। কাৰোবাক মানুহে মতাৰ দৰে এই চৰাইটোৱে তেনে ধৰণৰ মাতা যেন লাগে। ফাগুন-চ'ত মাহত ইয়াৰ মাত শুনিলে মানুহে বৰ আতঙ্কিত হৈছিল। এইবিধ চৰাই এতিয়া নোহোৱাই হ'ল।

যোৱা শতিকাৰ চল্লিশৰ দশকলৈকে শালকোচাত বিভিন্ন পদ্ধতিত চিকাৰ কৰা হৈছিল। তথাপি জীৱ-জন্তু বা চৰাই-চিৰিকতিৰ কোনো প্ৰাদুৰ্ভাব হোৱা নাছিল।

কাৰণ দহোটাত এটাহে চিকাৰ কৰা হৈছিল। শালকোচাত কেইটামান জনপ্ৰিয় চিকাৰ পদ্ধতিৰ উল্লেখ কৰা হ'ল।

১। **ডালা চিকাৰ** ঃ- বাহঁৰ ডালা এখনত উজ্জ্বল পোহৰ বাতি এটা লগাই নিশাৰ ভাগত মানুহ এজনৰ মূৰত তুলি দিয়া হয়। মানুহজন অৰণ্যত আগবাঢ়ি গৈ থাকে। তেওঁৰ লগত আঁৰলৈ আন এজন মানুহে হাতত বৰ্শা (যাঠী) লৈ সন্তৰ্পণে গৈ থাকে। পোহৰত পছয়ে চকু দিয়ে; পছটো পোহৰ ফালে আগুৱাই আহে বা স্থিৰ হৈ থিয় হৈ থাকে। তেতিয়া বৰ্শাৰে পছটোক খুচি মাৰে। কেতিয়াবা বাঘো মহৰাত পৰে। কিন্তু ডালা চিকাৰীজনে তেতিয়া তাক এৰাই চলে।

২। **পৰ' চিকাৰ** ঃ- চ'ত-বহাগ মাহত যিদিনা প্ৰথম বৰষুন পৰি বতৰ ফৰকাল হয় গওঁৰ মানুহে কিছুমান চিকাৰ ধৰা জাল লৈ ওলায়। এনে সময়ত চিকাৰৰ 'ভাঞ্জা' বা খোজ স্পষ্ট চিনিবি পৰা যায। ভাঞ্জাৰ পৰা চিকাৰটো কেনেধৰণৰ মতা নে মাইকী চিনিব পৰা যায়। লগতে চিকাৰটো কোন প্ৰজাতিৰ পছু, কোন ফালৰ পৰা কলৈ গৈছে; আদি উমান লোৱা বিশেষ ধৰণৰ মানুহজনে বুজি লয আৰু তেওঁৰ নিৰ্দেশক্ৰমে দলটোৰ কিছুলোকে হাবিৰ এটা অংশ জালেৰে পৰ' দিযে (আগুৰে)। জালবোৰ মৰাপাটৰ ৰছীৰে গুঁথা। আন এটা দলে ঢাক-ঢোল-টিন আদিৰে শব্দ কৰি চিকাৰ খেদি ফুৰে। কেইজনমানে বৰ্শা, টাঙোন লৈ জালৰ কাষত খাপ পিটি থাকে। চিকাৰ (পছু) জালত পৰাৰ লগে লগে বধ কৰে। স্থানীয় ভাষাত বন্দুকধাৰী বিলাকক 'পালোৱান', উমান লৈ থকা বোৰক 'কানাল' আৰু পৰ দিযা বোৰক 'ঢাকী' বোলা হয।

৩। **চাং পাতি চিকাৰ মাৰা** ঃ-

বাঘে প্ৰায়ে গৰু, ম'হ, ছাগলী আদি মাৰে। তেতিযা বন্দুক থকা (মুষ্টিমেয় সংখ্যক) লোকক বাঘৰ খবৰ দিয়ে। দুই তিনি জন মান বন্দুক ধাৰীয়ে গাঁওৰ মানুহক লৈ দুষ্ট বাঘটো থকা হাবিলৈ যায। বন্দুকধাৰী কেইজনে মহৰাত (বাঘে গতি লব পৰা ঠাই) গছৰ ফেৰেঙনিত চাং পাতে। অন্য লোক বিলাকে পৰ' দিযা আৰম্ভ কৰে। 'কানাল' বিলাকেও গছত উঠি থাকে। বাঘ যেতিযা ওলাই লৰ মাৰে তেতিয়া তাক বধ কৰা হয়।

৪। **খোৱাৰত ভৰাই চিকাৰ কৰা** ঃ- চাৰ্কাচৰ বাঘ ৰখাৰ বাকচটোৰ দৰে এটা বিৰাট 'খোৱাৰ' তৈয়াৰ কৰা হয। খোৱাৰত দুটা কোঠালি থাকে। কোঠালি দুটাৰ মাজত লোহাৰ 'শিক' (ৰড) দি বেৰা এখন কৰা হয়। বন্ধ কোঠালি দুটাৰ

এটাত ছাগলী বা গৰুৰ পোৱালী ৰখা হয়। আনটো কোঠালীৰ দুৱাৰখন দাংখাই থাকে। বাঘ আহি খোৱাৰটোৰ চাৰিওফালে ঘূৰিব ধৰে আৰু দুৱাৰেদি সোমাই যায় চিকাৰটো ধৰিবৰ বাবে। সোমোৱাৰ লগে লগে দুৱাৰখন পৰি যায় আৰু ঘৰটোত বন্দী হয়। তাক তেতিয়া যাঠী, জোঙেৰে খুচি মাৰে।

বাঘ যেতিয়া গৰু, ছাগলী ধৰে, সেই সময়ত কোনোবা লোকে যদি সাহ কৰি গৰু বা ছাগলীটোক লৈ টনা-আজোৰাও কৰে, তথাপি বাঘে মানুহটোক কিন্তু আক্ৰমন নকৰে, বৰঞ্চ ভয়হে পায, কিন্তু গৰু বা ম'হ বা ছাগলীটোক মাৰি তাৰ সুবিধাজনক স্থানত ৰাখি যায, তেতিয়া সেই 'মৌৰ' (নিহত জন্তু) টোৰ ওচৰত যোৱাটোৱে বিপজ্জনক। বাঘে তেতিয়া মানুহ কিয় অন্য জীৱ-জন্তুকো খাতিৰ নকৰে।

শালকোচাৰ কেইজনমান প্ৰখ্যাত বন্দুকধাৰী চিকাৰীৰ নাম এই প্ৰসঙ্গত উল্লেখ কৰা হ'ল। শালকোচা এখন আভিজাত্য থকা ঠাই। ৰজা, জমিদাৰ, ধনী ব্যৱসায়ী, ব্ৰাহ্মণ পণ্ডিত, উচ্চ শিক্ষিত,চৰকাৰৰ উচ্চ পদাধিকাৰী আদি আঢ্যৱন্ত লোকৰ জন্মস্থান। শিক্ষা সংস্কৃতিৰ ক্ষেত্ৰতো অসমৰ ভিতৰতে এখন নামজ্বলা ঠাই। এনেবোৰ পৰিযালৰে প্ৰায প্ৰতিজন সদস্যৰে বিলাতী বন্দুক আছিল। এওঁলোকে বিলাসীতা কৰি প্ৰাযে চিকাৰলৈ গৈছিল। অৱশ্যে এওঁলোকৰ কেইজনমানহে পটু চিকাৰী আছিল। শালকোচাৰ ভিতৰতে আকৌ শ্ৰীগ্ৰাম, হাপাপাৰা, পুখুৰীপাৰা, গৌৰাংটাৰী, নিযোগীপাৰা, বামুনপাৰা, চৌধুৰীপাৰা (দামোদৰপুৰ) আদি প্ৰখ্যাত গাঁও। ইয়াৰে শ্ৰীগ্ৰাম শীৰ্ষত আছিল। প্ৰখ্যাত কাঠ ব্যৱসাযী জিলাৰ ভিতৰতে অন্যতম ধনী ব্যক্তি আৰবউদ্দিন সৰকাৰৰ পুত্ৰ আব্দুৰ ৰশিদ (ৰশিযা) এজন প্ৰখ্যাত চিকাৰী আছিল। অবিভক্ত গোৱালপাৰা জিলাৰ বিভিন্ন অঞ্চলত বাঘ চিকাৰ, পহু চিকাৰ কৰি ফুৰিছিল। গাৰো পাহাৰতো তেওঁ বাঘ চিকাৰ কৰিছিল। তেওঁ কিন্তু বাঘ দেখিলেই বা হৰিণ দেখিলেই নামাৰিছিল। বিশেষকৈ গাভিনী বা পোৱালী থকা বাঘ, হৰিণ কোনোদিনে নামাৰিছিল। তেওঁ এবাৰ নিৰুপায হৈ পোৱালী থকা এটা বাঘিনী মাৰিছিল আৰু পোৱালী তিনিটাক গোৱালপাৰ চহৰত থকা ঘৰত আনি পুহিছিল আৰু ডাঙৰ হ'লত অৰণ্যলৈ এৰি আহিছিল। তেওঁৰে ককাই আব্দুৰ ৰহমান সৰকাৰ এজন প্ৰখ্যাত চিকাৰী আছিল। ইযাৰ বাহিৰেও শ্ৰীগ্ৰামৰ ˚ৰহমত আলী, ˚হবিবুল্লা, ˚টুনু বৰুৱা, শালকোচাৰ ˚ বীৰেণ নিযোগী, শালকোচাত থকা চিদলী ৰাজকুমাৰ, সুৰ্য্যেন্দু, কালজানীৰ ˚ ঘিল্লগা, উজানপাৰাত ˚দুদু ৰাভা, ভাঞ্জা চিনাক্ত কৰাত পটু শ্ৰীগ্ৰামৰ ˚ ছিমাৰ সেখ, আদিৰ নাম উল্লেখযোগ্য। যোৱা শতিকাৰ পঞ্চাশৰ দশকৰ পৰাই শালকোচাত বাঘ-হৰিণ নোহোৱা হ'ল। ইয়াৰ মূলতে হ'ল শালকোচাত থকা

অৰণ্যভূমি- চান্দৰদিঙা, দুধনাধ, টোকৰাবান্ধা পাহাৰ অঞ্চল, চৰুৱা বাখৰা হাবি, বৌকুমাৰী-চক্ৰশিলা, পাহাৰ অঞ্চল। এইবোৰ বনভূমি অঞ্চলত শালকোচাৰ বাহিৰৰ পৰা অহা লোক বিলাকৰ অৰণ্য ধংস আৰু চৰকাৰৰ বন বিভাগৰ চৰম দায়িত্বহীনতাই দায়ী। শালকোচাত যেতিয়া এজনো চৰকাৰী বন বিভাগৰ কৰ্মচাৰী নাছিল; তেতিয়া অৰণ্য অঞ্চল জাতিস্কাৰ হৈ আছিল।

(প্ৰবন্ধটো যুগুত কৰোতে ব্যক্তিগত অভিজ্ঞতা আৰু প্ৰবন্ধত উল্লেখ থকা চিকাৰী সকলৰ লগত চিকাৰ কৰা অভিজ্ঞতাৰ পৰা লিখা হৈছে।)

- লেখক।

—ঃ O ঃ—

যদিও বসন্ত গেছে তবু বাৰে বাৰে সাধ যায় বসন্তেৰ গান গাহিবাৰে।
- **ৰবীন্দ্ৰ ঠাকুৰ।**

'ৰাজবংশী' ভাষা ঃ এটি আলোচনা

আবুল কালাম
শ্ৰীগ্ৰাম (শালকোচা)

ষোড়শ শতিকাত পশ্চিম অসম, উত্তৰ বঙ্গ আৰু ভূটানৰ দক্ষিন নামনি অঞ্চল জুৰি এখন বিশাল ৰাজ্য ঠন ধৰি উঠিছিল ইয়ে 'কমতা' ৰাজ্য আৰু ইয়াৰ প্ৰতিষ্ঠিত ৰাজবংশটোৰ নাম 'কোচ' ৰাজবংশ। এই ৰাজ্যৰ অধিবাসী সকল বিভিন্ন জাতি-উপজাতিৰ আছিল যদিও কোচ জাতিটোৱে প্ৰমুখ্য আছিল। এই জাতিটোতে বিশ্বসিংহ জন্মগ্ৰহন কৰি কমতাৰাজ্য প্ৰতিষ্ঠা কৰা হেতুকে ই এটা ৰাজবংশৰ মৰ্য্যাদা প্ৰাপ্ত হয়। পৰবৰ্ত্তী কোচসকলে সেইবাবেই 'ৰাজাবংশী বুলি নিজকে পৰিচয় দিয়ে। অসমৰ অবিভক্ত লক্ষীমপুৰ জিলা, দৰং জিলা, কামৰূপ জিলা আৰু গোৱালপাৰা জিলা, পশ্চিমবঙ্গৰ কোচ বিহাৰ জিলা, জলপাইগুৰি জিলা, বাংলাদেশৰ ৰংপুৰ জিলা দিনাজপুৰ জিলা, মৈমনসিংহ জিলা আৰু ভুটানৰ দক্ষিন নামনি অঞ্চল সামৰি এই বিশাল কোচ জাতিটোৰ বসতি।

এতিয়া স্বাভাবিকতে, প্ৰশ্ন এটা হয় যে এই কোচ জাতিটোৰ ভাষা কি আছিল? নৰনাৰায়নৰ দৰে এজন বিশ্ব জনীন মহাৰজা, চিলাৰায়ৰ দৰে এজন বিশ্ববীৰ যি জাতিটোত জন্মগ্ৰহন কৰিছিল আৰু এক বিস্তৃত সময় জুৰি মহাসমাৰোহেৰে ৰাজত্ব কৰিছিল আৰু ৰাজসভাত শ্ৰীশঙ্কৰদেৱ, মাধৱদেৱ প্ৰমুখ্যে ভালেমান কবি সাহিত্যিকে ৰাজদৰবাৰত থাকি সাহিত্য চৰ্চা কৰিছিল - তেনে এটা জাতিৰ নিশ্চয় এটা ভাষা আছিল। তেন্তে, ভাষাটো কি আছিল? ভাষাটো কেনেকুৱা আছিল?

মহাৰাজ নৰনাৰায়নৰ ৰাজত্বকালৰ অন্তিম সময়ত বিশাল কোচৰাজ্য দুটা খণ্ডত বিভক্ত হয় আৰু পৰবৰ্ত্তী ই বহুধা বিভক্ত হৈ পৰে- দৰং, বেলতলা, বিজনী, কোচবিহাৰ, কাছাৰ ইত্যাদি ৰাজ্যসমূহ। বিংশ শতিকাৰ আগভাগলৈকে এই কোচ

ৰাজ্যবোৰ টিকি আছিল। ৰীতিমত ৰজা আছিল, প্ৰজা আছিল- এটা সংস্কৃতি আছিল। তেন্তে ভাষাটো ক'ত হেৰাই গ'ল?

যিহেতু শ্ৰীশঙ্কৰদেৱৰ সাহিত্য ৰাজি আছে আৰু এইজনা শ্ৰীশঙ্কৰদেৱে কোচৰজা নৰনাৰানৰ ৰাজসভাত বহুত দিন থাকি সাহিত্য চৰ্চা কৰিছিল, সেইহেতু তেওঁকে বাটকটীয়া ধৰি কমতা ৰাজ্যৰ তথা কমতাবাসী 'ৰাজবংশী' সকলৰ ভাষাটো কি আছিল- ধৰিব লাগিব। শ্ৰীশঙ্কৰদেৱে পূৰ্ববৰ্তী কবি মাধৱ কন্দলিক শ্ৰদ্ধাৰে 'অপ্ৰমাদী' (অপ্ৰতিদ্বন্দী) বুলি অভিহিত কৰিছে। এওঁ ১৪শ শতিকাৰ জয়ন্তপুৰৰ (নগাঁও জিলা) বৰাহী (কছাৰী) ৰজা 'মহামানিক্য'ৰ ৰাজসভাত থাকি ৰজাৰ অনুৰোধত ৰামায়নখন সংস্কৃতৰ পৰা 'আঞ্চলিক ভাষা'ত অনুবাদ কৰিছিল। এই আঞ্চলিক ভাষাটো কি নামেৰে জনাজাত আছিল?

কবিৰ নিজৰ ভাষাৰে -

কবিৰাজ কন্দলি যে আমাকেসে বুলিবয়
কৰিলোহো সৰ্বজন বোধে।
ৰামায়ন সুপযাৰ শ্ৰী মহামানিক্য যে
বৰাহ ৰজাৰ অনুৰোধে।।

এই আঞ্চলিক ভাষাটো কোনো ৰজা মহাৰজা বা উচ্চশ্ৰেণীৰ লোকসকলৰ ভাষা নাছিল; বৰং ই সবস্তৰৰ লোকে বুজিব পৰা ভাষা আছিল আৰু ৰজাৰ আদেশক্ৰমে কবি মাধব কন্দলিয়ে 'সৰ্বজন বোধ্য' ভাষাত 'ৰামায়ন' খন ৰচিছিল। মাধব কন্দলিৰ 'ৰামায়ন'খনে ভাৰতীয় আঞ্চলিক ভাষাসমূহৰ ভিতৰত প্ৰথমখন সংস্কৃতৰ পৰা অনুদিত ৰামায়ন।

মাধব কন্দলি ৰচিত 'ৰামায়ন'ৰ ভাষাৰ নমুনা-
হেন অদ্ভুত যেয়ে হনুমন্তে দেখি।
কত দূৰে দেখিলন্ত বিদগিদ পখী।।
ময়না ঘৰোৰা ভাটৌ চুটিয়া শালিকা।
মনুষ্যৰ ৰাৱ কাঢ়ে সকলে কালিকা।।

কবি মাধৱ কন্দলীৰ সমসাময়িক আৰু কেইবাগৰাকী কবিৰ ৰচনা সম্ভাৰ পোৱা হৈছে। তেনে এজন হ'ল হেম সৰস্বতী আৰু আনজন হ'ল হৰিহৰ বিপ্ৰ। হেম সৰস্বতী কমতাপুৰ ৰজা দুৰ্লভ নাৰায়নৰ সভা কবি আছিল। ৰজা দুৰ্লভ নাৰায়নৰ পুত্ৰ ৰজা ইন্দ্ৰ নাৰায়নৰ ৰাজসভাত আনজন কবি হৰিহৰ বিপ্ৰ আছিল। গুৰুচৰিত

আৰু শঙ্কৰ চৰিত পুথি দুখনত বাৰভূঞাঁ বংশৰ উৎপত্তি সম্বন্ধে আলোচনা কালত কমতা ৰজা দুজনৰ উল্লেখ পোৱা যায়। গৌড় ৰজা ধৰ্মনাৰায়নক সাতঘৰ ব্ৰাহ্মন আৰু সাতঘৰ কায়স্থ উপহাৰ দিছিল। শ্ৰীশঙ্কৰদেৱৰ পূৱপুৰুষ চণ্ডীবৰ এই কায়স্থ বোৰৰ দলপতি আছিল।

হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত'ৰ ভাষা -

দুই হাতে ধৰি অসুৰক আলগাই।
জল-থল কিছু নোহে উৰুত বৈসাই।।
অস্ত্রে-শস্ত্রে নাকাটিলা নখে বিদাৰিলা।
ৰাত্রি দিনে নামাৰিয়া সন্ধ্যাত মাৰিলা।।

হৰিহৰ বিপ্ৰ ৰচিত 'লব-কুশৰ যুদ্ধ'ৰ পৰা উদ্ধৃত -

ৰামত ভকতদেৱে হওঁ সৰ্ব্বক্ষণে।
তেৱে মাৰ সীতা সতী জীৱোক এখনে।।
তেতিযনে সীতা সতী লভিলা চেতন।
দেখিলা কাছত বসি কান্দন্ত লক্ষ্মণ।।

১৪শ শতিকাৰ কবি সকলৰ কাব্যৰ ভাষাক টনা-আজোৰা কৰাও দেখা যায়। বঙালী সকলে টানে তেওঁলোকৰ ফালে আৰু অসমীয়া সকলে টানে এওঁলোকৰ ফালে। বঙালীয়ে উচ্চমন্যতাৰে ধাৰণা কৰে যে অসমীয়া ভাষাটো বঙালী ভাষাৰ পৰা ওলোৱা। যাৰ ফলত ১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈ অসমত জোৰ কৰি বঙলা ভাষা জাপি দি ৰাখিছিল বুটিছে। এই সম্পৰ্কত সুনীতি কুমাৰ চট্টোপাধ্যাযৰ মতামত প্ৰনিধানযোগ্য যে ভাৰতবৰ্ষৰ পূৱফালৰ আটাইবোৰ ভাষাৰে উৎস হৈছে 'মগধী'। মগধীৰ পৰা ওলোৱা প্ৰাচ্য অপভ্ৰংশ ৰূপটোৱে উৰিয়া, বঙলা আৰু অসমীযাৰ উমৈহতীয়া উৎস। বৰ্তমানৰ মালদা অঞ্চলটোতে এই ভাষাৰূপটো পোৱা গৈছিল। ইয়াৰে চাৰিটা ঠাল - (১) ৰাঢ় (বঙ্গদেশৰ পশ্চিম, দক্ষিন পশ্চিম আৰু উৰীয়া) (২) বাৰেন্দ্ৰ (উত্তৰ-মধ্য বঙ্গদেশ) (৩) বঙ্গ (পুৰ্ববঙ্গদেশ) (৪) কামৰূপ (উত্তৰ বঙ্গ আৰু অসমীয়া ভাষা) একেটা উৎস হোৱা বাবে তান্ত্রিক বৌদ্ধধৰ্মৰ সহজযান পন্থী সহজীয়া সকলে ৮ম-১২ শতিকাত ৰচনা কৰা চৰ্য্যাপদ সমূহ বঙালী, অসমীয়া, উৰীয়া, মৈথিলী আদি ভাষাবোৰে নিজা নিজা বুলি দাবী কৰিছে। উদাহৰণ তুলি ধৰা হ'ল-

নগৰ বাহিৰি ৰে ডোম্বি তোহোৰি কুড়িআ
ছোই ছোই জাই ব্ৰাহ্মন নাড়িআ।

(নগৰৰ বাহিৰত অৱস্থিত কুটিৰত থকা ডোম যুৱতীক ব্ৰহ্মচাৰী ব্ৰাহ্মনে স্পৰ্শ কৰি যায়।)

শ্ৰীশঙ্কৰদেৱ আৰু তেওঁৰ ৰচনাৱলী ঐতিহাসিক। গতিকে ই প্ৰামান্য। তদুপৰি তেওঁ কমতাৰাজ্যৰ তথা ৰাজবংশী জাতিৰ ৰাজ্য-ৰাজধানী কোচবিহাৰত অৱস্থান কৰি ভাষা-সাহিত্যৰ চৰ্চা কৰিছিল। এজন সাহিত্যিকে যি পৰিবেশত থাকি সাহিত্য ৰচনা কৰে আৰু সেই সাহিত্য ৰচনা যদি সেই পৰিবেশত থকা জনসাধাৰণৰ বাবে হয়; তেন্তে সেই ভাষাত স্থানীয় মাটিৰ গোন্ধ থাকিবই। স্থানীয় জনগনৰ মাত-কথা সেই ভাষাত প্ৰক্ষিপ্ত হবই।

এটা উদাহৰণ- 'হৰ মোহনৰ' পৰা উদ্ধৃত।

*　　*　　*　　*

সোলকে উচ্ছল খোপা　　খসে পাৰিজাত-থোপা
ৰাম হাতে সম্বৰন্ত তাক।
কৰ্ণত কুণ্ডল লৰে　　তন হলফল কৰে
গলে ৰত্ন-মালা ঝিকি পাৰে।

অসমীয়া ভাষাত গদ্যশৈলী ব্যৱহাৰ কৰোতা শ্ৰীশঙ্কৰদেৱ 'ৰামবিজয়' নাটৰ পৰা তেওঁৰ গদ্যশৈলীৰ এটা অংশ বুলি ধৰা হ'ল- 'হে মাতা বসুমতি! তুহু থিৰ হোৱা ৰহব। হে পিতা অনন্ত! তুহু ভাল কযে পৃথিবী ধৰব। হে ঈশ্বৰ কূৰ্মৰাজ! তুহু অনন্ত পৃথ্বিক সম্নদ্ধে ধৰব। তেৰা সবক প্ৰসাদে স্বামী যদি ধনুত গুণ দিতে পাৰয, তব আমি অগতিৰ গতি হয়।'

মাধৱদেৱৰ ভাষা গুৰুজনাতকৈয়ো অধিক প্ৰনিধানযোগ্য; কিয়নো মাধৱদেৱে ব্ৰজাবলীৰ পৰা আঁতৰি অধিকতৰ জনসাধাৰণৰ মাত-কথালৈ অৱতৰণ কৰিছে-

'ৰাজাৰ কুমাৰ হয়া গৰু চাৰি ভাত খাঁও, দুৰ্গমন সঙ্কট বনে বনে।
তথাপিতো আমি ভাল বোলাইবাক নপৰিল,
আৰো ভাল বোলাইব কেমনে।'

কোচ সকলৰ ৰাজবংশী বুলি পৰিচয় দিয়া সকল মনসা ভক্ত। মনসা দেৱীক 'বিষহৰি' ৰূপে সৰ্পপূজা কৰে। মনসা কাব্যৰ মুখ্য উপজীব্য আখ্যানটো হ'ল বেউলা-লখীন্দৰৰ। এই ধাৰাৰ সমকালীন কবি কেইজন হ'ল-মনকৰ, দুগাবৰ আৰু সুকবি নাৰায়ন। তিনিওজনা কবিয়ে কমতাপুৰ ৰজাৰ উল্লেখ কৰিছে তেওঁলোকৰ কাব্যত।

কবি মনবৰে তেওঁৰ ৰচিত 'মনসা কাব্য'ত পয়াৰত কৈছে-

কামতাইৰ ৰাজা বন্দো ৰাজা জল্লেশ্বৰ।

একশত মহিষী বন্দো আঠাৰ কুমাৰ।।

অনুৰূপ ভাৱে কবি দুৰ্গাবৰে তেওঁৰ মনসা কাব্যৰ 'বেউলা-লক্ষীন্দৰ'ত পয়াৰ বদ্ধ কৰিছে-

কমতাইৰ ৰজা বন্দো বিশ্বসিং নৃপবৰ।

আঠচল্লিশ মহিষী বন্দো ওঠৰ কোঁৱৰ।।

বিতর্ক থাকিলেও ইয়াত কমতাৰাজ্যৰ প্রতিষ্ঠাতা বিশ্বসিংহ ৰজাৰ ধাৰণাই উচিত হব।

কমতাৰাজ্যৰ কোচৰাজবংশৰ আন এটা ঠাল দৰঙত প্রতিষ্ঠা লাভ কৰিছিল। সুকবি নাৰাযনদেৱ দৰঙী ৰজা ধৰ্মনাৰায়নৰ ৰাজত্ব কালৰ কবি। তেওঁৰ 'পদ্ম পুৰাণ'ত লিখিছে-

উঠা উঠা পানী আনি, মুখে মোৰ দিয়া পানী।

তাকে লৈ শৰীৰ জুৰাওঁ, উঠা প্রিয়া কাঢো ৰাৱ।

ডকে দিয়া দিয়া আনা মাৱ, মাৱৰ মুখ নয়ন ভৰি চাঁও।।

পৰবৰ্ত্তী কবি চান্দসাই, যিজন জাতত মুচলমান আৰু পেশাত দৰ্জী আছিল, শঙ্কৰী ধৰ্ম গ্রহন কৰি তেওঁ গীত ৰচনা কৰিছিল-

কিনো গীত গাইলি চান্দৰে বৰাই

কিনো গীত গাইলি চান্দে।

গাঁতুৱা এন্দুৰৰ পাৱত পৰিযা

বোন্দা মেকুৰীয়ে কান্দে।।

উল্লেখিত কবিসকল 'ৰাজবংশী' সমাজ-ব্যৱস্থাৰ কলা-কৌশলৰ মাজত আবদ্ধ থাকি ভাগৱত ধৰ্মৰ ব্যাপক প্রচাৰ আৰু প্রসাৰৰ অৰ্থে কাব্য ৰচনা কৰিছিল যাতে সৰ্বসাধাৰণে বুজিব পাৰে-হৃদয়ঙ্গম কৰিব পাৰে আৰু লোক ইষ্টমুখী হয়। কাব্যবোৰ পৰিপূৰ্ণ ভাৱে মাটিৰ ভাষাৰে ৰচিত নহলেও কিছু গোন্ধ মিহলি হৈছে। কিয়নো সেইযুগত ভাষাতো পবিত্রতা ধাৰণা কৰা হৈছিল।

কিন্তু পৰবৰ্ত্তী কোচ ৰজা (পূব কমতাৰাজ্য) ৰঘুদেৱ নাৰায়নৰ দিনত বৰনগৰৰ

বৈকুণ্ঠনাথ ভট্টাচাৰ্য্য (চমুকৈ ভট্টদেৱ) কমতা ৰাজ্যৰ ভাষা-সাহিত্যত আলোড়ন আনিছিল-এক বিপ্লৱৰ সূচনা ঘটাইছিল। তেওঁৰ হাততে অসমীয়া ভাষাৰ গদ্য শৈলী বিকশি উঠিছিল। তেওঁৰ গুৰু দামোদৰ দেৱৰ নিৰ্দেশত ভাগৱত আৰু গীতা অনুবাদ কৰিবলৈ হাতত ললে। অনুবাদৰ ভাষা কেনে ধৰণৰ হব বুলি গুৰুজনাক সুধিলত উপদেশ দিলে যে শঙ্কৰদেৱৰ পদ্যানুবাদতকৈ 'সুগম কৰি, স্ত্ৰী-শূদ্ৰ সৰ্বলোকে' যাতে বুজি পায়। হয়তো, সেইকাৰণে ভট্টদেৱে এক নতুন শৈলীত (গদ্য ৰীতি) সাধাৰণ মানুহৰ মুখৰ ভাষা লিখি উলিয়ালে।

'দুৰ্য্যোধনক ধনৰ অধিপতি পাতিলা, সহদেৱে পূজা কৰ্মত ৰহিলা, নকুলে নানা দ্ৰব্য আনিলা। অৰ্জুনে সন্তুক শুশ্ৰূষা কৰিলা। কৃষ্ণে ব্ৰাহ্মনৰ চৰণ পখালিলা। দ্ৰোপদী পৰিবেশন কৰিলা। কৰ্ণে দান দিলা।'-কথা ভাগৱত।

মাধৱ কন্দলীৰ পৰা ভট্টদেৱলৈ কমতা ৰাজ্যত লিখিত ভাষাৰ ক্ষেত্ৰত যি পৰিবৰ্ত্তনৰ ধাৰা দেখা যায় তাত চিন্তাৰ খোৰাক নিশ্চয়কৈ আছে। কিয়নো এই যুগটো হৈছে **কমতাযুগ >কোচ যুগ >'ৰাজবংশী'** যুগ; অসমীয়া ভাষা সাহিত্যৰ গঢ় লৈ উঠাৰ যুগ। *ভট্টদেৱে এনে কেতবোৰ ঠাঁচ ব্যৱহাৰ কৰিছে, যিবোৰ একমাত্ৰ 'ৰাজবংশী' বসবাস অঞ্চলতহে পোৱা যায়- 'খেৰে মেঢ়াই অগ্নিদেই, বিছায়ে ডাকে, ডাসে-মসে খাই, অনেক যান্ত্ৰনা ভুঞ্জাৱে, ধৰিয়া জঙ্কাৰিলা, খুজি নিলা বিস্তৰ পুণ্য কৰিলা, হাতে ধৰিয়া ফুৰাইলা, আগে-পাছেও গৈলা, শঙ্খ ফুংকিলা, ইত্যাদি। ভট্টদেৱে প্ৰচলিত ভাষা প্ৰবাহত গদ্যৰ দৰে এক নতুন মাত্ৰাৰ শৈলী প্ৰয়োগ কৰি অসমীয়া ভাষাক আধুনিকতাৰ ফালে বোৱাই দিলে।

এই প্ৰবাহৰ হঠাতে ছন্দ-পতন ঘটিল ১৮৩৬ চনত যেতিয়া অসমীয়া ভাষাক অপসাৰণ কৰি বৃটিশ চৰকাৰে বঙলা ভাষাক অসমৰ চৰকাৰী ভাষা ৰূপে ঘোষণা কৰিলে। বহু সংগ্ৰামৰ পাছত বৃটিচে যেনিবা বুজি পালে যে অসমীয়া আৰু বঙালা একে ভাষা নহয়। ১৮৭৩ চনত বঙলা আঁতৰিলে, পুনৰ অসমীয়া ভাষাৰ প্ৰত্যাবৰ্ত্তন ঘটিল। ঠিক এই কালছোৱাত হৰকান্ত বৰুৱা সদৰামীন ৰচিত আত্মজীৱনী খনৰ ভাষাৰ ৰূপৰেখা আছিল-

'ইতিমধ্যে লক্ষীমপুৰৰ বিষ্ণুৰাম ও জীউৰাম পেচ্‌কাৰৰ পত্ৰ পালোঁ যে উকীলৰ জীয়েকক গহণা পিন্ধাই নি, মঞ্জি বিবাহ কৰাবৰ কাৰণে। সেই পত্ৰ পাই গহণা আনিবৰ কাৰণে ৰজা টেকেলাক গৌহাটী পঠাই গহণা নিয়ালোঁ।'

অসমত বঙলা ভাষা চলি থকা অৱস্থাতে ১৮৪৬ চনৰ জানুৱাৰী মাহত 'অৰুনোদই' নামৰ এখন মাহেকীয়া আলোচনী আমেৰিকান বেপ্টিস্ট মিছনে আলিভাৰ

টি কট্টাৰৰ সম্পাদনাত প্ৰথম প্ৰকাশ পায় শিৱসাগৰৰ পৰা। এই আলোচনীখন ১৮৮২-৮৩ চনলৈ চলিছিল। প্ৰথম সংখ্যাত প্ৰকাশ পোৱা এটা প্ৰবন্ধৰ ভাষা-

কানিৰ বিবৰণ।

Evils of Opium.

প্ৰথম চোআ। ১ নম্বৰ। জানুৱাৰী ১৮৪৬ খ্ৰিষ্ট অঃ সঁক।

অতি মন্দ বস্তু কানি, জি খাই বৰ অগিয়ানি

সঞ্চিত বস্তু হই তাৰ হানি, মুখে কই কটু বানি।

*　　*　　*　　*

কাকতি ফৰিঙ্গৰ কথা।

Locus in 1844

প্ৰথম চোআ। নম্বৰ ৬। জুন ১৮৪৬ খ্ৰিষ্ট অঃ সঁক।

ইংৰাজী ১৮৪৬ চনৰ ২৭ জানোআৰি তাৰিখত সনিবাৰে আন্দাজবেলি এপৰ ডেৰপৰ উঠাৰ সমযত, ভাটি ফালৰ পৰা কাকতি ফৰিঙ্গবোৰ আহি মোকাম সিৱসাগৰ পাই উজাই গৈছিলে। কিন্তু সেই ফৰিঙ্গবোৰ জিপিনে জাই, পকা মৌতকৈও অধিক ঘনে যায়। আকাস দেখিবলৈ নোপোৱাকৈ মেঘৰ নিচিনা ঢাকি যায আৰু বতাহৰ সদৃশ ভোঁ ভোঁকৈ জোআ সবদ সুনিবলৈ পাই, আৰু অতিসই ওখকৈ উৰিব পাৰে, আৰু সেই ফৰিঙ্গবিলাকৰ আটাইৰে একে বৰণ, এফেৰিও লৰচৰ নাই।

আধুনিক অসমীয়া ভাষাৰ ৰূপ পৰিপূৰ্ণভাৱে পৰিগ্ৰহন কৰে গুনাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা- এই সকল ব্যক্তিৰ হাতত। এটা উদ্ধৃতি দিয়া হ'ল-

'আসাম বন্ধু' ২য় খণ্ড, ১৮৮৫

আমাৰ ভাষাৰ অৱস্থা নিচেই কেঁচুৱা। পনীযা বস্তুৰ দৰে। স্থিৰ হোৱা নাই। নানা জনৰ নানা ৰুচি। নানা জনৰ নানা মত। অনেকে আমাক ৰাঙলীৰ গাত আওজা বুলি ইতিকিং কৰে। ....

....

- গুনাভিৰাম বৰুৱা

গতিকে, দেখা যায যে মাগধীৰ পৰা ওলোৱা প্ৰাচ্য অপভ্ৰংশ ৰূপটো কোচ ৰজা সকলৰ আমোলত এটা স্বকীয় ৰূপ পৰিগ্ৰহন কৰে। ৰজা সকলৰ পৃষ্ঠপোষকতাত জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাত, জীৱন শৈলীৰ স্বচ্ছন্দতাত আৰু শান্তিৰ পৰিবেশৰ

মাজত কবি- সাহিত্যিক সকলে সাহিত্য চৰ্চা কৰি গৈছিল। লগে লগে ভাষাটোৰো ক্ৰমবিকাশ ঘটি গৈছিল। ভাষাটোৱে উচ্চ স্তৰৰ পৰা অৱনমিত হৈ জনসাধাৰণৰ কেচা ভাষাৰ সৈতে সনা-পটকা হৈ হৈ ৰূপান্তৰ হৈ গৈছিল। ইয়ে 'ৰাজবংশী' ভাষাৰ ৰূপ পৰিগ্ৰহন কৰিছিল। সূৰ্য্যৰ ৰশ্মি যিমানেই তীব্ৰ হয় সিমানেই পোহৰ অধিক উদ্ভাসিত হোৱাৰ দৰে কমতাপুৰৰ ৰজা সকলৰ প্ৰতাপত কবি-সাহিত্যিক সকল ভাষা-সাহিত্যৰ সুবাস দুৰ-দূৰান্তৰলৈ বিয়পাই দিব পাৰিছিল। যদি আহোম ৰজাই শ্ৰীশঙ্কৰদেৱক খেদি নপঠালেহেঁতেনে, তেন্তে পৰিস্থিতি অন্যৰূপ ললেহেঁতেন। তাৰ প্ৰমান পোৱা যায ১৮২৬ চনত অসমত বৃটিচ ৰজাৰ পত্তন হোৱালৈ। মিছনেৰী বিলাক ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে উজনি অসমৰ শিৱসাগৰত ঘাটি পাতিলে। ছপাশাল থাপিলে। স্থানীয লোকে বুজিব পৰাকৈ ভাষাৰ সংস্কাৰ সাধন আৰম্ভ কৰিলে। ক্ৰমাগত ভাৱে ১৯শ শতিকাৰ শেষাংশত আধুনিক অসমীয়া ভাষা দৃঢ গঢ় লৈ উঠিলে। গতিকে 'ৰাজবংশী' ভাষাৰ ভেটিতে আধুনিক অসমীযা ভাষা ঠন ধৰি উঠাটোত কোনোবাই হয়তো বিতৰ্কৰ অৱতাৰাণা কৰিব পাৰে, কিন্তু মাধৱ কন্দলীৰ পৰা গুনাভিৰাম বৰুৱালৈকে বৃহত্তৰ কমতা ৰাজ্যত ভাষাৰ ক্ৰমবিৱৰ্তন যি ভাৱে ঘটি আহিছে- তাক অস্বীকাৰ কৰিব পৰাৰ থল নাই যেন লাগে।

ঠিক একেদৰে কাছাড অঞ্চলতো (দক্ষিন অসম) একেই উদাহৰণ প্ৰযোজ্য। ১৫৬২ খৃঃত কমতাপুৰৰ ৰজা নৰনাৰাযনৰ ভাতৃ চিলাৰায়ে মাইবং অধিকাৰ কৰি সমতল কাছাড অধিকাৰ কৰে। বৰ্তমানৰ অবিভক্ত কাছাড জিলা বাংলাদেশৰ শ্ৰীহট্ট জিলা আৰু মৈমনসিংহ জিলাৰ পূৰ্বাংশ আৰু ত্ৰিপুৰা সামৰি এখন নতুন কোচ ৰাজ্য স্থাপন কৰি অনুজ কমল নাৰায়ন (গোঁহাই কমল)ক উপৰজা পাতে। ইয়ে ঐতিহাসিক খাচপুৰ ৰাজ্য (কোচপুৰ')। ১৭৪৫ চনলৈ ই স্থায়িত্ব লাভ কৰিছিল। পিছে অন্তিম জন ৰজা ভীম অপুত্ৰক হোৱাত একমাত্ৰ কন্যা সন্তান কাঞ্চনীক মাইবঙৰ কছাৰী ৰাজকোঁৱৰে লক্ষ্মীচন্দ্ৰ বিবাহ কৰাত খাচপুৰ ৰাজ্য চামিল হৈ পৰে ১৭৫০ চনত। খাচপুৰ ৰাজ্যৰ ৰজাসকল 'দেহান' নামেৰে জনাজাত আৰু প্ৰজা সকল 'বৰ্মন' বুলি পৰিচয লভিছিল।

খাচপুৰ প্ৰথমতে 'কোচপুৰ' নামেৰে আছিল আৰু উপৰজা কমল নাৰায়ন (চিলাৰায়ৰ মৃত্যুৰ পাছত 'ৰজা' উপাধি লৈছিল) খাঁটি কমতাপুৰী আছিল। কিন্তু ভাষাৰ ক্ষেত্ৰত প্ৰকৃত কমতাপুৰী ভাষাটো ৰাখিব নোৱাৰিলে। কাৰণ, সেই অঞ্চলত ইতিমধ্যে 'প্ৰাচ্য অপভ্ৰংশৰ' বঙ্গ ৰূপটো গজগজীয়া হৈ উঠিছে। তথাপি ৰজাৰ ভাষাটো

বাহুল পৰিমানে প্ৰক্ষিপ্ত হ'ল। ফলত, এটা সংমিশ্ৰিত ভাষাৰ উদ্ভৱ হ'ল- যিটো নহ'ল বঙলা, নহ'ল অসমীয়া।

সেই অঞ্চলৰ এটা লোকগীত -(১৬শ শতিকাৰ শেষ)

'সুনাবাৰই ৰূপোবৰই তাৰা দুই ভাই।
তান ঘৰ জৰ্ম কইন্যা ৰূপাস ভেলাই।।
এই কইন্যা মাইয়ে যদি খুসিৰে নাদেও বিযা।
আস পাৰ ৰাখিমু আমি বাৰইৰ বাড়ী গিযা।।
কবাট খুল মদন ৰাজা বাক্যি কইলাম মাইযে।
কাইলকুয়া যাহমু আমি কইন্যা জুৰিবাৰে।।
ৰাতি পুৱাইলে মায়ে দাসী বুডি ডাকে।
গুয়া পদনেৰ ঝাপি আনি সাজাও সত্তুৰে।।

পৰবৰ্ত্তী ৰজসকল 'বঙ্গ' ভাষাৰ পৃষ্ঠপোষক হোৱাৰ ফলত খাচপুৰ ৰাজ্যৰ আমূল পৰিবৰ্তন ঘটে। তেনে এটা গীত (১৯শ শতিকাৰ প্ৰথম)-

'ভ্ৰাতাৰ নিকট ৰাজা লইযা বিদায।
পূৰ্বাপৰ ৰাজনীতি ভ্ৰাতাৰে শিখায।।
দণ্ডবৎ কৰে পড়ি গোবিন্দ চন্দ্ৰ ৰায।
আশীষ কৰিল তাহা ৰাজা মহাশয়।।
অন্তঃপুৰে ৰাজৰাণী সবে সম্ভাষিযা।
বিদায হইল ৰাজা সবে সম্বোধিযা।।

উপৰি উক্ত আলোচনাৰ পৰা এইটো সাব্যস্ত কৰিব পৰা যায় যে কমতাপুৰী ৰজা সকলৰ পৃষ্ঠপোষকতাত 'ৰাজবংশী' (গ্ৰিয়াচন চাহাবে নামাকৰণ কৰা) ভাষাটো ঠন ধৰি উঠে। কিন্তু ৰজাঘৰীযা পৃষ্ঠপোষকতা ৰহিত হোৱাৰে পৰা ই ভাষাৰ মৰ্য্যাদাৰ পৰা কিছু অৱনমিত হ'ল যদিও অসমীয়া ভাষাৰ পৰিকাঠামোৰ পৰা ই চ্যুত নহ'ল। আনহাতে বৃটিচ ৰাজৰ পৃষ্ঠপোষকতাত এই পৰিকাঠামোটোৱে উজনী অসমৰ শিৱসাগৰীয় ঠাঁচত পৰি ৰূপৰ কিছু পৰিবৰ্তন ঘটিল। এনতে এদল শক্তিশালী লেখকৰ লেখনিত ভাষাটোৱে এটা স্থায়ীৰূপ পৰিগ্ৰহন কৰি আধুনিক অসমীয়া ৰূপটো হ'ল।

অসমীয়া ভাষাৰ আধুনিক ৰূপটোকো যদি বিশ্লেষণ কৰিব পৰা যায়, তেন্তে দেখিবলৈ পোৱা যায় যে এই বিশ্লেষনে ক্ৰমাগত ভাৱে ৰাজবংশী ভাষাটোৱে দিয়া পৰি কাঠামোটোলৈ গতি কৰে। ভাষাবিদ বাণীকান্ত কাকতীদেৱে তাকেই আঙুলিয়াই দিছে-

ভাষা দুই প্ৰকাৰৰ- **কথিত ভাষা আৰু লিখিত ভাষা**। কথিত ভাষা অঞ্চলভেদে ভিন ভিন হয়। উচ্চাৰণৰো তাৰতম্য ঘটে। যি অঞ্চলৰ পৰা প্ৰভাৱশালী লেখক ওলায় আৰু বেচি ৰকম হয়, সেই অঞ্চলৰ কথিত ৰূপটোৱে সাধাৰণতে মান্য ৰূপ পায়। ড° বাণীকান্ত কাকতিদেৱে এই সম্পৰ্কত দিয়া উদাহৰণটো প্ৰনিধানযোগ্য। অসমৰ বিভিন্ন অঞ্চলৰ কথিত ভাষাৰ উল্লেখ কৰি আধুনিক অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ গাঁথনিটো দেখুৱাইছে।

১। **শিৱসাগৰ অঞ্চলৰ** -'কোনো এজন মানুহৰ দুটা পুতেক আছিল, তাৰে সৰুটোৱে বাপেকক ক'লে, 'ঐ বোপাই আপোনাৰ সম্পত্তিৰ মই যি ভাগ পাঁও, তাক মোক দিয়ক।' তাতে তেওঁ তেওঁৰ সম্পত্তি দুযো পুতেকৰ ভিতৰত বাটি দিলে।"

২। **পূব কামৰূপ অঞ্চলৰ** -"এটা মানুহৰ দুটা পুতাক আছিল। সেহাঁতৰ সৰুটুই বাপেকক কলাক, 'হে পিতে, সম্পত্তিৰ মোৰ ভাগত যিখিনি পৰি, তাকে মোক দি।' তাতে তেওঁ নিজৰ সম্পত্তি সেহাঁতক ভাগি দিলাক।"

৩। **দক্ষিন কামৰূপ অঞ্চল** - "কুনবা এটা মান্হুৰ দুটা পুতাক আছিল, একদিন সৰুটু পুতাকে বাপিয়াকক কলা, 'বাপাৰা, আপুনাৰ সম্পত্তিৰ মই ভাগত যেথান খিনি পাম তেথানখিনি মোক দিয়া।' তেথানে বাপিয়াকে নিজৰ সম্পত্তি দুযো পুতাকক ভাগে দিলা।"

৪। **পশ্চিম কামৰূপ অঞ্চল** - "কুনবা এটা মানহোৰ দুটা পুতেক আছিল। একদিন সৰুটু পুতেকে বাপেকক কলাক, পিতা, তামাৰ সম্পত্তিৰ মই যিখিনি মোৰ ভাগত পাঁও, সিখিনি মোক দিযা।' তেথেন বাপেকে নিজৰ সম্পত্তি তাহাক ভাগে দিলাক।"

৫। **শালকোচা অঞ্চল** [(ৰাজবংশী ভাষাঃ) (মধ্য গোৱালপাৰা)] ঃ- "কুনো একজন মান্সিৰ দুইজন ছাৱা আছিল। তাৰে ছোটটায়ে বাপক কইল, 'বাবা, সম্পত্তিৰ যে ভাগ মোৰ হয়, তাক মোক দে। তাতেই নিজেৰ সম্পত্তি উমাক বাটিয়া দিল।'

প্ৰসঙ্গক্ৰমে, উত্তৰবঙ্গ বিশেষকৈ কোচবিহাৰ অঞ্চলত এই কথাখিনি এনেধৰণৰ কথিত ৰূপ হব ঃ- "কুনো একজন মাইন্সেৰ দুইটা বেটা আছিলো। উৱাৰ চটোটায

বাপক কইল্, 'বাফৈ তমাৰ সম্পত্তিৰ যে ভাগ আমি পামো, সেটা আমাক দেও।' তাতে উৱায উৱাৰ সম্পত্তি দনো বেটাৰ মাজত বাটি দিলেক্।"

উল্লেখিত ৰূপ কেইটাৰ প্ৰচলন থকা অঞ্চল বোৰৰ ভৌগলিক ক্ৰম মন কৰিবলগীয়া। ৰজাঘৰীযা পৃষ্ঠপোষকতা লাভ নকৰিলে কোনো ভাষাৰ উন্নতি আৰু সাহিত্য সৃষ্টি হব নোৱাৰে। আহোম ৰজাসকলে অনিবাৰ্য কাৰণবশতঃ নিজৰ মাত কথা এৰি দি প্ৰজাৰ মাত কথাকে আকোৱালি লৈছিল আৰু বুৰিচ ৰাজে শিৱসাগৰ অঞ্চলৰ মাত কথাকে লিখিত ৰূপ দিছিল বাবে আধুনিক অসমীয়া ভাষাৰ ঠাঁচটো শিৱসাগৰীয় হৈ পৰিল।

বিপৰীত ভাৱে সংস্কৃত ভাষাটোৰ কথাটোকে লব পাৰি। এসময়ত সংস্কৃত ভাষা গোটেই উত্তৰ ভাৰতৰে ভাষা আছিল। এই ভাষাৰে সাহিত্য সংস্কৃতি গঢ়ি উঠিছিল। কিন্তু আজি ই মৃত ভাষাত পৰিণত হ'ল। গ্ৰীক, লেটিন আদি ভাষাৰো একে দশা ঘটিছে। একেদৰে 'ৰাজবংশী' ভাষাৰো এই অৱনতি ঘটিছে। এদল শক্তিশালী লেখকৰ অভাৱেই ইযাৰ কাৰণ।

বৰ্ত্তমান কোনো ভাষাই ৰাজ-পৃষ্ঠপোষকতা লাভ কৰিব পৰাৰ অৱকাশ নাই। প্ৰজা সাধাৰণেহে ৰাজ দৰকাৰ বা বিশ্ব দৰবাৰলৈ লৈ যাব লাগিব। এই ক্ষেত্ৰত বড়ো ভাষাৰ কথাটোকে দৃষ্টান্ত ৰূপে লব পৰা যায। জৰ্জ আব্ৰাহম গ্ৰিযাৰ্চন চাহাবকে এই উপভাষাটোক 'ৰাজবংশী' ভাষাৰূপে প্ৰথমবাৰৰ বাবে মান্যতা দিযা ব্যক্তি হিচাবে লব পৰা যায়। মহান ভাষাবিদ গ্ৰিয়াৰ্চন চাহাবে নামাকৰণ কৰা 'ৰাজবংশী' ভাষাটোক বিশ্ব দৰবাৰলৈ লোৱাৰ দায়িত্ব এই ভাষাক মাতৃভাষা ৰূপে ধৰি থকা সন্তান সকলৰ।

গ্ৰন্থপঞ্জী

১। A History of Assam .. Sir Edward Gait

২। অৰুনোদইৰ ধলফাট .. .. .. ড° বিৰিঞ্চি কুমাৰ বৰুৱা (সঙ্কলন)

৩। অসমৰ জনজাতি . . .. . শ্ৰী প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য

৪। কছাৰী ৰাজ্য-উত্থান আৰু পতন... . ড° জযন্ত ভূষণ ভট্টাচাৰ্য্য

৫। সঞ্চয়ন .. . . ড° মহেশ্বৰ নেওগ (সঙ্কলন)

৬। ভাষা-সাহিত্যৰ সুবাস . .. . ড° লীলাৱতী শইকীয়া বৰা

৭। Assamese Its Formation
And Development. .. .. Banikanta Kakati
৮। বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি .. . . শ্ৰী ভবেন নাৰ্জি।
৯। Linguistic Survey of India..... G.A. Grierson.

—:O:—

ঈশ্বৰে যিখিনি শব্দ নিজেই ফুটাই তোলে তোমাৰ ওঁঠেৰে;
তাত বাদে তোমাৰ আন একোৱেই নুশুনে ঈশ্বৰে।

- খলিল জিব্ৰান।

গাঁও দুখনৰ কথা- কামাৰ ডিহি আৰু শ্ৰীগ্ৰাম

মহম্মদ আলী
কামাৰডিহি

শালকোচাত ইচলাম ধৰ্মী লোক সকলৰ বসতি বেছিদিনীয়া নহয়। তথাপি ওঠৰ শতিকাৰ প্ৰথম দশকৰ ফালে প্ৰবজন হোৱা বুলি অনেকে ধাৰণা কৰে। শালকোচাৰ দক্ষিন-পশ্চিম কোণত থকা টোকোৰাবান্ধা পাহাৰৰ দক্ষিন ফালে থকা 'নটেযা' নামৰ ঠাই ডোখৰত কেইঘৰমান মুচলমান লোকে প্ৰথম বসতি আৰম্ভ কৰে। এই লোকসকলৰ বৰ্তমানৰ বাংলাদেশৰ ৰংপুৰ জিলাৰ 'বাহিৰ বন্দ', অঞ্চলৰ লোক বুলি জনা যায। ৰংপুৰ চহৰৰ পশ্চিমৰ অসমৰসীমাত থকা অঞ্চলটোক 'বাহিৰবন্দ' বুলি কৈছিল, আৰু ইযাৰ অধিবাসীসকল 'বাহিৰ বন্দী'>'বাইৰবন্দীযা' নামে পৰিচিত আছিল।

কিছু বছৰ পিছত, 'নটেযাৰ' পৰা লোক সকল উঠি আহি শালকোচাৰ দক্ষিনত 'কমাৰডিহি' নামৰ গাঁওখনত আহি বসবাস কৰা আৰম্ভ কৰে। ইযাৰ কোনো চন তাৰিখ জনা নাযায। এই লোক সকল ইচলাম ধৰ্মত দীক্ষিত লোক আছিল অথবা এওঁলোকৰ পিতৃ-মাতৃ সকল দীক্ষিত আছিল। ইযাৰ প্ৰমান গাঁওখনৰ নামটোৱে। গাঁওখনত 'কামদেৱ'ৰ থান পাতিছিল। মানুহ বিলাকে ৰীতি মতে কাম -দেৱৰ পূজা দিছিল। থানখনৰ ঠাইডোখৰ আজিও 'মদন কামৰ মাটি' বুলি স্থানীয ৰাইজে কয। এই কামদেৱৰ পৰাই 'কামৰ ডিহি' হৈছে। 'ডিহি' মানে অঞ্চল। গাঁওখনৰ কিছু পশ্চিমে 'মদনেৰ ভিটা' বুলি ঠাইখনে ইযাৰ সাক্ষ্য আজিও বহন কৰি আছে। কামাৰডিহি গাঁওৰ গাতে লাগি থকা ব্ৰহ্মপুত্ৰৰ পাৰৰ বৃহৎ অঞ্চলটো ভুলকাগুৰি বুলি জনাজাত। এই অঞ্চলটো বৰ্তমানে ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে।

কমাৰডিহি গাঁওখনে শালকোচাত প্ৰথম মুচলমান গাঁও। গাঁওখন প্ৰথমৰে পৰা বৰ্তমানলৈকে একে স্থানতে আছে। অৱশ্যে সম্প্ৰসাৰণ ঘটিছে। গাঁওখনৰ প্ৰথম

বাসিন্দাসকল কোন কোন আছিল নাম জনা নাযায। বৰ্তমানে সাতপুৰুষ চলি আছে বুলি অনেকে ঠাৱৰ কৰে। চাৰি পুৰুষ পূৰ্বৰ কেইজনমান লোকৰ নাম পোৱা যায়- ইয়াৰু সেখ, খাইৰু সেখ ইত্যাদি। এওঁলোকৰে সতি-সন্ততি লৈ কামাৰডিহি গাঁওৰ অধিকাংশ বসতি।

কমাৰডিহি গাঁওৰ পুৰণি বাসিন্দা সকলৰ সামাজিক ৰীতি-নীতি ৰাজবংশী সকলৰ লেখীয়া আছিল। পুৰুষ বিলাকে ধুতি আৰু গামোচা পিন্ধিছিল। খেতি বাতিৰ ৰীতি-নিয়মবোৰ স্থানীয় ৰীতি-নীতিৰ সৈতে মিলিছিল। শালিধানৰ 'গছা' দিয়াৰ দিনা খেতি পথাৰত কলপুলি, কচুপুলি ৰোৱা, ধান পকিলে 'আগ' অনা, ভঁৰালত দোমাহীৰ দিনা সেন্দুৰৰ ফোট দিয়া, ধানখেৰেৰে গছ বন্ধা, 'ভেলা ঘৰ' সজা, কুশান যাত্ৰা কৰা ইত্যাদি। ই বোৰতকৈও ডাঙৰ কথাটো হৈছে মূৰ্ত্তি পূজাত শ্ৰদ্ধা ভক্তি আছিল। গৰু ম'হৰ 'বাথান' ৰাখিছিল আৰু হৰিণ চিকাৰ কৰিছিল।

কামাৰ ডিহি গাঁওৰ পুৰণি মানুহবোৰে মনসা 'ভাসান যাত্ৰা' কৰিছিল। সেই অঞ্চলটোৱে হেনো 'কালিদহ'>'কালীদেও' সাগৰ বুলি এটা জনশ্ৰুতি আজিও শুনা যায। ইযাতেই চান্দ সদাগৰৰ চৈধ্য ডিঙা মনসাদেৱীৰ ৰোষৰ বলি হৈ ডুবিছিল আৰু 'চান্দৰদিঙা' নামলৈ আজিও পাহাৰখন সেই ঐতিহ্যৰ ঘোষনা দি আছে'

ওচৰ-চুবুৰীযা গাঁওবোৰৰ সৈতে কামাৰডিহি গাঁওৰ মানুহবোৰৰ সামাজিক মিলা-প্ৰীতি আজিও খুব ভাল। কিন্তু গাঁওখনত আৰু কাষৰীযা অঞ্চলবোৰত চৰ এলেকাৰ বহুলোক অভিবাসী হৈ অহাৰ ফলত তাহানিৰ 'বাথানো' আজি নাই, শান্ত-নিৰিবিলিৰ পৰিবেশো নাই। চান্দৰ ডিঙা, দুধনাথ, টোকোৰাবান্ধা পাহাৰত হৰিণ, বাঘ, ভালুক থকাতো দূৰৰ কথা গছ এডালো বিচাৰি পাবলৈ নাই। অথচ কাষেৰে যোৱা ৰাষ্ট্ৰীয ঘাই পথেৰে দিনে ৰাতি দায়িত্বশীল লোকসকল অহা-যোৱা কৰি আছে। সেইফালে দৃষ্টি দিযাৰ কাৰো আহৰি নাই।

কামাৰডিহি গাঁওত আদি অৱস্থাত শিক্ষা-দীক্ষাৰ কোনো ব্যৱস্থা নাছিল। ৰংপুৰৰ পৰা কেতিযাবা একোজন 'বাবাজী'>'বোৱাজী' আহিছিল। 'বাবাজী'ক ধাৰণা কৰিব নোৱাৰা ধৰণে শ্ৰদ্ধা ভক্তি যাচিছিল। যি কেইদিন তেওঁ গাঁওত থাকিব সেই কেইদিন গাঁওৰ মানুহৰ তত নোহোৱা হৈছিল। ভালৰো ভালখিনি খুৱাইছিল। এই 'বাবাজী' সকল পুৰুষানুক্ৰম মানিছিল। এই বাবাজী সকলে কেইজন মান লোকক বাংলা ভাষাত লিখা পঢ়া শিকাইছিল। কিন্তু ই ইমান কম সময়ৰ বাবে যে তাৰ দ্বাৰা কোনো কাম নহৈছিল। অধিক সময় তেওঁলোক ধৰ্মশিক্ষাতহে মন দিছিল। ইচলামৰ

ৰীতি-নিয়মবোৰৰ শিক্ষা দিছিল। পৰম্পৰাগত ভাৱে পালন কৰা ৰীতি-নীতিবোৰ বাদ দিয়াৰ বাবে 'বাবাজী'য়ে বেছি জোৰ দিছিল।

শ্ৰীগ্ৰাম আন এখন মুচলমান গাঁও। গাঁওখনৰ সন্মুখ অংশটোত হিন্দু সকলে আৰু পিচৰ অংশটোত মুচলমান সকলে বাস কৰে। কামাৰ ডিহি গাঁওৰ প্ৰায় সম-সাময়িক বা অলপ পিছতে এইখন গাঁওলৈ মুচলমান কেইঘৰমান আহিছিল। তাৰে ভাজন বেপাৰী প্ৰমুখ্য আছিল। তেওঁ প্ৰথমতে অকলে আহি 'নিয়োগীবাৰীত' আশ্ৰয় লৈছিল- চিনা জনা আছিল। মানুহজন ধপাতৰ বেপাৰী আছিল। বৰ্তমানৰ 'নিয়োগীবাৰী' দক্ষিন-পশ্চিম কোণত বেপাৰীয়ে ঘৰ বান্ধি বাস কৰিছিল। নিয়োগী সকল জমিদাৰ আছিল আৰু তেওঁলোকৰ পূবপুৰুষ পূৰ্ববঙ্গৰ আছিল। ভাজন বেপাৰীয়ো পূৰ্ববঙ্গৰ ৰংপুৰ জিলাৰ অলিপুৰৰ বাসিন্দা আছিল। পৰবৰ্তী, বেপাৰীয়ে শ্ৰীগ্ৰামলৈ উঠি আহিল। পুখুৰীপাৰাৰ ব্ৰাহ্মন জমিদাৰ জনেও বেপাৰীক পুখুৰীপাৰাত বসবাস কৰিবলৈ মাতিছিল। কিন্তু শ্ৰীগ্ৰামৰ বৰুৱা জমিদাৰৰ আহ্বানত শ্ৰীগ্ৰামত বসতি কৰিছিল। ভাজন বেপাৰীৰ পিছতে আৰু এজন মানুহ আহি লগ হৈছিল- তেওঁ হ'ল লালু সেখ। মুখে মুখে বাগৰি অহা কথাৰ পৰা জন যায় যে লালু সেখৰ মাকে বোকোচাত কেচুবাটি বান্ধি লগত এটা সৰু ল'ৰা লৈ ঘৰৰ পৰা ওলাই আহিছিল স্বামীক বিচাৰি বিচাৰি। অৱশেষত শাকোচাত আহি লগ হৈছিল। দুৰ্গম এক মুলুকত সুদুৰ ৰংপুৰৰ পৰা খোজ কাঢ়ি স্বামীক বিচাৰি উলিওৱাটো কম কথা নাছিল। এই জমিদাৰ সকল আৰু প্ৰথম প্ৰব্ৰজনকাৰী দুজন একে মুলুকৰে নিবাসী আৰু জনা-শুনা আছিল বুলি জনা যায়।

এই দুটা পৰিয়ালৰে সতি-সন্ততিৰে বৰ্তমান শ্ৰীগ্ৰাম গাঁওৰ মুচলমান সকল। কামাৰডিহি গাঁওৰ ক্ষেত্ৰত ইতিমধ্যে যিখিনি সামাজিক ৰীতি-নীতিৰ কথা উল্লেখ কৰা হৈছে, অনুৰূপ ৰীতি-নীতি শ্ৰীগ্ৰামতো প্ৰচলিত আছিল বুলি জনা যায়। উদাহৰণ স্বৰূপে শ্ৰীগ্ৰামৰ কন্যা এজনীক হাকামাৰ বানীয়াপাৰা গাঁওত বিয়ালৈ উলিয়াই দিয়াৰ সময়ত সেন্দুৰ, ঢোল, পাল্কী আদি ব্যৱহাৰ কৰা হৈছিল। শ্ৰীগ্ৰামৰ হিন্দুবিলাকে বাঁহপুজাৰ প্ৰথম বাঁহ ডাল শ্ৰীগ্ৰামৰ বিশেষ এটা মুচলমান পৰিয়ালৰ লোকৰ দ্বাৰা কটাইছিল। দুয়োখন গাঁওৰ সামাজিক কামৰ ক্ষেত্ৰত দুয়ো ধৰ্মৰ মানুহ বিলাকে 'মাজেৰ শালি ভুঁইত' বহি তামোল-পান খাই আলোচনা কৰিছিল। এইবোৰ ঘটনাই ইঙ্গিত কৰে যে এই সকল লোকৰ পূৰ্বপুৰুষ একে ঠাইৰে, হয়তো একে বংশজাত আছিল।

কামাৰডিহি আৰু শ্ৰীগ্ৰামৰ সমসাময়িক মুচলমান গাঁও চাপৰৰ কাজীপাৰা আৰু বিলাসীপাৰাৰ মাছপাৰা আছিল। তেওলোকো একে ঠাইৰে পৰা প্ৰব্ৰজিত হৈছিল আৰু পৰস্পৰ আত্মীয় আছিল। শালকোচাৰ হাৰকাটা, সোনামুখী, মচ্কাগুৰি-মুচলমান গাঁও তিনিখনৰ বসতি বেছি দিনৰ নহয়। ইয়াৰ বাহিৰে শালকোচাত অধুনা যিবোৰ মুচলমান গাঁও দেখা যায়- আটাইবোৰে অভিবাসী লোকৰ।

কামাৰডিহি আৰু শ্ৰীগ্ৰামৰ খিলঞ্জীয়া মুচলমান সকল আৰু শালকোচাৰ অন্য সম্প্ৰদায়ৰ খিলঞ্জীয় লোক সকলৰ মাজত, তাহানিৰ কথা বিস্মৃত হলেও আজিও কিবা এটা আকৰ্ষণ অনুভুত হয়-ই প্ৰতিবেশিক নে পাৰিবাৰিক!

—ঃOঃ—

মানুহে জীৱনৰ প্ৰত্যেকটো দিনেই এনেকৈ যাপন কৰিব লাগে
- যেন সেই দিনটোৱেই তেওঁৰ জীৱনৰ শেষ দিন।

-আল. কোৰ আন।

সূত্ৰধৰ সম্প্ৰদায়ৰ কিছু কথা-

শ্ৰীলক্ষ্মন চন্দ্ৰ দেৱ সূত্ৰধৰ

শালকোচা বজাৰ।

প্ৰাক বৈদিক কালৰ পৰাই বিশাল ভাৰতবৰ্ষৰ বুকুত বিভিন্ন জনগোষ্ঠীৰ সৈতে সূত্ৰধৰ জাতিৰ হিমালযৰ দক্ষিন দাঁতিকাষৰীয়া বনাঞ্চলেই পূৰ্ব পুৰুষৰ আদি বাসস্থান আছিল। পদ্মা পুৰাণৰ মতে চান্দ সদাগৰে লোহাৰ ঘৰ আৰু চৈধ্যখন ডিঙা তৈয়াৰ কৰিবলৈ প্ৰধান মিস্ত্ৰী অৰ্থাৎ বাঢৈ তাৰাপতিৰ লগত সূত্ৰধৰ মানুহ আনিছিল। ১৪০০ শতিকাৰ আগতে সূত্ৰধৰ জাতিটোৰ অসমলৈ প্ৰব্ৰজন হয়। ইয়াৰ পিছত আহোম ৰজাই ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ, শিৱদৌল আদি সাজিবৰ বাবে পশ্চিমদেশৰ পৰা মানুহ আনিছিল। ৰংঘৰৰ মিস্ত্ৰীজনৰ নাম ফলকত 'ঘনশ্যাম' বুলি লিখা আছে। এওঁ সূত্ৰধৰ জাতিৰেই লোক বুলি জনা যায়। ইয়াৰ পিছত বিভিন্ন পৰিয়ালে বিভিন্ন ঠাইত স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। আনহাতে লোকশ্ৰুতি অনুসৰি যেতিয়া ৰংপুৰখন পুৰণি কামৰূপ ৰাজ্যৰ পৰা পৃথক হৈ যায় তেতিয়া আনজাতিৰ লগতে সূত্ৰধৰ জাতিৰো কিছুলোক তাৰ পৰা আহি অসমৰ বিভিন্ন ঠাইত বসবাস কৰি থাকিবলৈ লয়। ইযাৰে কিছুমান সূত্ৰধৰ লোকে শালকোচাৰ বিভিন্ন গাঁওত বসবাস কৰিবলৈ ধৰে। আগতে শালকোচা অঞ্চলৰ নিয়োগীপাৰা, বৰুৱাপাৰা, হাপাপাৰা, পুখুৰীপাৰা, শালবাৰী, ভেলুপাৰা, কামাৰপাৰা, বানীয়াপাৰাত সূত্ৰধৰ জাতিৰ লোক আছিল। যদিও বৰ্তমানে শ্ৰীগ্ৰাম আৰু বাণীযাপাৰা গাঁওত এই জাতিৰ লোক নাই। শালকোচা অঞ্চলৰ সূত্ৰধৰ সকলে সূত্ৰধৰ উপাধিৰ বাহিৰে আন উপাধি নিলিখে।

বৰ্ত্তমান জীৱিকা নিৰ্বাহ বা পৰিবেশৰ লগতে মিলাই চলিবৰ বাবে বিভিন্ন ধৰণৰ কৰ্ম কৰা দেখা যায় যদিও সূত্ৰধৰ জাতিৰ মুখ্য কৰ্ম হ'ল কাঠ শিল্প (বাঢ়ৈ)। বৰ্ত্তমানেও বেছিভাগ লোকৰে জীৱিকাৰ মূল পেষা মিস্ত্ৰী। যি সকল লোকে জানে তেওঁলোকে সূত্ৰধৰ দ্বাৰাইহে মঠ-মন্দিৰ নিৰ্মাণ কৰি লয়। এই অঞ্চলত থকা সূত্ৰধৰ

লোকৰ সংখ্যা ১৯৯৭ চনত কৰা জৰীপ অনুযায়ী ৬৩৭ জন। স্বাক্ষৰ লোকৰ সংখ্যা ১৯০ জন শতকৰা হিচাপত ২৯%। হিন্দু জাতিৰ সকলোবোৰ পূজা-পাৰ্বন, নিয়ম নীতি মানি চলে। বিশেষকৈ বিশ্বকৰ্মাৰ বংশধৰ হিচাপে প্ৰত্যেকৰ ঘৰে ঘৰে আৰু ৰাজহুৱা হিচাবে এই পূজা পালন কৰা হয়। আনহাতে প্ৰতিখন গাঁওত সম্ভৱ নহ'লেও নিয়োগীপাৰাত বাঁশ পূজা ধুম ধামেৰে পালন কৰা হয়। সূত্ৰধৰ জাতিও পিতৃ বংশী। বিবাহ কাৰ্য্যত দৰাই কইনা বা ছোৱালীৰ ঘৰৰ পৰা ব্ৰাহ্মণৰ হতুৱাই হোম কৰি ব্ৰহ্মাক সাক্ষী কৰি নিয়মমতে বিয়া কৰাই লৈ অহা হয়। বিয়াৰ আগদিনা অধিবাস হয়। অধিবাসত ৰাতি নৌপুৱাওঁতেই সাত বৈৰাতীৰ দ্বাৰা পানী আনি সেই পানীৰে দৰা বা কইনাক গা-ধুৱা হয়। বিয়াত দৰা কইনাৰ হাতত তামোল পান, আয়না, দুৰ্বী, সেন্দুৰ, বাঁহত হালধী লগোৱা কাপোৰেৰে বন্ধা যাক ফল কাঠাৰী বা দৰপন কোৱা হয়। বিয়াৰ সময়ত ইয়াকে হাতত ৰাখিব লাগে। নিয়মমতে তাঁতত বোৱা বাৰ হাত ফালি দৰাৰ মূৰত বন্ধা হয়। কইনাই সিদিনাৰ পৰা ওৰণি লব লাগে। ছোৱালীয়ে পুষ্পিতা হোৱাৰ পিছত শান্তি লয়। সূত্ৰধৰে পুষ্পিতা হোৱা কন্যাক বিবাহ কৰায়। বিবাহত বৰ বৰোঁতে গামোচা, পাণ-তামোল চাকিৰ জৰিয়তে বৰণ কৰে। বিয়াৰ আঠ দিন পিছত 'আঠমঙ্গলা' উৎসৱ হয়।

সূত্ৰধৰৰ যদি লৰা জন্ম হয় তেনেহ'লে পাঁচ দিন আৰু ছোৱালীৰ জন্ম হ'লে চাৰি দিন তেওঁৰ বংশই অশৌচ থাকে। কিন্তু মাক-দেউতাক এমাহ সময় অশৌচ পালন কৰিব লাগে। বৰ্তমান শালকোচাৰ বসবাস কৰা সূত্ৰধৰ সকলে কাৰোবাৰ মৃত্যু হ'লে তাৰ বংশই দহ দিনত দশা, এঘাৰ দিনত শ্ৰাদ্ধ আৰু তেৰ দিনত মৎস্যাস্পৰ্শ কাৰ্য সমাপন কৰি শুচি হয়। আগত অৱশ্যে এমাহ কাল অশুচি আছিল। বৰ্তমান সময়ত কিছুমান ঠাইত এমাহ অশুচি পালন কৰা দেখা যায়।

শালকোচাৰ সূত্ৰধৰ সকল কাশ্যপ গোত্ৰৰ লোক। সূত্ৰধৰে উপনয়নৰ দিনা ভিক্ষা; ব্ৰহ্মচৰ্য্য আদি সমস্ত আচাৰপালন কৰি ২ দণ্ডী লগুন ধাৰণ কৰে। এই সংস্কাৰক উপনয়ন বোলা হয়। লগতে আচাৰ্য্যৰ পৰা গায়ত্ৰী মন্ত্ৰ গ্ৰহণ কৰে আৰু জপ কৰে।

আচাৰঃ-

(ক) সকলো সংস্কাৰত নান্দিমুখ শ্ৰাদ্ধ কৰা হয়।

(খ) নবান্ন ভোজন, হোম, ভোজ্য উৎসৰ্গ একোটা কৰ্ম।

(গ) সূত্ৰধৰ সকল জমিদাৰৰ হাতীৰ মাহুত, ফান্দী, বাঢ়ৈৰ কাম কৰিছিল। ফলত জমিদাৰে ভূমিদান কৰিছিল।

(ঘ) আজিৰ পৰা প্ৰায় ৬০ বছৰ পূৰ্বে সূত্ৰধৰৰ ব্ৰাহ্মণ বা পুৰোহিত বেলেগ আছিল। বৰ্তমান এই মতানৈক্য নাই।

(ঙ) সূত্ৰধৰ সকলে গোহাঁই (গোঁসাইৰ) দ্বাৰা শৰণাপন্ন হৈ শৰণ লৈ দীক্ষিত হয়।

(চ) সূত্ৰধৰ সকলে হাল বায়।

(ছ) সূত্ৰধৰ তিৰোতা সকলে মেখেলা চাদৰ, পাটানি বেছিঁকৈ ব্যৱহাৰ কৰে। তাঁত বোৱা, ফুল তোলা কাৰ্য্যৰ লগতে বহুতে গছৰ ছাল, ধুনা, তেজপাত আদিৰে ধুপ তৈয়াৰ কৰাত পাকৈত।

(জ) সূত্ৰধৰৰ আদ্য শ্ৰাদ্ধত যি বৰোৎসৰ্গ হয় তাৰ দানৰ বস্তুবোৰ পুৰোহিতে গ্ৰহন কৰে।

(ঝ) মাঘ বিহুৰ প্ৰথম দিনাখন পুৱা গা ধুই গোঁহাই, গুৰু, ডাঙৰক সেৱা কৰাৰ পিছত কলপাত চাউল দি বা গয়ছা পাতত চাউল দি বনোৱা পিঠা যাক টোপোলা পিঠা কোৱা হয় তাক সেৱন কৰে।

(ঞ) যি ব্যক্তিৰ মৃত্যু হয়, তেওঁৰ পুত্ৰই বা তাৰ ঘৰত এবছৰ নোহোৱা পয্যন্ত কোনো পূজা পাৰ্ব্বন কৰিব নোৱাৰে।

ভাষা হিচাপে শালকোচাৰ সূত্ৰধৰ সকলে গোৱালপাৰীয়া ভাষা কয়। সূত্ৰধৰ মানুহখিনি শিক্ষা-দীক্ষা, কৰ্ম্ম-চাকৰি-বাকৰি, ধন-ঐশ্বৰ্য্য আদি চাৰিওফালৰ পৰা পিচপৰা। এইবোৰৰ প্ৰতি লক্ষ্য কৰিয়েই এই লোক সকলক আগুৱাই অনাৰ বাবে ১৯৫০ চনত অনুন্নত জাতি হিচাপে অনুসূচিত জাতিত তালিকাভূক্ত কৰে। কিন্তু তালিকাভূক্ত হৈ পঞ্চাশ বছৰ পাৰ হোৱাৰ পিছতো চৰকাৰ বা আন অনুষ্ঠানৰ পৰা ভাল সুযোগ-সুবিধা লাভ কৰিব পৰা নাই। শালকোচাত মাত্ৰ এঘাৰজন চৰকাৰী চাকৰিয়াল। কিছুমানে হাল বায় যদিও নিজা খেতি মাটি প্ৰায় নাই বুলিবই পাৰি। আনহাতে বেছিভাগ মানুহে মিস্ত্ৰী বা বাঢ়ৈ, দিন-মজুৰী কৰি কোনো ৰকমে জীৱিকা নিৰ্বাহ কৰি আছে।

—ঃOঃ—

শালকোচাৰ পুৰণি কলীয়া খেল-ধেমালি সমূহ-

কানুৰাম বৰ্ম্মন
কামাৰপাৰা

খেল-ধেমালি আনন্দ লভাৰ এটা উৎস। বুদ্ধিৰ কৌশল আৰু অঙ্গ সঞ্চালন নিৰ্দ্দিষ্ট নিয়মত কোনোবা ঘটনা বা বিষয়ৰ সৃষ্টি কৰা হয়-ই তেতিয়া খেল বা ধেমালিত পৰিণত হয়। নজনা কথা জানিবলৈ নভবা কথা চিন্তিবলৈ মানুহে সদায় হাবিয়াস কৰে। উদাহৰণ স্বৰূপে জন্ম লভাৰ পিছ মুহূৰ্ত্ততে কেচুৱাই হাত ভৰি সঞ্চালন কৰা, ভৰি নষ্ট হোৱা মানুহেও বুকু ফিন্দাই খোজ কাঢ়িব খোজাৰ দৃষ্টান্ত উনুকিয়াব পাৰি। ল'ৰা-ছোৱালী, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৱে বয়স আৰু লিঙ্গ ভেদে খেল খেলিব বিচাৰে। এই কাৰণে বয়সৰ তাৰতাম্যতাত খেলত খেলুৱৈ বোৰক ভাগ কৰা হয়। এই খেলৰ জৰিয়তে শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধন হয়। গতিকে শাৰীৰিক আৰু মানসিক উন্নতিৰ ই এটা প্ৰধান আহিলা।

প্ৰাচীন কালত শালকোচা অঞ্চলত প্ৰচলিত হৈ থকা অসংখ্য খেল-ধেমালিৰ আজি কিছুমান লুপ্ত আৰু কিছুমান লুপ্ত হোৱাৰ পথত। যুগৰ হেচাত পৰি, আৰ্থিক উন্নতিৰ প্ৰকোপত পৰি, কৰ্ম্ম-উন্নতিৰ বিভাজনত পৰি, পাশ্চাত্যৰ আচাৰ-ব্যৱহাৰ সাজ-পোছাকৰ প্ৰভাৱত পৰি নিজকে নিজে পাহৰি গৈ অন্যৰ পথকে অনুসৰণ কৰিব লগা হোৱাত আমি গহ্বৰত পৰি যাব ধৰিছোঁ। ফলস্বৰূপে নিজকে পৰিচয় দিব লগা কলা-কৃষ্টিৰ লগতে খেল-ধেমালিও আজি পাহৰণিৰ গৰ্ভত যাব ধৰিছে।

আমাৰ এই শালকোচা অঞ্চলত পৌৰাণিক খেল-ধেমালি সমূহ বয়স আৰু মতা-মাইকী ভেদে অনুষ্ঠিত হৈছিল। কিন্তু সৰুহঁতৰ খেল মতা-মাইকীৰ ভেদা-ভেদ নাছিল। বেচি বয়সৰ কিছুমান খেল দ'ল নিৰ্বাচনৰ কাৰণে এটা নিৰ্দ্দিষ্ট নিয়ম আছিল। প্ৰথমতে খেল জনা খেলুৱৈ দুজন নিৰ্দ্দিষ্ট স্থানত দুই দলৰ দলপতি হৈ বহি থাকিব। বাকী খেলুৱৈ সকল দলপতি দুজনে নজনাকৈ বাহিৰত দুইজনে যোৱা লাগি

- মনে মনে বুদ্ধি পাঙি - এজনে ৰজা আনজনে ৰাণী, অথবা এজনে হাতী আনজনে গড় অথবা এজনে মটৰ আনজনে এৰোপ্লেন ইত্যাদি ৰকমৰ নামাকৰণলৈ প্ৰত্যেক যোৰাই এজনে আনজনৰ বন্ধুত্বসুলভ কান্ধত ধৰি আহি দলপতি দুজনক এনেদৰে সুধিব - "ইচ্‌কো মুচ্‌কো ডাক" -তেতিয়া দলপতি দুজনৰ এজনে উত্তৰ দিব - "হাম মাৰি তুম্‌কো ডাক"। তেতিয়া খেলুৱৈৰ এজনে এনেদৰে উত্তৰ দিব- ৰজাক লাগেনে ৰাণীক লাগে, - মটৰক লাগেনে এৰোপ্লেনক লাগে ইত্যাদি। দলপতি দুজনৰ এজনে যি বা যাক লাগে বুলি কব- তেওঁ তাকেই পাব আৰু বাকীজনক আন দলপতি জনে পাব। এইদৰে ডাকত (Auction) দল নিৰ্বাচন হৈছিল।

(ক)



(খ)

(১) গাই বাচুৰ খেল ঃ- এই খেল সৰু আৰু ডেকা-গাভৰুৰ মাজত প্ৰচলন। কোনো নিৰ্দ্দিষ্ট পৰিস্কাৰ ঠাইত ওপৰৰ ছবিত উল্লেখ কৰা ধৰণেৰে 'ক' অংশৰ ফালে ৫টা গাঁতৰ বিপৰীতে 'খ' অংশৰ ফালেও ৫টা গাঁত মাটিত কৰি লোৱা হয। প্ৰত্যেক গাঁতেতে ১/৪ ইঞ্চি মান আকাৰৰ শিলগুটিৰে পূৰ হব লাগিব। খেলুৱৈ এজনে 'ক' অংশৰ ফালে আৰু আনজন খেলুৱৈয়ে 'খ' অংশৰ ফালে থকা গাঁতত প্ৰত্যেকটো ৫টাকৈ শিলগুটি ভৰাই লব। এই গুটি কেইটাৰ অধিকাৰী যিয়ে যিফালত বহিব সিয়ে সেইফালৰ ৫টা গাঁতৰে হব। এতিয়া দুয়োজনৰ সন্মতি সাপেক্ষে এজনে নিজৰ ফালে থকা এটা গাঁতৰ পৰা শিলগুটি সমূহ তুলি লৈ ঘৰীৰ কাটা ঘূৰাৰ বিপৰীত মুখীকৈ শিলগুটি তোলা কাষৰ গাঁতৰ পৰা আৰম্ভ কৰি প্ৰত্যেক গাঁততে এটা শিলগুটি থৈ যাব। হাতত শিলগুটি নথাকিলে শেষ হোৱাৰ পিছৰ গাঁতৰ পৰা সম্পূৰ্ণ শিল গুটিখিনি তুলি লব। পুনৰায় তোলা গাঁতৰ পিছৰ গাঁতৰ পৰা আৰম্ভ কৰি মুঠ দহটা গাঁততে থৈ যাব। শেষত কোনোবা ঠাইত শিলগুটি শেষ হ'লে- পিছৰ গাঁতত শিলগুটি নাথাকিলে- শূণ্য গাঁতৰ পিছত থকা শিলগুটি সমূহ নিজৰ অধিকাৰত তুলি লব। যিয়ে প্ৰথমতে খেল আৰম্ভ কৰে তেওঁ দুটা গাঁতৰ শিলগুটিৰ অধিকাৰী হয়। প্ৰথম গাঁতত বেছি শিলগুটি আৰু দ্বিতীয় গাঁতত মাত্ৰ এটা শিলগুটিৰ অধিকাৰী হয়। ইয়াকে গাই-বাচুৰ বোলা হয়। এজন খেলুৱৈৰ শিলগুটি দিয়া শেষ হ'লে প্ৰতিদ্বন্দী

খেলুৱৈজনে তেনেকৈ নিজৰ ফালে থকা গাঁতৰ পৰা শিলগুটি বুটলি তদনুৰূপ শিলগুটি গাঁতত থৈ থৈ যাব। প্ৰতিদ্বন্দ্বী খেলুৱৈ জনেও তেনেকৈ শূণ্য গাঁতৰ পিছত থকা শিলগুটি তুলি লব। শেষত দেখা যায় যে দুই প্ৰতিদ্বন্দ্বীৰ ভিতৰত কোনোবাই বেছি সংখ্যক শিলগুটি লাভ কৰে আৰু কোনোবাই কম সংখ্যক লাভ কৰে। মুঠ ২৫টা সংখ্যাৰ কম পালে পৰাজয় আৰু বেছি সংখ্যা পালে জয় লাভ হয়।

(২) শিয়াল কুকুৰৰ ফান্দ ঃ-



ওপৰৰ ছবিত দেখুৱাৰ দৰে এটা ফান্দৰ ছবি মাটিত আঁচ টানি বা এখন কাঠৰ তক্তা বা ডাঠ কাগজত এওঁাৰেৰে ৰেখা টানি লৈ খেলৰ চিত্ৰ কৰি লোৱা হয়। খেলুৱৈ দুজনৰ ভিতৰত এজনে কুকুৰৰ দায়িত্বত খেলিব - আনজনে খেলিব শিয়ালৰ দায়িত্বত। শিলগুটিৰে সাধাৰণতে কুকুৰৰ আৰু শিয়ালৰ প্ৰতীক কৰি লোৱা হয়। কুকুৰৰ প্ৰতীকতকৈ শিয়ালৰ প্ৰতীক ভিন্ন ধৰণৰ হ'ব লাগিব। কুকুৰৰ দুটা, শিয়াল কিন্তু এটা। কুকুৰৰ বুদ্ধিতকৈ যে শিযালৰ বুদ্ধি যে বেছি - এই খেলত প্ৰকাশ কৰা হয়। এতিয়া কুকুৰ দুটাক ছবিৰ যি কোনো ** ঠাইত বহুওৱা। খেদা বা আগত যোৱা বা পিছ হোহকাৰ নিয়ম হৈছে এটা O ঠাইৰ পৰা এবাৰত পিছৰটোৰ O ঠাইলৈ যোৱা। এবাৰ কুকুৰে লৰচৰ কৰিব - আনবাৰত শিয়ালে লৰচৰ কৰিব। খেল পৰিচালনা কৰোঁতে - কেতিয়াবা শিয়ালক পিছ হোহকাবও পাৰে। এইদৰে খেলোতে খেলোতে ছবিৰ দুই কুকুৰে শিযালক এনেদৰে ঠেকত পেলাব - শিয়ালৰ আগবঢ়া বা পিচ হোহকাৰ কোনো ৰাস্তা নাথাকিব - আৰু তেতিয়া শিযালৰ পৰাজয় হব। এই খেলত খেলুৱৈ দুজনৰ ওলট-পালট কৰি অৰ্থাৎ এজন খেলৱৈয়ে প্ৰথম বাৰত কুকুৰৰ দায়িত্ব ললে দ্বিতীয় বাৰত শিয়ালৰ দায়িত্ব লব লাগিব। খেল তিনিবাৰত সমাপন কৰা হয়।

(৩) ষোল্ল ঘৰৰ কচুৰ খেল ঃ-



মাটিৰ ওপৰত দাগ টানি, কাঠৰ তক্তাৰ ওপৰত এগুাৰেৰে ওপৰত দিয়া ছবিৰ দৰে ৰেখা টানি লৈ এখন খেলৰ চক তৈয়াৰ কৰা হয়। খেলুৱৈ দুজনৰ এজনে কলা কচুৰ ঠাৰি $^3/_4$ ইঞ্চি মান জোখত ১৬ টুকুৰা কৰি লব আৰু আনজনে বগা কচুৰ টুকুৰা কৰি লব আৰু আনজনে বগা কচুৰ টুকুৰা উক্ত জোখতে ১৬ টুকুৰা কৰি লব। এতিয়া ছবিৰ নিজৰ ফালে থকা সংযোগ লগা ঠাইত শক্তিবোৰ বহুৱাই লব। মাজৰ ৫টা সংযোগ স্থলীত কোনো শক্তি বহুৱাৰ নিয়ম নাই। দুয়োজনৰ সম্মতি সাপেক্ষেহে প্ৰথম শক্তি লৰচৰ কৰাবৰ সিদ্ধান্ত হব। শক্তি লৰচৰ কৰাৰ নিয়ম একেবাৰে পাশ্ববৰ্ত্তী শূন্য হৈ থকা সংযোগ স্থলত পোনে পোনে বেকাকৈ আগবাঢ়ি অথবা পিচহুহকি। এজনে এটা শক্তিত এবাৰহে লৰচৰ কৰাব। এজনে আনজনৰ শক্তি মৰাৰ নিয়ম হৈছে - কাষত থকা শত্ৰু শক্তিৰ বিপৰীতে যদি কোনো সংযোগ স্থলী খালী হৈ আছে বা থাকে - তেতিয়াহলে শত্ৰু শক্তিৰ ওপৰেদি জপিয়াই খালী হৈ থকা সংযোগ স্থলত থিতাপি লব আৰু লগতে অতিক্ৰমা শত্ৰু শক্তিটোক বুটলি আনি নিজৰ হাতত ৰাখিব। কেতিয়াবা এটা শক্তিযে জপিয়াই আশ্ৰয় লৈ - জপিযাই আশ্ৰয লৈ নিয়মত কেইবাটাও শত্ৰু শক্তিক নিধন কৰিব পাৰি। দুযো পক্ষৰ খেলৰ শেষত দেখা যায় যে কোনোবা খেলুৱৈয়ে শত্ৰু শক্তি সমূহক সম্পূৰ্ণ নিধন কৰিও সমৰ ক্ষেত্ৰত নিজৰ কেইবাটা শক্তিক জীয়াই ৰাখে, অথবা নিজে কম সংখ্যক শত্ৰুক নিধন কৰি - নিজৰ শক্তিবোৰ সম্পূৰ্ণৰূপে পৰাস্ত হয়। জয়-পৰাজয শত্ৰু নিধনৰ সংখ্যাত হিচাব হয়। যদি সমৰ ক্ষেত্ৰত যুঁজ কৰিবৰ কাৰণে নিজৰ এটা শক্তিও নাথাকে - তেওঁ পৰাজয় বৰণ কৰিব লগাত পৰে। এই যুঁজখন সামৰিক যুঁজৰ লগত ৰিজাব পাৰি। সন্মুখত দহজন সৈন্য যুঁজৰ কাৰণে আগবঢ়াই দি বাকী ছয়জন সামৰিক বিষয়া এটা মাত্ৰ প্ৰবেশদ্বাৰ হোৱা গুপ্ত অংশত যে লুকাই থাকে - ছবি দেখিলে সহজে বুজিব পাৰি।

(৪) ঠেঙা খেল ঃ-

এই খেল খেলুৱৈয়ে নিজৰ হাত আৰু ভৰি শক্তিৰ ওপৰত গাৰ ভৰ (Balance) ৰাখি কিমান দ্ৰুত গতিত আগ বাঢ়িব পাৰি- তাৰেই খেল। ভলুকা বা

ৰৰ বাহৰ আগ দুটা ১০' ফুট মান দীঘল ৰাখি-দুটা খেলৰ বাবে আহিলা কৰি লব লাগিব। গুৰি অংশত গাঠি থাকিব লাগিব- যাতে খেলৰ সময়ত বাঁহতো ফাটি নাযায়। এই আহিলা দুটা দীঘলে ১০' ফুট হব। গুৰি অংশৰ ২১'/২ ৩ফুট মান ওপৰত এটাকৈ খোপনি থাকিব লাগিব। এই খোপনিৰ আকাৰ দীঘলে ৪''/৫' মান হব। এই আহিলা দুটাৰ বাকী খোপনিবোৰ মূল বাহৰ লগত মিলাকৈ পৰিস্কাৰকৈ চাফা কৰি লব লাগিব।। এই আহিলা দুটা নিখুত কৰি লব লাগিব- যাতে খেলাৰ সময়ত খেলুৱৈৰ কোনো ৰকমত কটা-চিঙা বা আঘাত নহয়। খেলৰ কোনো নির্দ্দিষ্ট পথাৰ নাথাকে। দুজনতকৈ অধিক খেলুৱৈয়ে খেলত অংশ গ্ৰহন কৰিব পাৰে। কোনো স্থানত কমেও ৫ জন খেলুৱৈ হাতত ঠেঙা দুটালৈ থিয় হব। পাছত ঠেঙাৰ খোপনিত ভৰি দুখন ভৰ দি হাতেৰে ঠেঙাৰে ওপৰে ওপৰ অংশত ধৰি সাৱধানেৰে মাটিত বাগৰি নপৰাকৈ থিয় দি থাকিব। এজনে ১, ২, ৩, (এক, দুই, তিনি) কোৱাৰ লগে লগে খেলুৱৈ কেইজনে লক্ষ্যস্থানত পৌচাবলৈ দ্রুত গতিত আগবাঢ়িব। আগবাঢ়োতে খেলুৱৈ কেইজন যেন হাডগীলা বা বগলীৰ দৰে দীঘল ঠেঙীয়াহে যাই আছে- তেনে দৃশ্যৰ সৃষ্টি হয়। নিজৰ হাতৰ শক্তিৰ লগত ভৰিৰ শক্তি মিলাই লগতে ভৰৰ (Balance)ৰ ওপৰত নির্ভৰ কৰি আগবাঢিব লাগিব। খেলৰ আধাতে পৰি গলে বা অপাৰগ হলে তাক খেলত পুনৰায় অংশ গ্ৰহন কৰিব দিয়া নহয়। এই খেল বগলী বা হাডগিলাৰ দৰে কৃত্রিম ভাবে যে মানুহে খোজ কাঢ়িব বিচাৰে-তাৰে দৃষ্টান্ত।

(৫) শৰণ খেল ঃ-

আমাৰ শালকোচা আঞ্চলিক ভাষাত 'শৰ'ৰ অর্থ এটি বাহৰ লাঠিক বুজোৱা হয়। মাছ মৰাৰ অস্ত্র জোঙ-ঝাকাৰাৰ ওপৰ অংশত হাতেৰে ধৰিব পৰা যি গোটা বাঁহৰ টুকুৰা এটি জোৰা লগোৱা হয় তাকে 'শৰ' বোলা হয়। সেই বাঁহৰ লাঠি দলিওৱাৰ নিয়মেই হ'ল শৰণ খেলা। জাতি বা সৰু বাঁহৰ আগ অংশ ৫ বা ৬ গাঁঠিযুক্ত এটুকুৰা কাটি লোৱা হয়। ই দীঘলে ৮' ফুট মান হব লাগিব। আৰু টুকুৰাবোৰ ৰ'দত ভালকৈ শুকাই লোৱাৰ পিছত ওজনত কমেও প্রাচীন কালৰ ওজন ১ সেৰ মান হব লাগিব। খেলৰ কাৰণে কোনো ঘাঁহ বা তৃণ নোহোৱা, খলা-বমা নোহোৱা ঠাই হব লাগিব। ছবিত দেখুওৱাৰ দৰে খেলুৱৈ থকা এখন ঠাই বাখৰ, খেল আৰম্ভনিৰ এটা চক্র আৰু লক্ষ্য স্থানৰ মাজেৰে শৰটো নিক্ষেপৰ ৰাস্তা এটা থাকিব। এই আৰম্ভনিৰ চক্র, নিক্ষেপৰ ৰাস্তা আৰু খেল পথাৰৰ মাপ-জোখ ওপৰৰ ছবিত দেখুওৱা হ'ল।

খেলুৱৈ এজনে প্ৰথমতে চক্ৰটোৰ অংশত সোমাব। পিছত নিক্ষেপ স্থানটো নিজৰ বাঁওহাতত ৰাখি কৌনিক ভাৱে অৱস্থান কৰি সোঁহাতেৰে শৰ ডালৰ মাজৰ অংশত সমানে ধৰি বা দুয়োফালৰ ভৰ সমানে ৰাখি চক্ৰৰ ভিতৰতে দ্ৰুত গতিত খোজ আগবঢ়াই। চক্ৰ ৰেখা অতিক্ৰম নকৰি হাতৰ আগবঢ়োৱা (Drive) শক্তিৰে খেলৰ ক্ষেত্ৰত ঠেলি দিব- যাতে শৰটো নিক্ষেপ স্থানৰ শূন্য পথেৰে খুটি দুটা নুচুৱাকৈ পাৰ হৈ যায়। বাঁওহতীয়া খেলুৱৈ থাকিলে ওপৰত উল্লেখ কৰা পদ্ধতিৰ বিপৰীত ফালে ঠিয় দি তদানুৰূপ খেলিব। এই খেল খেলিবৰ কাৰণে খেলুৱৈৰ সংখ্যা কমেও ৬ জনৰ পৰা ৮ জন হব লাগিব। খেলুৱৈ সকলে ৭ বাৰকৈ শৰ নিক্ষেপ কৰিব পাৰিব। এই ৭ বাৰৰ ভিতৰত যিয়ে নিখুত সৰ্ব্বোচ্চ সংখ্যা লাভ কৰিব পাৰিব- সিয়ে এই খেলত জয়ী হব। কোন খেলুৱৈ জনৰ ভৰ সংযম ৰাখি হাতৰ আগবঢোৱা শক্তি প্ৰখৰ হয়- তাৰেই পৰীক্ষা। কিছুমানৰ গাঁওত এই শৰ নিক্ষেপৰ লক্ষ্য বেলেগ ধৰণৰ। ৪০' ফুট আতৰত পথালিকৈ শৰ এটা ৰাখি - খেলুৱৈ সকলৰ খেলা শৰেৰে পথালিকৈ থোৱা শৰডালৰ তলেদি কিমান গাঁঠি নিযাব পাৰে তাৰেই পৰীক্ষা।

(৬) **গাছ-গড় খেলা** ঃ- এই খেল সৰু ল'ৰা ছোৱালীৰ মাজত প্ৰচলিত। শিলগুটি ১/৪ ইঞ্চি আকাৰৰ ৫টা বাচি লব। এই খেল দুজনে খেলিব পাৰি। এখন পৰিস্কাৰ ঠাইত খেলুৱৈ দুজন বহি লব। প্ৰথমতে খেলুৱৈ দুজনৰ যিকোনো এজনে আৰম্ভ কৰিব। শিলগুটিবোৰ সিচঁৰাই দি ৫টাৰ ভিতৰত যিকোনো এটা শিলগুটি তুলি পাছত গুটিটো শূণ্যতে ওপৰত তুলি দি তলৰ পৰা এটা শিলগুটি হাতত লৈ শূণ্যতে থকা শিলগুটিটোক হাতত ধৰিব। এইদৰে এটাৰ পাছত এটাকৈ শিলগুটি তোলা ৫ বাৰ খেলিব। ইযাৰে নাম গাছ-গড়। নিয়মবোৰৰ হিচাব তলত দিয়া হ'ল ঃ-

(ক) **গাছ গড়** ঃ- এটা গুটিৰে এটা এটাকৈ তোলা - ৫ বাৰ

(খ) **আগল** ঃ- এটা গুটিৰে এটা এটাকৈ তোলা - ৫ বাৰ

(গ) **বৰ বউ** ঃ- এটা গুটিৰে দুটা-দুটাকৈ তোলা - ৫ বাৰ

(ঘ) **সৰু বউ** ঃ- এটা গুটিৰে দুটা-দুটাকৈ তোলা - ৫ বাৰ

(ঙ) **তিন ঢলৈ** ঃ- এটা গুটিৰে তিনিটাকৈ তোলা - ৫ বাৰ

(চ) **তেলেপাই** ঃ- এটা গুটিৰে তিনিটাকৈ তোলা - ৫ বাৰ

(ছ) **বামুন ঠাকুৰ** ঃ- এটা গুটিৰে দুটা তোলা দুইটা থোৱা - ৫ বাৰ

(জ) **শ্ৰী পঞ্চ** ঃ- এটা গুটিৰে চাৰিটাকৈ এটা এটাকৈ তোলা - ৫ বাৰ

(ঝ) **পাৰ্টী খুৱানী** ঃ- এটা গুটিৰে চাৰিটাকৈ এটা এটাকৈ তোলা - ৫ বাৰ

কোনোবাই খেলিব নোৱাৰিলে- তেওঁ সেই হিচাবত থাকিব। তিনিবাৰ খেলা হয়। দুই পালিত জয় লাভ কৰে।

(৭) নাচ বা ফুল খেলা ঃ- ইয়াতো $^{1''}/_{8}$ ইঞ্চি আকাৰৰ ৫টা শিলগুটি বাচি লোৱা হয়। খেলুৱৈ কমেও দুজন লাগিব। খেলুৱৈৰ যিকোনো এজনে প্ৰথমতে ৫টা গুটিকে সিঁচৰাই দি তলৰ নিয়মত গুটিবোৰ তোলাৰ সময়ত তলৰ পদবোৰ আওৰা হয়। গুটিবোৰ তোলাৰ সময়ত নিৰ্দ্দিষ্ট গুটিবোৰৰ বাহিৰে অইন গুটিক স্পৰ্শ কৰিলে- সেইবাৰৰ বাবে খেল নাকচ হয়। তিনিবাৰ বা পাচ বাৰ খেলা হয়। সৰ্ব্বোচ্চ বাৰ দখলত জয় লাভ হয়। নিয়মবোৰ আৰু পদবোৰ যথাক্ৰমে ঃ-

(ক) নাচ - এটা গুটিৰে এটা এটাকৈ তোলা- ফুল, ফুল, ফুল, ফুলন্তি।

(খ) হালে - এটা গুটিৰে দুটা দুটাকৈ তোলা- আগেৰ হাল ধৰিবায় ভাল।

(গ) ত্ৰিনোট - এটা গুটিৰে তিনিটাকৈ তোলা- তিন টেলেকা মাথায় হেলেকা।

(ঘ) চাইৰট - এটা গুটিৰে চাৰিটাকৈ তোলা- চাইৰট উটকিয়া পাইৰট।

(ঙ) ফুল - এটা গুটিৰে চাৰিটাকৈ তোলা আৰু চাৰিটাকৈ থোৱা - ৫ বাৰ।

(৮) গাপ্পু ঃ- এই খেল দুই জনৰ পৰা চাৰিজন খেলুৱৈয়ে খেলিব পাৰে। প্ৰত্যেক খেলুৱৈয়ে $^{1''}/_{8}$ ইঞ্চি আকাৰৰ শিলগুটি ৮ৰ পৰা ১৬টা পৰ্য্যন্ত জনে জনে লৈ- একে লগ কৰিব। নিৰ্ব্বাচিতৰ প্ৰথম খেলুৱৈজনে সমূহ শিলগুটি হাতত লৈ বিপৰীত পিঠিত ওপৰতে ধৰি- পুনৰায় ওপৰতে ভঁহাই দি হাতৰ তলাত ধৰিব। যিকেইটা হাতৰ তলাত থাকিব সেই কেইটাৰে এটাকৈ এটাকে ওপৰত ভঁহাই দি তলৰ শিলগুটিবোৰক কাকো স্পৰ্শ নকৰাকৈ এটা বা দুটা বা বহুতক সাণ্ডুৰি লৈ শূণ্যতে থকা গুটিটোক একেলগে ধৰি থব। বেলেগ শিলক একেলগ কৰিলে বা একেলগ কৰাব নোৱাৰিলে-তাৰ খেল সেইবাৰৰ বাবে নাকচ হব। যিয়ে সৰ্ব্বোচ্চ সংখ্যক শিলগুটি অৰ্জ্জন কৰিব- সিয়ে জয় লাভ কৰিব- পৰাজয় বৰণ কৰা খেলুৱৈ সকল গুটিৰ ব্যৱধানত চান (Game) যাব। খেলখন ঘড়ী কাটাৰ বিপৰীত মূখীকৈ ঘূৰাৰ নিয়ম।

(৯) শিল টিকিজানি ঃ- $^{1''}/_{8}$ ইঞ্চি আকাৰৰ ৮ৰ পৰা ১৬টা পৰ্য্যন্ত শিলগুটি প্ৰত্যেকে বাচি লৈ কমেও ২ জনৰ ৪ জনে এই খেল খেলাৰ নিয়ম। সকলোৰে

শিলগুটি একেলগে মিলাই প্ৰথম খেলুৱৈ জনে সম্পূৰ্ণ শিলগুটি পৰিস্কাৰ ঠাই এখন সিচৰাই দিব। পিছত বৃদ্ধা আঙুলিৰ লগত তৰ্জ্জনী আঙুলিটোৰে সংঘৰ্ষ কৰি যোৰায় যোৰায় টিকিলাই লগ লগাব। টিকিলাঁওতে বেলেগত লাগিলে বা নালাগিলে সেই বাৰটো তাৰ নাকচ হব। পিছত দ্বিতীয়জনে তেনেদৰে খেলিব। খেল ঘড়ী-কাটা ঘুৰাৰ বিপৰীত মুখীকৈ খেলাৰ নিয়ম। এইদৰে সকলো খেলুৱৈয়ে কোনে কিমান গুটি অৰ্জন কৰিব পাৰিব- শেষত তাৰ হিচাব হব। যিয়ে বেছি সংখ্যক শিলগুটি পাব- সিয়ে খেলত জয় লাভ কৰিব।

(১০) পাশা খেল ঃ- শালকোচা ঠাইখন বিশেষকৈ জমিদাৰৰ প্ৰভাবান্বিত। ইয়াত জমিদাৰ সকলে সামন্ত প্ৰথাৰে ৰাজহ সংগ্ৰহ কৰি চলিছিল। এই হেতুকে জমিদাৰ সকলৰ আশে-পাশে গাঁও সমূহত- এনেকি জমিদাৰ সকলৰ নিজা নিজা বাসভৱনত এই পাশা খেলৰ প্ৰচলন প্ৰায়ে দেখা গৈছিল। এই খেলখন দুই অংশীদাৰৰ মাজত এটা দলহে - দুই দলৰ মাজত খেল খেলা হয়। খেলৰ শক্তি তিনিটা হাতী দাতৰ অথবা হৰিণৰ শিঙৰ তৈযাৰী। আকাৰ চাৰি শিৰীয়া- এটা শিৰে ১"/৪ ইঞ্চি মান হব- আৰু ই দীঘে ধৰিব পৰা চাৰিটা আঙুলিৰ সমান। প্ৰত্যেক শিৰৰ এফালে ৬ ফোটা, অইন ফালে ৫ ফোটা আৰু দুটা ফালত দুই ফোটা আৰু ১ ফোটাৰে কলা দাগেৰে খোদিত কৰা থাকে। এটা শক্তিৰ চাৰি শিৰৰ ফোটাবোৰ যোগ কৰিলে- যোগফল ১৪ পোৱা যায়। তলত খেলা ক্ষেত্ৰ খনৰ ছবি দেখুওৱা হ'ল।



এই খেল-ক্ষেত্ৰৰ মুখা-মুখী কৰি নিজা অংশীদাৰ সকলক লৈ বহিব। খেল ক্ষেত্ৰৰ বাঁওফালে থকা ঠাইৰ অংশত খেলুৱৈয়ে শক্তি তিনিটাক হাতৰ তলুৱাত ধৰি সিচঁৰাই দিব। ৬+৬+৫=১৭ ফোটা, ৫+৫+৬=১৬ ফোটা তুলিব পাৰিলেহে খেলুৱৈয়ে নিজৰ অংশৰ ফালে ছবিত স্থিতি লৈ বাঁওফালে তোলা ফোটা নম্বৰৰ সংখ্যা হিচাবে

আগবাঢ়িব পাৰিব। খেলত ১৭ ফোট, ১৬ ফোটা বা ৯ ফোটা তুলিব পাৰিলে খেলুৱৈয়ে দ্বিতীয় বা তৃতীয় বাৰৰ কাৰণে খেলুৱৈয়ে শক্তিবোৰক পৰিচালনা কৰিব পাৰিব। খেল খনত সৈন্য শক্তি বোৰক আগবঢোৱাৰ নিয়ম ঘড়ী কাটা ঘূৰাৰ দৰে হব। নিজৰ শক্তিবোৰক খেল-ক্ষেত্ৰৰ সম্পূৰ্ণ চক্ৰটোৰ ঘৰ বা খোপবোৰ পাৰ কৰাই ঘূৰি আহি ⌐ চিহ্ন ফালেদি ভিতৰত প্ৰবেশ কৰি ওপৰৰ খালী অংশত যাব পাৰিলে তেওঁ খেলত জিকা বুলি ঘোষিত হব। আৰু খেলুৱৈ জনে নিজৰ অংশীদাৰ- খেলুৱৈজনৰ কাৰণে ১৭, ১৬ অথবা ৯ ফোটা তুলি- তেওঁৰ হৈও খেলিব পাৰিব। খেলত শক্তি পৰিচালনা কৰি ৬+৬+৬=১৮ ফোটা উঠিলে- সেইবাৰৰ কাৰণে খেলুৱৈৰ খেল নাকচ হব। এনেকি খেলুৱৈৰ শেষ খেলত পৰিচালনা কৰিবলগীয়া বা হব লগীয়া নম্বৰ বা ফোটা তুলিব নোৱাৰিলে তাৰো খেল নাকচ হব। এজন প্ৰতিপক্ষ খেলুৱৈয়ে বিপক্ষ দলৰ শক্তিক সম্মুখত পালে তোলা বা উঠা নম্বৰেৰে মাৰিব পাৰিব। কিন্তু শক্তিটোক মাৰি বা সেই ঘৰৰ পৰা উচ্ছেদ কৰাই - শক্তিটো সেই ঘৰতে স্থিতি লব লাগিব- তেওঁ আগবঢাৰ নিযম নাই। খেলৰ ছবিত দেখুওৱা ঘৰবোৰ বিশ্ৰাম লোৱা ঘৰ। ইযাত শত্ৰু-মিত্ৰ সকলোৱে বিশ্ৰাম লব পাৰিব। বিশ্ৰামৰ সময়ত শত্ৰুক মৰাৰ নিয়ম নাই। কেতিয়াবা শত্ৰু শক্তিৰ পৰাক্ৰমত পৰি নিজৰ শক্তিক বচাই লৈ আগবঢাবৰ কাৰণে বুদ্ধি পকাই খেলুৱৈয়ে নিজৰ দুটা শক্তিক ফোটা বা নম্বৰ মিলাই একে লগ কৰাই- এক ঘৰত ৰাখে। ইয়াকে 'যুগ্ম' বোলে। এই 'যুগ্ম শক্তিক আগবঢাৰ কাৰণে- খেলত একে নম্বৰৰ ফোটা দুটা খেল শক্তিত উঠাব লাগিব। নহলে শক্তিক ভঙাই আগবঢাব লাগিব। 'যুগ্ম' শক্তিৰে যুগ্ম-শত্ৰু শক্তিক মৰাৰ নিয়ম নাই। প্ৰতি পক্ষৰ এটা শক্তি মৰা পৰিলে 'কেচা' হয়। এই কেচা শক্তিক পুনৰাই খেল ক্ষেত্ৰত তুলিবৰ কাৰণে ১৭, ১৬ অথবা ৯ নম্বৰৰ ফোটা তুলিব লাগিব। আৰম্ভনিতে খেলুৱৈৰ যিমান সৈন্য শক্তি আছে- শক্তি হিচাবে সিমানবাৰ উক্ত ১৭, ১৬ অথবা ৯ ফোটা তুলিব লাগিব। এজন খেলুৱৈৰ ৪ জনকৈ সৈন্য শক্তি থাকে। সৈন্যবোৰৰ মৰা নিয়ম থাকিলেও ইহঁত জীযাই উঠাৰো নিয়ম আছে। প্ৰত্যেক ৰাজ্যৰ বা দেশৰ সৈন্য শক্তিৰ পোচাক বিভিন্ন হোৱাৰ দৰে খেলুৱৈৰ সকলোৰে সৈন্যৰ আকাৰ বেলেগ বেলেগ ধৰণৰ। খেলত খেলা শক্তি তিনিটাৰে ফোটা বা নম্বৰ তোলাৰ কৌশল, সৈন্য শক্তিক আগবঢ়োৱাৰ কৌশল আৰু শত্ৰু শক্তিক নিধন কৰি খালী ঠাই হোৱা স্থলত স্থিতি লোৱাই হ'ল ইয়াৰ মূল লক্ষ্য। এই খালী ঠাইত স্থিতি লোৱাই হল - ৰাজ্যৰ ৰাজপাট দখল কৰা। এই ৰাজপাট দখলৰ আদব-কায়দাৰ খেল - পাশাখেল - শালকোচা অঞ্চলৰ ভিতৰত বহু প্ৰভাবান্বিত শ্ৰীগ্ৰাম গাওঁৰ মাননীয় ˚সুধীৰ কুমাৰ বৰুৱা দেৱৰ

ৰাজ দৰবাৰত প্ৰচলিত আছিল। তেখেত জমিদাৰ হৈ থকা কালত খেলুৱৈ সকলৰ খোৱা আৰু থকা-মেলাৰ দাযিত্ব নিজে লৈছিল। উক্ত জমিদাৰৰ ৰাজদৰবাৰত অংশীদাৰী খেলুৱৈ সকলৰ নাম বিশেষকৈ - বামুনপাৰা গাঁওৰ ° অশ্বিনী কুমাৰ চক্ৰৱৰ্ত্তী, °পৰেশ চন্দ্ৰ বৰ্ম্মন, °শ্যামা প্ৰসাদ চক্ৰৱৰ্ত্তী, শালকোচা বজাৰৰ °ক্ষেত্ৰমোহন নন্দী, °ধীৰেন্দ্ৰ নাৰায়ন নন্দী, °নগেন্দ্ৰ চন্দ্ৰ চক্ৰৱৰ্ত্তী (বৰ্তমানে কমাৰপাৰা গাঁও) বানীয়াপাৰা গাঁওৰ ° জীৱেন ৰায় আৰু গৌৰাংটাৰী গাঁওৰ ° নিবাৰণ চক্ৰৱৰ্ত্তী উল্লেখযোগ্য। এই বিষয়ৰ লিখকজন উক্ত ° নিবাৰণ চক্ৰৱৰ্ত্তী মহাশয়ৰ (খৈ ঠাকুৰ) দ্বাৰা প্ৰশিক্ষন প্ৰাপ্ত। তেখেতৰ ওচৰত লিখকজন সদায় ঋনী হৈ থাকিব। এই খেলৰ প্ৰচলন আজি প্ৰায় লুপ্তৰ পথত।

(১১) তলাচাবি খেল ঃ- এই খেলিবৰ কাৰণে মাত্ৰ তিনিজন খেলুৱৈৰ আৱশ্যক। সমনীয়া বয়সৰ ল'ৰাই এই খেল খেলে। এই খেলত চাবি হোৱা খেলুৱৈ জনৰ শক্তি আৰু কৌশলৰ পৰীক্ষা কৰা হয। খেল এখন খেলিবৰ বাবে কোনো খেল পথাৰ নালাগে। খেলুৱৈ কেইজন যিকোনো ঠাইৰ দুবৰি বনৰ ওপৰত খেলিব।দুজন খেলুৱৈ একেবাৰে ওচৰা-ওচৰিহৈ সন্মুখা-সন্মুখী বহি এজনে আনজন খেলুৱৈৰ দুই কান্ধত ভৰি দুখন ৰাখিব। এইদৰে ভৰি ৰাখিলে খেলুৱৈ দুযোজনৰ পেটৰ পৰা অনি থোৱা ভৰি দুখনৰ মাজ অংশত দুটা শূণ্য বা খালী ঠাইৰ সৃষ্টি হব। পিচত চাবি হোৱা খেলুৱৈজন ভৰি দুখন তালা হোৱা খেলুৱৈ দুয়োজনৰ একেবাৰে ওচৰা-ওচৰিকৈ সোঁফালে হওঁক বা বাঁওফালে বহি শূন্য ঠাইৰ মাজেদি বহা ঠাই অংশৰ সিমূৰলৈকে বাহিৰ হোৱাকৈ সুমুৱাই দিব। তত মুহুৰ্ত্তত তলা হৈ খেলা খেলুৱৈ দুয়োজনে নিজৰ কান্ধত থোৱা আনৰ ভৰি দুখনক কান্ধৰ পৰা নমাই হাতেৰে তললৈ হেচা মাৰি ধৰিব- যাতে চাবি ৰূপত খেলা খেলুৱৈজনে ভৰি দুখন উলিয়াই নিব নোৱাৰে। তালা হোৱা খেলুৱৈ দুযোজনৰ শক্তি, কৌশল আৰু হেঁচা যিমানে বেচি হব- তাতোকৈ চাবি হোৱা খেলুৱৈ জনৰ নিজৰ ভৰি তালাৰ পৰা বাহিৰ কৰা কষ্টকৰ হব। চাবি হৈ খেলা খেলুৱৈজন কিন্তু তালা-চাবি হোৱা অংশত হাত দিব নোৱাৰিব। কেতিয়াবা চাবি হোৱা খেলুৱৈ জনে তালা হৈ খেলা খেলুৱৈ দুজনক চোঁচৰাই-বগৰাই নিয়াও দেখা যায। চাবিটো খুলিলে তালা দুজন হাৰে। চাবিটো নোৱাৰিম বুলি কলে- চাবিটো হাৰে। এইদৰে তিনিওজন খেলুৱৈয়ে প্ৰত্যেক এবাৰকৈ চাবি ৰূপত খেলে। ইয়াকে **তালা-চাবি খেল** কোৱা হয়।

(১২) বউ নিধন (বন্দীধান) ঃ-



কোনো এখন মুকলি ঠাইত খেলৰ কাৰণে আনুমানিক দীঘে ১০০' আৰু প্ৰস্থে ১০০' ফুটৰ এটা বাহৰ বা কাঠৰ খুটি পুতি খুটিটোৰ পৰা ৮' ফুট মান আতৰত বৃত্তাকাৰে এটা দাগ বা ৰেখা কোৰেৰে কটা হয়। এইটোৱে বউ বা বন্দি থকা ঘৰ। খেল পথাৰৰ কোনো এটা সীমাত সীমা ৰেখা স্পৰ্শ কৰি দীঘে ৬' ফুট আৰু প্ৰস্থে ৬' ফুটমান জোখত আয়তাকাৰে খেলুৱৈ সকল 'ডু' দিয়াৰ ঘৰ। খেলুৱৈৰ কমেও একপক্ষত ৭ (সাত) জন মান হব লাগিব। খেলত দুই পক্ষ থাকিব। দল নিৰ্ব্বাচন আৰু কোন খেলুৱৈয়ে কোন দলত খেলিব- এই মীমাংসা আগতে উল্লেখ কৰা ডাক (Auction) পদ্ধতিত হব। খেল খন চলাবৰ বাবে এজন মধ্যস্থকাৰী বা বিচাৰক থাকিব। ওপৰৰ ছবিত খেলপথাৰখন দেখুৱা হ'ল। এতিয়া কোন দলে প্ৰতিপক্ষ আৰু কোন দলে সপক্ষত খেলিব তাৰ সিদ্ধান্ত বিচাৰকে কৰি দিব। বিচাৰকে খেলৰ ন্যায় আৰু অন্যায়ৰ বিচাৰ কৰিব। সপক্ষৰ ৬ জন খেলুৱৈয়ে ডু দিয়াৰ ঘৰত থাকিব আৰু বউজনী বৌ ঘৰত থাকিব। বাকী বিপক্ষ দলৰ ৭ জন খেলুৱৈ খেলৰ চৌহদত সিচঁৰিত হৈ থাকিব। বিচাৰকৰ সংকেতত খেল আৰম্ভ হ'লে 'ডু' দিয়া ঘৰৰ পৰা একে উশাহতে বিপক্ষ দলৰ খেলুৱৈ সকলক দৌৰি দৌৰি স্পৰ্শ কৰিব বিচাৰিব। যদি বিপক্ষ দলৰ খেলুৱৈ কোনোবাজনক স্পৰ্শ কৰিব পাৰে সি মৰা পৰিব আৰু খেলৰ পৰা বহিষ্কাৰ হব। সপক্ষৰ 'ডু' দিয়া খেলুৱৈজনৰ হঠাৎ বৌ ঘৰ বা ডু দিয়া ঘৰ স্পৰ্শ কৰাৰ আগতে ডু বন্ধ হলে সেই সময়ত বিপক্ষ দলৰ খেলুৱৈযে ডু দিয়াজনক স্পৰ্শ কৰিব পাৰিলে সি মৰা পৰিব আৰু খেলৰ পৰা বহিষ্কাৰ হব। 'ডু' দিবলৈ এবাৰত এজনহে পাব। যদি হঠাৎ ভুল বশতঃ কেনেবাকৈ দুইজনৰ ডু আৰম্ভ হয়- আৰু সেই সময়ত বিপক্ষ দলৰ যিকোনো খেলুৱৈ এজনে 'পুৰি' (cancel) বুলি কয়- তেন্তে ডু দিয়া জন মৰা পৰিব। খেলোতে খেলোতে ডু দিওতে যদি সপক্ষৰ সম্পূৰ্ণ খেলুৱৈ বৌ ঘৰত আটক হয়- উপায়ন্তৰহে বৌ জনীয়ে ডু দি আবদ্ধ হোৱা

সমূহ খেলুৱৈ হাতে হাতে ধৰি ডু ঘৰত থৈ বৌজনী নিজা ঘৰত ঘুৰি আহিব। এই খেলৰ উদ্দেশ্য হল বৌ জনীক নিধন কৰা। যদি খেলৰ সময়ত কেনেবাকৈ ডু দিয়াৰ সময়ত সপক্ষৰ সম্পূর্ণ খেলুৱৈয়ে মৰা পৰে- বৌ জনী নিজা ঘৰৰ পৰা হঠাৎ কেনেবাকৈ পলাই ডু দিয়া ঘৰত আহিব পাৰে- বিপক্ষ দলে এক চান (Game) খাব। ডু দিওতে আমাৰ তেতিয়াৰ দিনত কিছুমান পদ আওৰাৰ প্ৰথা আছিল। যেনেঃ- (১) চাঙৰ তলত কুকুৰা কুৰ কুৰ কৰে- তোৰ বাপ ধাকুৰা টাকা চোৰ কৰে। (২) কোচ কোচ কোচৰাং-ঘাৰত ধৰিয়া মছৰাং- আয়ুৰে কোচ ঝাকুং- একে থোপকেয়া মাকুং (৩) চাঙেৰ তলে মদেৰ হাড়ি- তোৰ বাপেৰে মছৰাং দাড়ি- ইত্যাদি।

বৌ নিধন শব্দটো আমাৰ শালকোচা অঞ্চলত 'বন্নি' নামে তত্ত্বৰ ৰূপ লোৱা যেন লাগে।

(১৩) ঘিলা খেল ঃ-



ঘিলা খেল ই এটা অতি প্ৰাচীন খেল। বৰ্তমানে এই খেল লুপ্ত হৈ গৈছে। ঘিলা এবিধ গছৰ ফল। ফলটো ঔষধ তৈযাৰ কৰোতেও ব্যৱহাৰ হয়। যি হ'ক এখন বহল সমতল ঠাই বা চোতাল এখন - যাৰ দীঘ ২০' ফুট আৰু প্ৰস্থ ২০' ফুট- ঠাই এডোখৰক খেলৰ ঠাই হিচাবে ব্যৱহাৰ কৰা হয়। খেল-খেলিবৰ বাবে তিনিটাকৈ ৰেখা টনা হয। ছবিত দেখুওৱাৰ দৰে 'ক' ৰেখা ডালৰ পৰা 'খ' ৰেখালৈ দুৰত্ব ৮' ফুট আৰু খেলুৱৈ সকল থকাৰ ব্যৱধান ৬' ফুট। এই 'ক' ৰেখাৰ পৰা খেলুৱৈ সকলে খেল আৰম্ভ কৰিব লাগিব। খেলত দুই পক্ষ থাকিব। প্ৰতিপক্ষ আৰু সপক্ষ। এক পক্ষত কমেও ৪ জনকৈ খেলুৱৈ থাকিব লাগিব। ক ঠাইৰ পৰা খ ঠাইলৈ আৰম্ভনিৰ খেল- এই আৰম্ভনিৰ খেলত বহুত হিচাব আছে। এই আৰম্ভনি খেল চলাওতে ক ৰেখাৰ পৰা খ ৰেখালৈ- খেলিব লাগিব। ঘিলা চলাওতে খ সীমা ৰেখা পাৰ হ'লে সেইবাৰৰ বাবে সেইজন খেলুৱৈ নাকচ হব। যাৰ যাৰ ঘিলাৰ আৰম্ভনিত সীমাৰ ভিতৰত থাকিব তেওঁলোকেইহে খ ৰেখাৰ পৰা মাটিত আঠুকাঢ়ি বহি মাটিত নিজৰ ঘিলাৰে- গ ৰেখাৰ শাৰীত- মাটিৰ ওপৰত পথালিকৈ ঠিয় হৈ থকা ঘিলাবোৰ বগৰাব

পাৰিব। আৰম্ভনি খেলৰ বহুত হিচাব আছে। (১) **চাইলন**, (২) **টুলি**, (৩) **নাকি**, (৪) **খাৰু-হাটু**, (৫) **যোৰ-হাটু**, (৬) **ছেঁদৈ**, (৭) **নাভি**, শেষত **টিপ** (Final Strike)- চাইলন- বাওহাতৰ তৰ্জ্জনী আঙুলিৰ মাজ ভাগ আৰু সোঁহাতৰ তৰ্জ্জনী আৰু মধ্যমা আঙুলিৰ মাজত ঘিলা এটাক চেপা মাৰি ধৰি ৰাখি ক ৰেখাৰ পৰা খ ৰেখালৈ ঘিলাটোক পথালিকৈ আগবঢ়োৱা হয়। আৰু খ ৰেখাৰ পৰা আঠুকাঢ়ি বহি গ ৰেখাৰ ওপৰত থকা ঘিলাবোৰলৈ উক্ত পদ্ধতিৰে মাৰিব লাগিব। (২) **'টুলি'**- সোহাৰে ঘিলাটোক গাডীৰ চকাৰ দৰে ক'ৰ পৰা খ'ৰ মাজভাগত আগবঢ়োৱা দিয়াকে টুলি বোলে। (৩) **'নাকি'** - সোঁভৰিৰ বৃদ্ধা আৰু তৰ্জ্জনী আঙুলিৰ মাজত সুমুৱাই ৰাখি ঘিলাটোক সন্মুখলৈ আগবঢোৱাকে **'নাকি'** বোলে। (৪) **'খাৰু হাটু'** - নিম্ন হাটু (Ankle) দুটাৰ মাজ ভাগত ঘিলাটোক সুমুৱাই ৰাখি জপিয়াই ঘিলাটোক আগবঢ়াই দিয়াকে **'খাৰু-হাটু'** বোলে। (৫) **'যোৰহাটু'** - (Knee) দুই আঠুৰ মাজত ঘিলাটোক চেপা মাৰি ধৰি জপিযাই ঘিলাটোক আগবঢ়োৱাকে **'যোৰহাটু'** বোলে। (৬) **'ছেঁদৈ'**- আঠুৰ ওপৰ অংশত দুই উৰুৰ মাজত ঘিলাটোক চেপি ৰাখি জপিয়াই ঘিলাটোক আগবঢোৱাকে **'ছেঁদৈ'** বোলে। (৭) **'নাভি'**- নাভি আৰু পেটৰ মাজত চেপি ৰাখি জপিয়াই ঘিলাটোক আগবঢ়োৱাকে **'নাভি'** বোলে। প্ৰথম পৰ্য্যায়বোৰ শেষ কৰি বিপক্ষ দলৰ ঘিলাবোৰক (থিয় হোৱা) বগৰাব পাৰিলে শেষত 'টিপ' (Final Strike) হব ।সপক্ষৰ খেলুৱৈ সকল নিজৰ নিজৰ ঘিলাবোৰক লৈ ক ৰেখাত নিজৰ নিজৰ ঠাইত আঠু কাঢ়ি বহিব। আৰু এই ঠাইৰে পৰা গ অংশ বা ৰেখাত থিয় হোৱা ঘিলাবোৰক আগতে উল্লেখ পদ্ধতিৰে মাৰিব বা বগৰাব লাগিব। মুঠতে প্ৰত্যেকজন খেলুৱৈয়ে ৫ বাৰকৈ মাৰিব পাৰিব। ৪ জন খেলুৱৈৰ ভিতৰত ২ জন খেলুৱৈয়ে মাৰিব নোৱাৰিলে- মাৰিব পৰা খেলুৱৈ দুজনে নোৱাৰা দুজনৰ ঘিলাবোৰক মাৰিব পাৰিব। মন কৰিব লগা কথা যে বিপক্ষ দলৰ ঘিলাবোৰ মাৰোতে ঘিলাবোৰ যাতে গাঁতৰ ওপৰত পথালিকৈ বাগৰি নপৰে। পৰিলে বিপক্ষ দলৰ খেলুৱৈজনে 'ক্ষয়া' পাব। তাৰ মানে বিপক্ষ দলৰ খেলুৱৈ জনে ঘিলা থকা গাঁতত পথালিকৈ পুতি থব। আৰু এই ক্ষযাত থকা ঘিলাটোক সপক্ষৰ খেলুৱৈ জনে আগতে উল্লেখ পদ্ধতিত অথবা থিয় হৈ মূৰৰ ওপৰৰ পৰা ঘিলা মাটিত পেলাই তুলিব পাৰিব লাগিব। এইদৰে বিপক্ষ দলৰ সম্পূৰ্ণ ঘিলাবোৰক মাৰিব পাৰিলে- বিপক্ষ দল এক চান (Game) খাব। ঘিলা খেল তিনিবাৰত হাৰ-জিতৰ ফলাফল নিৰ্ণয় কৰা হয়।

(বিঃদ্ৰঃ - ইয়াৰ উপৰিও মানি-মুনি, ঢোপ, ভাড্ডা আদি খেলো লুপ্ত হৈ গ'ল)

—ঃOঃ—

শালকোচা অঞ্চলৰ ৰাজবংশী সম্প্ৰদায়ৰ সাজ-পোছাক আৰু আ-অলঙ্কাৰ

শ্ৰীসুবল চন্দ্ৰ বৰ্মণ
হাতীপোতা

শালকোচাত ৰাজবংশী সম্প্ৰদায়ৰ লোকৰ সংখ্যাই অধিক। পূৰ্বপুৰুষ সকল বেছি ভাগে ৰংপুৰ (অধুনা বাংলাদেশত) অঞ্চলৰ পৰা ইয়ালৈ প্ৰব্ৰজন কৰি অহা। শালকোচাৰ গৌৰাংটাৰী গাঁওখনে ৰাজবংশী সম্প্ৰদায়ৰ বসবাসৰ প্ৰথমখন গাঁও বুলি অনেকে কয়। বৰ্তমানৰ গৌৰাং নদীখন এই খন গাঁওৰ কাযেদি বৈ গৈ ব্ৰহ্মপুত্ৰত পৰিছিল। আজিও ইয়াৰ মৰা সুঁতীটোক মৰা গৌৰাং বুলি কয়।

এই সম্প্ৰদাযৰ প্ৰাচীন পোচাক-পৰিচ্ছদ আৰু আ-অলঙ্কাৰ সম্পৰ্কে কিছু কথা লিখা হ'ল।

(১) পুৰুষৰ পোছাক ঃ- তাঁতশালত গঢ়া কপাহী কাপোৰ হে পিন্ধা-উৰাত সাধাৰণ ভাৱে ব্যৱহাৰ কৰিছিল। পিন্ধনত গামোছা ব্যবহৃত হৈছিল। কোমৰৰ পৰা আঠুৰ সামান্য তললৈ গামোছা পিন্ধিছিল। গামোছাৰ তলত কোনো অন্তবাস ব্যৱহাৰ নকৰিছিল।

শৰীৰৰ ওপৰ অংশত অধিক সংখ্যকে কোনো একো নিপিন্ধিছিল। সৰু গামোছা এখন কান্ধত ওলোমাই ৰাখিছিল। অৱশ্যে অতি কম সংখ্যকে হাততে তৈযাৰ কৰা গেঞ্জী পিন্ধিছিল। এই গেঞ্জীবোৰ আজিকালিৰ বেনিয়ন গেঞ্জীৰ নিচিনা আছিল।

সাজি-কাচি কৰবাত ওলাই যাব লগা হ'লে চোলা পিন্ধিছিল। হাতা চুটি বা দীঘল হাতাৰ চোলা আছিল। পাঞ্জাবী চোলা নাছিল। খুব ধনী মানুহ বা শিক্ষিত লোকে ধুতী পিন্ধিছিল। জুতা-চেণ্ডেলৰ প্ৰচলন নাছিল 'পয়ঠা' আছিল। 'পয়ঠা'ৰ

তল অংশটো কাঠৰ আৰু মৰাপাটৰ ফৈৰে বেণী গুঠাৰ দৰে ফিতা আছিল। দেখাত প্ৰায় আজিকালিৰ হাৱাই চপ্পলৰ নিচিনাই আছিল। শুবলৈ যোৱাৰ আগত হাত-ভৰি ধুই 'পয়ঠা' লগাইছিল।

শীতৰ দিনত 'পাচাৰা' উৰিছিল। 'পাচাৰা' বোৰ তাঁতশালত বনোৱা মোটা কাপোৰৰ দীঘল চাদৰৰ দৰে। পুৰুষ সমাজত অলঙ্কাৰ পিন্ধাৰ প্ৰচলন নাছিল।

(২) **স্ত্ৰী পোছাক ঃ-** ছোৱালী, তিৰোতা আটায়ে 'পাটানী' পিন্ধিছিল। দুই কাষলতিৰ তলেদি বুকুৰ পৰা ভৰিলৈ বুকুত মেৰিয়াই লাম্বা কাপোৰখনকে 'পাটানী' কোৱা হয়। পাটানীৰ আন এটা প্ৰকাৰ আছে-'দো-পাটানী'। বোৱাৰী, জীয়ৰী আদিয়ে সাজি-কাচি ওলাই যাব লগা হ'লে 'দো-পাটানী' পিন্ধিছিল। ইয়ো 'পাটানী'ৰ দৰেই কিন্তু বুকুখন বিশেষভাৱে আৱৰি ৰাখিব পৰা হয- পিঠি ফাল উদং হৈ থাকে। বিবাহিতা বিলাকে মূৰত এখন সৰু গামোছা ৰাখে যাক 'আওছা' বুলি কয়।

ব্লাউজ, অন্তৰ্বাস, পেটিক'ট আদিৰ প্ৰচলন নাছিল। ন-কইনাৰ ক্ষেত্ৰত 'চেমিজ' ব্যৱহাৰ কৰা দেখা যায়। 'চেমিজ' হ'ল ব্লাউজ আৰু পেটিক'ট একেটা কাটৰ। কিন্তু হাতা নহৈছিল।

জুতা, চেণ্ডেল, পয়ঠা আদি স্ত্ৰীলোকে ব্যৱহাৰ নকৰিছিল।

(৩) **অলঙ্কাৰ ঃ-** ৰাজবংশী সমাজত অলঙ্কাৰৰ প্ৰাচুৰ্য্য নাই বুলিয়ে কব পৰা যায়। সাধাৰণ ভাৱে দুই এপদহে ব্যৱহৃত হোৱা দেখা যায়। ন-কইনাক যিখিনি গহনা পিন্ধোৱা হয়- সিয়ে মুখ্যতঃ অলঙ্কাৰ ৰূপে গণ্য হয়। হাতত শাখা এযোৰ দৰা ঘৰে কইনাক দিয়ে। শাখাবোৰ অতি সৰল-কোনো কাজ কৰা নাথাকে। ভৰিত এযোৰ ৰূপৰ খাৰু থাকে দেখাত 'ৰুলী'ৰ দৰে। মুখ মণ্ডলত থকা গহনাখিনি সোনৰ হয়। নাকত তিনিধৰণৰ অলঙ্কাৰ পিন্ধে - নাকফুল, 'নলো' আৰু 'নথ'। নাক ফুল নাকৰ বাহিৰ পালে থাকে; নাকৰ তল অংশটোত ওলমি থকাৰ দৰে 'নলো' আৰু সোঁ-ফালৰ নাকত এটা ডাঙৰ আঙঠি থাকে-ইয়ে 'নথ'। কপালৰ সোঁমাজত সেউতাত 'সীতা পাটী' থাকে। কাণত দুই ধৰণৰ গহনা পিন্ধে 'চেপ্টা' আৰু 'মাকৰী' (ফুল কৰি)। হাতৰ আঙুলিত আঙুঠি এটা পিন্ধে। চুলিত ৰূপৰ কাটা আৰু 'ডুৰি ফিতা' বান্ধে। ডিঙিত ৰূপৰ দুই-তিন পেচৰ 'গোট হাৰ' (বিছা হাৰ) পিন্ধে। কেনোবাই কোমৰতো নিতম্বৰ ওপৰফালে 'ৰেট' পিন্ধে।

সম্পূৰ্ণ অলঙ্কাৰ খিনি দৰাই দিয়াটো সামাজিক নিয়ম। শাৰীৰ প্ৰচলন নাছিল।

(৪) **শয্যা ঃ-** খাট, চকী বা পালেং আদিৰ প্ৰচলন নাছিল, বাঁহৰ চাং আছিল।

ছটা বাঁহৰ খুটি মাটিত পুতি বাহেৰে চাং বনাই শয্যা সাজিছিল। অৱশ্যে, মাটিত ঢাৰি পাতি অধিক সংখ্যকে শুইছিল। শীতৰ ৰাতি 'দাগ্‌লা' উৰিছিল। ফটা-ছিটা কাপোৰ পৰিষ্কাৰ কৰি ধুই ডাঠ কৰি লৈ বেজীৰে চিলাই কৰা এবিধ 'কেঁথা'কে 'দাগ্‌লা' কোৱা হয়। এই 'দাগ্‌লা আৰু কেঁথাবোৰ ৰং-বিৰঙৰ সূতা আৰু কাপোৰেৰে বনায়। ইয়ো এটা শৈল্পিক কাজ আছিল।

শালকোচা মহ আৰু মেলেৰিয়াৰ বাবেও জনাজাত আছিল। অথচ সেই যুগত আজিকালিৰ নিচিনা আঠুৱা নাছিল। ফলত নিজা বৰীয়াকৈ আঠুৱা বনাই লৈছিল। এনে আঠুৱাক 'ঘনা' কৈছিল। এখন আহল-বহল চাদৰৰ দুইফালে মাজ অংশত ৰচীৰে বান্ধি ঘৰৰ ধন্নাত বা চালৰ কামিত বান্ধে। তেতিয়া চাদৰখনৰ আকৃতি আঠুৱাখনৰ দৰে হয় - ইয়াকে 'ঘনা' কয়।

দে'শলাই আৰু কেৰাচিন তেল তেতিয়া নাছিল। ধান খেৰৰ 'ভুতিত' জুই সংৰক্ষণ কৰিছিল। ধান খেৰেৰে বেণী গুঠী দীঘলকৈ বনোৱা বস্তুটোকে 'ভুতি' কৈছিল। ভেগুা, নাগেশ্বৰৰ গুটি বাঁহৰ কাঠিত মালা গুঠাৰ দৰে গুঠি একহাতমান লম্বা কৰি কৰি বনাই ৰাখিছিল। মজিয়াত এটা কৈ কাঠি বিন্ধি থিয কৰি দি ওপৰৰ প্ৰথম গুটিটোত জুই লগাই দিয়ে। ই জ্বলি গৈ পৰবৰ্ত্তী গুটিটোত ধৰে। এইখিনি পোহৰতে খোৱা-লোৱা কৰি শুৱে। আবেলি পৰতে ৰন্ধা-বঢা হৈ যায়। গোহালীত গৰু বান্ধি হাঁহ-পাৰ, ছাগলী চাই-মেলি সাঁজ লগাৰ লগে লগে ভাত-পানী খাই অঁতায়। সোনকালে শুৱা আৰু সোনকালে বিছনা এৰা সমাজৰ ৰীতি আছিল।

—ঃ O ঃ—

> এশজন শিক্ষকে কৰিব নোৱাৰা কাম এগৰাকী মাতৃয়ে অকলেই কৰিব পাৰে।
>
> -জৰ্জ হাৰ্বাৰ্ট।

শালকোচাৰ অৰণ্যই বিনায়-

শবনম
শ্ৰীগ্ৰাম

পাহাৰ-টিলা, বন-বননি, খাল-বিল আৰু তৃণভূমিৰে ভৰা শালকোচা এখন প্ৰকৃতিৰ বিনন্দীয়া খেলাভূমি। চান্দৰদিঙা পাহাৰৰ পৰা চক্ৰশিলা পাহাৰলৈ, চক্ৰশিলা পাহাৰৰ পৰা বাওখুংগীলৈ, বাওখুংগ্ৰীৰ পৰা টোকোৰাবান্ধা পাহাৰলৈ লানি নিছিগা পাহাৰ-টিলা- অৰণ্যৰে তিনিওফালে আগুৰা। দক্ষিনত টোকোৰাবান্ধা, দুধনাথ আৰু চান্দৰদিঙা পাহাৰ। তিনিওখনে প্ৰায় একেটা শাৰীতে থিয় দি আছে। তিনিওৰে দক্ষিনে ব্ৰহ্মপুত্ৰ নদ গা-চুই বৈছে। ধীৰ, ডাকাৰা, ডিৱলাই, শৌলমাৰী ৰেণী আদি বিল, চৰুবা বাখ্ৰা, চকচকা আদি তৃনভূমিৰ উপৰিও সৰু বৰ বহুতো জলাশয়ৰে ভৰপুৰ শালকোচা। ১৯৬০ চন মানলৈকে শালকোচাৰ এই মোহনীয় কান্তাৰ চিৰ-যৌৱনা চিৰকুমাৰী ৰূপত বিদ্যমান আছিল।

বহুতো জাতি প্ৰজাতিৰ জীৱ-জন্তু, চৰাই-চিৰিকতি, মাছ-মগৰ, গছ-গছনি, ধান-শইচ আদিৰে শালকোচা সদা নতুন আছিল। সেই পৰিবেশত থকা জীৱ, উদ্ভিদ আৰু শইচৰ তালিকা এখনি দাঙি ধৰা হৈছে। আজিৰ পৰা কেইবছৰমান পিছত এইবোৰ ৰূপকথা যেন লাগিব।

স্থানীয় নামেৰে তালিকাখন যুগুত কৰা হৈছে-

জন্তু ঃ- ১। বাঘ - বৰবাঘ, ফুটীবাঘ, লোক্ৰা, লেৰা বাঘ,

২। হৰিণ - ভালাঙী, সম্বাৰ, খটীয়া, শকৰা,

৩। বান্দৰ - সোণালী বান্দৰ, পাতি বান্দৰ, হুলু বান্দৰ, বগা বান্দৰ

৪। শিয়াল - শিয়াল, খেক শিয়াল

৫। জিনাৰ - ভোগ জিনাৰ, জিনাৰ

৬। সূয়োৰ
৭। বুনুৰা ছাগল
৮। হাতী
৯। বুন গৰু
১০। হাগা গেডেৰা
১১। কেৰ্কেটো
১২। দেওসৰ
১৩। সাসা
১৪। হাপা
১৫। নেউল
১৬। উদ
১৭। কুবাং
১৮। ভালুক
১৯। বাঘা সুল্লা

সৰীসৃপঃ-

১। বাৰ সাপ
২। ফেটীগোম
৩। ড্ৰাইস্
৪। ঝাৰুৰা গোম
৫। কাসাৰ গোম
৬। কায়চাপাতি সাপ
৭। বাত্ৰাইস্
৮। ঢৰা
৯। ঘেংটিয়া
১০। জল বৰা
১১। চকৰি ফেটি
১২। ডুমুৰা সাপ
১৩। ৰেনী
১৪। গুই- সোণ গুই, জল গুই, মাটীয়া গুই
১৫। তেজপিয়া
১৬।চেংতাৰা
১৭। অগ্নি চেল্লা
১৮। বিচ্ছু
১৯। জেঠি
২০। দুৰা আৰু কাছ

মাছ ঃ-

১। ডৰকিনা
২। পুঠি
৩। মোৰা
৪। খৈলসা
৫। উপৰ চকুৰা
৬। চাটা
৭। চান্দা
৮। চেলকানি
৯। টেপা মাছ
১০। চেকা মাছ
১১। টাকি
১২। চেং

১৩। সাল
১৪। স'ল
১৫। শিঙি
১৬। মাগুৰ
১৭। পাবতা
১৮। টেংনা
১৯। শিলটকা
২০। বালিয়া
২১। তুৰি
২২। বটিয়া
২৩। ফালগতি
২৪। বামি
২৫। কুচিয়া
২৬। ভাংনা
২৭। এলেঙা
২৮। ইছিলা
২৯। কৈ
৩০। ঘাক্সি
৩১। কবৃতি
৩২। বাছা
৩৩। ফৈলা
৩৪। খাকিলা
৩৫। চাটা
৩৬। বুদবুদি
৩৭। বোৱালি
৩৮। বৌ
৩৯। কাতল
৪০। চিতল
৪১। কুর্সা
৪২। আৰি
৪৩। বাউস
৪৪। মৃকা
৪৫। চিনি পুঠি
৪৬। শামুক
৪৭। ঝিনাই
৪৮। বেঙ- ঘাউৰা, টেপা, পাতবেং, খুসুলি।

মাছমৰা সজুঁলি ঃ-

জাখা, ঝোকা, পাচা, কেটা, ঝাক্ৰা, বৰশি, আছাৰা, দাউন, জিয়াল, লফা, চেপা, চুঙা, থৰ্কা।

জাল - লাঙি, ডফি, ডৰা, ঠেলা, চাক, উৰান জাল। বাম্না, নল, হাতিয়াৰ, খাটিৰ আছৰা, খলাই, হালি, চেপা।

উল্লেখনীয় যে, শালকোচাত কৈবৰ্ত্য লোকৰ বাহিৰে মাছ বিক্ৰী কোনেও কৰা নাছিল। মাছ ওজন কৰি বিক্ৰী নহৈছিল। উৰুকাৰ দিনত ডাক্ৰা বিলত ৰাজহৰা

ভাৱে 'বাহো' মাৰা হৈছিল। বহাগ মাহত বৰষুন বেছি পৰিমানে পৰাৰ দিন মাছৰ 'উজাই' উঠিছিল। ঘৰৰ চোতাললৈকে কাৰৈ মাছ আহিছিল।

দুৰা আৰু কাছ পিতনি-দলনিবোৰত অজস্ৰ আছিল। চ'ত মাহত খৰাং হ'লে পিতনিবোৰত শিঙি-মাগুৰ-কাৰৈ আদি মাছৰ 'হাৰি' পোৱা গৈছিল। পিতনি দলনি বা মাকানা- বৰঙা থকা ঠাইৰ মাজত 'ফয়লা' ঠাই থাকিলে, তাত শ'ল, শাল আৰু টাকি মাছে 'খুলি' দিছিল, আৰু বানপানী অহাৰ লগে লগে 'ভাসায ভাসায় পোনা মেলি ফুৰিছিল।

চৰাই ঃ-

১। শগুণ - ৰাজা, ঢেগুল
২। চিলা - ধোবানী চিলা, পাতি চিলা
৩। কুৰুৱা
৪। হাড়গিলা
৫। বাজ
৬। কাউৰা- ঢেল, পাতি, শ্বেত, কাউৰা।
৭। বগুলা - কানী বগুলা, ঘাগ বগুলা।
৮। কোৰা
৯। ডাউকী
১০। মাছৰাঙা
১১। দল পিপি
১২। হেটেটেও
১৩। বাটা পখি
১৪। ফেচকুলা
১৫। সাৰালি
১৬। ৰাজহাঁস
১৭। শামুক
১৮। শামুক খলা
১৯। ৰায় ঝাৰা
২০। নাক থেৰ্কা
২১। পানী কাউৰী
২২। চকোৰা
২৩। মৈৰা
২৪। ধনেশ
২৫। ময়না
২৬। তোতা
২৭। টিযা
২৮। কুলি
২৯। হলদিয়া পখী
৩০। ফেচা
৩১। হুদুম
৩২। যম্শীত
৩৩। হৈৰতাল
৩৪। ঘুগু-পাতি, ঘেগ, ঢেস ঘুগু

৩৫। কাঠল পাকুক পখী
৩৬। কুকুৰা
৩৭। বুনুৰা চৰাই
৩৮। উলু মৈৰা
৩৯। টুনি
৪০। দমকালা
৪১। তুলা পখী
৪২। মুনিয়া
৪৩। বাৰৈ
৪৪। খুটা কাটা পখী
৪৫। চাতক
৪৬। ঘক্‌টলো
৪৭। ঘৰচেকেয়া
৪৮। সাৰো- জাতি, গুৱৰীয়া
৪৯। সাতভায়া
৫০। মৌ-খাৱা
৫১। টিপ-টিপালি
৫২। দৈয়ল
৫৩। বানৰাৰ
৫৪। পাৰ

শালকোচাৰ অৰণ্যভূমিত প্ৰচুৰ মৌ পোৱা গৈছিল। গছৰ ডাল আৰু খোৰোঙত মৌ বাহ সাজিছিল। একোটা গছত ৪০/৪৫ খন লৈকে মৌৰ বাহ দেখা পোৱা গৈছিল। নানা ৰঙী পখিলাৰে এই অঞ্চল ভৰপূৰ আছিল।

ধান ঃ-

শালকোচা অঞ্চলত প্ৰধানকৈ শালি ধানৰ খেতি কৰা হৈছিল। বাওধান সামান্য কৰিছিল, কিন্তু আহু ধানৰ খেতি অতি কম কৰিছিল। ইযাৰোপৰি আলু, মৰাপাট, সৰিযহ, মাটি কালাই আৰু কুঁহিয়াৰ খেতি অলপ-চলপ কৰিছিল।

শালি ধান ঃ-

১। সোনাজুল
২। ফুল পাখ্ৰি
৩। পাঙা বাসি
৪। গযাস্বৰী
৫। পানী শালী
৬। লোহাৰ ডাং
৭। ডুৰিয়া
৮। ভোগধান- জিৰা, কেঁএঁগ্ৰা, তুলসী, বিন্নাফুল্লী, কালাভোগ।
৯। বছি- খাৰা বছি, ধলা বছি, নগএগ্ৰা বছি, গুদৰি বছি
১০। বন্নি- লেদাই বন্নি, লাল বন্নি, চিখ্ৰা বন্নি, আমথোকিয়া বন্নি

আহু ধান ঃ-	বাওধান ঃ-
১১। পুঠিয়া	১৯। বকফুল
১২। ফাৰাসি	২০। ভৈস লেটী
১৩। বেতগুঠি	২১। কাকোৱা
১৪। নিলাজী	২২। শিঙাহাৰ
১৫। চতুৰালি	২৩। ঢেপা
১৬। বাংলানী	২৪। বেথো
১৭। ইক্রি	২৫। কাসাৰ
১৮। গৰিয়া	২৬। সমৰাজ

এনেবোৰ দেশী জাতৰ ধান প্ৰায় লোপ পোৱাৰ অৱস্থাত। সঙ্কৰ জাতৰ ধানে দেশী জাতক প্ৰায় বিলুপ্ত কৰিলে। সঙ্কৰ জাতৰ ধানৰ ফলন বেছি হয় যদিও, ভাত আৰু পিঠা-পনাৰ বাবে দেশী জাতৰ ধান তুলনাবিহীন। এই অঞ্চলৰ মানুহ 'ঢেকী-ছাটা আলোৱা চাউলৰ ভাতহে সাধৰণতে খাইছিল।

শালকোচা অঞ্চলৰ মানুহে পৰম্পৰা পদ্ধতিৰে কৰা হালৰ সঁজুলিবোৰ -

১। এহাল বলদ গৰু (গাই গৰুৰে হাল নাবায়)

২। নাঙল - ফাল, ঈস, পাটকা।

৩। জোঙাল - সল্লি, জুক্তি, লেঙেৰা, সাজোৰ

৪। মৈ - ডাকুৰা, চট্‌কা

৫। বেধা	৬। হাছিনি।
৭। দাৰিয়া	৮। কুস্‌সি
৯। হালুৱা লাঠি	১০। কোদাল
১১। দাও	১২। কুঠাৰ
১৩। কাচি	১৪। পাসন
১৫। খন্তা	১৬। ৰয়না
১৭। কোৰা	১৮। খাদা
১৯। দুন	২০। ঝাপি

২১। কুলা
২২। চাঙিলি
২৩। পাচি-ডুকুলি
২৪। ডোল
২৫। ধাৰা
২৬। দৰি
২৭। টাক্‌ৰুস

মৰাপাট শুকাই 'পাটাসি' বনাইছিল। দোৱাই বৰ বাঁহৰ 'তেঙল' তুলিছিল। মৰাপাট পচাই 'পাটা' বনাইছিল। ই বোৰেৰে ৰচি পকাইছিল। 'তেঙল' দি ঘৰ ছাউনিৰ কাম কৰিছিল। 'অদলা' গছৰ আঁহেৰে ৰচি পকাইছিল। শালমামা লতা কোবাই-কোবাই আঁহ ফালি বান্ধাৰ কাম কৰিছিল। তেতিয়াৰ দিনত প্লাষ্টিক নাছিল। নাৰিকলৰ ৰচি আৰু গুনা বৰ দামী বস্তু আছিল।

শালকোচাৰ অৰণ্যভূমিত হোৱা গছবোৰৰ নাম ঃ-

১। অদলা
২। অস্কি
৩। অগৰু
৪। আওলা
৫। আম্রা
৬। আসৈ
৭। কাটা কুসি
৮। কাউৰা কুজি
৯। কদম- তেলী কদম
১০। কুম
১১। কৰাই
১২। খয়েৰ
১৩। গামাৰি
১৪। গাৰ
১৫। গন্ধ সৰাই
১৬। নিম-ঘোৰা নিম
১৭। ঘুগুৰা- ফুল ঘুগুৰা
১৮। চন্দন
১৯। চাইতান
২০। চামা-ডাউৰা, কাঠিলি
২১। চাইলতা
২২। ছাল কালা
২৩। জাম-গধা, খৰিকা, গোলাপ
২৪। জিয়া- ভাতুৰা, পমা, লাল
২৫। ডিং ডিঙা
২৬। ডুমুৰু
২৭। ঢপ
২৮। তেতেলি
২৯। থৈকৰ
৩০। দুদকুৰি-দুদকুসি
৩১। দাৰুৰা হলদি

৩২। ধল্লি
৩৩। নেউৰি
৩৪। পাখ্রি-টেঙা পাখ্রি
৩৫। পাল্লি
৩৬। পাৰচকুৰা
৩৭। পুনিয়াল
৩৮। পিৰল
৩৯। বগুৰি
৪০। বট-স্বৰ্ণ বট
৪১। বন্না
৪২। বাগনাল
৪৩। বাউৰি
৪৪। ভদেয়া
৪৫। ভাকুৰি
৪৬। ভেলৰা
৪৭। ভেণ্ডি
৪৮। মেকেৰা কেন্দি
৪৯। মাদাৰ
৫০। শাল
৫১। শিমলা
৫২। শুঙাল
৫৩। শিলকা.
৫৪। সিদা
৫৫। সেওৰা
৫৬। হিন্দল।

গুল্ম জাতীয় ঃ-

১। কল
২। আকন্দ
৩। এণ্ডা
৪। ভেণ্ডা
৫। খক্সা
৬। গাৰো সিটকি
৭। গয়ছা
৮। গধা ঢেকিয়া
৯। চুটকি
১০। ঝিকিৰি
১১। ডাউ কি
১২। চান্দো
১৩। ভাদো
১৪। ময়না
১৫। কৰি
১৬। শতমূল
১৭। নৰসিং
১৮। গন্ধাৰি
১৯। চণ্ডা
২০। আগিয়া
২১। সিজু
২২। সাগৰ ফেনা।

লতা জাতীয় ঃ-

১। সৰ্পগন্ধা
২। নীলকণ্ঠ
৩। পাতভেদেলী
৪। হেমলতা
৫। সালমামা লেৱা
৬। পানীয়া লেৱা
৭। মাধৈ লতা
৮। হাদালা
৯। মাটিয়া লেৱা
১০। পানচৈ
১১। মৌ আলু
১২। ঘিলা
১৩। বান্দৰ কেকা
১৪। নাকাৰ মাও
১৫। ভোটি ছিমা
১৬। মামাৰ লাৰু
১৭। মাৰ্কাল
১৮। দুধ লেৱা

তৃণ জাতীয় ঃ-

১। আনাজী
২। মঙ্গামাৰি
৩। আৰালি
৪। উলু
৫। ইকিৰা
৬। টাংলা
৭। বাতা
৮। কাশিয়া
৯। খাগৰি
১০। বিন্যা
১১। নল
১২। খেৰ- ডাবা, মুসুৰি
১৩। এলুৱা
১৪। পুণ্ডি
১৫। বৰঙা
১৬। মাকানা
১৭। ভেট
১৮। পদ্ম
১৯। দল
২০। কেসৰি
২১। কছুৰি পানা
২২। শিঙাৰি
২৩। কানসিসা
২৪। ঢেকিয়া
২৫। কাকৰা বাশ
২৬। ধধঞ্যা
২৭। বতলা
২৮। পাটি দৈ
২৯। বেত
৩০। ঘনা

৩১। মৈন ঘাস
৩২। বিষ কুটুলি
৩৩। হাটুৰা ঘাস
৩৪। কেওঁৰা
৩৫। কচলত
৩৬। ভেটমালি
৩৭। সৰাই তিতা
৩৮। হেলাঞ্চি
৩৯। লজ্জা মালতী
৪০। বিস্তি তিতা
৪১। আদা গছি
৪২। ভুচি
৪৩। হাৰ গাজি
৪৪। পুনি (পানীত জন্মা)
৪৫। শন
৪৬। বাশ- বৰ বাশ, জাতি বাশ, কাকোৰা, তাৰাই, জাউঠিযা

শালকোচাৰ অৰণ্য অঞ্চলত বহু প্ৰকাৰৰ 'পৰগাছা' বা আৰ্কিড আছিল কিন্তু স্থানীযভাৱে আটাইবোৰৰ নাম পোৱা নাযায। তেনে পৰগাছা কেইটামান-

১। গৰুৰেৰ পাখা
২। কপৌ
৩। পানী বাতাসী
৪। পাতে গাজা
৫। আকাশী লেৱা।

উল্লেখিত জলচৰ স্থলচৰ জীৱ-জন্তু, সৰীসৃপ আৰু গছ-লতাবোৰ দিনে দিনে সংখ্যাত দ্ৰুতভাৱে কমি আহিছে। কিছুমান ইতিমধ্যে লুপ্ত হৈছে। শালকোচাৰ জনসাধাৰণে চকুৰ আগতে দেখিবলৈ পোৱা টেকোৰাবান্ধা, দুধনাথ. চান্দৰডিঙা পাহাৰৰ কি দশা বৰ্তমানে হৈছে, চৰুৱা বাখ্ৰা, সৰ্পমাৰী তৃণভূমি অঞ্চল আজি উচ্ছন্ন হৈছে। ঠিক তেনেকুৱা এটা ৰূপ চক্ৰশিলা - বৌকুমাৰী (বাওখুঙ্গুৰী) পাহাৰ আৰু শিঙিমাৰী ঝাৰৰ হোৱাৰো বেছি দিন নাই। চৰকাৰী বন বিভাগৰ ওপৰত আশা পালি থাকি থাকি আজি শালৈকোচাৰ এনে নওঠা ৰূপ পাইছে। উঠি অহা যুৱচামে প্ৰতিকাৰ নকৰিলে শালকোচাৰ প্ৰকৃতিৰ অপমৃত্যু অৱধাৰিত।

প্ৰবন্ধটো যুগুত কৰোতে শ্ৰীগ্ৰাম নিবাসী ছফৰউদ্দিন (বৰ্তমান প্ৰয়াত), উমৰ উদ্দিন, আব্দুল জলিল, আবুতেহাৰ সৰকাৰ, ৰাজেন বৰ্মন আদি ব্যক্তি সকলে সহায় কৰাত তেখেত সকললৈ কৃতজ্ঞ মই।

প্ৰবন্ধকাৰ

শালকোচাৰ কায়স্থ পৰিবাৰ বৰ্গ -

প্ৰণীতা বৰুৱা
শ্ৰীগ্ৰাম

হিন্দু সংস্কৃতিত ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়ক উচ্চ বৰ্ণত ৰখা হৈছে। কায়স্থ সকল ক্ষত্ৰিয় বৰ্ণৰ অন্তৰ্ভূক্ত। 'ক্ষত্ৰিয' শব্দৰ পৰা 'কায়স্থ' তত্ত্বৰ শব্দ বুলি পণ্ডিত সকলে কয। ক্ষত্ৰিয় সকলৰ প্ৰধান জীৱিকা দুটা আছিল- 'আসিনা ৰক্ষিতং ৰাজ্যং মস্যাদিস্থাপনায় চ।' অৰ্থাৎ অসিৰে ৰাজ্য ৰক্ষা কৰা হয় আৰু মসীৰে ৰাজ্য স্থাপন কৰা হয। কামৰূপত স্থানীয ভাষাৰে ল'ৰা-ছোৱালীক শিক্ষা দিয়া লোকসকলক 'কায়স্থ' 'কাযথ' বুলি কোৱা হৈছিল আৰু এই বিশেষ শিক্ষাটোক 'কাইথেলী বিদ্যা' বুলিছিল। ১৪ শ শতিকাৰ প্ৰথমৰ ফালে কান্যকুব্জৰ পৰা (আধুনা কনৌজ) কিছুমান কায়স্থ লোক প্ৰবজন কৰি কামৰূপৰ পালবংশীয় 'কাযস্থ' ৰজা দুৰ্লভ নাৰায়নৰ ৰাজ্যত আশ্ৰয গ্ৰহন কৰিছিল। ৰজাই তেওঁলোকক 'ভুঞা' উপাধি দিছিল। ভুঞা সকল সৰু সৰু জমিদাৰ আছিল। এওঁলোক প্ৰথমাৱস্থাত নামৰ শেষত উপাধি হিচাবে 'কাযস্থ' লিখিছিল। পৰবৰ্ত্তী ভৌমিক, দত্ত, ভূঞা, ঘোষ, গুহ, সিঙ, বসু আদি উপাধি লিখিছিল। ৰাজঘৰীয়া উপাধি শীকদাৰ, মজুমদাৰ, চৌধুৰী, কাকতি, বৰুৱা আদিও লিখিছিল।

কোচ ৰজা নৰনাৰায়নৰ ৰাজত্ব কালত চৈধ্যঘৰ কায়স্থ উজনিৰ পৰা আহি যুৱৰাজ চিলাৰাযৰ যোগেদি আশ্ৰয বিচৰাত ৰজাই বিভিন্ন ঠাইত সংস্থাপন দিছিল। কোচ ৰজাই 'দেৱান' (সৰ্বোচ্চ কৰ্মচাৰী) সকলক 'বৰুৱা' উপাধি দিছিল।

এই প্ৰবন্ধৰ মুল উপজীব্য বিষয় হৈছে - শালকোচাৰ কায়স্থ পৰিয়াল কেইটাৰ বিষয়ে এটা সাধাৰণ আলোচনা কৰা। ইয়াত মুলতঃ দুটা কায়স্থ পৰিয়াল পোৱা যায- 'নিয়োগী' আৰু 'বৰুৱা'। অৱশ্যে, পৰৱৰ্তী 'ৰায়চৌধুৰী' উপাধিৰ আৰু এটা পৰিয়ালৰ উদ্ভৱ হয।

চিলাৰাযৰ মৃত্যুৰ পিছতে কমতা ৰাজ্য দুভাগ হয়- সোনকোষ নৈৰ পশ্চিম অংশ কোচবিহাৰ আৰু পূবাংশ কোচ হাজো। কোচহাজো চাৰিটা চৰকাৰত ভাগ

কৰা হৈছিল- চৰকাৰ কামৰূপ, কামৰূপ ঢেকেৰী, চৰকাৰ দক্ষিন কূল আৰু চৰকাৰ বাঙ্গাল ভূম। চৰকাৰবোৰ আকৌ পৰগণাত ভাগ কৰা হৈছিল।

চৰকাৰ ঢেকেৰীৰ পৰগণাসমূহ ঃ- খুটাঘাট, গুমা, পৰ্বতজোৰ, কসবে ধুবুৰী, জামিৰা, ঔৰিয়া, ঘুল্লা, জলকৰ মহল, কসবে ঘিলা, চাপৰ, বেছমজৰী, কোকলাৰ, খুমাৰ, কাঠমহল, কটোৱালী, ডিমালীমহল, ধামাদি মহল, চুলহট আৰু দত্তক মহল। 'কসবে'ৰ অৰ্থ নগৰ আৰু 'মহল'ৰ অৰ্থ নদী-যাতায়ত কৰ। এই খুটাঘাট পৰগনাৰ অন্তৰ্গত শালকোচা। উল্লেখিত ভাগবোৰ ৰাজহ ভাগ আছিল।

নিয়োগী বংশ ঃ- যুদ্ধৰ সময়ত বা ৰজাৰ প্ৰয়োজনত সৈন্যৰ নিযুক্তি দি সৰবৰাহ কৰাৰ বাবে ৰজাই বিশেষকৈ কোচৰাজই 'নিয়োগী' উপাধি দিছিল।

শালকোচাৰ নিয়োগী বংশৰ পূৰ্বপুৰুষজন পূববঙ্গৰ মৈমনসিং জিলাৰ বাউসী গাঁওৰ। এওলোকৰ ধৰ্ম ভাগৱতী আৰু গোত্ৰ বশিষ্ঠ বুলি পৰিয়াল সূত্ৰে জনা যায়। এই বংশৰ আদিত্য নাৰায়ন সোতৰ শতিকাৰ দ্বিতীয়াৰ্ধত বিজনী ষ্টেটৰ বিচাৰক (জজ) হৈছিল। ৰজাৰ পৰা 'মৌৰচী' হিচাবে চৈধ্যখন মৌজা স্থায়ীভাৱে পাইছিল আৰু বসবাস কৰিবলৈ শালকোচালৈ আহে। তেওঁৰ বন্দী-বেটীৰ বাবে ৰজাই 'নানকৰ' দিছিল। 'মৌৰচী' 'নানকৰ' 'খেৰাজ' আদি ৰাজহৰ শ্ৰেণী আছিল। এওঁৰ মাটি-কালি প্ৰায় ১৪,৫৫৪ বিঘা। এওঁৰ লগত কামাৰ, কুমাৰ, সূতাৰ, কলিতা, ধোবা, নাপিত এঘৰকৈ আৰু এজন ব্ৰাহ্মন পুৰোহিত আছিল। এই পুৰোহীত জনৰ বংশতে স্বনাম-ধন্য ষড়ানন তৰ্কতীৰ্থ জন্মগ্ৰহন কৰিছিল। কলিতা ঘৰৰ বংশজ সু লক সৰকাৰ নিয়োগী স্টেটৰ ৰাজহ কৰ্মচাৰী ৰূপে নিযুক্তি লভি 'সৰকাৰ' উপাধি পাইছিল।

আদিত্য নাৰায়নৰ বংশত ৰাজেন্দ্ৰ নাৰায়ন আৰু কন্দৰ্প নাৰায়ন- দুই ভাতৃৰ জন্ম হৈছিল। ৰাজেন্দ্ৰ নাৰায়নৰ এটি মাত্ৰ কন্যা সন্তান গঙ্গাময়ীৰ বিবাহ হৈছিল- বৰপেটাৰ ভৰত ৰায়চৌধুৰীৰৰ লগত আৰু জী-জোৱাই শালকোচাতে পিতৃগৃহতে থাকি নিয়োগী স্টেটৰ এটা বৃহৎ অংশ উত্তৰাধিকাৰসূত্ৰে লাভ কৰিছিল। এই বংশৰ বঙ্কিম চন্দ্ৰ, প্ৰতুল, বুবুল (প্ৰসেনজিৎ) ৰায়চৌধুৰী আদি খ্যাতিমান সন্তান।

'নিয়োগী' পৰিয়ালটো এটা সংস্কৃতিবান আৰু ঐতিহ্যবাহী পৰিয়াল। এই পৰিয়ালত ভালেমান উচ্চশিক্ষিত আৰু বিশিষ্ট ব্যক্তিৰ জন্ম হৈছিল। পাচী আৰু আৰবী ভাষাতো খ্যাতনামা পণ্ডিত এই বংশত আছিল। সঙ্গীত নিয়োগী বংশৰ বিশিষ্টতা। নিয়োগী পৰিয়ালটোৰ এটা 'স্টেটাচ' আছিল- এই বংশৰ বিয়া-বাৰুত প্ৰথানুসাৰে বিজনীৰজাই একোটি 'সেউলী' (সোনৰ মোহৰ) প্ৰীতি চিন স্বৰূপ দৰা বা কইনাক দিছিল।

এই বংশত জন্মগ্ৰহন কৰা কেইজনমান সুখ্যাত ব্যক্তি- আদিত্য নাৰায়ন, ৰাজেন্দ্ৰ নাৰায়ন, কন্দৰ্প নাৰায়ন, দেবেন্দ্ৰ নাৰায়ন, যতীন্দ্ৰ নাৰায়ন, যোগেন্দ্ৰ নাৰায়ন, ফনীন্দ্ৰ নাৰায়ন, বিনয়েন্দ্ৰ, জ্ঞানেন্দ্ৰ, সৌমেন্দ্ৰ, সবিতা, শুভ্ৰা, সাধনা, ৰূপালী আদি।

শালকোচাৰ ডাকঘৰ, ৰাৰশীলা মন্দিৰ, শালকোচাৰ হাটখোলা, শালকোচা হাইস্কুল আৰু খেলপথাৰ, শালকোচা ৰাজ্যিক চিকিৎসালয় আদি অনুষ্ঠানৰ নামত শালকোচা মৌজাৰ মধ্যস্থানত মাটিদান কৰি পৰিয়ালটোৱে বদান্যতাৰ পৰিচয় দিছে। পৰিযালে দৌল-উৎসব প্ৰতিবছৰে মহাধুমধামেৰে উদ্‌যাপন কৰে।

ভূঞা বংশ :- শালকোচাত 'ভূঞা' উপাধিধাৰী এটা পৰিয়াল পোৱা যায়। বৰ্তমানে ভূঞাৰ পৰিবৰ্তে 'বৰুৱা' উপাধি প্ৰবৰ্তিত হৈছে। শ্ৰীশ্ৰী মাধবদেৱৰ বৰপেটা অঞ্চলৰ লখোপুৰত এখন সত্ৰ পাতিছিল। সত্ৰখন 'চাৰাবৰি' নামেৰে প্ৰসিদ্ধ। এই সত্ৰৰে সত্ৰাধিকাৰ চান্দ্ৰমনি ভূঞা এই বংশৰ প্ৰথমজন ব্যক্তি বুলি জনা যায়। এওঁৰে নাতি চন্দ্ৰসেনৰ সময়ত হোৱা ১৮৯৭ চনৰ বৰভূঁইকপৰ ফলত সত্ৰখনকে ধৰি লখোপুৰ অঞ্চলটো দ' হৈ যায় আৰু বাসিন্দা বিলাকে প্ৰব্ৰজন কৰে। চন্দ্ৰসেন প্ৰথমতে সৃজন গাঁওত পিছত বটীয়ামাৰীত আৰু অৱশেষত শালকোচালৈ আহে। এওঁৰ প্ৰথম পুত্ৰ লক্ষ্মীদেৱৰ কন্যা দেৱীপ্ৰভাৰ বিয়া হৈছিল শ্ৰীগ্ৰামৰ জমিদাৰ চন্দ্ৰমাধব বৰুৱাৰ সৈতে আৰু সন্তানদ্বয় আছিল- নীল মাধব বৰুৱা আৰু প্ৰিয় মাধব বৰুৱা (পৰৱৰ্তী আলোচনা কৰা হব)। এওঁৰ দ্বিতীয় পুত্ৰ শোভাৰামে বিবাহ কৰিছিল শ্ৰীগ্ৰামৰ জমিদাৰ নন্দকুমাৰৰ ভগ্নী শ্যামপ্ৰিয়াক (পিতৃ মহেন্দ্ৰ নাথ বৰুৱা, পৰৱৰ্তী আলোচনা কৰা হব) আৰু পুত্ৰদ্বয় আছিল জগতচন্দ্ৰ আৰু ৰামেশ্বৰ বৰুৱা।

জগতচন্দ্ৰ বৰুৱাৰ পৰিয়াল শ্ৰীগ্ৰামত বসবাস কৰে। পুত্ৰসকল - দ্বিজেশচন্দ্ৰ, ব্ৰজেশচন্দ্ৰ, দিনেশচন্দ্ৰ আৰু অবিনাশ। এই বংশত জন্মগ্ৰহন কৰা কেইজনমান উল্লেখনীয় ব্যক্তি মীৰা, বিজিৎ, মমতা, সুদীপ আদি। আনহাতে ৰামেশ্বৰ বৰুৱাৰ পৰিযালটো ভেলুপাৰাত বসবাস কৰিবলৈ লয়। পুখুৰীপাৰা এল.পি. স্কুলৰ প্ৰথমজন প্ৰধান শিক্ষক ৰামেশ্বৰ বৰুৱা আছিল বুলি বুলি জনা যায়। তেওঁৰ পুত্ৰসকল- সিতেশ, শৈলেশ, জগবন্ধু, একেশ্বৰ, সোমনাথ বৰুৱা। এই বংশত জন্মগ্ৰহন কৰা উল্লেখনীয় ব্যক্তিসকল- শিবেন, সুনীল, শঙ্কৰ, কিশোৰ, আদি।

পৰিয়ালটো ভাগৱতী ধৰ্মালম্বী মধুকলা গোত্ৰৰ। শিক্ষা-দীক্ষাত এটা উন্নত পৰিয়াল।

বৰুৱা বংশ :- শ্ৰীগ্ৰাম (শালকোছা)ৰ আটাইতকৈ প্ৰাচুৰ্যপূৰ্ণ আৰু খ্যাতিমান কায়স্থ পৰিয়ালটো মথুৰানাথ বৰুৱাৰ 'বৰুৱা' বংশ নামে জনাজাত। আদিতে শ্ৰীগ্ৰামৰ

বাসিন্দা নাছিল। বটীয়ামাৰীৰ কায়েথপাৰাত আছিল, পূৰ্বপুৰুষ পূৰ্ববঙ্গৰ মৈমনসিং জিলাৰ আছিল বুলি পৰিয়াল সূত্ৰে জনা যায়। বিজনীৰজাৰ এজন ৰাজবিষয়া মথুৰানাথৰ আন এটা নাম মহীধৰ আছিল। ৰজাৰ পৰা তেওঁ লাখেৰাজ ৰূপে শ্ৰীগ্ৰাম মৌজাত ১৬,৯৯৭ বিঘা মাটি লাভ কৰে। এওঁৰে পুত্ৰ আছিল শিৱনাথ বৰুৱা বিজনী স্টেটৰ সৰ্বোচ্চ বিষয়া 'দেৱান' হৈছিল। আৰু এওৰে নাতি কাশীনাথ বৰুৱা (পিতৃ ভোলানাথ বৰুৱা) ও 'দেৱান' বিষয় লাভ কৰিছিল; কিন্তু অকালতে তেওঁৰ মৃত্যু হৈছিল।

উল্লেখনীয় যে, মহাৰাজ নৰনাৰায়নৰ ৰাজত্বকালত সোনকোষ নৈৰ পূব ভাগত ভাতৃস্পুত্ৰ ৰঘুদেৱ নাৰায়ন (১৫৮১-১৬০৩ খৃঃ) কোচৰাজ্য ভাঙি হাজোত ৰাজধানী পাতি ৰাজত্ব কৰিছিল। তেওঁৰ পুত্ৰ পৰীক্ষিত নাৰায়নে হাজোৰ পৰা ৰাজধানী তুলি উত্তৰ গুৱাহাটীত পাতে। ১৬১৩ খৃঃত তেওঁৰ মৃত্যু হোৱাত ভায়েক গজনাৰায়ন আৰু বংশজৰ মাজত পূব কোচৰাজ্য তিনিভাগত খণ্ডিত হয়- গজনাৰায়নে বেলতলাত, ধৰ্মনাৰায়নে (বলিনাৰায়ন) দৰঙত আৰু বিজিত নাৰায়নে বিজনীত ৰাজত্বৰ পাতনি মেলে। বিজিত নাৰায়নৰ পৰাই ঠাইখনৰ নাম বিজনী হোৱা যেন লাগে। ৰজাৰ নাতি মুকুন্দ নাৰায়নে সম্ভৱতঃ ১৭৮৪ খৃঃত কমলাকান্ত বৰুৱাক পূৰ্বৰ লাখেৰাজ বটীয়ামাৰীৰ কায়েথপাৰা, মাৰৱীয়া গাঁও পুনৰ লাখেৰাজ সম্পতি প্ৰদান কৰে আৰু সৰ্বমুঠ ভূ-সম্পত্তিৰ পৰিমান হয়গৈ প্ৰায ৩২,০০০ বিঘা।

পূৰ্বজ বংশাৱলীৰ মুখ্য ব্যক্তিসকল ঃ-



চন্দ্ৰকুমাৰ বৰুৱা আৰু নন্দকুমাৰ বৰুৱাৰ বিধৱা পত্নী প্ৰাণেশ্বৰী (ছয়গাঁওৰ জীয়ৰী) বৰুৱানীৰ মাজত ভূ-সম্পত্তি লৈ হোৱা কাজিয়া প্ৰিভি কাউন্সিল পৰ্য্যন্ত গৈছিল; যাৰ ফলস্বৰূপে বৰুৱা স্টেট দুই ভাগত বিভক্ত হয় আৰু চন্দ্ৰমাধব বৰুৱাই পৈত্ৰিক ভিটি ত্যাগ কৰি বিপৰীত পূব দিশৰ (বৰ্তমানৰ গৃহ) নতুনকৈ ঘৰ সাজে। উল্লেখনীয় যে প্ৰাণেশ্বৰী বৰুৱানীৰ পৰামৰ্শদাতা আৰু স্টেট পৰিচালক ৰূপে আছিল মোহন সৰকাৰ (শিক্ষক অতোয়াৰ ৰহমানৰ ককা দেউতা)।

চন্দ্ৰ মাধৱ বৰুৱা বৰ প্ৰতাপী আৰু প্ৰতিপত্তিশীল জমিদাৰ আছিল। এবাৰ বিজনী ৰজা ভৈৰবেন্দ্ৰৰ দুই মহিষীৰ মাজত কন্দল লাগিলত সৰু ৰাণী অভয়েশ্বৰীৰ প্ৰাণৰ আশংকা হোৱাত চন্দ্ৰমাধৱ বৰুৱাই ৰাণীক বৰ্তমানৰ অভয়াকুটীত লুকুৱাই ৰাখিলে আৰু কিছু ৰাভা মানুহ আনি ৰাণীৰ পহৰাত নিযুক্ত কৰিলে। পিছত এই ৰাভা মানুহখিনিক মাটি-বাৰী দি তাতে থাপিলে। তেতিয়াৰে পৰা ৰাণীৰ নামেৰে ঠাইখনৰ নাম অভযাকুটী (চক্ৰশিলা অভয়াৰণ্যৰ কাষত) হ'ল। বৰুৱাই ৰজাৰ মাটি দখল কৰি তিন টিলা গাঁওৰ 'যোৰা-অস্থি' গছ পৰ্য্যন্ত জমিদাৰী সম্প্ৰসাৰণ কৰি ললে। বৰুৱা স্টেট দ্বিখণ্ডিত হোৱাৰ পিচত চন্দ্ৰমাধব বৰুৱাৰ স্টেটত নজৰ সৰকাৰ (হাকিম জালাল উদ্দিনৰ ককাদেউতা) পৰিচালক হৈছিল। ১৯৫৭ চনত চৰকাৰে জমিদাৰী অধিগ্ৰহন কৰি এই প্ৰথাৰ বিলুপ্তি ঘটায়।

বৰুৱা বংশ কৌশিক গোত্ৰীয় শাক্তধৰ্মী আৰু কুল বিগ্ৰহ স্বৰ্ণ-ৰত্ন খচিত "শিৱ-পাৰ্বতী" শালগ্ৰাম শিলা পুৰুষানুক্ৰমে নিত্য পূজাৰ দাবীদাৰ। 'আই ঠাকুৰাণীৰ থান' আৰু 'কালী ঠাকুৰাণীৰ পাট' লৈ দেবোত্তৰ ভূ-সম্পত্তি আজিও আছে। প্ৰতি বছৰে আড়ম্বৰেৰে দুৰ্গা পূজা হোৱা এই বংশৰ এটা পৰম্পৰা। তেতিয়াৰ দিনত চাপৰি ৰজা বাহাদুৰৰ বিলাসীপাৰা ৰাজবাৰীত দুৰ্গাপূজাত কলিকাতাৰ পৰা যাত্ৰাগান, ঢাকাৰ পৰা বাঈজী আৰু ভাটীৰ ফালৰ পৰা কীৰ্ত্তন পালাগান হৈছিল। তাত খ্যাতনামা নাগৰিকসকল আৰু জমিদাৰসকলক নিমন্ত্ৰন কৰা হৈছিল। স্টেটাচ হিচাবে আসন সংৰক্ষণৰ ব্যৱস্থা আছিল। শ্ৰীগ্ৰামৰ বৰুৱা বংশৰ মৰ্য্যাদা নিমন্ত্ৰিত সকলোৰ প্ৰথম স্থানতে আছিল।

বৰুৱা বংশৰ পৰিয়ালটো বৰ ৰক্ষণশীল আছিল। ঘৰৰ জী-বোৱাৰী বাহিৰলৈ বা বাহিৰৰ পৰা ঘৰলৈ আহ্-যাহ্ কৰোঁতে পাল্কী ব্যৱহৃত হৈছিল। পূজা মণ্ডপত প্ৰতিমা দৰ্শনত 'আৰাণী' ব্যৱহাৰ কৰা হৈছিল। 'আৰাণী' হ'ল দুখন কাপোৰেৰে ঠেক ৰাস্তা কৰি দিব আৰু বোৱাৰী বিলাক তাৰে প্ৰতিমা দৰ্শন কৰি আহিব, যাতে বাহিৰৰ কোনো লোকে বোৱাৰী-জীয়ৰীক চাবলৈ নাপায়। বোৱাৰীবিলাকে হৰেক

ধৰণৰ গহণা-পাতি পিন্ধিছিল। ডিঙিত 'পুস্পহাৰ' ২২-২৫ তোলা সোনেৰে গঢ়া; কপালৰ ঠিক মাজতে 'সীতা পাটী' আৰু অলপ ওপৰত চুলিত 'ঝাপটা'; সম্পূৰ্ণ কাণখন আবৰা 'কাণ'; বাহুত 'অনন্ত' আৰু 'বাজু'; হাতত 'কঙ্কণ' আৰু 'ৰুলি'; চাৰি-চাৰি আঠ আঙুলিত 'আঙুঠি' পিন্ধি প্ৰতিটো আঙুঠি সোনৰ শিকলিৰে সংযোগ কৰি হাতৰ ওপৰফালে মণিবন্ধৰ তলত পিন্ধা 'ৰতন-চুড়'ত সংলগ্ন কৰা থাকে। নাকৰ দুই পাহিত 'নাকফুলি' আৰু নাকৰ তলত 'নলো' পিন্ধি কাণৰ 'কান'লৈ শিকলিৰে সংযুক্ত থাকে। এই আটাইখিনি অলঙ্কাৰ সোনৰ। ৰূপাৰে গঢ়া অলঙ্কাৰো ভালেখিনি থাকে-কোমৰৰ পাছ ফালে নিতম্বলৈ বিশাল এখন 'ৰেট'; ভৰিত যোৰা মোল' আৰু 'নুপুৰ' (খোজ কাঢ়িলে ৰুণ-জুন শব্দ হয়) আঙুলিত আঙুঠি পিন্ধি শিকলিৰে যুক্ত কৰি ভৰিৰ পতাত পিন্ধা 'চৰণ-পদ্ম'ত লগ লগা থাকে। চুলিৰ খোপা বন্ধাটো বাধ্যতামূলক আৰু খোপাত 'কাঁটা' আৰু হাতী দাঁতৰ 'কাকৈ' লগাব লাগে। ব্লাউজ নাছিল- হাত কাটা দীঘল চোলা ডিঙিৰ পৰা ভৰিৰ গোৰোহালৈ 'চেমিজ' পিন্ধিছিল, যি ব্লাউজ আৰু পেটিকোটৰ যুগপৎ কাম কৰিছিল। তিনিটা পাৰী থকা 'পাছাপাৰী' শাৰী আৰু সোনৰ জৰীৰে কাজ কৰা বেনাৰসী শাৰী সততে পিন্ধিছিল। পিতলৰ বন্ধা-বঢ়া বাচন 'হাতীপায়া বগুনা' 'গাৰো খৰা', 'জাম বাটি' 'পৰাট আদি; কাঁহৰ থাল-বাটি-লোটা খোৱা-লোৱাৰ বাচন আছিল। জমিদাৰৰ কাৰণে ৰূপাৰ কাঁহী-বাটি-গিলাচ আছিল। ধোঁৱা-যোৱা হোকাটো ৰূপৰ আছিল।

এইখন জমিদাৰীৰ অধীনত মুচলমান প্ৰজাও আছিল। সামাজিক উৎসৱ, বিবাহ, কাম-কাজত প্ৰজাসকলক নিমন্ত্ৰন কৰিছিল। প্ৰজাবিলাকে বছৰত কেবাদিন বিনা পৰিশ্ৰমিকত জমিদাৰক কাম কৰি ('বেগাৰ') দিব লাগিছিল। মুচলমান প্ৰজাবিলাকে 'বেগাৰৰ' পৰিবৰ্ত্তে নিৰ্দিষ্ট মাচুল দিছিল। প্ৰথম বিশ্বযুদ্ধৰ সময়ত বঙ্গদেশৰ পৰা পঞ্চানন বৰ্মা নামৰ এজন সাধকে কোচ সম্প্ৰদায়টোক 'লগুন দি উন্নত জাতি ক্ষত্ৰিয়লৈ ৰূপান্তৰিত কৰি কৰি শালকোচালৈ আহিছিল। বামুনপাৰা 'পচাদল' জলাশয়ৰ পাৰত মূৰ মুণ্ডন কৰি সমবেত ভাৱে লগুন লোৱা উৎসৱ প্ৰালন কৰিছিল। এই উৎসৱত চন্দ্ৰমাধৱ বৰুৱাৰ কেইজনমান প্ৰজাই অংশ গ্ৰহন কৰি পিছত ভীতিগ্ৰস্ত হৈ শ্ৰীগ্ৰাম গাঁও এৰি কালজানী, পুখুৰীপাৰা, ঢোলমাৰা আদি ঠাইলৈ গুচি গৈছিল। প্ৰজাৰ মাজৰ হাই-কাজিয়া জমিদাৰে নিজে বিচাৰ কৰিছিল। কেতিয়াবা পুলিচ আহিলে জমিদাৰৰ লগত প্ৰথমতে দেখা কৰাটো বাধ্যতামূলক আছিল। বাৰিষা কালত গৰু মহে ৰাস্তা নষ্ট কৰে বাবে 'গহেৰা' (অস্থায়ী গোহালী) গাঁওৰ বাহিৰত বান্ধি গৰু-মহ

ৰাখাটো নিয়ম আছিল। জমিদাৰৰ বিশাল 'বাথান' আছিল। নিজেও এই নিয়ম মানি চলিছিল।

শ্ৰীগ্ৰাম বৰুৱা বংশত ভালেমান কৃতিসন্তান জন্ম গ্ৰহন কৰিছে- কাশীনাথ, শিৱনাথ, (ধৰ্মশীল, নন্দকুমাৰ, নবীন কুমাৰ, সুধীৰ কুমাৰ, ননীকুমাৰ, সুকুমাৰ, প্ৰশান্ত কুমাৰ (বিলাসীপাৰা পূব সমষ্টিৰ একেবাহে তিনিটা কাৰ্য্যালয়ৰ বিধায়ক); (কমলাকান্ত, চন্দ্ৰমাধৱ, প্ৰিয়মাধৱ, নীল মাধৱ, প্ৰণীতা বৰুৱা, শ্যামল বৰুৱা) অন্যতম। নীল মাধৱ বৰুৱা অবিভক্ত গোৱালপাৰা জিলাৰ প্ৰথম জন এম.এ, বি. এল,।

প্ৰবন্ধটোৰ ভালেমান সমল শ্ৰীগ্ৰামৰ আবুল কালাম মহাশয়ে যোগান ধৰাত তেখেতলৈ কৃতজ্ঞতা যাচিছোঁ।

-লেখিকা

—ঃOঃ—

দৰিদ্ৰ দোষে গুণ ৰাশি বিনাশ কৰে।

-গীতা

শালকোচা অঞ্চলৰ কেইটামান সাঁথৰ আৰু আপ্ত কথা ঃ-

অনামিকা লাহিৰী
কামাৰপাৰা

শালকোচা অঞ্চলৰ জনসাধাৰণৰ মাজত শিক্ষা-দীক্ষাৰ পৰিবেশ আজিৰ দৰে পূৰ্বতে নাছিল। অধিকাংশ জনসাধাৰণৰ আক্ষৰিক জ্ঞান নাছিল যদিও, তেওঁলোকৰ ধী শক্তি আছিল। সামাজিক অনুষ্ঠান, উৎসৱ, সবাহ আদিত লগ হলেই লোক সকলে পৰস্পৰ মাজত যি আলাপ-আলোচনা হয তাতে তেওঁলোকৰ বুদ্ধিমত্তা ফুটি উঠে। সাধাৰণ জ্ঞান, অঙ্ক, বুদ্ধি-বৃত্তিত যথেষ্ট জ্ঞান যে ৰাখে- তাৰ নিদৰ্শন কিছুমান সাঁথৰ আৰু আপ্ত বাক্যত পোৱা যায়। কেইটামান দৃষ্টান্ত ইযাত তুলি ধৰা হ'ল ঃ-

(১) বাইৰে, বাই! ছোট বেলা কাপুৰ পিন্দুং- বৰ হৈলে নাই?

(২) টিপ্ পখী বুক্ ধলা, মসং নাই একফালা?

(৩) আলি আলি যায- উল্টিযা উল্টিয়া চায?

(৪) আগত ফলে, পাছত ফুলে - তাকে বৰ বৰ পণ্ডিত ভুলে?

(৫) পূবে গেলুং, পশ্চিম গেলুং - গেলুং হাবৰা ঘাট, এমন সুন্দৰ দেখিলুং ফলেৰ উপৰত পাত?

(৬) ঝাপুৰ-ঝুপুৰ গাছ খিনি- তাতে লুকাইল ভুতখিনি?

(৭) মামা হৰেৰ বাৰীত গেলুং - ঘূৰতে ঘূৰতে লেংটা হৈলুং?

(৮) শিং কেকেৰী গাই, ঘাটে ঘাটে পানী খাই?

(৯) পানীত জন্ম শুকানত বাস - মাযে লাৰিলে সৰ্বনাশ?

(১০) জঙলেৰ থাকি ওলাইল টিয়া, সোনাৰ টুপী মাথাত দিয়া?

(১১) আকাশত ঘৰ, পাতালত দুৱাৰ, হুলুক পুচুক কৰে ৰাজাৰ কুমাৰ?

(১২) নিডিম পখী, নিফুলা শাক - কুন জীবেৰ আঠাৰোটা নাক?

(১৩) পেট ঢেপেৰা, গলা সিতুকা - পানী খায় ঢোক ঢোকে?

(১৪) কুতি যাইসৰে বুঢ়াৰ বেটা, ঘাৰত কুঠাৰ নিয়া;
গাছ আছে মৰিযা, ফল আছে ধৰিয়া?

(১৫) এক ডাল খেৰ - গোটায় ঘৰটায় বেৰ?

উত্তৰ ঃ- (১) বাঁহ, (২) আখৈ, (৩) বেজী আৰু সূতা, (৪) ঔ টেঙা, (৫)- মাটি কঁঠাল (৬) ওকণি, (৭) তাঁতৰ চকৰী, (৮) বৰশী, (৯) নিমখ, (১০) কল থোক, (১১) টোকোৰা চৰাই, (১২) গৰৈ মাছ, (১৩) কলহ, (১৪) কোমোৰা, (১৫) চাকি।

আপ্ত বাক্য ঃ-

(ক) আপী আনিবি মাও ভাল,
মাটি কিনিবি হিয়া খাল।

(খ) ঠাকুৰ ঘৰত কায় ৰে - মুই কল খাং নাই।

(গ) বুঢ়া শগুনেৰ শাওত গৰু মৰে না।

(ঘ) ছোট লোকেৰ ছাৱা বৰ বিষয পায়,
মাথাত পাগুৰি বান্দিয়া-
ছাযাৰ ফালে উল্টি উল্টি চায়।

(ঙ) হাপায় আনিল তিৰী, শিয়ালে হৈল গিৰি।

(চ) বেটী ঠগক দিস্, তবু মগক দিস্না।

(ছ) হাতে দৈ পাতে দৈ - তবু কয় কৈ কৈ।

(জ) বাটত পাইল কামাৰ, দাও গঢে দে আমাৰ।

(ঞ) কামাৰেৰ ভতৰা দাও, বৈদেৰ কাসুলা মাও,
জলাৰ মাওৰ ফাৰা কেথা, ঘৰ কাম্লাৰ ভিজে মাথা।

—ঃ O ঃ—

আই ঠাকুৰাণী পাটৰ গছ জোপা-

অনিল কুমাৰ নাথ

বকুৰামাৰী পাহাৰৰ বৰুৱাঝাৰৰ অন্তৰ্গত এটি সৰু টিলাই 'আই মন্দিৰ' টিলা। স্থানীয় ভাৱে ই 'আইৰ পাট' বুলি জনাজাত। এই ঠাইডোখৰ শালকোচা অঞ্চলৰ শ্ৰীগ্ৰাম গাঁওৰ উত্তৰ পূব কোণত অৱস্থিত। ইয়াত "আই মন্দিৰ'টো বিৰাজমান হৈ আছে। মন্দিৰটোৰ দক্ষিন পশ্চিম-সীমাত পোৱা অংশত খেতি পথাৰ আছে। আকৌ উত্তৰ ফালে প্ৰকৃতিৰ ৰম্য ৰূপ শালবনৰ ওখ ওখ শালগছবোৰ বিৰাজমান। ইয়াৰ পূব ফালে গছ গছনিৰ লগতে মানুহৰ বসতি স্থান। মন্দিৰ চৌহদৰ চাৰিওফালৰ পৰিবেশ অতিকৈ মনোমোহা আৰু নিৰ্জন। মন্দিৰটোৰ ওচৰতে এডাল প্ৰকাণ্ড শালগছ আছে। এই গছ ডাল অতি পুৰণি। এইডাল শাল গছেই, এদিন শালকোচা ঠাইখনৰ কীৰ্ত্তি চিহ্ন হব বুলি মোৰ ধাৰণা। ইয়াৰ সমবয়সীয়া গছ সততে দেখা পোৱা নাযায়। দেখিলে বৰ আচৰিত লাগে। এই গছ ডালৰ ডালত লগাকৈ এডাল দীঘল পোন শিপা দেখা যায়। কিন্তু এই শিপাডাল শালগছৰ শিপা নহয়। লতা গছ যেন লাগে। ভাব হয় আই মাতৃৰ শক্তি এই শিপাডালত লুকাই আছে। এই শিপাডাল মাটিৰ পৰা ওলাইছেনে ডালৰ পৰা নামিছে তাতো ভাবিব লগীয়া কথা। শূন্য ঠাই বগাই পোনে পোনে এশহাত মান ওপৰলৈ উঠি গছ ডালত আশ্ৰয় লোৱাটো বৰ আচৰিত যেন লাগে। গছ ডালৰ প্ৰতি থকা শিপা ঠালৰ প্ৰেম আত্মিক। কোনোবা ৰজাৰ কোৱৰে ৰাজকুমাৰীৰ প্ৰেমত আকৰ্ষিত হৈ অজগৰ সাপৰ গাত ধৰি ৰাজকুমাৰীৰ ৰাজমহলৰ ওপৰ তলাত উঠাৰ দৰে।

আকৌ এই শাল গছডালৰ এটা ডালৰ পৰা দুডাল মিহি পাতল শিপা ঝু লনীৰ দৰে দু লি আছে। তাত নকৈ উঠি অহা অগনন শালগছ দেখিবলৈ পোৱা যায়। অৱশ্যে কম সংখ্যক আন গছ দেখিবলৈ পোৱা যায়। সেই গছবোৰৰ ডালবিলাক

প্ৰায় একে ধৰণৰ। ডালে ডালে নানা ধৰণৰ চৰাই-চিৰিকতি বিচৰণ কৰে। ইয়াৰ ভিতৰত কাঠঠোকোৰা চৰাইয়ো দেখা যায়। তাৰোপৰি লুপ্ত মুখী হোৱা কলা চৰাইৰ জাতো এই টিলাত আছে। ইয়াৰ নাম চৰাইৰ ৰজা ফেচু বুলি কোৱা হয়। ইয়োঁ সৰু ডাঙৰ নানা ধৰণৰ আছে। ইয়াৰ ডাঙৰ চৰাইৰ জাতটো কিচ্কিচিয়া কলা পাখীৰে আগুৰা। এই পাখী বিলাক ইমান চকচকীয়া যে সূৰ্য্য ৰশ্মিত চিক্‌মিকিয়ায়। আকৌ চৰাই বিধৰ নেজৰ দুয়ো কাষত দুডাল দুফালে দীঘল কলা পাখী থাকে। এই পাখী দুডাল থকাৰ বাবে নেজ ডাল ইংৰাজী 'A' আখৰৰ নিচিনা দেখা যায়। কিন্তু মন্দিৰলৈ উঠা কোনো ব্যৱস্থা নাই। ইয়াৰ কাষত অৰ্থাৎ উত্তৰত এটি 'বাঘেশ্বৰী মাৰ' মন্দিৰো আছে।

—ঃ০ঃ—

বিস্মৃতিৰ পথত শালকোচাৰ কেইগৰাকীমান বাৰণ্য আৰু কৃতি সন্তানৰ চমু পৰিচয়-

মনতোষ চক্ৰৱৰ্ত্তী

গৌৰাংটাৰী

পৃথিবীৰ গতিশীলতাৰ চকাই একুৰি বাট অতিক্ৰম কৰাৰ লগে লগে কিছুমান ঘটনা বা উল্লেখযোগ্য ঘটনা প্ৰবাহেই আমাৰ কাৰণে হৈ পৰে ইতিহাস, আমি মাত্ৰ তেতিয়া সেই ঘটনা বা ঘটনা প্ৰবাহবোৰ স্মৃতি ৰোমন্থন কৰো । এনেকৈয়ে সময়ৰ সোঁতত ইতিহাস হয় কিছুমান উল্লেখযোগ্য ব্যক্তি আৰু তেওঁলোকৰ কৰ্মজীৱন, কিন্তু ৰৈ যায় তেওঁলোকে আহৰণ কৰা জ্ঞানৰ সৌৰভ। এই খিনিতে উল্লেখ কৰা ভাল হব যে, মই জগতৰ সকলোবোৰ জ্ঞানী-গুনী মানুহৰ বিষয়ে লিখিবলৈ প্ৰয়াস কৰা নাই আৰু তেনে সাহস আৰু জ্ঞানো মোৰ নাই। মই মাত্ৰ এখন সৰু আৰু পিছপৰা ঠাইত জন্মগ্ৰহন কৰা কেইজন মান অতি বিদগ্ধ পণ্ডিত আৰু শিক্ষাবিদৰ চমু পৰিচয় দিবলৈ প্ৰয়াস কৰিছো। অবিভক্ত গোৱালপাৰা জিলাৰ এখন ডাঙৰ আৰু প্ৰাকৃতিক সম্পদ আৰু মিশ্ৰিত জনগোষ্ঠীৰে ভৰপুৰ অঞ্চল শালকোচা। যদিও এই অঞ্চল প্ৰাকৃতিক সম্পদত ভৰপুৰ আৰু জিলাৰ ভিতৰত ডাঙৰ অঞ্চল এখন, কিন্তু ই প্ৰগতিৰ পৰা বহু দূৰত থকা অঞ্চল, অথবা এই অঞ্চলখন লেখত লবলগীয়া ধৰণেৰে অতি পিছ পৰা এখন অঞ্চল। কিন্তু বোকাত পদুম ফুলাৰ নিচিনাকৈ এই পিছপৰা অঞ্চলৰ পৰাই ওলাই স্মৃতি হৈ ৰোৱা ৰত্ন স্বৰূপ ব্যক্তি কেইজনমানৰ চমু আভাস ইয়াতে দিবলৈ প্ৰয়াস কৰা হ'ল। ইয়াতে এটা কথা কৈ থোৱা ভাল হব যে মোৰ অজ্ঞানতাৰ বাবেই হওঁক বা মই তেখেত সকলৰ কথা সংগ্ৰহ কৰিব নোৱাৰাৰ কাৰণেই হওঁক তেখেত সকলৰ চমু আভাস দিয়াত ভুল ভ্ৰান্তি থাকি গলে অভিজ্ঞ জনৰ ওচৰত ক্ষমা প্ৰাথনা খোজা হ'ল-

পণ্ডিত ৰমানাথ বিদ্যালংকাৰ দেৱ - বৃটিশ ৰাজ আৰম্ভনিৰে প্ৰায় ৬০০ বছৰ পূৰ্ব্বে এখেতৰ উৰ্দ্ধতণ সপ্তম পুৰুষ কোচ বিহাৰ বৈকুণ্ঠ পুৰ গাঁও নিবাসী স্বৰ্গীয় চণ্ডিচৰণ অধিকাৰীয়ে গুৰু দামোদৰদেৱৰ প্ৰদৰ্শিত পথ প্ৰচাৰৰ বাবে বিভিন্ন স্থান ঘুৰি ফুৰি শালকোচা আহি স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। বিজনী ৰজা বাহাদুৰে তেখেতক ১৫০ বিঘা মাটি দেবোত্তৰ হিচাবে পত্তন দি শ্ৰীশ্ৰী চতুৰ্ভূজ বিগ্ৰহৰ সেবায়েৎ হিচাবে দায়িত্বভাৰ অৰ্পণ কৰে। স্বৰ্গীয় চণ্ডীচৰণ অধিকাৰীৰ পঞ্চম অধস্তন বংশধৰৰ সু-সন্তান স্বৰ্গীয় ৰমানাথ বিদ্যালঙ্কাৰ দেৱৰ ১৮৭১ চনত জন্ম হয়। পিতৃ স্বৰ্গীয় নৰেন্দ্ৰ নাথ দেৱৰ ওচৰত প্ৰাৰম্ভিক শিক্ষা আৰম্ভ কৰি ব্যায়াকৰণ, মিমাংসা, স্মৃতি আদি বিষয় পঢ়িবলৈ গৌৰীপুৰস্থ তাৰিণীপ্ৰিয়া চতুস্পাঠিলৈ যায়। চতুস্পাঠিৰ অধ্যয়ন সু-খ্যাতিৰে সু-সম্পন্ন কৰি নিজ ঘৰলৈ উভতি আহে। পিছলৈ অসমৰ খ্যাতনামা পণ্ডিত সকলে তেওঁক 'বিদ্যালঙ্কাৰ' উপাধিৰে বিভূষিত কৰে। পিছলৈ ৰমানাথ বিদ্যালঙ্কাৰ দেৱে তাৰিণীপ্ৰিয়া চতুস্পাঠিত স্মৃতি বিষয়ৰ অধ্যাপক ৰূপে সুদীৰ্ঘ ৪২ বছৰ অধ্যাপনা কৰিছিল।

পণ্ডিত ৰমানাথ বিদ্যালঙ্কাৰ দেৱ এজন সুকবিও আছিল। তেওঁ ৰচিত 'পুস্পমালা দৰ্পন' পুথিখনে তাৰ উদাহৰণ। তেওঁ অধ্যাপক থাকোতে বহুকেইখন মূল্যবান সংস্কৃত গ্ৰন্থ লিখে। তেওঁ টিকাকাৰ ৰূপে অনুবাদ কৰি উলিওৱা উল্লেখনীয় গ্ৰন্থ সমূহ হ'ল 'জ্যোতি মুক্তাবলী', 'দায় কৌমুদী', 'অদ্ভুতাসন', 'কবি শাস্ত্ৰ' দামোদৰ লিখা 'গংগাজলম্' 'শুদ্ধি কৌমুদী', কবীন্দ্ৰ মহাভাৰত আদি।

ইং ১৯৪১ চনৰ জুন মাহৰ ১১ তাৰিখে ৭০ বছৰ বয়সত এই জনা যশস্বী পুৰুষে ইহসংসাৰ ত্যাগ কৰে।

(এই লেখাটো যুগুটাওতে মোৰ নিজৰ লিখা ১৯৯৭ চনৰ বিলাসীপাৰা সাহিত্যসভাৰ 'স্মৃতিগ্ৰন্থ' 'চান্দৰ ভিঙাত' প্ৰকাশিত 'শালকোচাঃ আৰু ইয়াৰ ঐতিহ্য' আৰু মাহেকীয়া আলোচনী প্ৰান্তশ্ৰী নবেম্বৰ ২০০৪ চনত শ্ৰী জীবিতেশ নাৰায়ন গোস্বামীয়ে লিখা পণ্ডিত ৰমানাথ বিদ্যালঙাৰ বিষয়ে যৎকিঞ্চিৎ প্ৰবন্ধৰ পৰা সহায় লোৱা হৈছে।)

২। পণ্ডিত ষড়ানন তৰ্কতীৰ্থ ঃ-

এখেতৰ পিতৃদেৱৰ নাম আছিল ' নীলকণ্ঠ চক্ৰৱৰ্ত্তী। শালকোচাৰ নিয়োগী ষ্টেটৰ পূৰ্ব্বপুৰুষ সকলে এখেতৰ উৰ্দ্ধতন ষষ্ঠ পুৰুষক মৈমনসিং জিলাৰ পৰা (বৰ্ত্তমান বাংলাদেশ) প্ৰায় ৫০০ শ বছৰ পূৰ্ব্বে নিজৰ ইষ্টেটত প্ৰতিষ্ঠিত দেব-দেবী পূজা-পাতল পৰিচালনা কৰিবৰ বাবে লৈ আহে। এখেতে পোন প্ৰথমে পশ্চিম বঙ্গত

সংস্কৃত আৰু বিভিন্ন শাস্ত্ৰ অধ্যায়নৰ নাভিকেন্দ্ৰ নৱদ্বীপলৈ গৈ বিভিন্ন শাস্ত্ৰত বুৎপত্তি লাভ কৰি পিছলৈ কাশী হিন্দু বিশ্ববিদ্যালয়ৰ পৰা শাস্ত্ৰৰ উপৰিও শিক্ষা কৃত্বিতেৰে সু-সম্পন্ন কৰাৰ পিছত তৰ্কতীৰ্থ উপাধিৰে বিভূষিত হয়।

এই পৰিয়ালৰ চতুৰ্দৰ্শ উদ্ধতন পুৰুষ ভীমসেন সাচাৰ উত্তৰ প্ৰদেশ গোৰখপুৰ জিলাৰ গোলবজাৰৰ সচিচগ্ৰামৰ পৰা পদব্ৰজে বৰ্ত্তমানৰ কামৰূপ জিলাৰ নীলাচল পাহাৰত অধিষ্ঠিত কামাখ্যা দেৱীৰ পিঠস্থান দৰ্শন কৰিবলৈ আহিছিল। ওভতি যোৱাৰ পথত বিজনী ৰজা বাহাদুৰৰ অনুৰোধ ক্ৰমে ৰজা বাহাদুৰৰ প্ৰতিষ্ঠিত দেৱবিগ্ৰহৰ পূজা-পাতলৰ দায়িত্বভাৰ গ্ৰহন কৰি ইয়াতেই ৰৈ যায। পিছলৈ বিজনী ৰজাই দেৱোত্তৰ আৰু ব্ৰহ্মোত্তৰ হিচাবে প্ৰচুৰ ভু-সম্পত্তি দি (স্বৰ্গীয় অখিল চক্ৰৱৰ্ত্তীৰ খুৰাদেউ মহেশ চক্ৰৱৰ্ত্তীৰ পৰা শুনা মতে ২২.৫০০ বিঘা দুধনাথ আৰু টোকৰাবান্ধা পাহাৰৰ সৈতে) শালকোচাৰ গৌৰাংটাৰী গাঁওত বসতি কৰিবলৈ দিয়ে।

৩। সৰ্ব্বেশ্বৰ বিদ্যাৰত্ন ঃ-

সৰ্ব্বেশ্বৰ বিদ্যাৰত্ন পোনপ্ৰথমে শাস্ত্ৰ অধ্যযনৰ বাবে পূৰ্ব্ববঙ্গৰ শাস্ত্ৰ অধ্যাযনৰ নাভি কেন্দ্ৰ নৱদ্বীপ ধামলৈ গৈ তাৰে অধ্যাযন সাং কৰি পিছলৈ কাশী হিন্দু বিশ্ববিদ্যালয়ত গৈ শাস্ত্ৰ অধ্যযন কৰিবলৈ লয। সৰ্ব্বেশ্বৰ বিদ্যাৰত্ন মহোদয়ে বিদ্যাৰত্ন উপাধিলৈ কাশী ধামতে নিগাৰ্জীকৈ বসবাস কৰিবলৈ লয় আৰু তাতে এখেতে ইহলীলা সম্বৰণ কৰে।

৪। বিশ্বেশ্বৰ স্মৃতিৰত্ন ঃ-

সৰ্ব্বেশ্বৰ বিদ্যাৰত্নৰ সুযোগ্য পুত্ৰ বিশ্বেশ্বৰ স্মৃতিৰত্নই কাশী হিন্দু বিশ্ববিদ্যালযৰ পৰা বিদ্যাৰত্ন উপাধিৰে বিভূষিত হৈ শালকোচাৰ হাপাপাৰা গাঁওৰ নিজা ঘৰলৈ উভতি আহে আৰু গোটেই জীৱনটো সেই অঞ্চলৰ পণ্ডিত সমাজৰ মাজত শাস্ত্ৰালোচনা তৰ্ক-বিতৰ্কৰে জ্ঞান-গৰ্ভ আলোচনাৰে অতিবাহিত কৰি ১৯৬৬ চনৰ এপ্ৰিল মাহত ৯৪ বছৰ বয়সত নিজা ঘৰতে মৃত্যুবৰণ কৰে।

৫। অখিল চন্দ্ৰ চক্ৰৱৰ্ত্তী ঃ-

অখিল চন্দ্ৰ চক্ৰৱৰ্ত্তীযে গৌৰীপুৰৰ ৰজা বাহাদুৰ অনুগ্ৰহত তেখেত সকলোৰ প্ৰতিষ্ঠিত তাৰিণীপ্ৰিযা চতুস্পাঠিত অধ্যায়ন আৰম্ভ কৰি পিছলৈ নৱদ্বীপ আৰু কলকাতাৰ পদ্মপুকুৰ মহাবিদ্যালয়ৰ অধ্যায়ন যোগ্যতাৰে সু-সম্পন্ন কৰি জ্ঞান পিপাসু ব্যক্তি জনাই কাশী হিন্দু বিশ্ববিদ্যালয়তঅধ্যায়ন কৰিবলৈ আৰম্ভ কৰে। কাশী হিন্দু বিশ্ববিদ্যালয়ত বাৰ বছৰ কাল বিভিন্ন শাস্ত্ৰ অধ্যাযন কৰি কলকাতাৰ সংস্কৃত

মহাবিদ্যালযৰ পৰা স্মৃতিতীর্থ উপাধি লাভ কৰে। তেখেতে জনোৱা মতে পঢ়া-শুনা আৰু খোৱা-লোৱাৰ বাবে কোনো দিনেই ঘৰৰ পৰা এপইচাও লব লগা হোৱা নাছিল। বৃটিশ চৰকাৰে দিয়া জলপানি (বৃত্তি) পইচাৰে তেওঁৰ পঢ়া-শুনা সু-সম্পন্ন কৰিছিল। পঢ়া-শুনা সু-সম্পন্ন কৰি ঘৰলৈ উভতি আহি কেইদিনমান থাকিয়েই ৰংপুৰ (বৰ্ত্তমান বাংলাদেশ) মহাবিদ্যালয়াল গৈ অধ্যাপনা কৰিবলৈ লয়। অধ্যাপনা কৰি থকা তিনিমাহ মান পিছতে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগত মনোমালিন্য হোৱাত আৰু কোনো দিনেই গোলামী নকৰো বুলি পদত্যাগ কৰি নিজা ঘৰলৈ উভতি আহে। ১৯৪৬ চনত শালকোচা উচ্চ ইংৰাজী স্কুল প্ৰতিষ্ঠা হোৱাৰ পিছত তেতিয়াৰ হেডমাষ্টাৰ চৈতন্যদেৱ চক্ৰৱৰ্ত্তীৰ অনুৰোধত অবৈতনিক শিক্ষক হিচাবে কাম কৰিছিল। বৃটিশ চৰকাৰৰ জিলা ন্যায়ধীশৰ আদালতত নৰহত্যা, ডকাইতি আদি গোচৰ বোৰ চৰকাৰৰ নিযুক্ত জুৰি হিচাবে প্ৰায ২০ বছৰ কাল 'জুৰিৰ' কাম কৰিছিল। স্মৃতিতীর্থ উপাধি পোৱাৰ পিছত প্ৰায় দহ বছৰকাল পঞ্জিকা মণ্ডলীৰ সদস্য হিচাবে কাম কৰিছিল। নিখুত আৰু নিৰ্ভুল গননাত সুনাম অৰ্জন কৰাত দুৰণীৰপৰা বহুতো মানুহ আহি তেখেতৰ কাষ চাপিছিল। 'কাক' চৰিত্ৰৰ অপৰিসীম জ্ঞান আৰু নাড়ী জ্ঞানৰ অপৰিমিত পাৰদৰ্শিতা আছিল। মৃত্যুৰ পূৰ্ব্বে মৃত্যুৰ দিন, তাৰিখ, তিথি, সময় আদি সকলোখিনি লিপিবদ্ধ কৰি থৈ শ্ৰদ্ধাদিৰ বাবে লাগতিয়াল বস্তুখিনি যোগাৰ কৰি থৈ ঘৰৰ পৰা ধুবুৰীলৈ গৈ তেখেতৰ সহদোৰ জ্যষ্ঠ ভাতৃক ধুবুৰী শ্মশানৰ যিখিনি স্থানত দাহ কৰা হৈছিল ঠিক সেই ঠাই খিনিতে তেখেতকো দাহ কৰিবলৈ তেখেতৰ পুত্ৰ কেইজনক অনুৰোধ জনাই ১৯৬২ চনৰ ফ্ৰেব্ৰুৱাৰী মাহত ধুবুৰীতেই তেওঁৰ জীৱনাবশান ঘটায।

৬। নীলমাধব বৰুৱা-

এখেতৰ পূৰ্ব্বপুৰুষক আনুমানিক ৫০০ বছৰ মান আগতে ৰাজ সেৰেস্তাৰ কাম পৰিচালনা কৰিবৰ বাবে বিজনী ৰজা বাহাদুৰে লৈ আহি ভূ-সম্পত্তি প্ৰদানেৰে বটিয়ামাৰিত বসতি স্থাপন কৰি দিয়ে। পিছলৈ তেওঁলোকে শালকোচালৈ আহি বসতি স্থাপন কৰে। পিছলৈ তেওঁলোকে মৌৰসি পট্টা, লাখেৰাজ আৰু ন' আনা তিনিপাই ৰাজহ নিৰিখত ৰজা বাহাদুৰৰ পৰা প্ৰচুৰ ভূ-সম্পত্তি বন্দবস্ত লৈ জমিদাৰ শ্ৰেনীলৈ উন্নীত হয় আৰু বৰুৱা ইষ্টেটৰ মালিক হিচাবে জনাজাত হয়।

এই বংশৰে কীৰ্তিসন্তান নীলমাধৱ বৰুৱাদেৱে ১৯১৩ চনতসংস্কৃতত সুখ্যাতিৰে এম,এ, পাছ কৰি আৰু লগতে আইন বিদ্যা অধ্যয়ন কৰি কৃতকাৰ্য্যতা লাভ কৰে। এইজনা ব্যক্তিয়ে অবিভক্ত গোৱালপাৰা জিলাৰ প্ৰথম এম,এ ডিগ্ৰীধাৰী ব্যক্তি। এম,এ পাছ কৰাৰ পাছত বৰুৱাদেৱে 'বগৰীবাৰীৰ' পৰ্বত জোৱাৰ ইষ্টেটৰ

জমিদাৰিৰ সহকাৰী পৰিচালক হিচাবে কাৰ্য্যভাৰ গ্ৰহন কৰে যদিও পিছলৈ সেই চাকৰিৰ পৰা অব্যাহতি লৈ ধুবুৰীত গৈ আইন (উকিল) ব্যৱসায়ী হিচাবে কোৰ্টত যোগদান কৰে। আইন ব্যৱসাযত যথেষ্ট খ্যাতি আৰু যশস্যা লাভ কৰে আৰু ধুবুৰীতে ঘৰ-বাৰী সজাই তাতেই বসবাস কৰিবলৈ লয়। বৰুবাদেৱে পৰিপূৰ্ণ বয়সত সংবৰণ কৰে (তৎপুত্ৰ শ্ৰীবেনী মাধব বৰুৱা দেৱৰ পৰা সংগ্ৰহ)

৭। **যতীন্দ্ৰনাথ নিয়োগী ঃ** এখেত সকলৰ পূৰ্ব্বপুৰুষক প্ৰায় ৫০০ বছৰ আগতে বিজনী ইষ্টেটৰ ৰজা বাহাদুৰে ৰাজ কাৰ্য পৰিচালনাৰ বাবে মইমনসিং (বৰ্ত্তমান বাংলাদেশ) পৰা মসি জীবি হিচাবে লৈ আহি শালকোচাত বসতি স্থাপন কৰি দিয়ে। পিছলৈ ৰজা বাহাদুৰে এখেত সকলোক মৌৰিসিদাৰ হিচাবে ভালেমান মাটি পত্তন দিয়ে। এই পৰিয়ালৰ যতীন্দ্ৰ নাৰায়ন নিয়োগীদেৱে ইংৰাজী বিষযত সুখ্যাতিৰে এম,এ ডিগ্ৰী লাভ কৰে আৰু লগতে ল' পাছ কৰি (আইন বিদ্যা) চৰকাৰী চাকৰিযাল হিচাবে পুলিচ বিভাগত যোগদান কৰে আৰু কৰ্ম্মদক্ষতা আৰু সু-খ্যাতিৰে চাকৰি কাল অতিবাহিত কৰি অধীক্ষক ৰূপে অৱসৰ গ্ৰহনৰ পিছত ধুবুৰী কোৰ্টত আইন ব্যৱসায়ী হিচাবে যোগদান কৰে। নিয়োগী পৰিযালৰ এই সুযোগ্য সন্তানজনৰ পৰিণত ব সত জীৱনাবসান ঘটে। (সংগ্ৰহ ঃ-কিছু অংশ ফণী নাৰাযন নিয়োগী আৰু কিছু অংশ লিখকৰ নিজা সংগ্ৰহ)

৮। **মদন কিশোৰ বৰ্ম্মন ঃ-** পুখুৰীপাৰাৰ খুদনাৰ ভিটা গাঁওৰ স্বৰ্গীয ৰাজকিশোৰ বৰ্ম্মনৰ সু-সন্তান মদন কিশোৰ বৰ্ম্মনৰ শিক্ষাৰ মোল বুজি পোৱা আৰু শিক্ষাৰ প্ৰতি ধাউতি থকাৰ বাবে যথেষ্ট কষ্ট স্বীকাৰ কৰি আপ্ৰান প্ৰচেষ্টাৰে বি,এ লৈকে পটিছিল। তেখেতে ওৰে জীৱনটো গাঁওলীযা ৰাইজৰ মাজত দেহে-কেহে লাগি শিক্ষাৰ প্ৰসাৰত প্ৰচেষ্টা চলাই গৈছিল।

৯। **ধ্ৰুব বৰ্ম্মন ঃ-**শালকোচাৰ পুৰণিচাম শিক্ষিত সকলোৰ মাজত হাতিপোতা গাঁৱৰ ধ্ৰুব বৰ্ম্মনে শিক্ষাৰ মূল্য বুজি পোৱা জ্ঞানী ব্যক্তি এজন আছিল। তেখেতে বিভিন্ন বাধা বিঘ্নি নেউচি আৰু আৰ্থিক অনাটনৰ মাজতো বি,এলৈকে পঢ়ি পৰীক্ষা দিছিল, কিন্তু স্নাতক হ'ব পাৰিছিলনে নাই নিশ্চিত হব পৰা নাযায।

১০। **সৰলা দেৱী ঃ-**প্ৰায় এশ বছৰমান আগতে জন্মগ্ৰহন কৰা গৌৰাংটাৰী গাঁওৰ স্বৰ্গীয় গোলক চন্দ্ৰ ৰায়ৰ দুহিতা সৰলা দেৱীক নাৰী শিক্ষাৰ বিশেষকৈ কোচ ৰাজবংশী নাৰী সমাজৰ বাটকটিয়া বুলি কলে ভুল কৰা নহব। সৰলা দেৱীয়ে প্ৰায় ১০/১২ বছৰ মান বয়সতে প্ৰাইমাৰী স্কুল শিক্ষাৰ পিছত বিলাসীপাৰা ইন্দ্ৰনাৰায়ন একাডেমি উচ্চ ইংৰাজী বিদ্যালয় পৰা স্কুলীয়া শিক্ষা শেষ কৰি শিক্ষকতাকে জীৱনৰ

আদর্শ হিচাবে লৈ শিক্ষকতা বৃত্তি গ্রহন কৰে। ইংৰাজী ভাষাত যথেষ্ট বুৎপত্তি থকা সৰলা দেবীয়ে আজীৱন অবিবাহিত থাকি শিক্ষকতা বৃত্তিকে মূল মন্ত্ৰ হিচাবে লৈ কৃতি শিক্ষিকা হিচাবে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলোৰ মাজত যথেষ্ট সুনাম অর্জন কৰিছিল।

১১। আৰৱ উদ্দিন সৰকাৰ ঃ-

আনুমানিক ২৫০ বছৰ মান আগতে স্বৰ্গীয় আবিৰ মোহাম্মদ আৰু পূৰ্বপুৰুষ দুটা পৰিযালে সদৰ ৰংপুৰ জিলাৰ পৰা (বৰ্ত্তমান বাংলাদেশ) গোৱালপাৰা (অভিভক্ত) জিলালৈ আহি গৌৰিপুৰৰ জমিদাৰৰ পৰা মাটি পত্তন লৈ পানবাৰীৰ (ৰঙামাটি). মাক্‌ৰিঝোৰা ঠাইখনত বসবাস কৰিবলৈ লয়। তেখেত সকলে মকৰিঝোৰা ঠাইখনত বসবাসলৈ থাকোতে কালাজ্বৰ, হাইজা, তেজগ্ৰহনী আদি বেমাৰত জুৰুলা হৈ আৰু পৰিয়ালৰ কেইবাজনো সদস্যক অকালতে হেৰুৱাই ঠাই সলনি কৰি শালকোচাত আহি বিজনী ৰজা বাহাদুৰৰ পৰা মাটি পত্তন লৈ সোনামুখি গাঁওত বসবাস কৰিবলৈ লয়।

শালকোচাত নিগাজীকৈ বসতি স্থাপন কৰি লোৱা দুটা কাযস্থ পৰিয়ালৰ মাজত (এই তথ্য দিওতাজনে নিযোগী ইষ্টেটৰ জমিদাৰে উল্লিখিত পৰিয়াল তিনিটাক লাঠিৱাল হিচাবে সোনামুখীৰ পৰা লৈ আহি নিয়োগীপাৰাত (যিখন ঠাই ইতিপূৰ্ব্বে লোকমুখে সুতাৰ পাৰা বুলি জনাজাত আছিল) বসতি কৰিবলৈ দিযে। নিয়োগীপাৰাত কেইবছৰমান বসবাস কৰাৰ পিছত বিজনী ৰজা বাহাদুৰৰ নিৰ্দ্দেশানুসাৰে শালকোচাৰ এচোকত শ্ৰীগ্ৰাম গাঁওত ৰজা বাহাদুৰে ভেটি মাটি পত্তন দি নিগাজীকৈ বসতি স্থাপন কৰি দিযে। তেতিয়াৰ পৰা এই পৰিয়ালৰ অধস্তন বংশধৰ সকলো পৰিয়ালৰ বেচি সংখ্যকেই এই গাঁওতে বসবাস কৰি আছে আৰু আন কিছু সংখ্যকে জীবিকা নিৰ্বাহৰ বাবে অসমকে ধৰি ভাৰতবৰ্ষৰ বিভিন্ন ঠাইলৈ সিচৰিত হৈ পৰিছে।

শ্ৰীগ্ৰামলৈ আহি বসবাস কৰিবলৈ লোৱা পিছত আবিৰ মোহাম্মদৰ একমাত্ৰ পুত্ৰ আৰবুদ্দিনৰ জন্ম হয়। আৰবুদ্দিনৰ নিম্ন প্ৰাইমাৰি বিদ্যালয় পঢা শেষ হোৱাৰ পিছত তেওঁৰ পিতৃয়ে উপযুক্ত বয়সত ধনতোলা গাঁওৰ ছোৱালীৰে সৈতে বিয়া পাতি দিয়ে। আৰবুদ্দিনে ব্যৱসায় হিচাবে ধানৰ ব্যৱসায কৰিবলৈ লয় যদিও নিজৰ সততা কৰ্ম্মদ্যাগোৰে বাবে বিজনী ৰজা বাহাদুৰৰ অনুগ্ৰহ লাভ কৰাত ৰজা বাহাদুৰে তেখেতক বিজনীলৈ লৈ গৈ ৰাজ ইষ্টেটৰ মহাল সৰকাৰ হিচাবে নিযুক্তি দিয়ে আৰু তেতিয়াৰ পৰাই তেখেতে আৰবুদ্দিন সৰকাৰ হিচাবে পৰিচিতি লাভ কৰে আৰু তেখেতৰ অধস্তন বংশধৰ সকলে সৰকাৰ উপাধি ব্যৱহাৰ কৰি আছে। সৰকাৰে

কেইবাবছৰো কাঠ মহালত কাম কৰি থকাৰ পিছত ৰজা বাহাদুৰে কৰ্ম্মদক্ষতা, নিষ্ঠা, সততাত পৰিপুষ্ট হৈ তেওঁৰ সৈতে বুজাবুজিৰ চুক্তিৰে কাঠমাহলৰ চনদ প্ৰদান কৰে আৰু তেতিয়াৰ পৰা নিজা বৰিয়াকৈ কাঠৰ ব্যৱসায় কৰিবলৈ লয়। শ্ৰীসৰকাৰে জীৱনৰ শেষ সময়লৈকে নিজৰ কৰ্মদক্ষতা, নিষ্ঠা আৰু সততাৰে কাঠব্যৱসায় কৰি শালকোচা তথা পুৰণি গোৱালপাৰা জিলাৰ ভিতৰতে এজন কৰ্ম্মদ্যোগী পুৰুষ হিচাবে পৰিচিতি লাভ কৰাৰ উপৰিও এজন ধনাঢ্য আৰু সম্ভ্ৰান্ত ব্যক্তি হিচাবে পৰিচিতি লাভ কৰে।

তেখেতে পিছলৈ আৰু দুজনী ছোৱালীৰ প্ৰাণি গ্ৰহন কৰে। তেখেতে তিনিজনী ঘৈনিয়েকৰ জৰিয়তে সাঁত জন পুত্ৰ সন্তান আৰু ন' জনী কন্যা সন্তান লাভ কৰে।

[সংগ্ৰহ- আবু তাহেৰ চৰকাৰ, (লেমু ভাইটি)]

লিখকৰ মন্তব্য

শালকোচাৰ যি কেইগৰাকী কৃতি সন্তানৰ চমু পৰিচয এই লেখনীত উল্লেখ কৰা হয় ইয়াৰে কিছু মোৰ স্বৰ্গীয় পিতৃদেৱ অখিলচন্দ্ৰ চক্ৰবৰ্ত্তী স্মৃতি ব্যাকৰণ তথ্যৰ পৰা আছিল। কিছুমান উল্লেখিত পৰিয়ালৰ সদস্য নাইবা আন আন বয়োবৃদ্ধ সকলোৰ পৰা সংগ্ৰহ কৰা হৈছে। এই ক্ষেত্ৰত নিৰঞ্জনেশ্বৰ চক্ৰবৰ্ত্তী মহোদযৰ নাম বিশেষ ভাৱে উল্লেখ কৰিব পাৰি। সংগ্ৰহত কিবা ভুল ভ্ৰান্তি থাকি গলে সুধীজনে যেন মোক ক্ষমা কৰে।

লিখক- মনতোষ চক্ৰবৰ্ত্তী

শালকোচা

—ঃ O ঃ—

তোমায় কিছু দেব বলে চায় যে আমাৰ মন, নাইবা তোমাৰ থাকল প্ৰয়োজন।

- ৰবি ঠাকুৰ।

নিন্দালী-

বিমল চন্দ্ৰ দেৱ সুত্ৰধাৰ

শালকোচা বাজাৰ

অবিভক্ত গোৱালপাৰা জিলাৰ লোক-সংস্কৃতি যিকোনো অঞ্চলৰ লোক সংস্কৃতিতকৈ যে চহকী তাক বিজ্ঞ সমাজে নিশ্চযকৈ স্বীকাৰ কৰিব। কিন্তু আমাৰ গোৱালপাৰীয়া লোকসকলৰ কলমৰ জোৰ নথকাৰ বাবে আমি আমাৰ সংস্কৃতিক আনৰ সন্মুখত দাঙি ধৰিব পৰা নাই। এই অপবাদৰ পৰা ৰেহাই পাবলৈ হ'লে বিপ্লৱ এটা লাগিব। এই বিপ্লৱে আমাৰ মাজত জাগৰণ আনি দিব পাৰিব। তেতিযাহে কিবা এটা হব পাৰে।

গোৱালপাৰীযা লোক-সংস্কৃতিৰ 'নিন্দালী' ও এটা অঙ্গ। শালকোচা অঞ্চলৰ 'নিন্দালী' গীত সমূহৰ এটি আবেদন আছে। কেচুৱাটিক শুৱাবৰ বাবে মাকে গীত গায, আইতাই বিচনাত শুৱাই দি গীত গায, ঘৰৰ ছোৱালীজনী তাক কোলাত লৈ টোপনি অনাৰ বাবে গীত গায- কাৰণ কৃষিজীৱি মানুহ, কেচুৱা লৈ ফুৰিলে নহব কাম-কাজ বহুত আছে। গতিকে কেচুৱাটিক শুৱাইদিব পাৰিলেই আজৰি হয আৰু কাম বনত লাগিব পৰা যায।

এই 'নিন্দালী' গীত বোৰত এটি মিঠা সুৰ আছে। এই সুৰ আমাৰ সকলোৰে কণ্ঠত আপোনা-আপোনি আহি যায। এই সুৰ শিশুৰ কাণত পৰিলে আপোনা-আপোনি চকু দুটা মুদ খাই আহে। ইয়াৰ এটা আমেজ আছে- মাদকতা আছে। শলকোচা অঞ্চলত প্ৰচলিত কেইটামান 'নিন্দালী' গীত দিয়া হ'ল। -

(১)

আমাৰ বাউ ভাল পিন্দে ফাৰা জাল

ঘৰে ঘৰে বিচিৰি বেৰায় কুন বুৰাটা ভাল।

(২)

আযৰে চান মামা
আয়, আয়, আয
ঘুম নিয়া আয়
দুদ দিম, ভাত দিম
চাঙ্গেৰ তলত বান্দি থইম।

(৩)

ঝৰি পৰে সিপিত সাপাত
ঘুগু কৰে ৰাও
এক পাচি ডিমা পাৰে
'টাইসকাৰ' মাও।

(৪)

হুযো বাওই হুযো
কতো ধান খাইস্
ধান পাকিলে চিৰা দিম
ডালত পৰিয়া খাইস্
ডাল-ডুল ভাঙেযা
তেলী পাৰাত জাইস্।
তেলী দিব তেল গামছা
মালী দিব ফুল
ৰাজাৰ বেটী খোপাতী
হাজাৰ টাকাৰ মুল।

(৫)

আয়ৰে ঘুম, আয়।
গাই বিয়াইলে বাচ্চা দিম
ধান কাটিলে পাতান দিম
আমাৰ ময়নাৰ মাথাত
টিকি দিম।

(৬)

আয়ৰে ঘুম পাৰাণী পিসী/মাসী
ঘুম দিযা যা
বাটা ভৰা গুৱা-পান
গাল ভৰেয়া খা
ঘুম দিযা যা।

(৭)

আযৰে নিন্দবালী
ঘুম নিয়া আয়
হাটেৰ নিন্ বাটেৰ নিন্
বিছিনাত পৰি কান্দে
আমাৰ মযনা হাবাতী
দুই চকু বান্দে।

(৮)

ঘুগুৰা বাজে ঝুনুৰ ঝুনুৰ
বৌ অনিবাৰ বেলা
বৌৰে চায় লাল শাৰী
বৰে চায় ধুতি
আঠ মগুলা নাভাঙতে
নিত্যে পাৰায় গালি।

(৯)

ধই ধপৰীয়া ভোলা বাইগন ভাত দিছুং
গেল ভসৰীয়া।

(১০)

আমাৰ মাই ভাল মান্‌সি
ৰাতি পুই পুই কৰে
শশুৰীৰ বেটা বৌ কুটুনী
বাৰা জুৰ জুৰ কৰে।
লাউয়েৰ তলত বাঘ আছে
লেদো লেদো কৰে।

(১১)

আয়ৰে আয় টিয়ে,
নাও ভাৰা দিয়ে,
নাও নিয়া গেল বোৱালী মাছে-
তাকে দেখিয়া ভদৰ নাচে
আয়ৰে ভদৰ ফিৰিয়া চা-
ময়নাৰ নাচোন দেখিয়া যা।
ময়না চৰে নায়
ৰাভা জুতা পায়,
আগা ডালে বসিয়া ময়না টুমটুমী বজায়।

—:০:—

মহৎ কাম মহৎ ত্যাগৰ যোগেদি সম্ভৱ।

- **বিবেকানন্দ।**

শালকোচাৰ (ঝাৰুৱা) মুচলমানৰ বিয়াৰ স্ত্রী আচাৰ কেইটামান-

খায়ৰুণ নেছা
শ্রীগ্রাম

শালকোচাৰ শ্রীগ্রামৰ বোৱাৰী হৈ আহি ভালেমান বিয়া-উৎসৱ চালোঁ। এই 'ঝাৰুৱা' সমাজৰ বিয়াৰ ৰীতি-নীতি, আচাৰ-প্রথা আমাৰ ধুবুৰীৰ ফালৰ মুচলমানসমাজৰ সৈতে একেবাৰে নিমিলে। মোৰ শাহু আই কলপজানৰ বয়স বৰ্তমান আশী বছৰৰ ওচৰে-পাজৰে হব যেন। তেওঁৰ মাক সোনাভৰি শ্রীগ্রামৰে জীয়ৰী আছিল আৰু তাইৰ বিয়াৰ ৰাতি দৰাঘৰে সেন্দুৰ আনিবলৈ পাহৰি যোৱাত বিয়াত গোলমাল লাগিছিল। সেন্দুৰ লাগিবই। অৱশ্যে সেন্দুৰ যোগাৰ কৰি আনি কইনাক পিন্ধোৱাতহে পৰিবেশ পুনৰ স্বাভাৱিক হ'ল। এই ঘটনাতো প্রথম বিশ্ব যুদ্ধৰ সময়ৰ আছিল বুলি শহুৰেকৰ পৰা শুনিছিলোঁ। বিয়াত ঢোল-শানাই নহবতো আছিল। হিন্দু পাৰাৰ জীয়ৰী হঁতে বিয়া নাম গাইছিল। শালকোচাত তেতিয়া দুখনহে মুচলমান গাঁও আছিল- কামাৰডিহি' আৰু শ্রীগ্রাম। শ্রীগ্রাম গাঁওখনকে 'বাৰুৱাপাৰা' বুলিও কৈছিল। দুয়োখন গাঁৱে 'ঝাৰুৱা' সমাজৰ।

কিন্তু, এতিয়া এই গাঁওৰ বিয়াত ঢোল-শানাই নোহোৱা হ'ল। পিচে অন্যান্য মুচলমানৰ সৈতে নীতি-নিয়মত এতিয়াও বহুত পাৰ্থক্য চকুত পৰে। 'ঝাৰুৱা' মুচলমান সমাজৰ বিয়া উৎসৱৰ কেইটামান ৰীতি উল্লেখ কৰিলোঁ। এইবোৰ কিন্তু সাম্প্রতিক কালৰ নহয়। কিছু বছৰ পূৰ্ব্বৰ।

প্রথমতে বিয়াৰ প্রস্তাৱ লৈ কইনা ঘৰত আহে। কইনাঘৰে প্রস্তাৱটো মনত লাগিলে কইনা চোৱাৰ 'অনুমতি দিয়ে।সাধাৰণতে দৰাই কন্যা চোৱা নাছিল। কন্যা পছন্দ হ'লে দৰা চাবলৈ যোৱা হয়। পছন্দ পৰ্ব শেষ হোৱাৰ পাছত 'পণ'ৰ কথা আহে। 'পণ' হ'ল- কন্যাঘৰত দৰা ঘৰে দিব লগা টকা-কড়ি। 'পণ' মিমাংসা হোৱাৰ

পিছত 'মোহৰনাৰ' কথা আছে। 'মোহৰাণা' হ'ল দৰাই কইনাক দিয়া স্ত্রীধন। এই ধন সোনা আৰু ৰূপাৰ অলঙ্কাৰেৰে মিলাই দিব লাগে। নগদ টকা-কড়ি দিয়া নিয়ম নাই। 'মোহৰণাৰ' বন্দবস্ত কইনাঘৰত কৰা হয় আৰু এই দিনাই বিয়াৰ দিন-বাৰ নিৰ্দ্দিষ্ট হয়। এই দিনা হিন্দু সমাজৰো দুই চাৰিজন ব্যক্তিক মাতি কেঁচা তামোল পানেৰে মান ধৰি বিয়াৰ কথা জনাই দিয়া হয়।

বিয়াৰ আগদিনাক 'মাৰোৱা' বুলি কয়। এই 'মাৰোৱা' কথাটো 'মাৰৈ'ৰ পৰা অহা বুলি কয়। বিয়াত 'মাৰৈ' দিয়াটো ৰাজবংশী সমাজৰ এটা দস্তুৰ। উক্ত গাঁওখনৰ মুচলমান সকল পূৰ্বতে ৰাজবংশী আছিল হেনো। 'মাৰোৱা'ৰ পূৰ্ব সন্ধিয়া একযোৰা কেঁচা গোটা তামোল-পাণ প্ৰতিটো পৰিয়ালতে দি 'মাৰোবাৰ' জাননী দিয়াটো বাধ্যতামূলক। 'মাৰোৱাৰ' দিনা সমাজৰ মানুহ আগবেলাখন আহি চোতালত এখন ছামিয়ানা দিয়ে। কল গছৰ খুটি এটা বনাই মাজত পুতি ছামিয়ানাৰ ওপৰত খেৰ বা কলপাত দি ছাউনি এটা দিয়ে। আবেলি ছোৱালী বিলাক আহি ঘৰখন সজাই-পৰাই তুলে। কলগছৰ খুটিটোত নানা ৰঙৰ ফুল গুজি দিয়ে। সন্ধিয়া পৰত সমাজৰ লোকে 'মাৰোবাৰ' তলত বহি মিলাদ চৰীফত চামিল হয় আৰু দৰা-কইণাৰ বাবে শুভ-প্ৰাৰ্থনা আল্লাহ্‌ৰ ওচৰত জনায়।

বিয়াৰ দিনা দৰা ঘৰে কইনাৰ কাৰণে বিশেষ কেতবোৰ বস্তু পঠিয়াই দিয়ে ঠিক জোৰণৰ দৰে। ইয়াক 'শিঙ্গবাণী'ৰ বস্তু বুলি কয়। 'শিঙ্গবাণী' শৃঙ্গাৰৰ পৰা অহা অৰ্থাৎ শৃঙ্গাৰ লৈ কন্যাক সজাই-পৰাই তুলা। এই বস্তুবোৰৰ ভিতৰত হালধিৰ গুৰা, নানাজাতীয় সুগন্ধি মছলাৰ গুৰা, সৰিয়হ তেল, সুগন্ধি তেল, আলতা, লাল পাড়ী শাৰী, লাল ছাৰখানা গামোছা আদিয়ে প্ৰধান। আবেলি সমাজৰ তিৰোতা মানুহ বিলাক আহি কইনাক চোতালত উলিয়াই বৰ পীৰা এখনত বহুৱাই লয়। সাতজনী বা পাঁচজনী বা তিনিজনী সধবা তিৰোতাই এই বিশেষ অনুষ্ঠানটি সম্পন্ন কৰে। দুটা মাটিৰ ঘট ধুনীয়াকৈ সজাই লয়। আটাইখিনি বস্তু কুলাখনত ৰাখে। এটা ঘটত সৰিয়হৰ তেল আৰু আনটোত 'খাৰ' ভৰায়। তিৰোতা কেইজনীৰ এজনীয়ে কইনাক ভৰিত খাৰ লগাই দিয়ে আৰু প্ৰদক্ষিন কৰে। আন কেইজনীয়ে আঁচলে আঁচলে বান্ধি শাৰী পাতি অনুসৰণ কৰে আৰু খাৰ ভাঙোতীজনীক আমৰ পাতৰ ডালেৰে কোবায়। এনেদৰে সাত পাক ঘূৰে। দৰা ঘৰৰ পৰা অহা হালধি আৰু সুগন্ধিৰে লাল শাৰী-পিন্ধোৱা কইনাক লগায় আৰু সমজুৱাৰ সৈতে হালধি-গুৰিৰে ধেমালি কৰে।

এনে স্ত্রী-আচাৰবোৰৰ ভিতৰত আন এবিধ বিপজ্জনক আচাৰ হ'ল- দৰা-কইনাৰ ভাগ্য গণনা কৰা। এটা ডাঙৰ কেৰাহীত পানী ভৰাই তাত কলপটুৱাৰে

বনোৱা দুটা চাকি জ্বলাই এৰি দিয়ে- এটা দৰা, আনতো কইনা। সেন্দুৰেৰে চিন দি লয়। চাকি দুটা ভাঁহি ফুৰে। সকলোৱে পৰ্য্যবেক্ষন কৰে চাকি দুটা লগ হৈ ঘুৰিলে ৰাহি-জোৰা ভাল; ভাগ হৈ ফুৰিলে অমিল আৰু এটা নুমাই গলে মৃত্যুৰ বিচ্ছেদ। যিয়ে শঙ্কাৰ ভাব এটা আনি দিব পাৰে। এনেবোৰ আচাৰ প্ৰতীক ধৰ্মী।

ৰাতি দৰা আহিলত কইনা-ঘৰৰ পদূলিত 'হাওৰ' ধৰে। কইনাৰ সৰু ভাই-ভনী হঁতে দৰাক বহুৱাই লৈ নানা ধৰণৰ কৌতুক কৰে। চোতালত ৰভাতলিত দৰাক বহুৱায়। চেয়াৰ বেঞ্চত বহা নিয়ম নাছিল। দৰা ঘৰে অনা বিয়াৰ সাজ-পোছাক আৰু আ-অলঙ্কাৰ সমাজত এখন কাঁহীত উলিযাই দিয়ে। সমজুৱাই চায় আৰু কইনাক পিন্ধাবলৈ পঠিয়াই দিয়ে। এই খিনিতে কেতিয়াবা হাই-কাজিযা হব পাৰে। বিযাৰ বস্তুখিনিৰ যদি মানদণ্ড অতি নিম্ন হয, অথবা অলঙ্কাৰ যদি 'বাৰ্কা' হয, অৰ্থাৎ ধাৰ কৰা হয। কইনাক সজোৱাৰ পিছত বিয়াখনত কইনাৰ মত-অমত লোৱা হয। ইয়ো নাৰীৰ বাবে বিৰাট স্বাধীনতা আৰু মৌলিক অধিকাৰ। সকলোৰে সম্মুখত এজনে (এওঁক 'উকীল' বুলি কয) কন্যাক সুধিব যে দৰাজনৰ সৈতে বিবাহত সম্মতি আছেনে নাই? তিনিবাৰ সুধিব। 'উকীল'ৰ লগত দুজন সাক্ষীও থাকিব। তিনিওজনে শুনিব পৰাকৈ কন্যাই মতামত দিব। সেই অনুসাৰে দৰাক আহি জনাব। মৌলবী চাহাবে এই মতামত উপস্থিত সমজুৱাক জনাই দিব আৰু দৰাক চৰ্ত দিব যে তেওঁ স্ত্ৰীৰ ওপৰত মাৰ-পিট বা মানসিক অত্যাচাৰ কৰিব নোৱাৰিব, মাক বাপেকৰ অসুখ-বিসুখত আহিবলৈ বাধা দিব নোৱাৰিব, স্বামী বাহিৰত থাকিব লগা হ'লে নিয়মিত খোৰাক-পোছাকৰ ব্যৱস্থা থাকিব লাগিব, স্ত্ৰীৰ বিনানুমতিত দ্বিতীয় দাৰ পৰিগ্ৰহন কৰিব নোৱাৰিব- এইবোৰে মুখ্য। 'খুতবা'ৰে মৌলবী চাহাবে বিবাহ পৰ্বৰ সামৰণি পেলায় আৰু দৰা ঘৰে সকলোকে মিঠাই খুৱায। দুয়ো ঘৰে তামোল-পাণৰ যোগান ধৰিব লাগে।

কন্যা-ঘৰত সাধাৰণতে দৰা-ঘৰক বিযাৰ ৰাতি ভাত নুখুৱায। তেতিযাৰ দিনত ওচৰা-ওচৰি গাঁওৰ দৰা-কইনাৰ মাজতহে বিবাহ হৈছিল। পৰাপক্ষত দুৰণিবটীযা সম্বন্ধ গ্ৰহন কৰা নহৈছিল। বিয়াৰ দিনাই সমাজে কইনাক 'যৌতুক' (উপহাৰ) দিয়ে। যৌতুক হিচাবে ধানৰ পুৰা, তামোল-নাৰিকলৰ গছ, গৰু, খেতি-মাটি, সোন-ৰূপৰ বস্তু, কাঁহ-পিতলৰ সামগ্ৰী আদি সাধাৰণতে দিয়া হৈছিল। দৰা-কইনাই পাল্কী, গৰু-ম'হৰ গাড়ী, নাৱ আদিত যাতায়াত কৰিছিল আৰু ওচৰা-ওচৰি হ'লে খোজ-কাঢ়িও গৈছিল।

কন্যাৰ অলঙ্কাৰ সোন আৰু ৰূপৰহে হয়। স্থানীয় 'বানিয়া' (সোনাৰী) গহনা বনাই দিছিল। গহনা বিলাক এনে ধৰণৰ কপালত মাজভাগত সীতা পাট্টী; কাণত কানফুলী, মাক্ৰী, অস্তি, দুল আদি, নাকত-নাকফুল এটা, নলো, নাত; (নলো নাকৰ তলত আৰু নাত হ'ল নলো আৰু কানফুলিৰে বন্ধা শিকলি) ডিঙিত-বিছাহাৰ, সাতসৰী হাৰ; বাহুত-বাজু, কোমৰত- 'গোট' হাৰ (এইখন ৰূপৰ হয়); ভৰিত ৰূপৰ 'কৰি' বা নূপুৰ, হাতত-পাঁলিচ পাত, কলী, চুৰি, খাৰু আদি, আঙুলিত আঙুঠি। বিয়াৰ কইনাৰ কাপোৰখন 'শাৰী' হয়। পূৰ্বতেও শাৰী আছিল কিন্তু ব্লাউজ নাছিল-পেটিকোট নাছিল। 'চেমিজ' নামৰ হাতা নোহোৱা এবিধ ডিঙিৰ পৰা ভৰিলৈকে দীঘল চোলা পিন্ধিছিল। ভৰিত কোনো জোতা চেণ্ডেল নাছিল। দৰাই পাঞ্জাবী-পায়জামা আৰু মূৰত টুপী বা পাগুৰী মাৰিছিল। সামাজিক ভাবে এই অঞ্চলৰ লোকৰ পোছাক-পাতি হিন্দু সমাজৰ সৈতে একে আছিল।

পৰিশেষত, বিবাহ পৰ্বৰ সামৰণি অনুষ্ঠান 'আঠ মঙলা'। বিয়াৰ অষ্টম দিনত দৰা-কইনা কইনা- ঘৰত আহে। এইদিনা কন্যাজনীয়ে খুব গুৰুত্ব পায়। পাৰা প্ৰতিবেশীৰ বোৱাৰী-জীয়ৰী বিলাকে দৰা আৰু দৰা ঘৰৰ খা-খবৰ বিচাৰি কন্যাক ব্যতিব্যস্ত কৰি তুলে। ভাল খবৰে কোনোবা চকু চৰহাক মনটো সেমেকাইয়ো তুলে।

দৰা-কইনা যাবৰ বেলিকা চিৰা-মুড়ি, পিঠা-পনা, দৈ-ক্ষীৰ, কল, মাছ আদিৰে মেটমৰা বোজা এটা লৈ ঘৰমুৱা হয়।

প্ৰবন্ধটো যুগুত কৰোতে অনেক কেইজনৰ সহায় লোৱা হৈছে, তাৰে মোৰ ননদ ডালিমা খাতুন প্ৰনিধান যোগ্য- তাইলৈ ধন্যবাদ যাচিছোঁ। ভুল-ত্ৰুটীৰ বাবে মাৰ্জনা বিচাৰিছোঁ।

- **লেখিকা।**

—ঃ O ঃ—

খুটাঘাট পৰগণাৰ পুখুৰীপাৰা মৌজাৰ, "বিধিকৰ্ত্তা ইষ্টেট্"ৰ ইতিবৃত্ত-

শ্ৰীজীৱলোচন চক্ৰৱৰ্তী
পুখুৰীপাৰা

"চিৰ চেনেহী মোৰ ভাষা জননী"
আই, কি মতে পূজিম তোৰ ৰঙাচৰণ দুখনি।

হে আই তোমাক পূজিবলৈ মোৰ কোনো সামৰ্থ্য নাই। মই কোনো সাহিত্যিক নাইবা কবি নাইবা কোনো লেখক নহওঁ। মই এজন সামান্য অৱসৰপ্ৰাপ্ত শিক্ষকহে মাথোন। আছে মাথোঁ মোৰ মনৰ অদম্য হেঁপাহ। ভাষাৰ ৰূপ পুষ্প আৰু লিখনী ৰূপ অৰ্ঘ্য অথাৎ পত্ৰেৰে তোমাৰ শ্ৰী চৰণত মোৰ সামান্য অঞ্জলি নিবেদিবলৈ প্ৰয়াস কৰিছোঁ। এজন ব্যক্তিৰ অনুৰোধত মই হাতত কলম তুলি লৈছোঁ। সেইজন ব্যক্তি হৈছে শালকোচা শাখা সাহিত্য সভাৰ সম্পাদক আবুল কালাম। মই ঘৰত নথকা অৱস্থাত এদিন তেওঁ মোক ফোনেৰে খবৰ লৈছিল। পিছে কাৰণটো কি মোৰ গৃহিনীৰ আগত কোৱা নাছিল। কেইদিনমান পিছত মই সাহিত্য সভা অফিচত তেওঁক লগ ধৰোঁ। মোক বিচৰাৰ উদ্দেশ্য ব্যাখ্যা কৰিছিল। তেওঁ মোক কৈছিল, "শ্ৰীজীবদা, তোমালোকৰ যিখন জমিদাৰী আছিল সেই জমিদাৰীখন কিয় "বিধিকৰ্ত্তা ইষ্টেট্" বুলি কয় তাৰে এটা বৃত্তান্ত লিখি দিব লাগে। আমি শাখা সাহিত্য সভাৰ পৰা যিখন আলোচনী প্ৰকাশ কৰিম তাতে লিপিবদ্ধ কৰি ৰাখিম। শালকোচা এখন পুৰণি আৰু ঐতিহ্যমণ্ডিত ঠাই। ইয়াৰ ঐতিহ্য লাহে লাহে বিলুপ্ত হৈ যাব ধৰিছে। আমি সেইখিনি ধৰি ৰাখিবৰ চেষ্টা কৰিছোঁ। ইয়াৰ পিছত আমাৰ ভবিষ্যত পুৰুষে এই বিষয়ে একো নাজানিব।" মই তেওঁৰ কথাত সমৰ্থন দি আমাৰ বংশৰ এটা চমু বিৱৰণ তেওঁৰ ওচৰত ডাঙি ধৰিলোঁ। তেওঁ সেইখিনি শুনি মোক উৎসাহিত কৰিলে আৰু মোক

লিখিবলৈ অনুৰোধ কৰিলে। আবুল কালাম চাহাবে যে মোক এনে এটা গুৰু দায়িত্ব প্ৰদান কৰিলে আৰু মই যে এই দায়িত্ব কিমান নিৰ্ভুলভাৱে পালন কৰিব পাৰিম সেইটো মই কব নোৱাৰোঁ। তথাপিও মই মোৰ পিতৃদেৱ ৰাজীৱ লোচন চক্ৰৱৰ্ত্তীৰ পৰা যিখিনি শুনিছিলোঁ, তাকে ব্যক্ত কৰিবলৈ ওলাইছোঁ। মই মোৰ বক্তব্য খিনি ব্যক্ত কৰাৰ আগতে 'বিধিকৰ্ত্তা'ৰ বংশাৱলীটো জনাৰ প্ৰয়োজন। মই ইয়াত মোৰ জনাখিনি লিপিবদ্ধ কৰিলোঁ। নজনাখিনি অজ্ঞাতে ৰৈ গল।

বিধিকৰ্ত্তাৰ বংশাৱলী

অজ্ঞাত

|

তন্দ্ৰাচাৰ্য্য বিদ্যাভূষণ চক্ৰৱৰ্ত্তী

|

অজ্ঞাত

|

গৌৰীশঙ্কৰ চক্ৰৱৰ্ত্তী

|

খগেন্দ্ৰনাথ চক্ৰৱৰ্ত্তী

|

দেবলোচন চক্ৰৱৰ্ত্তী (পত্নী- গুণ প্ৰভা দেৱী)

|

ৰামলোচন চক্ৰৱৰ্ত্তী (পত্নী- ক্ষেমন্তি প্ৰিয়া দেৱী)

ধুনীলোচন চক্ৰৱৰ্ত্তী | প্ৰমীলা দেৱী | চিত্ৰলোচন চক্ৰৱৰ্ত্তী (পত্নী- তুলেশ্বৰী দেৱী)

ত্ৰিলোচন চক্ৰৱৰ্ত্তী | ত্ৰিপুৰাদেৱী | কুমুদলোচন | ৰাজীৱলোচন | মৃন্ময়ী দেৱী | বিজয়াদেৱী।

"বিধিকৰ্ত্তা" জমিদাৰৰ যিসকল বংশধৰ বৰ্ত্তমান আছে তেওঁলোক চিত্ৰলোচন চক্ৰৱৰ্ত্তীৰ বংশধৰ।

"বিধিকৰ্ত্তা ইষ্টেট" প্ৰাপ্তিৰ ইতিহাস ঃ যি সময়ত 'বিধিকৰ্ত্তা ইষ্টেট'ৰ উৎপত্তি হয় সেই সময়ত কোচ ৰাজ্য দুই ভাগত বিভক্ত হৈছিল। মহাৰাজ নৰনাৰায়ন বহুদিন অপুত্ৰক আছিল সেয়ে ভায়েক চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱ নাৰায়নে ৰাজ্যলাভ কৰিব বুলি আশা কৰিছিল; কিন্তু সেই আশাত চেঁচা পানী পৰিছিল। যেতিয়া মহাৰাজ নৰনাৰায়নৰ পুত্ৰ লক্ষ্মী নাৰায়নৰ জন্ম হৈছিল তেতিয়া ৰঘুদেৱ নাৰায়ন ৰজা হোৱাৰ স্বপ্ন ভাগি গৈছিল। উপযুক্ত সময়ত লক্ষ্মীনাৰায়ন যুৱৰাজ হৈছিল। খঙে-অপমানে ৰঘুদেৱ নাৰাযনে পূৰ্বলৈ গুচি আহি বিদ্ৰোহ ঘোষনা কৰিছিল। মহাৰাজ নৰনাৰাযনে ৰঘুদেৱক দমন কৰিবলৈ এটা ফৌজ পঠাই দিযে। যুদ্ধত ৰঘুদেৱ নাৰায়ন হাৰে। কিন্তু মহাৰাজ নৰনাৰায়নে ভবিষ্যতে কাজিয়াৰ সৃষ্টি হব ভাবি কোচ ৰাজ্য দুভাগ কৰি সোনকোষ নদীৰ পূব ভাগ ৰঘুদেৱ নাৰায়নক শাসন কৰিবলৈ দিছিল আৰু পশ্চিমভাগ নিজৰ শাসনত ৰাখিছিল। ৰঘুদেৱ নাৰায়নৰ মৃত্যুৰ পিছত তেওঁৰ ৰাজ্য ভাঙি ভাগ ভাগ হৈছিল। তাৰে এটা ফৈদ হৈছে বিজনীৰ ৰাজ বংশ। এই বংশৰে এজন ৰজা আছিল বিজিত নাৰায়ন যাৰ নাম অনুসৰি এই ৰাজ্যখনৰ নাম হৈছে বিজনী। বিজনী ৰজাৰ (যিজনৰ নাম আমি পোৱা নাই) পৰাই পুখুৰীপাৰা মৌজা আৰু কোকোৰাঝাৰ জিলাত (সেই সময়ত এই বিলাক ঠাই বিজনী ৰজাৰ তলত আছিল।) বাৰাগৰ মৌজাৰ ক্ৰমে লাখেৰাজদাৰী আৰু ব্ৰহ্মাত্তোৰ সম্পত্তি হিচাবে পায়। এই লাখেৰজী পোৱাৰ এটা ইতিহাস আমি আমাৰ পিতৃদেৱ ৺ৰাজীৱলোচন চক্ৰবৰ্ত্তীৰ পৰা শুনিছিলোঁ। তেখেতেও হয়তো তেনেকৈ তেখেতৰ পিতৃৰ পৰা শুনিছিল। আমাৰ পূৰ্ব্বপুৰষসকল আছিল কনৌজৰ মানুহ। চুলতানী আমোলত তাৰ পৰা পূবলৈ গুচি আহি সংস্কৃত শিক্ষাৰ কেন্দ্ৰস্থল বঙ্গদেশত থিতাপি লৈছিল। পূৰ্ব্বপুৰুষ সকলে সংস্কৃত শিক্ষাৰ লগে লগে তন্ত্ৰশাস্ত্ৰও অধ্যযন কৰিব লৈছিল। পিচৰফালে তান্ত্ৰিকতাৰ প্ৰতি বেচি আকৃষ্ট হৈছিল। কোচ ৰজা সকলে শিক্ষা বিস্তাৰৰ প্ৰতি বেচি আকৃষ্ট হৈছিল। কোচ ৰজ সকলে শিক্ষা বিস্তাৰৰ প্ৰতি অলপ মনোনিবেশ কৰিছিল আৰু তাৰ কাৰণে বঙ্গদেশৰ পৰা পণ্ডিত শ্ৰেনীৰ আৰু পূজা-পাতলৰ কাৰণে পুৰোহিত শ্ৰেনীৰ লোক নিজ ৰাজ্যলৈ আনিছিল। তেনেকুৱাকৈ বিজনী ৰজাৰ পৃষ্ঠপোষকতাত আমাৰ পূৰ্ব্ব পুৰুষ সকল ইয়ালৈ আহে। পণ্ডিত শ্ৰেনীৰ মানুহক ৰজাই যথেষ্ট সমাদৰ কৰিছিল। আমাৰ পূৰ্ব্বপুৰুষ এজনক ৰজাই যিকোনো কামতে বিধিব্যৱস্থা দিয়াত নিয়োগ কৰিছিল। বিধিব্যৱস্থা দিয়াৰ মালিক হোৱাৰ কাৰণে "বিধিকৰ্ত্তা" নাম পাইছিল। মই আগতে উল্লেখ কৰিছোঁ যে আমাৰ পূৰ্ব্বপুৰুষ সকল তান্ত্ৰিকভাবাপন্ন লোক আছিল। বিশেষকৈ শক্তিৰ উপাসক আছিল। শক্তিৰ উপাস্য হৈছে ৺কালী দেৱী।

আমাৰ পূৰ্ব্বপুৰুষ সকলে ঁকালীপূজাকেই বিশেষ প্ৰাধান্য দিছিল। তেনেকুৱা এজন তান্ত্রিকে ৰজাৰ লগত নদীত নাৱেৰে গৈ আছিল। ৰজাই তান্ত্রিকক প্রশ্ন কৰিছিল "ঠাকুৰ আজি কি তিথি?" তান্ত্রিক সেই সময়ত ভাৱাচ্ছন্ন আছিল। তেওঁ উত্তৰ দিছিল, 'মহাৰাজ আজ পূৰ্ণিমা তিথি।' কিন্তু সেইদিনা আছিল ঘোৰ অমাবস্যা তিথি। মহাৰাজে বাৰে বাৰে একে প্ৰশ্নকে কৰাত তান্ত্রিকে সেই একেটা উত্তৰেই দি আছিল। তান্ত্রিকৰ যেতিয়া জ্ঞান আহিছিল তেতিয়া তেওঁ ভাবিছিল, "মাহাৰাজক তেওঁ কি কৈছে।" কিন্তু তান্ত্রিকে হাৰ মনা নাছিল। তেখেতে ভাবিলে, আজি মোৰ কঠিন পৰীক্ষা দিন উপস্থিত হৈছে। কিন্তু 'মই পৰীক্ষাত উত্তীৰ্ণ হ্বই লাগিব।' তেওঁৰ কথাৰ সত্যতা প্ৰমান কৰিবৰ কাৰণে নদীৰ কাষত নিৰ্জনচৰাত নাওঁ বান্ধিব কৈছিল। তেখেতে পূজাৰ সামগ্ৰী লৈ তন্ত্র সাধনত নিমগ্ন হৈছিল। তামৰ কাঁহী এখনত ৰক্ত চন্দনেৰে ৰঞ্জিত কৰি ইষ্টদেৱীৰ সাধনাত নিমগ্ন হৈছিল। ঠিক সন্ধিয়াৰ আগে আগে পূজা সমাপ্ত কৰি ইষ্টদেৱীৰ নাম স্মৰণ কৰি সেই ৰক্ত চন্দন ৰঞ্জিত তামৰ কাঁহীখন পূব আকাশলৈ নিক্ষেপ কৰিছিল। তান্ত্রিকতাৰ মন্ত্রৰ বলত কাঁহীখন পূব আকাশত পূৰ্ণিমাৰ চন্দ্ৰৰ দৰে উদয় হবলৈ ধৰিলে। ৰজা আৰু নাওৰীয়া সকলে তান্ত্রিকৰ অদ্ভুত মন্ত্রশক্তি দেখি তবধ মানিছিল। লাহে লাহে কাঁহীখন পশ্চিম আকাশত ঢলি পৰিছিল- তান্ত্রিকক লগত লৈ ৰজা ৰাজধনীলৈ উভতি আহিছিল। সেই ঘটনাটো কোন ৰজাৰ দিনৰ আমি অনুসন্ধান কৰি উলিযাব পৰা নাই। ৰজাই তান্ত্রিকক বহু সমাদৰে ৰাজধানীলৈ আনি খুটাঘাট পৰগনাৰ "পুখুৰীপাৰা মৌজা" আৰু কোকোৰাঝাৰ জিলাৰ "ৰাৰাগৰ" মৌজাৰ জমিদাৰী প্ৰদান কৰিছিল। পুখুৰীপাৰা মৌজাখন লাখেৰাজ আৰু বাৰাগৰ মৌজাখন ব্ৰহ্মাত্তোৰ হিচাবে দান কৰিছিল। ৰজাই নিজ ৰাজধানীত যি পূজা পাৰ্ব্বন হৈছিল তাত শক্তিপূজাৰ ভাৰ তান্ত্রিক জনক অৰ্পণ কৰিছিল আৰু এই কামবোৰ পুৰুষানুক্ৰমে থাকিব বুলি নিৰ্দ্দেশ দিছিল। সেই তান্ত্রিকজন আছিল তন্ত্ৰাচাৰ্য্য বিদ্যাভূষন চক্ৰৱৰ্ত্তী। তেওঁৰেই বংশধৰ হৈছো আমালোক। পুৰণি নথিপত্ৰবোৰ বহুদিন আগত ডকাইতি হোৱাৰ ফলত নষ্ট হৈ গৈছে বুলি জনা যায। এয়ে হৈছে "বিধিকৰ্ত্তা ইষ্টেট"ৰ জমিদাৰী প্ৰাপ্তিৰ কাহিনী। যিমানদিনলৈকে বিজনী ৰজাৰ ৰাজত্ব আছিল সিমানদিনলৈকে আমাৰ বংশৰ পৰা বছৰত ঁকালীপূজা কৰি আহিছিল। এটা আহাৰ মাহ আষাঢ়ী ঁকালিপূজা, দ্বীপন্বিতাত আৰু বাসন্তী ঁকালিপূজা। ইয়াৰ বাহিৰে শাৰদীয় দুৰ্গোৎসৱত যি ঁকালিপূজা হৈছিল সেইটোও আমাৰ বংশ মানুহৰ দ্বাৰা সম্পন্ন কৰা হৈছিল।

তন্ত্রাচাৰ্য্য ঁবিদ্যাভূষণ চক্ৰৱৰ্ত্তীৰ পিছত আৰু কেইজনে এই জমিদাৰী ভোগ কৰিছিল তাৰ নাম পোৱা নাযায়। ঁগৌৰীশঙ্কৰ চক্ৰৱৰ্ত্তীৰ পৰা ধাৰাবাহিকভাৱে নথি-পত্ৰত পোৱা যায়। তাৰ পৰিচয় আগতে উল্লেখ কৰা হৈছে। গৌৰীশংকৰ চক্ৰৱৰ্ত্তীৰ পৰা ধাৰাবাহিখভাৱে, ঁখগেন্দ্ৰনাথ চক্ৰৱৰ্ত্তীৰ পুত্ৰ ঁদেৱলোচন চক্ৰৱৰ্ত্তী, ঁদেৱলোচনৰ পুত্ৰ ঁৰামলোচন চক্ৰৱৰ্ত্তীয়ে পুখুৰীপাৰাৰ বিখ্যাত পণ্ডিত প্ৰবৰ ঁৰমানাথ বিদ্যালঙ্কাৰ দেৱৰ পেহী ঁক্ষেমন্তিপ্ৰিয়া দেৱীক বিয়া কৰাইছিল। ৰামলোচন চক্ৰৱৰ্ত্তীৰ অকাল বিয়োগত নানা ঘাত প্ৰতিঘাতৰ মাজেদি ক্ষেমন্তিপ্ৰিয়া দেৱীয়ে এই জমিদাৰীখন ৰক্ষা কৰিছিল। ৰামলোচন চক্ৰৱৰ্ত্তীৰ দুই পুত্ৰ আৰু এজনী কন্যা আছিল। ঁধুনীলোচন জেষ্ঠ্য আৰু ঁচিত্ৰলোচন কনিষ্ঠ। কন্যা জনীৰ নাম আছিল প্ৰমিলা দেৱী। যি জনীক পিতাইঁতে 'পিলুপেই' বুলি মাতিছিল। যেতিয়া ৰামলোচন চক্ৰৱৰ্ত্তীৰ মৃত্যু হয তেতিযা ল'ৰা ছোৱালী কেইটা নিচেই সৰু আছিল। এই জমিদাৰীৰ আৰু এজন অংশীদাৰ আছিল। নাম আছিল ঁভূবনেশ্বৰ চক্ৰৱৰ্ত্তী। যাক মানুহে ভুবনেশ্বৰ বিধিকৰ্ত্তা বুলি মাতিছিল। ভূবনেশ্বৰ চক্ৰৱৰ্ত্তী অবিবাহিতা আছিল; কিন্তু অত্যন্ত সুৰাপায়ী আছিল। ভুবনেশ্বৰ চক্ৰৱৰ্ত্তী ৰামলোচন চক্ৰৱৰ্ত্তীৰ সম্পৰ্কীয় সৰু ভাই আছিল। ৰামলোচন চক্ৰৱৰ্ত্তীৰ অকাল মৃত্যুৰ সুযোগলৈ ভুবনেশ্বৰ চক্ৰৱৰ্ত্তীয়ে সম্পত্তিৰ ভাগৰ কাৰণে কাজিয়া আৰম্ভ কৰিছিল আৰু সেই বিবাদ কোৰ্ট কাছাৰী পয্যন্ত পাইছিলগৈ। তেতিযাৰ দিনত মামলা মোকৰ্দ্দমা কৰিবলৈ গোৱালপাৰাত যাব লাগিছিল। গোৱালপাৰা জিলাৰ সদৰ ঠাই আছিল। এনে অৱস্থাত ক্ষেমন্তিপ্ৰিয়া দেৱী অথাই সাগৰত পৰিছিল। তথাপিতো সম্পত্তি ৰক্ষাৰ্থে জেষ্ঠপুত্ৰ ধুনীলোচনক মোকৰ্দ্দমাৰ তদাৰক কৰিবলৈ মানুহ সহকাৰে গোৱালপাৰালৈ পঠাইছিল। কিন্তু ক্ষেমন্তিপ্ৰিয়া দেৱীৰ ভাগ্য এনে বেযা আছিল যে দুই চাৰিবাৰ মোকৰ্দ্দমাৰ কাৰণে গোৱালপাৰালৈ যোৱাৰ পিছত জ্যেষ্ঠপুত্ৰ ধুনীলোচন কলেৰা ৰোগত আক্ৰান্ত হৈ তাতেই মৃত্যু বৰণ কৰিব লগা হৈছিল। ক্ষেমন্তিপ্ৰিয়া দেৱীৰ মূৰত আকাশী সৰগ ভাগি পৰিছিল। কিন্তু এই বিপদত কিংকৰ্ত্তব্য বিমূঢ় নহৈ "শ্ৰীগ্ৰাম ইষ্টেট্"ৰ জমিদাৰ ঁচন্দ্ৰমাধব বৰুৱাৰ পিতৃ ঁবিশ্বনাথ দেৱৰ শৰণাপন্ন হৈছিল। তেতিয়াৰ দিনত ইঘৰে সিঘৰক বিপদে-আপদে সহায় কৰাটো এটা কৰ্ত্তব্য বুলি ধৰিছিল। ক্ষেমন্তিপ্ৰিয়া দেৱীৰ কাতৰ আহ্বানত জমিদাৰ বিশ্বনাথ বৰুৱাদেৱ পুখুৰীপাৰাত আহি উপস্থিত হৈছিল। তেতিয়াৰ দিনত এজনী বিবাহিতা ৰমনীয়ে পৰপুৰুষৰ আগত বাহিৰ হোৱাটো দোষনীয আছিল, কিন্তু ক্ষেমন্তিপ্ৰিয়া দেৱীয়ে সকলো লাজ অপমান কাতি কৰি থৈ বৰুৱাদেৱৰ সন্মুখত আহি কৈছিল, আজিৰ পৰা আপুনি মোৰ পিতৃ আৰু মই আপোনাৰ কন্যা। আপুনি

মোৰ দুৰ্দ্দশাৰ বিষয়ে সকলো কথা জানে। সেয়ে আপুনি মোক এই বিপদৰ পৰা ৰক্ষা কৰিব লাগে। মোৰ এই নাবালক পুত্ৰ কন্যা দুটাক সম্বন্ধত আপোনাৰ নাতি-নাতিনী দুটাক ৰক্ষা কৰাটো আপোনাৰ কৰ্ত্তব্য আৰু যি মোকৰ্দ্দমা চলি আছে সেইটো তদাৰক কৰি সম্পত্তিটো ৰক্ষা কৰি দিব লাগে। যদি এই বিপদৰ পৰা মোক ৰক্ষা নকৰে তেনেহ'লে মই পথৰ ভিক্ষাৰীণি হব লাগিব।" ক্ষেমন্তিপ্ৰিয়া দেৱীৰ পিতৃ সম্বোধনত বিশ্বনাথ বৰুৱা দেৱৰ মন পমি গৈছিল আৰু অভাগিনী কন্যা জনীৰ সহায়ৰ কাৰণে আগবাঢ়ি আহিছিল। সম্পত্তি তদাৰক কৰিবৰ কাৰণে শ্ৰীগ্ৰামৰ ঁনজৰ সৰকাৰক মেনেজাৰ হিচাবে ৰাখিছিল। মোৰ্কদ্দমাৰ তদাৰকী বৰুৱাদেৱে কৰিছিল। বৰুৱাদেৱে সকলো সময়তে আহি ধৰ্ম্মীয়া কন্যাৰ খবৰপাতি ৰাখিছিল। ইফালে ভূবনেশ্বৰ চক্ৰবৰ্ত্তীৰ লগত হোৱা মোৰ্কদ্দমাৰ 'ৰায় মৰ্ম্মে' ভূবনেশ্বৰ চক্ৰবৰ্ত্তীয়ে "বিধিকৰ্ত্তা ইষ্টেট্‌ এটা অংশ পাইছিল; কিন্তু অতিপাত মদপী হোৱাৰ কাৰণে অলপ দিনতে সকলো সম্পত্তি নষ্ট কৰি নিঃশেষ কৰি পেলাইছিল। মৃত্যুৰ সময়ত অৱশেষত চিত্ৰলোচন চক্ৰৱৰ্ত্তীয়ে সেৱা শুশ্ৰূষা কৰিব লগীয়া হৈছিল। এই সম্পত্তিলৈ হোৱা মামলা মোৰ্কদ্দমা বৰুৱাদেৱে তদাৰক কৰিছিল আৰু সম্পত্তিটো ৰক্ষা কৰিছিল। যদি বৰুৱাদেৱে নিঃস্বাৰ্থভাৱে ক্ষেমন্তিপ্ৰিয়া দেৱীৰ আহ্বানত আগবাঢ়ি নাহিলেহেতেন অথবা বিধিকৰ্ত্তাৰ সংসাৰ থান্‌বান্‌ হৈ গল হেতেন। যাৰ কাৰণে আমি তেখেতৰ ওচৰত চিৰকৃতজ্ঞ। ক্ষেমন্তিপ্ৰিয়া দেৱীয়ে বৰুৱাৰ পৰিয়ালৰ লগত যিটো সম্বন্ধ কৰি থৈ গৈছিল সেই সম্বন্ধ আমাৰ পিতাইঁত পৰ্য্যন্ত অটুট ৰাখিছিল। যিটো সম্বন্ধ আজিৰ পুৰুষে নাজানে। আমাৰ পিতাইঁতে বৰুৱাৰ নাতি নীলমাধব বৰুৱা, প্ৰিয়মাধব বৰুৱাক খুড়া বুলি মতা শুনিছিলোঁ। ইঘৰে সিঘৰৰ কিবা সকাম হ'লে মতা দেখিছিলোঁ। এতিয়াও সামাজিক ক্ৰিয়া কাৰ্য্যত সেই অনুৰাগ আছে। আগন্তুক দিনবোৰতো এই সম্বন্ধ অটুট থাকিব বুলি মোৰ বিশ্বাস।

ক্ষেমন্তিপ্ৰিয়া দেৱীয়ে নিজ কন্যা প্ৰমীলা দেৱীক হাকামা নিবাসী ঁশশীমোহন চক্ৰৱৰ্ত্তীৰ সম্বন্ধীয় খুড়া এজনৰ লগত বিয়া দিছিল। প্ৰমীলাদেৱীৰ দুজনকৈ উপযুক্ত পুত্ৰৰ ভোৰ বয়সত মৃত্যুবৰণ কৰিবলগীয়া হৈছিল। এজনী মাত্ৰ কন্যা বেদৱতী দেৱীক সাতবছৰ বয়সতে শালকোচাৰ হাপাপাৰাৰ নিবাসী নীলকান্ত চক্ৰৱৰ্ত্তীৰ লগত বিয়া দি কাশীবাসী হৈছিল। কিন্তু তাতো বেচিদিন থাকিব পৰা নাছিল। কাশীত স্বামীৰ মৃত্যু হৈছিল। স্বামীৰ মৃত্যুৰ পাছত প্ৰমীলা দেৱীয়ে ভায়েকৰ ঁচিত্ৰলোচন চক্ৰৱৰ্ত্তী ঘৰত উভতি আহিছিল। তাইৰ কন্যা বেদৱতীৰ ফালৰ পৰা বংশধৰ হাপাপাৰাত আছে। তেওঁলোক হ'ল ঁসীতাকান্ত চক্ৰৱৰ্ত্তী আৰু অবলাকান্ত চক্ৰৱৰ্ত্তী।

"বিধিকৰ্ত্তা ইষ্টেট্"ৰ আৰু এজন নিষ্ঠাবান পুৰুষৰ ওচৰত চিৰকৃতজ্ঞ বৰুৱাদেৱে "বিধিকৰ্ত্তা ইষ্টেট্"ৰ জমিদাৰী ৰক্ষাৰ কাৰণে যি জন ব্যক্তিক নিয়োগ কৰিছিল, সেই নিষ্ঠাবান ব্যক্তি ঁনজৰ সৰকাৰ দেৱলৈ জনাওঁ শ্ৰদ্ধা।

চিত্ৰলোচন চক্ৰৱৰ্ত্তীয়ে "বিধিকৰ্ত্তা ইষ্টেট"ৰ জমিদাৰী লাভ কৰাৰ পিছত সাংসাৰিক জীৱন আৰম্ভ কৰিছিল। ইতিমধ্যে মাক ক্ষেমন্তিপ্ৰিয়া দেৱীৰও দেহাৱসান ঘটিছিল। বিশ্বনাথ বৰুৱাদেৱেও ইহ সংসাৰৰ পৰা গুচি গৈছিল। কিন্তু বৰুৱাদেৱৰ পুত্ৰ চন্দ্ৰমাধৱ বৰুৱাদেৱে তেখেতৰ ভাগিন চিত্ৰলোচন চক্ৰৱৰ্ত্তীৰ তত্ত্বাবধান কৰিছিল আৰু খা-খবৰ ৰাখিছিল। চিত্ৰলোচন চক্ৰৱৰ্ত্তীয়ে পুখুৰীপাৰা নিবাসী ঁবামদেৱ চক্ৰৱৰ্ত্তীৰ একমাত্ৰ কন্যা তুলেশ্বৰী দেৱীক জীৱন সঙ্গিনী কৰি লৈছিল। তুলেশ্বৰী দেৱী সাতজন ভায়েকৰ মাজত এজনীয়ে ভনী আছিল। চিত্ৰলোচন চক্ৰৱৰ্ত্তীৰ জ্যেষ্ঠ পুত্ৰ ত্ৰিলোচন চক্ৰৱৰ্ত্তীয়ে আমাৰ ঘৰখন বৰ্ত্তমান ঠাইলৈ স্থানান্তৰিত কৰি আনে। পুৰণি ঘৰখন আছিল বৰ্ত্তমান পুখুৰীপাৰাৰ শিৱমন্দিৰটো যিখিনি ঠাইত আছে সেইখিনিতে আছিল। ত্ৰিলোচন চক্ৰৱৰ্ত্তীয়ে সেই ঘৰ খনত পানীৰ কষ্ট বৰকৈ অনুভৱ কৰিছিল। সেয়েহে তেখেতে পানীৰ সন্ধান কৰি কৰি ইয়াতে ঘৰবাৰী স্থানান্তৰিত কৰি আনিছিল। সেই পুৰণি ঘৰখনতে পুত্ৰ-কন্যা ত্ৰিলোচন চক্ৰৱৰ্ত্তী আৰু ত্ৰিপুৰা সুন্দৰী দেৱীৰ জন্ম হৈছিল। নতুন ঘৰত আহি ত্ৰিলোচন চক্ৰৱৰ্ত্তীয়ে নতুন উদ্দ্যমেৰে ঘৰ বাৰী সজাত মনোনিবেশ কৰিছিল। নতুনকৈ জমিদাৰী আৰ্হিৰে কাছাৰীঘৰ, দেৱগৃহ, চৰাঘৰ, বাসগৃহ, পকী কুঁৱা নিজ পছন্দমতে বান্ধিবলৈ ধৰিছিল। ঘৰবিলাক ইটাৰে বান্ধিছিল। নতুন উদ্দ্যমেৰে উন্নতমান ফলমুলৰ কলম আনি গছ ৰুই ঘৰ-বাৰী সজাই তুলিবলৈ আৰম্ভ কৰিছিল। এই নতুন ঘৰ খনত আহি চিত্ৰলোন চক্ৰৱৰ্ত্তীৰ আন দুজন ল'ৰা আৰু দুজনী ছোৱালী-ক্ৰমে কুমুদ লোচন, ৰাজীব লোচন, মৃন্ময়ী দেৱী আৰু বিজয়া দেৱীৰ জন্ম হৈছিল। চক্ৰৱৰ্ত্তী মহাশয় বুঢ়া হৈ আহিলত জমিদাৰী খন পৰিচালনাৰ দায়িত্ব কনিষ্ঠ পুত্ৰ ৰাজীৱ লোচন চক্ৰৱৰ্ত্তীৰ ওপৰত আহি পৰে, কাৰণ বৰপুত্ৰৰ মৃত্যু হ'ল আৰু মাজু পুত্ৰ চাকৰীসূত্ৰে অভয়াপুৰীত থাকে। ১৯৪৪ চনত ৮৮ বছৰ বয়সত বিধিকৰ্ত্তা চিত্ৰলোচন চক্ৰৱৰ্ত্তীৰ পঞ্চত্ব প্ৰাপ্তি হয়।

১৯৫৭ চনত অসম চৰকাৰে 'বিধিকৰ্ত্তা ইষ্টেট্' অধিগ্ৰহন কৰে। এই ইষ্টেটৰ এটা উল্লেখযোগ্য ঘটনা আছিল পুখুৰীপাৰাৰ ৰাস মন্দিৰৰ প্ৰতিষ্ঠাপন। ৰাজীৱ লোচন চক্ৰৱৰ্ত্তীৰ বদান্যতাত এক বিঘা মাটি উক্ত মন্দিৰলৈ দেৱোত্তৰ হৈছিল।

মোৰ পিতৃদেৱ ৰাজীৱ লোচন চক্ৰৱৰ্ত্তীৰ পৰা জনা কথা খিনি প্ৰবন্ধটোত দাঙি ধৰা হৈছে। স্মৃতিৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰি বহুত কথা লিখা হৈছে, গতিকে ত্ৰুতি-বিচ্যুতি হব পাৰে- তাৰ বাবে সুধী সমাজে মাৰ্জনা কৰে যেন।

পৰিশেষত, মোৰ পিতৃ পুৰুষ সকললৈ শ্ৰদ্ধাঞ্জলি অৰ্পণেৰে-

ওঁ, পিতা স্বৰ্গঃ পিতা ধৰ্মঃ পিতাহি পৰমং তপঃ।
পিতৰি প্ৰীতিমাপন্নে প্ৰীয়ন্তে সৰ্ব দেবতাঃ।।

—ঃOঃ—

> যি শিক্ষাই নিজক আনৰ হাতত বেচিবলৈ শিকায তেনে শিক্ষাৰে শিক্ষিত হোৱাতকৈ জধামূৰ্খ হোৱা বহুগুণে ভাল।
>
> - হেম বৰুৱা।

শালকোচাৰ আশে-পাশে ভাস্কৰ্য্যৰ বিননি

শ্ৰী সৰ্ব্বেশ্বৰ ৰায় চৌধুৰী

ৰানীয়া পাৰা

শালকোচা অঞ্চলৰ ভৌগলিক অৱস্থিতি :- (ক) শালকোচাৰ উত্তৰে বকুৱামাৰী-পাহাৰ, দক্ষিনে ধাপা নদী অৰ্থাৎ ব্ৰহ্মপুত্ৰ নদ, পূৰ্বে সৰ্পমাৰী পাহাৰ আৰু পশ্চিমে গোৰাং নৈ। এই চাৰিসীমাই আগুৰা অঞ্চলটোৰ ভিতৰত সৰু বৰ প্ৰায় ১০৮ খন গাঁৱেৰে গঠিত এক বৃহৎ গ্ৰামাঞ্চল। এই গাঁও বা পাৰা বোৰৰ ভিতৰত পুখুৰীপাৰা, মালগাঁও, বেথাগাঁও, উকুনীমাৰী, বলাঘাট, সুপাৰীগুৰি, গৌৰাংটাৰী, বামুগাঁও, যমদুৱাৰ, টিলাপাৰা, কলিয়াৰ খাল, হাড়কাটা, কামাৰডিহি, মাহিষ বাথান, শ্যামৰাই পাৰা, পৰ্শনপাৰা, কুমলিগাঁও, হাতীপোতা, নুনমাটি, ইচ্‌লামাৰী, ভেলুপাৰা, কামাৰ পাৰা, বাণিয়াপাৰা, হাপাপাৰা, শালবাড়ী, দামোদৰপুৰী, শ্ৰীগ্ৰাম প্ৰমুখ্যে মোটা মোটি প্ৰায় ১০৮ খন গ্ৰাম শালকোচাৰ অন্তৰ্গত। বিশেষ লক্ষনীয় যে গাঁওবোৰৰ নামৰ ভিতৰতে শালকোচাৰ অতীত আৰু বৰ্ত্তমান অন্তৰ্নিহিত হৈ আছে।

(খ) শালকোচা অঞ্চলৰ পশ্চিম প্ৰান্তৰে প্ৰবাহিত হৈ আছে গৌৰাং নৈ। ব্যাপাৰ বানিজ্যৰ কাৰণে বৰ উপযোগী। মোগল আক্ৰমনৰ সময়ত এই নৈ খন শালকোচাৰ ভিতৰ ফালেদি প্ৰবাহিত হৈছিল। প্ৰমান বৰ্ত্তমান আমি যাক মৰা গৌৰাং বুলি দেখিবলৈ পাওঁ। কিছুমান মোগল সৈন্যই গৌৰাং নৈৰে আহি শিলগাৰাত ছাউনী পাতিছিল আৰু অলপ দুৰত এটা পুখুৰী খান্দিছিল। সেই পুখুৰীৰ নাম অনুসাৰে পুখুৰীপাৰা গাঁও খনৰ নাম ৰখা হৈছে। ডাকাৰা, ডিপলাই ধীৰ এই তিনিখন প্ৰধান বিল।

চান্দৰডিঙা, চক্ৰশীলা আৰু দুধনাথ সুবিখ্যাত পাহাৰ বহু কাহিনীৰে পৰিপূৰ্ণ। মহাদেৱ আৰু তেওঁৰ জীয়ৰী পদ্মা ওৰফে বিষহৰি আৰু মহাদেৱৰ পৰম ভক্ত চান্দ্ৰ সদাগৰক কেন্দ্ৰ কৰি এই সুবিখ্যাত পাহাৰৰ ওপৰত, মধ্যত আৰু নামনিত থকা

শিল, শিলৰ গুহা, নিজৰা আদিত সিচৰিত হৈ থকা প্ৰস্তৰ মূৰ্ত্তি ৰেখাচিত্ৰবোৰ নিশ্চয় আপোনা-আপুনি নিৰ্ম্মিত হোৱা নাছিল। কোনোবা ৰজা কেবা শতিকাৰ আগতেই সেইবোৰ নিৰ্ম্মান কৰিছিল।

শালকোচাৰ দাৰ্শনিক পটভুমিঃ- শালকোচা অঞ্চল যে অতি প্ৰাচীন তাত কোনো সন্দেহ নাই। সকলো দেৱতাৰ ভিতৰত দেৱাদিদেৱ মহাদেৱ। মহাদেৱ সয়ম্ভু। শালকোচা অঞ্চলৰ যিসকল প্ৰাচীন অধিবাসী অধিকাংশই বৃহৎ বড়ো জনগোষ্ঠীৰ অন্তৰ্গত লোক। সেয়ে অঞ্চলটোৰ প্ৰাচীন গাঁওবোৰত শিৱ পাৰ্ব্বতীৰ থান আজিও বিৰাজমান। এইবোৰ ভিতৰত বুঢ়া-বুঢ়ীৰ থান, পাগালা বাবাৰ থান, দুধনাথ মন্দিৰ আদিযেই প্ৰধান। শালকোচাত শৈৱ মতালম্বী হোৱাৰ উপৰিও পৰবৰ্ত্তী কালত শাক্ত, গানপত্য, বৌদ্ধ, ইচলাম পন্থী, খৃষ্টীয়ান পন্থী, বৈষ্ণৱ শংকৰী অৰ্থ্যাৎ মহাপুৰুষীয়া দামোদৰীয়া, চৈতন্যপন্থী ইত্যাদি নানান পন্থীৰ অনুগামী সকলে আজি শালকোচা অঞ্চলত বসবাস কৰি আছে।

টোকোৰা বান্ধা পাহাৰৰ কাষতে পুব দিশত দুধনাথ নামে এখন পাহাৰ আছে। ইযাত দুটা প্ৰায ৪ ১/২ ফুট ওখ স্তন আকৃতিৰ শিল আছে। ইয়াত সদায় পূজা পাঠ হয।

শালকোচাৰ পুখুৰীপাৰা গাঁওৰ ওচৰত থকা এটি সৰু পাহাৰীয়া টিলাত অৱস্থিত "বুঢা বাবা আৰু বুঢী" আইৰ মন্দিৰত তেনে কিছু শিলত খোদিত কাৰ্য্য দেখিবলৈ পোৱা যায। "বুঢা-বুঢ়ী" আচলতে শিৱ পাৰ্ব্বতী। বহাগৰ সাত বিহুৰ প্ৰথম দিনা ১০৮ টা বাটি থকা শিলটোত ১০৮ জনী গাই গৰুৰ গাখীৰ ঢালিব লগীয়া হয় আৰু লগে লগে বৃষ্টিপাত হয়। ই আচলতে জাগ্ৰত মন্দিৰ। ইযাত বহু দুৰ দুৰণীৰ পৰা মানুহ আহি পূজা অৰ্চ্চনা কৰি মনৰ আকাঙ্খিত ফল লাভ কৰে।

পুখুৰীপাৰাৰ অলপ দূৰত পুব ফালে 'সতী' পুৰা নামে এখন গাঁও আছে যত নেকি নিজৰ স্ত্ৰী স্বামীৰ মৃত্যুত চিতাত উঠি 'সতী' দাহন গৈছিল কাৰণে 'সতী' পুৰা নামে শ্মশান ঘাটটো আজিও বিদ্যমান।

তাৰ পিছুত শালকোচাৰ উত্তৰে যোৰ নাগাৰা আৰু বাঘৰ খোজ দুটা, লগতে হিলৈ বা কামানৰ চাকা আছে। এই বস্তু বিলাক দেখিলে অনুমান কৰা যায় যে, হয়তো ইয়াত ইতিপুৰ্বে কোনোবা ৰজাৰ ৰাজত্ব কালত তৈয়াৰ কৰা বস্তু নাইবা দেৱ দেৱীৰ নৃত্য কৰা সুৰক্ষিত বনাঞ্চল। সম্যক ভাৱে অনুসন্ধান কৰিলে শালকোচাত বহুতো চাৰুকলা আৰু ভাস্কৰ্য্যৰ নিদৰ্শন পোৱা যাব বুলি ধাৰণা কৰা হয়। সংশ্লিষ্ট সকলৈকে এইবোৰৰ সংৰক্ষনৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালোঁ। বকুবামাৰী

পাহাৰ আৰু তাৰ তলতে থকা ডিপলাই আৰু ধীৰ বিলে জনজাতি সম্প্ৰদায়ৰ বহুতো স্মৃতি সোঁৱৰাই দিযে। এই সম্পৰ্কত এটা সুন্দৰ উপাখ্যান আছে যে, ডিপলাই ধীৰ দুই সতীনী। ডাকৰা বিল কোনোবা এজনী আছিল। প্ৰবাদ আছে যে, বিয়া আদিত মাছ বা বাচন বৰ্তনৰ আৱশ্যক হলে ডিপলাই বিলক ভক্তি ভাৱে সেৱা জনালে এইবোৰ বস্তুৰ যোগান ডিপলাই বিলে পাৰত তুলি দিছিল। বকুৱামাৰী পাহাৰৰ পশ্চিম মুৰত থকা অংশটো 'ধলা শিল' নামে জনাজাত। প্ৰবাদ আছে যে এই শিলৰ কোনোবা এটা খোৰঙত গাখীৰ ঢালি দিলে তলত থকা ডিপলাই বিলত নিগৰি আহি পৰে। দৌল উৎসৱৰ সময়ত স্থানীয় লোক সকলে তাত দৌলৰ ৰং ফাকু খেলে।

শ্ৰীগ্ৰাম গাঁওখন আদিতে জনজাতি গোষ্ঠীৰ গাঁও আছিল। এই গাঁওখনৰ উত্তৰ সীমাত 'ডিমাপুখুৰী' আৰু পুখুৰী নামৰ দুটা জলাশয়, টিলা এটাৰ দুইফালে আছিল। আজিও তাৰ চিন চাব আছে। ই 'আইৰ পাট' বা 'আইৰ থান' বুলি জনাজাত। আগৰ কালত আই বা বসন্ত ৰোগৰ বৰ প্ৰাবল্য আছিল। প্ৰায় মহামাৰী ৰূপে গাঁওবোৰত দেঁখা দিছিল। সহজ গঞা মানুহ বিলাকে আই ঠাকুৰাণীৰ অভিশাপ বুলি বিশ্বাস কৰিছিল। তেনে বিশ্বাসৰ ভিত্তিতে উক্ত টিলাটোত এখন 'থান' প্ৰতিষ্ঠিত হৈছিল। 'ডিমাপুখুৰীত' সোনৰ চালনী বাতি সন্ধিয়া সময়ত দেখিবলৈ পাইছিল। এনেকি আলুভুই তিনতিলা আৰু চক্ৰশিলা গাঁওৰ বড়ো মানুহ বিলাকৰ শালকোচাৰ বজাৰত অহাৰ বাট এই পিনেদি আছিল। ভুলতে যদি কোনোবাই বেছিবলৈ অনা কল বা গাখীৰ কিছু থানত নিদিয়ে তাক 'বাঘে' আগুৰি ধৰিছিল। এই থান খন প্ৰায় লুপ্ত মান আছিল পিছত শ্ৰীগ্ৰামৰ ৰাইজে পুনৰ জগাইছে। এতিয়া পূজা পাতল চলি থাকে।

শালকোচা ডাক বাংলাৰ পিছফালে থকা 'ৰেনি' বিলখনো কম জাগ্ৰত নাছিল। একালত বিলখন জুৰি পদুম ফুলৰ বাগিচা যেন আছিল আৰু বৰ্ত্তমানেও আছে। তেতিযাৰ দিনত হাডকাটা গাঁওখন নাছিল। সন্ধ্যাৰ সময়ত তাত কেতবোৰ অলৌকিক শোভা মানুহে দেখিবলৈ পাইছিল। চাকি বন্তি থকা চালনী, সাঁপৰ আৰু মাছৰ লীলা খেলা, জাকৈযেদি গাভৰুৰ মাছ ধৰা আদি ভৌতিক দৃশ্য দেখিবলৈ পোৱা গৈছিল। আৰু এটা বন্তিৰ পৰা বহু সংখ্যক প্ৰজ্বলিত বন্তি দেখিবলৈ পোৱা গৈছিল।

শালকোচাৰ পশ্চিম দক্ষিন কোনত শ্যামৰাইপাৰা গাঁওত এটা শিৱ মন্দিৰ আছে। স্থানীয় যোগীম্প্ৰদায আৰু ৰাজবংশী সম্প্ৰদায় লোক সকলে পূজা কৰি আছে। শিৱ ৰাত্ৰিৰ দিনা ইয়াত এখন ডাঙৰ মেলা হয়। শিৱ মন্দিৰৰ কাষতে আৰু এটা মন্দিৰ আছে ই 'দুধধাৰা' মন্দিৰ নামে জনাজাত। আজিও কাৰোবৰা গাইয়ে পোৱালী দিলে তাত থকা শিলৰ বিগ্ৰহত গাখীৰ ঢালি দিয়ে।

শালকোচা ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত আঙাৰকাটা পুল আছে । এই পুলৰ কাষতে উত্তৰ পিনে এটা জলাশয় আৰু এটা টিলা আছে। বাৰিষা কালত ইয়াত নানান ধৰণৰ ভুত, প্ৰেত, পিশাচ আদিৰ জাকৈয়েদি মাছ মৰা, গুণ গুননি শব্দ আৰু ভুতৰ উকা বা চাকি দেখিবলৈ পোৱা গৈছিল।

উকুনিমাৰী গাঁওৰ পূব পিনে থকা এটা জলাশয় আছে। এই জলাশয়ৰ কাষতে 'দেওকুৰা' জলাশয়টো। ইয়াত এখন পদুম ফুলৰ বাগিচা আছে। জনশ্ৰুতি মতে শুনা যায় যে এই জলাশযটোত এখন বিৰাট লোহাৰ শিকলি পাৰত দেখা পোৱা গৈছিল। শিকলি খনিৰে ধৰি ধৰি গলে পানীৰ তলত এটা লোহাৰ সন্দুক পাইছিল। শালকোচাৰ পশ্চিম প্ৰান্তত বামুন গাঁও। ইয়াৰ ওচৰত 'বুলমালা' নামৰ এটা সৰু জালাশয় আছে। জলাশযটো অতি গভীৰ আৰু পিতনিৰে ভৰা। ইয়াত হেনো আপোনা-আপোনি সোনৰ নাও ওলাইছিল। সেই নাওত উঠি সৰু সৰু ল'ৰা ছোৱালীযে ধেমালি কৰিছিল। আচলতে সেইবোৰ মানবীয় নহয দেও ভুতৰহে পোৱালী আছিল। সন্ধিয়া সময়ত হাতত চাকি লৈ এই পোৱালীবোৰে ইফাল সিফাল কৰি ফুৰিছিল। সেই বিলাকক মানুহে ভুতৰ উকা বা বাতি বুলি কৈছিল।

কোনোবা এসময়ত বৰ্ত্তমানৰ গৌৰাং নদী খন শালকোচাৰ মাজেৰে প্ৰবাহিত হৈছিল। যাৰ চিন চাপ বৰ্ত্তমানে মৰা গৌৰাং বুলি আমি দেখিবলৈ পাইছো। ইয়াৰ লগতে সংলগ্ন মৰঘাটা নদীখন একাবেকো প্ৰবাহিত হৈ সুতী নদীত পৰিছে। এই মৰঘাটা নৈখনৰ তাৎপৰ্য্য এই যে ইয়াত এটা কুৱিৰ আৰু কিছুমান ভূত-প্ৰেতৰ বাসস্থান। ইয়াত সাঁত জনী ভনী সাঁতটা টকাৰ ঘাৰা কুবিৰৰ ধন লৈ ইফালে সিফালে ফুৰিছিল। মাজে সময়ে মানুহে দেখাও পাইছিল। ই জাগ্ৰত।

শালকোচাৰ নামকৰণ ঃ- ইষ্ট ইণ্ডিয়া কোম্পানীৰ লগত, ৰঞ্জিত কোচ, ৰাংটা গাৰো আৰু ৰজা মহেন্দ্ৰ নাৰায়ন সৈন্য বাহিনীৰ বিৰুদ্ধে যুজি যুজি মৃত্যুবৰণ কৰাৰ পিছত বহু গাৰো আৰু ৰাভাই ধাপা নদী অৰ্থাৎ ব্ৰহ্মপুত্ৰ নদী অতিক্ৰম কৰি চান্দৰডিঙা পাহাৰৰ সংলগ্ন হাবিয়নিত আত্মগোপন কৰি থাকিব লগা হৈছিল। সেয়ে শালকোচা অঞ্চলত আজি বহু গাৰো, ৰাভাৰ বাসস্থান হৈ আছে।

অসমৰ নামনি অংশ শালকোচাত আগতে বহু শাল গছ চাৰিওফালে (কোচ কচা) পৰিপূৰ্ণ হোৱা বাবে হয়তো শালকোচা নাম পায়।

শালকোচাৰ ভূমিপুত্ৰ ঃ- শালকোচাৰ চাৰিওফালে পাহাৰ, পৰ্বত, নদী, নালা, ডোলা, খাল, বিল, গছ-গছনি, শষ্যে-মৎস্যে, ফলমূলে ভৰা সম্পূৰ্ণ প্ৰাকৃতিক

সৌন্দৰ্য এক সুৰক্ষিত দুৰ্গ স্বৰূপ। ইয়াত আচলতে বহুতো জনগোষ্ঠী মানুহে বসবাস কৰি আছে। বড়ো শব্দই কেৱল কছাৰি সকলোকে নুবুজায়। কেবাটাও উপগোষ্ঠীৰ সমষ্টিয়ে হৈছে বড়ো গোষ্ঠী। কোচ, কোচাৰি, মেছ, গাৰো, কোচ ৰাভা, হাজোং, লালুং, চুটীয়া দেউৰী আদি সকলোৱেই বড়ো গোষ্ঠী ভুক্ত। কোচি নদীৰ উপত্যকাৰ পৰা পূবলৈ বিস্তৃত লাভ কৰা বড়ো গোষ্ঠীৰ লোক সকল কোচ। মেচী নদীৰ পাৰত প্ৰথমতে বসবাস কাৰী কোচ সকলেই মেছ। কোচৰ পৰা উদ্ভৱ হোৱা লোক সকলেই কছাৰী। কোছাৰী উপগোষ্ঠীৰেই পিছত কেবাটাও শাখা-প্ৰশাখাৰ সৃষ্টি হৈছে। যেনে- শৰণীয়া কছাৰী, ঠেঙাল, সোনোৱাল, ডিমাচা, দেউৰী ইত্যাদি। আদিম কোচ সকলেও কালক্ৰমত বিশেষকৈ মধ্যযুগৰ পৰা বিখ্যাত হৈ উঠা মহাৰাজ বিশ্বসিংহ, মহাৰাজ নৰনাৰায়ন, বিশ্ববীৰ চিলাৰাযৰ ৰাজত্ব কালৰে পৰা পুবে মানাহ নদীকে আৰম্ভ কৰি পশ্চিমে মালদা, পুৰ্নিয়ালৈকে বিস্তৃত থকা কোচ সকলে ৰাজত্ব কৰা লোকৰ গোষ্ঠীৰ বা জাতিৰ বংশধৰ বাবেই "ৰাজবংশী" বুলি পৰিচয় দি গৌৰৱবোধ কৰে। এই সকলোৰ এটা অংশই আকৌ ইং ১৯১৩ চনৰ পৰা সমাজকৰ্ম্মী ঠাকুৰ পঞ্চাননৰ প্ৰচেষ্টাৰ অংশৰূপে ক্ষত্ৰিয়কৰণ আন্দোলন চলাই কিছুসংখ্যক ৰাজবংশী লোকক 'ক্ষত্ৰিয়' ৰূপে পৰিচয় দিয়াৰ ব্যৱস্থা কৰিছে। বৰ্ত্তমানে শালকোচাত অধিকাংশই কোচ ৰাজবংশী ক্ষত্ৰিয় সম্প্ৰদায়ৰ লোকে বসতি কৰি জীৱন যাপন কৰি আছে।

প্ৰাচীন কালৰে পৰা মধ্য যুগ পৰ্য্যন্ত বহু হিন্দু পন্থী বিভিন্ন ৰজা আৰু সামন্তৰ দিনত ভাৰতৰ বিভিন্ন অংশৰ পৰা বিশেষকৈ কাযস্থ আৰু ব্ৰাহ্মন গুণী-মানী পৰিযালে শালকোচা অঞ্চলত বসবাস কৰি কৃষ্টি সভ্যতাত বিশেষ অৰিহনা যোগাইছিল আৰু আজিও তেওঁলোকৰ বংশধৰ সকলে শালকোচা অঞ্চলত গৌৰৱ বৃদ্ধি কৰি আছে।

শালকোচা অঞ্চলত ৰাজবংশীৰ পৰা হোৱা বহুত মুচলমান আছে যিবোৰ বহুকাল বাশপূজা হুদুম পূজা, মাঁৰৈ পূজা (বিষহৰি) পূজা কৰিছিল। চান্দ সদাগৰৰ কাহিনীৰ সৈতে জড়িত সতী বেউলাৰ ভাষান যাত্ৰা, মনাই যাত্ৰা, ৰূপভান আদিত অংশগ্ৰহন কৰাই নহয়; গোৱালপাৰীযা মুচলমান সকলৰ মাজত এইবোৰ অতিকৈ জনপ্ৰিয়।

শালকোচা গাঁওখন কেইবাজন বিদগ্ধ সংস্কৃত পণ্ডিতৰ কৃতিত্বৰে গৌৰাবান্বিত। উদাহৰণ স্বৰূপে- ঁসৰ্ব্বেশ্বৰ বিদ্যাৰত্ন, ঁৰমানাথ বিদ্যালঙ্কাৰ, বিশ্বেশ্বৰ স্মৃতি ৰত্ন, ঁষড়ানন ন্যায় তৰ্ক তীৰ্থ আদিৰ নাম উল্লেখযোগ্য। আৰু শিক্ষিত সমাজৰ পীঠস্থান বুলি গোটেই অসমতে জনাজাত আছিল। বহুকেইগৰাকী ডাঙৰ ডাঙৰ পণ্ডিত আৰু বিভিন্ন সম্প্ৰদায়ৰ পৰা বহুতো শিক্ষিত ব্যক্তি শালকোচাৰ পূণ্যভূমিত জন্মগ্ৰহন কৰিছিল।

লোকগীতৰ ক্ষেত্ৰতো গোৱালপাৰা যথেষ্ট সমৃদ্ধিশালী। গোৱালপাৰীয়া লোকগীতৰ ভাষা অতি প্ৰাচীন - দুটা উদাহৰণ দাঙি ধৰা হ'ল-

(ক) অ জীৱন চাৰিয়া নাজান মোৰে
তুই জীৱন চাৰিয়া গেলে
অদৰ কৰিবে কায় জীৱনৰে?

(খ) তুম্‌ৰা কে গো বাজান বাঁশী
নদীৰ ঐ পাৰে......।

—:O:—

জীৱনটো অৰ্থহীন বুলি ভবা মানুহজন কেৱল দুৰ্ভগীয়াই নহয়
- জীৱনৰ কাৰণে অযোগ্যও।
-আইনষ্টাইন।

শালকোচা অঞ্চলৰ লুপ্ত প্ৰায় খেল-ধেমালি সমূহ -

অপৰ্না চক্ৰৱৰ্তী

কামাৰপাৰা

খেল-ধেমলি শিশুৰ সহজাত প্ৰবৃত্তি। শিশুৰ শৰীৰত আহৰিত শক্তিক খেল-ধেমালিৰ জৰিযতে নিসৃত কৰে। পৃথিবীৰ সকলো দেশৰে শিশুৱে সেইবাবে খেল ধেমালিত প্ৰবৃত্ত হয়। ই এটা প্ৰকৃতিগত স্বভাৱ। অৱশ্যে দেশভেদে আৰু জলবায়ু ভেদে খেল ধেমালিৰ স্বৰূপ ভিন ভিন হয়। মানৱ জাতিৰ উৎপত্তিৰে পৰা খেল-ধেমালি প্ৰচলিত হৈ আহিছে আৰু ক্ৰমে উন্নত পৰ্য্যাযলৈ আহি আছে। কেতবোৰ খেল-ধেমালি ইতিমধ্যে লুপ্ত প্ৰায হৈছে।

শালকোচা অঞ্চলতো নানা ধৰণৰ খেল-ধেমালি প্ৰচলিত দেখা যায। ইযাৰে কেতবোৰ খেল-ধেমলি ইতিমধ্যে লুপ্ত হৈছে আৰু কেতবোৰ খেল-ধেমালি প্ৰায লুপ্ত প্ৰাপ্ত হৈছে। সাম্প্ৰতিক কালত বাহিৰা প্ৰভাৱে সচৰাচৰ গ্ৰামাঞ্চলক প্ৰভাবান্বিত কৰাৰ দৰে শালকোচা অঞ্চলকো প্ৰভাবান্বিত কৰিছে। ফলস্বৰূপে আমাৰ ইযাত বহুল প্ৰচলিত ভালেমান খেল-ধেমালি লোপ পাই গ'ল। ভবিষ্যতে এনেবোৰ খেল-ধেমালিৰ নাম-গোন্ধ পৰ্য্যন্ত নোহোৱা হৈ যাব।

এই প্ৰবন্ধটোত শালকোচা অঞ্চলত প্ৰচলিত কেতবোৰ খেল-ধেমালিৰ প্ৰসঙ্গ উল্লেখ কৰাৰ প্ৰযাস কৰা হৈছে। শালকোচা এটা বৃহৎ অঞ্চল। ইযাৰ গাঁওভেদে খেল-ধেমালি বোৰৰ নিয়ম-নীতিৰ কিছু তাৰতম্য হব পাৰে।

শালকোচাত প্ৰচলিত শিশুহঁতৰ প্ৰায় পাচ বছৰ মানৰ পৰা তেৰ-চৈধ্য বছৰ মানলৈ খেলা খেল-ধেমালি সমূহ -

১। ধূলাঘৰ খেলা - সৰু ল'ৰা-ছোৱালীযে লগ লাগি ঘৰৰ চোতালত বা ৰাস্তাত ধূলা গোটাই ধূলাৰে আলি বান্ধি বান্ধি আয়তাকাৰ বা বৰ্গাকাৰ ক্ষেত্ৰ তৈযাৰ

কৰি 'বৰ ঘৰ', 'ৰান্ধনি ঘৰ', ভঁড়াল ঘৰ', 'ৰন্ধা বঢ়া চৌকা' আদি নিৰ্মান কৰে। মাক-বাপেকক অনুকৰণ কৰি সিহঁতেও ভৱিষ্যৎ সংসাৰ পতাৰ কল্পনাৰ আখৰা কৰে। কিছুসময় খেলৰ পিছত কাজিয়া লাগে আৰু ঘৰ দুৱাৰ ভাঙি পেলায়। কন্দা কটাৰ ৰোল উঠে। কেতিয়াবা মাক-বাপেকে আহি কাজিয়া মিট মাট কৰে।

২। বৰ-কন্যা খেলা - সাধাৰণতে পাঁচ-সাত বছৰীয়া ছোৱালীয়ে কাপোৰৰ দৰা-কইনা বনায। কেতিযাবা মাটিৰ পুতলাকে কাপোৰ পিন্ধাই খেলে। লগতে কেচুৱাও বনাই দিযে। বিছনা বনায়। মাজে সময়ে একে বয়সৰ লৰাও যোগ দিয়ে। ঘৰৰ ভিতৰতে দুজনমান লগ হলেও এই খেল হয়। খেলৰ পিছত পুতলাবোৰ সযত্নে তুলি ৰাখে। ইযাৰ বাবে সিহঁতে সৰু টেমা বা সৰু বাকচ ব্যৱহাৰ কৰে।

৩। টিকলা টিক্‌লি খেলা - দুজনী দুজনী ছোৱালীয়ে খেল উপযোগী সৰু সৰু শিলগুটি লৈ মজিয়াত বা তেনে সমান ঠাইত বহি খেলে। বুঢ়া আৰু মধ্য আঙুলিৰ মাজত তৰ্জনী আঙুলিটো ৰাখি এটা শিলগুটিৰে এটা বিশেষ শিলগুটিলৈ লক্ষ্য ৰাখি কাঠলুগুটিৰ নিচিনাকৈ জোৰ দি মাৰি পঠিয়ায়। লক্ষ্য ঠিক হলে গুটিটো জয় কৰে আৰু লক্ষ্যভ্ৰষ্ট হ'লে বিপৰীত জনে খেলিবলৈ সুবিধা পায়।

৪। এক্কা দোক্কা খেল - সমান মাটিত (চোতালত) আয়তকাৰ ভৱে পৰিসীমা দাগ কাটি লয়। মৈৰ দৰে পথালিকৈ দাগ কাটি ছটা ঘৰ কৰে। ঘৰ বোৰৰ নিদিষ্ট জোখ নাথাকে যদিও আহল বহল হয়। দুটা দল থাকে। একোদলত কমেও এজন থাকে। সাধাৰণতে এই খেল ছোৱালীয়ে খেলে। মাটিৰ ভঙা খোলাকুটি এডোখৰ লয। এখন ভৰি দাঙি ৰাখি আনখন উশাহ নোলোৱাকৈ কিবা এটা আওৰাই খোলা টুকুৰাক আগুৱাই লৈ যায়। এনেকৈ 'এক্কা', 'দোক্কা', 'তোক্কা' পাৰ হৈ 'চৌকা' ঘৰত দুই ভৰি পাতি জিৰণি লয়। আকৌ পূৰ্ব্বৰ দৰে 'পাঞ্জা' পাৰ হৈ 'ছক্কাত' উপস্থিত হৈ উলটি 'এক্কা'লৈ ঘূৰি আহিব। এইখিনি সম্পুৰ্ণ কৰিব পাৰিলে ই এটা খেল জিকিল। খোলা টুকুৰা বা ভৰি দাগত পৰিলেই 'মৰিব'। অৰ্থাৎ খেলৰ পৰা বাজ।

৫। গাই বাচ্চা খেলা - সমান্তৰাল দুশাৰী গাঁত কৰা হয়। প্ৰতিটো শাৰীত পাচটাকৈ গাঁত থাকে। গাঁতবোৰ দুই ইঞ্চিমান দ হয় আৰু বহলে হাতৰ তিনিটা আঙুলি সোমাব পৰা হ্ব লাগে। প্ৰতিটো গাতত সমান সংখ্যক তেতেলী গুটি ভৰাব। দুজনে খেলে। ল'ৰা-ছোৱালী উভয়ে খেলে। এটা গাতত গুটিখিনি সম্পুৰ্ণ উঠাই পৰৱতী গাঁতবোৰত এটাকৈ দি যাব, অৰ্থাৎ এটাকৈ চালিব। য'ত শেষ পাব পৰৱৰ্ত্তী

গাঁতৰ পৰা গুটি লৈ অনুৰূপভাৱে দি যাব। এনেকৈ চলি থাকিব, 'চাইল' দি থাঁকোতে গাঁত এটা ফাকা পায় আৰু এই ফাকাগাঁতটোত 'চাইল'ৰ গুটি যদি নপৰে, তেনেহলে ফাকা গাঁতটোৰ ঠিক পিছৰ গাঁতত থকা গুটিবোৰ তেওঁ জয় কৰিব। যদি দুটা গাঁত লগালগিকৈ ফাঁকা পৰি যায় আৰু 'চাইল'ৰ গুটিত নপৰে, তেতিয়া 'চাইল' কৰাজন হাৰে আৰু বিপৰীত জনে খেল আৰম্ভ কৰে।

৬। **চট্টি খেলা** - দুজন বা দুযোৰ খেলুৱৈৰ দৰকাৰ। শিলগুটি লাগে মাত্র পাঁচটা। পাঁচটাৰ এটা ওপৰলৈ মাৰি পঠিয়াই মাটিত থকা এটাৰে সৈতে ওপৰৰটো ধৰি পেলাব লাগে। এনেদৰে চাৰিবাৰে চাৰিটা গুটি ধৰিব। প্রতিটোত মাতিব লাগে ফুল - ফুল- ফুলটি একটি তুলতে ফুলনটি। দ্বিতীয়বাৰ যোৰা ধৰি তৃতীয়বাৰত তিনিটা আৰু চতুর্থবাৰত চাৰিটা। যোৰা ধৰাৰ সময়ত মাতিব- 'দোলন-দোলন দোলনটি একঠি তুলতে দোলনটি।' চাৰিটাৰ সমযত মাতিব- ঝামন-ঝামন ঝামনটি- একটি তুলিতে ঝামনটি। ইত্যাদি। এখন হাতেৰে খেলিব। হাতৰ পৰা গুটি সৰিলে হাৰি গ'ল আৰু বিপৰীত পক্ষই খেল আৰম্ভ কৰিব। বাৰিষা বতৰত এই খেল বেছি খেলে ছোৱালীবোৰে। এনে খেল হেনো বৰুণ দেৱতাক রুষ্ট কৰে আৰু বৰষুন বেছিকৈ পৰে। এনে খেলৰ বাবে সততে ডাঙৰৰ পৰা গালি ধমকি খাব লগা হয়।

৭। **ছাগল গিৰি খেলা** - ল'ৰা বা ছোৱালী উভয়ে খেলে। কম পক্ষে ৮/৯ জন খেলুৱৈ লাগে। আটায়ে হাতত ধৰি দীঘল শাৰী পাতে। শাৰীৰ দুই মূৰে দুজন 'গিৰি' (মালিক) হয়। এজন গিৰিয়ে কব - 'ছাগল গিৰি, ছাগল গিৰি'- তোৰ ছাগলে কি খায়? আনজনে উত্তৰ দিব নলেৰ আগাল খায়।' প্রথমজনে কব- হাগে কতো? দ্বিতীয়জনৰ উত্তৰ 'ডালি ডালি'। মুতে কতো? চুঙা চুঙা, দুধ দেয় কতো? সেৰেসেৰে। এনেদৰে শেষত প্রথমজনে কব তোৰ ছাগলে যে মোৰ ধান খাইছে? দ্বিতীয়জনে উত্তৰ দিব তাহলে ৰাখ বান্ধিয়া। লক্ষ্মীগিৰিয়ে তেতিয়া ছাগলগিৰি আৰু কাষতে থকা জনৰ মাজৰ ফাঁকেদি সোমাই পুনৰ আগৰ ঠাইলৈ যাব। সকলোৰে হাত ধৰাই থাকিব। ফলত ছাগলগিৰিৰ কাষত থকা জন উল্টা মুখ হৈ পৰিব। অর্থাৎ ই বান্ধা খালে। এনেদৰে আটাইকেইজন বান্ধা খাব।

৮। **উপেনটি খেলা** - দুজন দলপতি হব। বাকী ৭/৮ জন 'ৰেল ঐ ৰেল' খেলৰ দৰে এজনৰ পিছত এজন থিয় হৈ শাৰী পাতি থিয় দিব। প্রত্যেকজনে আগৰ জনৰ কান্ধত হাতদুখন দি ধৰিব। দলপতি দুজনে মুখা-মুখি থিয় হৈ এজনৰ বাঁওহাত

আৰু আনজনৰ সোঁহাত ধৰি ওপৰত দাণ্ডি ধৰি থাকিব দুই হাতৰ তলেদি দলটি পাৰ হৈ যাব ধৰে আৰু দুযো দলপতিৰ চাৰিওফালে চাৰি (৪) সংখ্যাটিৰ দৰে ঘূৰি থাকে। তেতিয়া দুই দলপতিয়ে গাই যাব - উপেনটি বাইচ্কপ্, নাইনটিন টেইচ্কপ, খোপা চুলিৰ বিবি আনা, সাহেব বাবুৰ বৈঠক খানা, পানৰ আগায় নেউৰী কটা, ইস্কা বনেৰ বিবি আটা।" কোবাৰ লগে লগে যিজন হাতৰ তলত আহি পৰিব তাক দুই দলপতিয়ে চাৰিহাতেৰে ধৰিব। ধৰা পৰা জন মৰিল' আৰু তাক এঠাইত বহুৱাই ৰাখিব এনেকৈ আটাই কেইজন খেলুৱৈ ধৰিব লাগে।

৯। **ৰুমাল খেলা** - খেলুৱৈ সকল যিমান বেছি সংখ্যক হয়, গোলাকাৰ হৈ মুখা-মখিকৈ বহি পৰিব। এজনে ৰুমাল এখন লৈ সকলোৰে পিছফালেদি ঘূৰি থাকিব। কোনো খেলুৱৈ নিজৰ বা আনৰ পিছফালে চোৱাটো নিষেধ। কোনোবাই কেৰাহিকৈ চালে যদি ধৰা পৰি যায় সি খেলৰ পৰা বাজ হ'ব। ৰুমালখন কাৰোবাৰ পিছফালে থৈ যাব। যদি ৰুমালখনখন থৈ যোৱাটো তৎক্ষনাৎ গম নাপায় তেন্তে সি 'মৰিব' আৰু খেলৰ পৰা বাজ হ'ব।

১০। **নদী নদী খেলা** -খেলুৱৈ বিলাক গোল হৈ প্ৰত্যেকেই প্ৰত্যেকৰে হাতত ধৰি ঠিয় হ'ব। এজনীযে লাখুটি এটা লৈ বুঢ়ী সাজি আহিব। বুঢ়ীক দেখি আটাযে সুধিব- 'বুঢ়ী বুঢ়ী কুতি জাইস্? বুঢ়ীয়ে কব গা ধুবা জাং। আকৌ প্ৰশ্ন কৰিব। এই নদীতে গা ধু। বুঢ়ীযে কব- এইখান ছুটুনদী। 'আকৌ কব- লাঠি ডাল গাৰি দিলেই বৰো হ'ব।' বুঢ়ীয়ে লাখুটিডাল মাজত ঠিয় কৰাৰ লগে লগে খেলুৱৈ বোৰ পিছুৱাই গৈ বৃত্তটো বহল কৰি দিয়ে। বুঢ়ীৰ উদ্দেশ্য হৈছে বৃত্তৰ পৰা ওলাই যোৱাটো আৰু খেলুৱৈৰ উদ্দেশ্য বুঢ়ীক আটক কৰি ৰখা। বুঢ়ী তেতিয়া দুজনৰ হাতৰ মাজত টোৱাই কব- ইফাল দিয়া জাং? উত্তৰ দিব- মাক কযা দেং। বুঢ়ীয়ে আন এটা কাষত গৈ কব- ইফাল দিয়া জাং? উত্তৰ আহিব - বাবাক কোয়া দেং। এনেকৈ বুঢ়ীয়ে যদি কেনেবাকৈ ফালি যাব পাৰে- খেল শেষ।

১১। **চিকি মিকি খেলা** - কেইজনমান খেলুৱৈ একেলগে বহি প্ৰত্যেকে নিজৰ সোঁ-হাতেৰে বাঁওহাতৰ ওপৰত চিকুটি মাৰি ধৰিব আৰু এজনৰ ওপৰত আনজনৰ ওপৰত দি থাকিব। যেতিয়া হাতৰ পাহাৰ হ'ব তেতিয়া এনেকৈ কব - চিকি মিকি নুন ঝালুকী- আব গেছে হাটত, পুটুলা ভাঙিল বাটত, এখানি বুঢ়ী বাগৰি পৰে মুই হাত দিলুং তাতে মৰে, টাউসা গালি, ভাকুৰা গালি, কতোখান কৰিয়া

চাউল ভিজালী। এইখিনি কোৱাৰ লগে লগে হাত নমাই আনি প্ৰত্যেকে নিজৰ নিজৰ গালত দুহাতে মাৰি এটা বিশেষ শব্দ উলিয়াব।

১২। কাঠ-কাঠলি খেলা - এজন খেলুৱৈ হাত দুখন মাটিত থৈ উবুৰি হব। বাকীবোৰে এজন এজনকৈ উবুৰি দিয়া জনৰ ওপৰেদি জাপ মাৰি পাৰ হব। জাপ মাৰি পাৰ হওঁতে তাৰ হাত, ভৰি বা চোলা উবুৰি দিয়া জনক স্পৰ্শ নকৰে। জাপ মৰাৰ সময়ত গাব - "কাঠ কাঠলি কঠাল খায। সেই পখীটো মোকে চায, পানীৰ তলত ঢোৰা সাপ, চমকি উঠিল কন্যাৰ বাপ। কন্যাৰ বাপৰ নাম কি? পানী তুলা বাল্টী। এনে ধৰনৰ কথা বহুতো আছে। জাপ মাৰোতে নিযম ভঙ্গ হলে সি 'মৰিল' আৰু তাকে সেইবাৰ উবুৰি দি থাকিব লাগিব।

১৩। তিন-ঠেঙীয়া খেলা - দুজনকৈ দল বান্ধে। এজনে বাঁও হাতেৰে বাঁও ভৰিখন দাঙি ধৰে আৰু সোঁ হাতেৰে আনজনৰ কান্ধত ধৰে। আনজনে সোঁ হাতেৰে সোঁ ভৰিখন দাঙি ধৰে আৰু বাঁও হাতেৰে সিজনৰ কান্ধত ধৰে। তেনে অৱস্থাতে দৌৰ আৰম্ভ কৰে। এইদৰে কেবাটা দলৰ দৌৰ প্ৰতিযোগিতা হয। দাঙি ধৰা ভৰিখন মাটি চুলেই সেই দলটো হাৰে।

১৪। গুড্ডী খেলা - চিলা উৰোৱা খেলটোকে 'গুড্ডী' উৰুৱা খেল বোলে।

১৫। বন্দিধান খেলা - সাধাৰণতে ছোৱালীবোৰে সমান সংখ্যক খেলুৱৈৰে বন্দিধান খেলে। দলে এজনী 'বন্দি' বনায। 'বন্দিযে' নিৰ্দিষ্ট এটা ঠাইত থিয দি থাকিব আৰু তাইৰ দলটো কিছু আঁতৰত জুম বান্ধি থাকিব। আনটো দল ক্ৰিকেটৰ ফিল্ডিং দিয়াৰ দৰে থাকিব। খেলৰ উদ্দেশ্য হ'ল যাতে 'বন্দি'যে কোনোমতেই নিজৰ জুমলৈ আহিব নোবাৰে। যদি আহি থকা অৱস্থাত চুই দিব পৰা যায় বন্দি মৰে আৰু তাইৰ দলটো হাৰে। জুমৰ পৰা এজনী খেলুৱৈ উশাহ বন্ধ কৰি প্ৰতিপক্ষক খেদি যায আৰু যদি চুব পাৰে সিজনী 'মৰিল' আৰু মৰাজনীক আচুতীয়াকৈ বহাই ৰখা হয়। আনহাতে খেদি যোৱা জনী যদি উশাহ লয় আৰু 'ফিল্ডিং' দিয়া বোৰে যদি সেই অৱস্থাত চুব পাৰে তেনেহ'লে তাইয়ো মৰে আৰু আচুতীয়াকৈ তাইকো ৰখা হয়। অৱশ্যে, তাই যদি নিজৰ জুমলৈ বা বন্দিক গৈ ধৰিব পাৰে তেন্তে তাই নমৰে।

উশাহ সম্পৰ্কত যাতে ফাঁকি দিব নোৱাৰে তাৰ বাবে কেতবোৰ বিশেষ বচন আবৰাই থাকিব লাগে, যথা -

(১) চিৰ চিৰতী, পানী বিৰতী - পানী হৈল ঘোল, কিসেৰ গণ্ডগোল কিসেৰ গণ্ডগোল ... . .

(২) চাঙেৰ তলত কুৰুৰা, কুৰ কুৰ কৰে, তোৰ বাপ ধৰুৱা টাকা চোৰ কৰে, চোৰ কৰে

(৩) ফুট - ফুট - ফুট

(৪) চি - চি - চি ইত্যাদি।

১৬। ডাং খেলা - ইযাক 'ভাড্ডা' খেলা বুলিও কয। প্ৰায় তিনি চাৰি ইঞ্চিমান দীঘল, বুঢ়া আঙুলিটোৰ সমান মোটা এটা 'ডাং' আৰু ক্ৰিকেটৰ বেট খনৰ দৰে মাৰি এডাল থাকে। মাটিত অকনমান দাগ কৰি তাত ডাংটো হেলনীয়াকৈ ৰখা হয আৰু মাৰিদালেৰে লাহেকৈ ডাংটোৰ ওপৰমুৱা মুৰটোত কোবাই দিলে ডাংটো ওপৰলৈ ছিটিকি যাব। ঠিক তেতিয়া মাৰিডালেৰে ওপৰতে তীব্ৰ কোবাব লাগে। কোব লাগি ডাংটো বেগত গৈ থাকে। ফিল্ডিং দি থকা প্ৰতিপক্ষই ডাংটো শূণ্যতে মাৰিৰে লগাব পাৰিলে ডাং খেলুৱৈ জন মৰিল' আৰু যদি লগাব নোৱাৰে, তেন্তে ডাংটো য'ত গৈ পৰিব - তাৰ পৰা গাঁতটোলৈ কেইমাৰি হ'ল হিচাব কৰিব। হিচাবটো এন ধৰনৰ- হুদুম, ধন্নি, চক্কৰ, চাইৰা দিযা, ফুল' - এনে ছয মাৰিত এটা একক বা 'একডাং' হয। দুইপক্ষই সলনা-সলনিকৈ খেলাৰ শেষত যোগ-বিয়োগ কৰি কোনে কিমান 'ডাঙত' হাৰিল বা জিকিল ঘোষণা কৰা হয। খেলুৱৈৰ কোনো নিদিষ্ট সংখ্যা নাথাকে। অৱশ্যে দুযো পক্ষত সমান সমান থাকিব লাগে।

১৭। ঘিলা খেলা - তেতেলী ফলৰ দৰে ছেইটো দীঘল প্ৰায ডেৰ দুহাত হব। লতা জাতীয গছ। পকিলে ৰংটো তেতেলীৰ দৰে হয। অৱশ্যে ঘিলা আকাৰত এটা তেতেলীগুটিৰ প্ৰায ১২-১৫ গুণ ডাঙৰ। কমেও দুজন খেলুৱৈ লাগে। প্ৰত্যেকৰ নিজা নিজা ঘিলা থাকে। বিশেষ কিছুমান নাম ব্যৱহাৰ কৰি ঘিলা খেলা হয। যথা- 'চাল,ঝংকাৰ, পানি, ছোটখাৰু, বৰোখাৰু, নাভি, চিঁতৈ" আদি। ঘিলা আঙুলিৰে, জানুৰে ভৰিৰে, নাভিত লৈ বিশেষ কৌশলেৰে খেলে। অনুশীলন নকৰিলে এই খেল সম্ভৱ নহয়। এজনে খেলে আনজনে দূৰত ঘিলা বহায়। সেই ঘিলাত লক্ষ্যভেদ কৰিব।

১৮। কচু খেলা - মাটিত বা কাঠত বা ডাঠ কাগজতে আঁচ আঁকি দুজনে খেলে। 'চাইনিজ চেকাৰ'ৰ দৰে খেলখন। গ্ৰাফ পেপাৰত থকা আঁচ বোৰৰ দৰে এটা বৰ্গক্ষেত্ৰ আঁকি লব লাগে। বৰ্গক্ষেত্ৰবোৰ দুই মুখা-মুখি ফালে দুটা সমবাহু ত্ৰিভুজ

আঁকিব লাগে যাতে ত্ৰিভুজৰ শীৰ্ষ বিন্দু দুটা বৰ্গৰ ঠিক মধ্যত লাগে। ইতো ত্ৰিভুজৰ ভূমিৰ মধ্য বিন্দুৰ পৰ্ব্ব বৰ্গৰ মাজেৰে সিটো ত্ৰিভুজৰ মধ্যবিন্দু সংযোগ কৰি আঁচ তানিব লাগে। বৰ্গৰ কৰ্ণ দুডাল টানি লব লাগে। গুটি অনুযায়ী বৰ্গক্ষেত্ৰটোত আঁচ টানি সৰু সৰু বৰ্গ টানিব লাগে। প্ৰতিটো সৰু বৰ্গত এটা বৰ্ণ থাকিব। এক ইঞ্চিমান দীঘল ক'লা কচু আৰু বগা কচুৰ ঠাৰিৰ পৰা গুটি বনাই দুজনে দুজনে বহি খেলিব। যাৰ গুটি বেচি সংখ্যক খাই দিয়া হয় সি হাৰে।

১৯। ঢোপ খেলা - দুটা দলৰ মাজত এই খেল হয়। দলত সমান সংখ্যক ভালেকেইজন খেলুৱৈ থাকে। 'ঢোপ' এটা বনাব লাগে। কাপোৰ বা গামোচাৰে গোলাকাৰ কৰি টোপোলা এটা বান্ধি নেজ এটা উলিয়াই দিব লাগে। নেজডালত ধৰি দলিয়াই দিয়া হয়। দুই দলৰ মাজত দুটা চিন দিয়া হয়। ঢোপটো ওপৰতে ধৰি নিজৰ পক্ষৰ চিনত থাকি ঢোপৰ নেজত ধৰি বিপক্ষৰ চিনত থকা খেলুৱৈৰ গাত লগাব পাৰিলে সি মৰিল। আনহাতে এটা চিন দিয়া হ'লে ঢোপটো ওপৰতে ধৰিব পাৰিলে ঢোপ দলিয়াজন মৰিব আৰু ই বিপক্ষৰ পিছৰ শাৰীত থিয় হৈ থাকিব। সুযোগ চাই সি ঢোপটো ওপৰতে ধৰি নিজাপক্ষৰ চিন লৈ আহিব পাৰিলে মুক্তি পায়।

এইবোৰ খেল-ধেমালীৰ উপৰিও লুকা-ভাকু, হাডু-গুডু, উবুদশ, হাড়িভাঙা, সোনাৰ টিয়া, বান্ধা বাটি খেলা আদি নানা ধৰণৰ খেল-ধেমালি শালকোচা অঞ্চলত প্ৰচলিত আছিল। বৰ্ত্তমান ইয়াৰে কেতবোৰ খেলৰ নামনুশুনা ল'ৰা-ছোৱালীও আজি-কালি পোৱা যায়। ভবিষ্যতে হয়তো সকলোবোৰ বিস্মৃত হৈ যাব।

খেলৰ দল গঠনৰ নিয়ম :- দুজন বা দুজনী দলপতি বা দলনেত্ৰী মনোনীত হয় প্ৰথমে। বাকীবোৰ খেলুৱৈয়ে দুজন দুজনকৈ জোট বান্ধে। খুব গোপনীয় ভাৱেজোটৰ দুজনে নিজা নিজা নাম ৰাখে, যেনে- আম, জাম বা বকুল, জবা। দুয়ো একলগে গৈ দলপতি বা দলনেত্ৰী বা ৰজা ৰাণীৰ সন্মুখত উপস্থিত হয়গৈ। খেলুৱৈ দুজনে কব, কাক লাগে আম, কাক লাগে জাম। তেতিয়া ৰজা বা ৰাণীয়ে আম বা জাম মাতিলে যাৰ নাম সি তাৰদলত যাব আৰু আনজন সেইটো দলত যাব। এনেকৈ আটাইথিনি খেলুৱৈয়ে দুই দলত ভাগ হৈ যায়।

খেল কোনে প্ৰথমে আৰম্ভ কৰিব তাৰো নিয়ম আছে। ৰজা-ৰাণী কেইজনীয়ে কেইখিলামান গছৰ পাত ছিঙি লয় আৰু এখন পাত ফালি চিন দি পাতবোৰৰ মাজত সুমাই দি এজন খেলুৱৈক ধৰিব দিয়ে। তেতিয়া ৰজা বা ৰাণীয়ে এখনকৈ পাত

টানিব। যাৰ ভাগত চিন দি ৰখা পাতখন পৰিব সেইজনে খেল আৰম্ভ কৰিব।

এনেবোৰ খেল-ধেমালীৰ বৈশিষ্ট হ'ল যে গাঁওৰ শিশু বা ল'ৰা-ছোৱালীবোৰৰ মাজত যাতে এটা সখ্যভাৱ গঢ়ি উঠে। কেতিয়াবা খেলত হাই-কাজিয়াও হয়। এই হাই কাজিয়া লৈ অভিভাবক বা মাক-বাপেক বোৰৰ মাজতো দন্ লাগে আৰু কেতিয়াবা পৰিয়াল দুটাৰ মাজত কথা পতাও সাময়িকভাৱে বন্ধ হৈ পৰে। কিন্তু আচৰিত কথা যে ঠিক পিচদিনাই সেই হাই-কাজিয়া কৰা ল'ৰা-ছোৱালী কেইটা আকৌ একেলগে খেলিছে।

—:O:—

সুৱালি

দীপিকা চক্ৰৱতী

পুখুৰীপাৰা

'সুৱালি' নামটো শুনিয়েই ভাল লাগি যোৱা এটি অনুষ্ঠান। আমি সৰুৰে পৰা দেখি অহা এটি ৰঙৰ অনুষ্ঠান। ফাগুন মাহ অহাৰ লগে লগে মনত পৰে কিমান দেৰী আৰু সুৱালিৰ। যদিও ৰঙৰ উৎসৱবোৰ ব্যক্তিগতভাৱেহে হয় মানে দৌল উৎসৱ, তথাপি সুৱালিটো কিন্তু ব্যক্তিগত হৈ নাথাকে। যি চাৰিঘৰৰ পূজা হয় (বৰ্ত্তমান তিনি ঘৰৰ) সুৱালিৰ দিনা এখন নিৰ্দ্দিষ্ট খেতি পথাৰত কৃষ্ণ গোসাইক কান্ধত তুলি দাঙি লৈ যোৱা হয় আৰু তাতে ৰঙৰ উৎসৱ ফাকুৰ মেলা হয়। তাত ল'ৰা, বুঢ়া, জীয়াৰী, বোৱাৰী, ডেকা, ডেকেৰীৰ কোনো পাৰ্থক্য নাই। নাই চিনাকী-অচিনাকীৰ প্ৰভেদ লগতে নাম কীৰ্ত্তন। যেনে-

ৰঙ্গেৰ ফাকুখেলে
গোপাল বনমালী
হালিয়া জালিয়া ফাকু খেলে
গোৱালেৰ নাৰী .. হেই

দৌলৰ আগদিনা অধিবাস হয়। অধিবাস কৰিবৰ কাৰণে বাহিৰত এটা 'ভেৰাঘৰ' বনোৱা হয় আৰু তাতে পূজা-অৰ্চনা (মেষ তৰ্পন) কৰা হয়। পূজাৰ পাছত 'ভেৰাঘৰ'টোত অগ্নিসংযোগ কৰি গোসাইক 'ভেৰাঘৰ'ৰ চাৰিওফালে প্ৰদক্ষিন কৰি ধাপত তোলা হয়। 'ভেৰাঘৰ'ত অগ্নিসংযোগ কৰাৰ পূৰ্ব মুহূৰ্ত্তত সৰু সৰু ল'ৰা ছোৱালী প্ৰসাদ চুৰ কৰি খোৱা দৃশ্যটো সঁচকৈয়ে এটা আনন্দ মধুৰ অনুষ্ঠান। এই দৃশ্যটোৱে মথুৰাধামৰ শ্ৰীকৃষ্ণৰ লৱনু চুৰ কৰা কাৰ্য্য মনত পেলাই দিয়ে। পিছদিনা

মহাস্নান কৰি শ্ৰীকৃষ্ণৰ দৌল উৎসৱ আৰম্ভ হয়। মহাস্নান কৰোতে অগৰু, চন্দনকে আদি কৰি বহুত বস্তুৰ দৰ্কাৰ হয়।

পূজাৰ অন্তত সকলোৱে কৃষ্ণ গোসাইক ৰঙেৰে ৰাঙলি কৰি সেৱা কৰে। আবেলি কৃষ্ণ গোসাইক জাৰি-জোকাৰি নৱবস্ত্ৰ পৰিধান কৰায়, স্বৰ্ণ, ৰৌপ্য আদি অলঙ্কাৰবোৰ পৰিস্কাৰ কৰি পিন্ধায় আৰু চন্দন কুমকুমেৰে সজ্জিত কৰি কপালত তিলক আঁকি দিয়ে। সিংহাসন খন সজাই পৰাই গোসাইক তোলা হয়।

পিছদিনা প্ৰায় পুৱাৰ পৰা সুৱালি উৎসৱ আৰম্ভ হয়। আবেলি দুটামান বজাত নিৰ্দিষ্ট মানুহে গোসাইক কান্ধত তুলি সদৰ বাটেৰে নিৰ্দিষ্ট ঠাইলৈ লৈ যায়। আগতে উৎসৱত লাঠিখেল আদি হৈছিল আৰু সেইখেল চাবলৈ মানুহৰ লানি লাগিছিল। কিছুসময় নাম কীৰ্ত্তন আৰু ফাকু খেলাৰ পিছত কৃষ্ণ গোসাইক আকৌ কান্ধত তুলি পিছফালৰ বাটেৰে লৈ আহে নহলে হেনো গোসাই আহিব নুখুজে। আহোতে বাটত দুই তিনিবাৰ জিৰণী লোৱাৰ নিয়ম। সকলো ডাঙৰক ফাকুৰেই সেৱা কৰে আৰু সমনীয়াৰ লগত ফাকু খেলে। পিছদিনা মাটিয়াহোলী, বগামাটি গুলি আমাৰ গাঁৱলীয়া ৰাইজে ফোট লয়। আগতে মাটিয়া হোলীৰ দিনা ধনী, দুখীয়া সকলোৱে মিলি কীৰ্ত্তন গাই মাগি ফুৰিছিল আৰু পাঁচ দিনৰ দিনা ৰাজহুৱাভাৱে পঞ্চম দৌল পাতিছিল।

কালক্ৰমত সকলো লুপ্ত প্ৰায় হৈ গল। কাৰো বৰ্ত্তমান সময় নাই। গতিকে 'সুৱালি'ও ম্লান পৰি গল। যুগৰ বতাহ লাগি সুৱালি কলুষিত হৈ পৰিল। এতিয়া আৰু জিযাৰী, বোৱাৰী তাত যাব নোৱাৰে। নৱপ্ৰজন্মৰ অপ-সংস্কৃতিয়ে সমাজখন কলুষিত কৰি তুলিছে। এতিয়া কেৱল নিয়ম ৰক্ষাৰ্থে সুৱালি পালন কৰা হয়। আকৌ যাতে 'সুৱালি' আগৰ দৰে ৰাঙিযাল হৈ উঠে এই মানসেৰে নৱ-প্ৰজন্মক উৎসাহিত কৰিবলৈ আহ্বান জনাইছো। সুৰেৰে ৰঙেৰে মতলীয়া হৈ আমি সকলোৱে যাতে মিলি যাব পাৰো। আমাৰ এই অঞ্চলত দৌল উৎসৱ তথা 'সুৱালি' আগৰ দৰেই পালন কৰা হ'ক।

শালকোচাত কেন্দ্ৰীয়ভাৱে 'সুৱালি' পতা হয় হাপাপাৰা গাঁওৰ ধাননি পথাৰৰ মাজত থকা নিযোগী জমিদাৰ প্ৰদত্ত নিৰ্দিষ্ট দেবোত্তৰ ঠাইডোখৰত। চাৰিটা (বৰ্তমানে ১ম তিনিটা) পৰিয়ালৰ পৰা সিংহাসনত কৃষ্ণ গোসাই দৌলৰ ফাকু সাৰ্বজনীনভাৱে লবলৈ আৰোহন কৰি আহে। পৰিয়াল কেইটা- (ক) নিয়োগী বাৰী, (খ) গোঁসাই বাৰী, (গ) চাপৰী বামুন বাৰী, (ঘ) দেওধৰ ব্ৰাহ্মনবাৰী

—— সম্পাদক।

নিয়োগী বংশৰ পূৰ্বকথা

কৃষ্ণেন্দু নাৰায়ন নিয়োগী।
শালকোচা

নিযোগী বংশৰ পূর্বপুৰুষক বিজনীৰ ৰজাই প্ৰায় ৬০০ বছৰ আগেয়ে অবিভক্ত ভাৰতৰ মৈমনসিং জিলাৰ বাউসী গাঁওৰ পৰা বিজনী ৰাজ কোর্টৰ মেজিষ্ট্ৰেট পদত নিযুক্তি দি লৈ আহে। এখেতৰ কর্ম দক্ষতাত ৰজা প্ৰসন্ন হৈ এখেতক চৈধ্যখন মৌজা মৌৰচী স্বত্বত পুৰুষানুক্ৰমে ভোগ দখল কৰিবলৈ দিয়ে। যাৰ ফলত ধুবুৰী জিলাৰ শালকোচা গাঁৱত বৰ্তমানৰ নিয়োগীবাৰী ঠাই খিনিত নিগাজীকৈ বসতি কৰে। গোটেইখন শালকোচা মৌজা নিযোগী ষ্টেটৰে।

এওঁলোকৰ লগত জলপথেদি পূৰ্বপুৰুষৰ ভগবান "মদন মোহন" বাবা শিৱ, শ্ৰীগণেশ, জোৰা গোপাল আৰু পাচোটাকৈ নাৰায়ন শালগ্ৰাম সিংহাসন সহ এঘৰ ব্ৰাহ্মন, এঘৰ কলিতা, এঘৰ কুমাৰ, এঘৰ ধোবা, এঘৰ নাপিত, এঘৰ 'ভাণ্ডাৰী' আৰু অইন সম্প্ৰদায়ৰ লোক লগত লৈ আহিছিল।

নিয়োগী বংশ চিকাৰ কৰাত বৰ পটু আছিল। তাৰে কেইজনমান উল্লেখযোগ্য চিকাৰী কন্দপ নাৰায়ন, দেবেন্দ নাৰায়ন, বীৰেন্দ্ৰ নাৰায়ন আদি। চিকাৰত কন্দর্প নাৰাযন নিযোগী বৰ পাৰদৰ্শী আছিল বুলি গৌৰীপুৰৰ ৰজা বাহাদুৰ প্ৰখ্যাত চিকাৰী প্ৰভাত চন্দ্ৰ বৰুৱাই পৰিযাল দুটাৰ মাজত প্ৰীতিভাৱ গঢ়ি তুলিছিল। প্ৰকাণ্ড একোটা বাঘ মাৰি বিশেষভাৱে ছালখন শুকাই পুনৰ বাঘৰ আকৃতিত সজাই ৰাখিছিল।

নিয়োগী বংশ মহাপুৰুষ দামোদৰদেৱৰ শৰণ লৈছিল আৰু সেই কাৰণে এই বংশত মহা আড়ম্বৰেৰে সত্য নাৰায়ন পূজা, দৌল উৎসব আৰু জন্মাষ্টমী উদ্‌যাপন কৰি অহাটো এটা পৰম্পৰা। ৰাধাৰ পূজা কৰাটো দামোদৰ পন্থাত নাই বাবে পৰ্বপুৰুষৰ ৰাধাৰ বিগ্ৰহটো পৰিয়াল-পুৰোহিত ষড়ানন তৰ্কতীৰ্থ দেৱক পূজা বৰ্তাই ৰাখিবলৈ

দিছিল। ইয়াৰ বাবদ ৩০ বিঘা মাটি আৰু ঘৰ-বাৰী দান কৰিছিল। দৌলৎসৱ কৰাৰ কাৰণে ৰাধা-কৃষ্ণৰ মিলনভূমি হিচাবেও মাটি দান কৰিছিল। প্ৰতি বছৰে এই উৎসৱৰ দিনা ইয়াত ভগৱান আৰু ভক্তৰ মাজত ৰঙৰ খেলা হয়। ফাকুৱাৰ ৰঙেৰে মহাতীৰ্থ 'সুৰালী' অনুষ্ঠিত হয়। বৰ্তমানে নিয়োগী পৰিয়ালৰ পুৰোহিত ৰূপে শ্ৰী নিৰঞ্জন চক্ৰবৰ্তী (পুখুৰীপাৰা) দেৱক পৌৰহিত্য প্ৰদান কৰা হৈছে।

নিয়োগী বংশৰ আদি পুৰুষ আদিত্য নাৰায়ন। চৈধ্যখন মৌৰচী স্বত্ব লাভ কৰাৰ উপৰিও পৰবৰ্তী আৰু ১৪,৫৫৪ বিঘা ভূমি বিজনী ৰজাই মৌৰচী স্বত্বত নিয়োগী ষ্টেটলৈ দিছিল। ৰাজেন্দ্ৰ নাৰাযন নিয়োগীৰ পুত্ৰ সন্তান নাছিল- এজনী মাথোঁ কন্যা সন্তান গঙ্গাময়ীক বৰপেটাৰ ভৰত চন্দ্ৰ ৰায়চৌধুৰীৰ লগত বিবাহ দি নিজ ঘৰলৈ লৈ আহে আৰু নিয়োগী বংশত 'ৰায়চৌধুৰী' এটা পৰিয়ালৰ উদ্ভৱ হয়। অসম চৰকাৰে জমিদাৰী অধিগ্ৰহন কৰাৰ সময়ত নিয়োগী ষ্টেটৰ মাত্ৰ পাঁচ খন মৌজাৰ ভু সম্পত্তিহে থাকে- শালকোচা, খুদিমাৰী, ক্ষুদ্ৰবাৰ্শী, আমগুৰি আৰু গেগুগুৰি। আমগুৰি খন বটীয়ামাৰী এলেকাত।

নিযোগী বংশটো বৰ দানশীল। শালকোচা হাটখোলা, ডাকঘৰৰ জমি, হৰিশীলা মন্দিৰৰ জমি, শালকোচা হাইস্কুলৰ খেল পথাৰৰ জমি, শালকোচা ৰাজ্যিক চিকিৎসালয়ৰ জমি, শালকোচা হাইস্কুলৰ জমি আদি নানা অনুষ্ঠান প্ৰতিষ্ঠান লৈ ভূমি দান কৰিছিল। ইয়াৰ ফলস্বৰূপে শালকোচা এখন উন্নত অঞ্চলত পৰিণত হ্ব পাৰিছে। নিয়োগী ষ্টেটৰ বাহিৰেও শালকোচাত আৰু কেইটামান জমিদাৰী ষ্টেট আছিল যদিও এনে ভূমি-সম্পত্তি ৰাজহুৱা স্বাৰ্থত দান কৰাৰ দৃষ্টান্ত চকুত নপৰে। শালকোচাৰ জনশিক্ষাও উল্লেখনীয়। ইয়াত বহু উচ্চ শিক্ষিত ব্যক্তি, চৰকাৰী উচ্চ পদস্থ কৰ্মচাৰী আৰু ৰাজনীতিবিদ জন্ম গ্ৰহন কৰিছিল। শালকোচাত শিক্ষাৰ বাটকটীয়াজন শালকোচা হাইস্কুলৰ প্ৰধান শিক্ষক চৈতন্যদেব চক্ৰবৰ্তী মহোদয়ৰ নাম উল্লেখ কৰিলে অত্যুক্তি কৰা নহব যেন।

নিয়োগী বংশ শিক্ষা-সংস্কৃতিত অতি নামজ্বলা এই বংশত ভালেমান বৰেন্য ব্যক্তিৰ জন্ম হৈছিল। যতীন্দ্ৰ নাৰায়ন নিয়োগী এই বংশৰ প্ৰথম এম.এ। তেওঁ বিজনী ৰাজষ্টেটৰ 'দেৱান' আছিল। দেবেন্দ্ৰ নাৰায়ন নিয়োগী এই বংশৰ প্ৰথম জন বি.এ, বি টি, যোগেন্দ্ৰ নাৰায়ন আৰু বিনয়েন্দ্ৰ নাৰায়ন নিয়োগী এই বংশৰ গৌৰব দুয়ো ক্ৰমে আৰক্ষী অধীক্ষক আৰু ভাৰত চৰকাৰৰ ভূ-তত্ত্ব বিভাগৰ পূৰ্বাঞ্চলৰ সঞ্চালক আছিল। সঙ্গীত চৰ্চা এই বংশৰ আন এক বৈশিষ্ট। শালকোচাত কীৰ্ত্তন-সঙ্গীতৰ

প্ৰচলন নিয়োগী পৰিয়ালে কৰে। সৌমেন্দ্ৰ নাৰায়ন নিয়োগী এজন উল্লেখনীয় সঙ্গীত শিল্পী।

নিয়োগী বংশৰ তথ্যভিত্তিক প্ৰথমজন ব্যক্তিৰ নাম আদিত্য নাৰায়ন আৰু তেওঁৰ পৰা অধস্তন ষষ্ঠজন ব্যক্তিৰ নাম



প্ৰবন্ধটো যুগুত কৰোতে আমাৰ পৰিযালৰে শ্ৰী দ্বিপেন্দ্ৰ নাৰায়ন নিয়োগী (খুৰাদেউ) আৰু পৰিয়ালৰে কেবা জনৰ পৰা সহায় লোৱা হৈছে। তথাপি কৰবাত ভুল-ত্ৰুতি ৰৈ যোৱাটো মোৰ বাবে স্বাভাবিক। সেইবাবে মই আমাৰ পৰিয়ালৰ ওচৰত আৰু সুধী সমাজৰ ওচৰত ক্ষমা বিচাৰিছোঁ। পৰিশেষত, শালকোচাৰ শাখা সাহিত্য সভাৰ সম্পাদক আবুল কালাম মহোদয়ৰ উৎসাহ প্ৰদানত এই প্ৰবন্ধটো লিখি উলিয়াব পৰা হৈছো কাৰণে তেখেতলৈ মই কৃতজ্ঞতা জনাইছোঁ।

— লেখক

—ঃ O ঃ—

> কৰ্মত তোমাৰ অধিকাৰ আছেঃ কিন্তু কৰ্মফলত তোমাৰ অধিকাৰ নাই।
>
> -উপনিষদ।

যায় কৰে পৰেৰ আশ; তাৰ ঘৰে নিত্য উপাসঃ

মনতোষ চক্রবর্ত্তী
গৌৰাংটাৰী

শালকোচা অঞ্চলত ৰাজবংশী, বৰ্ণহিন্দু, অনুসূচীত জাতি-জনজাতি, মুচলমান সম্প্রদায়েৰ মান্‌সি যুগ যুগ ধৰিয়া একেখান জাগাতে বাস কৰিয়া আসছে। ভাষা আৰু ঢাষাৰ ফালদিয়া গাৰো, বড়ো, ৰাভা গিলাক বাকী গিলাকেৰ থাকি খানিক ফাৰাক। কিন্তু সব গিলান জাতি উপজাতি এমনভাৱে পৰস্পৰ বান্দা খায়া আছে যে উমাৰ কাৰকুনটা নিজস্ব সংস্কৃতি বাচিয়া আলগা কৰা নাযায়। গোটায় শালকোচা মিলিয়া একটায় সংস্কৃতি যুগ যুগ ধৰি গড়িয়া উঠছে। সৌগ সমাজতে কাম-কাজ নিয়া বা চাল-চলন নিয়া বিশেষ ধৰণেৰ কথা-বাৰ্তা থাকে। এই গিলাৰ ভিন্ন ভিন্ন নাম ছিল্লক বা ছিক্কা, সাস্তৰ, আপ্তকাথা, ইত্যাদি, ইত্যাদি।

শালকোচীয়া মান্‌সি খুব সুখী মান্‌সি। বৰ্ষা কালত আৰ্ জাৰ কালত সময় নাজায়-নাফুৰায়। খেতি নাই, বাতি নাই। খালি মাছ মাৰি খাৰা আৰু শিকাৰ মাৰি বেৰোৱা। গৰমেৰ দিনত চোতালত ধাৰা পাৰিয়া নানান কথা নানান গল্প-গুজৰ। জাৰেৰ দিনত মস্ত মস্ত জুইৰ ধুনি লাগাৰ আৰ্ গল্প। খৰিৰতো আৰ অভাৱ নাই। গৰু চৰাবা জাৱা গৰুৰ ৰাখল গিলাগো গল্পত জমি যায়। গল্প বা কথা গুলা হৈল এই চিল্লক- সাস্তৰ। ওগিলাৰে কয় - একটা নমুনা দেয়া হৈল-

(১) চিৎ পাখী বুক ধলা, মসং নাই একফালা। কতো কি জিনিস ভায়া?
প্রশ্ন কৰিব একজনে, উত্তৰ দেবাৰ পালা বাকী গুলাৰ।

(২) পাথৰেৰ মতো ডুবে, বতলাৰ মতো ভাসে।
মানসিৰ মতো হাত-ঠেং, কুত্তাৰ মতো বসে?

(৩) আকাশত ঘৰ, পাতালত দুৱাৰ, হুলুক্, পুচুক্ কৰে ৰাজাৰ কুমাৰ?

(৪) কুটি জাইস্‌ৰে বুড়াৰ বেটা, ঘাৰত কুঠাৰ লয়া, গাছ গেছে মৰিয়া, ফল আছে ধৰিয়া।

(৫) আথালি মর্গ, পাথালি মার্গ, বসি মার্গ তলে দুই চকত টিপিয়া ধৰি, ধলা
ফেন্না তুলে।

(৬) এক ধুমসিযাৰ বালাবাৰীত ঘৰ
আই মাও খান আসিয়া কয়
মোকে আগত কৰ্
লেৰ্ লেৰাটা দিয়া
মাৰি দিল এক ঠেলা
আই- মাও খান কয -হইচ্চে এলা।

(৭) গৰ্ গৰাটাৰ মাজত, খোপ কাটাটা পৰে
ঘুকুৰ্ ঘুকুৰ্ কৰে, গেলেত গেলেত পৰে,
অই জিনিসটা ঠাকুৰ পূজাত চলে।

(৮) খৰিকা হেনা ঠেং খিনি, সোনা হেনা গাঁৱ খিনি,
সুটুৎ কৰিযা চুমা খাইল, যম ৰাজাৰ মাৱখিনি।

(৯) গাৰাৰ পাৰায় ওলাইল সাপ, ধৰিবা নাপায় ওঝাৰ বাপ।

(১০) হাতুৰা ৰাটাল-বাইস খান, চোৰে নিলে তিন খান- থাকিল কয় খান?

(১১) ইনিনিত পখী বিনিনিত কান্দে, সাগৰ দেখিলে পাংখা মেলে।

(১২) ছেপ দিয়া দিয়া ঠাৰায় - বুঢ়ায় বাৰে পাৰে নাপায়। চেঙেৰাৰ একে
ঠেলাতে যায়।

(১৩) জংলেৰ থাকি ওলাইল টিযা, সোনাৰ টুপি মাথাত দিয়া।

(১৪) ঝাপুৰ-ঝুপুৰ গাছখিনি, সোনা হেনা গাৱ খিনি।

(১৫) পানীত জম্ম, শুকানত বাস- মায লাৰিলে সৰ্বনাশ।

(১৬) হলদিযা টিক্ টিক্ কৰে, চেপঠাৰ উপৰত গোটালি দিয়া
থেক্‌খেকা তুলে।

নিত্যে কাজে-কামে যেগুলা আপ্ত বাক্য শুনা যায- ভাবিলে আচৰিত লাগে যে এই কথা গুলা শিকিল কেন্তে? এই গুলা ঠিক সংস্কৃতেৰ নীতিশত শ্লোকেৰ মতন।

(ক) নামে গগন ফাটে, হাৰীৰ ভাত কুত্তায় চাটে।
(বাহিৰে ৰং চং ভিতৰি কোৰা ভাতুৰী)

(খ) যাত নাজায় লাঠি তাত দিস্ ভাটি। (লঘুত গুৰু দায়িত্ব দিয়া)

(গ) কাজেৰ বেলা কাজী, কাজ ফুৰাইলে পাজী। (খাই পাত ফলা)

(ঘ) বাখনেৰ নাৰী, কুজা ভাতাৰী। (অহংকাৰী ছোৱালী স্বামী নেপায়)

(ঙ) ডাংকাৰ বাহোত জাইসনা, ডাংকাৰ কন্যা আনিস না।
(দূৰৈৰ পৰ্বত দূৰতে শুৱনি।)

(চ) বাটত পাইল কামাৰ- দাও গৰা দে আমাৰ। (সুবিধাবাদী)

(ছ) মাটি কিনিবি হিয়াখাল, বিয়া কৰাবি মাৰ ভাল।
(মাতৃবংশ চাই কইনা হয়)

(জ) বৌ আৰ্ বই- একবাৰ যদি হাতচাৰা হৈল্; জানিস্ তে থান ছাৰা হৈল্।
(ঘৰৰ মান-সন্মান বাহিৰত প্ৰকাশ পালে- তাৰ ক্ষতি পূৰণ নহয়।)

(ঝ) বেটাৰ নাতি- মজিয়াৰ মাটি, বেটিৰ নাতি বেৰাৰ মাটি।
(তেজৰ সম্পৰ্ক চিৰদিনে তেজৰ।)

(ঞ) কামাৰেৰ ঠাক্‌ঠুক, বানিয়াৰ ফাকি,
নাপিত কয় এই বাৰীৰ থাকি আসি। (জাত ফাকি)

(ট) গির্জে দেৱা বৰ্ষেণা, গির্জে ভাতাৰ মাৰেণা। (কথাত চহকী মানুহ, কামত নাই)

(ঠ) ধানো পকিল সুৱৰো চাপিল। (কাম কাজত মানুহ নাই, অথচ খোৱাৰ সময়ত মানুহে মানুহ)

(ড) কামাৰেৰ ভোতৰা দাও, বৈদেৰ কাসুলা মাও
ঘৰ কামলাৰ ভিজে মাথা, জলাৰ ছাৱাৰ গলাত খেতা।
(লোকৰ ঘৰৰ কামত পটু কিন্তু নিজৰ ঘৰৰ ক্ষেত্ৰত উদাসীন)

(ঢ) দাওত শান, কুঠাৰত শিল, মাসে-পক্ষে তিৰীক কিল।
ভাত-কাপোৰ-শাসন- এই তিনে নাৰী আপোন।
(ঘৰৰ গৃহিনীজনীক আদৰ-যত্ন কৰিব লাগে, কিন্তু তাইৰ ইচ্ছামতে তাইক চলিব দিব নালাগে।)

(ণ) হাতী যায় বাজাৰ, কুত্তা ভুকে হাজাৰ।
(মহৎ ব্যক্তি সামান্য লোকৰ কথাত বিচলিত নহয়)

(ত) উজ্জত নাপায়, কুজত কিলায়- কুজত ধৰি নৈৰানি খেলায়।
(আচল কামত অপাৰগ, কিন্তু অকাৰণত পটু)

(থ) যাৰ নাই গৰু, তায় দুনিয়াৰ সৰু।
(খেতিয়কৰ গৰু নাথাকিলে তাৰ মান-সন্মানো নাথাকে।)

(দ) বুজাক বুজাইস্ আকাৰে ইঙ্গিতে,
নুবুজাক বুজাইস ঢাডেযা বাপৰে।
(নজনাৰ ভাও জুৰা জনক ভদ্ৰতাৰে নহয় - ডাবি-ধমকিহে তাৰ বাবে প্ৰশস্ত)

(ধ) বোন্দায় আনিল তিৰী, হাপায় হৈল তাৰ গিৰি।
(এজনে কষ্ট কৰি যোগাৰ কৰি আনিলে, কিন্তু খাঁওতা ওলাল আনজনে।)

(ন) কাউয়াৰ ভাসাত কোকিলেৰ ছাও, জাত স্বভাৱে কৰে ৰাও।
(যিমানে সজাই-পৰাই ভদ্ৰলোক নকৰা কিয- স্বভাৱ কোনো দিনে পৰিবৰ্ত্তন নহয।)

(প) কি কৰিব তোৰ পুতে, কান্ ভাঙালী যে লগত শুতে।
(প্ৰকাশ্য কোৱা কথাতকৈ গুপুতে কোৱা কথা বেচি কাৰ্য্যকৰ।)

এইৰকম মেলা আছে। এগিলান্ বাদেও ৰামায়ন, মহাভাৰত, পুৰান, খনা, ডাক বচন চিৰাচৰিত ব্যৱহাৰ কৰিয়া থাকে।

আমাৰ এই সংস্কৃতি ৰক্ষা কৰাৰ বৰ্তমান দাযিত্ব আসিয়া পৰছে আজিৰ ছাওৱা, পাৱাৰ ঘাৰত। সময় থাকোতে, কৰা নাহেলে লোপ পাওয়াটা নিশ্চিত। নিজে জিনিস নিজে আগ্লিয়া নাৰাখিলে- কাহয় আসিয়া কৰিয়া নাদে।

মাৰিয়া মাছ, আৰ্জিয়া ভাত- কত সুখ্খ তাত
ঘাৰত ঝোলা, পৰেৰ দুৱাৰ- কতয় ধিক্কাৰ।
(নিজ কৰ্মৰ ফল মিঠা, পৰৰ ভৰসাত মাথোঁ ধিক্কাৰ।)

—:O:—

> যিজন মানুহৰ নিজৰ ওপৰত বিশ্বাস নাই, তেওঁ কোনো কামতে সফল হব নোৱাৰে।
>
> -উপনিষদ।

শালকোচা অঞ্চলৰ নাট্যচৰ্চাৰ এটি চমু আভাষ-

শ্ৰী নিৰঞ্জন নাথ

ভেলুপাৰা

শালকোচা অঞ্চলৰ নাট্য চৰ্চাৰ আলোচনা কৰিবলৈ ওলাওঁতে প্ৰথম কথা আহে যে এই অঞ্চলত নাটক সম্বন্ধীয় চিন্তা চৰ্চা কৰ পৰা প্ৰবাহিত হ'ল। সেই প্ৰবাহৰ আঁত বিচাৰি গলে মহাপুৰষ শ্ৰীমন্ত শংকৰদেৱৰ ওচৰ পোৱা যায়। অৱশ্যে তাৰো আগতে এই অঞ্চলত নাট্যসমল থকা নৃত্যানুষ্ঠান কিছুমানৰ উল্লেখ পোৱা যায়। আজিৰ পৰা প্ৰায় ৫০০ বছৰ আগতে বলিষ্ঠ পদক্ষেপেৰে সমগ্ৰ অসমতে তেখেতে ঐক্য শান্তি আৰু প্ৰগতিৰ অৰ্থে বাৰে বৰণীয়া সংস্কৃতিৰ লগতে বিশদভাৱে নাট্য চৰ্চা কৰিছিল। অসম মাতৃভূমিৰ বুকুত এইবোৰৰ ক্ষেত্ৰত গৌৰৱময় ইতিহাসৰ পাতনি মেলিছিল। নাট্য চৰ্চাৰ ক্ষেত্ৰত সেই প্ৰবাহে শালকোচা অঞ্চলকো অলপকৈ হলেও উদ্বুদ্ধ কৰি তুলিছিল। প্ৰমান স্বৰূপে বৰ্ত্তমান (২০০৫ ইং) পুখুৰী পাৰাত (বিশ্বজিৎ গোস্বামীৰ ঘৰত) থকা দামোদৰধামত পৰিবেশিত হোৱা ভাওনা। ধামটো কেতিয়া স্থাপন হৈছে সেই কথা কোনেও ঠাৱৰ কৰিব নোৱাৰেআৰু আৰু সেই ধামত কেতিয়াৰ পৰা ভাওনা চলিছিল তাকো কোনেও নাজানে। জনশ্ৰুতিৰ পৰা জানিব পৰা মতে ১৯৩০ চনত এই ধামত "শ্ৰীকৃষ্ণৰ লৰুনু চোৰ" ভাওনা অনুষ্ঠিত হয়। এই ভাওনাত ভাও দিয়া মানুহবোৰৰ ভিতৰত আছিল-সুবল বৰ্মন, মুনিন্দ্ৰদেৱ চক্ৰবৰ্ত্তী আৰু গোপ বৰ্মন। প্ৰতি বছৰে দামোদৰ দেৱৰ মৃত্যু তিথিত অনুষ্ঠিত কৰা মহোৎসৱ উপলক্ষে এই ভাওনা মঞ্চস্থ হৈছিল। আজিও এই অঞ্চলত মহাপুৰুষ দুজনাই ৰচিত বিভিন্ন অংকীয়া নাটৰ হাতে লিখা প্ৰতিলিপি এতিয়াও সংৰক্ষিত হৈ আছে বুলি জনা যায়।

বহু আগৰে পৰা শালকোচা অঞ্চলত নাট্য সমল থকা কিছুমান নাট্যনুষ্ঠান যেনে পদ্মাপুৰাণ (মাৰৈ গান) কুশান গান আদিয়ে বিভিন্ন পূজা পাৰ্বন, উৎসৱ আদিত

অনুষ্ঠান পৰিবেশন কৰি সমজুৱাক ধৰ্মজ্ঞান দিয়াৰ লগতে হাস্য ৰসেৰে আনন্দত আপ্লুত কৰাইছিল।

শত বৰ্ষ পূৰ্বৰ পৰা মাৰৈ গানৰ আঁত বিচাৰি পোৱা যায়। মা মনসা মুৰ্ত্তিৰ সন্মুখত গিতালজনে এজন ডায়না-পালি আৰু দলৰ আন সদস্য সকলৰ লগত হাতত এটা "চৰ" (ভালুকৰ নোমেৰে বিশেষভাৱে গুঠি লোৱা) লৈ সংলাপ আৰু গীতৰ মাজেৰে মা মনসাৰ কাহিনী ভাগ বৰ্ণনা কৰি এটি মনোৰম পৰিবেশ গঢ়ি তোলে। ডাইনা-পালি জনে গিতালৰ কথাৰ আঁত ধৰে আৰু হাস্য ব্যাংগ বিভিন্ন কথাকে মধুৰ ৰসৰ সৃষ্টি কৰে।

মা মনসা দেৱীৰ থুল-মুল কাহিনীভাগ হৈছেঃ- আৰম্ভনিতে পৃথিৱীত দেৱতা, আদি কিদৰে সৃষ্টি হৈছে সেইকথা বিস্তাৰিত ভাৱে বৰ্ণনা কৰে। ইয়াৰ পিছত ক্ৰমে কদ্ৰু-বিনতাৰ কাজিয়া, তাৰকা ৰাক্ষসী নিধন, শিবৰ বিয়া পাতি কাৰ্ত্তিকৰ জন্ম, অমৃত মন্থনৰ পিছত উদ্ভৱ হোৱা বিষ ধাৰণৰ বাবে শিৱে পদ্মাৰ জন্ম দিয়ে আৰু একেবাৰে শেষৰ কাহিনীটো হ'ল চান্দ সদাগৰৰ পত্নী সনেকাই পদ্মাক পুজিবলৈ ঘৰলৈ আনিছিল কিন্তু চান্দ সদাগৰে অপমান কৰিছিল ফলত দেৱী পদ্মাৰ অন্তৰত প্ৰতিশোধৰ জুই জ্বলি উঠিল আৰু কালিদহ সাগৰত এজন এজনকৈ সাত পুত্ৰক নিধন কৰিছিল। সপ্তম পুত্ৰ বধত মহাসতী বেউলাই তেখেতৰ স্বামী লক্ষীন্দৰ জীয়াই তোলাৰ কাহিনীয়ে পদ্মপুৰাণ জন মানসত যথেষ্ট প্ৰিয়ভাজন হৈছে।

এই নাট্যধৰ্মী অনুষ্ঠান জীয়াই ৰখাত শালকোচাৰ পুৰণি দলবোৰৰ ভিতৰত ১৯৪০ চনৰ পৰা খামাৰ গাঁওত ক্ৰমে কুইয়া নাথ আৰু চৰণ নাথ, বৈদ্য নাথ, তৰণী নাথ, বিশ্বেশ্বৰ নাথ, দেবেশ্বৰ নাথ, নবীন নাথ, ৰঞ্জিত নাথ আদি কেইজনমান লগৰীয়া লগত লৈ এটা দল গঠন কৰি বিভিন্ন গাঁওত অনুষ্ঠান পৰিবেশন কৰিছিল। তাৰপিছত দুধনাথ, চিনুৰাম নাথ আৰু তাৰপিছত ১৯৫২ চনত ধেনোৰাম নাথে (ভেলুপাৰা)- লেপাৰাম নাথ, খাদা বৰ্মন, জালাদুনাথ, খোকা সুত্ৰধাৰ, ধুলা নাথ, লৱিশ বৰ্মন, কেটেঙা বৰ্মনক লৈ এটা দল গঠন কৰিছিল। একেখন গাঁওৰে খাউসাং বৰ্মনে ধেনুৰাম নাথৰ শিষ্যত্ব গ্ৰহন কৰি- যতীন বৰ্মন, শিব বৰ্মন, ঝেল্টু সিংহ, দিৰপিন বৰ্মন খাগুৰু সুত্ৰধৰ আদিক লগত লৈ এটা দল গঠন কৰি বহুদিন অনুষ্ঠান চলাই আছিল। সেই সময়তে পুখুৰীপাৰাত লোচন বৰ্মনে-খোচন বৰ্মন, লিতু বৰ্মন, লেরু বৰ্মন, নলচন্দ্ৰ বৰ্মন, কেৰু বৰ্মনক লৈ এটা দল গঠন কৰিছিল।

বৰ্ত্তমান শালকোচা অঞ্চলত ভেলুপাৰাত প্ৰভাত বৰ্মন (জামা) শ্ৰীগ্ৰামৰ ছেদা আৰু খগেন বৰ্মন, পুখুৰীপাৰাৰ টোপলা সূত্ৰধৰ খামাৰ পাৰাৰ ফালুৰাম নাথ, শ্যামাৰাই পাৰাৰ পিযু নাথে অদ্যাপি এই পৰম্পৰাৰ ধ্বজা উৰুৱাই ৰাখি আছে।

এই অঞ্চলত বহলভাৱে প্ৰচলিত কুশান গানৰ দল কুশান যাত্ৰা দল। এই অনুষ্ঠানে পৰিবেশন কৰা পালাবোৰ হল "ৰাজা হৰিশ্চন্দ্ৰ", "শক্তিশেল", "দাতাকৰ্ণ", বৎসৰাজা, উদয় চন্দ্ৰ, সাত সতনী, আমুল বাদসাহ, কৰিম বাদসাহ। ১৯৪৫ চনৰ পৰাই এই অঞ্চলত কুশান গানৰ দল গঠনৰ উমান পোৱা যায়। এই অনুষ্ঠানবোৰে গীত, নৃত্য আৰু আখ্যানৰ সমন্বয় ঘটাই ৰামায়ন, মহাভাৰত আদি গ্ৰন্থৰ কাহিনীৰ আলম লৈ গঠিত পালাবোৰ কোনো মেলা, পূজা, উৎসৱ ৰাজহুৱা সমাৰোহ আদিত অনুষ্ঠান পৰিবেশন কৰে। এই দলবোৰত এজন গীতাল, এজন দেৱাৰী, ৪-৬ জন ছুকুৰী কেইজনমান পালি আৰু কেইজনমান বাদ্য যন্ত্ৰ বজোৱা মানুহ থাকে। গীতাল জনে মূল অভিনেতা ৰূপে অভিনয় কৰে আৰু দেৱাৰী জনে গীতালৰ কথাৰ লগত সঙ্গতি ৰাখি বিভিন্ন ধৰণৰ হাস্য ৰসৰ সৃষ্টি কৰি শ্ৰোতা দৰ্শকক আপ্লুত কৰি ৰাখে।

১৯৪৫ চনত গেড়াভিটা আৰু পৰ্শন পাৰা মিলি ৰবিৰাম নাথে- সুৰেণ নাথ (দেৱাৰী) বকসু নাথ, লকো নাথ, ফুসি নাথ, ফুলেশ্বৰ নাথ আৰু বহুতো লগৰীয়া লৈ এটা দল গঠন কৰে। এই দলটোকে লৈ বানাতু গিতালে বহুদিন চলাই আছিল। তাৰ পিছত গিতাল লামু নাথে সুৰেণ বৰ্মন, খৰ্গেশ্বৰ নাথ দুৰা বৰ্মন, ভূমি বৰ্মন, মহেশ নাথ আদি সকলোকে লৈ এটা দল গঠন কৰে এই দলৰ পিছত শ্যামাৰাই পাৰাৰ পেপাৰ নাথে সুধীৰ নাথ (দেৱাৰী) ফৰিঙা নাথ, পুজাৰু নাথ, শশধৰ নাথ, নিৰেণ নাথ, লুধীৰ নাথ, ৰূসেন নাথ আৰু বুহুতকে লৈ এটা দল গঠন কৰি ভালে কেইবছৰ চলাই আছিল।

১৯৫৫ চনত ভেলুপাৰাৰ সুৰেণ বৰ্মনে পদ্মৰাম বৰ্মন (দেৱাৰী) ধুঙাল বৰ্মন, টেনে বৰ্মন, লেনদেৰু সূত্ৰধাৰ, টেপু বৰ্মন, অনিল সূত্ৰধাৰ, বাৰিয়া বৰ্মন, মন্টু বৰ্মন, গনেশ বৰ্মন, ভং বৰ্মন, মণ্ডলু বৰ্মন, ৰাওনা সূত্ৰধাৰ আৰু অন্যান্যক লৈ প্ৰায় ১৮ (ওঠৰ) বছৰ দল পৰিচালনা কৰিছিল। একেসময়ৰ পৰাই উকুনীমাৰী গাঁওৰ ৰণসিং নামৰ এজন গীতালে কিছুমান সদস্য লৈ এটা দল গঠন কৰিছিল পিছত এই গাঁওৰে বিজেন বৰ্মনৰ পৰিচালনাত বহুদিন চলি আছিল। তেওঁৰ পিছত এই দলটোৱে সুপৰিগুৰিৰ ৰাভা বৰ্মনৰ পৰিচালনাৰে আছে আৰু বৰ্ত্তমান ঘেৰঘেৰু নামৰ এজন সুদক্ষ গীতালে বিভিন্ন ঠাইত অনুষ্ঠান চলাই আছে।*

বহু পূৰ্বৰে পৰা শালকোচা অঞ্চলত নাট্য সংস্কৃতি বহুলভাৱে চৰ্চিত হৈ আহিছে। যাত্ৰা অভিনয়ৰো প্ৰচলন অতি পূৰ্বৰে পৰা দেখা যায়। প্ৰতি বছৰে যাত্ৰা দল গঠন কৰি দুৰ্গা পূজাৰ পৰা আৰম্ভ কৰি বছৰৰ শেষত বাসন্তী পূজালৈকে স্থানীয় ঠাইৰ লগতে বহু দুৰ-দুৰনিলৈকে যাত্ৰাভিনয় পৰিবেশন কৰি আহিছে। তেতিয়াৰ দিনত এনে অভিনয়ত কেৱল পুৰুষেহে অংশ গ্ৰহন কৰিছিল। স্ত্ৰী চৰিত্ৰ বোৰত পুৰুষে স্ত্ৰীবেশত অভিনয় কৰিছিল। এই দলবোৰ পেষাগত নাছিল। কোনো পূজাথলীত আমন্ত্ৰন জনালে মাত্ৰ খৰছখিনিহে পূজা কমিটিয়ে ভৰিব লাগিছিল।

জানিব পৰা মতে ১৯৩২-৩৩ চনত নাট্যাগ্ৰহী শ্ৰদ্ধেয় ৰুদ্ৰদেৱ চক্ৰবৰ্তী, জ্ঞানেন্দ্ৰ ভৌমিক, দেবেন নিয়োগীৰ তত্বাবধানত "তৰুণ নাট্য সমিতি" নামে এটা নাট্য গোষ্ঠীৰ জন্ম হয়। তেওঁলোকে খোলা মঞ্চৰ পৰা বন্ধ মঞ্চলৈ অভিনয় কৰাৰ বাবে বিভিন্ন আৰ কাপোৰ লগতে অন্যান্য সামগ্ৰীবোৰ নামনি অসমৰ অভয়াপুৰী, গৌৰীপুৰ আদি বিভিন্ন ঠাইৰ মানুহে ভাড়া দি লৈ গৈছিল।

আগৰ দিনত জমিদাৰ সকলে পূজা পাৰ্বন, বিশেষ পাবিৰিক অনুষ্ঠান, আদিত কলিকতাৰ পৰা যাত্ৰাদল আনি প্ৰজাসকলক দেখুৱাইছিল। সেই যাত্ৰা দলৰ লগত গৌৰাংটাৰীৰ নিবাৰণ চক্ৰবৰ্ত্তী(খৈ ঠাকুৰ)য়ে কলিকতালৈ গৈ বিভিন্ন কৌশল শিকি আহি শালকোচাত এটা দল গঠন কৰি বহুদিন যাত্ৰাভিনয় প্ৰদৰ্শন কৰিছিল।

১৯৩২ চনত শ্যামাৰাই পাৰাৰ শম্ভু নাথ, বীৰেণ নাথ, শিলো নাথ, কানিয়া নাথ, পেপা নাথ, শৰ্ন নাথ আদি সকলে "কৃষ্ণলীলা" নাটক কৰিছিল বুলি জানিব পৰা যায়। এই গাঁওৰে দুৰ্গাপ্ৰসাদ নাথ, হৰিন্দৰ নাথ, ৰাজকেশ্বৰ নাথ, বুজন নাথ, পুৰ্ণ নাথ, ৰাতিয়া নাথ, ৰাভা নাথ, ধ্বজি নাথে সাপট গ্ৰামৰ খোকা মাষ্টাৰৰ সহায় লৈ "অনন্ত সাহিত্য" নামৰ এখন নাট কৰিছিল। ইয়াৰ পিছত ক্ৰমে বিনয় গাংগুলি আৰু জনৈক নাথ উপাধিৰ দুজন মানুহৰ নিৰ্দেশনা আৰু পৰিচালনা ক্ৰমে শাউনীয়া নাথ, কপিন বৰ্মন, উপিন বৰ্মন, পুৰ্ণ নাথ, ৰাতিয়া নাথ ৰাভা নাথ, বুজন নাথ আৰু অন্যান্য ব্যক্তি সকলে ক্ৰমে "সংসাৰ চক্ৰ", "নৱস্বৰ্গ", আৰু "জেলেৰ মেয়ে" আদি নাট সমূহ মঞ্চস্থ কৰে।

১৯৩৭ চনত বাংলা নাটক "কৰ্ণ" মঞ্চস্থ কৰে ক্ৰমে অৱনী চক্ৰবৰ্ত্তী, মনোৰঞ্জন চক্ৰবৰ্ত্তী, ৰাজীব চক্ৰবৰ্ত্তী, অন্নদা প্ৰসাদ চক্ৰবৰ্ত্তী, ৰুদ্ৰ চক্ৰবৰ্ত্তী, সুধীৰ চক্ৰবৰ্ত্তী। ইয়াৰ পিছত "চন্দ্ৰগুপ্ত" "বৰ্গীৰ ছেলে" সাহজাহান, কৰ্ণ (অসমীয়া) আদি নাটসমূহত অভিনয় কৰিছিল ক্ৰমে- চৈতন্যদেৱ চক্ৰবৰ্ত্তী, নিৰঞ্জন চক্ৰবৰ্ত্তী, অৱনী চক্ৰবৰ্ত্তী, দেবেন নিয়োগী, বিন্দুমাধৱ বৰুৱা, জানকী চক্ৰবৰ্ত্তী আৰু অন্যান্য সকলে। সেই

একেসময়তে শিলডাঙাত ৰাজেশ্বৰ বৰ্মন আৰু সৰ্বেশ্বৰ নাথৰ পৰিচালনাত "বীৰ পূজা" নামৰ এখন নাট মঞ্চস্থ হয়। অভিনয়ৰ মুখ্যাৰশত আছিল নৰেন্দ্ৰ বৰ্মন, ৰতিকান্ত বৰ্মন, শুসাৰু মেধি, জলেশ্বৰ বৰ্মন, ভদেশ্বৰ বৰ্মন, লক্ষেশ্বৰ বৰ্মন, নৰেশ্বৰ মেধি, খোকা বৰ্মন, উমেশ বৰ্মন, সুৰেণ বৰ্মন, দেৱনাথ বৰ্মন, গোপাল চন্দ্ৰ নাথ, খৰ্গেশ্বৰ নাথ, যোগীন মেধি, নীমেশ্বৰ কোচ, বলেন কোচ, নৰিণ বৰ্মন, প্ৰিয় বৰ্মন, বানী বৰ্মন, সতীশ বৰ্মন, হৰেশ্বৰ বৰ্মন।

১৯৪০ চন মানত পুখুৰীপাৰাৰ ভেউৰা বৰ্মন (মহাজন)ৰ তত্বাবধানত কৰেন্দ্ৰ বৰ্মনকে আদি কৰি এটা দলে "পাতালপুৰী" নামৰ এখন নাট মঞ্চস্থ কৰিছিল। ১৯৪৫ চনত নিখাল বৰ্মনৰ ব্যৱস্থাপনাত নিৰঞ্জন বৰ্মন, গান্ধী বৰ্মন, নলচন্দ্ৰ বৰ্মনকে আদি কৰি আৰু বহুতে ক্ৰমে "চন্দ্ৰমুকুল" আৰু "বনেৰ পথ" নামৰ দুখন নাট প্ৰদৰ্শিত কৰিছিল। ১৯৪৭ চনত গোড়াভিটা গাঁওত ইন্দ্ৰমোহন নাথ, গিৰিন্দ্ৰ নাথ, অৰ্জুন নাথ, সমৰাম নাথ, সতীৰাম নাথ, লোকনাথ নাথ আদি লোক সকলে খোকাৰাম নাথৰ নিৰ্দেশনা আৰু পৰিচালনা ক্ৰমে "ৰত্নাকৰ দস্যু" নামে এখন নাট মঞ্চস্থ কৰিছিল।

স্বাধীনতাৰ পিছৰে পৰা ১৯৫০ চনলৈ বামুন গাঁও বীৰ সিং বৰ্মন, প্ৰকাশ বৰ্মন(ডাং) পিকেন বৰ্মন, খলৌ ব্ৰহ্মা, কাৰিমল ব্ৰহ্মা, বিনয় বৰ্মন (বেৰা) লক্ষীকান্ত বৰ্মন, ধীৰেণ বৰ্মন, যোগেন বৰ্মন, তৰু বৰ্মন, ক্ষীতিশ বৰ্মন কৈলাশ বৰ্মনে, দামোদৰ পুৰৰ বিৰেন বৰ্মনৰ পৰিচালনাত-"মাটিৰ প্ৰেম" আৰু "ৰক্তেৰ পূজা" নাট মঞ্চস্থ কৰিছিল।

১৯৫০ চন্যত খামাৰ পাৰা গাঁওত লংকেশ্বৰ নাথ, শশীভূষণ নাথ, নীলাম্বৰ নাথ, নৰেশ্বৰ নাথ, লালমোহন নাথ টেনো নাথ অৰ্জুন নাথ, জীতেন নাথ, খোকা নাথ আৰু বহুতে অশ্বিনী নাথৰ পৰিচালনাত "মধুৰ মিলন" নাট মঞ্চস্থ হয়। সেই সময়ত শ্যামাৰাই পাৰা গাঁওত "ৰাক্ষসেৰ দেশ" নাট মঞ্চস্থ হয় বামুন পাৰাৰ লেবুৰু (নবীন) বৰ্মনৰ নিৰ্দেশত অভিনয়ত অংশ গ্ৰহন কৰা সকল হ'ল গিৰিন্দ্ৰ নাথ, ৰমেশ নাথ, চকমল নাথ, পুজাৰু নাথ, ভূপেন নাথ, লামু নাথ, ভুটু নাথ, সমনী নাথ। একে সময়তে নুনমাটি গাঁওত ভাগ্যেশ্বৰ নাথ, গিৰেন নাথ, চুৱানু নাথ, টেপুৰাম নাথ, প্ৰফুল্ল নাথ, যুগল বৰ্মন আদিৰ উদ্যোগত নিমাই সন্যাসীৰ "কৃষ্ণলীলা" পালা মঞ্চস্থ কৰিছিল।

১৯৫১-৫২ চনত পুখুৰী পাৰাত "কালযৱন" নাট মঞ্চস্থ কৰে হৰমোহন বৰ্মন, বিন্দুমাধৱ বৰুৱা, শ্যামা চক্ৰবৰ্ত্তী, অবনী চক্ৰবৰ্ত্তী, গান্ধী বৰ্মন, নিৰঞ্জন চক্ৰবৰ্ত্তী, কৰেন্দ্ৰ বৰ্মন, প্ৰসন্ন বৰ্মন আৰু মেনি বৰ্মনে। বাদ্যত আছিল সুৰেন বৰ্মন, পুৰেন

বৰ্মন, সুশীল বৰ্মন লেবৰু বৰ্মন আদি লোক সকলে। গেডাভিটা গাঁওত "জিঘাংসা" নাটখন মঞ্চস্থ কৰে ক্রমে সায়বুল্লা সেখ, ভূপেন নাথ, ৰমাকান্ত নাথ, পেনকা নাথ, চক্‌মল নাথ, অজিত নাথ আৰু বহুতে। নুনমাটিত ৰামেশ্বৰ নাথৰ নির্দেশনা আৰু পৰিচালনাত "ৰক্ত নিশান" নাট মঞ্চস্থ কৰে পূৰ্ণ সৰকাৰ, যগ্যেশ্বৰ সৰকাৰ, ভাগ্যেশ্বৰ নাথ, ভবানী বৰ্মন, ৰূপকান্ত বৰ্মন, ভেটুৰাম বৰ্মন আৰু সোমবাৰু নমদাসে। ১৯৫৬ চনত ইছলামাৰী গাঁওত "গৰাখহনীযা" নাট মঞ্চস্থ কৰে। অভিনেতা সকল আছিল প্রসন্ন কুমাৰ বৰ্মন, নৰেন্দ্র বৰ্মন, সুধীৰ বৰ্মন, কৈলাশ বৰ্মন, ভুৱনেশ্বৰ বৰ্মন, জগদীশ বৰ্মন, ৰাজীৱ বৰ্মন, মাচু বৰ্মন, ভূমিধৰ বৰ্মন, ডিম্বু বৰ্মন।

১৯৬০-৭০ চনত নুনমাটিত পূৰ্ণ সৰকাৰ, দ্বিজেন্দ্র সৰকাৰ, নিবাৰণ মণ্ডল, যুগল বিশ্বাস, সুবল সন্যাসী, শান্তি বিশ্বাস, ক্ষেত্রমোহন সৰকাৰ, সুকুমাৰ সৰকাৰ, পঞ্চানন সৰকাৰ, গেষ্ট সৰকাৰ, মঙ্গল সৰকাৰ, নন্দলাল সৰকাৰ আদিযে দ্বীনেন্দ্র বিশ্বাস আৰু পূৰ্ণ চন্দ্র সৰকাৰৰ পৰিচালনাত- ক্রমে, "নৌকাবিলাস" আৰু "চাসাৰ ছেলে" নাট মঞ্চস্থ কৰে। তাৰ পিছতে "ভাওল সন্যাস" মঞ্চস্থ কৰে ৰাধাবল্লভ নাথ, খৰ্গেশ্বৰ নাথ, টেপুৰাম নাথ , প্রফুল্ল নাথ, হৰিপ্রসাদনাথ, গঙ্গাধৰ নাথ, মঙ্গল সৰকাৰ, ভবানী বৰ্মন, ভেটু বৰ্মন আদি সকলে।

১৯৬৫ চনত নিৰঞ্জন চক্রৱতী, নিৰঞ্জন বৰ্মন, গান্ধী বৰ্মন, ধৰণী বৰ্মন, ফণীভূষণ বৰ্মন, যোগেন সিংহ, লেবুৰু (নবীন) বৰ্মন আদি সকলে "বাগদী ডাকাত" আৰু "বন্দীৰ ছেলে" নামৰ দুখন নাট মঞ্চস্থ কৰে। ইয়াৰ পিছৰ বছৰ "তাসেৰ ঘৰ" মঞ্চস্থ কৰে ক্রমে সুৰেন বৰ্মন, তাপস গোস্বামী, নাৰায়ন শৰ্মা, অজিত নাথ , গিৰিণ নাথ, অৰ্জুন নাথ, ফণীভূষণ বৰ্মন, কৰিন বৰ্মন আৰু কানু বৰ্মনে। ইয়াৰ পিছত এই দলটোৱে সুৰেন বৰ্মন, পুৰেন বৰ্মন আৰু সদানন্দ বৰ্মনক বাদ দি "কয়েদী" নাটখন মঞ্চস্থ কৰে। উক্ত বাদ দিয়া লোক সকলে প্রতিযোগিতা সুলভ ভাৱেৰে "প্রায়চিত্ত" নাটখন কৰে- অভিনয়ত আছিল সুৰেন বৰ্মন, পুৰেন বৰ্মন, ৰোহিনী নমদাস, টুনু বৰ্মন, সুবেন বৰ্মন, লুধীন বৰ্মন, কৰিন বৰ্মন, অজিত নাথ, নৰেশ বৰ্মন, সুতেন বৰ্মন, কৃষ্ণ বৰ্মন, ভেটাৰু বৰ্মন, লক্ষেশ্বৰ বৰ্মন, নৃপেন ৰায, সমেশ্বৰ বৰ্মন। এই দলটোৱে পিছত ক্রমে "কণ্ঠহাৰ", "কংকাবতীৰ ঘাট", "শেষ অভিযান", "চুলতান গিয়াচুদ্দিন","ৰক্তস্বাক্ষৰ" আদি নাট সমূহ মঞ্চস্থ কৰে।

ষাঠি দশকৰ শেষৰ ফালে এজন অজ্ঞাত কুলশীল, সঙ্গীতজ্ঞ আৰু নাট্যপ্রেমী লোক শালকোচালৈ আহে। তেখেত "সাধুমামা" নামে পৰিচিত। তেওঁৰ উৎসাহ উদ্দীপনাত শালকোচাত এটা নাট্য সঙ্গীতৰ পৰিবেশ সৃষ্টি হয়। হাপাপাৰাৰ শিৱকুমাৰ

চক্ৰৱৰ্তীৰ ঘৰত থাকি এই অঞ্চলৰ উচ্চবৰ্ণৰ মানুহ খিনিৰ মাজত এখন বিশিষ্ট আসন কৰি লৈছিল। তেখেতৰ উদ্দীপনাত কিছুমান ছাত্ৰীক লৈ "কুমাৰ সম্ভৱ", "দক্ষ যজ্ঞ" নটীৰ পূজা" আদি নাট মঞ্চস্থ কৰে, পৰিচালনা, সঙ্গীত, সাজ-সজ্জাত আছিল ক্ৰমে অৱনী চক্ৰৱৰ্ত্তী, শামা চক্ৰৱৰ্ত্তী আৰু ৰাজীব লোচন চক্ৰৱৰ্ত্তী। অভিনেত্ৰী সকল আছিল হাপাপাৰাৰ ইতি চক্ৰৱৰ্ত্তী, ৰুবী চক্ৰৱৰ্ত্তী, ছবি ছক্ৰৱৰ্ত্তী, উত্তৰা চক্ৰৱৰ্ত্তী, সুদেষ্ণা চক্ৰৱৰ্ত্তী, সেবা চক্ৰৱৰ্ত্তী, বামুনপাৰাৰ কল্যানী চক্ৰৱৰ্ত্তী, কৰুনা চক্ৰৱৰ্ত্তী, বজাৰৰ অনুভা চক্ৰৱৰ্ত্তী, অৰ্চ্চনা চক্ৰৱৰ্ত্তী, অন্নপূৰ্ণা চক্ৰৱৰ্ত্তী আৰু অৰ্পনা চক্ৰৱৰ্ত্তী।**

সেই সময়ত বৰ্ত্তমানৰ দুৰ্গাপূজা থলীত "তৰুণ নাট্য সমিতি" নামে এটা. থিয়েটাৰ হল নিৰ্মিত হয়। মাটিখিনি দান কৰে বিন্দুমাধৱ বৰুৱাই। শালকোচাত প্ৰথম পুৰুষ-মহিলা সহঅভিনয় হোবা নাটদুখন হ'ল "তৰণীসেন বধ" আৰু "ৰক্ষকুমাৰ"। পৰিচালনা আৰু অভিনযত অংশ লোৱা ব্যক্তি সকল হ'ল- চৈতন্যদেৱ চক্ৰৱৰ্ত্তী, বিন্দু মাধৱ বৰুৱা, শ্যামাপ্ৰসাদ চক্ৰৱৰ্ত্তী, নিৰঞ্জন চক্ৰৱৰ্ত্তী, সুধীৰ বৰ্মন, চান্দ আলী, মিহিৰ বৰ্মন আৰু বহুতো। স্ত্ৰী চৰিত্ৰত অভিনয কৰা সকল হ'ল- সুনীতা নিয়োগী, সাধনা নিযোগী, মিনাক্ষী চক্ৰৱৰ্ত্তী আৰু বহুতো। পঞ্চাচৰ দশকত "সাহজাহান নামে এখন নাট অভিনীত হৈছিল- অভিনয়ত আছিল শ্ৰীগ্ৰামৰ আতোৱাৰ ৰহমান, আবু হানিফ, আচৰ উদ্দিন আদিয়ে ইয়াৰ পিছত 'মা' নামৰ নাটখন মঞ্চস্থ কৰে শ্ৰীগ্ৰামৰ যতীন বৰ্মন, ফিৰোজ সৰকাৰ, সিৰাজ উদ্দিন আৰু বহুতো। পৰিচালনাত আছিল- আবুল কালাম। সেই সময়তে পুখুৰীপাৰাত খুলা যাত্ৰা দলত 'চুলতান মামুদ' নামৰ এখন নাটকত অভিনয় কৰে নৰেন বসুমতাৰী, টোকৰাবান্ধাৰ খগেশ বৰ্মন, আবুল কালাম, ফণীভূষণ বৰ্মন, গান্ধী বৰ্মন, লক্ষেশ্বৰ বৰ্মন, সুধীৰ বৰ্মন, সুৰেন বৰ্মন আদি। *** এই দশকতে শালকোচাত চন্দ্ৰধৰ বৰুৱাৰ "মেঘনাথ বধ" মঞ্চস্থ হৈছিল। অভিনয়ত আছিল সুধীৰ বৰ্মন, শ্ৰীজীৱ চক্ৰৱৰ্ত্তী, ভোলাপাৰাৰ সুধীৰ বৰ্মন, নগেন ৰায় শ্ৰীগ্ৰামৰ সিৰাজ উদ্দিন, নাইচ (পিতৃ মফিল উদ্দিন) হাপাপাৰাৰ ৰাণা চক্ৰৱৰ্ত্তী, শালকোচাৰ পুলক চক্ৰৱৰ্ত্তী, মুৰাৰী দত্ত, চৈতন্যদেৱ চক্ৰৱৰ্ত্তী, শ্যামা প্ৰসাদ চক্ৰৱৰ্ত্তী আৰু স্ত্ৰী চৰিত্ৰবোৰত আছিল নিলীমা দেৱী, সুনীতা নিযোগী, অনন্যা বৰুৱা, বন্দনা বৰুৱা, আল্পনা চক্ৰৱৰ্ত্তী, পান্না চক্ৰৱৰ্ত্তী, অপৰ্ণা চক্ৰৱৰ্ত্তী, বাসবী চক্ৰৱৰ্ত্তী, কাবেৰী চক্ৰৱৰ্ত্তী, চায়না নন্দী আৰু পৰিচালনাত আছিল আবুল কালাম ΨΨ।

১৯৬০-৬১ চনত কুমুৰী গাঁওত "কনৌজ কুৱৰী" নামৰ এখন নাট মঞ্চস্থ কৰে। অভিনয়ত আছিল হিৰেন বৰ্মন, সুধীৰ বৰ্মন, মাচু বৰ্মন, সতীশ বৰ্মন, বৈকুণ্ঠ বৰ্মন, লেং বৰ্মন, যোগেশ (খুদি) বৰ্মন, মদন বৰ্মন, ডিম্বু বৰ্মন। ১৯৭১ চনৰ পৰা

সছটো মালগাঁও বামুন গাঁওত- ক্ৰমে "ৰূপেহোল অভিশাপ", যুগান্তৰ, জলদস্যু আদি নাট অভিনীত হৈছিল। অভিনয়ৰ মুখ্যাংশত আছিল নৰেন বসুমতাৰী, যোগেন সিংহ, সুকুমাৰ চৌধুৰী, যতীন বৰ্মন, সেলকিয়া বৰ্মন, সুৰেশ বৰ্মন, সোমেশ্বৰ বৰ্মন, লক্ষ্মী বৰ্মন, লক্ষেশ্বৰ বৰ্মন, ফনো বৰ্মন, টেঁপলেং বৰ্মন, শ্ৰীমতী ৰাধিকা বৰ্মন ও সঙ্গী সকল।

১৯৭২ চনৰ পৰা ১৯৭৫ লৈ নুনমাটিত দ্বীজেন্দ্ৰ লাল সৰকাৰ, নন্দলাল সৰকাৰ, মাখন সৰকাৰ, গোপাল সৰকাৰ, সুনীল সৰকাৰ, ৰবীন্দ্ৰ সৰকাৰ, গোসাইলাল সৰকাৰ, অশ্বিনী সৰকাৰ, বুদ্ধি বিশ্বাস, নিবাৰন মণ্ডল, নিৰঞ্জন মণ্ডল, দুলাল বিশ্বাস, বাসুদেব, দশৰথ, শ্যামল, আনন্দ, শচীন্দ্ৰ সৰকাৰ আদি সকলে ক্ৰমে- "গৰীবেৰ মেয়ে", "তাসেৰ ঘৰ", "ৰাম যাত্ৰা" "সাগৰ ভাসা", "ৰক্ত স্বাক্ষৰ" "বিষেডাকাত", "পুষ্পমালা" আদি নাটসমূহ মঞ্চস্থ কৰে। ইযাৰ পিছত "চিৰাজ" নাটখন মঞ্চস্থ কৰে ক্ৰমে প্ৰানেন্দ্ৰ নাথ, ৰঞ্জিত নাথ, ৰঞ্জিত বৰ্মন, হৰিপদ নাথ, ধীৰেন নাথ, গঙ্গাধৰ নাথ, নৰোত্তম নাথ বাদল বৰ্মন, কানু বিশ্বাস আৰু অন্যান্য।

১৯৭৫ ৰ পৰা ১৯৮০ লৈ পুখুৰীপাৰা অঞ্চলত দিলীপি দাস, শৈলেন বৰ্মন, ৰোহিত বৰ্মন, সুভাষ বৰ্মন, সুকীল বৰ্মন, প্ৰাথনা দাস, সুপেন বৰ্মন, সভেন বৰ্মন, অলকেশ চক্ৰৱৰ্ত্তী, খগেন ৰায, বুদেশ্বৰ বৰ্মন, মুকুন্দ দাস, সুকেন্দ্ৰ চক্ৰৱৰ্ত্তী, সুধীৰ বৰ্মন, লক্ষেশ্বৰ বৰ্মন, বলেন্দ্ৰ বৰ্মন, প্ৰবীন বৰ্মন, টুনু বৰ্মন, হেমন্ত বৰ্মন, শ্ৰীমতি প্ৰতিমা দেৱী, পুতলী সুত্ৰধাৰ, মানসী দেৱী, ৰাধিকা দেৱী, চিৰু দেৱী আদি সকলে ক্ৰমে "সমাধিৰ তৃষ্ণা", "মানুহ গুণ্ডা হয কিয", "পৰাজিত অজেয় সম্ৰাট" "বেযা মানুহ", "চন্দনাৰ অভিশাপ" আদি নাট সমূহ মঞ্চস্থ কৰে। উক্ত নাট সমূহৰ বেছিভাগেই নাট্যকাৰ শৈলেন বৰ্মনৰ। এইবোৰৰ উপৰিও তেখেতৰ বহুতো নাটৰ উল্লেখ পোৱা যায। সেইবোৰ হ'ল- বিশ্বাস ঘাতক, আকৌ শৰাইঘাট, মাজনিশাৰ উচুপনি, জেৰেঙাৰ চকুলো, অভিশপ্ত চম্বল, পুখুৰীপাৰাৰ বিননী, ইতিহাসে ৰিঙিয়ায়, দোষী কোন, অনন্য, ডাকু সংগ্ৰাম সিংহ, দস্যু সপোন, পথিক, চাবাৰ, সেউজী সপোন, মাজু বোৱাৰী, হেৰোৱা দিগন্ত, বেইমানৰ চক্ৰ, চক্ৰবেষ্টত অভিমন্যু।

১৯৮০ৰ পৰা১৯৮৩ লৈ গৌৰাংটাৰী গাঁও ভালেকেইখন নাট মঞ্চস্থ হয। নাটকেইখন হ'ল ক্ৰমে- "এটুপি তেজ", "দস্যু ৰণলাল", মুছলমানেৰ সন্তান, আদৰ্শচোৰ, সাজঘৰ, ডকাইত কোন, ধনীৰ দুনীয়া; উৰ্মিলাৰ সংসাৰ। অভিনয়ত আছিল প্ৰনয়েশ সিংহ, ৰনেশ চক্ৰৱৰ্ত্তী, কণমালী সিংহ, ভৈৰবেন্দ্ৰ বৰ্মন, দীনেশ দেৱ

বৰ্মা, মতলেব সৰকাৰ, সক্ষণ সুত্ৰধাৰ, সুনীতি বৰ্মন, দীপেন সৰকাৰ, বসন্ত ৰায়, বিকুল বৰ্মন।

১৯৮৯ ৰ পিছত মঞ্চস্থ হোৱা নাট কিছুমান লিপিবদ্ধ কৰা হ'ল কনকমেধিৰ পৰিচালিত "জীৱন্ত কবৰ" নাটখনৰ মূখ্য অভিনেতা হ'ল খনিন দত্ত, ৰঞ্জন বৰ্মন, সমীৰঞ্জন বৰুৱা, এই নাটখন বিলাসীপাৰা কলেজৰ ১৯৮৯ ৰ বছৰেকীয়া উৎসৱত শ্ৰেষ্ঠ বটা লাভ কৰিছিল। ইয়াৰ পিছত নাট্যকাৰ জ্যোতি মহন্তৰ "জীৱা বিপ্লৱ" নাটখন মঞ্চস্থ হয় ক্ৰমে- কনক মেধি, মহাদেৱ গোস্বামী, পুলক চক্ৰবৰ্ত্তী, তিমিৰ বৰুৱা আৰু মুকুল সৰকাৰে। একে সময়তে দদুল দাস, মোহন বৰ্মন, ৰঞ্জন বৰ্মন আৰু কেইজনমানে 'কংকাল' নাটখন মঞ্চস্থ কৰে। ইয়াৰ পিছত 'দেৱী সাবিত্ৰী' নাটখন মঞ্চস্থ কৰে ক্ৰমে দদুল দাস, মুকুন্দ দাস, ৰঞ্জন বৰ্মন, বলভদ্ৰ বমন, কনক বৰ্মন আৰু ভালেকেইজনমানে।

পুখুৰীপাৰাত 'চণ্ডাল কন্যা' মঞ্চস্থ কৰে ৰোহিত বৰ্মন, শ্বহীদ বৰ্মন, চ'ৰা বৰ্মন, প্ৰদীপ বৰ্মন আৰু কৰিন বৰ্মনে। কনক মেধি পৰিচালিত 'বেকাৰ' আৰু 'পূজাৰ ফুল' নাট দুখনত অভিনয় কৰিছিল ক্ৰমে- খনিন দত্ত, শচীন বৰ্মন, দীলিপ বৰ্মন, সুব্ৰত বৰ্মন, হৰি বৰ্মন, মনোৰঞ্জন বৰ্মন, প্ৰতিমা বৰ্মন, খনো বৰ্মন আৰু চিৰু বৰ্মনে ১৯৯৭ চনত কনক মেধি পৰিচালিত 'অংগীকাৰ' নাটখন মঞ্চস্থ হয় শালকোচা সৎসঙ্গ মন্দিৰৰ প্ৰাঙ্গনত। অভিনয়ত আছিল কনক মেধি, সন্তোষ বৰ্মন, দ্যদুল দাস, অভিজিৎ বৰ্মন, ৰঞ্জন বৰ্মন, বুবুল বৰ্মন, শংকৰ নাথ, শংকৰ বৰুৱা, নিৰঞ্জন নাথ, মৃদুল দাস, সন্তোষ নাথ, সতীমা নাথ, নীলা সৰকাৰ, চন্দামিতা দেৱী (মুন্নি)।

ইয়াৰ পাছত ১৯৯৮ চনত "ভালমানুহ" নাটখন মঞ্চস্থ বাবে সৎসঙ্গ কেন্দ্ৰত অভিনযত থকা ব্যক্তিসকল হ'ল খনিন দত্ত, দুদুল দাস, ৰঞ্জন বৰ্মন, দীলিপ বৰ্মন, অভিজিত বৰ্মন, উৎপল ৰায় আৰু বহুতে। ১৯৯৯ চনত "মিলনমালা" নাটখন মঞ্চস্থ কৰে শালকোচা বজাৰত অভিনযত অংশগ্ৰহন কৰিছিল ক্ৰমে পিপুল দাস, গৌতম শৰ্মা, উত্তম শৰ্মা, খনিন দত্ত, লাফুসেন গুপ্তা, উৎপল ৰায়, হামিদুল, ডালিনন্দী, চন্দনা সুত্ৰধাৰ, সুফলা বৰ্মন, উলেশ্বৰী বৰ্মন ইত্যাদি। পৰিচালনাত আছিল কনক মেধি। ১৯৯৯-২০০৪ লৈ শালকোচা বজাৰৰ "দ্বাৰশীলা নাট্যগোষ্ঠী"য়ে কনক মেধি পৰিচালিত- 'গনশত্ৰু' আৰু 'মন বাগিচাৰ শত্ৰু' শৈলেন বৰ্মন পৰিচালিত- 'দেৱতা' আৰু শেষত দিলীপ দাসৰ পৰিচালনাত 'মন বাগিচাৰ গাভৰু' নাট স্থানীয় ঠাইৰ লগতে বিভিন্ন ঠাইত মঞ্চস্থ কৰি ফুৰিছিল। অভিনয়ত অংশগ্ৰহন কৰাসকল-

কনক মেধি, দিলীপ দাস, শৈলেন বর্মন, দদুল দাস, খনিন দত্ত, পিপুল দাস, অভিজিৎ ৰায়, গৌতম শৰ্মা, হামিদুল, বিশেশ্বৰ বৰ্মন, উত্তম শৰ্মা দুলাল বৰ্মন, কৃষ্ণান্দু নাৰায়ন নিয়োগী; শ্যামল বর্মন, শংকৰ বৰ্মন, সুকুমাৰ বৰ্মন, দিলীপ বৰ্মন (বামুন পাৰা) চিত্তৰঞ্জন দাস, নিপুল দাস, বিপুল বৰ্মন, সঞ্জয় বৰ্মন, দিলীপ বৰ্মন, নিৰঞ্জন নাথ আৰু স্ত্ৰী চৰিত্ৰত আছিল ক্ৰমে চিত্ৰাদেৱী, চন্দনা সুত্ৰধৰ, অনিমা দেৱী, ৰূপালী নাথ আৰু অন্যান্য।

২০০১ চনৰ পৰা ৰূপজ্যোতি নাট্য গোষ্ঠীয়ে পুখুৰীপাৰাত দিলীপ দাসৰ পৰিচালনাত ক্ৰমে "মাজু বোৱাৰী" আৰু "ৰঙা সেন্দুৰৰ ফোট" নাট দুখন মঞ্চস্থ কৰে। অভিনযত অংশগ্ৰহন কৰা ব্যক্তিসকল ক্ৰমে দিলীপ দাস, বিজিত বৰ্মন, বুল চক্ৰৱৰ্ত্তী, দীপক বৰ্মন, চিৰু দেৱী, যোগমায়া, বৰ্ণালী সুত্ৰধাৰ, প্ৰভাতী বৰ্মন আৰু বহুতে।

শালকোচা অঞ্চলত প্ৰচলিত আন এটা নাট্যানুষ্ঠান হ'ল "কিচ্ছাবন্দী দোতৰাৰ গান।" ই হ'ল একক অভিনীত নাট্যনুষ্ঠান। ১৯৫০ চনৰ পৰা প্ৰায় ১৯৮৫ চনলৈ বামুন গাঁও নিবাসী প্ৰসাদ বৰ্মনে (টেংনা) একে গাঁওৰ বিনোদ বৰ্মন (বোৰা)ক জুৰি (সৰুতাল) বজোৱা সহাযক হিচাবে লৈ বিভিন্ন অঞ্চলত আমন্ত্ৰন ক্ৰমে অনুষ্ঠান পৰিবেশন কৰিছিল। ৰাজহুৱা বা ব্যক্তিগত কিবা পৰ্বৰ আনন্দত আমন্ত্ৰন জনালে সন্ধিযাৰ পৰা ৰাতিপুৱালৈ- কিছুমান পালা যেনে- মৰিছমতী, চন্দ্ৰাবালী, সাত সতনী, লবকুশ, বিক্ৰমাদিত্য, শ্ৰীবৎস ৰাজা, আদিৰে অনুষ্ঠান পৰিবেশন কৰে। মুল কাহিনীভাগ অংগী-ভংগীৰে কোৱাৰ মাজে মাজে মধুৰ সুৰেৰে গীত পৰিবেশন কৰি শুনি থকা মনুহখিনিক মন্ত্ৰমুগ্ধ কৰি ৰাখে। এই অনুষ্ঠান পৰিবেশন কৰি তেখেতে সেই সময়ত যথেষ্ট কৃতিত্ব লাভ কৰিছিল। এতিয়াও তেখেতৰ ঘৰত কৃতিত্বৰ চিন স্বৰূপে দুটা পুৰস্কাৰ প্ৰাপ্ত ৰূপৰ মেডেল বিদ্যমান। এটা পাইছিল অভয়াপুৰীৰ ৰাণীৰ পৰা আৰু আনটো পাইছিল বিলাসীপাৰা ৰাজবাৰীৰ পৰা।

অসম মাতৃভুমিৰ বুকুত, শালকোচা (গৌৰাংটাৰী গাঁও)ৰ কৃতি সন্তান শ্ৰীমান নৱজ্যোতি (ৰুবুল) চক্ৰৱৰ্ত্তীয়ে। শ্ৰেষ্ঠ নাট্যকাৰ হিচাবে যি আলোড়নৰ সৃষ্টি কৰিছে সেযা সচাঁকৈয়ে শালকোচা বাসীৰ বাবে অতি গৌৰৱৰ বিষয়। তেখেতে দুখন নাটকত অসমৰ ভিতৰত শ্ৰেষ্ঠত্বৰ বঁটা লাভ কৰিছিল। (১) বান থিয়েটাৰ, তেজপুৰ "মঞ্চকোৱৰ চন্দ্ৰধৰ গোস্বামী সোৱৰণী, পাণ্ডুলিপি প্ৰতিযোগিতাত ১/৪/৯৪ চনত পোট্ৰেইট' নাটখনত ১ম স্থান অধিকাৰ কৰে। (২) আকাশবানী (AIR) তৰফৰ পৰা আযোজিত নাটকৰ পাণ্ডুলিপি প্ৰতিযোগিতাত (হাস্য-ব্যঙ্গ) "বিশ্ব বিশ্ৰুত" নাটত

১৯৯৯-২০০০ চনৰ শ্ৰেষ্ঠ পুৰস্কাৰ বিজয়ী হয়। আগলৈ আমি তেখেতক লৈ যাতে আৰু গৌৰবান্বিত হ'ব পাৰো তালৈ আশা থাকিল। Ƴ

প্ৰবন্ধটিত উল্লেখ কৰা নাট সমূহৰ উপৰিও আৰু বহুতো নটক মঞ্চস্থ হৈছিল নিশ্চয- কিন্তু সেইবোৰ উদ্ধাৰ কৰিব নোৱাৰিলো লগতে উল্লেখিত নাটসমূহত অভিনত অংশগ্ৰহন কৰা সকলো ব্যক্তিৰ নামো উল্লেখ কৰাত ব্যৰ্থ হৈছো। প্ৰবন্ধটি যুগুতোৱাত সহযোগিতা আগবঢ়োৱা মান্য ব্যক্তি সকল হ'ল সৰ্বশ্ৰী নিৰঞ্জন চক্ৰবৰ্ত্তী, ৰোহিত বৰ্মন, দাদুল দাস, দ্বীজেন্দ্ৰ লাল সৰকাৰ, চকমল নাথ, ধ্বজি নাথ, বিনোদ (বেৰা) বৰ্মন, নৰেন বৰ্মন, পানীয়া নাথ, কনক মেধি, মনতোষ চক্ৰবৰ্ত্তী, বিশ্বজিৎ গোস্বামী, আবুল কালাম, সুধীৰ বৰ্মন, দিনেশ বৰ্মন, সুৰেন বৰ্মন। উপৰোক্ত ব্যক্তি সকললৈ কৃতজ্ঞতা জনাই অজানিতে ভুল-ত্ৰুতিৰ বাবে মাৰ্জনা বিচাৰি তুলিকা তুলিলো।

টোকা ঃ-

Ψ চুকুৰী ঃ- গোৱালপৰীয়া 'কুশান' গানত 'চুকুৰী' অপৰিহাৰ্য্য। ৫-১২ বছৰ বয়সৰ সুন্দৰ চেহেৰাৰ ল'ৰাক ছোৱালীৰ পোছাক-পৰিচ্ছদ পিন্ধাই কুশানৰ বিশেষ নৃত্য শিক্ষা দিয়া হয় আৰু 'কুশান' গানত মঞ্চত গীতালৰ পৰিচালনাত নাচে। এওঁলোকক 'চুকুৰী' কোৱা হয়।

* কুশান গান ঃ- শালকোচাৰ প্ৰায় প্ৰত্যেক গাঁওতে কুশান যাত্ৰাৰ দল অগা-পিছাকৈ আছিল। ইখন গাঁওত যদি দল ভাঙি যায়- আনখন গাঁওত গঢ়ি উঠে। শ্ৰীগ্ৰাম, হাৰকাটা, মহিষ বাথান, শিলভাঙা আদি গাঁওতো এনে যাত্ৰাদল আছিল। এই দল বিলাক শালকোচাৰ বাহিৰতো অনুষ্ঠান পৰিবেশন কৰি ফুৰিছিল। বামুনপাৰাত মনমোহন ৰায়ে পালা-কীৰ্ত্তন আৰু কৃষ্ণ নাম কীৰ্ত্তন উপলক্ষে বেঙ্গলীঠাঁচত ছোৱালীৰে এটা দল গঢ়িছিল। তেওঁ উত্তৰ বঙ্গৰ ভালেমান ঠাইত এই দল লৈ বিভিন্ন কীৰ্ত্তন অনুষ্ঠানত যোগ দিছিল।

** কেৱল ছোৱালীৰে যাত্ৰাভিনয় কৰা এই দলটোৱে শালকোচাত প্ৰথম আছিল। অনেকৰ মতে জিলাতে প্ৰথম বুলি কোৱা শুনা যায়।

*** এই যাত্ৰা দলটো শালকোচাৰ বাহিৰতো প্ৰদৰ্শিত হৈছিল। আলম গঞ্জত একেৰাহে তিনি নিশা এই দলটোৱে দুখন নাট অভিনয় কৰিছিল। স্ত্ৰী চৰিত্ৰবোৰ ছোৱালীৰ দ্বাৰা অভিনীত হৈছিল- মানসী, ৰাধিকা, চিন্তামনি, পুতুলী আদি আছিল।

ΨΨ শালকোচা হাইস্কুল প্ৰাঙ্গনত প্ৰথম মঞ্চস্থ হয়। শালকোচাত প্ৰথমবাৰৰ বাবে টিকটৰে পইচা লোৱা হৈছিল এই যাত্ৰাভিনয়ৰ বাবে।

♈ নৱজ্যোতি চক্ৰবৰ্ত্তীক শালকোচা শাখা সাহিত্য সভাই আড়ম্বৰেৰে সৈতে আনুষ্ঠানিক সম্বৰ্দ্ধনা জ্ঞাপন কৰিছিল।

—— সম্পাদক।

"অন্ধকাৰত বন্তি জ্বলাব কোনে"

সিদ্ধাৰ্থ চক্ৰৱৰ্তী

হাপাপাৰা

শালকোচাৰ ইতিহাস, ইয়াৰ আৰ্থ-সামাজিক দিশৰ কথা লিখিবলৈ লওঁতে গণতন্ত্ৰ দিবসৰ দিনা মাননীয় ৰাষ্ট্ৰপতি দেৱে ৰাষ্ট্ৰক উদ্দেশ্যে দিয়া সাৰুৱা ভাষণৰ কথা এটা মনত পৰিল-"অন্ধকাৰত বন্তি জ্বলাব কোনে?"

আমি সৰুৰে পৰাই এই অঞ্চলৰ ইতিহাস তথা বিশেষকৈ ইয়াৰ শৈক্ষিক দিশটোৰ কথা, ইয়াৰ আৰ্থ-সামাজিক দিশ, মানুহৰ মনবৃত্তি, ধৰ্ম্মীয় আদি বিভিন্ন দিশৰ কথা শুনিছিলো আৰু বহুতো বাহিৰা মানুহে এই ঠাইডোখৰৰ শলাগো লৈছিল।

হয়, নিশ্চয়কৈ শালকোচাখন এখন ঐতিহ্যপুৰ্ণ ঠাই। ইয়াৰ চাৰিওফালে থকা পাহাৰৰ কাষে কাষে বিভিন্ন নদ-নদীৰ সমাবেশ ঘটিছে। বিশেষকৈ উত্তৰ প্ৰান্তৰ অভয়াকুটিত থকা "হাউহাউৰ ঝৰা"ৰ কথা উল্লেখ কৰিব পাৰি যত গোটেই বছৰ জুৰি মন-প্ৰাণ জুৰোৱা শীতল পানীৰ নিজৰা ভাগৰুৱা আআ শীতল কৰি নিৰচ্ছিন্ন গতিত নিগৰি আছে।

কিন্তু আমি ইতিহাসক ধৰি থাকিলেইতো নহয়! আমাৰ বৰ্ত্তমান কি স্তৰত? যি সময়ত ভাৰত এখন "অৰ্থনৈতিক মহাশক্তিলৈ ৰূপান্তৰিত হব ধৰিছে সেই সময়ত দেশৰ মেৰুদণ্ড ৰূপে স্বীকৃত "কৃষিখণ্ড" কিমান অবহেলিত হৈ আছে তাৰ জানো খবৰ কোনোবাই লৈছে। জনসংখ্যাৰ হাৰ অত্যাধিক বৃদ্ধিত এনেকুৱা অঞ্চলৰ জনমুৰি আয় কিমান। শতকৰা ৮০ ভাগ মানুহেই ইয়াৰ কৃষিজীবি। এহাতে বৰ্দ্ধিত জনসংখ্যাৰ ফলত নিবনুৱা আনহাতে কৃষিত অধোন্নতি। এই আধুনিক যুগটো শালকোচাৰ বহুতো ঠাইত বছৰি এবাৰ কৃষিৰ বাহিৰে বাকী সময়ত পানীৰ অভাৱত এনেয়ে ছন পৰি থাকে। বহুতো ঠাইত ভাল খোৱা পানীৰো সু-ব্যৱস্থা নাই।

দ্বিতীয়তে, ইয়াত তেনেকুৱা কোনো উদ্যোগ প্ৰতিষ্ঠান নাই, যাৰ বাবে শিক্ষিত/অৰ্ধশিক্ষিত নিবনুৱাৰ সংখ্যা বাঢ়ি গৈ আছে। গতিকে এনেকুৱা অঞ্চলৰ যুব মানসিকতাত অস্থিৰতাই যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিবই, কাৰণ অৰ্থনৈতিক দিশত জুৰুলা কাৰণে তেওঁলোকে উচ্চ শিক্ষাৰ কাৰণে বাহিৰলৈও যাব নোৱাৰে যাৰ বাবে অৰ্ধশিক্ষিত হৈ সংসাৰৰ ভৰণ-পোষণৰ দায়িত্ব মূৰ-পাতি লবলগীয়া হয়।

গতিকে বৰ্তমান শালকোচাৰ উন্নতিৰ কথা চিন্তা কৰিবলগীয়া হলে যি সকল স্থানীয় লোকে কিছু পৰিমান হলেও অৰ্থনৈতিক দিশত সংস্থাপিত, তেওঁলোকে প্ৰধানতঃ এই কাৰ্য্যত ব্ৰতী হব লাগিব।

মাননীয় ৰাষ্ট্ৰপতিদেৱে দিয়া ভাষণৰ লগত প্ৰাসঙ্গিকতা ৰাখি ভাবিছো যে যিসকল ব্যক্তিয়ে শৈক্ষিক দিশেৰে ঠাইডোখৰৰ মানদণ্ড উন্নত কৰিছিল তেওঁলোকে এই বন্তিৰ পোহৰ কিমান জনলৈ বিলাইছে? তেওঁলোকৰ নিজৰ জন্ম ঠাইখনলৈ উভতি চোৱাৰ অৱকাশ নাই। কেৱল নিজৰ সুখ-স্বচ্ছন্দৰ বাবে জন্ম ঠাই, পৰিয়াল, আত্মীয়-স্বজনক ত্যাগ কৰি বাহিৰত বসবাস কৰিছে।

গতিকে এজনৰ ঘৰত বন্তি জ্বলিলে সেই পোহৰে যাতে কাষত অন্ধকাৰ হৈ থকা ঘৰটোলৈও পোহৰ বিয়পাই তালৈ লক্ষ্য ৰাখিব লাগিব। তেহে সমাজ সংস্কাৰৰ প্ৰকট ৰেখা দেখিবলৈ পোৱাৰ আশা থাকিব।

ডাঃ ভূপেন হাজৰিকাই গাইছিল—

"মানুহে মানুহৰ বাবে
যদিহে অকনো নেভাবে
অকনি সহানুভূতিৰে
ভাবিব কোনেনো কোৱা"

- সমনীয়া -

—ঃ০ঃ—

বন্দুকৰ গুলিৰে আদৰ্শক হত্যা কৰিব নোৱাৰি।

-আইনষ্টাইন।

শালকোচাৰ বড়ো-কছাৰী সমাজ

ডেভিড
শ্ৰীগ্ৰাম

শালকোচাত বড়ো কছাৰী লোক সকল বসতিৰ বাবে কেতিয়াকৈ আহিছিল- সঠিক ভাৱে জনা নাযায়। কিছুমানে কয় যে তেওঁলোকৰ পূৰ্বজ বিলাসীপাৰাৰ সূৰ্য্যখাতা, ভোটেৰ কান্দা আদি ঠাইৰ পৰা ইয়ালৈ আহিছিল। কিন্তু সকলো মানুহ একেখন ঠাইৰপৰা অহা নহয়। কাজীগাঁও, মহামায়া অঞ্চলৰ পৰাও অহা আছে। শালকোচাত তেতিয়া বসতি কৰাৰ বাবে ঠাইৰ অভাব নাছিল। কিন্তু স্বভাৱজাত ভাৱে বড়ো-কছাৰী সকলে হাবি আৰু পানী থকা অঞ্চলহে বসতিৰ বাবে পছন্দ কৰি লয়। শালকোচাৰ উত্তৰ অঞ্চলতো গৌৰাং নদীৰ পৰা ধীৰ বিললৈকে অটব্য বননিৰে ভৰা আছিল। এই অঞ্চলতে ডিব্লাই বিল, ডাক্ৰা বিল আৰু ধুবুৰী জিলাৰ দীৰ্ঘতম পাহাৰ বৌকুমাৰী-চক্ৰশিলা অৱস্থিত। তেনেদৰে শালকোচাৰ দক্ষিন পূব কোণত থকা চান্দৰ ডিঙা পাহাৰ অঞ্চলটো সৰ্পমাৰীৰে সৈতে লগ-লাগি চক্ৰশিলা পাহাৰ পৰ্য্যন্ত বিশাল অৰণ্যভূমিৰে বিস্তৃত। চান্দৰডিঙা পাহাৰ গাতে লাগি বৈ আছে মহাবাহু ব্ৰহ্মপুত্ৰ। এই দুই অঞ্চলত বড়ো-কছাৰী লোক সকলে গাঁও পাতিলে - দামোদৰপুৰ, ডাউকীবাৰী, বাঁশবাৰী, সন্তোষপুৰ, লালিয়াপাৰা, হাতীপোতা, আলুৰভুঁই, তিনটিলা, অভয়াকুঠী, চক্ৰশিলা আদি গাঁও সমূহৰ নাম।

বড়ো-কছাৰী সকলেই ব্ৰহ্মপুত্ৰ উপত্যকাৰ আটাইতকৈ পুৰণি বাসিন্দা। এওঁলোকক বড়ো বা বড়ো ফিছা বুলি কয়। 'ফিছা'ৰ অৰ্থ সন্তান। 'ডিমাছা' আৰু আহোমে দিয়া নাম 'তিমিছা', বড়ো ফিছাৰ পৰা উদ্ভৱ হোৱা যেন লাগে। বৃহত্তৰ বড়ো জাতিৰ শাখা প্ৰশাখা সমূহ মেচ, কোচ, ৰাভা, গাৰো, হাজং, তিৱা বা লালুং, ডিমাছা, ধিমল, শৰণীয়া আদি বুলি পণ্ডিত সকলে কয়। বৃহত্তৰ বড়ো জনগোষ্ঠীটো তীব্বত-চীন ভাষা গোষ্ঠীৰ তিব্বত ব্ৰহ্ম শাখাৰ পৰা অহা। বড়োৰ পৰা গাৰো ভাষা

ফাটি যোৱাটো খুব বেছি দুহাজাৰ বছৰ বুলি ড° ৰবিন্সন কলিং চাহাবে গবেষণাত কৈছে। ড° সুনীতি কুমাৰ চট্টোপাধ্যযৰ মতে 'কিৰাত' গোষ্ঠীৰ অন্তৰ্গত এই বড়ো জনগোষ্ঠীটো। ভবেন নাৰ্জীৰ মতে, বড়ো সকলৰ আকাৰ, ভাষা আৰু সংস্কৃতি ঠিক ভোট বা তিব্বতী সকলৰ সৈতে সাদৃশ্য থকা। ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যই মত পোষণ কৰে যে উত্তৰ-পশ্চিম চীনত থকা 'বড' দেশেই এই জনগোষ্ঠীৰ আদিতম বাসস্থান। 'বড'>'বড়ো' হৈছে। হোৱাংহো আৰু ইয়াংচিকিযাং নদী মোহনাত এওঁলোকৰ নিবাস আছিল। এই জনগোষ্ঠীৰ লোক বৰ্তমানে দক্ষিন নেপাল, উত্তৰ বঙ্গ, অসম, ত্ৰিপুৰা অঞ্চলত সিঁচৰিত হৈ আছে। ত্ৰিপুৰী (ত্ৰিপ্ৰা) ভাষাত 'বড়ো মানে মানুহ।

এই জনগোষ্ঠীৰ লোক সকলে কোনফালেদি অসমত প্ৰবেশ কৰিছিল- মতভেদ আছে যদিও পণ্ডিত লোক সকলোৰ অধিকাংশই মত পোষণ কৰে যে তেওঁলোক উত্তৰ-পূবৰ পৰা প্ৰবেশ কৰিছিল। বড়ো-কছাৰী সকলে অসমত একন ৰাজ্য স্থাপন কৰিছিল; কিন্তু ৰাজ্যখনৰ প্ৰথম অৱস্থান সম্পৰ্কে মতভেদ আছে। ৰায়বাহাদুৰ কনকলাল বৰুৱা আৰু ভিনচেন্ট স্মিথে কোৱা মতে কপিলী নৈৰ উপত্যকাৰ বৰ্তমানৰ নগাঁওৰ দবকা অঞ্চলতে এই ৰাজ্যৰ পত্তন হৈছিল। পৰবৰ্ত্তী ডিমাপুৰত আৰু মাইবঙত ৰাজ্য স্থাপিত হৈছিল। ষোড়শ শতিকাৰ শেষৰ ফালে ৰজা নৰনাৰায়নৰ ভাতৃ কমল নাৰায়নে কাছাৰত এখন স্বাধীন ৰাজ্য পাতে। ৰাজ্যখনৰ নাম 'খাচপুৰ' (কোচপুৰ>খাচপুৰ)। চিলাৰায়ে ত্ৰিপুৰা দখল কৰি ভাতৃ কমল নাৰাযনৰ অধীনস্ত কৰে। বড়ো কছাৰী সকলে থেফ্ৰা>তিপ্ৰেৰা>তিপ্ৰা>ত্ৰিপুৰা নাম দিছিল। কাৰণ ইযাৰ মানুহ বিলাক চুটি-চাপৰ (থেফ্ৰা) আছিল। বড়ো কছাৰী সকলৰ উল্লেখ ত্ৰিপুৰাৰ ৰাজ-আখ্যান-পুথি 'ৰাজমালা'তো পোৱা যায়। এই পুথিমতে শ্ৰীহট্ট (গৌড) অঞ্চলটোও খাচপুৰৰ অন্তৰ্ভূক্ত হৈছিল।

উত্তৰবঙ্গ আৰু অবিভক্ত গোৱালপাৰা জিলা সাঙুৰি ১৬শ শতিকাৰ আৰম্ভনিতে এখন ৰাজ্যৰ উদ্ভৱ হৈছিল। ইয়ে কমতাৰাজ্য। ইযাৰ অধিবাসী সকল কোচ, মেচ বা বড়ো ভিন ভিন নামেৰে পৰিচয় দিয়ে যদিও এওঁলোক বিৰাট বড়ো-কছাৰী জনগোষ্ঠীৰ লোক। কোচবিহাৰৰ উত্তৰে থকা 'মিচি' নদীৰ পাৰত প্ৰথমতে এই গোষ্ঠীৰ লোক বাস কৰিছিল কাৰণে এওঁলোকক 'মেচ' বুলি কয। 'মেচ'ৰ পৰাই 'ম্লেচ্ছ' হোৱা যেন লাগে। এওঁলোক তিব্বত (তি-বদ্)ৰ পৰা সমতললৈ নামি আহি নিজকে 'বদ্>বড>বড়ো> বুলি পৰিচয় দিছিল। তি' - পানী বা নৈ আৰু 'বদ্'- মানুহ বা স্থান। আনহাতে সংস্কৃত শব্দ 'কক্ষবাট' বা 'কক্ষাত'ৰ অৰ্থ নিম্নভূমি। ড° সুনীতি কুমাৰ চেটাৰ্জীৰ মতে কক্ষবাট>কক্ষাত্>কচ্ছত>কাছাৰ পৰা কছাৰী হৈছে।

সংস্কৃত গ্ৰন্থসমূহত 'কিৰাত' এটা জনগোষ্ঠীৰ উল্লেখ পোৱা যায়। এই জনগোষ্ঠীৰ লোক হিমালয়ৰ পাদদেশ আৰু ভাৰতবৰ্ষৰ উত্তৰ-পূব অঞ্চলত বসবাস কৰিছিল। 'কিৰাত'ৰ অৰ্থ সীমান্তবাসী। আৰ্য্য পুৰুষ আৰু 'কিৰাত' নাৰীৰ সংমিশ্ৰনত এটা সঙ্কৰ গোষ্ঠী 'নিষাদ' হৈছিল বুলি পোৱা যায়। এই কিৰাতৰে বড়ো-কছাৰী এটা শাখা। সংস্কৃত গ্ৰন্থ কালিকাপুৰাণ, যোগিনীতন্ত্ৰ, মহাভাৰতত আদি ৰজা সকল কিৰাত আছিল বুলি এইবোৰ গ্ৰন্থই উল্লেখ কৰি থৈছে। ইবোৰৰ উপৰিও, এই জনগোষ্ঠীৰ লোকে নদীক 'তি' বা 'ডি' বা 'দৈ' বুলিছিল। ফলত, তাপ্তী, গোমতী, ইৰাবতী, দিহিং, দিবং, ডিব্ৰু, মঙ্গলদৈ, নামদাং আদি নামৰ নদী হিমালয়ৰ নামনি অঞ্চলৰ পৰা ব্ৰহ্মদেশ (ম্যানমাৰ) লৈ বিস্তৃত হৈ আছে। বিষ্ণু প্ৰসাদ ৰাভাদেৱে 'বুৰ্লুম বুথুৰ'ৰ পৰা ব্ৰহ্মপুত্ৰ হোৱা বুলি কয়।

ইমানবোৰ সন্দৰ্ভত প্ৰতীয়মান হয় যে একালত হিমালযৰ নামনি অঞ্চলত থকা হিমাচল - নেপাল-তিৰ্ব্বত-ভূটান-ব্ৰহ্মপুত্ৰ উপত্যকা-বৰাক উপত্যকা-সুৰমা উপত্যকা বিস্তৃত বড়ো কছাৰী জনগোষ্ঠীৰ লোক সকলে বসতি কৰিছিল। এই বিশাল জনগোষ্ঠীৰ লোক সকলোৰ নিজা ভাষা-কৃষ্টি-সংস্কৃতি আছিল যদিও লিখিত ৰূপ নথকাৰ বাবে কালৰ বুকুত বহুত কিছু বিস্মৃত হ'ল। ইতিহাসৰ ই এক বিৰাট বিডম্বনা। তথাপি জনশ্ৰুতি, কিংবদন্তী, লোকাচাৰ, গীত-মাত আদি সমল ৰূপে লব পৰা যায়।

বড়ো কছাৰী সকলৰ সৃষ্টি ৰহস্যত এটি ধুনীয়া উপাখ্যান আছে। সৃষ্টিকৰ্ত্তাই প্ৰথমে এযোৰ পক্ষী-পক্ষিনীৰ সৃষ্টি কৰে। পক্ষিনীয়ে তিনিটা ডিমা দিযে। বহুবছৰৰো অন্ততো ডিমাৰ পৰা একো নোলোৱাত পক্ষিনীযে এটা ডিমা ভাঙিলে। ডিমাত একো দেখা নাপালে। এনেতে সৃষ্টিকৰ্ত্তা আহাম্ গুৰুযে পক্ষিনীক সাৱধান কৰি দিলে যে ভঙা ডিমাটো ছটিযাই দিয়ে যেন আৰু বাকী দুটা নাভাঙে যেন। বহু বছৰৰ পাছত প্ৰথম ডিমাটোৰ পৰা মীনছিংছিং বুঢ়া-বুঢী, দ্বিতীযটোৰ পৰা দিবা-দিৰ্বি বুঢ়া-বুঢ়ীৰ আৰু ভাঙি পোলোৱাটোৰ পৰা ডাইনী-যখিনী, ভূত-প্ৰেত আদিৰ জন্ম হয়। দুয়োহাল বৃঢা-বুঢীযে স্বৰ্গলৈ যোৱাৰ মন মেলিলত আহাম্ গুৰুয়ে চৰ্ত দিলে যে যোৱাৰ পথত যিয়ে পিছলৈ উভতি চাব সি মৰ্ত্যলৈ সৰি পৰিব। বিপাঙত পৰি দিবা-দিবি স্বৰ্গলৈ যাব নোৱাৰিলে। আহাম্ গুৰুয়ে প্ৰতিশ্ৰুতি দিলে যে মীনছিংছিঙৰ বংশধৰ মৰ্ত্যলৈ আহিব আৰু সিহঁতৰ পৰা পূজা পাব। এই দেবা-দেবীয়ে বাথৌ বুঢ়া-বুঢ়ী বা শিব-পাৰ্বতী। বড়ো কছাৰীকে ধৰি সকলো মানুহেই মীনছিংছিঙৰ সতি-সন্তান।

বড়ো-কছাৰী লোক সকল বৰ নিৰিবিলি-প্ৰিয়। হুলস্থুলীয়া পৰিবেশ ভাল নাপায়। তেওঁলোকে সেইকাৰণে আৰু অৰণ্য নৈ বিলৰ কাষত বসতি কৰাটো পছন্দ

কৰে। গাঁও পাতিবৰ সময়তো থেপা-থুপিকৈ ঘৰ সাজিবলৈও ভাল নাপায়। দুটা পৰিয়ালৰ ঘৰৰ মাজত কিছু ব্যৱধান থাকিব লাগে। অন্য সম্প্ৰদায়ৰ সৈতে এওঁলোক সমাজ পাতি থাকিব নিবিচাৰে। কাৰণ তেওঁলোকৰ সমাজ ব্যৱস্থাটো ৰক্ষণশীল। তদুপৰি বড়ো তিৰোতা সকল মুকলিমূৰীয়াকৈ থাকিবলৈ অভ্যস্ত। বড়ো সমাজত ধৰ্ষণৰ ঘটনা বিৰল। বড়ো জীয়ৰী দ্বিচাৰিণী হোৱা দেখা নাযায়। এনবোৰ সামাজিক চৰ্ত বিঘ্নিত হোৱাৰ বাবেই শালকোচাৰ বড়ো গাঁও সন্তোষপুৰ আজি বড়ো-বসতি শূন্য। এনেদৰে তিনিটিলা গাঁওৰ পৰা বড়োসকল উচ্ছেদ হ'ল। একালত ধানে-গাখীৰে ভৰপূৰ হৈ থকা আলুৰ ভূঁই গাঁওখনৰো তেনে অৱস্থা। সামাজিক ৰক্ষনশীলতাৰ ওপৰত কৰা আঘাত বড়ো-কছাৰী লোকে সহ্য কৰিব নোৱাৰে। হয় তেতিয়া নিজা ঘৰ মাটি এৰি দি আতঁৰত যায়, নহলে জন্মভূমিকে এৰি থৈ আন কৰবালৈ গুচি যায়। ই বৰ পৰিতাপৰ কথা।

এওঁলোকৰ প্ৰধান খেতি শালি ধান। তিল, কচু, শাক-পাচলি সামান্যভাৱে কৰে। আমাৰ ককা দেউতাই (ছফৰ উদ্দিন) প্ৰায়ে কৈছিল বড়ো মানুহ 'লক্ষ্মী মানুহ'। এই জনগোষ্ঠীৰ লোকসকল বৰ বিশ্বস্ত আৰু অতিথি পৰায়ণ; কিন্তু আচহুৱা পৰিবেশৰ প্ৰতি বৰ সংবেদনশীল। শালকোচাত এই জনগোষ্ঠীৰ বড়ো-কছাৰী, ৰাভা আৰু গাৰো সকলে বসবাস কৰে। তিনিওটা সম্প্ৰদায়ৰে ভাষা আৰু সমাজ ব্যৱস্থাৰ ক্ষেত্ৰত অমিলতকৈ মিলহে বেচি পোৱা যায়। স্থানীয় লোকক তেওঁলোকে 'হাৰ্চা' বুলি কয়। স্থানীয় লোক ৰাজবংশী সম্প্ৰদায়ৰ সমাজ-ব্যৱস্থা আৰু আচাৰ-আচৰণৰ সৈতে বড়ো কছাৰীৰ প্ৰভূত সাদৃশ্য আছে। বোৱন-কাটন, পিন্ধন-উৰণ আৰু কাম-বনত স্থানীয় ৰাজবংশী তিৰোতা আৰু বড়ো কছাৰী তিৰোতাৰ মাজত বৈসাদৃশ্য কম। বড়োৱে দখনা পিন্ধে আৰু ৰাজবংশীয়ে পাটানী পিন্ধে। পূৰ্বতে দুয়োৰে চোলা বা ব্লাউজ পিন্ধাৰ প্ৰচলন নাছিল। ৰোৱা-কৰা, ধান কটা, জাকৈৰে মাছ মৰা আদিতো মিল আছে। শালি ধান ৰুবৰ সময়ত প্ৰথম 'গছা' দিয়া আৰু প্ৰথম ধান কটাৰ ক্ষেত্ৰত 'আগ' অনা আদি অনুষ্ঠানো স্ত্ৰীলোকে কৰে।

বিয়া-বাৰুৰ ক্ষেত্ৰত কেইটামান বৈশিষ্ট মন কৰিবলগীয়া, যেনে- ঘৰ-জোঁৱাই ৰখা, কন্যাঘৰক 'পণ' দিয়া, ছোৱালীক ধৰি আনি দৰাৰ ঘৰত বিয়া পতা, 'ঢকা' ৰখা আদি। কোনো তিৰোতা বিধৱা হ'লে স্বামীৰ ঘৰতে নিজা ল'ৰা-ছোৱালী আৰু স্বামীৰ স্থাবৰ-অস্থাবৰ সম্পত্তি ৰক্ষা কৰিবলৈ দ্বিতীয় পুৰুষ এজন আনি পতি হিচাবে ৰাখে। ইয়াকে 'ঢকা' ৰখা বোলে। কোনো ছোৱালী বিয়াৰ বাবে পছন্দ হৈছে কিন্তু ছোৱালীৰ

অভিভাৱকে তেনে পাত্ৰত দিয়াৰ মন নাই; তেতিয়া পাত্ৰজন 'জন টানা' দি আনে আৰু পাত্ৰৰ নিজা ঘৰত বিয়া পাতে। অৱশ্যে, এই ক্ষেত্ৰত ছোৱালীৰ সন্মতি থাকে।

ধৰ্ম বিশ্বাসৰ ফালেদি বড়ো সম্প্ৰদায়ৰ প্ৰভাৱ হাৰ্চাৰ ওপৰত পৰাটো পৰিলক্ষিত হয। বৰ্তমান বড়ো জনগোষ্ঠী আৰু ৰাজবংশী লোক আৰ্য্য হিন্দু বংশত দীক্ষিত যদিও পাৰম্পৰিক বিশ্বাস আজিও বিদ্যমান। ইয়াৰ প্ৰমান পোৱা যায় 'গাওঁ পূজা', 'কাতিকাই' 'হুদুম পূজা', 'বাঁশ পূজা' 'থান' পূজা, 'দেউধা' আদিৰ ক্ষেত্ৰত। তেওঁলোকে এনেবোৰ ধৰ্মীয় অনুষ্ঠানত যি ভাৱে সাত্বিকাচাৰ কৰে তেনে আৰ্য্য ধৰ্মীয় অনুষ্ঠানবোৰতো কৰা দেখা নাযায়। এওলোক শিব ভক্ত। শালকোচাৰ 'দুধনাথ' মন্দিৰ, 'বুঢ়া-বুঢী' থান, 'আইৰ পাট' আদি বড়ো জনগোষ্ঠীৰ উপাসনাস্থলী আছিল। বৰ্তমানে এইবোৰৰ আৰ্য্যকৰণ কৰা হৈছে। তেনেদৰে বড়ো কছাৰীৰ কামাখ্যা দেৱী উপলক্ষে কৰা অনুষ্ঠান 'আমথিছুৱা' (অম্বুবাচী) আৰ্য্যীকৰণ কৰা হৈছে। খেৰায় পূজাৰ ক্ষেত্ৰত চোতালৰ বেদীত থকা সিজু গছৰ তলত এখন কলপাত পাৰি তাত খৌৰিয়া বৌৱায় (শিৱ) আৰু খৌৰিয়া বুৰি (কামাখ্যা দেৱী) আসন দিয়া হয়। এই পূজাত বলি আৰু দেওধনি অপৰিহাৰ্য্য। এই সম্প্ৰদায়ৰ আন এটা সামাজিক উৎসৱ হ'ল 'বৈসাগু' (বহাগ বিহু)-ই 'দেহানৰ' বিহু বা অসমৰ আন আন সম্প্ৰদায়ে উদ্‌যাপন কৰা ৰঙালী বিহু।

বড়ো কছাৰী সকলৰ মাজত কিছুমান অন্ধবিশ্বাস আছে। কন্যাৰ ঘৰত বিয়াৰ তামোল কাটোতে বৰ সাৱধান হব লাগে যাতে তামোলৰ মূৰৰ ফালে টুকুৰা কৰা নহয়, টুকুৰা কৰিলে কন্যা বিধৱা হব পাৰে। খেতি পথাৰত খেতিৰ ভাল বেয়া চাবলৈ তিৰোতা মানুহ যাব নাপায়। কন্যা চাবলৈ গৈ চোতালত ধান মেলি দিয়া বা ধান বানা দেখা পালে ছোৱালীজনী লখীমি হয। ছোৱালীৰ চুলি কেকোঁৰা হ'লে সেই ছোৱালী কোনেও বিয়া নকৰায়। ৰৰঘৰৰ মুধত শগুণ পৰাতো ঐশ্বৰ্য্যৰ লক্ষণ, কিন্তু বৰ ঘৰত গৰু সোমালে আত্মীয়ৰ মৃত্যু হয় বুলি বিশ্বাস। এনে ধৰণৰ অজস্ৰ বিশ্বাস বড়ো সমাজে মানি চলে।

বড়ো কছাৰীৰ সমাজ ব্যৱস্থা বৰ প্ৰশংসনীয়। কোনোবাই দায় জগৰ কৰিলে গাঁওৰ কেইজনমান গঞাঁক লৈ বিচাৰ কৰি দিয়ে। সেই বিচাৰৰ ৰায় মানাটো বাধ্যতামূলক। সমাজৰ কোনো লোক কাম-কাজত পিছ পৰি থাকিলে 'ছাউৰী' মাতে -(সাহায্য বিচাৰে); বিনা পাৰিশ্ৰমিকত সমাজে কাম খিনি কৰি দিয়ে। কিন্তু বড়ো কছাৰী সমাজত আটাইতকৈ বেয়া বিশ্বাসটো হৈছে - ডাইনী (থান-থিন ডাইনী)। কোনো এজন মানুহে সাধন মন্ত্ৰ শক্তিৰে অলৌকিক শক্তিৰ অধিকাৰী হয়। এনে

শক্তিৰ অধিকাৰী জনক বড়ো সমাজত ডাইনী নামে অভিহিত। ই কোনো ভূত-পিশাচ নহয়- নৰমনিচ হয়। ই পুৰুষ, মহিলা-দুয়ো হব পাৰে। তথাপি স্ত্ৰী লোকেহে বেচি চৰ্চা কৰে। সমাজে বিশ্বাস কৰে যে মাজনিশা ডাইনীৰ কেৱল মূৰটো বাহিৰলৈ ওলাই যায়- গাৰিটো বিচনাতে থাকে। ডাইনী সৰ্বভুক যদিও মানুহ হত্যা কৰি 'জীউ' টো খাই দিবলৈ ভাল পায়। সবত্ৰ তাৰ অবাধ গতি। ডাইনীয়ে বেমাৰ-আজাৰ লগাই দিব পাৰে। এনে অন্ধবিশ্বাসৰ কাৰণে বড়ো সমাজত প্ৰায়ে মাৰ-পিট আৰু হত্যা আদি ঘটি থাকে। একমাত্ৰ বেচৰকাৰী সংস্থাসমূহে হে ইয়াৰ পৰিত্ৰানৰ কাৰণ হব পাৰে।

প্ৰসঙ্গ পুথি সমূহ ঃ-

১। বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি - ভবেন নাৰ্জি।

২। কছাৰী ৰাজ্য ঃ উত্থান আৰু পতন - ড° জয়ন্ত ভূষণ ভট্টাচাৰ্য্য।

৩। অসমৰ জনজাতি - প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য।

৪। A History of Assam - Sir Edward Gait.

পঞ্চতীৰ্থ শালকোচা

নিৰঞ্জন চক্ৰবৰ্ত্তী
পুখুৰীপাৰা

যিকোনো শ্ৰেনীভুক্ত প্ৰাণী জীৱ-জন্তু এনেকি জীৱশ্ৰেষ্ঠ মানৱ সবে প্ৰাকৃতিক সৌন্দৰ্য্যত বিভোৰ। প্ৰাকৃতিক সৌন্দৰ্য্যত আৰ্কষিত হৈ কিছুমানে সাময়িকভাৱে আৰু কিছুমানে নিগাজীকৈ বসবাস কৰি সেই সৌন্দৰ্য্যৰাশি উপভোগ কৰিবলৈ লয়। যেতিযা প্ৰাণীভেদে খোৱা, থকা বা ন্যুনতম জীযাই থকাৰ পৰিবেশ এটা পায় তেতিয়া সেই স্থান বিলাকত অভিযোজন কৰিব পৰা জীৱ-জন্তু বিলাক নিগাজীকৈ থাকিবলৈ লয়। সেয়ে এই স্থানৰ প্ৰাকৃতিক সৌন্দৰ্য্য ৰাশিৰ লগতে প্ৰাকৃতিক সম্পদৰাশি অভিযোজিত হৈ সামাজিক পৰিবেশৰ লগত খাপ খুৱাই যিবিলাক মানুহ, জীৱ-জন্তু, (জলচৰ আৰু স্থলচৰ) উদ্ভিদ আদিয়ে এই অঞ্চলত নিগাজীকৈ বসবাস কৰিবলৈ লৈছিল সেই বিলাকেই এই অঞ্চলৰ আদিম অধিবাসী।

অতীজৰ বুৰঞ্জীৰ অভাৱত শালকোচাৰ দৰে অতি ভিতৰুৱা ঠাই বিলাকৰ পুৰণিকলীয়া ইতিবৃত্ত বিচাৰি পোৱা নাযায়। সেয়ে কিছুমান অতি দৰকাৰী সিদ্ধান্ত অনুমান আৰু সাময়িক দৃষ্টান্তৰ পৰা লব লগা হয। পুৰণি গোৱালপাৰা জিলাৰ পূৰ্বে বৰ্ত্তমানৰ বৰপেটা জিলা (খুলমুলকৈ ভুলকাডোবা নৈ) পশ্চিমে পশ্চিমবঙ্গৰ কোচবিহাৰ জিলা, বাংলাদেশৰ ৰংপুৰ জিলা, উত্তৰে ভূটান পৰ্ব্বতৰ পাদদেশ আৰু দক্ষিনে গাৰোপাহাৰ জিলাৰ পাদদেশ আবৃত সুবিশাল অঞ্চল- পূব-পশ্চিম-উত্তৰ-দক্ষিন চাৰিওদিশৰ ঠিক মধ্য বিন্দুতেই শালকোচা অঞ্চলৰ অৱস্থিতি। শালকোচা নামটোৰেই এটা সুবৃহৎ অঞ্চল বেৰি আছে। উত্তৰে বৌকুমাৰী পাহাৰৰ পৰা দক্ষিনে ব্ৰহ্মপুত্ৰ নদলৈকে ১০ মাইল আৰু পূবে ধীৰ বিল সৰ্পমাৰী পাহাৰৰ সমন্বিতে চাপৰ অঞ্চলৰ পশ্চিম সীমাৰ পৰা পশ্চিমে গাৰো ডাৰা গৌৰাং নৈলৈকে ১০ মাইলৰ

সৰ্বমুঠ ১০০ বৰ্গ মাইল পৰিবেষ্টিত শতাধিক সৰু ডাঙৰ গাঁও পৰিবেষ্টিত এক সু-বৃহৎ অঞ্চল।

বৰ্ত্তমান যুগ প্ৰবনতাত আঞ্চলিকতাবাদে যি সময়ত প্ৰাধান্য লাভ কৰি স্বকীয় অস্তিত্ব ৰক্ষাত মূল হাতিয়াৰ ৰূপে অবলম্বিত হৈছে সেই সময়তে শালকোচাৰ স্থায়ী বাসিন্দা সকলৰ দৃঢ অভিমত -

১। স্থানীয় ভাষা হিচাবে (কথিত) গোৱালপৰীয়া ভাষাকলৈ ঃ- জিলাৰ পূব-পশ্চিম দিশৰ গোৱালপৰীয়া লোক সকলৰ নিজা নিজা কথিত ভাষাই গোৱলপাৰীয়া ভাষা বুলি যিবিলাক মতামত এনেকি গোৱালপাৰীযা কথিত ভাষাৰ পৰাই বৰ্ত্তমান অসমৰ লিখিত ভাষা অসমীয়া ভাষাৰ উৎপত্তি ব্যক্ত অভিমত প্ৰসঙ্গতে শালকোচা বাসী আদি বাসিন্দা বিলাকৰ অভিমত। শালকোচা অঞ্চলৰ পৰা পূবৰ পিনে যিমানেই যোৱা যায কামৰূপীয়া শব্দৰ প্ৰাধান্য সিমানেই পোৱা যায আৰু পশ্চিম পিনে হাকামা অঞ্চলৰ পৰা পশ্চিমে গ'লে বঙ্গলা শব্দৰ প্ৰাধান্য। আজিও সূক্ষ্মভাৱে অধ্যযণ কৰিলে (প্ৰতি ৫ মাইলৰ অন্তৰত ভাষাই ৰূপ সলাই) ভাষা সম্বন্ধে সিদ্ধান্ত অৱশ্যেই সাব্যস্ত হব যে, শালকোচাৰ বৰ্ত্তমানৰ কথিত ভাষাই প্ৰাচীন গোৱালপাৰা জিলাৰ আদিম ভাষা।

২। কৃষ্টি ঃ- গৃহপালিত জীৱজন্তু, চৰাই চিৰিকতি পোহপাল পদ্ধতি, নাঙ্গল-জুঙাল, মৈ, বেধা, হাছিনি, ৰযনা, দাডিযা, পেনাঠী, লাঠী, বাঁকুৱা, কচা, গৰুৰ গাডী ম'হৰ গাড়ী বনোৱা, তেল পাট কৰা, মৰাপাটৰ দৰি, শিকিযা, হালৰ যুটকী, লেঙেৰা, পাটকা আদি পকোৱা, বাঁহৰ কুলা, পাচি, দুন, চালানি, ডালা, খুচি, ঝোকা, পাঁচা, ঝাকাৰা, মোৰা আদি বনোৱা আৰু সেই আচবাব পত্ৰবিলাক ধেতেৰে বান্ধি ব্যৱহাৰোপযোগী কৰি তোলাত শালকোচাৰ একোটা নিজা বৈশিষ্ট আছিল, এতিয়াও আছে। কাঠৰ আচবাব পত্ৰ তৈয়াৰ কৰা মিস্ত্ৰিও শালকোচাত প্ৰচুৰ সংখ্যক আছিল। ধান ভাঙা চাম-গাইন বনোৱা, সৰিয়হৰ তেল পেৰা গছদিয়া মিস্ত্ৰি, তাঁতৰ সামগ্ৰী-তাঁতশাল, টকুৰা, চৰকী, নাটাই আদি বনোৱা মিস্ত্ৰি, একোডাল টুকুৰা গছৰ পৰা একোখন সলঙা নাওঁ তৈযাৰ কৰা মিস্ত্ৰিও শালকোচা অঞ্চলত বিদ্যমান।

শালকোচাৰ নাৰী সমাজ শিক্ষাৰ দিশত কিছু পিছ পৰা আছিল যদিও নাৰীৰ কৰ্তব্য কৰ্মত আৰু ভবিষ্যত নাৰী সমাজক যথোচিত শিক্ষা দানত তেওঁলোক দৃষ্টান্ত স্বৰূপ আছিল। শালকোচা অঞ্চলৰ কোনো মাক জীৱিত থকা ছোৱালীৰ শালকোচাৰ বাহিৰত বিয়া বাৰু হৈ ওলাই গলে সেই ছোৱালী গৃহিনীৰূপে কেতিয়াও ব্যৰ্থতা প্ৰদৰ্শন কৰিব লগা হোৱা নাছিল (বেমাৰ আজাৰৰ ক্ষেত্ৰত সদায় ব্যতিক্ৰম)। সকলো

শ্ৰেনীৰ তাঁতত কাপোৰ বৱ পাৰিছিল। পিন্ধা গামোছা (পুৰুষৰ কাৰণে) পাটানি(তিৰোতা সকলৰ কাৰণে), গামোচা আৰু সাধাৰণ আৰু ফুলাম, বিছুনাত পৰা চাদৰ(নানা ৰঙৰ) বৰ্ত্তমান যুগত ব্যৱহাৰ কৰিবলৈ লোৱা ফুলাম মেখেলা-চাদৰ, খেতাৰ পান্না আদি ঘৰতে বনাইছিল আৰু ব্যৱহাৰ কৰিছিল। নিজ হাতে তাঁতত বনোৱা গামোছা-চাদৰ আদি বিহুৱান দিয়াৰ প্ৰথাও এই অঞ্চলৰ যুৱতী আৰু তিৰোতা সকলৰ মাজত এতিয়াও প্ৰচলিত আছে। বিছুনাত পাৰিবৰ কাৰণে আৰু ঠাণ্ডাত গাত লৈ শীত নিবাৰণৰ কাৰণে ব্যৱহৃত ফটা কাপোৰ বিলাকেৰে কেঁথা (দাগলা) বনাই (বৰ্তমানৰ লেপ, তোষক, কম্বল যুগৰ আগত) ব্যৱহাৰ কৰাত এই অঞ্চলৰ ৰাইজ পিছ পৰা নাছিল। ঘৰে ঘৰে কঁপাহৰ গছ ৰুই সেই কঁপাহৰ সূতা যতৰত কাটি তাঁতত কাপোৰ বনোৱা, প্ৰদীপৰ কাৰণে সলিতা বনোৱা, লগুন তৈয়াৰ কৰা আদি কাম কৰিছিল। লগুন তৈয়াৰ কৰাত শালকোচাৰ শিপিনী বৰ নিপুন আছিল। এবাৰ এজনী বৃদ্ধাই নিজ হাতেৰে লগুন তৈয়াৰ কৰি (৩ দণ্ডিৰ লগুন) এটা লাটা তিঁতাৰ লাটাত ভৰাই এখন প্ৰদশনীত প্ৰথম পুৰস্কাৰ পাইছিল।

বিবাহিতা মহিলা সকলৰ গৃহস্থক সৰ্বপ্ৰকাৰ সহায় কৰি ঘৰখনৰ সৰ্ব্বাঙ্গীন উন্নতি সাধি ল'ৰা-ছোৱালী সমন্বিতে কোনো মতে খাই বৈ জীযাই থকা দিন কেইটা বিশেষ কষ্ট নাপাই কটাই দিয়াটোৱে জীৱনৰ একমাত্ৰ ব্ৰত আছিল। ঘৰৰ গৃহিনী বিলাকে কোনো ধৰণৰ কষ্টবোধ নকৰি ৰাতিপুৱা শয্যাত্যাগৰ পৰা আৰম্ভ কৰি (সূৰ্য্যোদয়ৰ পূৰ্বে শয্যাত্যাগ গৃহিনীৰ অৱশ্যে কৰ্ত্তব্য- লক্ষ্মীপূজাৰ বৰ্ণিত পাচালীৰ নিৰ্দেশ, ঘৰখনৰ সৰ্বাঙ্গী মঙ্গল ও উন্নতি কামনাৰ উপায় সাৰোগত কৰি দিয়াৰ পিছৰ পৰাই কি সধবা কি বিধবা প্ৰতিজনী মহিলাই জীৱনৰ ব্ৰত হিচাবে গ্ৰহন কৰে) ঘৰ চোতাল সাৰা মুছাৰ পৰা দৈনিক কাৰ্য্যসূচীৰ পাতনি মেলি ল'ৰা-ছোৱালী বিলাকৰ মুখ হাত ধুৱাই দিয়া, সবলৈ চাহ জলপানেৰে সন্তুষ্টি কৰি (নিজে খোৱা নোখোৱাতো গৌণ কৰি) এনেকি কিছুমান ক্ষেত্ৰত খৰি, খেৰ আদি জটোৱা, ধান ভাঙি চাউলৰ যোগান ধৰা, দুপৰীয়া সাজৰ কাৰণে বাগান বাৰীৰ পৰা শাক আঞ্জা ৰান্ধা বাঢ়া কৰা, দৰকাৰ বোধে কঠিয়া তোলা, ৰোৱা আদিত সহায় আগবঢাই এনেকি জাকৈ ঝোকাৰে দুপৰীয়া সাজৰ মাছ আদিৰ ব্যৱস্থাও গৃহিনী বিলাকে হাঁহিমুখে কৰা দেখা যায়। ৰান্ধা-বাঢ়া কাম বেলেগ মানুহৰ হতুৱাই কৰাটোৰ কথা ভবাৰ কোনো কাৰণেই থাকিব নোৱাৰে। যিমানেই পলম হওঁক ঘৰৰ গৃহস্থ বা পুৰুষ সকল দুপৰীয়া বা ৰাতি আহাৰ গ্ৰহন নকৰালৈকে ঘৰৰ তিৰোতা বিলাকে আহাৰ গ্ৰহন কৰাটো পাপৰ কাম বুলি সমাজত প্ৰচলিত। দুপৰীয়াৰ বিশ্ৰামৰ কথাটো তিৰোতা বিলাকে বেছি ভাগ ক্ষেত্ৰত

ভাবিব নোৱোৰে। ৰাতি অৱস্থা আৰু পৰিস্থিতিভেদে ১০/১১ টা বজাৰ পিছতহে তেওঁলোকে বিছনাৰ কাষ চাপিবৰ কথা ভাবিব পাৰে। আবেলিৰ ভাগত পথাৰত ৰুবা কটাৰ কাম থাকিলে তিৰোতা সকলে দুপৰীয়া বিশ্ৰামৰ কথা ভৱাৰ অৱসৰ নাপায়। সাধাৰণ অৱস্থাত আবেলি ভাগতে তিৰোতা সকলো যোৱা কটা আদি কাম কৰে। ইমান বিলাক কাম অবিৰত কৰাৰ পিছতো যথাসময়ত ঘৰৰ লখিমীৰ পূজা, গধুলি দেবগৃহত চাকি বন্তি দিয়া আৰু পৰিয়াল বিলাকৰ পূৰ্ব্বাপৰ আদি শ্ৰদ্ধাদি, বাৰো মাহে তোৰা পাৰ্ব্বন আদি পালনত তিৰোতা বিলাকেই আগ ভাগ লব লাগে। ইমান বিলাক গুৰু দায়িত্ব বহন আৰু পালনৰ পিছতো সামাজিক আৰু পাৰিবাৰিক কাজিয়াতো আত্মপক্ষ সমৰ্থন কৰি অংশ গ্ৰহন কৰিব লগাত পৰে। ভুল ত্ৰুটি আৰু শাৰীৰিক অক্ষমতাৰ কাৰনেও গৃহিনীযে গৃহস্থৰ পৰা শ্বহুৰ শাহুৰ পৰা ককৰ্থনা এনেকি শাৰীৰিক অত্যাচাৰতো ভুগিব লগা হৈয়ো তেওঁলোকে হাঁহিমুখে সহ্য কৰে।

কৃষ্টিৰ এটা প্ৰধান অঙ্গ অতিথি পৰায়নতা। কোনো বাহিৰাগত অতিথি ঘৰত আহিলে সেই সকলৰ সোধপুছৰ দাযিত্ব পুৰুষ সকল ঘৰত নাথাকিলে তিৰোতা বিলাকৰ ওপৰত বৰ্ত্তে। তেওঁলোকে আগন্তুকৰ সন্মুখীন হোৱাৰ আগতে সংযত পোষাক পৰিচ্ছদেৰে মুৰত ওৰণী লৈ প্ৰথমতে বহাৰ ব্যৱস্থা কৰাৰ পিছতে সংযত ভাষা, অমাযিক ব্যৱহাৰেৰে অতিথিক সোধ পোছ কৰি দূৰৰ মানুহ হলে ঘৰৰ অৱস্থা যেনেকুৱাই হওক, অতিথিক খোৱা থকাৰ দিহা লগাই পৰিস্থিতি ভেদে অতিথিক বিদায় দিয়া বা ৰখাৰ ব্যৱস্থা নাৰী সকলে দক্ষতাৰে কৰা পৰিলক্ষিত হয।

কিছুদিন আগলৈকে, বিশেষকৈ ভাৰতবৰ্ষৰ স্বাধীনতা লাভৰ আগলৈকে (১৯৪৭ চন) স্কুলীয়া উচ্চ শিক্ষালৈ নিম্ন মধ্যবিত্ত আৰু দুখীযা শ্ৰেণী মানুহৰ ধাউতি বৰ বেছি নাছিল। বিশেষ বিশেষ স্থানত দুটা এটা নিম্ন প্ৰাইমাৰী স্কুলেই আছিল গ্ৰাম্য-অঞ্চলৰ সাধাৰণ ৰাইজৰ কাৰণে শিক্ষা গ্ৰহনৰ থল। স্কুলীযা শিক্ষাৰ ফালৰ পৰা গাঁওৰ বেছিভাগ মানুহেই অশিক্ষিত আছিল কিন্তু আচাৰ ব্যৱহাৰ, সোধ-পোছ, লেন-দেন, বুদ্ধি পৰামৰ্শ, বিপদত উপস্থিত থাকি পৰিস্থিতিৰ মোকাবিলা কৰা, সমাজৰ প্ৰতি দায়বদ্ধতা আদিত গাঁও বিলাকত যি পৰম্পৰা চলি আছিল বৰ্তমান স্বাধীন ভাৰতৰ শিক্ষিত সমাজত তেনে কোনো নজিৰ পোৱা নাযায়। প্ৰাক স্বাধীনতাৰ অশিক্ষিত সমাজত ছোৱালী বিলাকক এনেকুৱা এটা মানসিকতাত গঢ়ি তোলা হৈছিল যেন পিতৃ গৃহটো সিহঁতৰ আচল ঘৰ নহয়, সিহঁতৰ আচল ঘৰ স্বামী গৃহহে। সেয়ে পিতৃ-মাতৃ সকলে ছোৱালী বিলাকৰ ভৱিষ্যৎ জীৱন সুখময় কৰি তোলাৰ উদ্দেশ্যে সৰুৰে পৰা মাতৃৰ লগতে ৰাখি গৃহস্থালী পৰিচালনাৰ সকলো শিক্ষা দিছিল। বৰ্তমান

যুগৰ আইনী ব্যৱস্থা মতে আৰু নাৰী স্বাধীনতা আৰু সাংবিধানিক স্বতন্ত্ৰতা ৰক্ষাৰ কাৰণে প্ৰাপ্তবয়স্ক ছোৱালী বিলাকৰ নিজৰ প্ৰছন্দ আৰু ইচ্ছাক্ৰমে বিয়া বাৰু হোৱাটো সামাজিক প্ৰথা হিচাবে পৰিগনিত হৈ আছে। শিক্ষাৰ ক্ষেত্ৰতো পুৰুষতকৈ নাৰী কোনো বিষয়তে বা কোনো ক্ষেত্ৰতে পিছপৰি থকা নাই। সমাজৰ এনে গতিশীল অৱস্থাত পিতৃ-মাতৃ সকলেও কন্যা সন্তানক পুত্ৰ সন্তানৰ সম দৃষ্টিত চাবলৈ বাধ্য হৈছে। এনে পৰিস্থিতিত শালকোচাৰ নিচিনা পিছপৰি থকা গাঁও বিলাৰ বাসিন্দা সকলেও বৰ্ত্তমান পৰিস্থিতিৰ লগত খাপ খুৱাই আধুনিক কৃষ্টি সভ্যতা ৰক্ষা কৰাত পাশ্চাদপদ হোৱা নাই।

এই অঞ্চলৰ ঐতিহ্য ৰক্ষা কৰা কৃষ্টি হিচাবে প্ৰতিটো পৰিয়ালে পালন কৰা মৃতকৰ আত্মাৰ তৃপ্তিকামী শ্ৰাদ্ধ তৰ্পনাদি ক্ৰিয়া, পূজা পাৰ্বনাদি, (মনসা পূজা, কালী পূজা, গাঁও বিশেষে থাপিত থান বিলাকত বাৎসৰিক গ্ৰাম দেৱতা বিলাকৰ পূজা, হৰিপূজা, শিৱপূজাকে ধৰি আৰু বহুত পূজা, ব্ৰহ্মপুত্ৰ অষ্টমীস্নান ইত্যাদি) হৰিলুট, মাৰৈগান (গোটা মাৰৈ, পালাকীয়া মাৰৈ), বাঁশ পূজা, তিৰোতা বিলাকৰ বিয়াগীত, কাতিকাই নাচ, ধানৰ গোচা দিয়া, আগ আনা (ধান বাৰীত পূজা কৰি ধান কটা শুভাৰম্ভ কৰা পূজাৰ পিছত সেই প্ৰসাদ খোৱাটো সৰু ল'ৰা ছোৱালী বিলাকৰ এটা বৰ আনন্দৰ কথা লাগিলে সিদিনা স্কুলতেই নাযাব) এই অঞ্চলৰ বাসিন্দা বিলাকৰ মাজত এতিয়াও দেখা যায়।

৩। **পোষাক পৰিচ্ছদ** - লিখকৰ দীৰ্ঘদিনীয়া স্মৃতি পটত এই অঞ্চলৰ পুৰুষ সকলে সদায় কৰ্ম্মৰত অৱস্থাত পৰিধান কৰিছিল হালুৱা গামোছা (আঠুৰ তললৈকে লেংটি মাৰিব পৰা দীঘল) কেতিয়াবা গাত একোটা গেঞ্জি অথবা উদং গাৰে ঘৰত থাকে। আলহী অতিথি ঘৰত আহিলেও সেই অৱস্থাতে অতিথিক সম্বিধান কৰিছিল। ঘৰৰ বাহিৰত কেতিয়াবা মেলে মিটিঙে যাব লগা হ'লে বিশেষ বিশেষ ব্যক্তিয়ে ধুতি, সাৰ্ট ব্যৱহাৰ কৰা দেখা গৈছিল। এতিযাও তেনে অৱস্থা এই অঞ্চলৰ গাঁও বিলাকত প্ৰচলিত। তিৰোতা সকলৰ ক্ষেত্ৰতো ঘৰৰ তাঁতত বোৱা পাটানি বুকুত বান্ধি সেই পাটানী খনৰ আনটো মূৰেৰে ককালত টঙালি বান্ধি মূৰত প্ৰায় সদায়েই একোখন গামোছা থাকে, মূৰত দীঘল চুলিৰ একোটা ধুনীয়া খোপা, কপালত সুস্পষ্ট সেন্দুৰৰ ফোঁট সিথিঁলৈকে দীঘল, হাতত বেলেগ নহলেও এজোৰ শাখা (বিবাহিত সকলৰ) প্ৰযুক্ত হৈ হাতত বাৰুনী বা ঝাৰু লৈ, চৰিয়াত গোবৰ পানী মাটি সহ হাতত লেছা লৈ, খৰিফালাৰ প্ৰস্তুতিত হাতত কুঠাৰ লৈ, খেতিত কাম কৰিবলৈ ওলোৱাত মনত শক্তিলৈ, পানী আনিবলৈ মূৰত আৰু কাষত কলহলৈ গোহালীৰ পৰা গোবৰ

পেলাবলৈ মূৰত খাদালৈ নাৰী সকলৰ প্ৰস্তুতি যেন মহিষ মৰ্দ্দিনী মা দুৰ্গাৰ মূৰ্ত্তিটোহে। দেখিলে ল'ৰা-ছোৱালী বিলাকৰ ভয় আৰু আগন্তুকৰ ভক্তি ওপজে। সেই সময়ত তিৰোতা বিলাকে ভৰিত কোনো জুতা চেণ্ডেল পিন্ধা দেখা নগৈছিল। পুৰুষ সকলে খৰম, পযঠা আদি ব্যৱহাৰ কৰিছিল। শীতৰ দিন বিলাকত পৰিস্থিতি বিশেষে গাত একোখন তাঁতবোৱা চাদৰ অথবা ধনীবিলাকে স্থানীয় জনজাতীয় লোক সকলে ঘৰতে বনোৱা এণ্ডি ব্যৱহাৰৰ প্ৰচলনো দেখা গৈছিল। বিছনাত ফটা কাপোৰেৰে দাগালা (কেথা) নিজ হাতে চিলাই কৰি উৰিছিল আৰু ৰাতি শুবাৰ সময়ত শীত নিবাৰণৰ কাৰণে ৰাতি শুৱা ঘৰত কাঠ আৰু তুহেৰে জুই জ্বলাই ঘৰ গৰম ৰাখি শীত নিবাৰণ কৰি টোপনি যোবাৰ অভ্যাস এই অঞ্চলৰ ৰাইজৰ আছিল আৰু এতিয়াও আছে। বৰ্ত্তমানে অৱশ্যে গাত উলৰ চুৱেটাৰ পিন্ধা, শুবৰ সময়ত কম্বল, লেপ আদি ব্যৱহাৰ কৰা, বিছনাত তোষক, মশৰী আদি ব্যৱহাৰৰ অভ্যাস হৈছে।

৪। **বসবাস** - আমাৰ এই জিলাখন (অবিভক্ত গোৱালপাৰা জিলা) জমিদাৰ শাসিত জিলা আছিল। প্ৰজাবিলাকে জমিদাৰৰ পৰা দেবত্তৰ, ব্ৰহ্মত্তৰ লাখেৰাজ, মৌৰসী জমি স্বত্বত জমি ভোগ দখলৰ সুবিধা পাইছিল। সাধাৰণতে জমিৰ খাজানা, বছৰি বিঘাই প্ৰতি (তেৰো আনা), (ন আনা চাৰিপাই) আদি নিৰিখত আছিল। অৱশ্যে স্থানীয কৰ বেলেগ আছিল। জমিদাৰৰ কাছাৰিত ছনবন কৰ হিচাবে বছৰি (এটকা) (দেৰটকা) অতিৰিক্ত কৰ দিব লাগিছিল জনসংখ্যা অনুপাতে মাটি জমিৰ এনেকুৱা উভৈনদী আছিল যে, এডোখৰ মাটিত যদি আশানুৰূপ উৎপাদন পোৱা নগৈছিল তেনেহ'লে ২/৩ বছৰৰ মূৰত মাটিৰ দখলীকৃত মানুহজন ৰাজ কাছাৰীত গৈ জমি ইস্তফা দি আহিছিল। জমি বিলাকত চাষ-আবাদ সুব্যৱস্থা কৰিবৰ কাৰণে কেবাঘৰ মানুহ একেলগে লগলাগি একোখন গাঁওৰ সৃষ্টি কৰি বসবাস কৰিছিল। বন জঙ্গলেৰে পৰিপূৰ্ণ অঞ্চল বিলাকত শৌচ প্ৰস্ৰাব কৰাৰ কাৰণে কোনো আচুতীয়া ব্যৱস্থাৰ প্ৰয়োজন নাছিল। খোৱা-পানীৰ কাৰণে নৈ, সুতি, নিজৰা, খাল, পুখুৰী, আদিয়েই অবলম্বন। বিশেষ ব্যৱস্থা হিচাবে মটিয়া পাটৰ, কাঠৰ তক্তাৰ বেৰ দি অথবা ৰঙা টান মাটি হ'লে অলপমান দ কৰি (৮/১০ হাত) কুৱা দি খোৱা পানীৰ ব্যবস্থা এই অঞ্চলৰ বৈশিষ্ট আছিল। ৰজাক জমিৰ খাজানাৰ লগত চন্ বন্ কৰ দিয়া মানে পাহাৰ বিলাকত গৰু মহ চৰোৱা, নাঙল, জুৱলি আদি কৃষি কৰ্মৰ সামগ্ৰী আহৰণ কৰা, ঘৰ বান্ধাৰ কাৰণে কান্ধাকিয়া শালৰ শিৰি, বাঁহ খেৰ আদি পাহাৰ বিলাকৰ পৰা সংগ্ৰহ কৰাত কোনো বাধাৰ সম্মুখীন হোৱা নহৈছিল। শালকোচাৰ সীমামূৰীয়া অঞ্চলবিলাকৰ বাহিৰেও অঞ্চলটোৰ মধ্যস্থানতো সৰু বৰ বহুত টিলা, পাহাৰ আদি

আছে। অলপ মান কষ্ট সহিষ্ণু হ'লে (এই অঞ্চলৰ মতা-তিৰোতা, যুৱক-যুতী, বৰ পৰিশ্ৰমী বুলি সৰ্ব্বজন বিদিত) খৰি, খেৰ আদিৰ কাৰণে কোনো আহকালত পৰিবলগীয়া নহয়। আৰু সেয়ে প্ৰতিঘৰ মানুহে নিজ হাতেৰে অতি মজবুতকৈ কাঠৰ জোকাৰে খেৰৰ চাউনী দি ধুনীয়া ধুনীয়া ঘৰ বান্ধি বসবাস কৰিছিল। ঘৰৰ ভেটি মাটিৰ হলেও ধানৰ পাতান, তুহ আদি মাটিৰ লগত মিহলাই ভেটি বান্ধি ললে ভেটিটো বাৰিষাত শুকান থাকে। শুৱলৈ খাট বা চাঙৰ ব্যৱস্থা সম্ভৱ নহলেও ধাৰি পাতি মাটিত শুলেও কোনো অসুবিধা নহয় আৰু আধুনিক বৰ্ত্তমান যুগতো এই অভ্যাস বহুতো দুখীয়া পৰিয়ালৰ বিদ্যমান। ঘৰৰ খেৰ বাহৰ ইকৰা মধুৰাৰে তৈয়াৰ কৰি তিৰোতা বিলাকে মাটিৰে প্ৰথমবাৰ মুছি কেইদিনমান শুকুৱাৰ পাছত বগা মাটিৰে দ্বিতীয়বাৰ পাতলকৈ মুছি দিয়ে। এনেকুৱা অলপ যত্ন কৰি সাঁজি মুচি লোৱা ঘৰবিলাক দেখাত বৰ্ত্তমান প্ৰযুক্তিৰে সাঁজি উলিওৱা ঘৰ বিলাকতকৈ সিমান পিছপৰা নাছিল। পাহাৰীয়া অঞ্চল কাৰণে উঁইপোকে ঘৰবিলাক নষ্ট কৰাৰ পৰিপেক্ষিতত ৩/৪ বছৰৰ মূৰে মূৰে ঘৰবিলাক মেৰামতি কৰিব লগা অৱস্থাৰ সন্মুখীন হ্বলগা হয়। অকলশৰীয়া পাৰিবাৰিক জীৱন নিৰ্বাহ দুসংহ কাৰণে এই অঞ্চলৰ ৰাইজ গাঁও হিচাবে একেলগে বসবাস কৰাত অভ্যস্ত। সবে মিলি গাঁওৰ নামাকৰণ কৰিছিল। গাঁও বিলাকৰ নামবিলাকলৈ সুক্ষ্মভাৱে লক্ষ্য কৰিলে পোৱা যায় যে, তদানিন্তন জন সাধাৰণক অশিক্ষিত বুলি অভিহিত কৰিলেও তেওঁলোকৰ মাজত উচ্চস্তৰীয় জ্ঞান সম্পন্ন মানুহ থকাৰ প্ৰমান ডাঙি ধৰে। যেনে- দামোদৰপুৰ, পুখুৰীপাৰা, সতীপুৰা, বামুনগাঁও, টিলা-পাৰা , চিৰাকুটা, নুনমাটি, কলিয়াৰ খাল, চান্দৰ ডিঙা, সোনামুখী, জোৰ নাগাৰা, শ্ৰীগ্ৰাম, আনন্দ নগৰ, গৌৰাংটাৰী, বানিয়াপাৰা, একেলাপাৰা, ইছিলামাৰী, হাতীপোতা আদি। এই নামাঙ্কিত গাঁও বিলাকৰ লগত বুৰঞ্জী, পৌৰানিক আখ্যান, অতীজৰ সমাজ ব্যৱস্থা আদিৰ অতঃপ্ৰোতঃ সম্বন্ধ আৰু সেই বিলাক পূৰ্ণৰূপে প্ৰতিষ্ঠিত কৰাৰ দায়িত্ব বৰ্তমানৰ তথাকথিত শিক্ষিত সমাজৰ।

৫। **শিক্ষা** - শিক্ষা শব্দটো এটা বিতৰ্কিত শব্দ। সাধাৰণ প্ৰচলিতভাৱে আমি বগাৰ ওপৰত কলাৰ সন্নিৱেশ ঘটাব পৰাকে শিক্ষা আৰু শিক্ষিত বুলি কব খুজোঁ। অৰ্থাৎ বগা কাগজৰ ওপৰত কলা অৰ্থাৎ চিয়াঁহিৰে দাগ দিব পৰাকে শিক্ষিত বুলি কওঁ। কিন্তু উপৰোক্ত শিক্ষিতৰ সূত্ৰটোৱে শিক্ষিত শব্দটোক সম্পূৰ্ণ কৰা বুলি মই বিবেচনা নকৰোঁ। শিক্ষিত বোলা যাব সেইজনক, যিজনে কিতাপত সন্নিৱেশিত বিষয় বস্তু পঢ়ি সংযোজিত আৰু সুচিন্তিত মনেৰে বিবেকৰ পৰিচালনাত কৰিব পাৰে। এনে কৰ্ম্মৰ দ্বাৰা দেশৰ আৰু দহৰ মঙ্গল হয়, মনত আনন্দ জন্মে আৰু দহক স্বীকৃতি

লভিব পৰা যায়। কিন্তু ভাৰতবৰ্ষত চৰকাৰ পৰিচালিত আৰু প্ৰবৰ্ত্তিত শিক্ষা ব্যৱস্থাত কেৱল মাত্ৰ আক্ষৰিক পৰিচিতিতেই শিক্ষিতৰ সংখ্যা নিৰ্ধাৰিত হৈ বিশ্ব দৰবাৰত ভাৰতৰ শিক্ষিতৰ শতকৰা হাৰ প্ৰতিপাদ্য হৈছে আৰু সেই বাবেই মানবতাহীন শিক্ষিতৰ দ্বাৰা পৰিচালিত ভাৰত গনতন্ত্ৰত ঘুনে ধৰিছে।

এই অঞ্চলৰ হোজা ৰাইজ আক্ষৰিক শিক্ষাৰ দিশত বিশেষ আগবাঢ়িব পৰা সুযোগ-সুবিধা পোৱা নাছিল যদিও মানৱতা, নম্ৰতা শ্ৰদ্ধা ভক্তি আচাৰ ব্যৱহাৰত আধুনিক তথকথিত শিক্ষিত সকলতকৈ বহুত গুণে উন্নত আছিল আৰু আজিও আছে। পাৰম্পৰিক এই বিলাক অঞ্চলৰ পুৰুষ নাৰী সবৰে একোটা বিশেষ গুনা-লঙ্কাৰ আছিল। শালকোচাৰ জনগাথিনী বিভিন্ন জাতিৰ হিন্দু জনগোষ্ঠীৰ মানুহ, অল্পসংখ্যক জনজাতীয সম্প্ৰদায়ৰ (বড়ো, গাৰো, ৰাভা) লোক আৰু আঙুলিৰ মূৰত লিখিব পৰা শ্ৰীগ্ৰামত আৰু কামাৰডিহিত কেইঘৰমান মুছলমান সম্প্ৰদায়ৰ মানুহ বসবাস কৰিছিল। আক্ষৰিক শিক্ষা লাভৰ কাৰণে এই অঞ্চলত ২/৩ খন প্ৰাইমাৰী বিদ্যালয আৰু তথাকথিত উচ্চশিক্ষা লাভৰ একমাত্ৰ অনুষ্ঠান ভেলুপাৰাত শব্দৰাম সিংহ এম. ভি, স্কুল আছিল। এই বিলাক স্কুলতে প্ৰাথমিক শিক্ষা লাভ কৰি পুখুৰীপাৰাত তাৰাচৰণ বৰ্ম্মন দোকানৰ হিচাব ৰক্ষকৰ কাম সুচাৰু ৰূপে কৰাৰ খ্যাতি লাভ কৰিছিল, পুখুৰীপাৰাৰ ॰ ৰাজকিশোৰ বৰ্ম্মন পুখুৰীপাৰাৰ বিধিকৰ্তা ইষ্টেটৰ পৰিচালক আছিল, হাপাপাৰাৰ ॰ সুলোক দাস নিযোগী ইষ্টেটৰ পৰিচালক আছিল, গৌৰাংটাৰীৰ ॰ নকুল সিংহ ধুবুৰী লোকেল বোৰ্ডৰ নিৰ্বাচিত সদস্য হিচাবে দক্ষতা আৰু সুনামেৰে কৰ্তব্য সম্পাদন কৰিছিল। পঢ়শুনা কৰাৰ স্থানীয়ভাৱ বিশেষ সুবিধা এই ৰাইজৰ কাৰণে নাছিল যদিও পঢ়া শুনাৰ প্ৰতি এই অঞ্চলৰ ৰাইজৰ আগ্ৰহৰ অভাৱ নাছিল। উদাহৰণ স্বৰূপে পুখুৰীপাৰাৰ ॰ মদন বৰ্ম্মন, হাতীপোতাৰ ॰ ধ্ৰুব বৰ্ম্মন, ভোলাপাৰাৰ ॰ গদাধৰ বৰ্ম্মন, স্ত্ৰী শিক্ষাৰ দিশত ॰ সৰলা ৰায়ৰ নাম উল্লেখযোগ্য। বিগত এশ বছৰ আগতো সমাজবিলাক কিছুমান অন্ধবিশ্বাসৰ দ্বাৰা প্ৰভাবান্বিত আছিল। বিশেষকৈ শিক্ষাৰ দিশত। প্ৰসঙ্গক্ৰমে কিছু কথা উল্লেখ নকৰিলে বিষয়তো বুজিবলৈ টান হ'ব কাৰণে এটা অতি সৰু উদাহৰণেৰে কথাটো প্ৰকাশ কৰিলোঁ। শালকোচাৰ গৌৰাংটাৰী গাঁওত গোলক ৰায (পুত্ৰ ॰ দ্বিজেন ৰায় আৰু ॰ দিলীপ ৰায়) বুলি এজন তদানিন্তন শিক্ষিত ব্যক্তি আছিল। তেওঁৰে ডাঙৰ ছোৱালী ॰ সৰলা ৰায়, নিম্ন প্ৰাইমাৰী শিক্ষা শেষ কৰাৰ পিছত ইংৰাজী শিকিবলৈ বাহিৰত মজলীয়া স্তৰৰ বিদ্যালয়ত নাম ভৰ্ত্তি কৰোৱাৰ পিছত ছোৱালীক ইংৰাজী পঢ়োৱাৰ বিৰুদ্ধে এটা সামাজিক আলোড়ন সৃষ্টি হৈছিল আৰু এই আলোড়নৰ নতি স্বীকাৰ নকৰি ছোৱালীক ইংৰাজী পঢ়োৱাৰ কাৰণে পিতৃ

গোলক সৰকাৰক সমাজৰ পৰা এঘৰীয়া কৰিছিল। বৰ্তমান যুগত অৱশ্যে সমাজত তেনেকুৱা দৃষ্টিভংগী পৰিলক্ষিত নহয় আৰু সেয়ে এই গ্ৰাম অঞ্চলতো বহু ছোৱালী উচ্চ শিক্ষা লাভ কৰি বিভিন্ন পাৰদৰ্শিতা লাভ কৰিবলৈ সক্ষম হৈ এই অঞ্চলৰ সুনাম ৰক্ষাত কৃতকাৰ্য্যতা লাভ কৰিছে। বিশেষকৈ শিক্ষকতাৰ ক্ষেত্ৰত এই অঞ্চলৰ ছোৱালী তথা মাতৃ সকল বিশেষ আগৰণুৱা। শৈক্ষিক আৰু সাংস্কৃতিক দিশত এই অঞ্চলত বসবাস কৰি অহা ব্ৰাহ্মন সকলৰ ভূমিকাও কোনো গুণে নগন্য নহয়। বেদ ৰক্ষা আৰু ধৰ্ম্ম-পালনত তেওঁলোক আদৰ্শ স্থানীয় আছিল। অতীজতে এই অঞ্চলত সৰ্ব্বেশ্বৰ বিদ্যাৰত্ন, ৰমানাথ বিদ্যালঙ্কাৰ, বিশ্বেশ্বৰ স্মৃতিৰত্ন, ষড়ানন ন্যায় তৰ্কতীৰ্থ, অখিল চন্দ্ৰ স্মৃতিতীৰ্থ, উপেন্দ্ৰ নাৰায়ন গোস্বামী, অতীন্দ্ৰ নাৰায়ন গোস্বামী আদি বেদজ্ঞ পণ্ডিত সকল, নেতাকান্ত, গঙ্গেশ্বৰ, সিদ্ধেশ্বৰ, নীলকণ্ঠ, নীলকান্ত, গুৰুপ্ৰসাদ, ক্ষিতীশ, চিত্ৰলোচন, ভবদেব আদি সুশিক্ষিত পুৰোহিত সকল, শালকোচাৰ কৃতি সন্তান ˚ বিৰাজমোহন চক্ৰবৰ্ত্তী অবিভক্ত অসমৰ মুখ্যকাৰ্যবাহী অভিযন্তা (গৃহ আৰু পথ বিভাগ) ˚ সুধীন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য অসমৰ উপায়ুক্ত পৰ্য্যায়ৰ প্ৰশাসনিক বিষয়া ˚ নীলমাধব বৰুৱা, ˚ যতীন্দ্ৰ নাৰায়ন নিয়োগী, তথানিন্তন গোৱালপাৰ জিলাৰ বিখ্যাত পৰ্ব্বত জোৱাৰ ইষ্টেট আৰু বিজনী, ইষ্টেটৰ সুদক্ষ পৰিচালনা প্ৰদান কৰিছিল, আৰক্ষী বিভাগৰ সৰ্ব্বোচ্চ আসন কিছুদিনৰ কাৰণে শালকোচাৰে ˚ যোগেন্দ্ৰ নাৰায়ন নিয়োগী ডাঙৰীয়া দেশৰ সেৱাত ব্ৰতী আছিল। শালকোচাৰ কতিপয় ব্ৰাহ্মন পণ্ডিতে নিজৰ তত্বাবধানত সংস্কৃত টোল খুলি সংস্কৃতৰ বিভিন্ন বিষয়ৰ শিক্ষাদানত ব্ৰতী হৈছিল। শালকোচা অঞ্চলৰ কিছু ছাত্ৰ শালকোচাৰ বিশ্বেশ্বৰ স্মৃতিৰত্নৰ টোলত অধ্যয়ণ কৰা আমাৰ স্মৃতি পটত ভাহে। সংস্কৃত শিক্ষাৰ দিশত বৰ্তমানে এই অঞ্চল কিছু পাশ্চাদপদ হোৱা দেখা যায়। বৈদিক ধৰ্ম্ম প্ৰচাৰ, সংৰক্ষন আৰু প্ৰসাৰত শালকোচা আজিও বিশেষ ভূমিকা প্ৰালন কৰি আহিছে।

বৰ্তমান শালকোচা অঞ্চলত ১ খন উচ্চতৰ মাধ্যমিক বিদ্যালয়, ৭ খন উচ্চ মাধ্যমিক বিদ্যালয়, ৯ খন মধ্য ইংৰাজী, অল্পসংখ্যক মাদ্ৰাছা, কল্পনাতীত প্ৰাইমাৰীস্কুল স্থাপিত হৈ এই অঞ্চলৰ ৰাইজ শিক্ষাদানত ব্ৰতী হৈছে। শালকোচা অঞ্চল অতীজৰে পৰা জিলাৰ ভিতৰতে শিক্ষা, দীক্ষা, যোগাযোগ, আধুনিক সভ্যতা, শিল্প বাণিজ্য আদিত আদৰ্শ স্থানীয় নহ'লেও সামাজিক জীৱনত প্ৰতিপালিত পূৰ্ব উল্লেখিত দিশ সমূহ এই অঞ্চলৰ ৰাইজৰ সমাজ জীৱনত আদৰ্শ স্থানীয় আছিল বুলি মই দৃঢ়তাৰে কব পাৰোঁ।

৬। **খাদ্যাখাদ্যৰ অভ্যাস**- ধনী দুখীয়া নিৰ্বিশেষে এই অঞ্চলত বসবাস কৰা সকলো সম্প্ৰদায়ৰ মানুহৰ খাদ্যাভ্যাস প্ৰায় সমপৰ্য্যায়ৰ। ভাতেই এই অঞ্চলৰ সকলো জনগোষ্ঠীৰ প্ৰধান আহাৰ। অৱশ্যে জলপান, অতিথি আপ্যায়ন আদি ক্ষেত্ৰত চিৰা, মুড়ি, খৈ, গুড়া, নানা ধৰণৰ পিঠা আৰু বৰ্তমান যুগত চাহ আদিৰো প্ৰচলন আছিল আৰু আছে। খৰিৰ কোনো অভাৱেই নাই। সকলো বিলাক গাঁওৰে চাৰিও দিশে জঙ্গল পাহাৰেৰে আগুৰা একেবি বাৰি বিলাকৰ চতুসীমাত বাঁহ, কদম, আম, কঠাল আদি গছেৰে পৰিপূৰ্ণ। এই অঞ্চলৰ মাটি অত্যন্ত সাৰুৱা সেয়ে ধান, সৰিয়হ মৰাপাট, আলু, কবি, লাও, কোমোৰা, আদি খাদ্যপোযোগী সকলো বস্তু অতি কম পৰিশ্ৰমত এই অঞ্চলৰ মাটিত উৎপন্ন হৈছিল। উৎপাদিত বস্তু নিজে খোৱা, আত্মীয় স্বজনক বিলোৱাৰ পিছত ৰাহি হলেহে বজাৰত বেচাৰ কথা। এনেকুৱাও এটা সময় আছিল যি সময়ত কিছুমান সম্প্ৰদায়ৰ মানুহে কচু, মাছ, কল, আদি বিনিময় কৰিছিল। সামাজিক এটা বন্ধুত্বপূৰ্ণ পৰিবেশত জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোৱে শান্তিপূৰ্ণভাৱে গাঁওবিলাকত বসবাস কৰিছিল। যুগৰ আধুনিকতাৰ প্ৰবল সোঁতত বৰ্তমানে গাঁও বিলাকত কিছু ব্যতিক্ৰম ঘটা দেখা যায। নৈ, বিলেৰে এই অঞ্চল পৰিপূৰ্ণ কাৰণে জলভাগত মাছ, কাছ আদিৰ অভাৱ এতিয়াও নাই। দুপৰীয়া ভাত ৰন্ধাৰ যা-যোগাৰ কৰি তিৰোতা বিলাকে এখন জাকৈ লৈ মাছ মাৰি আনি দুপৰীয়া খোৱাৰ অভ্যাস এই ঠাইৰ মানুহৰ এতিয়াও আছে। ভাত, দাইল, এটা তৰকাৰী (লাবাৰা) হ'লেই তৃপ্তি সহকাৰে মানুহে খাদ্যৰ চাহিদা পূৰণ কৰাৰ অভ্যাস এই অঞ্চলৰ অধিবাসীৰ আছে। ডাইলৰ কাৰণে বৰ বেছি চিন্তা কৰাৰ কাৰণ নাই। বনৰ শাক, ক্ষাৰ, কচু, মাছ, মাংস আদিয়েই এই অঞ্চলৰ খাৰ্দ্যপ্ৰধান সামগ্ৰী। দৈ গাখীৰ আদিও সাধাৰণ অৱস্থাত প্ৰতি ঘৰে ঘৰে। চিৰা, মুড়ি সদায় ঘৰতে তৈয়াৰ কৰি দৈনন্দিক চাহিদা পূৰণ কৰা হয়। কিছুদিন আগলৈকে এই অঞ্চলত বিস্তৃতভাৱে কুঁহিয়াৰ খেতি কৰি কৰি ঘৰে ঘৰে গুড় তৈয়াৰ কৰি কৰি বৰ্তমানৰ প্ৰয়োজনীয় চিনিৰ চাহিদা পূৰণ কৰা হৈছিল। কালে বৰ্তমানে এই অঞ্চলৰ পৰা কুঁহিয়াৰ আবাদ তুলি লৈ গ'ল।

৭। **কৰ্ম্ম সংস্কৃতি** -বৰ্তমান যুগৰ হাৱাই পৰিবেশ কিছু দূষিত কৰি সাধাৰণ মানুহৰ কৰ্ম্ম প্ৰেৰণা কিছু কমাই দিছে যদিও এতিয়াও এই অঞ্চলৰ ৰাইজ হাল বোৱা, হালবোৱা সামগ্ৰী নিজে তৈয়াৰ কৰি লোৱা, গৰু ম'হৰ গাড়ী চলোৱা, গাড়ী নিজে সজাই লোৱা, দড়ি পকোৱা, বাহৰ আচবাব পত্ৰ তৈয়াৰ কৰা, কাঠৰ প্ৰয়োজনীয় আচবাব তৈযাৰ কৰা, জাল তৈয়াৰ কৰি মাছ মাৰা, পাৰো, হাঁহ, গৰু, ছাগলী, ম'হ, গাহৰী আদি পুহি খোৱা মাংস, কণী আদিৰ চাহিদা পূৰণ কৰি বজাৰত বিক্ৰী কৰি

আৰ্থিক সমস্যাৰ কিছু সমাধান কৰাত এই অঞ্চলৰ ৰাইজ আগ্ৰহী আৰু অভ্যস্ত। এই অঞ্চলৰ বহুসংখ্যক মানুহে ঠেলা গাড়ী, ৰিক্সা আদি চলাই জীৱিকা নিৰ্বাহ কৰা দেখা যায়। কাঠ মিস্ত্ৰি, ৰাজমিস্ত্ৰি, চাইকেল, ৰিক্সা, স্কুটাৰ, মটৰ আদিৰ মেৰামতিৰ কামতো বহু যুৱকে আত্মনিযোগ কৰা দেখা যায়। মাটি কটা, ইটা ভাটাত ইটা তৈয়াৰ কৰিও এই অঞ্চলৰ বহু মতা-তিৰোতা কৰ্ম্ম সংস্থান উলিয়াইছে। মুঠতে এই অঞ্চলৰ মতা-তিৰোতা নিৰ্বিশেষে সকলো সম্প্ৰদায় লোকেই কৰ্ম্মঠ। এই অঞ্চলৰ মানুহৰ সমাজ জীৱন (জাতি বৰ্ণ নিৰ্বিশেষে) বৰ নিষ্কলুষ শাস্ত্ৰ বিগৰ্হিত যিকোনো কুকৰ্মই কোনো ব্যক্তিৰ দ্বাৰা সংঘটিত হ'লে স্মৃতি শাস্ত্ৰত নিৰ্দেশিত ব্যৱস্থাৰে ব্ৰাহ্মন পুৰোহিতৰ হতুৱাই সমাজৰ বিশেষ বিশেষ ব্যক্তিৰ সম্মুখত যথাৰীতি প্ৰায়শ্চিত্ত হৈ সম্ভৱ স্থলত ঘটনাৰ গুৰুত্ব অনুসৰি গধূলি, হৰিলুট দি শুদ্ধ হ'লেহে সামাজিক যিকোনো কাম কাজতে সেইঘৰ মানুহৰ যোগদানৰ অধিকাৰ থাকে। নহ'লে সিমান দিনলৈকে সেই ঘৰ মানুহ (পৰিয়ালৰ প্ৰতিজনেই) সমাজত এঘৰীয়া হৈ থাকে।

পূজা-পাৰ্ব্বন, বিয়া-বাৰু, জনম-মৰণ আদি ঃ-

এই অঞ্চলৰ হিন্দু সম্প্ৰদায়ৰ ধনী দুখীয়া নিৰ্ব্বিশেষে প্ৰতিঘৰ মানুহৰে প্ৰতিদিন পূজা অৰ্চনাৰ নিয়ম আছে। গুৰুৰ শৰণ লোৱা (কিছুমান বয়সত পলমকৈ হ'লেও শৰণ লয়) এই অঞ্চলৰ ৰাইজৰ (পুৰুষ তিৰোতা নিৰ্বিশেষে) অৱশ্যে এটা কৰ্তব্য কৰ্ম্ম। ঘৰত লাগিলে শুৱা ঘৰৰে এচুকত (যাৰ দেৱ গৃহ বেলেগ নাই) হ'লেও এটা মাটিৰ ধাপেৰে লখিমী-সাঁজি প্ৰতিদিন গা-পা ধুই শুদ্ধ বস্ত্ৰ পিন্ধি গুৰুৰ মন্ত্ৰ জপ, ধূপ চাকি জ্বলাই স্থাপিত দেৱ-দেৱীৰ পূজা অৰ্চনা , গধূলি চাকি দিয়া আদি প্ৰতিঘৰ গৃহস্থৰে অৱশ্যে উয্যাপিত কৰ্তব্য কৰ্ম্ম বুলি বিবেচিত। হিন্দু ঘৰত তুলসী গছ থকাতো আৰু প্ৰতিদিন গধুলি তুলসী তলত চাকি দিয়াৰ প্ৰথাও আছে। শালকোচা অঞ্চলৰ বহু পৰিয়ালত বিশেষকৈ ব্ৰাহ্মন পৰিয়াল বিলাকত শালগ্ৰাম শিলাক গৃহ দেৱতা হিচাবে স্থাপন কৰি প্ৰতিদিন দুপৰীয়া পূজা কৰাৰ প্ৰথাও এই অঞ্চলত এতিয়াও চলি আছে।

ৰাজহুৱাভাৱে গাঁও বিশেষে এই বৃহৎ শালকোচা অঞ্চলত বছৰৰ বিভিন্ন সময়ত কেবাখনো গাঁওত সাৰ্ব্বজনীন পূজা পাৰ্ব্বন মেলা আদি হয়। সেই মেলা বিলাকত পুৰুষ মহিলা, ডেকা-বুঢ়া, ল'ৰা-ছোৱালী সকলোৱে মেলা চলি থকা দিনত যোগদান কৰি মেলা উপলক্ষে আয়োজিত গান-বাজনা, খেলা-ধূলা, আমোদ-প্ৰমোদ আদি অনুষ্ঠান বিলাক বিনা অৰ্থ ব্যয়ে (বিশেষ তিৰোতা আৰু ছোৱালী বিলাকে) উপভোগ কৰা, মেলা প্ৰাঙ্গনত বহা দোকান-খামাৰাৰ পৰা প্ৰয়োজনীয় বস্তু কিনা,

মিঠাই আদি দোকানৰ পৰা মিঠাই কিনি মেলা থলিতে বহি খোৱা আৰু ঘৰত খাবৰ কাৰণে মিঠাই আদি কিনা, হোটেল, চাহৰ দোকান, পানৰ দোকান আদিতো মানুহ বিশেষে এভুমুকি মাৰি খাই অলপ আনন্দ উপভোগ কৰাৰ সুযোগ গ্ৰহণ কৰে। সেই অনুপাতে এনেকুৱা ৰাজহুৱা মেলা বিলাকৰ উদ্যোক্তা সকলে মেলাথলিত সৰ্ব্বদিশতে এনেকুৱা নিৰাপত্তা ব্যৱস্থা গ্ৰহন কৰে যেন খুলাভাৱে নিৰ্ভয় মনে আই, বাই, ভনী সকলোৱে মেলা উপভোগ কৰিব পাৰে। গাঠিৰ ধন এই মেলা বিলাকত নিঃশেষ হয় সঁচা কিন্তু গাঁওৰ ঘৰতে বহুদিন ধৰি আবদ্ধ হৈ থকাৰ মানষিক আমনি দূৰ হয়, কিছুমান লাগতিয়াল বস্তু নিজ পছন্দমতে মেলাৰ পৰা কিনা যায়, তাতোকৈ দৰকাৰী-কিছুমান অপ্ৰত্যাশিত ব্যক্তি, আত্মীয় স্বজনৰ লগ পোৱাৰ সুযোগ ঘটে।

শালকোচা অঞ্চলৰ মেলাবিলাক- ১। বাসন্তী পূজাৰ (চৈতাদেবী) মেলা। ভেলুপাৰা গাঁওৰ শব্দৰাম সিংহ এম,ভি, স্কুল প্ৰাঙ্গন সন্নিবিষ্ট ঠাইত ৩ দিন ধৰি গান বাজানা সহিত মেলা অনুষ্ঠিত হয়। শালকোচা অঞ্চলৰ এইখন অতি পুৰণি পূজা অনুষ্ঠান।

২। শ্যামাৰাইপাৰা গাঁওৰ শিব মন্দিৰৰ শিব পূজা - শিবৰাত্ৰিৰ দিনা এদিনীয়াকৈ সাধাৰণভাৱে কেতিয়াবা দুদিনো মেলা থাকে। প্ৰধান উদ্যোক্তা নাথ সম্প্ৰদায়ৰ মানুহখিনি। অনুষ্ঠানটো অতি পুৰণি।

৩। দুধনাথ পাহাৰত শিব-ৰাত্ৰিৰ দিনা দিন জুৰা ব্যৱস্থাৰে শিৱপূজা আৰু মেলা আৰু সেই দুধনাথ পাহাৰ সন্নিকট ব্ৰহ্মপুত্ৰৰ অশোকাষ্টমীৰ দিনা ব্ৰহ্মপুত্ৰত স্নান কৰিবলৈ শালকোচা, চাপৰ, হাকামা, বিলাসীপাৰা, বগৰীবাৰী, ভোটগাঁও, কোকোৰাঝাৰ আদি অঞ্চলৰ পৰা অহা যাত্ৰী বিলাকৰ বিৰাট সমাবেশত ব্ৰহ্মপুত্ৰ স্নান আৰু দুধনাথ শিব পূজা ৰাতিপুৱাৰ পৰা আবেলিলৈকে চলি থাকে। এই মেলাৰ বিশেষত্ব হ'ল যাত্ৰী সকলৰ কিছুমানে দূৰত্বভেদে গৰু বা ম'হৰ গাড়ীত সপৰিয়ালে দুপৰীয়া স্নানান্তে ভাত ৰান্ধি খোৱাৰ ব্যৱস্থা হিচাবে ৰান্ধা-বাঢাৰ সকলো সা-সৰঞ্জম, বহা-মেলাৰ ত্ৰিপাল, কাপোৰ আদি লৈ আহি ব্ৰহ্মপুত্ৰৰ পাৰতে বিভিন্ন পৰিয়ালে বিভিন্ন স্থানত ৰন্ধা-বঢ়া, খোৱা-লোৱা আদি সমাপন কৰিছিল। যেন একোটা পৰিযাল ভিত্তিক সমূহীয়া বন ভোজন। কিছুমান যাত্ৰীয়ে চিৰা, দৈ, মিঠাই(গুড়) আদি লগতে লৈ আহে আৰু স্নানৰ পিছত নৈৰ পাৰত বহি পৰিয়ালৰ সকলো বিলাকে মিলি মহানন্দে দৈ-চিৰা ভোজন কৰি পৰম তৃপ্তি লাভ কৰে। বৰ্তমানে অৱশ্যে যান্ত্ৰিক যুগত মটৰ আদিৰ প্ৰচলনে যাত্ৰীসকলৰ অহা-যোৱাত বহুত সুবিধা কৰি দিছে। ৰাস্তা ঘাটবো বহুত উন্নতি হৈছে।

৪। হাপাপাৰা গাঁওৰ পূবে পাহাৰৰ ওপৰত বুঢ়া-বুঢ়ীৰ থান। অতি পুৰণিকলীয়া প্ৰচলিত অনুষ্ঠান। উদ্যোক্তা হাপাপাৰাৰ বাসিন্দা সকল। সদৌ শালকোচা বাসীৰ অৰিহনা এই পূজাত থাকে। বৰ্তমানে মেলাৰ দিনা শালকোচাৰ বাহিৰৰ বহু দূৰ-দূৰণীৰ মানুহো এই পূজাত যোগদান কৰে। মটৰ যোগে দূৰ দূৰণীৰ পৰা বহু মানুহ এই পূজা চাবলৈ আহে। বহাগ বিহুৰ সময়ত উদ্‌যাপিত এই পূজা আৰু মেলা। বুঢ়া-বুঢ়ী মানে শিব আৰু পাৰ্ব্বতী। গাঁওৰ সৰ্ব্বাঙ্গীন মঙ্গল কামনা কৰি বুঢ়া-বুঢ়ীৰ পূজাৰ দিনাই শিতলা, ৰাখল ঠাকুৰ আদি দেব-দেবীও পূজা কৰা হয়। এই পূজাৰ পিছদিনা বুঢ়া-বুঢ়ী থানৰ সন্নিকট এটা শৃঙ্গত অৱস্থিত অন্নপূৰ্ণা দেৱীৰ পূজা কৰা হয়। গাঁওৰ এই পূজা অনুষ্ঠান অতি পুৰণা। জনবিশ্বাস মতে পূজাৰ দিনা মূল পূজাৰ পিছত সেই পূজাৰে অঙ্গস্বৰূপ মূল মন্দিৰৰ গাতে লাগি থকা এটা বৃহৎ শিলাৰ ওপৰত বেদমন্ত্ৰেৰে পুৰোহিত সমন্বিতে সমাজৰ গণ্য মান্য ব্যক্তি সকলে ১০৮ জনী গাইৰ গাখীৰ ঢালে। এই ১০৮ জনী গাইৰ গাখীৰ এই অঞ্চলৰ ৰাইজে অতি আনন্দমনে যোগান ধৰে। সেই গাখীৰ শিলটোৰ গাৰে বাগৰি শিলটোৰ পাদদেশত নিৰ্দিষ্ট ঠাইত গোট খোৱাৰ ব্যৱস্থা আছে। ধৰ্মপ্ৰাণ দৰ্শক ৰাইজ তলত জমা হোৱা গাখীৰ লবৰ কাৰণে এটা বিশৃঙ্খল অৱস্থাৰ সৃষ্টি কৰি অলপ খায়, মূৰত দিয়ে আৰু ঘৰতো লৈ যায়। গাখীৰ ঢালাৰ পিছতে এই অঞ্চলত বৰষুন হোৱা দেখা যায়। এই ঘটনাৰ কেতিয়াবা ব্যতিক্ৰম হলেও প্ৰায় প্ৰতিবছৰে সেইদিনা বৰষুন হয়। সেই কাৰণে এই অঞ্চলৰ ৰাইজে ধান খেতিৰ সময়ত বৰষুনৰ অভাৱত খেতি নষ্ট হোৱাৰ আশঙ্কা দেখিলে ৰাইজ লগ-লাগি বুঢ়া-বুঢ়ীক পূজা কৰি সেই শিলাত ১০৮ টা গাইৰ গাখীৰ ঢালে আৰু বৰষুনো হয়। বেমাৰ আজাৰত জুৰুলা হৈ বহুতে বুঢ়া-বুঢ়ীক পূজা ভাগ আগবঢ়োৱাৰ মানস কৰি বহু দুৰাৰোগ্য বেমাৰ আৰোগ্য হোৱাৰ ফল পোৱাত বৰ্তমান সময়ত স্থানীয় আৰু বাহিৰৰ বহু দূৰ দূৰান্তৰ মানুহ এই পূজাৰ দিনা বহু টকা-পইচা খৰচ কৰি এই দেৱস্থানত উপস্থিত হৈ দেৱতালৈ সোন, ৰূপৰ মালা, বেলপাত, মেডেল আদি দান আগবঢ়াই মানসিক তৃপ্তি লাভ কৰে। এই বুঢ়া-বুঢ়ীৰ পূজাৰ দিনা পূৰ্ব্বৰে পৰা ধাৰ্য্য তিথি বাৰ নিৰ্বিশেষে প্ৰতি বছৰ বহাগৰ ৪ তাৰিখ কিন্তু যদি এই চাৰি তাৰিখ মঙ্গল বা শনিবাৰ হয় তেনেহ'লে সেইবছৰ বহাগৰ ৫ তাৰিখ পূজাৰ দিন ধাৰ্য্য। মেলা দুইদিন চলে। বৰ্তমানে এই দেৱস্থান পাহাৰলৈ অহা যোৱাৰ কাৰণে ৰাস্তাৰ সু-ব্যৱস্থা হোৱাত বছৰৰ যিকোনো সময়তে ইয়ালৈ যাত্ৰীৰ অহা যোৱাৰ সুচল হৈছে। প্ৰাকৃতিক সৌন্দৰ্য্যত এই ঠাইখন অতি মনমোহা।

৫। প্ৰদীপ টিলাত লক্ষ্মীপূজা - এই টিলাতো ৩১ নং জাতীয় পথৰ কাষত হাতীপোতা গাঁওৰ দক্ষিনে অৱস্থিত। পূজা আৰু মেলাৰ উদ্যোক্তা হাতীপোতা, ইছুলামাৰী, ভোলাপাৰা, একলাপাৰা আদি গাঁওৰ ৰাইজৰ লগত সদৌ দক্ষিন শালকোচা তথা সদৌ শালকোচা বাসী ৰাইজৰ অতি পুৰণি অনুষ্ঠান। শাৰদী লক্ষ্মীপূণিমাৰ দিনা প্ৰধানকৈ মা লক্ষ্মীৰ পূজা অৰ্চনাৰে দুইদিন কেতিয়াবা ৩ দিন ধৰি মেলা চলে।

৬। দোল উপলক্ষে উদ্‌যাপিত সুৱালীৰ মেলা - ফাগুন মাহৰ পূৰ্ণিমা তিথিত শ্ৰী কৃষ্ণৰ দৌল মহৎসৱৰ দিনা শালকোচাত ব্যক্তিগত হিচাবে দক্ষিন শালকোচাৰ শিলডাঙা গাঁওৰ মেধি পৰিয়াল কেইটাত হাতীপোতাৰ মেধী পৰিযালত, পুখুৰীপাৰাৰ গোসাই দুইঘৰত আৰু দামোদৰপুৰৰ চৌধুৰী পৰিয়ালত দৌল মহৎসৱ সামৰ্থ অনুসৰি সম্পন্ন কৰে। সৰ্ব্বসাধাৰণ ৰাইজ ব্যক্তিগত পূজা বিলাকত উৎসাহী নহলেও কিছুসংখ্যক ভক্তপ্ৰাণ ৰাইজ ব্যক্তিগত পূজা বিলাকৰ পূজাথলীত গৈ দেৱতালৈ ফাকু চটিওৱা দেখা যায়। দৌলপূজাৰ পিছদিনা ভাটিবেলা উপবিষ্ট সিংহাসন সমন্বিতে শ্ৰীকৃষ্ণক সুবিধাজনক মুকলি পথাৰত বহাই সৰ্ব্বসাধাৰণ ৰাইজক শ্ৰীকৃষ্ণ দৰ্শন, ফাকুদান আদিৰ সুবিধা দিযে। এই প্ৰথাটোৱেই দেউলৰ সুৱালী (এই অঞ্চলৰ ভাষা) শালকোচা অঞ্চলত ৰাজহুৱাভাৱে সুৱালী হয় । হাপাপাৰা গাঁওৰ বিশেষ শালিভূঁইত অৱস্থিত বিশেষ তদানিন্তন জমিদাৰ নিয়োগী ইষ্টেটৰ প্ৰদত্ত দেৱত্তৰ জমিত। নিয়োগী ইষ্টেটৰ শ্ৰীকৃষ্ণৰ লগত দেওকুৰাৰ ব্ৰাহ্মন পৰিয়ালৰ পূজিত ৰাধাকৃষ্ণ সমন্বিতে সিংহাসন, পুখুৰীপাৰাৰ গোসাই দুইঘৰৰ চৰ্তুভূজ বিগ্ৰহ সমন্বিতে শ্ৰীকৃষ্ণ অধিষ্ঠিত সিংহাসন মুঠতে চাৰিঘৰৰ চাৰিখন সিংহাসনত অৱস্থিত শ্ৰীকৃষ্ণ উল্লিখিত দেবোত্তৰ জমিত বহু ভক্তপ্ৰাণ উপস্থিতিত প্ৰায় দুইঘন্টা ধৰি দেবতালৈ ফাকু ছটিয়াই প্ৰণাম কৰি গুৰু আৰু বয়োজ্যষ্ঠ সকলক সশ্ৰদ্ধ ফাকু দি সমনীয়া সকলৰ লগত ফাকু খেলি আনন্দ উপভোগ কৰে। অলপ সময়ৰ কাৰণে অনুষ্ঠিত জন সমাবেশত সুবিধাবাদী কিছু দোকানীয়ে দোকান দি দুপইচা উৰ্পাজ্জনো কৰে। কিছুদিন আগলৈকে কিছু সংখ্যক মানুহে এই সুৱালী মেলাত লাঠি খেল প্ৰদশন কৰি উপস্থিত সকলৰ মনোৰঞ্জন কৰা দেখা গৈছিল। বৰ্তমানে দেওকুৰাৰ পূজা বন্ধ হৈ বাকী তিনিখন পূজাৰ দেবতা খিনিক লৈ সুৱালীৰ পৰম্পৰা অনুষ্টুপ আকাৰে দায়বদ্ধ হিচাবে ৰক্ষা কৰা দেখা যায়।

৭। গৌৰাংটাৰীৰ পঞ্চমদৌল : দৌল পূণিমাৰ পাচদিনৰ পিছত পঞ্চম দৌল পূজা গৌৰাংটাৰী গাঁওত দুইদিনীয়া মেলাৰে বহুদিনৰ পৰাই চলি আহিছে আৰু প্ৰতিপালিত হৈ আহিছে।

৮। পুখুৰী পাৰাৰ ৰাস পূজা আৰু মেলা - ১৯৩৬ ইং চনৰ আঘোনৰ ৰাস পুর্ণিমাৰ দিনৰ পৰা বৰ্তমানলৈকে পুখুৰীপাৰা ৰাস মন্দিৰত পুখুৰীপাৰা, হাপাপাৰা, কুঠীপাৰা, সুপৰিগুড়ী, সতীপুৰা, কালজানি, আদি গাঁওৰ ৰাইজৰ উদ্যেগত সদৌ শালকোচা বাসী ৰাইজৰ পৃষ্ঠপোষকতাত আঘোনৰ পুণিমাৰ নিশা শ্ৰীকৃষ্ণৰ পূজা অৰ্চনাৰে পুখুৰীপাৰা ৰাস মেলা আৰম্ভনী ঘোষনা কৰা হয়। অৱস্থা আৰু পৰিস্থিতি বিশেষে ৩/৪/৫ দিনলৈকে ইয়াৰ মেলা চৌহদত্ত মেলা হয়। মেলাৰ কেউদিনে দিন -ৰাতি বিৰাট জন সমাবেশেৰে মেলাখনি জনজনাই থাকে। যাত্ৰাগান, থিয়েটাৰ, কুশানগান, চাৰ্কাচ আদি নানা আমোদ প্ৰমোদ, স্থানীয় আৰু বাহিৰৰ পৰা আমদানী কৃত নানা বস্তুৰ দোকান পোহৰ, চাহ, মিঠাই, হোটেল পান দোকান, মনোহাৰী দোকান আদিৰ সমাবেশ এই মেলাতে ঘটে। এই মেলাখনেই শালকোচা অঞ্চলত উয্যাপিত মেলা বিলাকৰ ভিতৰত আটাইতকৈ ডাঙৰ আৰু গাম্ভীৰ্য্যপূৰ্ণ। শালকোচাৰ বহু মানুহ পেটৰ দায়ত বাহিৰত থাকে। এই মানুহ খিনিও বছৰত এবাৰ ছুটিলৈ হ'লেও এই মেলা খনত যোগদান কৰিবলৈ মনেপ্ৰাণে চেষ্টা কৰে।

৯। বামুন গাঁওত লক্ষ্মীপূজাৰ মেলা বিগত ৬০/৬৫ বছৰমান আগৰ পৰা বামুনগাঁওত কাতি মাহৰ লক্ষ্মীপুৰ্ণিমাৰ সময়ত ২/৩ দিনীয়া মেলাৰে সাধাৰণভাৱে এখন মেলা অনুষ্ঠিত হৈ আছে।

উল্লিখিত ৰাজহুৱা ভাৱে উদ্‌যাপিত পূজা মেলা কেইখনৰ বাহিৰেও শালকোচাৰ প্ৰায় প্ৰতিখন হিন্দু বসতি গাঁওতে ৰাজহুৱা কালীথান, ৰাখল ঠাকুৰৰ থান, শিৱ মন্দিৰ, শনি মন্দিৰ প্ৰভৃতি আছে। এই বিলাকত প্ৰতিবছৰে যথাৰীতি পূজা অৰ্চনা হৈ থাকে। কিছুমান কালীথানত পূৰ্ব্বৰ পৰম্পৰা অনুসৰি বাঁহ কাটি, দুদিন ধৰি বাঁহ নচোৱা, দেওধাই তুলি গাঁওৰ মঙ্গলা-মঙ্গল চোৱা আদিৰো অনুষ্ঠান কৰা দেখা যায়।

এই অঞ্চলত মনসা পূজাৰ প্ৰচলন সাৰ্বাধিক।*

আগৰ দিন বিলাকত ল'ৰাই বিয়া কৰাই বোৱাৰী লৈ ঘৰত আহিলে ভৰণ পোষণৰ কাৰণে চিন্তা ল'ৰাৰ নাছিল। একান্নভুক্ত পৰিয়ালত সবৰে যুটীয়া প্ৰচেষ্টাত সংগৃহীত আয়ৰ দ্বাৰাই সংসাৰ পৰিচালিত হৈছিল। বৰ্তমান দিন বিলাকত-একান্নভুক্ত পৰিয়াল নাই কাজেই দৈনন্দিক ভৰণ-পোষণৰ কাৰণে নিজৰ চিন্তা প্ৰত্যেকেই কৰিব লগাত পৰিছে। আনহাতে বিয়াৰ কাৰণে বৰ্তমানে আমাৰ দেশৰ চৰকাৰৰ আইন অনুসৰি দৰাৰ বয়স ২২ বছৰৰ বেচি হব লাগে আৰু ছোৱালীৰ বয়স ১৮ বছৰৰ কম

হব নোৱাৰাৰ কাৰণে তেওঁলোকৰ ভৱিষ্যৎ জীৱনৰ কৰ্ম্মপন্থা, ব্যক্তিগত পছন্দ-অপছন্দ ইত্যাদি বিলাক চাই চিন্তি নিজ নিজ সুবিধামতে ব্যক্তিগতভাৱে মন মিলা ল'ৰা ছোৱালী বিলাকে নিজৰ মতত পিতৃ-মাতৃ আত্মীয় স্বজন অভিভাৱক আদিক সৈমান কৰাব নোৱাৰিলে নিজ ইচ্ছামতে চৰকাৰী পঞ্জীয়ন কাৰ্য্যালয়ত বা কোনো স্বীকৃত প্ৰাপ্ত দেৱ-দেৱী থানত কিছু বন্ধু বান্ধব, বান্ধবীৰ সহায় সহযোগত বিবাহ কাৰ্য্য সম্পন্ন কৰাব। এই প্ৰথাৰ বিবাহকে কয় বিয়া কৰোৱা অৰ্থাৎ বিবাহ কৰ্ম 'কৃ' ধাতুৰ দ্বাৰা সম্পন্ন কৰোৱা। বিবাহৰ অত্ৰ উল্লেখিত পদ্ধতি এতিয়ালৈকে সাৰ্ব্বজনীন নহলেও সাৰ্বজনীন হোৱাৰ পথত। এই পদ্ধতিৰ বিবাহ বিলাকত ল'ৰা ছোৱালী উভয় পক্ষৰ পিতৃ-মাতৃ সমন্বিতে পৰিযাল বিলাকৰ ল'ৰা-ছোৱালী বিলাক তেওঁলোকৰ কথা নুশুনি কাৰ্য্য কৰাৰ কাৰণে ল'ৰা ছোৱালীযে নিজ ঘৰত আশ্ৰয় নাপায় আৰু নিজাকৈ কিবা ব্যৱস্থা কৰি আত্মীয় স্বজনৰ সান্নিধ্যত থাকিবলৈ বাধ্য হয। মনত দুখ পালেও কিছুক্ষেত্ৰত বোৱাৰী সমন্বিতে লৰাক নিজ ঘৰত পিতৃ-মাতৃয়ে নিজ ঘৰত আশ্ৰয় দিযে। এনে ক্ষেত্ৰত ছোৱালীজনী কিছুদিন অতি মনোকষ্টত দিন কটাই নিজ গুনত পৰিয়ালৰ মন জয় কৰি সুগৃহিনী হোৱাৰ নজিৰও সমাজ বিলাকত নথকা নহয। এনেকুৱা বিযা বিলাকৰ কিছুমান ক্ষেত্ৰত ভৱিষ্যৎ সুখপ্ৰদ নহয এনেকি বিবাহ বিচ্ছেদ হোৱাও দেখা যায়। ভাল পাই নিজে নিজে বিবাহ পাশত আবদ্ধ হোৱা প্ৰথাটো প্ৰাচীন কালৰে পৰা এতিয়ালৈকেপ্ৰচলিত ব্যয়বহুল দীঘলীযা দিন ধৰি চলা পদ্ধতিতকৈ ভাল বুলি দেখুওৱা পদ্ধতিতকৈ ভাল বুলি অকাট্য যুক্তি বিলাক নুই কৰিব নোৱাৰি। এই পদ্ধতিত বৰ্তমান প্ৰচলিত শিক্ষা পদ্ধতিৰো কিছু অৰিহনা আছে। যুগে ইয়াৰ সঠিক গতি নিৰ্দ্ধাৰণৰ্ব্ব নেতৃত্ব দিব।

জনম মৰণ ঃ- দেশৰ জনগাঁথনি অনুসৰি সুবিধা সন্ধানী জনগন সুচল ঠাই অনুসৰি একো একোটা অঞ্চলত বসবাস কৰিবলৈ লৈছিল। জীৱ শ্ৰেষ্ঠ দেশৰ মানব সম্পদ থকা ঠাই বিলাক চিনাক্ত কৰণৰ কাৰণে দেশ, ৰাজ্য, জিলা, থানা, মহকুমা অঞ্চল আদি হিচাবে ভগাই একেবাৰে সৰু অংশটোক গাঁও বা চুবা হিচাবে বিভক্ত কৰি সমাজ জীৱনৰ পাতনি মেলি বসবাস আৰু কিছুমান গাঁওত একে বংশৰে একে উপজাতিৰ মানুহৰ বসবাস আৰু কিছুমান গাঁওত মিশ্ৰিত জনগোষ্ঠীৰ মানুহৰ বসবাস দেখা যায়। শিক্ষিত বয়সীয়াল ব্যক্তি সকলৰ নেতৃত্বত গাঁও বিলাক পৰিচালিত হৈছিল। সকলোৰে আস্থাভাজন ব্যক্তি সকলৰ ওপৰত গাঁও বিলাকৰ পৰিচালনাৰ নেতৃত্ব দিয়া হৈছিল। ধৰ্মৰ ওপৰত সম্পূৰ্ণ বিশ্বাস ৰাখি হিন্দু সমাজ পৰিচালিত হৈছিল। সমাজৰ দুষ্ট প্ৰকৃতি মানুহ সকলক বৈদিক ব্যৱস্থাৰে শাস্তি বিহি সমাজ শাসন কৰা

হৈছিল। গাঁওবাসীৰ পাৰস্পৰিক সহায়-সহযোগৰ মাধ্যমেৰে দৈনন্দিক জীৱন-যাপনৰ সুখ শান্তিৰে অতিবাহিত কৰিছিল। জাতিভেদে জন্ম মৃত্যুত অশৌচ পালনৰ দিন নিৰ্দ্ধাৰিত আছিল আৰু বৰ্তমানেও আছে। এনেকুৱা বিপদতো গাঁওৰ সকলো শ্ৰেনী আৰু বয়সৰ মানুহে শাৰীৰিক আৰু আৰ্থিক অৱস্থাভেদে দিনে-ৰাতি সহায়-সহযোগিতা আগবঢ়াই মানুহ ঘৰক বিপদ মুক্ত কৰি দিয়াই গাঁওবাসী তথা সমাজৰ কৰ্তব্য আছিল।

আই মাতৃ প্ৰকৃতি দেৱী স্বয়ং সন্নিধিষ্ঠা হৈ শালকোচাৰ ৰক্ষক হিচাবে চতুৰ্দ্দিশে ৰক্ষক নিযুক্তি দি সুৰক্ষাৰ ব্যৱস্থা কৰিছিল আৰু নিজে অধিষ্ঠাত্ৰী হিচাবে সমাজ জীৱনৰ শিক্ষা দীক্ষা আচাৰ পদ্ধতিৰ শিক্ষিকা স্বৰূপ এই অঞ্চলৰ ৰাইজৰ ব্যৱহাৰিক জীৱনত পাৰদৰ্শি কৰি দেশৰ লগত খোজ মিলোৱাত সহায় কৰিছে। পাহাৰ, ভৈযাম, বিল, সুতি, নালা নৰ্দ্দমাৰে পৰিপূৰ্ণ জমিভাগ আইঠালী মাটিৰে সৃষ্ট বিস্তীৰ্ন অঞ্চল স্বচক্ষুৰে চাবৰ মানসেৰে ভ্ৰমন ৰতা অৱস্থাত প্ৰকৃতি সম্ভৱা নানা তৰহৰ জীৱ-জন্তু, বৃক্ষলতা আদিৰ মাতৃ 'শালকোচা' হঠাতে পিচল খাই চিতৰ হৈ পৰি গ'ল। মূৰটো পৰিল উত্তৰ দিশত অৱস্থিত-

(১) **সুউচ্চ বৌকুমাৰী পাহাৰৰ চূড়াত**, কোটিদেশ পৰা ঠাইতে উৎপত্তি হ'ল ডিপ্লাই বিল, সোঁবাহু প্ৰসাৰিত হৈ পৰিল পশ্চিম সীমান্তবৰ্তী গৌৰাং নৈৰ পাৰলৈকে, বাঁও হাতখন সম্পূৰ্ণ সম্প্ৰসাৰিত হব পৰা নাছিল, কিলাকুটিলৈকে সম্প্ৰসাৰিত হোৱা অৱস্থাতে সস্ত্ৰীক ভূতনাথে কথাটো বিষম দেখি দৌৰি আহি কিলাকুটিৰ ওচৰতে সমভূমিৰ অলপ ওখ এটা টিলাত (হাপাপাৰা গাঁওৰ পূব দিশত)

(২) **বুঢ়া-বুঢ়ী** হিচাবে বহি মাতৃৰ এনেকুৱা বিপন্ন অৱস্থাত মাতৃ সেৱাত নিযুক্ত হ'ল। বাঁও ভৰিখন সম্প্ৰসাৰিত হৈ শালকোচাৰ দক্ষিন সীমা ব্ৰহ্মপুত্ৰ নদৰ কাষলৈকে চান্দৰ ডিঙা পাহাৰ চুলেগৈ। তাতে সদাশিৱ নিজে চান্দৰডিঙা পাহাৰৰ পাদদেশত প্ৰত্যক্ষ সূৰ্য্যদেৱৰ তীব্ৰ ৰশ্মিৰ সন্মুখত ব্ৰহ্মপুত্ৰৰ শীতল বতাহৰ পৰশত শীত গ্ৰীষ্ম সকলো ঋতুত পাগালা বাবা ৰূপে

(৩) **পাগলা থানত** সদা জাগ্ৰত থাকি মাতৃৰ চৰণ সেৱা কৰি আছে অৱশিষ্ট সোঁ ভৰিখন টোকোৰাবান্ধা পাহাৰে বাধা দিয়াত এই পাহাৰৰ পূব মুৰেদি দীঘল হৈ পৰি ব্ৰহ্মপুত্ৰৰ পাৰ চুলেগৈ শালকোচাৰ ভূখণ্ডৰ দক্ষিন সীমান্তত। মাতৃ সেৱাব্ৰতী শিৱ মাতৃ সেৱাত অধিষ্ঠিত হ'ল ব্ৰহ্মপুত্ৰৰ পানীয়ে ভহাই লৈ যাব নোৱাৰা টিলা সদৃশ পাথৰৰ ওপৰত

(৪) **দুখনাথ** লৈ আৰু মাতৃৰ সোঁ ভৰিৰ কাষত বহি কৰ্তব্য পালনত ব্ৰতী হ'ল।

শালকোচা মাতৃৰ এনে বিপদৰ দিনত মাতৃক বচাবলৈ আৰু তেওঁৰে সৃষ্ট শালকোচাৰ জীৱ-জগতক মাতৃ বিয়োগৰ পৰা ৰক্ষা কৰিবলৈ প্ৰকৃতিদেৱী ভীষন আৰু অতি ক্ষিপ্ৰতাৰে শালকোচাত সৃষ্টি হ'ল আন এক তীৰ্থৰ। যোৰ নাগাৰাৰ বাদ্যত ধ্বনিত শালকোচাৰ পূবসীমাত অৱস্থিত ধীৰ বিলৰ গভীৰ জলৰাশিত প্ৰতিধ্বনিত হ'ল শালকোচা মাতৃৰ বিপন্নাৱস্থাৰ বাতৰি আৰু সেৱক ৰূপে মহাদেৱৰ বিভিন্ন স্থানত বিভিন্ন নামত অৱস্থানৰ কথা। মাতৃৰ পতন বৰ বেয়াকৈ হোৱাৰ কাৰণে জীৱনাৱসানৰো কিছু আশঙ্কা কৰি প্ৰতিকাৰ স্বৰূপ মাতৃৰ বক্ষস্থলৰ কাষতে

"গীতা পুস্তক সংযুক্তঃ প্ৰাণাংস্ত্যক্তা প্ৰয়াতি যঃ
স বৈকুণ্ঠ মবাপ্নোতি বিষ্ণুনা সহ মোদতে।।

মাতৃৰ মুক্তি কামনাৰ কাৰণে গীতা, ভাগৱত, কীৰ্ত্তন, আলোচনা আদিৰ কেন্দ্ৰস্থল (৫) শালকোচাৰ দামোদৰ ধাম (পুখুৰীপাৰা) অৱস্থিত। সেয়ে শালকোচা আজি পঞ্চতীৰ্থ।

বৌকুমাৰী পাহাৰৰ শৃঙ্গত অৱস্থিত (ডিপ্লাই মাৰু অথবা ধলাশিল বুলি সৰ্ব্বজন বিদিত) শিৱৰ স্থিতি সৰ্ব্বজন স্বীকৃত কিন্তু শিৱৰ পূৰ্ণ ৰূপ এতিয়াও অজ্ঞাত। এই দিশত সুধি সমাজত এতিয়াও চিন্তা-চৰ্চা চলি আছে। বৰ্তমানে জনবিশ্বাস মতে প্ৰতিবছৰে দৌল পূজাৰ মটিয়া হোলীৰ দিনা এই সুউচ্চ শৃঙ্গত বহু ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত এদিনীয়াকৈ শিৱ-যজ্ঞ সম্পন্ন কৰা হয়।

সেয়ে মহামহিমান্বিত, বেদ বিধিৰে ৰক্ষিত ব্ৰাহ্মন সজ্জনেৰে পূজিত এই শালকোচা অঞ্চলৰ অধিবাসী প্ৰতিজন আবাল-বৃদ্ধ-বণিতাৰ গৌৰবৰ থল শালকোচা। শালকোচাক শিৱস্থান বুলিও কব পাৰি।

"জননী জন্ম ভূমিশ্চ স্বৰ্গাদপি গৰিয়সী"।।

জয়তু শালকোচা বাসী, জয়তু আই মাতৃ শালকোচা।

---

* শালকোচাত দুৰ্গা পূজা উদ্‌যাপন শ্ৰীগ্ৰাম বৰুৱা ইষ্টেটৰ নিজাববীয়া আছিল। বিগত প্ৰায় পঞ্চাচ বছৰ ধৰি সাৰ্বজনীন ভাৱে শালকোচাত একমাত্ৰ অনুষ্ঠান ৰূপে উদ্‌যাপিত হৈ আহিছে। পূজাৰ লগতে তিনিদিনীয়া মেলা এখনো প্ৰতি বছৰি হৈ আছে।

দ্বিতীয়তে, দ্বাৰশীলা থানত কালীপূজা মেলাৰে সৈতে বহুদিনৰে পৰা উদ্‌যাপিত হৈ আহিছে।

প্ৰবন্ধটোত এই দুটা উৎসৱ বাদ পৰি যোৱাত উল্লেখ কৰা হ'ল।

সম্পাদক।

সাঁথৰ

- মনালিছা বৰুৱা
শ্ৰীগ্ৰাম

১। চিত্ৰপখীৰ বুকধলা, তাৰ নাই এক ফালা?

২। গাঁও ধুম ধুম, একটা হাৰা?

৩। শিং কেকেৰী গাই, ঘাটে ঘাটে পানী খাই?

৪। মধ্য নদীত পোনাৰে ভাসা, ছাবায়-ছোটয় কৰে আশা?

৫। ইৰিকিটি মিৰিকিটি, নাই চচা-নাই বিচি?

৬। এনু এনু এনু, ধৰিবাৰ নাই ঠেনু?

৭। মধ্য নদীত ফেলাইলুং ছাই, ভসিযা উঠিল কালা গাই?

৮। ইফালেৰ পাৰায় উফালত যায়, ঘিকিত কৰিয়া পানী খায়?

৯। চেচায় তো চেচায়, হাতী চেচায়?

১০। জংলেৰ পাৰায় ওলাইল টিয়া, সোনাৰ টুপী মাথাত দিয়া?

১১। বাপ খসঙা মাও খসঙা, বৌ সুন্দৰী - বেটী দাদুৰী?

১২। নাই খাইতে গলাত ধৰে?

১৩। চুণ-তাংখু - গুৱাপাণ, ভাতাৰ-তিৰীৰ বাইশ খান কাণ?

১৪। চাৰি টকাত হাতী, আধলি প্ৰতি ঘোঁৰা।
প্ৰতি সিকিত ভেৰা, কুৰি টাকাত কুৰিটা
লেখি কোৱা কোন কতটা?

১৫। বেদ পক্ষে ঋষি ব্ৰহ্মা নিৰূপিলা
এই শকে বাম গতি গ্ৰন্থ ৰচিলা।

১৬। চিত্ৰটোত কেইটা আয়ত আছে -



উত্তৰ সমূহ ঃ-

১। আঁখৈ, ২। ধানখেৰৰ পুঁজি, ৩। বৰশী, ৪। ভাতৰ চৰুত উতল উঠা, ৫। নিমখ, ৬। কণী, ৭। পানী-জোক, ৮। নাও, ৯। বন্দুক, ১০। কল ফুল, ১১। কঁঠাল, ১২। ঘটি, ১৩। ৰাবন-মন্দোদৰী,

১৪। হাতী =	৩ টা	মূল্য =	১২ ০০ টকা
ঘোঁৰা =	১৫ টা	মূল্য =	৭ ৫০ টকা
ভেৰা =	২ টা	মূল্য =	০ ৫০ টকা
	২০ টা		২০.০০ টকা

১৫। বেদ = ৪   ১৬। ৩ ৬ টা আয়ত।

পক্ষ = ২

ঋষি = ৭

ব্ৰহ্মা = ১

১৭২৪ শক

(১৪ নং আৰু ১৫ নং অসমত বহুল প্ৰচলিত 'কাইঠেলী' অঙ্ক।)

শালকোচা অঞ্চলৰ পুৰণি কালৰ সাহিত্য চৰ্চাৰ মেজ্ঞলৈ

বিশ্বজিৎ গোস্বামী

পুখুৰীপাৰা

(তাহানিৰ শিক্ষা ব্যৱস্থা আৰু শিক্ষাৰ প্ৰসাৰ শীৰ্ষক উপসংহাৰ সহ)

পাতনি ঃ

'নতুন প্ৰাণৰ ন চকুযুৰি
দীপিতি ঢালিদে তাত,
পুৰণি পৃথিবী নকৈ চাই লওঁ
হে বীণ এবাৰি মাত।'

('বীণ বৰাগী'- লক্ষ্মীনাথ বেজবৰুৱা)

আপুনি কেতিয়াবা সময় যানেৰে (Time machine) অতীত কালত পৰিভ্ৰমন কৰাৰ প্ৰস্তাৱ পাইছেনে? মই পইছিলোঁ, 'অসম সাহিত্য সভা'ৰ শালকোচা শাখাই 'কালিদহ' নামেৰে শালকোচা অঞ্চলৰ এখন মুখপত্ৰ প্ৰস্তুত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি, মোক যেতিয়া পুৰণি কালত শালকোচা অঞ্চলত হোৱা সাহিত্য চৰ্চাৰ বিষয়ে প্ৰবন্ধ এটি লিখিবৰ বাবে দায়িত্ব অৰ্পণ কৰিছিল তেতিয়াই মোৰ নিজকে সময় যানেৰে অতীতলৈ পৰিভ্ৰমন কৰাৰ প্ৰস্তাৱ পোৱা যেন লাগিছিল। আপাত দৃষ্টিত কামটো সহজ যেন অনুভৱ হৈছিল। বিভিন্ন সমলৰ সহায়েৰে অতীতলৈ গুচি যাম- ঘূৰি আহি তাৰ পৰা বুটলি অনা তথ্য সমূহ আপোনাসবৰ সন্মুখত পৰিবেশন কৰিম - ভ্ৰমন কাহিনীৰ দৰে। পিছতহে বুজিলো কামটো দুস্কৰ। সাধাৰণতে অচিনাকি ঠাই এখনলৈ গ'লে প্ৰয়োজন হয় এজন পথ পদৰ্শক বা কমপক্ষেও এখন নিৰ্দ্দেশক আৰু তথ্য পুস্তিকা। মোক প্ৰাচীনলৈ কৰা ভ্ৰমনত প্ৰয়োজন হোৱা প্ৰদৰ্শক জনৰ

অভাৱ অতিকৈ অনুভৱ কৰিছিলো। তাৰোপৰি তেতিয়াৰ দিনৰ কথা সমূহৰ (শালকোচা অঞ্চলৰ) কোনো তথ্য-পুথিও পাবলৈ নাই। এই কাৰ্য্যত মোৰ ক্ষেত্ৰত থকা একমাত্ৰ যোগাত্মক দিশটো হ'ল, জন্ম-সূত্ৰই অসমৰ পশ্চিম প্ৰান্তৰ ধুবুৰী জিলাৰ অন্তৰ্গত বিলাসীপাৰা মহকুমাস্থিত এই শালকোচা ঠাইখনৰ ভৌগলিক অৱস্থানৰ লগত আৰু ইয়াত প্ৰচলিত উপ-ভাষাৰ লগত মই পৰিচিত। আনহাতে মোৰ ক্ষেত্ৰত থকা প্ৰধান অসুবিধাটি হ'ল, বিজ্ঞানৰ ছাত্ৰ হিচাবে নিজকে গঢ় দিয়াৰ প্ৰচেষ্টা কৰোঁতে সাহিত্য কলাক এলাগী কৰি থৈ সেই বিষয়ত সামান্যতম জ্ঞান আহৰণ কৰাৰো চেষ্টা কৰা নহ'ল। গতিকে উপলব্ধি কৰিলো যে, আগতে কিঞ্চিত হলেও সাহিত্যৰ অ, আ, শিকিবই লাগিব। কথাতে কয়, যিমানেই জ্ঞানৰ ওচৰ চপাৰ চেষ্টা কৰিব সিমানেই অজ্ঞানতাকেই বিচাৰি পাবা।' সাহিত্যৰ আদি পাঠ লবলৈ কৰা দুদিনীয়া প্ৰচেষ্টাত মোৰ জ্ঞানৰ পৰিধি কমিলহে যেন লাগিছে। মোৰ জ্ঞানৰ তৰলতাক প্ৰকাশ কৰিবলৈ উক্ত দিন কেইটিৰ প্ৰাপ্তি খিনি আপোনালোকৰ আগত ডাঙি ধৰিলো।

প্ৰথমতে বিচাৰিছিলো সাহিত্যৰ সংজ্ঞা। সাহিত্যানো কাক কয়। "লেখিলেই সাহিত্য নহয়। ঠিক যেনেকৈ আকিলেই ছবি নহয়। আমি জানো যে নেওতা পুথি, পঞ্জিকা, ৰন্ধন প্ৰণালীৰ পুথি কোনো প্ৰকাৰেই সাহিত্য নহয়। ঠিক সেইদৰে, নতুনকৈ কিনা কিবা যন্ত্ৰপাতিৰ লগত দিয়া নিৰ্দ্দেশিকাখন পুথি হ'লেও সাহিত্য নহয়। কিতাপৰ কোম্পানীয়ে যোগান ধৰা পুস্তক তালিকাই সাহিত্যৰ সংবাদ যোগালেও, সেয়া সাহিত্য নহয়। সাহিত্যে বুলি কলে, আমি সেইবোৰ ৰচনাকে বুজো, য'ত বিষয়বস্তু আৰু পৰিবেশন ৰীতিৰ লগতে মানবীয় আগ্ৰহৰ কিবা এটা সম্পৰ্ক আছে। ঋষি অৰবিন্দই কৈছে 'ই হ'ল, নান্দনিক দৃষ্টি বোধ আৰু পৰিপূৰ্ণ সম্পাদন দক্ষতাৰ পৰিবেশত চেতনাৰ অভিব্যক্তি।" সহজকৈ কবলৈ হ'লে, সত্য আৰু সুন্দৰৰ বোল সনা জীৱন অভিজ্ঞতাৰ প্ৰকাশেই সাহিত্য।" (মহেন্দ্ৰ বৰা।)

দ্বিতীয়তে আহিল বিভাগ সমূহ। যিহেতু তাহানিৰ দিনৰ এই অঞ্চলত সংস্কৃতৰ প্ৰচলনহে অধিক আছিল সেয়ে সংস্কৃত সাহিত্যৰ বিভাগ সমূহলৈকে প্ৰথমতে চকু দিছিলো। দিশ আৰু যুগ অনুসৰি সংস্কৃত সাহিত্যক বহু ভাগত ভাগ কৰা হৈছে। যেনে ঃ- ১। বৈদিক যুগ, ২। মহাকাব্য সমূহ, ৩। কালিদাস পূৰ্ব্ব কাব্য যুগ, ৪। কালদাস যুগ, ৫। কালিদাসোত্তৰ কাব্য, ৬। গীতি কাব্য, ৭। পদ্য কাব্য, ৮। চম্পু কাব্য, ৯। গল্প, ১০। দৃশ্য কাব্য , ১১। ঐতিহাসিক কাব্য, ১২। ব্যাকৰণ, ১৩। জ্যোতিষ, ১৪। ধৰ্ম্মশাস্ত্ৰ, ১৫। উপবেদ, ১৬। দৰ্শন। উল্লেখনীয় যে, বৈদিক সংস্কৃতৰ পৰা পাণিনিৰ দ্বাৰা নিয়ন্ত্ৰিত সংস্কৃতৰ পাৰ্থক্য আছে। এই পাৰ্থক্যৰ বাবে সংস্কৃত ভাষাক

দুই ভাগত ভাগ কৰা হৈছে- ১। বৈদিক আৰু ২। শাস্ত্ৰীয়। এতিয়া আহিছো অসমীয়া সাহিত্যৰ বিভাগলৈ। পিছে প্ৰবন্ধটোৰ আকাৰ বৃহৎ হোৱাৰ পৰা ৰক্ষা পাবলৈ এই বিভাগ সমূহে উল্লেখ কৰাৰ পৰা নিজকে বিৰত ৰাখিছো।

এনেকুৱা কিছুমান সৰু সৰু কথা জানিলৈ তাহানিৰ সাহিত্য চৰ্চ্চাৰ মেৰ্জলৈ যোৱাৰ প্ৰচেষ্টা ঠিক বিশাল সাগৰত কলগছেৰে সজা সৰু ভুৰ লৈ কৰা যাত্ৰাৰ লগত ৰিজাব পাৰি। গতিকে আশা বান্ধি লৈ গৈও প্ৰাপ্তি একো নহ'ল।

সোৱনশিৰি মুখলৈ গৈছিলো লাহৰী
সোণ কমাওগৈ বুলি,
এতিয়া লাহৰী উভতি আহিলো
হাতত লৈ এমুঠি বালি।
(বনগীত)

পুৰণি কালৰ সাহিত্য চৰ্চ্চাৰ বিষয়ে লিখনি আৰম্ভ কৰাৰ আগতে পুৰণি কালটিৰ এটি সীমাৰেখা আঁকি লোৱাটো ভাল হ'ব। পুৰণি কাল বুলি কলে কিমান চনলৈকে সাঙুৰি লম সেয়া এটা ডাঙৰ প্ৰশ্ন হৈ মোক আমনি কৰিছে। অসমীয়া লিখিত সাহিত্যৰ আৰম্ভনিৰ পৰা খৃষ্টাব্দ ১৮২৬ চন পৰ্য্যন্ত ৰচিত হোৱা সাহিত্য ৰাজিক সাধাৰণ ভাবে পুৰণি অসমীয়া সাহিত্য বোলে। মই বাচি লোৱা বিষয়টিত আকৌ অসমীয়াৰ লগতে সংস্কৃত সাহিত্যও আছে। বহুত গুণা-গথাৰ পিছত ঠিৰাং কৰিলো যে, যিহেতু 'শালকোচা শাখা সাহিত্য সভাই' পাহৰণিৰ গৰ্ভত হেৰাই যাব ধৰা তথ্য বা ঘটনা সমূহ লিপিবদ্ধ কৰিবলৈ বিচাৰিছে, সেয়ে মোৰ এই লিখনিত মই নৱযুগৰ বহুখিনি সাঙুৰি লোৱা ভাল হ'ব। বিশেষকৈ যি সময় খিনি পাহৰণিৰ গৰ্ভত যাবলৈ বৰ বেছি সময় নাই। সীমা ৰেখাৰ প্ৰয়োজন পুৰাবলৈ মই অসমৰ ভাষা আন্দোলনৰ বছৰটিৰ (অৰ্থাৎ খৃষ্টাব্দ ১৯৭২ চন) আগলৈকে আলেচনা কৰাৰ ঠিৰাং কৰিলোঁ।

পঞ্চ পণ্ডিতৰ দেশ বুলি পৰিচিত এই শালকোচা ঠাইখনত যে সাহিত্য চৰ্চ্চাৰ মান অতি উন্নত আছিল সেয়া ধ্ৰুৱপ। পিছে * ৰমানাথ বিদ্যালঙ্কাৰ, * বিশ্বেশ্বৰ স্মৃতিৰত্ন, * সৰ্ব্বেশ্বৰ বিদ্যাৰত্ন, *ষড়ানন ন্যায় তৰ্কতীৰ্থ, * অখিল চন্দ্ৰ স্মৃতি ব্যাকৰণ তীৰ্থ আদি প্ৰাতঃ স্মৰণীয় পণ্ডিত সকলৰ সংগ্ৰহালয় আৰু সৃষ্টি ৰাজিৰ যি অৱশেষ খিনি এতিয়াও বিচাৰি পোৱা যায়, হাতেলিখা পুথি সমূহৰো অধিকাংশই হয় নষ্ট হৈ গৈছে নতুবা হেৰাই গৈছে। তাৰোপৰি প্ৰাপ্ত পুথি সমূহৰো বহুখিনিয়ে 'কায়থালী'

(ব্রাহ্মী) লিপিত থকা বাবে আৰু অসমীয়া লিপিত থকা সমূহো মোৰ অপৈণ হাতৰ পৰশত নষ্ট হৈ যোৱাৰ ভয়তে ভালদৰে পঢ়ি চাব পৰা নগল। এই অভাজনে নিজৰ সীমিত জ্ঞানৰ পৰিসীমাৰ ভিতৰতে কায়থালী লিপিত থকা পুথি সমূহৰ অধিকাংশৰ নাম আৰু লিখকৰ নামটিক পাঠোদ্ধাৰ কৰিব পাৰি নিজকে ধন্য মানিছো। কিন্তু পুথিসমূহ লিখা চন, তিথি-নক্ষত্ৰ, চাৰি-বেদ আদি) ব্যৱহাৰ কৰা বাবে বেছিভাগ ক্ষেত্ৰতে চন/তাৰিখ দি পাঠোদ্ধাৰ কৰিব পৰা নগল। তাৰ বাবে মই ক্ষমা প্ৰাৰ্থী।

সাহিত্যৰ বিভাগ সমূহৰ আলোচনা ব্যাকৰণৰ মাজেদিয়ে পাতনি মেলিছোঃ- ভাষাৰ বিশুদ্ধতা সংৰক্ষনেই ব্যাকৰণৰ উদ্দেশ্য। "বেদক পুৰুষাকাৰ কল্পনা কৰি ব্যাকৰণক সেই বেদ পুৰুষৰ মুখ স্বৰূপ বুলি কোৱা হৈছে (মুখং ব্যাকৰণং স্মৃতম)। শিক্ষা, কল্প, ব্যাকৰণ, ছন্দঃ, নিৰক্ত, জ্যোতিৰ এই ছয়টি শাস্ত্ৰ বেদ পুৰুষৰ ষডঙ্গ। ইয়াক আয়ত্ব কৰিলে বেদাৰ্থৰ বোধ হয় আৰু সেয়েহে এইবোৰক সাঙ্গ-বেদাধ্যয়ন বুলি কোৱা হয়। এই সাঙ্গ বেদাধ্যয়ণ প্ৰাচীন কালত প্ৰত্যেক ব্ৰাহ্মণ-সন্তানৰ অৱশ্যে কৰ্ত্তব্য ৰূপে পৰিগনিত হৈছিল।" (সংস্কৃত সাহিত্যৰ জিলিঙনি, কামাখ্যা চৰণ ভাগৱতী, প্ৰকাশ- ১৯৮৮, পৃষ্ঠা-২৫০)। সেয়েহে এয়া স্পষ্ট যে তাহানি কালত শালকোচা অঞ্চলৰে ব্যাকৰণ চৰ্চ্চা অতি উন্নত মানৰ আছিল। এই ক্ষেত্ৰত প্ৰথমেই ˚ৰমানাথ বিদ্যালঙ্কাৰ দেব বিৰচিত ব্যাকৰণ 'প্ৰযোগ ৰত্নমালা'ৰ কথা উল্লেখ কৰিব পাৰি। এই ব্যকৰণ খন সহজ গম্য হোৱা বাবে এসময়ত ই বহুল প্ৰচলিত আছিল (ছপা কৰিও প্ৰকাশ কৰা হৈছিল)। ইয়াৰ উপৰিও তেখেতে লিখা প্ৰয়োগ ৰত্নমালা, প্ৰকীৰ্ণ বিন্যাস' 'ষট্ কাৰক প্ৰয়োগ', 'দ্বন্দ কাৰক দ্ব্যৰ্থ বিধি', 'কুৎসৰোষ্টবিন্যাস', 'শব্দ বিচাৰ'; ˚বিশ্বেশ্বৰ স্মৃতিৰত্ন দেৱ আৰু ˚সৰ্ব্বেশ্বৰ বিদ্যাৰত্ন দেৱৰ সংগ্ৰহালয়ৰ 'সিদ্ধান্ত বাগীচ ভট্টাচাৰ্য্য বিৰচিত ব্যাকৰণ কৌমুদী, দ্বিতীয়াদি বুৎপত্তি বিচাৰ' আদি কিতাপ সমূহৰ কথাও বিশেষ ভাৱে উল্লেখ কৰিব পাৰি।

দ্বিতীয়তে আহোঁ মহাকাব্য আৰু খণ্ড কাব্যৰ কথালৈ ঃ- ৰামায়ন, মহাভাৰতক বা ইয়াৰ অংশ সমূহক মহাকাব্য আৰু তাৰ অংশক খণ্ড বাক্য বুলি কোৱা হয়। পিছে মই এই শিতানতে পুৰাণ সমূহকো (নীতি-বহিঃ ভূত ভাৱে হলেও) আলোচনা কৰিব বিচাৰিছো। আমাৰ শালকোচা অঞ্চলৰ হিন্দু ধৰ্মাবলম্বী লোক সকলৰ মাজত বৰ্তমানে মহাকাব্য সমূহ (ছপা কৰা কিতাপ ৰূপে) সংগ্ৰহ কৰাৰ প্ৰৱনতা দেখা যায়। ভৰতবৰ্ষত ছপাশালৰ বহুল প্ৰচলন হোৱাৰ আগতে সাঁচিপাত আদিত লিখি সংগ্ৰহ কৰা মহাকাব্য আৰু পুৰাণ সমূহৰো কেইবাখনো কিতাপ বৰ্তমানেও শালকোচা অঞ্চলত অপৰিবৰ্তিত অৱস্থাত থকা দেখা যায়। তাৰ ভিতৰত- মহাভাৰত (হস্তাক্ষৰ-নিশাকৰ শৰ্ম্মন),

বিৰাট পৰ্ব্ব (মহাভাৰতৰ), সুন্দ পুৰাণ, বৰাহ পুৰাণৰ গীতা মাহাত্য, লম্ব মুখ মণ্ডল (চৌমৰ কোৰ), বামন পুৰাণ সীতা আদি কেইখন মানবহে নামহে উল্লেখ কৰিলো। এই খিনিতে উল্লেখ কৰিছো যে আটাইতকৈ পুৰণি সাঁচিপাতত লিখা গীতাখন আজিৰ পৰা ২১৪ বছৰ আগত লিখা।)

দৰ্শন চৰ্চ্চাত তাহানিৰ ভাৰতৰ খ্যাতি গোটেই বিশ্বত বিয়পি পৰিছিল। গ্ৰীক আৰু ভাৰতীয় দৰ্শনে এটা সময়ত বিশ্ব দৰবাৰৰ উচ্চতম আসন অধিকাৰ কৰি আছিল। সেয়ে পৰম্পৰাগত ভাবে সংস্কৃত শিক্ষা গ্ৰহণ কৰি অহা পণ্ডিত সকলৰ দ্বাৰাই শালকোচা অঞ্চলতো দৰ্শন চৰ্চ্চা অতি উচ্চ মানৰ কৰি তুলিছিল। এই ক্ষেত্ৰত বিশেষভাবে উল্লিখিত নাম হ'ল-ষড়ানন ন্যায় তৰ্ক তীৰ্থ দেব। মোৰ সীমিত জ্ঞানেৰে তেখেতৰ গুণানুকীৰ্ত্তন নকৰি সু-পণ্ডিত অধ্যাপক ডিম্বেশ্বৰ শৰ্ম্মা দেৱৰ মন্তব্য (১৯৭২ চনত ধুবুৰীত বহা অসম সাহিত্য সভাৰ অধিবেশনৰ স্মৃতিগ্ৰন্থ খনৰ পৰা) এটিহে দাঙি ধৰিছো- 'দৰ্শন শাখাৰ সম্মিলন ধুবুৰী অধিবেশন (১৯২৬ চনত ধুবুৰীত বহা অসম সাহিত্য সভাৰ অধিবেশন)ৰ এক বিশেষত্ব বুলিয়ে স্বীকাৰ কৰিব লাগিব। এই দৰ্শন সম্মিলনত সভাপতিত্ব কৰিছিল দাৰ্শনিক পণ্ডিত ষড়ানন ন্যায় তৰ্কতীৰ্থদেৱে। বিদগ্ধ পণ্ডিত গৰাকীয়ে পাঠ কৰা অভিভাষণখনি অসমীয়া প্ৰবন্ধ সাহিত্যৰ ভঁড়াললৈ এটি অমূল্য অবদান। তেখেতে অতি গধুৰ দাৰ্শনিক তৰ্থ্যবোৰ আৰু ভাৰতীয় ষড়দনিৰ তত্ত্ব সমূহ অতি প্ৰাঞ্জল ভাষাৰে তত্ত্বগ্ৰাহী শ্ৰোতাসকলে বুজিব পৰাকৈ লিপিবদ্ধ কৰিছিল।' পণ্ডিত ষড়ানন তৰ্কতীৰ্থদেৱে গৌৰীপুৰত অবস্থিত তাৰিণী প্ৰিয়া চতস্পাঠী নামৰ সংস্কৃত টোলৰ অধ্যক্ষ আছিল। পিছে দুভাগ্যৰ কথা যে, তেখেতৰ (লগতে আন বহুতো পণ্ডিতৰ) সৃষ্টি আৰু সংগ্ৰহ ৰাজিৰ অকিাংশই প্ৰলয়ংকাৰী বানপানীত নষ্ট হোৱা বুলি 'টোল' কতৃপক্ষৰ পৰা জনা গৈছে।

শালকোচাৰ তাহানি দিনৰ বিভিন্ন পণ্ডিত সকলৰ ভড়ালৰ পৰা দৰ্শন বিভাগৰ কিতাপৰ নামৰ তালিকাখন এই সুযোগতে উল্লেখ কৰিছো- মৎস মূৰ্দ্ধে সম্বন্ধ নিৰ্ণয়", মহামহোপধ্যায় ৰঘুনন্দন ভট্টাচাৰ্য্য বিৰচিত, "উদ্বাহ তত্ব" আৰু "স্মৃতি তত্বে মনি মুচতত্বং" (ৰমানাথ গোস্বামী লিখিত;) 'সকৃৎ বিধান কথা' 'বৃষ্টি দিশদ্য কৰ্ম্মাহিতা সাৎ', (দুয়োখনে ৰমানাথ দেৱৰ লিখিত, কাৰ ৰচনা কব পৰা নাযায়), দামোদৰ মিশ্ৰ কৃতৌ 'স্মৃতি সাগৰ দ্বিতীয় পৰিছেদ", 'স্মৃতি মঞ্জৰী' (ৰমানাথ বিদ্যালংকাৰ বিৰচিত) ইত্যাদি।

অধিকাংশ পুথিয়ে কায়থালী লিপিত লিখা আৰু সংস্কৃত ভাষাত ৰচিত হোৱা বাবে তথা বেছিভাগ ক্ষেত্ৰতে কিতাপ সমূহ ঘৰত ৰহি সুস্থিৰে অধ্যয়ণ কৰাৰ সুবিধা

নোপোৱা বাবে কেৱল দুটা এটা দিশত বিচাৰ কৰিয়ে এইবোৰক শ্ৰেণী বিভাজন কৰা হৈছে। উদাহৰণ স্বৰূপে - 'মনু সংহিতা', 'পৰাশৰ সংহিতা', 'নাৰদ সংহিতা', আদি কিতাপৰ উদ্ধৃতি থকা কিতাপ সমূহক (স্মৃতি বিষয়ৰ) সাধাৰণভাৱে দৰ্শন বিভাগত (দাৰ্শনিক মনুৰ কথা স্মৰণ কৰি) স্থান দিয়া হৈছে। তাৰোপৰি তাহানিৰ ভাৰতীয় চিন্তা চৰ্চাৰ পৰিচয় পোৱা কিতাপ সমূহতো নিৰ্ব্বিচাৰে দৰ্শন শাখাত স্থান দিয়া হৈছে।

পদ্য কাব্য (কবিতা) ঃ- তাহানি কালৰ শালকোচাৰ পণ্ডিত সকলৰ কোনো এজনেই পদ্য কাব্য ৰচনা কৰাৰ বিশেষ প্ৰচেষ্টা কৰা নাছিল বুলিয়েই ধাৰণা কৰিব পৰা যায়। একক কবিতা ৰচনাৰ ক্ষেত্ৰতো তেখেত সকলৰ উদাসীনতা অতি প্ৰকট। তথাপিও উল্লেখ কৰিব পাৰি যে মাজে সময়ে ভাৱ প্ৰকাশৰ মাধ্যম ৰূপে কবিতাক ব্যৱহাৰ কৰাৰ পৰা তেখেত সকল বিৰত নাছিল। এই পণ্ডিত সকলৰ ভিতৰত কেৱল ৰমানাথ বিদ্যালঙ্কাৰ দেৱেহে 'পুষ্পমালা দৰ্পন' নামৰ এখন কবিতা পুথি লিখি থৈ গৈছে। পিছে পুথিখন বিচাৰি নোপোৱা বাবে তাৰ বিষয়ে সবিশেষ দিব পৰা নগল; সাধাৰণভাৱে দেৱ-বন্দনা, প্ৰকৃতি প্ৰেম আৰু মানসিক দ্বন্দ্ব প্ৰকাশেই এইবোৰৰ লক্ষ্য আছিল। তেনে দুটি কবিতা (প্ৰাপ্ত অংশখিনি) তলত লিখি দিয়াৰ লোভ সামৰিব নোৱাৰিলো। নামহীন এই কবিতা দুটি চাগে ৰমানাথ গোস্বামীদেৱে লিখিছিল, কাৰণ তেখেতে ব্যৱহাৰ কৰা 'দৌল-পূজাবিধি'ৰ ভিতৰত থকা দুখিলা পৃথক কাগজত এয়া পোৱা যায় (তাৰে এখিলাৰ কাষত স্বাক্ষৰ দেখা পোৱা গৈছে)।

১। দেখিতে যেমন ছোট নহেক তেমন,
কত বড় এক্কা-এক সূৰ্য্যো ৰতন,
বহুদূৰে আছে তাই ..... (আখৰটি নষ্ট হৈ গৈছে)
আহা! কিবা শোভাময় এভৱ ভূবন।
যখন যেদিকে চাই জুৰাই নয়নে
দিবা নিশি ৰবি শশী প্ৰকাশি গগনে।

২। শ্ৰী দুৰ্গা স্মৰণ (এইটো চাগে কবিতাটিৰ নাম)
বসগো মন পূজা ভবনে।
(তোমাৰ) যে আনন্দময়ী গুণে সুখী হয় মা ভূবনে।।
(তুমি) আস্‌বে বলে তাই মনে কষ্ট নাই।

আনন্দেতে সবে এই বাসৰ সাজাই।

প্ৰসুন পল্লৱ জালে সাজায়েছি যতনে।

ধূপ দীপ নৈবদ্য উপহাৰ।

গন্ধ পুষ্প আদি সবে কৰিয়া যোগাৰ।।

দৃষ্ট এ ভৱনে যথা কিছু সুখী হবে প্ৰদানে

এমন নিকেতন................ (অস্পষ্ট)

জ্ঞান হীন মন,

বস্ত্ৰ থাকিলেও সাজাতে নাৰি কৰিয়া যতন

কেমনে পূজিব মাতঃ বাজাব বা কেমনে

এইবাৰ জ্যোতিষ শাস্ত্ৰৰ কথালৈ আহোঁ- সংস্কৃত সাহিত্যত জ্যোতিষ শাস্ত্ৰৰ স্থান বৰ উচ্চ বুলি কব পাৰি। এই সুযোগতে প্ৰাতঃ স্মৰণীয় ভাৰতীয় জ্যোতিৰ্ব্বিদ বৰাহ-মিহিৰ, খনা, লীলাৱতী আদি সকলোলৈকে মোৰ সশ্ৰদ্ধ প্ৰণাম জনালোঁ। "জ্যোতিষ শাস্ত্ৰক তিনিটা ভাগত বিভক্ত কৰিছে। বিভাগ কেইটা হ'ল- তন্ত্ৰ, হোৰ আৰু সংহিতা। তন্ত্ৰই অংক আৰু গ্ৰহ নক্ষত্ৰৰ আলোচনা কৰে। হোৰৰ পৰা জন্ম-পত্ৰিকাৰ বিষয়ে জানিব পাৰি। আৰু সংহিতাই জ্যোতিষৰ আলোচনা কৰে" (সংস্কৃত সাহিত্যৰ জিলিঙনি, কামাখ্যা চৰণ ভাগৱতী, (১৯৮৮)। আমাৰ অঞ্চলত হোৱা জ্যোতিষ শাস্ত্ৰৰ চৰ্চ্চাৰ বিষয়ে কবলৈ হ'লে প্ৰথমতে উল্লেখ কৰিবলাগিব যে এই অঞ্চলৰ পণ্ডিত সকলৰ সৃষ্টি আৰু সংগ্ৰহ বাজিত 'তন্ত্ৰ'ৰ কিতাপ পোৱা নাযায়। 'হোৰ' বিভাগৰ চৰ্চ্চা এতিয়াও চলি থকা লক্ষ্য কৰিব পাৰি। কিতাপৰ তালিকাৰ পৰা মোৰ জ্ঞানৰ সীমিত পৰিধিৰে হোৰ আৰু সংহিতাৰ বিভাজন সহ তালিকা প্ৰস্তুত কৰা সম্ভৱপৰ হৈ নুঠিল বাবে গোনপটীয়াকৈ তালিকাখন উল্লেখ কৰা হ'ল- ১। 'জ্যোতিঃ মুক্তাৱলি', ২। 'প্ৰবৰ পৰিচয়' ৩। 'জ্যোতিষাং সুত্ৰং' ৪। 'নাৰী নক্ষত্ৰম' ৫। 'বৃহস্পতি চুড়া' ৬। 'তিথি তত্ত্ব' ৭। 'কাক চৰিত্ৰ', ৮। 'জ্যোতিষ শাস্ত্ৰ', ৯। 'তিথি সংগ্ৰহ', ১০। 'জাতি মালা' ইত্যাদি।

আইন (ন্যায় শাস্ত্ৰ) ঃ- এই ক্ষেত্ৰত আইন বুলি কেৱল হিন্দু শাস্ত্ৰ বিধিমতে থকা স্মৃতি বিষয়ৰ বিধি নিষেধ সমূহকহে বুজোৱা হৈছে। আমাৰ অঞ্চলৰ তেনে কিছু কিতাপ হ'ল - ১। 'দায় তত্বং', ২। 'সম্বন্ধ নিৰ্ণয়ং', ৩। গোপাল ন্যায় পঞ্চানন ভট্টাচাৰ্য বিৰচিত; 'শৌচ নিৰ্ণয়ং', ৪। ৰমানাথ বিদ্যালঙ্কাৰ বিৰচিত 'গঙ্গা জলম', ৫। ৰমানাথ দেবৰ 'দায় কৌমুদী' ৬। ৰমানাথ দেবৰ 'শুদ্ধি কৌমুদী', ৭। ৰুচি শাস্ত্ৰ

আদি। এইখিনিতে এটা কথা সংযোজন কৰিব পাৰি যে শালকোচাৰ বিখ্যাত স্বনামধন্য পুৰুষ নীলমাধব বৰুৱাদেৱে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ১৯১২ চনতে L L.B উপাধি লাভ কৰা সূত্রে তাহানিৰ শালকোচা অঞ্চলত বৃটিছ শাসিত ভাৰতীয় আইনৰ চৰ্চ্চাও যথেষ্ট ভাবে হৈছিল; বুলি ধাৰণা কৰা যায়। পিছে তেখেতৰ সৃষ্টিশীল মনৰ কোনো প্ৰমাণ আপোনাসৱৰ সম্মুখত দাঙি ধৰিব নোৱাৰাৰ বাবে মই দুঃখিত।

দৃশ্যকাব্য (নাটক) ঃ- 'এলাৰডিছ নিকল'ৰ মতে - "নাটক হ'ল জীৱন সংক্রান্ত ধাৰণা সমূহৰ অভিব্যক্তিৰ এনে এক শিল্প কলা, য'ত সেই অভিব্যক্তি অভিনেতা সকলৰ দ্বাৰা ব্যাখ্যাত হোৱাৰ উপযোগী আৰু যি অভিব্যক্তি তাৰ শ্ৰৱনীয় বচন আৰু দৰ্শনীয় ক্রিয়াশীলতাৰে সমবেত দৰ্শক মণ্ডলীৰ মনোৰঞ্জনৰ কাৰণ হব পাৰে।" (সাহিত্যৰ উপক্ৰমনিকা-মহেন্দ্ৰ বৰা, ১৯৯০, পৃষ্ঠা-৮২/৮৩)।

উনবিংশ শতিকাত আৰু বিংশ শতিকাৰ প্ৰথম দুটামান দশকত আমাৰ অঞ্চলত মাজে সময়ে, বিশেষকৈ জন্মাষ্টমী (শ্ৰীকৃষ্ণৰ জন্ম উৎসৱ) ৰ লগত সংগতি ৰাখি, অংকীয়া নাট অভিনীত হৈছিল। সেয়েহে সেই সময়ছোৱাত অংকীয়া নাটৰ অনেক প্ৰতিলিপি হাতে লিখি সংগ্ৰহ কৰা হৈছিল। তেনে কিতাপ সমূহৰ ভিতৰত সঠিকভাবে সংৰক্ষিত অৱস্থাত পোৱা কিতাপ এখন হ'ল মহাপুৰুষ মাধৱদেৱে বিৰচিত 'অৰ্জ্জুন ভঞ্জন' নাট। বিংশ শতিকাৰ আৰম্ভনিৰ পৰাই অঞ্চলটিত বাংলা নাটকৰ আৰু শতিকাৰ মধ্য ভাগৰ পৰা অসমীয়া নাটক অভিনীত কৰা পৰিলক্ষিত হয়। অঞ্চলটিত যাত্ৰাগান অৰ্থাৎ চাৰিওফালে খোলা মঞ্চত অনুষ্ঠিত হোৱা যাত্ৰাৰ প্ৰচলনো বৰ বেছি আছিল। উক্ত কাৰণ সমূহৰ বাবেই শালকোচাৰ বহুতৰ ঘৰতে নাটকৰ ভাল কিতাপ (ছপা কৰা বা হাতে লিখি প্ৰতিলিপি কৰা) সংগ্ৰহ কৰি থোৱা আজিও দেখা যায়।

বুৰঞ্জী (ইতিহাস) আৰু ভূগোল ঃ-ৰমানাথ বিদ্যালঙ্কাৰদেৱে ৰচনা কৰি থৈ যোৱা "গোৱালপাৰ জিলাৰ ইতিহাস" (কিতাপখন এতিয়ালৈকে বিচাৰি পোৱা নাই) নামৰ কিতাপখনেই তাহানিৰ শালকোচাৰ একমাত্ৰ বুৰঞ্জীমূলক কিতাপৰ নিৰ্দশন বুলি কব পাৰি।

তাহানিৰ দিনৰ আমাৰ অঞ্চলৰ পণ্ডিত কেইজনে ভূগোল সাহিত্য চৰ্চ্চা কৰাৰ প্ৰমান স্বৰূপে সৰ্ব্বেশ্বৰ বিদ্যাৰত্ন আৰু বিশ্বেশ্বৰ স্মৃতিৰত্ন সংগ্ৰহালয়ত থকা সিদ্ধান্ত বাগীশ ভট্টাচাৰ্য্য দেৱৰ ৰচিত 'দিন ভাস্কৰ' আৰু 'হৃতবৰ্ষ ভাস্কৰ' নামৰ কিতাপ দুখনৰ নাম উল্লেখ কৰিব পাৰি।

বিভিন্ন দেৱ-দেৱীৰ পূজাবিধি আৰু মন্ত্ৰৰ কিতাপ :- এই বিধি সমূহ আৰু মন্ত্ৰ পুথিবোৰ ধাৰাবাহিক ৰচনা নহয়, সাহিত্যৰ সৃষ্টি উদ্দেশ্যেও সিবোৰ ৰচনা হোৱা নাছিল। তথাপিও তাৰ মাজত বিভিন্ন ধৰণে ৰসৰ সন্ধান পোৱা যায়। এইধৰণৰ পুথিবোৰ গদ্য আৰু পদ্য দুয়োধৰণেই ৰচিত হৈছে। পূজা বিধি আৰু মন্ত্ৰ সাহিত্যত বেদ, পুৰাণ, ৰামায়ন, মহাভাৰত আদিৰ বিভিন্ন অংশ পোনপটীয়াকৈ নাইবা বেলেগ ৰূপত সন্নিবিষ্ট হৈছে। এইবোৰৰ ৰচকৰ নাম পোৱা নাযায়। কেৱল কিছুমান পুথিত কোনে কেতিয়া সেই প্ৰতিলিপিখন লিখিছিল তাৰহে উল্লেখ আছে। অৱশ্যে 'বশীকৰণ'কে আদি কৰি বিভিন্ন তন্ত্ৰ-মন্ত্ৰ বোৰ লিখিত নাৰাখি গুৰুৰ পৰা শিষ্যই শুনি মুখস্থ কৰি ৰখাহে দেখা যায়।

এইধৰণৰ কিতাপ সমূহৰ আমাৰ অঞ্চলত বৰ্ত্তমানও সংৰক্ষিত হৈ থকাৰ তালিকাখন অতি দীঘল হব বাবে তাক আংশিক ভাবেহে প্ৰকাশ কৰা হ'ল। (এই উল্লেখিত কিতাপ সমূহৰ বহুক্ষেত্ৰতে কেইবাখনোকৈ প্ৰতিলিপি পোৱা গৈছে) ১। সন্ধ্যা বিধি (তিলক চন্দ্ৰ বিদ্যা বিনোদ লিখিত; কাশীনাথ চক্ৰবৰ্ত্তী লিখিত;) ২। সৰস্বতী পূজা বিধি আৰু স্তোত্ৰ; ৩। বিষ্ণু সহস্ৰ নাম, ৪। নাৰায়ন পূজা পদ্ধতি, ৫। সত্য নাৰাযন পূজা বিধি, পাঁচালী আৰু স্কন্দ পুৰাণে সত্য নাৰায়ন কথা; ৬। বৃষোৎসৰ্গ শ্ৰাদ্ধ বিধি, ৭। একোদিষ্ট শ্ৰাদ্ধ বিধি, ৮। সখ্য মন্ত্ৰ (সখী কৰণ মন্ত্ৰ), ১০। পঞ্চদেৱতা পূজাবিধি, (কেইবা জনেও লিখিছিল যেনে-'ৰাজীব লোচন চক্ৰবৰ্ত্তী), ১১। সম্মোহন তন্ত্ৰ, ১২। অদ্ভুতাসন, ১৩। বিশ্বদাৰোদ্ধাৰ তন্ত্ৰে আপৎ উদ্ধাৰ কল্পে বটুক ভৈৰবস্তৱৰাজ; ১৪। মুণ্ডমালা তন্ত্ৰোক্ত কালী পূজা বিধি (শিবাবলি সংযুক্ত) ১৫। কৰ্পূৰ স্তোত্ৰং, ইন্দ্ৰানী স্তোত্ৰং। এইবোৰৰ উপৰিও আমাৰ অঞ্চলত অধুনা প্ৰচলিত ও অপ্ৰচলিত বহুতো দেৱ-দেৱীৰ পূজাবিধি বিভিন্ন গৃহত সংৰক্ষন কৰি থোৱ দেখা পোৱা গৈছে।

এইবাৰ আহিছো কালিদাস যুগৰ সাহিত্যলৈ :- মহাকবি কালিদাসে ৰচনা কৰা সৰ্ব্বজন বিদিত কিতাপ সমূহৰ প্ৰতিলিপি সংৰক্ষিত অৱস্থাত আমাৰ অঞ্চলত দেখা পোৱা নগল বাবে এই কিতাপ সমূহৰ প্ৰতিলিপি আমাৰ পণ্ডিত কেইজনে কৰিছিল বুলি ন দি কব পৰা নাযায়। অৱশ্যে ছপা কিতাপ আকাৰে থকা কালিদাসৰ কেইবখনো নাটক বৰ্তমানেও শালকোচাৰ কেইবাটাও ঘৰত দেখা গৈছে (মূল কিতাপৰ অনুবাদ তথা সংক্ষিপ্ত ৰূপ হিচাবেও দেখা গৈছে)। কালিদাসৰ ৰচনা বুলি স্বীকৃত কিতাপ তালিকাত নাম নথকা এখন কিতাপহে সাঁচিপাতত লিখি থোৱা অৱস্থাত দেখা পোৱা গৈছে- কালিদাস বিৰচিত 'প্ৰবোধ চন্দ্ৰ' সম্পূৰ্ণ (বিশ্বেশ্বৰ চক্ৰবৰ্ত্তীৰ হস্তাক্ষৰে)। এই খিনিতে এটা কথা উনুকিয়াব খুজিছো যে কালিদাসৰ

নামত যে চলি আছে যাৰ ৰচক কালিদাস নে আন কোনো এই সংশয় নিৰূপন হোৱা নাই" সংস্কৃত সাহিত্যৰ জিলিঙনি, কামাখ্যাচৰণ ভাগৱতী, ১৯৮৮, পৃষ্ঠা-১২১)। উক্ত কিতাপ খনৰ উপৰিও 'জ্যোতি বিদ্যা ৰৰণ' নামৰ আন এখন কিতাপৰ প্ৰতিলিপি পোৱা গৈছে, যিখন কালিদাসে ৰচনা কৰা উক্ত নামৰ গ্ৰন্থ খনৰ প্ৰতিলিপি বুলি অনুমান কৰা হৈছে।

বৈষ্ণব যুগ :- বৈষ্ণব যুগৰ অবৈষ্ণব সাহিত্যৰ অমৰ সৃষ্টি 'পদ্মাপুৰাণ'ৰ হাতেলিখা প্ৰতিলিপি আৰু ছপা কিতাপ আৰু এই যুগৰ বিশেষ সৃষ্টি 'ভাগৱত'ৰ প্ৰতিলিপি বা ছপা কিতাপ শালকোচা অঞ্চলৰ বহুত ঘৰত আজিও সযতনে আৰু শ্ৰদ্ধাৰে সংৰক্ষিত হৈ আছে। সেয়েহে কেৱল বিশ্বেশ্বৰ স্মৃতিৰত্ন দেৱৰ সংগ্ৰহালয়ৰ সম্পদ "পদ্ম পূৰাণ' লিখক সাগৰ নাথ দেৱশৰ্ম্মা নামৰ তুলাপতৰ পুথিখনি আৰু ষড়ানন ন্যায় তৰ্কতীৰ্থ দেৱৰ সংগ্ৰহালয়ত থকা হৰিপ্ৰসাদ শৰ্ম্মাদেৱে লিখা সাঁচিপাত বা তুলাপাত বিভিন্ন ঘৰত পোৱা হৈছে। ধৰ্ম্মীয় কাৰ্য্যৰ অংশ ৰূপেই আমাৰ অঞ্চলত ভাগৱত আৰু পদ্মাপুৰাণৰ চৰ্চ্চা আজিও বিদ্যমান। উল্লেখনীয় যে, আমাৰ অঞ্চলত ঘাইকৈ সুকদৰ্পন (বা সুকবি নাৰায়ন দেৱ লিখিত) পদ্মাপুৰাণহে ব্যৱহৃত হয় যদিও আন লিখক সমূহৰ পদ্মাপুৰাণো ব্যৱহাৰ কৰা দেখা যায়।

লোক সাহিত্য :- সাহিত্য বুলিলে লিখিত গ্ৰন্থৰ কথা মনলৈ আহে যদিও লিপিৰ উদ্ভৱ হোৱাৰ আগৰে পৰা জনগনৰ মুখে-মুখে ৰচিত, প্ৰচাৰিত হৈ থকা এক প্ৰকাৰ সাহিত্য আজিও বিদ্যমান। এয়াই হ'ল লোক সাহিত্য। লোক সাহিত্য হ'ল জনগনৰ সাহিত্য। অসমীয়া ভাষা সাহিত্যত ইয়াৰ প্ৰচুৰ অৱদান আছে। অৱশ্যে এই শ্ৰেনীৰ সাহিত্যৰ ৰচনা কাল আৰু ৰচকৰ নাম পাবলৈ নাই। ডঃ হেমন্ত কুমাৰ শৰ্ম্মাৰ মতে লোক সাহিত্যক প্ৰধানকৈ তিনি ভাগত ভগাব পাৰি- (ক) লোক গীত, (খ) ফকৰা যোজনা আৰু (গ) সাধুকথা।

(ক) লোকগীত :- লোকগীতবোৰ সকলো ভাষাৰে অমূল্য সম্পদ। এই অমূল্য সম্পদবোৰক প্ৰধানকৈ তিনি শ্ৰেনীত ভগাব পাৰি (ডঃ হেমন্ত কুমাৰ শৰ্ম্মা)- ১। অনুষ্ঠান মূলক, ২। কৰ্ম্ম বিষয়ক আৰু ৩। আখ্যানমূলক। বিভিন্ন বিষয়ক সাঙুৰি লোৱা গোৱালপাৰীয়া লোকগীতৰ ভড়ালটিৰ বিশদ আলোচনালৈ নগৈ আমাৰ শালকোচা অঞ্চলত প্ৰচলিত অংশখিনিৰ কিছুমানৰ লগত উপৰুক্ত ভাগ অনুসৰি আপোনালোকৰ আগত চমু পৰিচয় দাঙি ধৰাৰ প্ৰয়াস কৰিছো।

(১) অনুষ্ঠানমূলক গীত :- বিয়ানাম অসমৰ আন আন অঞ্চলৰ দৰেই আমাৰ অঞ্চলত প্ৰচলিত বিয়ানামৰ গীত সমূহৰ দ্বাৰাই দাম্পত্য জীৱনৰ আদৰ্শ,

কইনা বিদায় দিয়াৰ কাৰুণ্য, হৰ-গৌৰী বা ৰাম-সীতা আদি পৌৰাণিক চৰিত্ৰক দৰা-কইনা ৰূপে কল্পনা কৰি তাৰ কাহিনী বৰ্ণনা কৰা, পানীতোলা আদি।

এউৰি মাগা -(মহোহো-গীত) আঘোণ মাহৰ পূৰ্ণিমাৰ দিনাখন গধুলি বেলা ল'ৰাবোৰ জুম বান্ধি ঘৰে ঘৰে এই এউৰি গীত গাই ফুৰে।

এটি উদাহৰণ ঃ-

এজনে গীত লগাই দিব সমবেত ভাবে গাব

হিন্দল হিন্দল .... এউৰি, এউৰি

হিন্দল গাছেৰ পয়ঠা................ এউৰি, এউৰি

মশা মাৰুং ছয়টা........ . ... এউৰি, এউৰি

মসাৰে তেলে.... .... এউৰি এউৰি

বাৰ বাতিত তেৰ কামি .   .. এউৰি এউৰি

বছৰে বছৰে মাগো, আমি. .... এউৰি এউৰি

হেলাতে হেলামতি...... . .. ... দিল যায় অধোগতি

গোহালিত গৰু হওক .... ভাণ্ডাৰত ধান হওক

এক কূলা দিলে............ .... হাজাৰ কূলা হওক

সোণাৰাই গীত ঃ- এই গীত সমূহ সাধাৰণতে বাঘৰ ভয় নাশ কৰিবৰ বাবে গোৱা হয়। "সোনাৰাই ঠাকুৰ"ক বাঘৰ দেৱতা বুলি কোৱা হয়। সেয়েহে এই দেৱতাৰ আশীষ মাগি ব্যাঘ্ৰ ভয় আতৰোৱাই ইয়াৰ মূল লক্ষ্য। এইে গীতবোৰ ভোগালী বিহুৰ সময়ত গাঁওৰ ল'ৰাবোৰে জুম বান্ধি ঘৰে ঘৰে খাই ধান আদি সংগ্ৰহ কৰে আৰু পিছত গাঁওৰ এমূৰত গধুলি পৰত বনভোজ খায়।

উদাহৰণ স্বৰূপে ঃ-

বাঘ নাসিলৰে ওৰে পাখৰা চিকাৰ

সন্ধ্যাবেলা বাঘ নামে মানিষক খাওয়া...

ভক্তিমূলক গীত ঃ- বিভিন্ন দেব-দেৱীৰ স্তুতি কৰা নাম-কীৰ্ত্তন সমূহ অত্যন্ত ভক্তি সহকাৰে পৰিবেশন কৰা আৰু সৰল ভাষাৰে ৰচিত এই বিধ গীত আমাৰ হুদুম পূজাৰ গান, অঞ্চলত অতীতৰ পৰাই বহুল প্ৰচলিত। তেনে গীত সমূহৰ ভিতৰত কাতিকাই নাম, ত্ৰিনাথৰ কীৰ্ত্তন, বুড়ামাদাৰৰ কীৰ্ত্তন, হৰিৰ নাম, ৰাধা-গোবিন্দৰ কীৰ্ত্তন আদিৰ নাম উল্লেখ কৰিব পাৰি।

হোলীৰ (দেউল বা ফাকু উৎসৱৰ গীত) ঃ- এই গীত সমূহ সাধাৰণতে ভক্তি মূলক যদিও এইবোৰত 'বৃন্দাবনৰ ফাকু উৎসৱ'ৰ বৰ্ণনা আৰু ফাকু (খেলাৰ) নিয়ম আদিও সন্নিবিষ্ট আছে বাবে ইয়াৰ আলোচনা আচুতীয়াকৈ কৰা হ'ল। এই গীত সমূহত ৰাধা-কৃষ্ণ, ৰাম-সীতা, গণেশ আদি দেৱতাৰ কথা ঘাইকৈ উল্লেখিত। বৰ্তমান প্ৰায় অপ্ৰচলিত হৈ পৰা এই গীত সমূহৰ দুই এটা গীতৰ অংশও তলত উল্লেখ কৰা হ'ল।

১। এইতো চৈত্ৰ মাস ৰাম গেল বনবাস
ভৰতক ৰাজ্য ভাৰ দিয়া
সীতাদেৱীক হৰিয়া নিল লঙ্কাৰ ৰাৱণে....

২। ৰঙসো ভাই ৰঙ্গেৰ খেলা
ৰঙ দিব কাৰে
যদি ৰঙ্গেৰ সঙ্গ পাই,
তবে ৰঙ্গ খেলিতে যাই
সমান সৰিক নাইহলে ৰঙ দিব কাৰে........

(২) **কৰ্ম্ম বিষয়ক গীত** ঃ- আমাৰ অঞ্চলত প্ৰচলিত গৰখীয়াৰ গীত, মৈষালৰ গীত, বাহো মাৰাৰ (সমূহীয়াভাৱে মাছ মৰা) গীত, নিচুকনি গীত আদিক কৰ্ম্ম বিষয়ক গীত বুলিব পাৰি। কৰ্ম্মক আনন্দময় কৰাৰ উদ্দেশ্যে আৰু সমূহীয়া কাৰ্য্যক ছন্দময় কৰি তোলাৰ উদ্দেশ্যে এইবোৰ গীত ব্যৱহৃত হয়। অৱশ্যে নিচুকনি গীত সমূহ সৰু ল'ৰা ছোৱালীৰ কান্দোন বন্ধ কৰা বা টোপনি যাবৰ বাবে ব্যৱহাৰ কৰা হয়।

(৩) **আখ্যানমূলক গীত** ঃ- এই ধৰণৰ গীতৰ মাজেদি কোনো এটি আখ্যান বা কাহিনীৰ বৰ্ণনা কৰা হয়। ইংৰাজীত ইয়াক 'বেলাড' আৰু অসমীয়াত 'মালিতা' বুলি কোৱা হয়। আমাৰ অঞ্চলত বহুল প্ৰচলিত কিন্তু বৰ্তমান লুপ্ত পায় 'দোতৰা গান' এই শ্ৰেনীৰ গীতৰ এটা উদাহৰণ। তাৰোপৰি বৰ্তমানেও চলি থকা 'কুশান-গান'কো কিছু পৰিমানে আখ্যান মূলক গীতৰ অন্তৰ্ভুক্ত কৰিব পাৰি যদিও ইয়াৰ পৰিবেশন ভংগীয়ে ইয়াক দৃশ্য-কাব্য (নাটক) ৰূপেহে পৰিচিত কৰাইছে।

(৪) **ফকৰা-যোজনা, প্ৰবচন আদি** ঃ- লোকগীতৰ দৰেই এইবোৰো অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। এইবোৰৰ মাজেদি দৈনন্দিক জীৱনৰ কৰ্ম্মৰাজিৰ বিষয়ে আৰু লগতে আন আন বিষয়সমূহকো সাৱধান উপদেশ দিয়া হয়। আমাৰ অঞ্চলত অতীতৰ পৰা প্ৰচলিত এইবোৰৰ বিষয়ে বিশদ অধ্যয়নৰ প্ৰয়োজন আছে।

ফকৰা-যোজনা - অভিজ্ঞতাৰ ভিত্তিত গঢ়লৈ উঠা সৰু সৰু ৰসাল তুলনামূলক আৰু ছন্দময় বাক্য সমূহ এই বিভাগৰ অন্তৰ্ভূক্ত। আমাৰ অঞ্চলত ফকৰা-যোজনাৰ বহুল প্ৰচলন আছে।

সাঁথৰ - সাঁথৰে এন্ধাৰৰ আৱৰণ খুলি পোহৰ বিচাৰি পোৱা আনন্দ দান কৰে। ইয়াত ৰস আস্বাদৰ সুবিধাও আছে। আমাৰ অঞ্চলত প্ৰচলিত দুই এটা সাঁথৰৰ উদাহৰণ দিয়া হ'ল।

১। এনু এনু ধৰিবাৰ নাই ঠেনু - (উঃ-ডিমা অৰ্থাৎ কণী)

২। গাও দুম দুম এখানি হাড়া - (উঃ-খেৰৰ পুঞ্জি)

৩। পূব গেলুং; পশ্চিম গেলুং; হাবাৰাহাট

এমন একটা জিনিস দেখলোং, ফলেৰ উপৰ পাত- (উঃ-মাটিকধান)

প্ৰবচন - অভিজ্ঞতাৰ সংক্ষিপ্ত আৰু সুৰলা অভিব্যক্তিয়ে হ'ল প্ৰবচন। আমাৰ অঞ্চলত প্ৰচলিত প্ৰবচনৰ সংখ্যা বৰ কম নহয়। যেনে-

১। 'অতি দৰ্পে হত লঙ্কা' ২। 'সেই ৰামো নাই অযোধাও নাই; ৩। 'আদা খাব যায় ঝাল বুজিব তায' ইত্যাদি।

ডাক আৰু খনাৰ বচন - শালকোচা অঞ্চলৰ বহুতো ঘৰত হাতে লিখা আৰু ছপা কিতাপ ৰূপে কিনি আনি 'ডাক' আৰু 'খনা'ৰ বচন সংৰক্ষন কৰা তথা ব্যৱহাৰ কৰা দেখা যায়। যেনে-

'যদি বৰ্ষে আঘোনে ৰাজা যায় মাগোনে'- অৰ্থাৎ আঘোন মাহত বৰষুণ দিলে পক ধৰা ধান নষ্ট হৈ দেশত দুৰ্ভিক্ষ সৃষ্টি কৰিব পাৰে।

(গ) সাধুকথা ঃ- বিশ্বৰ প্ৰায় সকলো ঠাইৰ দৰে আমাৰ অঞ্চলতো কিছুমান বিশেষ সাধুকথাৰ প্ৰচলন আছে। সৰল ভাষাৰে মনোগ্ৰাহী হৈ উঠা তথা মুখে মুখে প্ৰচলিত এটা সাধুকথাবোৰ সাধাৰণতে নামহীন বাবে উদাহৰণ দিব পৰা নগল।

কাল অনুযায়ী আমাৰ অঞ্চলৰ সাহিত্য চৰ্চ্চাত দৃষ্টিপাত কৰিবলৈ ওলাইছো। এই দৃষ্টিপাত কাব্যটি নিকট অতীতৰ পৰা সুদুৰ অতীতলৈ কৰা হৈছে।

খৃষ্টাব্দ ১৯৭২ চনৰ পৰা ১৯৪৭ চনলৈ - স্বাধীনতা লাভৰ অব্যৱহিত পিছ মূহুৰ্ত্তৰ এই সময়ছোৱাত অসম তথা ভাৰতৰ ৰাজনৈতিক দৃশ্যপটত বৃহৎ পৰিৱৰ্তন অহাৰ উপৰিও অসমখনিৰ বুকুত বিভিন্ন ধৰণৰ ৰাজনৈতিক আৰু জাতীয়তাবাদী ঢৌৱে কোবাই যায়। এই সময়ছোৱাত শালকোচা অঞ্চলত সৃষ্টিধৰ্মী সাহিত্য চৰ্চ্চা প্ৰায় লোপ পাই আহিবলৈ ধৰে। স্কুলৰ বছৰেকীয়া আলোচনী আদিত লিখাৰ বাহিৰে

আনধৰণৰ সাহিত্য সৃষ্টিৰ স্পৃহা যেন সমজুৱা ভাৱেই নাইকীয়া হৈ যায়। অৱশ্যে এই সময়ছোৱাত, শালকোচাৰ বিভিন্ন অঞ্চলত সঘনাই নাটক অভিনীত হৈছিল। এই অভিনযৰ পৰাই চাগে প্ৰেৰণা লাভ কৰি দুই এজন নবীন নাট্যকাৰে নাটক লিখিবৰ বাবে প্ৰচেষ্টা কৰিছিল। তাৰোপৰি বাংলা ভাষাৰ মূল নাটকৰ আলম লৈও (বা অনুবাদ কৰি) অসমীয়া নাটক লিখাৰ প্ৰচেষ্টাও কৰিছিল। তাৰে ফলশ্ৰুতিত থলুৱা নাট্যকাৰে লিখা সুন্দৰ নাটক সমূহ হাতেলিখা অৱস্থাতে নষ্ট হৈ যোৱা বুলি অনুমান কৰা হৈছে। তাহানিৰ নাটক চৰ্চ্চাৰ সুফল ৰূপে আমি সদৌ অসম ভিত্তিত হোৱা প্ৰতিযোগিতাত পুৰস্কৃত নাট্যকাৰ এজন আমাৰ মাজত পাইছো। এই সময়ছোৱাত শালকোচাৰ বিভিন্ন স্থানত কেইবাটাও ৰাজহুৱা পুথিভডাল গঢ় লৈ উঠে। উদাহৰণ স্বৰূপে বান্ধৱ ক্লাব আৰু লাইবেৰী (১৯৫২ চন) আৰু গান্ধী ক্লাব আৰু লাইবেৰী (১৯৬৭ চন) ভেলুপাৰা, প্ৰগতি সংঘ আৰু লাইব্ৰেৰী, পুখৰীপাৰা, শালকোচা ৰাজহুৱা পুথিভড়াল, শালকোচা বজাৰ (ধীৰা নন্দীৰ বাসভৱন) ইয়ং ইউনিয়ন ক্লাব, শ্ৰীগ্ৰাম। জনশিক্ষা লাইব্ৰেৰী, চল্লিশৰ দশকতে স্থাপন হোৱা এই পুথিভঁডালটিত বৰ বেছি বছৰ বৰ্ত্তি নাথাকিল। তাহানিৰ শালকোচা হাইস্কুলৰ (বৰ্ত্তমান উচ্চতৰ মাধ্যমিক বিদ্যালয়) পুথিভঁডাল। উপৰুক্ত পুথিভঁডাল সমূহত সকলো ধৰণৰ কিতাপ সংগ্ৰহীত হলেও গল্প আৰু উপন্যাসৰ কিতাপৰ সংখ্যাহে বেছি আছিল। বাংলা আৰু অসমীযা ভাষাৰ উপৰিও ইংৰাজী ভাষাৰ কিতাপো সংগ্ৰহীত হৈছিল। কিতাপ সমূহ ঘাইকৈ স্থানীয় বাসিন্দা সকলে দান কৰা আছিল। তাৰোপৰি অসমৰ অগ্ৰণী প্ৰকাশক প্ৰতিষ্ঠান 'চপলা বুক ষ্টল', চিলং আৰু 'লয়াৰ্ছ বুক পাব্লিছাৰ' গুৱাহাটী, আদি কেইবাখনো প্ৰতিষ্ঠানৰ পৰাও অনুদান ৰূপে পোৱা কিতাপো উক্ত পুথিভঁড়াল সমূহত সংগ্ৰহীত হৈছিল। পৰিতাপৰ বিষয় এয়ে উক্ত সংগ্ৰহ সমূহ সংৰক্ষিত কৰি ৰখাৰ বাবে দেখুওৱা এলাহৰ ফলত কিতাপ সমূহ নষ্ট হৈ যায়।

খৃষ্টাব্দ ১৯৪৬ পৰা ১৮৫০ চনলৈ - প্ৰাপ্ত তথ্য অনুসৰি শালকোচা সাহিত্য চৰ্চ্চাৰ সোণালী যুগ বুলি অভিহীত কৰিব পৰা এই সময়ছোৱাত সৃষ্টি, সংগ্ৰহ আৰুআলোচনা তিনিওটা দিশেই অতি উচ্চ পৰ্য্যায়ৰ আছিল বুলি কব পাৰি। ইয়াৰ পূৰ্ব্ববৰ্ত্তী যুগত সাহিত্য আলোচনা হোৱাৰ প্ৰমাণ আৰু পৰবৰ্ত্তী যুগত সৃষ্টিৰ প্ৰমাণ পোৱা নাযায়। আলোচিত যুগটিৰ অধিকাংশ সময়তে ছপা কৰা কিতাপ সুলভ নোহোৱাৰ বাবে হাতেলিখা প্ৰতিলিপি সংগ্ৰহ কৰাহে দেখা যায়। তাৰ বাবে তেখেত সকলে যি পৰিমানৰ কষ্ট কৰিব লগা হৈছিল সি সহজেই অনুমেয়। আই শালকোচাৰ কেইবাজনো সু-সন্তানে এই সময়ছোৱাত জন্ম গ্ৰহণ কৰি ইয়াক সোণালী যুগত

পৰিণত কৰে। তেখেত সকলৰ সৃষ্টি আৰু সংগ্ৰহ ৰাজিৰ তালিকাখনৰ প্ৰাপ্ত নামবোৰ ইতিমধ্যে সাহিত্যৰে বিভিন্ন বিভাগৰ মাজেদি প্ৰকাশ কৰা হৈছে। এই খিনিতে এটা কথা উল্লেখ্য যে, এই সময়ছোৱাত ব্যক্তিগত পুথিভঁড়াল সমূহ অত্যন্ত চহকী আছিল যদিও, অঞ্চলটিত কোনো ৰাজহুৱা পুথিভঁড়াল থকাৰ উমান পোৱা নগল। প্ৰাপ্ত বাতৰি অনুসৰি তেখেত সকলৰ সংগ্ৰহালয়ৰ এটি বৃহৎ অংশ গৌৰীপুৰত অৱস্থিত 'তাৰিণীপ্ৰিয়া চতুস্পাঠী' নামৰ সংস্কৃত শিক্ষাৰ অনুষ্ঠানটি লৈকেহে দান স্বৰূপে আগবঢ়াইছিল। এটি অসমৰ্থিত সূত্ৰমতে ভালে সংখ্যক কিতাপ গুৱাহাটী বিশ্ববিদ্যালযৰ গ্ৰন্থাগাৰলৈকো দান কৰা বুলি জনা গৈছে। এই সময়ছোৱাতে ছিদলীৰ ৰাজপৰিযালৰ দুজন পুত্ৰই শালকোচাৰ মধ্য অঞ্চলত অৱস্থিত এটি টিলাত (বামুন পাৰাৰ পানী টেংকীৰ কাষত) ঘৰ সাজি বসবাস কৰিবলৈ লৈছিল। এই দুইজনাৰ সংগ্ৰহালয়ত থকা কিতাপৰ সংখ্যাও কম নাছিল। পিছে কালক্ৰমত এই কিতাপ সমূহো বিচাৰি নোপোৱা পৰ্য্যায পালেগৈ।

শালকোচাৰ সাহিত্যৰ সোণালী যুগৰ পণ্ডিত সকলৰ খ্যাতিত আকৃষ্ট হৈ সেই সময়ৰ অসমকে ধৰি ভাৰতৰ বিভিন্ন ঠাইৰ পৰা বহুতো পণ্ডিত আহি আমাৰ অঞ্চলৰ পণ্ডিত কেইজনৰ লগত সাহিত্য, শিক্ষা আদি বিভিন্ন বিষয় আলোচনা কৰিছিল বুলি বৰ্ত্তমান বৃদ্ধ অৱস্থাৰ কেইবাজনো লোকে প্ৰকাশ কৰিছে আৰু বৰ্ত্তমানে মৃত কেইবাজনো ব্যক্তিৰ মুখতো উক্ত কথাখিনি এই প্ৰবন্ধকাৰে সৰু কালতে শুনিছিলো বুলি মনত পৰে। ইয়াৰ লগতে চিঠি পত্ৰৰ জৰিয়তে আৰু এখেত সকলক নিজ নিজ ঠাইলৈ আমন্ত্ৰন জনাই লৈ গৈও আলোচনাত ব্ৰতী হোৱাৰ নিদৰ্শন পোৱা যায। উদাহৰণ স্বৰূপে ৰমানাথ বিদ্যালঙ্কাৰ দেৱলৈ অভয়াপুৰীৰ ৰাজবাড়ীৰ পৰা প্ৰেৰণ কৰা পত্ৰৰ কথা উনুকিয়াব খুজিছো। এইখিনিতে প্ৰমান (লিখিত) নথকা কথা এটিও উল্লেখ কৰিব বিচাৰিছো। শুনা যায় যে ৰমানাথ বিদ্যালঙ্কাৰ দেৱক পণ্ডিত প্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈ দেৱেও আমন্ত্ৰন প্ৰত্ৰৰ যোগেদি মাতি পঠিযাইছিল, পিছে ব্যক্তিগত অসুবিধাৰ (শাৰীৰিক অসুস্থতা?) বাবেবিদ্যালঙ্কাৰ দেৱে সেই আমন্ত্ৰন ৰক্ষা কৰিব নোৱাৰিলে (উক্ত আমন্ত্ৰন পত্ৰখনি বিচাৰি নোপোৱা বাবে উক্ত কথাখিনিৰ সত্যতা প্ৰমান কৰিব পৰা নগল।) তাহানিৰ আমাৰ পণ্ডিত সকলৰ সমসাময়িক কেইজনে নিজৰ মাজত প্ৰায়ে আলোচনাত ব্ৰতী হৈছিল। এই আলোচনা সমূহ সচৰাচৰ কোনোবা এজন পণ্ডিতৰ বাসগৃহত নাইবা বিধিকৰ্ত্তা চিত্ৰলোচন চক্ৰৱৰ্ত্তী মহোদয়ৰ (অধুনা শ্ৰীজীৱলোচন, সুজীব লোচন বা দিলীপ চক্ৰৱৰ্ত্তীৰ ঘৰ) নাইবা শ্ৰীকান্ত আৰু নীলকান্ত চক্ৰৱৰ্ত্তীৰ (অধুনা প্ৰভাত, বিজন, সিদ্ধাৰ্থ, সৰ্ব্বোদয় ক্ৰৱৰ্ত্তীৰ ঘৰ) বাসভৱনত অনুষ্ঠিত

হৈছিল। অৱশ্যে তেখেত সকলৰ আলোচনাৰ ফলত সাহিত্য চৰ্চ্চাই কিমানখিনি উন্নতি সাধন কৰিছিল তাৰহে উমান পোৱা নাযায়।

খৃষ্টাব্দ ১৮৫০ চনৰ সময়ছোৱাঃ- খৃষ্টাব্দ ১৭৯০ চনত লিখিত সাঁচিপাতৰ গীতাখনেই হ'ল মই বিচাৰি পোৱা শালকোচাৰ প্ৰাচীনতম কালৰ পুঁথি। এই খনৰ আগতে লিখা পুঁথি আমাৰ অঞ্চলত সংৰক্ষিত হৈ আছে বুলি ন দি কব পৰা নাযায়।

আমাৰ অঞ্চলত প্ৰচলিত সংস্কৃতিলৈ লক্ষ্য কৰিলে দেখা যায় যে ই অতি উচ্চ থাপৰ আৰু বহু ক্ষেত্ৰত অদ্বিতীয়ও। এই অঞ্চলত প্ৰচলিত সোনাৰাই আদি বহুতো গীতৰ লগত হাবি-বননি/জীৱ-জন্তুৰ (অৱশ্যে বৰ্ত্তমানে বহুতো নতুন গীত সংযোজিত হৈছে) প্ৰত্যক্ষ সম্বন্ধ আছে। ভালদৰে লক্ষ্য কৰিলে দেখা যায় যে আমাৰ অঞ্চলটি অতীতৰে পৰা লোক সংস্কৃতিত চহকী আছিল। লোক-সাহিত্য হ'ল লোক-সংস্কৃতিৰেই এটা প্ৰধান অংগ (সাহিত্য, সংগীত আৰু কলা এই তিনিওটাই হ'ল সংস্কৃতিৰ অংগ)। গতিকে ইয়াকে প্ৰতিষ্ঠিত কৰিব বিচাৰিছো যে, মই ঢুকি নোপোৱা কালছোৱাত থকা লোক-সাহিত্যৰ প্ৰভাৱতেই পৰৱৰ্ত্তী যুগৰ সাহিত্য চৰ্চ্চাৰ মান উন্নত হবলৈ ধৰে।

পদ্ম-পুৰাণৰ ৰচক মনকৰৰ গোৱালপাৰা (অবিভক্ত) জিলাৰ লোক আছিল বুলি যুক্তি প্ৰদৰ্শিত কৰা যিবোৰ লিখনি এতিয়ালৈকে প্ৰকাশ হৈছে (উদাহৰণ স্বৰূপে 'অসমীয়া সাহিত্যৰ বুৰঞ্জী (মনসা শাখা) লিখক ভাৰত চন্দ্ৰ দাস), সেইবোৰ সঁচা বুলি ধৰি ললে কব পাৰি যে মনকৰৰ জন্ম অবিভক্ত গোৱালপাৰা জিলাৰ এই শালকোচা অঞ্চলতে হব লাগে। নহলেও অন্ততঃ তেখেতৰ জীৱনৰ এচোৱা সময় শালকোচাত কটাইছিল বুলি কব পাৰি। এই কথাষাৰৰ সপক্ষে যুক্তিৰ অৱতাৰণা কৰি কব খুজিছো যে, পদ্ম-পুৰাণৰ কাহিনীৰ অন্তৰ্গত চান্দ-সদাগৰৰ ডিঙা (নাও) ইয়াতে বুৰিছিল বুলি প্ৰচলিত কথা এষাৰ আজিও শুনা যায়। চান্দ সদাগৰৰ ডিঙা বুৰা বুলি কথিত ঠাই ডোখৰতে আজিৰ 'চান্দৰডিঙা পাহাৰ' অৱস্থিত। বুৰ যোৱা ডিঙা সমূহৰ পৰা পিছত তুলি অনা বযবস্তু সমূহ যি ডোখৰ ঠাই ভাগে ভাগে টোপোলা বান্ধি থোৱা হৈছিল সেই ঠাইডোখৰৰ নাম 'টোপোলাবান্ধা' (কালক্ৰমত 'টোকোৰাবান্ধা'), যি ঠাইত চান্দ সদাগৰৰ ডিঙাত থকা সোন খিনি পানীৰ তলৰ পৰা উদ্ধাৰ কৰা হৈছিল সেই ঠাই ডোখৰৰ নাম 'সোণামুখী' (অম্বিকা চৰণ চৌধুৰী, 'স্মৃতি গ্ৰন্থ' পুখুৰীপাৰা L.P. School)ৰ আদি কথাই শালকোচাৰ লগত চান্দ সদাগৰৰ উপাখ্যানৰ সম্বন্ধ সূচায়। তাৰোপৰি শালকোচাৰ ওচৰৰে ধুবুৰীত নেতাই-ধুবনীৰ ঘাট অৱস্থিত। গতিকে অনুমান কৰা হৈছে যে, চান্দ সদাগৰৰ স্মৃতি জড়িত শালকোচাত জন্ম লাভ কৰাৰ

দ্বাৰা বা বসবাস কৰাৰ পৰাই মনকৰে পদ্মপুৰাণ ৰচনাৰ প্ৰেৰণা পাইছিল। যি কি নহওঁক, সুদূৰ অতীতৰ পৰাই বৰ্ত্তমানলৈকে শালকোচাৰ ঘৰে ঘৰে মাৰৈ পূজা (পদ্মা-পুৰাণৰ গীত সহ পদ্মা দেৱী বা বিষহৰি দেৱীৰ পূজা) অনুষ্ঠিত হৈ আহিছে। এই বিষয়ে প্ৰবন্ধটিত আগেয়ে উল্লেখ কৰা হৈছে। এতিয়া কেৱল এটা কথাহে উল্লেখ কৰিবলৈ বাধ্য হৈছো যে আনুষ্ঠানিকতাৰ নিষ্ঠুৰ পৰশত আমাৰ অঞ্চলৰ প্ৰাচীন লোক-সংস্কৃতিৰ বহুখিনিয়ে লোপ পাবৰ উপক্ৰম হৈছে। সেয়েহে কোনো ব্যক্তি বা প্ৰতিষ্ঠানে ইয়াৰ অধ্যযণ আৰু সংৰক্ষনৰ বাবে প্ৰচেষ্টা কৰিলৈ যথেষ্ট আনন্দিত হম।

উপসংহাৰ - তাহানিৰ সাহিত্য চৰ্চ্চাৰ মেজৰ পৰা আপোনাসবক বৰ্ত্তমানলৈ ঘূৰাই অনাৰ মুহূত্বত আমাৰ অঞ্চলটিত তাহানিৰ শিক্ষা ব্যবস্থা আৰু ইয়াৰ প্ৰসাৰৰ বিষয়ে অকণমান উল্লেখ কৰাৰ অংগীকাৰ বাস্তবিত কৰিলো। লগতে শিক্ষাৰ ক্ষেত্ৰত কৃতিত্ব দেখুওৱা আমাৰ অঞ্চলৰ কেইজনমান ব্যক্তিৰ পৰিচয়ো ডাঙি ধৰা হ'ল।

বৰ্ত্তমানে এখন উচ্চতৰ মাধ্যমিক বিদ্যালয, কেইবাখনো হাইস্কুল, বহুত এম,ই স্কুল আৰু ভালেমান এল,পি, স্কুলে জ্ঞানৰ পোহৰ বিলাই থকা এই শালকোচা খনত আমাৰ আলোচিত সময়সীমালৈকে কিন্তু বৰ বেছি বিদ্যালয় নাছিল। স্বাধীনতাৰ ২৫ বছৰ পিছলৈকে তাহানিৰ শালকোচা উচ্চ মাধ্যমিক বিদ্যালয়ে মূখ্য ভূমিকা গ্ৰহণ কৰা শিক্ষা ব্যৱস্থাত মাত্ৰ কেইখনমান নিম্ন বিদ্যালযহে বিভিন্ন স্তৰত শিক্ষা দানৰ দাযিত্ব পালন কৰিছিল। স্থানীয় ৰাইজৰ প্ৰচেষ্টাত গঢ লৈ উঠা উনবিংশ শতিকাৰ শেষৰ পিনে স্থাপিত ৭৩ নং হাতীপোতা এল, পি, স্কুল, ১০৪ নং গৌৰাংটাৰীএল, পি, স্কুল (খৃষ্টাব্দ ১৮৯৮ চনত স্থাপিত), ১৯০১ চনত স্থাপিত ১১৬ নং পুখুৰীপাৰা এল. পি, স্কুল (১৯১১ চনত স্থাপিত ১২৩ নং টোকোৰাবান্ধা এল, পি, স্কুল ১৩০ শ্যামাৰাইপাৰা এল, পি, স্কুল, ১৬৮ নং দ্বাৰশীলা এল, পি, স্কুল গৌৰাংটাৰী বালিকা বিদ্যালয (সৰলা দেৱীৰ স্থাপিত এই বিদ্যালয খনি পিছলৈ ১০৪ নং গৌৰাংটাৰী এল, পি, স্কুলৰ লগত একত্ৰীকৰণ হয়।) পুখুৰীপাৰা বালিকা বিদ্যালয় (এই বিদ্যালয় খনিও পিছলৈ ১১৬ নং পুখুৰীপাৰা এল, পি, স্কুলৰ লগত এএকত্ৰীকৰণ হয়।) শব্দৰাম সিংহ এম, ভি, স্কুল, শালকোচা এম, ই, স্কুল (পিছলৈ শালকোচা হাইস্কুলৰ লগত একত্ৰীকৰণ কৰা হয়)। শিলগাৰা ছোৱালী এম, ই, স্কুল (পিছলৈ সহশিক্ষা হয); ১৯৪৬ চনত স্থাপিত শালকোচা হাইস্কুল (পিছলৈ হায়াৰ চেকেণ্ডাৰী লৈ উন্নীত হয়গৈ), শিলগাৰা হাইস্কুল, আদিয়ে প্ৰধান শিক্ষানুষ্ঠান আছিল বুলি কব পৰা যায়। এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে শালকোচাৰ প্ৰথমখন আনুষ্ঠানিক প্ৰাইমাৰী স্কুল শ্ৰীগ্ৰাম গাঁওত জমিদাৰী পৃষ্ঠপোষকতাতস্থাপিত হৈছিল। কিন্তু

কেইবছৰমান পিছত জমিদাৰবে ৰোষত পৰি বিদ্যালয় খনৰ ভেটি উচ্ছন্ন হৈ গল। যি কি নহওক প্ৰথমতে বাংলা ভাষাৰ মাধ্যম কৰি গঢ়ি উঠা বিদ্যালয় কেইখনেও পৰবৰ্ত্তী সময়ত অসমীয়া মাধ্যমক আকোঁৱালি ললে। শ্ৰীগ্ৰাম নিবাসী শ্ৰদ্ধেয় আবুল কালাম ডাঙৰীযাৰ ভাষাৰেই (স্মৃতিগ্ৰন্থ, ১১৬ নং পুখুৰীপাৰা প্ৰাথমিক বিদ্যালয়ৰ শতবাৰ্ষিকী উৎসৱ, 'প্ৰাক স্বাধীনতা কালীন শালকোচাত শিক্ষা আৰু পৰিবেশৰ এটি আভাস' নামৰ প্ৰবন্ধ, পৃষ্ঠা-১২) পৰিবেশটিৰ এটি চিন দাঙি ধৰাৰ প্ৰচেষ্টা কৰিলো - "শিক্ষাৰ পৰিবেশ এটা শালকোচাত গঢ়ি উঠিল। ল'ৰাৰ সংখ্যাই অধিক। কাচিৎহে দুই-এজনী ছোৱালী পঢ়িবলৈ যায। বয়সৰ কোনো কথা নাই। পোচাকৰ কোনো বাধ্য বাধকতা নাই। আগৰ শিকোঁতাবোৰে হাতে হাতে কলপাত আৰু তেতেঁলী গুটি লৈ 'পাঠশালালৈ গৈছে। পণ্ডিতে ওজা ছাত্ৰ এজনক গঢ দি আখৰ লিখি দিয়ে বাকীবোৰে চাই চাই তেঁতেলী গুটিৰে কলপাতত হাত পকায। ওপৰৰ শ্ৰেনীৰ ছাত্ৰই মাটিৰ শ্লেটত ঘৰতে বনাই লোৱা মাটিৰ পেঞ্চিলেৰে লিখে। এনে পেঞ্চিল কেকোৰাই তোলা মাটিৰে বনাই অলপ জুইত পুৰি লব লাগে। ইয়াক 'খড়ি মাটি' বুলি কৈছিল। কাগজ বৰ মূল্যৱান আছিল। তথাপি ওখ খাপৰ ছাত্ৰ-ছাত্ৰীবোৰে কাগজেদি বহী বনাই লৈছিল। কলম সাধাৰণতে খাগৰিৰে তৈযাৰ কৰা হৈছিল। দোকানত কিনিবলৈ পোৱা এক ধৰণৰ চৰাই পাখি পোৱা গৈছিল। তাৰেও কলম বনাই লিখা হৈছিল। অৱশ্যে নিব হেণ্ডেলৰ প্ৰচলনো আছিল। চিয়াঁহী ভৰোৱা 'ফাউন্টেন পেন' সাধাৰণতে ব্যৱহাৰৰ বাবে দুস্প্ৰাপ্য আছিল। 'চিয়াঁহী' তৈযাৰ কৰা কামটো সাধাৰণ কাম নাছিল। শিলিখা, কেহুঁৰাজ, কুচিয়ামাছৰ তেজ আদি মিশ্ৰণ কৰি মাটিৰ চৰুত পচাই বিশেষ পদ্ধতিৰে চিয়াঁহী তৈয়াৰ কৰা হৈছিল। ভূৰুকা বা পৰীয়া বাঁহৰ চুঙাত চিয়াঁহী ৰখা হৈছিল। ইযে 'মহী চুঙা'। পৰবৰ্ত্তী কালত 'চিয়াঁহীৰ বড়ি' কিনিবলৈ পোৱা গৈছিল।" তাৰ পাছত পেকেটত গুৰা চিয়াঁহী পাইছিল।"

আনুষ্ঠানিক ইংৰাজী শিক্ষাৰ প্ৰসাৰৰ প্ৰচেষ্টা কৰি থকা উক্ত সময়ছোৱাত শালকোচাত 'সংস্কৃত শিক্ষাৰ' ক্ষেত্ৰ এখনো ধৰি ৰখাৰ প্ৰচেষ্টাৰে এখন সংস্কৃত শিক্ষাৰ 'টোল' স্থাপন কৰা হৈছিল। পিছে কেইবাজনো বৰেণ্য ব্যক্তিৰ প্ৰচেষ্টাত গঢ়ি উঠা হাপাপাৰা গাঁওত গঢ়ি উঠা এই টোলখন বৰ বেছি বছৰ জীয়াই থকা নাছিল।

ঊনৈশ-শতিকাৰ শেষৰ ফালে শ্ৰদ্ধেয় নৰেন্দ্ৰনাথ গোস্বামী দেৱৰ (ঁৰমানাথ বিদ্যালঙ্কাৰৰ পিতৃ) বিশেষ উদ্যমত 'ধৰ্মশাস্ত্ৰ পাঠ' আকাৰে অনা-আনুষ্ঠানিক প্ৰাথমিক বিদ্যালয় (বাংলা আৰু সংস্কৃত ভাষা শিক্ষাৰ বাবে) গঢ়লৈ উঠিছিল মাননীয় গোস্বামী

দেৱৰ বাসগৃহতে। পিছে এই ব্যৱস্থা ১১৬ নং পুখুৰীপাৰা এল, পি, স্কুলৰ জন্ম ক্ষণতে সমাপ্ত হয়।

বিভিন্ন সমলৰ সহায়েৰে ঢুকি পোৱা সময়ৰ ভিতৰত শালকোচাৰ হাপাপাৰাৰ নিৱাসী সৰ্ব্বেশ্বৰ বিদ্যাৰত্নদেৱৰ বাসগৃহত এখন 'টোল' (সংস্কৃত শিক্ষাৰ) চলি থকাৰ উমান পোৱা যায়। টোলখনি কোনে কেতিয়া স্থাপন কৰিছিল তাৰ সবিশেষ পাবলৈ নাই। গুৰু (শিক্ষক) সকলৰ ভিতৰত বিশ্বেশ্বৰ স্মৃতিৰত্ন দেৱৰ আৰু শালকোচাৰ বাহিৰৰ পৰা আহি অধ্যাপনা কৰা কাৰ্য্যত ব্ৰতী হোৱা গঙ্গাশাস্ত্ৰী দেৱৰ নাম উদ্ধাৰ কৰিব পৰা হৈছে। গঙ্গাশাস্ত্ৰী মহোদয়ে আছিল অন্তিমজনা অধ্যাপক। ইয়াৰ পিছতে টোলখনিৰ অপমৃত্যু ঘটে। বোধকৰো গৌৰীপুৰস্থিত 'তাৰিণীপ্ৰিয়া চতুষ্পাঠী'ৰ সুনামত আকৃষ্ট হৈ অধিকাংশ ছাত্ৰ তালৈকে পঢ়িবলৈ যোৱা বাবেই শালকোচাৰ টোলখনিৰ জীৱন কাল শেষ হৈ যায়।

শালকোচাৰ কেইজনমান বিদ্বান ব্যক্তিৰ চমু পৰিচয় ঃ- 'পঞ্চ পণ্ডিতৰ' দেশ বুলি খ্যাত শালকোচাৰ পণ্ডিত কেইজনৰ চমু পৰিচয় দিবৰ কাৰণে সৃষ্টি কৰা এই অংশটিত আন বহুতো বৰেণ্য ব্যক্তিৰ নাম সন্নিবিষ্ট কৰা হলেও, মোৰ অজ্ঞানতা আৰু সঠিক তথ্যৰ অভাৱত আন বহুতো ব্যক্তিৰ নাম বাদ পৰি গৈছে বুলি মই অনুভৱ কৰিছো। সেয়েহে মোৰ অনিচ্ছাকৃত ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছো।

১। সৰ্ব্বেশ্বৰ বিদ্যাৰত্ন ঃ- উক্ত পঞ্চ পণ্ডিত সকলৰ বয়ঃজেষ্ঠ এই ব্যক্তিজনা কলিকতা (কলকাতা) (ভট্টপল্লী) আৰু বাৰাণসীত পঢ়ি শালকোচা বাসীৰ গৌৰৱৰ কাৰণ হৈ পৰে। তেখেত হাপাপাৰা গাঁওৰ (আদিতে গৌৰাংটাৰী গাঁওৰ) বাসিন্দা আছিল। (বৰ্ত্তমানে কলিতাপাৰাৰ প্ৰবেশ দ্বাৰত পকীঘৰ এটা থকা প্ৰকাণ্ড বাৰীখন)। বৰ্ত্তমানে সদৌ অসম ছাত্ৰ সন্থাৰ আৰু সদৌ উত্তৰ পূৱ ছাত্ৰ সন্থাৰ উপদেষ্টা শ্ৰীযুত সমুজ্জ্বল ভট্টাচাৰ্য্যৰ পুবপুৰুষ হোৱা বাবে তেখেতৰ ভেটি ডোখৰক বহুতো 'সমুজ্জ্বল ভট্টাচাৰ্য্যৰ' ভেটি বুলিও কয়। এখেতৰ সৃষ্টিৰাজিৰ বিশেষ বিৱৰণ পোৱা নগল।

২। বিশ্বেশ্বৰ স্মৃতিৰত্ন ঃ- সৰ্ব্বেশ্বৰ বিদ্যাৰত্ন দেৱৰ এই পুত্ৰজনাই শালকোচাৰ ৰত্ন ৰূপেই প্ৰতিষ্ঠা লাভ কৰে। দেউতাকৰ পদানুসৰণ কৰি এখেতেও কলিকাতা আৰু বাৰানসীৰ পৰা শিক্ষা গ্ৰহণ কৰি আহি জন্মস্থানতে নিগাজীকৈ বসবাস কৰিবলৈ লয়। এখেতৰো সৃষ্টিৰাজিৰ বিশেষ বিৱৰণ পোৱা নগলেও, তেখেতৰ দেউতাকৰ সময়ৰ পৰাই সংগ্ৰহীত মূল্যৱান কিতাপেৰে ভৰি থকা ব্যক্তিগত পুথি ভাড়ালটিৰ উমান পোৱা যায়। তেখেতে কোনোবা এখন সভাত (বোধকৰো সদৌ অসম ব্ৰাহ্মণ

সমাজৰ লক্ষীপুৰ অধিবেশন) সভাপতি ৰূপে সংস্কৃত ভাষাৰ ভাষণ পাঠ কৰি সভাখনৰ মুখ্য অতিথি মাননীয় দেশভক্ত তৰুণৰাম ফুকন দেৱৰ দ্বাৰা উচ্চ প্ৰশংসিত হৈছিল।

৩। **তিলক চন্দ্ৰ বিদ্যা বিনোদ ঃ-** শালকোচাত জন্ম গ্ৰহণ কৰা (গৌৰাংটাৰীত) এই বৰেণ্য ব্যক্তিজনাই শিক্ষা গ্ৰহণ সমাপ্ত কৰাৰ কিছুদিনৰ ভিতৰতে শালকোচা এৰি লক্ষীপুৰত নিগাজীকৈ বসবাস কৰিবলৈ লোৱাত শালকোচা বাসীৰ স্মৃতিৰ পৰা তেখেত হেৰাই যায়। সেয়েহে এই ব্যক্তি জনাক পঞ্চ-পণ্ডিতৰ ভিতৰত ধৰা নহয়।

৪। **ৰমানাথ বিদ্যালঙ্কাৰ ঃ-** পঞ্চ-পণ্ডিত কেইজনাৰ ভিতৰত সৰ্ব্বশ্ৰেষ্ঠ সৃষ্টি ৰাজি ৰাখি থৈ যোৱা পুখুৰীপাৰাৰ গোস্বামী পৰিয়ালৰ এই ব্যক্তি জনাই জীৱনৰ বহুকেইটা বছৰ (৪২) বছৰ 'তাৰিণী প্ৰিয়া চতুস্পাঠীত (গৌৰীপুৰ) স্মৃতিৰ অধ্যাপক ৰূপে কটায়। নৰেন্দ্ৰনাথ গোস্বামী দেৱৰ বৰপুত্ৰ ৰূপে জন্ম গ্ৰহণ কৰা এই ব্যক্তিজনাই প্ৰাৰম্ভিক শিক্ষা গৌৰীপুৰত গ্ৰহণ কৰিলেও পিছলৈ নবদ্বীপ (পশ্চিম বঙ্গ)লৈ গৈ বহুতো বিষয়ৰ জ্ঞান অৰ্জন কৰি আহে। তেখেতৰ পাণ্ডিত্যই তেতিয়াৰ অসমৰ প্ৰতিজন খ্যাতনামা ব্যক্তিক মুগ্ধ কৰিছিল। উদাহৰণ স্বৰূপে কৃপানাথ বাচস্পতী, মহামহোপধ্যায় আদ্যনাথ ন্যায়ভূষণ, মহামহোপধ্যায় গঙ্গাধৰ শাস্ত্ৰী আজিৰ তাৰিখলৈকে জীৱিত আছে বুলি জ্ঞাত), কৃষ্ণকান্ত সন্দিকৈ আদিৰ নাম উল্লেখ কৰিব পাৰি। 'অসম সংস্কৃত বোৰ্ড' আৰু 'সংস্কৃত এছোছিয়েচন অফ কলিকতা'ই তেখেতৰ বহুতো গ্ৰন্থক পাঠ্যপুথি ৰূপে গ্ৰহণ কৰিছিল।

৫। **ষড়ানন ন্যায় তৰ্কতীৰ্থ ঃ-** বিদগ্ধ পণ্ডিত ৰূপে খ্যাতি লাভ কৰা এইজনা ব্যক্তিযে গৌৰীপুৰৰ 'তাৰিণী প্ৰিয়া চতুস্পাঠী'তে অধ্যাপনা কৰি তথা অধ্যক্ষ ৰূপে জীৱনৰ অধিকাংশ সময় কটোৱাৰ পিছত গৌৰীপুৰতে নিগাজীকৈ বসবাস কৰিবলৈ লয়। হাপাপাৰা গাঁওৰ বৰ্ত্তমান 'শিবু ঠাকুৰৰ ভিটা' বুলি পৰিচিত চেগুণ গছেৰে ভৰি থকা মাটিখিনিযে তেখেতৰ আদি গৃহ আছিল। তেখেতে তাৰীণিপ্ৰিয়া চতুস্পাঠীত ছাত্ৰ জীৱনৰ আৰম্ভনি পিচলৈ কলকাতা আৰু কাশীলৈ গৈ শিক্ষা গ্ৰহণ কৰিছিল। কামাখ্যানাথ তৰ্কভূষণ আদি পণ্ডিতৰ দৃষ্টি আকৰ্ষণ কৰা এই ব্যক্তিজন হ'ল শালকোচাৰ উক্ত পঞ্চ- পণ্ডিতৰ চতুৰ্থজন সদস্য।

৬। **অখিল চন্দ্ৰ স্মৃতি ব্যাকৰণ তীৰ্থ ঃ-** উক্ত পঞ্চ-পণ্ডিতৰ কনিষ্ঠতম এই ব্যক্তিজনাই কলিকাতাৰ (পদ্মপুকুৰ) আৰু বাৰানসীৰ পৰা উচ্চ শিক্ষা গ্ৰহণ কৰিছিল। গৌৰাংটাৰীত থকা বৰ্তমান মনতোষ আৰু আশুতোষ চক্ৰবৰ্ত্তীৰ বাসভৱনটিয়ে (এওঁলোক দুয়োজনাৰ পিতৃ আছিল) তেখেতৰ বাসস্থান আছিল। আন আন পণ্ডিত সকলৰ দৰে এখেতৰো সৃষ্টি আৰু সংগ্ৰহ ৰাজি সম্পূৰ্ণকৈ বিচাৰি পোৱা নগল।

৭। গোলক সিদ্ধান্ত বাগীশ ঃ- বৰ্ত্তমান শালকোচা বাসীৰ স্মৃতিৰ আৰলৈ গুচি যোৱা এইজনা ব্যক্তিৰ বিষয়ে বিশেষ একো তথ্য উদ্ধাৰ কৰিব পৰা নগল। ষড়ানন ন্যায় তৰ্কতীৰ্থদেৱে ১৯২৬ চনত ধুবুৰীত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিবেশনৰ দৰ্শন শাখা সভাপতিৰূপে দিয়া অভিভাষণত শালকোচাৰ বিশিষ্ট নৈয়্যায়িক পণ্ডিত বুলি এইজনা ব্যক্তিৰ নাম উল্লেখ কৰিছিল।

শ্ৰদ্ধেয় পাঠক সকল এইদৰে প্ৰত্যেকজন ব্যক্তিৰ বিস্তাৰিত পৰিচয় দিবলৈ হ'লে প্ৰবন্ধটি অতি দীঘলীয়া হবগৈ, সেয়েহে এতিয়াৰে পৰা কেৱল ব্যক্তিজনাৰ নাম, গাঁওৰ নাম আৰু লগতে বন্ধনী ভিতৰত চমুকৈ তেখেতৰ বিশেষ কৃতিত্বক উল্লেখ কৰাৰহে থিৰাং কৰিছো।

পৰম্পৰাগত সংস্কৃত শিক্ষা (টোলত পঢ়ি অহা) ক্ষেত্ৰত সুনাম অৰ্জন কৰা ব্যক্তি সকল- বিধিকৰ্ত্তা চিত্ৰলোচন চক্ৰৱৰ্ত্তী, পুখুৰীপাৰা (বিজনীৰ ৰজাই বিধিকৰ্ত্তা উপাধিৰে বিভূষিত কৰিছিল); দেবেন্দ্ৰ নাৰায়ন গোস্বামী (মানভূমৰ পৰা আয়ুৰ্বেদ শাস্ত্ৰ অধ্যয়ণ কৰি আহে); উপেন্দ্ৰ নাৰায়ন গোস্বামী নবদ্বীপৰ পৰা সংস্কৃত শাস্ত্ৰ অধ্যয়ণ কৰি আহে); অতীন্দ্ৰ নাৰায়ন গোস্বামী (ব্যাকৰণ শাস্ত্ৰ)। তাহানিৰ দিনতে শালকোচাৰ সুনাম দুৰ দুৰণিলৈ বিয়পাই দিয়ে। আন ব্যক্তি সকলৰ নাম মোৰ লিখনিৰ পৰা অজ্ঞতাবশতঃ বাদ পৰি যোৱাৰ বাবে মই তেখেতসকলৰ পৰিয়াল বৰ্গৰ ওওচৰত আৰু শালকোচা বাসী ৰাইজৰ ওচৰত ক্ষমা প্ৰাৰ্থী।

আনুষ্ঠানিক ইংৰাজী শিক্ষাৰে শিক্ষিত তাহানিৰ শালকোচা বাসী সকলৰ কেইজনমান মই আগতে উল্লেখ কৰিছো যে, সঠিক তথ্য জনা ব্যক্তিৰ অভাৱতে মোৰ এই প্ৰবন্ধটিৰ গতিত বাৰে বাৰে বাধাৰ সৃষ্টি কৰিছে। এই ক্ষেত্ৰতো উক্ত বাধাৰ ফলতে শালকোচাৰ ভিতৰত - প্ৰথমজন মেট্ৰিক পাছ কৰা ব্যক্তি, I.A\I.Sc পাচ কৰা ব্যক্তি নাইবা স্নাতক ব্যক্তিজনৰ নাম সঠিক ভাৱে উল্লেখ কৰিব পৰা নগল। এই বিষয়ে সঠিক তথ্য জনা থাকিলে সেয়া আঙুলিয়াই দিলে উপকৃত হম।

শালেকোচাৰ প্ৰথমজন মেট্ৰিক পাছ কৰা ব্যক্তিৰ নাম বিচাৰোতে চাৰিজন ব্যক্তিৰ নাম পোৱা গৈছে। তেখেত সকলে মেট্ৰিক পাছ কৰাৰ চন-তাৰিখ আদিও উলিয়াব পৰা নগল। তেখেত সকল হ'ল - কুলনাথ চক্ৰৱৰ্ত্তী (কুল দাৰোগা বুলি খ্যাত) গৌৰাংটাৰী, কমলাউদ্দিন আহমেদ (শ্ৰীগ্ৰাম) (কামাল দাৰোগা বুলি খ্যাত), দেবেন্দ্ৰ নাৰায়ন ৰায় (দেৱেন কম্পাইণ্ডাৰ বুলি খ্যাত) (বাণীয়াপাৰা) আৰু ৰুদ্ৰদেৱ চক্ৰৱৰ্ত্তী (Forest Range Officer) (পুখুৰীপাৰা)। এখেত সকলৰ ভিতৰত কুলনাথ চক্ৰৱৰ্ত্তী বয়জ্যেষ্ঠ আছিল বাবে তেখেতকে শালকোচাৰ প্ৰথমজনা মেট্ৰিক

পাছ্ কৰা ব্যক্তি বুলি কহতে কব বিচাৰে। শালকোচাৰ প্ৰথমজনা স্নাতকোত্তৰ ডিগ্ৰীধাৰী ব্যক্তি আছিল- নীলমাধব বৰুৱা (শ্ৰীগ্ৰাম)। জমিদাৰ বংশৰ এই ব্যক্তি জনাই প্ৰথমতে সংস্কৃত বিষয়ত M.A. পাছ্ কৰাৰ পিছত Philosophy বিষয়তো M.A. পাছ কৰাৰ লগতে B.L. (আইনৰ স্নাতক) উপাধিও গ্ৰহন কৰাৰ পিছত শিক্ষা সাং কৰি খৃষ্টাব্দ ১৯১২ চনত কলিকতাৰ পৰা নিজ গাঁওলৈ উভতি আহে। শালকোচাৰ প্ৰথমজন ডক্টৰেট ডিগ্ৰীধাৰী ব্যক্তি হ'ল ডঃ ঘুমেন্দ্ৰ বৰ্ম্মণ (কামাৰপাৰা)। জিও'লজিকেল ছাৰ্ভে অফ ইণ্ডিয়াৰ গুৱাহাটী অফিচৰ পৰা ডাইৰেক্টৰ ৰূপে অৱসৰ গ্ৰহণ কৰা এই ব্যক্তি জনাই তেখেতৰ Ground water সম্পৰ্কীয় গৱেষণাৰ বাবে ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ লাভ কৰিছিল। শালকোচাৰ দ্বিতীয়জন ডক্তৰেট ডিগ্ৰীধাৰী ব্যক্তি হ'ল পৰেশ বৰ্ম্মণ (বামুনগাঁও) (কটন কলেজৰ Physics বিভাগৰ অধ্যাপক)। ১৫ বছৰ বয়সতে মেট্ৰিক পাছ্ কৰা প্ৰথম ব্যক্তি আছিল হৰকুমাৰ চক্ৰবৰ্ত্তী। পিছলৈ তেখেতে History বিষয়ত M A পাছ্ কৰাৰ উপৰিও B.L উপাধিও গ্ৰহণ কৰে। শালকোচাৰ প্ৰথম B.A. পাছ্ কৰা ব্যক্তিজন দ্বাৰিকানাথ চক্ৰবৰ্ত্তী (গৌৰাংটাৰী)য়ে হব বুলি অধিকাংশই মত পোষণ কৰে। শালকোচা অঞ্চলৰ ৰাজবংশী সম্প্ৰদায়ৰ ভিতৰত প্ৰথম স্নাতক ব্যক্তিজনাৰ নাম সঠিক কৈ উলিযাব পৰা নগল। এই ক্ষেত্ৰত প্ৰাপ্ত নাম কেইটা হ'ল - মদন বৰ্ম্মন (পুখুৰীপাৰা) (বগৰীবাৰী হাইস্কুলত শিক্ষকতা কৰিছিল), ধ্ৰুব বৰ্ম্মন (হাতীপোতা) (অকালতে মৃত্যু বৰণ কৰে) আৰু গদাধৰ বৰ্ম্মন (ভোলাপাৰা) চাপৰ হাইস্কুলত শিক্ষকতা কৰিছিল)। নাথ সম্প্ৰদাযৰ ব্যক্তি সকলৰ ভিতৰত প্ৰথম B A পাছ্ কৰা ব্যক্তি জন হ'ল-শ্ৰী মহন্ত কুমাৰ দেবনাথ (গেৰাবভিটা)। তেখেতে পিছলৈ B.T. পৰীক্ষাতো সুখ্যাতিৰে উৰ্ত্তীৰ্ণ হয়। শালকোচাৰ প্ৰথমজন B A B T. ব্যক্তি দেবেন্দ্ৰনাথ নিয়োগী আৰু দ্বিতীয়জন B.A.B.T ব্যক্তি হ'ল চৈতন্যদেব চক্ৰবৰ্ত্তী (পুখুৰীপাৰা) (প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক, শালকোচা হাইস্কুল ৰূপে অৱসৰ গ্ৰহণ কৰিছিল)। শালকোচাৰ প্ৰথমজন B Sc. পাছ্ ব্যক্তি হ'ল বিৰাজমোহন চক্ৰবৰ্ত্তী (B.Sc. BE. Sibpur) (হাপাপাৰা)। এখেত P W D (অবিভক্ত) মুখ্য অভিযন্তাৰ পদ অলংকৃত কৰিছিল। 'চিফ্ ইঞ্জিনিয়াৰ'ৰ পদ অলংকৃত কৰা আন দুজন শালকোচীয়া ব্যক্তি হ'ল মনোৰঞ্জন চক্ৰবৰ্ত্তী (হাপাপাৰা) (B Sc BE (Mechanical Electrical), (Varanosi) প্ৰাঃ মুখ্য অভিযন্তা A.S E.B (অবিভক্ত), আৰু শঙ্কৰ বৰুৱা (শ্ৰীগ্ৰাম), মুখ্য অভিযন্তা A S E.B.(Transformer)। শালকোচাৰ প্ৰথমজনা Triple M.A. ডিগ্ৰীধাৰী ব্যক্তি হ'ল- সুভাষ চক্ৰবৰ্ত্তী (গৌৰাংটাৰী); এখেতে Economics ত দুবাৰ আৰু Political Science ত এবাৰ M.A. পাছ্ কৰি পিছলৈ

বঙাইগাঁও কলেজৰ অধ্যক্ষ পদ অলঙ্কৃত কৰিছিল। ত্ৰিলোচন চক্ৰবৰ্তী মহোদয়ে (পুখুৰীপাৰা) প্ৰথম জনা ডাক্তৰ ৰূপে নিজকে প্ৰতিষ্ঠা কৰাৰ পথ গ্ৰহণ কৰিছিল যদিও, তেখেতসকলৰ জমিদাৰীত সৃষ্টি হোৱা কিবা বিশেষ অসুবিধাৰ বাবে শিক্ষা অসমাপ্ত কৰি ঘূৰি আহিবলৈ বাধ্য হৈছিল। একে অৱস্থা সুশীল মাধৱ বৰুৱাৰ ক্ষেত্ৰতো হৈছিল। গতিকে ডঃ মেজৰ ভূপেন্দ্ৰ ভট্টাচাৰ্যী (ভুপু ডাক্তৰ বুলি খ্যাত) (হাপাপাৰা) য়ে হ'ল শালকোচাৰ প্ৰথমজনা ডাক্তৰ। তেখেতে ত্ৰিশৰ দশকতে L.M.P. (Berry white Medical School, Dibrugrah) পৰীক্ষাত পাছ কৰি পিছলৈ Lake Medical College (অসমৰ্থিত সূত্ৰ মতে R.G. Kor Medical College) Calcutta ৰ পৰা M.B.B.S ডিগ্ৰী গ্ৰহণ কৰে। আন কেইজনমান শালকোচাৰ ডাক্তৰ হ'ল- ডঃ অন্নদা প্ৰসাদ চক্ৰবৰ্তী (A.M.C. Dibrugarhৰ 1st Batchৰ ছাত্ৰ) (হাপাপাৰা); ডঃ মতিন সৰকাৰ (লালা নামেৰে খ্যাত) (শ্ৰীগ্ৰাম) (B.Sc M.B.B.S) ডঃ জানকী চক্ৰবৰ্তী (পুখুৰীপাৰা), ডঃ তপন ৰায়চৌধুৰী, ডঃ অতীশ চক্ৰবৰ্তী (পুখুৰীপাৰা) 1969। শালকোচাবাসী (শ্ৰীগ্ৰাম) ইচলামপন্থী লোক সকলৰ ভিতৰত জাহানউদ্দিন আহমেদ ডাঙৰীয়াই হ'ল প্ৰথম জনা স্নাতক আৰু B.L. ডিগ্ৰীধাৰী লোক। তেখেতে ১৯৩০ চন (ইং) আগতেই B.Sc. B.L. উপাধি গ্ৰহণ কৰা বুলি বহুজনেই কব বিচাৰে। তাৰ পিছতে লব লগা হয় জাহিৰউদ্দিন আহমেদ (B.A.) ডাঙৰীয়াৰ নাম। জালালউদ্দিন আহমেদ, A C.S. মহোদয় আছিল প্ৰথম M.A.L.L.B ডিগ্ৰীধাৰী ব্যক্তি। তাহানি কালতে স্নাতক উপাধি গ্ৰহণ কৰা আন কেইজনমান ব্যক্তি হ'ল-আতোৱাৰ ৰহমান (প্ৰাক্তন শিক্ষক শালকোচা, হাইস্কুল), আব্দুল মজিদ সৰকাৰ (প্ৰাঃ D.S.P.) আবুল কালাম (ইচলাম পন্থী সকলৰ প্ৰথম B.A. B.T) (প্ৰাক্তন প্ৰধান শিক্ষক শিলগাৰা হাইস্কুল)। ইচলাম ধৰ্ম অবলম্বনকাৰী সকলৰ ভিতৰত প্ৰথম মেট্ৰিক পাছ কৰা মহিলা হৈছে- ৰৌশনাৰা বেগম আৰু দ্বিতীয় গৰাকী হ'ল-ফাতেমা খাতুন। শালকোচা অঞ্চলটো নাৰী শিক্ষাৰ ক্ষেত্ৰতো পিছ পৰি থকা নাছিল। ইং ১৯৫০ চনতে শুভা চক্ৰবৰ্তী (পুখুৰীপাৰা বাজীৰ লোচন চক্ৰবৰ্ত্তীৰ জীয়ৰী) য়ে মেট্ৰিক পাছ কৰি শালকোচাৰ নাৰী সকলৰ মাজত এটি জাগৰণৰ সৃষ্টি কৰিছিল। তাৰ পিছতে মেট্ৰিক পাছ কৰা মহিলা সকলৰ ভিতৰত শেফালি চক্ৰবৰ্ত্তী (পুখুৰীপাৰা) (১৯৫১ চনত), মঞ্জুলা ৰায় (১৯৫৪ চনত) (বানিয়াপাৰা) (ৰাজবংশী সম্প্ৰদায়ৰ ভিতৰত প্ৰথম মেট্ৰিক পাছ কৰা মহিলা) আদিৰ নাম উল্লেখ কৰিব পাৰি। মহিলা সকলৰ ভিতৰত প্ৰথম স্নাতক ডিগ্ৰীধাৰী মহিলা হ'ল- সুকৃতি চক্ৰবৰ্ত্তী (কুলকুল নামেৰে পৰিচিত) (হাপাপাৰা)। তাৰ পিছতে উল্লেখ

কৰিব লাগিব ৰাজবংশী সম্প্ৰদায়ৰ প্ৰথম জনা মহিলা স্নাতক নিলীমা দেৱীৰ নাম (গৌৰাংটাৰী)। প্ৰণীতা বৰুৱা (শ্ৰীগ্ৰাম) (পিকু নামেৰে খ্যাত), নন্দিতা গোস্বামী (পুখুৰীপাৰা) আদি আন কেইবাজনেও তাহানি কালতে স্নাতক উপাধি গ্ৰহণ কৰি শালকোচাৰ গৌৰৱৰ কাৰণ হৈ পৰে।

শিক্ষাৰ ক্ষেত্ৰত আগবঢ়াই অথবা কৃতিত্ব প্ৰকাশৰ দ্বাৰা শালকোচা বাসীৰ বাবে গৌৰৱৰ কাৰণ হৈ পৰা আন ব্যক্তি সকলৰ কেইজনমান হ'ল- গুৰু প্ৰসাদ নাথ (গেৰাৰভিটা) (নাথ সকলৰ ভিতৰত প্ৰথম মেট্ৰিক পাছ ব্যক্তি), নৰেন্দ্ৰ বসুমতাৰী (প্ৰাঃ শিক্ষক শালকোচা হাইস্কুল) (বড়ো সকলৰ ভিতৰত প্ৰথম স্নাতক) কুমুদ লোচন চক্ৰৱৰ্ত্তী, পুখুৰীপাৰা (ইং ১৯২৬ চনত ৰাজশ্বাহী কলেজৰ, বৰ্ত্তমান বাংলাদেশত, পৰা I.A. পাছ কৰে আৰু পিছত কলিকতাৰ পৰা Geographyৰ ডিপ্লোমা গ্ৰহণ কৰি এনে ডিপ্লোমা ধাৰী প্ৰথম জনা ব্যক্তি হৈ পৰে), যোগেশ বৰ্ম্মণ (গৌৰাংটাৰী) (অসম আৰক্ষীৰ উচ্চ প্ৰদস্থ বিষযা আছিল) পুখুৰীপাৰাৰ ধীৰেন্দ্ৰ নাৰাযন গোস্বামী (B A 1946 চনত) (Custom আৰু Central Excise ৰ বিষযা আছিল), পৰেশ চন্দ্ৰ গোস্বামী (B A) তাপস কুমাৰ গোস্বামী B A , (চাহ বাগিচাত Managerৰ পদ অলংকৃত কৰা প্ৰথম শালকোচীযা ব্যক্তি), দিলীপ কুমাৰ চক্ৰৱৰ্ত্তী (প্ৰথম জনা Agri স্নাতক) (অসম কৃষি বিভাগৰ Joint Director ৰূপে অৱসৰ গ্ৰহণ কৰে), শ্ৰী জীৱ লোচন চক্ৰৱৰ্ত্তী B A (প্ৰাথমিক শিক্ষক শালকোচা হাইস্কুল), সুজীৱ লোচন চক্ৰৱৰ্ত্তী (B.Sc) (প্ৰাঃ শিক্ষক শালকোচা হাইস্কুল, সঞ্জীৱ লোচন চক্ৰৱৰ্ত্তী (1956 চনত) (Irrigation বিভাগতে Ex Engineer পদ অলংকৃত কৰিছিল), হিৰণ্ময় গোস্বামী (J E), সুধীৰ কুমাৰ বৰ্ম্মন B.Sc B T আদি নিবাস উদমাৰী আছিল) (প্ৰাঃ শিক্ষক শালকোচা হাইস্কুল) গণেশ চক্ৰৱৰ্ত্তী (Supply বিভাগৰ Dy. Director), তৰণী কান্ত বৰ্ম্মণ A C.S ধৰণী কান্ত বৰ্ম্মন, মুনিন্দ্ৰ চক্ৰৱৰ্ত্তী (Matric পাছ 1945 চনত), ৰমেন্দ্ৰ চক্ৰৱৰ্ত্তী B A , নৰেন্দ্ৰ বৰ্ম্মন B.A , জ্যোতিৰ্ময় গোস্বামী B E , অনুপম চক্ৰৱৰ্ত্তী B Sc , ত্ৰিদিব কুমাৰ চক্ৰৱৰ্ত্তী (প্ৰথম Textile স্নাতক ব্যক্তি) 1961, সান্ত্বনা চক্ৰৱৰ্ত্তী, সুৰেণ বৰ্ম্মন, নিৰুপমা দেৱী, ধ্ৰুৱ বৰ্ম্মন আদি, হাপাপাৰা গাঁওৰ- যমুনাকান্ত চক্ৰৱৰ্ত্তী B.A , (কৰ বিভাগৰ উচ্চ প্ৰদস্থ বিষয়া আছিল), পাৰ্থ চক্ৰৱৰ্ত্তী B.A গীতা চক্ৰৱৰ্ত্তী, অলকেশ চক্ৰৱৰ্ত্তী J E , উদয়ন চক্ৰৱৰ্ত্তী B.A (ফাৰ্মাচিষ্ট ডিপ্লমা), দীপেশ চক্ৰৱৰ্ত্তী (SDO), সুবীৰ কুমাৰ চক্ৰৱৰ্ত্তী (প্ৰাঃ ভাৰপ্ৰাপ্ত অধ্যক্ষ, শালকোচা উচ্চতৰ মাধ্যমিক বিদ্যালয়), দেবকুমাৰ চক্ৰৱৰ্ত্তী আদি; আন আন গাঁওৰ- ৰাজেন বৰ্ম্মন (বামুনগাঁও) (Forest Range Officer আছিল) কিশোৰী

মোহন চৌধুৰী (Forest Range Officer আছিল), গদাধৰ বৰ্ম্মন (ভোলাপাৰা) প্ৰাঃ শিক্ষক, চাপৰ হাইস্কুল), হিতেশ্বৰ সূত্ৰধৰ (কামাৰপাৰাৰ বণমালী সূত্ৰধৰৰ পুত্ৰ) (সূত্ৰধৰ সকলৰ ভিতৰত প্ৰথম মেট্ৰিক পাছ ব্যক্তি হব লাগে) (অসমৰ্থিত সূত্ৰমতে এখেত সূত্ৰধৰ সকলৰ প্ৰথম B.A.), সত্যেন বৰ্ম্মন (কুমলিগাঁও) 1950 চনত (মেট্ৰিক পাছ), অনন্ত মোহন বৰ্ম্মন (চল্লিশৰ দশকত মেট্ৰিক পাছ), দিলীপ বৰ্ম্মন B A (গৌৰাংটাৰী) (প্ৰাঃ শিক্ষক কোকোৰাঝাৰ বয়েজ হাইস্কুল) জলেশ্বৰ দাস (গৌৰাংটাৰী) (প্ৰাঃ শিক্ষক শালকোচা হাইস্কুল), ঝৰনা চক্ৰবৰ্ত্তী (বামুনপাৰা) B.A. শ্যামল বৰুৱা B Sc (ভাৰপ্ৰাপ্ত অধ্যক্ষ, শালকোচা উচ্চতৰ মাধ্যমিক বিদ্যালয়) দিলীপ বৰুৱা B.E (শ্ৰীগ্ৰাম শালকোচা হাইস্কুলৰ প্ৰথম ষ্টাৰ পোৱা), প্ৰদীপ বৰুৱা (B E), পূৰ্ণ্য মাধব বৰুৱা (পশু চিকিৎসাৰ স্নাতক) শিবাজী বৰুৱা (পশু চিকিৎসাৰ স্নাতক) (শ্ৰীগ্ৰাম), মাখন বৰ্ম্মন (শ্ৰীগ্ৰাম), সুশান্ত কুমাৰ বৰুৱা (শ্ৰীগ্ৰাম) সুকুমাৰ বৰুৱা (শ্ৰীগ্ৰাম) ফণিন্দ্ৰ নিয়োগী (নিয়োগী পাৰা) (প্ৰাঃ শিক্ষক শালকোচা হাইস্কুল), শ্যামা প্ৰসাদ চক্ৰবৰ্ত্তী (প্ৰথম জনা হিন্দী প্ৰবীন) (প্ৰাঃ শিক্ষক শালকোচা হাইস্কুল) (বামুনপাৰা) মনতোষ চক্ৰবৰ্ত্তী (গৌৰাংটাৰী), অৰবিন্দ চক্ৰবৰ্ত্তী (গৌৰাংটাৰী, অমলেন্দু বৰ্ম্মন (গৌৰাংটাৰী), কানুৰাম বৰ্ম্মন (কামাৰ পাৰা), ৰমেন বৰ্ম্মন (কামাৰপাৰা), ভবেন বৰ্ম্মন (কামাৰপাৰা) সুভাষ বৰ্ম্মন (কুমলিগাঁও) গোপাল বৰ্ম্মন (ভেলুপাৰা) নিৰানন্দ নাথ (গেৰাৰভিটা) পুলক চক্ৰবৰ্ত্তী (শালকোচা বজাৰ) সুধীৰ কুমাৰ বৰুৱা (শ্ৰীগ্ৰাম) যতীন নিয়োগী (B R) নিয়োগীপাৰা, যোগেন নিয়োগী B A B L (Retd D S P), প্ৰসেনজিৎ ৰায় চৌধুৰী (নিয়োগীপাৰা) (বৰ্তমান আমেৰিকা নিবাসী) আৰু শ্ৰী নিৰঞ্জনেশ্বৰ চক্ৰবৰ্ত্তী (পুখুৰীপাৰা) এসময়ত শালকোচা হাইস্কুলৰ বিজ্ঞান শিক্ষকৰ অভাৱ দূৰ কৰি আহি শিলগাৰা হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক ৰূপে কিছুবছৰ অতিবাহিত কৰিছিল) (বৰ্ত্তমান ৮০ বছৰ বয়সতো বিভিন্ন বিদ্যালয়ৰ স্থাপনা আৰু উন্নতিৰ লগত সক্ৰিয়ভাৱে জড়িত)

শ্ৰদ্ধাৰ পাঠক সকল, মই অনুভৱ কৰিছো যে মোৰ অজ্ঞানতাই এই লিখনিৰ পৰা পূৰ্ব নিৰ্দ্ধাৰিত ১৯৭২ চনৰ পূৰ্ব্বৰ বহুতৰে নাম আওৰাই দিছে। ইয়াতে নাম উল্লেখ নথকা সকলো ব্যক্তিৰ প্ৰতি মোৰ সশ্ৰদ্ধ প্ৰণাম জনাই তেখেত সকলৰ ওচৰত মোৰ এই অনিচ্ছাকৃত ভুল মাৰ্জ্জনাৰ বাবে প্ৰাৰ্থনা জনালো। লগতে ৰাইজৰ ওচৰতো মই একে কাৰণতে ক্ষমা প্ৰাৰ্থী। শালকোচাৰ গৌৰৱৰ কাৰণ হৈ পৰা সকলোৰে প্ৰতি শ্ৰদ্ধাৰ শৰাই খনি যাচি মোৰ লিখনিৰ সমাপ্তিৰ সীমা ৰেখা আকিব বিচাৰিছো। তথ্য

সমূহত থকা ভুল-ত্ৰুটিৰ দায়িত্ব উপলব্ধি কৰিলেও তাৰ পৰা হাত সাৰিব নোৱাৰাৰ বাবে ক্ষমা বিচাৰি আবেদন জনালোঁ।

শেষত, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পদানুসৰণ কৰি তেখেতৰ ৰচিত 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ উপসংহাৰ অংশৰ নিচিনাকৈ কব বিচাৰিছো -

'কৰ যোৰে বোলে শুনা বুধজন
আত যিবা দেখা দোষ।
ছাৱালৰ বাণীহেন অনুমানি
সনে হুইয়া পৰিতোষ।। ৬১৬

গতিকে হে বুধ (জ্ঞানী)- যি বা দোষ দেখা, ছাৱালৰ (সৰু ল'ৰাৰ) বাণী (লিখনি) বুলি তাতেই পৰিতোষ লভিব। *

প্ৰবন্ধটি ৰচনা কাৰ্য্যত সহায় গ্ৰহণ কৰা হৈছে -

(ক) কিতাপ সমূহ-

১। সংস্কৃত সাহিত্যৰ জিলিঙনি - কামাখ্যা চৰণ ভাগৱতীৰ দ্বাৰা ৰচিত।

২। অসমীয়া সাহিত্যত দৃষ্টিপাত - ডঃ হেমন্ত কুমাৰ শৰ্ম্মা ৰ দ্বাৰা ৰচিত।

৩। সাহিত্যৰ উপক্ৰমনিকা - মহেন্দ্ৰ বৰা ৰ দ্বাৰা ৰচিত।

৪। "চান্দৰ ডিঙা" - স্মৃতিগ্ৰন্থ, অসম সাহিত্য সভাৰ ত্ৰিষষ্ঠিতম্ বিলাসীপাৰা অধিবেশন।

৫। 'স্মৃতিগ্ৰন্থ' - শতবাৰ্ষিকী উৎসৱ, ১১৬ নং পুখুৰীপাৰা প্ৰাথমিক বিদ্যালয়।

(খ) ব্যক্তিসকল -

১। শ্ৰীযুত নিৰঞ্জনেশ্বৰ চক্ৰৱৰ্ত্তী - পুখুৰীপাৰা গাঁওৰ বাসিন্দা

২। শ্ৰীযুত শ্ৰীজীৱ লোচন চক্ৰৱৰ্ত্তী - পুখুৰীপাৰা গাঁওৰ বাসিন্দা

৩। শ্ৰীযুত নিৰঞ্জন বৰ্ম্মন - পুখুৰীপাৰা গাঁওৰ বাসিন্দা

৪। শ্ৰীযুত ৰোহিত বৰ্ম্মন - পুখুৰীপাৰা গাঁওৰ বাসিন্দা

৫। শ্ৰীযুত কাঞ্চন সূত্ৰধৰ - পুখুৰীপাৰা গাঁওৰ বাসিন্দা

৬। শ্ৰীযুত দিলীপ কুমাৰ চক্ৰৱৰ্ত্তী - পুখুৰীপাৰা গাঁওৰ বাসিন্দা

৭। শ্ৰীযুত শুভা গোস্বামী - পুখুৰীপাৰা গাঁওৰ বাসিন্দা

৮। শ্ৰীযুত দিপীকা চক্ৰৱৰ্ত্তী - পুখুৰীপাৰা গাঁওৰ বাসিন্দা

৯। শ্ৰীযুত নীলকান্ত সিংহ - গৌৰাংটাৰী গাঁওৰ বাসিন্দা

১০। শ্ৰীযুত কানুৰাম বৰ্ম্মন - কামাৰপাৰা গাঁওৰ বাসিন্দা

১১। শ্ৰীযুত হীৰেন ৰায় - বানিয়াপাৰা গাঁওৰ বাসিন্দা

১২। শ্ৰীযুত নজৰুল হুচেইন - শ্ৰীগ্ৰাম গাঁওৰ বাসিন্দা

১৩। শ্ৰীযুত আবুল কালাম - শ্ৰীগ্ৰাম গাঁওৰ বাসিন্দা

১৪। শ্ৰীমতী গীতা চক্ৰৱৰ্ত্তী - বামুনপাৰা গাঁওৰ বাসিন্দা

১৫। শ্ৰীযুত চৈয়দৰ ৰহমান - শ্ৰীগ্ৰাম গাঁওৰ বাসিন্দা

১৬। শ্ৰীমতী প্ৰণীতা বৰুৱা - শ্ৰীগ্ৰাম গাঁওৰ বাসিন্দা

এই সুযোগতে তেখেত সকলৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিলো। লগতে পুথি সমূহ চাবলৈ দিয়া বাবে গৌৰীপুৰৰ তাৰিণীপ্ৰিয়া চতুস্পাঠীক আদি কৰি সকলো সংগ্ৰাহকলৈ ধন্যবাদ জনাইছো।

—ঃ O ঃ—

---

*সেই সময়ত আনুষ্ঠানিক পৰীক্ষা সমূহ আছিল ক্ৰমে ঃ-

ছাত্ৰ বৃত্তি পৰীক্ষা, (প্ৰাইমাৰী), মাইনৰ স্কুল পৰীক্ষা, এন্ট্ৰেঞ্চ পৰীক্ষা, ফৰ্ষ্টি আৰ্টচ, গ্ৰেজুৱেট আৰু মাষ্টাৰ ডিগ্ৰী।

** ৰাজনীতি ক্ষেত্ৰতো শালকোচা-জিলাৰ ভিতৰতে উল্লেখযোগ্য স্থান অধিকাৰ কৰি আছে।

১। জাহানুদ্দিন আহমেদ চাহাব লোকেল বোৰ্ডৰ চেয়াৰমেন, এম এল. এ আৰু এম পি হৈছিল,

২। প্ৰতুল ৰায় চৌধুৰী দেব ধুবুৰী মিউনিচিপেলিটি বোৰ্ডৰ চেয়াৰমেন হৈছিল;

৩। দেবাজুদ্দিন আহমেদ চাহাব এম. এল এ হৈছিল ৪। প্ৰশান্ত কুমাৰ বৰুৱা দেৱে একেৰাহে তিনিটা কাৰ্য্যকালৰ এম.এল.এ. হৈ আছে। এই আটাই কেইজনে শালকোচাৰ কৃতি সন্তান।

-সম্পাদক।

যোগী (নাথ) জাতিৰ চমু ইতিহাস আৰু শালকোচা-অঞ্চলত বসতি সম্পৰ্কে

শ্ৰী মনমোহন নাথ

শ্যামাৰাইপাৰা।

যোগী সম্প্ৰদাযৰ ইতিহাস অতি বিস্তৃত আৰু বৈচিত্ৰ পূৰ্ণ। এসময়ত এই সম্প্ৰদায অসম তথা সমগ্ৰ ভাৰতবৰ্ষত এটা ধৰ্ম সম্প্ৰদায ৰূপে গন্য হৈছিল আৰু এওঁলোকৰ পন্থৰ নাম নাথ-পন্থ। এই পন্থ অৱলম্বন কৰি চলা ব্যক্তি সকলোক নাথ পন্থী যোগী ৰূপে জনাজাত হৈছিল। এই যোগীবোৰৰ কীৰ্তি আৰু কাহিনীবোৰে আসমুদ্ৰ হিমালয়ৰ পাদদেশত থকা সকলো লোকক স্তম্ভিত কৰিছিল। শিক্ষা ধৰ্ম আৰু জ্ঞানৰ জ্যোতিৰে আলোকিত কৰি (নাথ) যোগী গুৰুসকল শ্ৰেষ্ঠৰ গৰাকী হৈছিল। নাথ শব্দৰ অৰ্থ বিভিন্নভাৱে পোৱা যায়। ৰাজগুহ্য গ্ৰন্থমতে 'না' শব্দৰ অৰ্থ অনাদি ৰূপ আৰু 'থ' শব্দৰ অৰ্থ হ'ল স্থাপিত হোৱা অৰ্থাৎ 'নাথ শব্দৰ অৰ্থ হ'ল অনাদিৰ ৰূপ আৰু এওঁৰ স্থিতিৰ কাৰণ 'শক্তি সঙ্গম তন্ত্ৰ' মতে নাথে অনুৰোধ কৰে যে অজ্ঞানক নিবাৰণ কৰে। 'নাথ' শব্দৰ অৰ্থ সদগুৰু বুলি জনা যায় মুনিদত্তই লিখা চৰ্য্যাপদৰ পৰা। গুৰু গোৰক্ষ নাথে 'নাথ' শব্দক পৰম তত্ব অথবা ব্ৰহ্ম বুলি ব্যাখ্যা কৰিছে। ডঃ কল্যানী মল্লিক (এম,এ,পি,এইচ,ডি) ৰচিত 'নাথ-পন্থ' নামৰ গ্ৰন্থত লিখিছে যে- নাথ এটা জাতি নহয় এটা ধৰ্মহে। নাথ ধৰ্ম গ্ৰহন কৰা লোক সকলোক নাথ জাতি বোলা হয়। এই উপাধিৰ দ্বাৰা বুজা যায় যে নাথ যোগী সকল এটা সময়ত হিন্দু জনসাধাৰণৰ গুৰু ৰূপে পৰিগনিত আছিল। গুৰু গোৰক্ষ নাথে গোটেই ভাৰতবৰ্ষত নাথ ধৰ্মৰ প্ৰচাৰ কৰি ধৰ্ম চিন স্বৰূপে গোৰক্ষ মঠবোৰ স্থাপন কৰিছিল। আজিও স্বামী শিৱনাথজী অবদ্য নাথজী কৈবল্য নাথজী- মহাৰাজে এই নাথ ধৰ্ম প্ৰচাৰ কৰি জনসমাজত গুৰু ৰূপে মান লাভ কৰি আছে। এতিয়াঁও উৰিষ্যাৰ কিয়াৰ

বাজ্ঞ মঠত যোগ ধৰ্মৰ মূল 'হঠ যোগ, ৰাজ যোগ, যন্ত্ৰযোগ আৰু যোগৰ শিক্ষা দি আছে।

'শিব'ৰ পৰাই যোগী জাতিৰ উৎপত্তি হৈছে বুলি বিভিন্ন প্ৰাচীন গ্ৰন্থ সমূহৰ পৰা জানিব পোৱা যায়। ভাগৱত পুৰাণ বৈৱৰ্ত্তপুৰাণ আদি গ্ৰন্থ সমূহৰ মতে মানব সৃষ্টিৰ কালতে ব্ৰহ্মাৰ ললাট দেশৰ পৰা একাদশ ৰুদ্ৰৰ ভিতৰত প্ৰধান ৰুদ্ৰ বা মহাৰুদ্ৰ মহাদেৱ। তেওঁৰ পত্নী 'কলা' বা সূৰ্য্যবতীৰ বহুপুত্ৰৰ জন্ম হয়। তেওঁলোক সকলোৱে শিব গোত্ৰীয় আৰু শিব পাৰ্শদ আছিল। এই ৰুদ্ৰ সকলোৰ পৰাই যোগী জাতিৰ উৎপত্তি হয়।

গোপাল ভট্ট প্ৰণীত 'বল্লাল চৰিত্ৰ' গ্ৰন্থমতে মহাৰুদ্ৰ বিন্দুনাথ বুভুক - মহাদেৱ আৰু সূৰ্য্যবতীৰ পৰাই জন্ম হয়। কাশ্যপ মুনিৰ কন্যা কৃষ্ণাক বিন্দুনাথে বিবাহ কৰে আৰু বিন্দুনাথৰ ঔৰষত কৃষ্ণাৰ গৰ্ভত আদি নাথকে ধৰি যোল্ল জন পুৰুষৰ জন্ম হয়। এই যোল্ল জনৰ ছয়জন গৃহবাসী আৰু বাকী দহজন সংসাৰ ত্যাগী সন্যাসী হয়। এই আদি নাথৰ পৰাই যোগী জাতিৰ বংশ বিস্তাৰ হয়।

আগম সংহিতাত বৰ্ণিত আছে যে "নাথ যোগ পঞ্চ বিপ্ৰ যোগযোগী সহস্ৰশঃ" বিন্দুনাথ সমকায় তস্মাৎ- যোগী নিৰঞ্জন"। ইয়াৰ অৰ্থ হ'ল যিজন কেৱল নামধাৰী যোগী অৰ্থাৎ যিজন যোগী কুল জন্ম লাভ কৰিছে কিন্তু যোগ পৰায়ন নহয় সেইজন যোগী পাঁচজন বিপ্ৰৰ সমান আৰু যিয়ে যোগ সাধন কৰিছে তেওঁ হাজাৰ বিপ্ৰৰ সমান।

নাথ যোগী সকলোৰ পৌৰাণিক সাক্ষ্য থকা সত্বেও কিয় ধৰ্ম, আচাৰ, ৰীতি-নীতি আৰু প্ৰবজনৰ ইতিহাস নাই? এই প্ৰশ্নৰ উত্তৰ সম্বন্ধে অৱশ্যে বেছি কথা জনা নাযায়। অসমীয়া ভাষাৰ আদিমতম চৰ্য্যাপদৰ পৰা পোৱা যায় যে দশম শতিকাৰ পৰাই নাথ যোগী জাতিৰ লোক সকলে অসমত বসবাস কৰি আহিছে। কিছুমান পণ্ডিতৰ মতে দ্বাদশ শতিকাত বঙ্গদেশৰ ৰজা বল্লাল সেনৰ (সেন বংশীয় ৰজা) পিতৃ শ্ৰাদ্ধৰ অনুষ্ঠান ক্ৰিয়াত দান আৰু দক্ষিনা দুটা শব্দৰ প্ৰতিবাদ ঘটে। এই প্ৰতিবাদৰ ফলস্বৰূপে নাথ যোগী সকল ৰাজদোষত পৰে। দোষৰ শাস্তি হিচাবে যোগী সকলোৰ ওপৰত বিভিন্ন অত্যাচাৰ, হত্যালীলা আদিৰ সৃষ্টি হয়। উপায়হীনতাত যোগীসকল ৰাজপ্ৰসাদ এনেকি সমগ্ৰ দেশৰ পৰা পলায় কৰিব লগা হল। ছদ্মবেশেৰে বিভিন্ন প্ৰদেশৰ বিভিন্ন ঠাই, পাহাৰ পৰ্বত গুহা আদি স্থানত আত্মগোপন কৰি থাকিব লগাত পৰে। পৰিণতি স্বৰূপে নিজৰ স্বধৰ্মী প্ৰতীক যজ্ঞপৱীত পৰ্য্যন্ত পৰিত্যাগ কৰি পূৰ্ব্ব বৃত্তি এৰি শূদ্ৰাচাৰত থাকিবলৈ লয়। এই কালছোৱাই নাথ যোগী সকলোৰ চৰম

অভিশপ্তৰ সময়। জীয়াই থকাৰ বাবে আনুমানিক সোতৰ শ শতিকাৰ শেষৰ পিনে বঙ্গদেশৰ (বাংলাদেশৰ) কলা গাছা, ৰংপুৰ, গাইবান্দা দুৰাহাটী লালমনি আদি ঠাইৰ পৰা সুতা কটা, চুন, কাপোৰৰব্যৱসায় আদিৰ ভিত্তিত অবিভক্ত গোৱালপাৰা জিলাৰ বিভিন্ন স্থানৰ পাহাৰী জনগোষ্ঠী, চৰ অঞ্চল এনেকি সমগ্ৰ অসমৰ চুকে-কোনে বসবাস কৰিবলৈ লয়। শেহতীয়া প্ৰবজনৰ এটা পৰিয়ালৰ কথা উল্লেখ কৰা হ'ল - বৰ্ত্তমানৰ শ্যামাৰাই পাৰা গাঁওৰ স্থায়ী বাসিন্দা অৱসৰ প্ৰাপ্ত প্ৰাইমাৰী শিক্ষক শ্ৰীযুত খৰ্গেশ্বৰ নাথ মহাশয়ৰ পিতৃ ॰ নবীন নাথে তেওঁৰ পিতৃ ॰ সোমবাৰু নাথৰ সৈতে বঙ্গদেশৰ কলাগাছা অঞ্চলৰ পৰা আহি ব্ৰহ্মপুত্ৰৰ দক্ষিন পাৰৰ লেজাম নামৰ ঠাই এখনত (লক্ষীপুৰৰ ওচৰৰ) থিতাপি লয় আৰু তাৰ পৰা শ্ৰী খৰ্গেশ্বৰ নাথৰ পিতৃদেৱ নবীন নাথে আহি শালকোচা অঞ্চলৰ শ্যামাৰাই পাৰা গাঁওত থাকিবলৈ লয়। আত্মগোপনৰ সময়ত কৰ্ম অনুসৰি নিজৰ নিজৰ উপাধি যোগী নাথৰ পৰিবৰ্ত্তে চুনাৰী কাটানী, তাতী আদি উপাধি লয়। কাটানি উপাধি থকাৰ প্ৰমান এতিযাও পোৱা যায় পুৰণি (মাটিৰ) দলিল বা চিঠা বোৰত।

শালকোচা অঞ্চল এসময়ত হাবি-জঙ্গলেৰে ভৰা আছিল। এই অঞ্চলৰ প্ৰায় চাৰিওফালে জনজাতি লোকৰ বসতি আছিল। উদাহৰণ স্বৰূপে সন্তোষপুৰ, লালীয়াপাৰা, চান্দৰডিঙাৰ গাৰোপাৰা হাতীপোতাৰ ৰাভাপাৰা, শিলাভাঙাৰ ৰাভাপাৰা ইত্যাদি। এই জনজাতীয় গাঁওবোৰৰ লগতে শ্যামাৰাইপাৰা, খামাৰপাৰা, পৰ্শনপাৰা-যোগীপাৰা, ভেলুপাৰা, গোডাৰভিটা, নুনমাটি আৰু কলিয়াৰখাল নামৰ আঠখন যোগী গাঁওৰ সৃষ্টি হৈছিল। অৱশ্যে যোৱা ১৯৮৩ চনৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ পিছত কলিয়াৰখাল গাঁওখনৰ মানুহখিনি বাকী সাতখন গাঁওৰ মাজে মাজে সোমাই বসবাস কৰিবলৈ ললে।

গাঁওবোৰৰ নামাকৰণ সম্পৰ্কে অলপ আলোকপাত কৰিবলৈ লোৱা হ'ল। শ্যামাৰাইপাৰা গাঁওত বৰ্ত্তমানৰ বিৰাজিত শ্যামাৰাই ঠাকুৰৰ থানৰ নামৰ পৰা শ্যামাৰাই পাৰা, জমিদাৰৰ হাল-খামাৰৰ বাবে ব্যৱহাৰ কৰা বাবে খামাৰ পাৰা গাঁওৰ নামৰ উৎপত্তি। পৰ্শনপাৰা গাঁওৰ নামো উক্ত গাঁওত বৰ্ত্তমানো পুজিত হৈ থকা পৰ্শন ঠাকুৰৰ পৰা উদ্ভৱ হৈছে বুলি অনুমান কৰিব পৰা যায়। চান্দ সদাগৰৰ চৈধ্য ডিঙা বুৰ যোৱাৰ পিছত নুন (নিমখ)ৰ বস্তাবোৰ উটি আহি জমা হোৱা ঠাই খিনিকে নুনমাটি বুলি পৰিচিত। গেড়াৰভিটা গাঁওখনত পূৰ্বতে গেড়া (গঁড়)ৰ ভিটা অৰ্থাৎ গড় থকা ঠাই হিচাবেহে উক্ত নাম গঢ় লৈছে। বাকী কেইখন গাঁওৰো নিশ্চয় তেনেদৰে নামাকৰণ হৈছে।

শালকোচা যোগীনাথ সমাজ গঠন হোৱাৰ সময় একেবাৰে কম পুৰনি নহয়। সেই সময়ত সমগ্ৰ ভাৰতবৰ্ষ আছিল পৰাধীনতাৰ কবলত আৰু সামন্ত প্ৰথাৰেই দেশ চলিছিল। ইংৰাজৰ চুক্তি অনুসৰি জমিদাৰ সকলে আছিল মাটিৰ মালিক। আচাৰ নীতিৰ ওপৰত ভিত্তি কৰি যোগীসকল তিনিটা শাখাত বিভক্ত- (১) ঝাৰুৱা, (২) চৰুৱা, (৩) বাউসীয়া। ইয়াৰ অৰ্থ এনেকুৱা যে যি সকল ঝাৰ জংঘল থকা ঠাই আদিত বাস কৰিবলৈ লয় সিহঁতক ঝাৰুৱা। নদীৰ মোহনা চৰ-চাপৰ আদিত থিতাপি লোৱা সকলোক চৰুৱা আৰু যি সকলে অতীত আচৰণৰ অলপ তাৰতম্য ঘটাই নিজ ইচ্ছাৰে সমাজ গঠন আৰু পৰিচালনা কৰি আছে সিহঁতক বাউসীয়া বুলি জনা যায়। তিনিও শ্ৰেণীৰ মাজত যোগাবিধি ভাষা, আচাৰ, ৰীতি নীতি ইত্যাদি ক্ষেত্ৰত বহু পাৰ্থক্য দেখা যায়। বাউসীয়া সকলোৰ মাজত যোগাশ্ৰম বা শিৱ মন্দিৰ দেখা নাযায়। কিন্তু ঝাৰুৱা বা চৰুৱা লোকসকলোৰ ক্ষেত্ৰত কেৱল নাথ পন্থীযেহে দেখা যায়। নিজক লুকাই ৰাখিও অতীতৰ শৈৱ বা যোগীৰ আচৰণ ত্যাগ কৰা নাই। স্বধৰ্মৰ ৰক্ষাৰ্থে আজিও বহুত শিবাশ্ৰম বা যোগাশ্ৰম বিদ্যমান। উদাহৰণ স্বৰূপে শালকোচা আঞ্চলিক যোগী নাথ। সমিতিৰ সৌজন্যত গঢ়ি উঠা শিৱ মন্দিৰটো যোগীগুৰু হৰেশ্বৰ দেৱ গোস্বামীযে (নৰ্থ বাইটামাৰী) ১২৮৪ সাল (বাং) ৯ ই ফাগুন সোমবাৰ শিৱৰাতিৰ ব্ৰতৰ শুভদিনত এই অঞ্চলৰ ৰাইজৰ দ্বাৰা এই মন্দিৰৰ ভিত্তি স্থাপন কৰে। (উক্ত চন তাৰিখবোৰ ˚ জয়নাথ নাথ দেৱৰ এখন টোকা বহীৰ পৰা উল্লেখ কৰা হৈছে।) প্ৰতিষ্ঠা দিনৰে পৰা বৰ্ত্তমানলৈ উক্ত ঔঁকাৰ বিধি পূৰ্বক পূজা আৰু মেলা উৎযাপিত হয।

ভাষা আৰু ৰীতি-নীতিৰ ক্ষেত্ৰত চমু আলোচনা কৰিলে দেখা যায় (যোগী শিৱ গোত্ৰীয আৰু সাম বেদীয। বেদৰ বাহিৰত কোনো কাম কৰা নহয। দশবিধ সংস্কাৰো তদনুৰূপ কৰা হয়। কুলগুৰু বিহনে ব্ৰাহ্মন পুৰোহিতৰ দ্বাৰা দীক্ষা কাৰ্য কৰা অবিধি বুলি ধৰি লোৱা হয। মৃতদেহ সৎকাৰৰ ক্ষেত্ৰত যোগী জাতিৰ মানুহে দাহন কৰাৰ কোনো প্ৰথা নাই বুলি কোনো বিধি ব্যৱস্থাত পোৱা নাযায়। সেয়ে যিহেতু যোগীযে অতীতৰ পৰাই যোগৰ দ্বাৰা দেহ ত্যাগ কৰিছিল সেযে মাত্ৰ মুখাগ্নি কৰি যোগাসন ব্যাপ্তিত পুতি থোৱাৰ প্ৰথা প্ৰচলিত। এনেকি শাস্ত্ৰতো পোৱা যায় যে ব্ৰহ্মাক ব্ৰহ্মাই দহন কৰা অতি দুস্কাৰ্য্য। যোগীৰ আধ্যাত্মিক তত্ব নজনা কিছুমান অঞ্চলৰ মানুহে বৈজ্ঞানিক যুক্তিত আৰু স্থানীয় লোক নিন্দাৰ ভয়ত দাহন কাৰ্য্য কৰে।

আৰ্থ সামাজিক দিশত শালকোচা অঞ্চলৰ যোগী (নাথ) মানুহখিনি উল্লেখনীয ভাৱে টনকিয়াল বুলি কব নোৱাৰি। প্ৰায় ৮০%মানুহ কৃষিজীৱি। বুদ্ধিজীৱি নাই

বুলিয়ে কব পাৰি। অৱশ্যে একবিংশ শতিকাৰ অলপ আগৰ পৰাই বহুতেই চাকৰি ব্যৱসায় ঠিকাদাৰ আদি কাম কৰি আৰ্থিক দিশত অগ্ৰগতি লাভ কৰা দেখা যায়।

স্বাধীনতাৰ পঞ্চাশ দশকৰ পিচতো এই মানুহখিনিয়ে শৈক্ষিক দিশত উন্নতি লভিব পৰা দেখা নাযায়। ২০০০ চনৰ লোক পিয়ল মতে প্ৰায় ২১৯৫ জন জনসংখ্যাৰ ৫ জন এম,এ ১৬ জন বি,এ, ৩০ জন উচ্চতৰ মাধ্যমিক উত্তীৰ্ন, আৰু ৮৮ জন প্ৰবেশিকা উত্তীৰ্ন। মুঠ স্বাক্ষৰতাৰ হাৰ প্ৰায় ৮%। শিক্ষাৰ এই নুন্যতম অগ্ৰগতিৰ মূলতে হ'ল আৰ্থিক সমস্যা। এই সমস্যাই মানুহৰ শৈক্ষিক, বৌদ্ধিক আৰু মানসিক বিকাশত বাধাৰ প্ৰাচীৰ হিচাবে কাম কৰে। বিশৃঙ্খল পৰিবেশৰ প্ৰভাৱো এই বাধাৰ আন এটা কাৰক।

১৯১১ চনতে মাত্ৰ ১৩৩ নং শ্যামাৰাইপাৰা এল, পি, স্কুল স্থাপিত হৈছিল গোটেই অঞ্চলটোক সামৰি। তাৰ পিছত ১৯৭৬ চনত ২২৫৫ নং ভোলানাথ এল,পি, স্কুল নামেৰে এখন আন এখন প্ৰাথমিক বিদ্যালয় স্থাপিত হয়। ১৯৮২ চনত আনন্দ নগৰ এম,ই, স্কুল ৰাইজৰ সহানুভূতিত স্থাপন কৰা হয় যদিও বৰ্তমানলৈকে অপ্ৰাদেশীকৃত অৱস্থাতে থাকিল। তাৰোপৰি ১৯৯৯ চনত গোপীনাথ ছোৱালী এম,ই স্কুল নামেৰে আন এখন বিদ্যালয় স্থাপিত হয়।

উল্লেখিত লিখনি খিনিয়ে ভৱিষ্যত বংশধৰ সকলোক যাতে উন্নতিৰ পথ প্ৰশস্ত কৰিব পাৰে তালৈ লক্ষ্য ৰাখি আৰু উত্তৰ পুৰুষে যাতে এই অঞ্চলৰ গুণ গৰিমা বৃদ্ধি কৰিব পাৰে সেই কামনাৰে সামৰণি মাৰিলো।

[প্ৰবন্ধটো যুগুত কৰাত মোৰ সহকৰ্মী শ্ৰী নিৰঞ্জন নাথে যথেষ্ট সহযোগিতা আগবঢ়াইছে তাৰ বাবে তেঁওলৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল।]

লেখক।

শালকোচাৰ ৰাজবংশী সমাজৰ বিশিষ্ট লোকাচাৰ অনুষ্ঠান কেইটামান

- সুধীৰ কুমাৰ বৰ্মন
ভোলাপাৰা।

যুগ বা ভৌগলিক সীমাৰেখাৰ কথা নাই। প্ৰবৃত্তিৰ তাড়না একেই। এই প্ৰবৃত্তিবোৰৰ কাৰনে মানুহৰ মনে গুণ্-গুণায়- ওঠযুৰি বিৰ্বিৰায়। এই গীতত থাকে মাটিৰ জীয়া গোন্ধ। এনে গীতবোৰকে লোকগীত কোৱা হয়। পৃথিবীৰ সকলো ঠাইৰে লোকগীত বোৰৰ মৰ্ম কথা একে-সুৰ আৰু লয়ো একে। ভাষা যদিও বুজি নাপাওঁ- হৃদযৰ আকৰ্ষণ আমি কিন্তু বুজি পাঁও।

অসমৰ পশ্চিম প্ৰান্তৰ গোৱালপাৰীয়া লোকগীত বোৰতো হৃদয়ৰ এনে অনুৰণন শুনিবলৈ পাঁও। লোকগীত, গাথা আৰু নৃত্যত অবিভক্ত গোৱালপাৰা জিলাৰ শালকোচা অঞ্চল এখন নাম থকা ঠাই। তাৰে সামান্য ধাৰণা এটা দিব বিচৰা হৈছে।

(ক) কুশান ঃ- যৌৱনৰ ৰূপ-ৰস-গোন্ধক গীত আৰু নৃত্যৰে প্ৰকাশ কৰা অনুষ্ঠানটোৱে কুশান। দোতাৰা ইয়াৰ মুখ্য বাদ্য যন্ত্ৰ। কুশানে অভিব্যক্ত কৰে গ্ৰাম্য সমাজত বাস কৰা ডেকা-গাভৰুৰ সুখ-দুখ, হাঁহি-কান্দোন আৰু বিৰহ-মিলন।

গৌৰাং নদীৰ পাৰে পাৰেৰে
কুন ৰসিয়ায় বাজায় মোহন বাঁশী
না কান্দিস, না কান্দিস ৰে ভেলৱা.....

* * *

প্ৰেম জানেনা ৰসিক কালাৰে
কালা, ঝুৰিয়া থাকে মন
আৰ কতো দিনে কালা, হব দৰিশন.......

* * *

অ'ৰে অঞ্চলে বান্দিযা গুৱা, শাক তুলুং মুই
পাছিলা বাৰীত ঢুলকি মাৰিয়া,
ঢুলুকি মাৰি কং বঁধুৱাৰ - ইসিৰা কৰিয়া .

* * *

(খ) মাৰৈ ঃ- মাৰৈ, বিষহৰি, মনসা - সৰ্প পূজাৰে নামান্তৰ। নগাঁওৰ শিলঘাট আৰু গোৱালপাৰাৰ শ্ৰীসূৰ্য্য পাহাৰত আবিস্কৃত মনসাৰ মূৰ্ত্তি এটা নৱম-দশম বা একাদশ শতিকাৰ বুলি ঠাৱৰ কৰিছে। মনসা পূজা ভাটীৰ ফালৰ পৰা অহা আৰু ই কেৱল নামনি অসমৰ বড়ো-ৰাভা-কোচ-ৰাজবংশী সমাজত হে প্ৰচলিত। এই জনগোষ্ঠীৰ পৰা হোৱা মুচলমান বিলাকৰ মাজতো ইযাৰ প্ৰভাৱ দেখা যায। এওঁলোকে 'ভাসান' বুলিও কয। এওঁলোকক উদ্দেশি কবিযে কৈছে-

মণ্ডপত জাগক ৰতনেৰ চাৰি বাতি
মডেযা মাডদি জাগক যতেক বাৰতি। - মনকৰ।

* * *

পূজা-পানী খাই শিৱৰ তুষ্ট মন
মৰেযাক ভাল বৰ দিলা তেতিক্ষন। - সুকবি নাৰায়ন দেব।

* * *

শুনেক, শুনেক ওহে চান্দো, ওহে সদাগৰ,
এলাও যদি বাচিবাৰে চাইস্, মোৰে পূজা কৰ।
মোকে না ভজিযাৰে, তুই ভজিস কৈলাসপতি,
চৈধ্যডিঙা ডুবাইমূৰে মুই, সোনাৰ চাইলন বাতি।

- লোকগীত।

* * *

সুকবি নাৰাযন দেৱ বিৰচিত মাৰৈৰ বিশদ বিৱৰণ থকা পদ্মা পুৰাণ পুথি খনক বৰ পবিত্ৰ জ্ঞান কৰা হয। ৰাজবংশী সমাজত বিবাহ বা ঘৰত মাঙ্গলিক কৰ্ম কৰিব লগা হ'লে পূৰ্বে মাৰৈ দিযাটো বাধ্যতামূলক।

(গ) শীতলা - আই বা বসন্ত বেমাৰৰ পূৰ্বে কোনো ঔসধ বা ছিটা ওলোৱা নাছিল। ই মহামাৰী ৰূপ ধাৰণ কৰিছিল। মানুহ ঘৰ-বাৰী, গাঁও এৰি পলায়ন কৰিছিল। ওঝা বা কবিৰাজৰ দিহা মতে পূজা-পাতলৰ ব্যৱস্থা হৈছিল। গাৱে গাৱে সংকীৰ্ত্তন কৰিছিল আৰু বেমাৰটোক দেৱী ৰূপে কল্পনা কৰি থান দিছিল- ইয়ে শীতলা।

মাও শীতলা আসিবে, আসনে বসিবে

আমাৰ মন্দিৰ ঘৰে বসিবে, হৰিহে ....

শ্ৰীগ্ৰামত আজিও আই ঠাকুৰাণীৰ পাট (থান) আছে।

(ঘ) সোনাৰায় ঃ- শালকোচা অঞ্চলটোৰ প্ৰায় আশী শতাংশ অৰণ্য আৰু জলাশযৰে আগুৰা আছিল। প্ৰচুৰ বাঘ আছিল। কৃষিজীৱি লোক সকলে গবাদি পশুৰ খাতিৰত বাঘক বৰ সমীহ কৰিছিল। এনেকি ৰাতিৰ কালত বা হাবিত গৈ 'বাঘ' শব্দটোকে উচ্চাৰণ নকৰিছিল। সাপৰ ক্ষেত্ৰতো তেনে আছিল। এই বাঘৰ প্ৰতি শ্ৰদ্ধা-ভক্তিয়ে সোনাৰায় পূজা। পুহ-সংক্ৰান্তিত এই অনুষ্ঠান কৰিছিল। তাৰ পূৰ্বে ঘৰে ঘৰে গীত গাই মাগন কৰিছিল -

বাঘ নামিলৰে চিতিকা-পাখ্ৰা
ভৰ বিহানে নামিলো বাঘ মানুষ কামোৰা।

* * *

সত্য ঠাকুৰ সোনাৰায়, গিৰস্থক দে তুই বৰ
ধনে ধনে বাঢ়ুক গিৰি চন্দ্ৰ দিবাকৰ।.. .

* * *

সোনাৰায় ৰে ধান দিতে যায কৰে হেলা
তাৰ বেটাক লাগ্ পাইম্ গৰু চৰাৱাৰ বেলা।

* * *

(ঙ) ভাৰী গান - কুশানৰ দৰে ইযো এক নাট্যানুষ্ঠান। ই এক প্ৰকাৰৰ পালাগান। সাধাৰণতে, ৰামায়নৰ একোটা আখ্যানকে ৰূপায়ন কৰা হয়। প্ৰায় প্ৰতিটো চৰিত্ৰই 'মুখা' পিন্ধে আৰু ভাও দিয়ে। এজন মুখ্য ভাৰৱীযা থাকে-তেওঁক 'গাওলীয়া' বোলে। হাতত এডাল চোঁৱৰ লৈ মঞ্চত প্ৰবেশ কৰে। মঞ্চত অহা-যোৱা কৰা দুটা ৰাস্তা থাকে- প্ৰবেশ-প্ৰস্থান। পালী থাকে আৰু দেৱাৰীৰ দৰে এজন 'কেতুৱা' থাকে। প্ৰায লুপ্ত হোৱাৰ পথত ই। বৰ্তমানে ৰাভা সমাজত হঠাতে দেখা যায়। আৰম্ভনীতে 'বন্দনা' থাকে।

(চ) এউৰী - শালি ধানে এই অঞ্চলৰ প্ৰধান খেতি। আহু ধানৰ প্ৰচলন প্ৰায় নাছিল বুলিয়ে কব পাৰি। বাও ধান অলপ-অচৰপ কৰিছিল। শালি ধানৰ ক্ষেত্ৰত ভালেমান লোকাচাৰ আছে - হাল নামৱা, গছা দেৱা, হাল তুলা, কাতি গাছা দেৱা, ফাৰাণ ফেলা, ধানেৰ আগ আনা, কাচি তুলা, ভাণ্ডাৰ ৰাখা ইত্যাদি। ইয়াৰ মাজতে

আঘোন মাহৰ পূর্ণিমাৰ ৰাতি এউৰী মাগা এটা অনুষ্ঠান আছে। গাঁওৰ চেঙেলীয়া ল'ৰা বোৰে সন্ধিয়া ঘৰে-ঘৰে মাগন কৰে। মাগনৰ ধানেৰে পিছত সিহঁতে 'লগ-ভাত' খায। এউৰীত এজনে গীতবোৰ গাব আৰু লগৰবোৰে 'এউৰী', 'এউৰী' কব -

হিন্দলীৰে হিন্দলী - এউৰী, এউৰী,
হিন্দল গাছেৰ পয়ঠা - এউৰী, এউৰী,
মশা মাৰুং ছয়টা - এউৰী, এউৰী,

* * *

ওৰণে, ওৰণে - এউৰী, এউৰী,
মাও লক্ষীৰ চৰণে - এউৰী, এউৰী,
মাও লক্ষী দিছে বৰ - এউৰী, এউৰী,
ধান কুলা বাইৰ কৰ - এউৰী, এউৰী,

* * *

কাতি গাছাৰ দিনা (আহিনৰ সংক্রান্তি) সন্ধিয়া ঔ টেঙাৰ খোলত তেল-শলিতা দি খাগ্ৰাৰ লাঠিত খুচি দি ধানবাৰীত চাকি দিয়ে আৰু গায় - 'ঢোল, ঢোল, ঢোল- অন্যেৰ ধান লেৰ্ ফেৰা, আমাৰ ধান শিশে ভৰা।

ঢোল, ঢোল, ঢোল- অন্যেৰ ধান লৰে-চৰে, আমাৰ ধান ভাণ্ডাৰ ভৰে।

* * *

(ছ) বাঁশ পূজা - ই মদন কাম বা কামদেব পূজা নামেও জনাজাত। ৰাজবংশী সমাজত ই এক বিশিষ্ট সংস্কৃতি। ৰীতি-নিয়ম মতে বাঁহ কাটি সেই বাঁহ নচুৱাই এই পূজা কৰা হয়। ভাং এই পূজাৰ বিশেষ উপকৰণ। ইয়াতো কেতবোৰ লোকগীত আছে -

'দশ মাস দশ দিন পুন্নিত হ'ইলো, মায়েৰ গর্ভ হ'তে ছাইলা ভূমিত পাইলো।'

* * *

মনস্কামনা পূৰণৰ কাৰণে ব্যক্তিগত বা সামূহিক ভাবেও এই পূজা দিয়া দেখা যায়।

(জ) কাতিকাই পূজা - কাতি মাহৰ সংক্রান্তিত এই পূজাৰ দিন। প্রজনন হেতু নিঃসন্তান তিৰোতাই এই পূজা দিয়ে। এই অনুষ্ঠানত তিৰোতাৰ বাহিৰে অন্যৰ উপস্থিতি নিষেধ। এনেকি অবিবাহিত ছোৱালীও উপস্থিত থাকিব নোৱাৰে। এটা মণ্ডপ সজাই এডাল কল গছ পুতি তাত মানস কৰা তিৰোতা জনীক বহাই দিয়ে।

হাতত তাইক কল ধৰি ৰাখিবলৈ দিয়ে। কাৰ্তিক দেৱতা অবিবাহিত আৰু প্ৰজননৰ প্ৰতীক। তেওঁক উদ্দেশি এই পূজা। ইয়াৰ লোগীতবোৰ দুটা ভাগত - সিজ্জন (সৃজন) আৰু ধৈমালী (ৰং-তামাচা)। ধৈমালীৰ মাত কথাবোৰ অশ্লীলতাৰে ভৰা।

কাৰ্ত্তিক জন্ম-বৃত্তান্তৰে আৰম্ভ হয় -
দৌৰ দিয়া যায় বুঢ়া শিব নাৰদ ভাগিনাৰ বাড়ী।
বিয়াৰ উপায় ভাগিনা কৰো শিগ্‌গীৰ কৰি

* * *

শেষ ৰাতি হইলো চণ্ডীৰ ধৈ-ধৈমালিতে
ঐ ডুবে ঐ ছিনানে কাতি থিতি পাইলো
এক মাস হইলো চণ্ডী মনতে জানিলো।

* * *

সৌগ্‌ ফুলে ফুটিছে নাইফুটে ভেট/ছয়মাস পাছত *[১] আস্‌ছে ঢেপেৰা হৈছে *[১]।

সৌগ্‌ফুলে ফুটিছে নাই ফুটে শিঙাৰী/ছুয়মাস পাছত *[১] আস্‌ছে *[১] উঠ্‌ছে শিঙিৰি।

সেওৰাৰ গাছত ঘুগুৰ ভাসা/ঘুগু নাছাৰে ডিমাৰ আশা/ওৰে চেঙেৰা
আইসো চেঙেৰা, বাইসো কাছে/তোমাৰ সঙ্গে *[১] আছে/ওৰে চেঙেৰা....

(*[১]শব্দবোৰ ভদ্ৰ সমাজত উচ্চাৰিত নহয়।)

(ঋ) বিয়া - বিবাহ অনুষ্ঠানৰ ৰাজবংশী সমাজত প্ৰচুৰ গীত আছে। এনেবোৰ গীত-মাত এই অঞ্চলৰ আন আন সম্প্ৰদায়ৰ মাজতো প্ৰচলন আছে। কেইটামান উল্লেখ কৰা হ'ল-

ৰতন বাইৰাও হে ৰতন, ছায়নাৰ তলে
আজি লেখিয়া নিম ৰতন তোক জনমেৰ মতে

* * *

তোৰ মায়েৰ উচ্চা চালি
কত শুনিম তোৰ ভাউজীৰ গালি
ৰতন বাইৰাও ৰে.....

* * *

চান্‌ উঠে, চান ডুবে ধায়া

সুৰজ উঠে বালি, ধৈমালি তুলিয়া
আজ্জি বালিৰ ৰঙ্গ দিনৰে।

* * *

সাজো সাজো মনিৰাজ, সাজো বালিৰ দেশে
ভয নাইৰে মনিৰাজ, তোৰ ভাউজী যাব লগে

* * *

(ঞ) হুদুম পূজা - দেশত খৰাং হ'লে আৰু বৰষুন হোবাৰ কোনো লক্ষণ নাথাকিলে - বৃষ্টি কামনা কৰি এই অনুষ্ঠান পতা হয। ই নিশাৰ ভাগত অনুষ্ঠিত হয। ই এক স্ত্রী-আচাৰ। ইযাত পুৰুষৰ উপস্থিতি একেবাৰে নিষিদ্ধ। হুদুম দেও সম্পর্কে এটি আখ্যান আছে- উর্বশীক নিৰীক্ষি বিভাণ্ড মুনি কামাতুৰ হৈ বীর্য স্খলন কৰে আৰু ই তৃণত পতিত হয। এক মৃগই ভক্ষন কৰি গর্ভৱতী হয আৰু এক পুত্র সন্তান প্রসৱ কৰি তাক ত্যাগ কৰি গুচি যায। বিভাণ্ড মুনিয়ে তপোবলে জানিব পাৰি শিশুটিক আশ্রমলৈ আনে আৰু নাম ৰাখে ঋষ্যশৃঙ্গ। (ঋষ্য ঃ শ্বেত মৃগৰ জাতক আৰু শৃঙ্গ ঃ শিং)। কালত তেৰোঁ নাম জ্বলা মুনি হয়। তেওঁৰ কাণ দুখন শিঙৰ দৰে ঠিয আৰু দেখাত হুদুম বা ফেঁচাৰ দৰে। তেওঁ দিনত তপস্যাত ৰত থাকে। ৰাতিহে ব্রত ভাঙে। এবাৰ অঙ্গ দেশত খৰাং হ'ল। জানিব পাৰিলে যে ঋষ্যশৃঙ্গ মুনিক আনিব পাৰিলেহে বৃষ্টি হব। এক বুঢী কেইজনীমান গাভৰুক লৈ ৰাতি মুনিক লগ ধৰিলে। বিবসনা যুৱতী কেইজনীয়ে নৃত্য-গীতেৰে মুনিক সম্মত কৰিব পাৰিলে আৰু অঙ্গ দেশত বৰষুণ হ'ল।

গভীৰ ৰাতি হুদুম দেওৰ পূজা আৰম্ভ হয। এটা কল গছ পুতি হুদুম দেওৰ কল্পনা কৰা হয়। তাৰ চাৰিওফালে গীত আৰু নৃত্যৰে অনুষ্ঠান পৰিবেশিত হয। সময়ত অর্দ্ধবসনা বা বিবসনা হৈয়ো গীত-নৃত্য কৰে -

জাগোৰে জাগোৰে হুদুম আজিকাৰ ৰাতি
গিৰস্থয় কৰে পূজা দিয়া ধূপ চাইলন-বাতি
আকাশতে কৰে পূজা আকাশ কাঙালী
পাতালতে কৰে পূজা এক কাল লাগানি
কালা মেঘ, ধলা মেঘ, ডাকিয়া আন ঝৰি
হুদুম হৰ সাত ভাই, কাৰো খেতত জল নাই
আছে জল গাঙেতে, দে ঢালিযা জমিতে।

* * *

কাতিকাইৰ দৰে এই অনুষ্ঠানতো শ্লীলতাহীন ভাৱে গীত আৰু নৃত্য কৰে। বৰষুণৰ বাবে এনে অনুষ্ঠান কৰাটো অকল আমাৰ অঞ্চলতে নহয়- ভাৰতৰ অন্যান্য ঠাইতো আছে। আফ্রিকা আৰু লেটিন আমেৰিকাৰ কিছুমান আদিম জনগোষ্ঠীৰ মাজতো হুবহু এনে অনুষ্ঠান পালিত হয়।

প্ৰবন্ধটো যুগুত কৰি দিয়া বাবে 'কালিদহ'ৰ সম্পাদক ভাতৃ প্ৰতীম আবুল কালামৰ ওচৰত মই কৃতজ্ঞ আৰু ভুল-ত্ৰুতিৰ বাবে সুধীজনৰ ওচৰত মাৰ্জনা বিচাৰিছোঁ।

- প্ৰবন্ধকাৰ।

—ঃOঃ—

এৰা-বোটলা-

(সম্পাদিত)

শালকোচা অঞ্চলতে নহয় অসম তথা ভাৰতবৰ্ষতে শিক্ষা সাৰ্বজনীন নাছিল। ৰক্ষনশীল সমাজৰ অভিজাত সম্প্ৰদায়ৰ মাজতে শিক্ষাৰ মূল্যবোধ আছিল। সৰ্বসাধাৰণ লোক কেৱল জীয়াই থকাৰ সংগ্ৰামতে লিপ্ত থাকি দৰিদ্ৰতা আৰু ঋণ গ্ৰস্ততাকে উত্তৰাধিকাৰ সূত্ৰে পুৰুষানুক্ৰমে পাই থাকিছিল। ভূ-সম্পদ, জল সম্পদ, ব্যৱসায় বাণিজ্য আদি সকলো উৰ্পাজনৰ সমল অভিজাত শ্ৰেনীৰ সমল আছিল। সেইকাৰণে জ্ঞানৰ বৰ্ত্তিকা শিক্ষাক কুক্ষিগত কৰি ৰাখিছিল। ব্যক্তিগত শিক্ষা ব্যৱস্থাৰে নিজৰ সতি-সন্ততিক শিক্ষা প্ৰদান কৰা হৈছিল। এই শিক্ষা ব্যৱস্থাত সৰ্বসাধাৰনৰ প্ৰবেশাধিকাৰ নাছিল। বৃটিচ ৰাজ ভাৰতবৰ্ষত প্ৰতিষ্ঠিত হোৱাত শিক্ষা ব্যৱস্থাৰ কিছু পৰিবৰ্ত্তন ঘটিল। অ'ত ত'ত ৰাজহুৱা শিক্ষা প্ৰতিষ্ঠান দুই এখনকৈ নগৰে-চহৰে প্ৰতিষ্ঠিত হবলৈ ধৰিলে। লাহে লাহে গাৱে-ভূঁৱে দুই এজন সৰবৰহী লোকৰ প্ৰচেষ্টাত আনুষ্ঠানিক শিক্ষা প্ৰতিষ্ঠান হুব ধৰিলে।

শালকোচাতো এইদৰে জনসাধাৰণৰ মাজত অনুসৃত হৈছিল। শালকোচাও এখন জমিদাৰৰ 'দেশ'। ৰাজহুৱা শিক্ষা প্ৰতিষ্ঠান স্থাপন কৰাৰ ধৃষ্টতা স্থানীয় লোকৰ নাছিল বুলিয়ে কব পাৰি। তথাপি দুই এজনৰ মৰ-সাহ প্ৰচেষ্টাৰ কথা আজি প্ৰবাদ ৰূপে সমাজত চলি থকা পোৱা যায়।

১। মানিক দেৱ নাথ ঃ- তেনে এজন প্ৰবাদ প্ৰতীম শিক্ষক আছিল মানিক দেৱ নাথ। দক্ষিন পাৰৰ বৌগানৰ মানুহ। শিক্ষাগত অৰ্হতা আছিল এম.ভি. পাছ্। তেতিয়াৰ দিনত ছাত্ৰ বৃত্তি (প্ৰাইমাৰী) পাছ্ কৰিলেও পণ্ডিত হব পাৰিছিল। শিক্ষকক 'পণ্ডিত' কোৱা হৈছিল। মানিক পণ্ডিত বৌগান অঞ্চলত শিক্ষকতা কৰিছিল। ১৮৯৭ চনৰ প্ৰলয়ঙ্কাৰী ভূমিকম্পৰ গ্ৰাসত সকলো মাটি-বাৰী জাহ যোৱাত শালকোচাৰ নুনমাটি গাঁওলৈ ব্ৰহ্মপুত্ৰপাৰ হৈ সপৰিয়ালে আহে। নুনমাটি গাঁওত তেতিয়া ৰাজবংশী, নাথ আৰু কৈৰ্বত লোক ২০ ঘৰ মান আছিল। মেলা নাথ গাঁওবুঢ়াৰ ঘৰত পণ্ডিতে

আশ্রয় গ্রহন কৰিলে। এনেতে কেইঘৰমান ৰাজবংশী ভোলাপাৰা-হাৰকাটাৰ মাজত 'ডাউয়াৰ তলত' উঠি আছিল। নাথ কেবাঘৰো শ্যামৰাই পাৰা লৈ আহিল। কৈবৰ্ত্তও কিছুমান কালজানীলৈ উঠি আহিল। মানিক পণ্ডিতে নুনমাটিত এখন প্ৰাইমাৰী স্কুল পতাৰ যি সপোন দেখিছিল- সি সপোন হৈয়ে ৰ'ল। অৱশিষ্ট লোক কেইঘৰেৰে স্কুল এখন নচলে।

শ্ৰীগ্ৰামত তেতিয়া আছিল প্ৰবল প্ৰতাপান্বিত জমিদাৰ চন্দ্ৰমাধব বৰুৱা। তেওঁৰ অনুগ্ৰহত স্কুল স্থাপনৰ মাটি এডোখৰ পালে - বৰ্তমানৰ সাৰ্বজনীন দুৰ্গা মন্দিৰৰ পূবত ৰাস্তাৰ পূবকাষত। ৰাইজৰ সহযোগত খেৰীঘৰ এটা সাজি স্কুল আৰম্ভ কৰিলে। এইখনেই শালকোচা অঞ্চলত প্ৰথম খন আনুষ্ঠানিক ৰাজহুৱা প্ৰাথমিক বিদ্যালয়। স্থাপনৰ প্ৰকৃত চন-তাৰিখ পাবলৈ নাই যদিও এই স্কুলত পঢ়া প্ৰাক্তন ছাত্ৰ ছফৰ উদ্দিন (শ্ৰীগ্ৰাম) মহাশয়ৰ (বৰ্তমানৰ স্বৰ্গগত) পৰা ধাৰণা কৰা যায় যে স্কুলখন ১৮৯৮-৯৯ চন মানত স্থাপিত হৈছিল। এই স্কুলতে পঢ়া বিশিষ্ট ছাত্ৰ কেইজনমান হ'ল- মোবাৰক আলী (শ্ৰীগ্ৰামৰ, হাতীপোতা প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰিছিল); জাহিৰ উদ্দিন (শ্ৰীগ্ৰাম, সমবায় বিভাগৰ পৰিদৰ্শক হৈছিল); জাহানুদ্দিন আহমেদ (শ্ৰীগ্ৰাম, সাংসদ আছিল)।

মানিক দেৱ নাথৰ সৈতে আন এজন মুচলমান শিক্ষক (ঢাকাৰ পৰা অহা) আছিল; কিন্তু তেওঁৰ নাম জনা নাযায়। কিন্তু কেইবছৰমান পিছত জমিদাৰৰ ৰোষত পৰি বিদ্যালয়খনৰ উচ্ছেদ হয়। বহুত দিন পিছত ৺মানিক দেৱ নাথৰ পুতেক সোমেশ্বৰ দেৱ নাথৰ ঘৰতে নুনমাটি এল,পি, স্কুলৰ শুভাৰম্ভ হয় আৰু ইয়াৰ প্ৰতিষ্ঠাপক শিক্ষক আছিল হাতীপোতা গাঁওৰ সুবল চন্দ্ৰ বৰ্মন।

২। **গদাধৰ বৰ্ম্মন** ঃ- বৰ্তমান হাতীপোতা গাঁও-পঞ্চায়তৰ অন্তৰ্গত ভোলাপাৰা গাঁওৰ এজন বাসিন্দা। তেওঁৰ পিতাৰ নাম ৺শ্ৰীমল বৰ্ম্মন আৰু একমাত্ৰ ভায়েকজনৰ নাম ৺নিৰেশ চন্দ্ৰ বৰ্ম্মন। বগৰীবাৰীত প্ৰবেশিকা পৰীক্ষা পাছ কৰি পশ্চিম বঙ্গৰ ৰংপুৰ কলেজত আই,এ, (I.A.) পাছ কৰিছিল। ক্ষত্ৰিয় ৰাজবংশীৰ ভিতৰত শালকোচা অঞ্চলৰ তেওঁ প্ৰথম আই, এ, পাছ কৰা ব্যক্তি আছিল। তেওঁ প্ৰথমতে পুলিচ বিভাগৰ দাৰোগা পদত ১৫ বছৰ মান চাকৰি কৰাৰ পাছত বিলাসীপাৰাৰ জমিদাৰৰ জৰান অফিচত কাম কৰিছিল। পিছত সেই পদটোকো ইস্তফা দি ভেলুপাৰা এম, ভি, স্কুলত শিক্ষকতা আৰম্ভ কৰে। চাপৰৰ ৺শৰৎ চন্দ্ৰ সিংহ (অসমৰ প্ৰাক্তন মুখ্য মন্ত্ৰী) আৰু ডালিম কুমাৰ মেধি ডাঙৰীয়াই চাপৰত হাইস্কুল খোলাৰ লগে লগে ৺গদাধৰ বৰ্ম্মনক মাতি নি উক্ত হাইস্কুল খনতে শিক্ষকতা কৰিব দিয়ে। তিনিবছৰমান শিক্ষকতা কৰাৰ

পিছত সেই চাকৰিটোকো ইস্তফা দি কোচ ৰাজবংশী-ক্ষত্ৰিয় সন্মিলনীৰ জিলা Organisor হয়। ইয়াৰ উপৰিও তেখেত কচুদোলাত এখন এম,ই, স্কুল স্থাপন কৰে। তাতো তেওঁ ক্ষান্ত নাথকি চলন্তা পাৰাত তাৰ পিছত যোগীঘোপাত দুখনকৈ এম, ই, স্কুল স্থাপন কৰে। তেওঁৰ বিশেষ দক্ষতা আছিল ইংৰাজী ভাষাত যিকোনো বিষয় লিখা আৰু বাঙালী ভাষাত কথা কোৱা। ইয়াৰ উপৰিও তেওঁ লোকেল বৰ্ডৰ সদস্য আছিল। তেতিয়াৰ গেৰাভিটা গাঁও পঞ্চায়তৰ তেওঁ প্ৰেছিডেন্টো আছিল। তেখেতৰ মৃত্যু ১৯৭১ চনত হয়। তেওঁৰ বংশৰ ভিতৰত একমাত্ৰ পুত্ৰ চিত্ৰলোচন বৰ্ম্মন আৰু জীয়েক কনকলতা দেৱী আৰু কুন্তলা দেৱী।

৩। **শব্দৰাম সিংহ** ঃ- শালকোচা গাঁও পঞ্চায়তৰ অন্তৰ্গত পুৰণি কামাৰপাৰা গাঁও নতুন ৰেভেনিও গাঁওমতে ভেলুপাৰা প্ৰথম খণ্ড গাঁওৰ এজন বাসিন্দা আছিল। তেওঁৰ আৰু তিনিজন ভায়েক আছিল। ভায়েকৰ ভিতৰত প্ৰথম জলেশ্বৰ সিংহ, দ্বিতীয় দেবেশ্বৰ সিংহ, তৃতীয় শব্দৰাম সিংহ আৰু চতুৰ্থ হৰিশ্চন্দ্ৰ সিংহ। ইহঁতৰ বাপেকৰ নাম আছিল সুবল চন্দ্ৰ সিংহ আৰু খুৰাকৰ নাম আছিল সুধীৰ সিংহ। শব্দৰাম সিংহই তেতিয়াৰ বিজনী ৰজাৰ আড্ডালি কৰিছিল। তেওঁ বৰ প্ৰতাপী, প্ৰভাবশালী আৰু বিচক্ষন ব্যক্তি হোৱাৰ বাবে বিজনীৰ ৰজাই শব্দৰামৰ বংশটোক সিংহ উপাধিৰে বিভূষিত কৰিছিল। তেখেতৰ ঘৈনিয়েকৰ নাম আছিল ভূৰো সিংহ। খেতি মাটি ৮০ ৰ পৰা ১০০ বিঘামান আছিল। তেওঁ বিশেষকৈ কাঠৰ ব্যৱসায় কৰিছিল। এই কাঠৰ ব্যৱসায় শালকোচাৰ পৰা ব্ৰহ্মপুত্ৰ নদীৰে কলিকতালৈ কৰিছিল। এই ব্যৱসায়ত তেওঁ বৰকৈ লাভবান হৈছিল। এই কাঠৰ ব্যৱসাযৰ হিচাব নিকাচ ৰাখিবৰ বাবে তীৰ্থলোচন ৰায় নামৰ এজন সৰকাৰ ৰাখিছিল। ভেলুপাৰা দ্বিতীয় খণ্ড গাঁওৰ ঁগজিন্দ্ৰ বৰ্ম্মনৰ মাটি খৰিদ কৰি শিক্ষা প্ৰচাৰৰ বাবে এখন এম, ভি, স্কুল ১৯২৯ চনত স্থাপন কৰে। সেই মাটিতে এটা সাৰ্ব্বজনীন বাসন্তী মন্দিৰ আৰু এখন এম ই স্কুলো স্থাপন কৰে। এম, ভি, স্কুলখনৰ নাম আছিল শব্দৰাম সিংহ এম, ভি, স্কুল। কিন্তু ১৯৫৪ চনত শব্দৰাম সিংহ নামটো উঠাই দিয়ে। এইখন স্কুলৰে পৰা বহু ছাত্ৰ-ছাত্ৰীয়ে বৰ সুনামেৰে পাছ কৰি ডাঙৰ ডাঙৰ মানুহ হব পাৰিছে। শব্দৰাম সিংহ অপুত্ৰক হোৱাত শ্যামাৰাই পাৰা গাঁওৰ ইন্দুবালা দেবী নামে এজনী ছোৱালীক পুহিছিল আৰু চাপৰৰ খৰ্গেশ্বৰ ৰায় নামে কাঠ-মিস্ত্ৰি তথা গাড়ীৰ চকা বনোৱা মিস্ত্ৰি এজনৰ লগত পোষ্য জীয়েকক বিয়া দি সম্পত্তি ৰক্ষনা-বেক্ষন দিয়ে। ঁখৰ্গেশ্বৰ ৰায়ৰ পুত্ৰ হেমন্ত ৰায়ে বৰ্তমানে ঁশব্দৰাম সিংহৰ সম্পত্তি ভোগ দখল কৰি আছে।

সামাজিক কাম আৰু শিক্ষাৰ বহুল প্ৰচাৰেই আছিল-শব্দৰাম সিংহৰ মূল লক্ষ্য। শব্দৰাম সিংহই ১৯৪৬ চনতেই মৃত্যু বৰণ কৰে।

৪। কাদং চন্দ্ৰ বৰ্ম্মন :- শালকোচা গাঁও পঞ্চায়তৰ অন্তৰ্গত কামাৰপাৰা গাঁওৰ এজন বাসিন্দা আছিল। এওঁৰ বাপেকৰ নাম আছিল বেৰাৰাম সৰ্দাৰ আৰু মাকৰ নাম আছিলবৈশাখী দেৱী। কাদং চন্দ্ৰ বৰ্ম্মনৰ আতাৰ নাম মাউৰীয়া বৰ্ম্মন আৰু আবুৰ নাম যত দেৱী আছিল। ঘৈনিয়েকৰ নাম আছিল দাম্ফুলী দেৱী। কাদং চন্দ্ৰ বৰ্ম্মনৰ ভাই - প্ৰথম কান্দুৰা বৰ্ম্মন, দ্বিতীয় তেওঁ নিজে; তৃতীয় দাগিলী বৰ্ম্মন, চতুৰ্থ ইলাম বৰ্ম্মন, পঞ্চম দীনোনাথ বৰ্ম্মন, ষষ্ঠ চিনোৰাম বৰ্ম্মন, সপ্তম ৰাণা বৰ্ম্মন আৰু অষ্টমত ভনী পানীমালা দেৱী। এওঁ ভেলুপাৰা শব্দৰাম সিংহ এম, ভি, স্কুলৰ কাষতে এখন এল, পি, স্কুল আৰু এখন এম, ই, স্কুল স্থাপন কৰে। পিছে স্কুলৰ অৱস্থিতি বেয়া হোৱাত এল, পি, স্কুলখন বানীয়াপাৰা ৰেভেনিউ গাঁওত ভেলুপাৰা এল,পি, নামেৰে আৰু এম, ই, স্কুলখন শালকোচা হাসপাতালৰ কাষতে স্থানান্তৰ কৰে। লগতে ১৯৪৬ চনত এই এম, ই, স্কুল উন্নীত কৰি হাইস্কুল নিৰ্ম্মান কৰে। এই স্কুল খন নিৰ্ম্মানত বুদ্ধিজীৱি শ্ৰেনীৰ লগত কাদং চন্দ্ৰ বৰ্ম্মন আৰু পুখুৰীপাৰা গাঁওৰ নিখাল দেৱ বৰ্ম্মনৰ মাৰ-পিট হোৱাৰ দৰে এটা ডাঙৰ সংঘৰ্ষ হৈছিল। বুদ্ধিজীৱি সকলৰ সিদ্ধান্ত হ'ল হাইস্কুল খন পুখুৰীপাৰা ৰেভেনিউ গাঁওত হব লাগে। কিন্তু এই নেতাদ্বয়ৰ চেষ্টাত আৰু জনসাধাৰণৰ পূৰ্ণ সমৰ্থনত হাইস্কুল খন স্থাপন কৰা ঠাইতে চিৰস্থায়ী হিচাবে স্থাপিত হ'ল। এই দুই নেতাৰ অক্লান্ত চেষ্টাত কৰ্ম্ম দক্ষতাত অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী "শৰৎচন্দ্ৰ সিংহ পৰামৰ্শমতে এই খন হাইস্কুলত "চৈতন্যদেৱ চক্ৰবৰ্ত্তীক প্ৰধান শিক্ষক পদত বহুৱায়। এই দুই ব্যক্তিৰ চেষ্টাতেই আজি শালকোচা অঞ্চলৰ চুকে-কোনে বিৰাট জ্ঞানৰ পোহৰ বিয়পিছে। কাদং চন্দ্ৰ বৰ্ম্মন কোচ-ৰাজবংশী ক্ষত্ৰীয় সম্মিলনীৰ অন্যতম সদস্য আছিল। সকলো শ্ৰেনীৰ মানুহক সুবুদ্ধি দিয়া, অসহায়ক সহায় কৰা তেওঁৰ নীতি আছিল। নিম্ন শ্ৰেনীৰ ওপৰত হিংসামুলক ভাব আৰু কাৰ্য্যকলাপ তেওঁ মুঠেই দেখিব নোৱাৰিছিল আৰু ইয়াৰ সু-ব্যৱস্থাও তেওঁ হাতত লৈছিল। নিজৰ পৰিশ্ৰম আৰু কৰ্ম্ম দক্ষতাৰে ৮০ বিঘা মান খেতিৰ মাটি কৰিছিল। তেওঁৰ দুই পুত্ৰ ভবিন বৰ্ম্মন আৰু লক্ষেশ্বৰ বৰ্ম্মন; জীয়েক ধৰ্ম্মেশ্বৰী দেৱী আৰু ভৈষালী দেৱী। এইজনা ব্যক্তিৰ মৃত্যু ১৯৭৭ চনত হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৪ বছৰ।

৫। দেবেন্দ্ৰ নাৰায়ন ৰায় :- এওঁৰ জন্ম বানিয়াপাৰা গাঁওত। তেওঁৰ পিতাকৰ নাম হেদেলা ৰায়। বিলাসীপাৰা ইন্দ্ৰ নাৰায়ন একাডেমী স্কুলত পঢ়ি পিছত বগৰীবাৰী

স্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। শালকোচা অঞ্চলৰ কোচ ৰাজবংশীৰ ভিতৰত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱা এইজনেই আছিল প্ৰথম ব্যক্তি। পিছত তেওঁ চিকিৎসা বিভাগৰ কম্পাউণ্ডৰী পাছ কৰি বগৰীবাৰী হাসপাতালতে প্ৰথম চাকৰিত সোমায়। চাকৰিত সোমোৱাৰ পাছতে চাপৰৰ ভকত গাঁওৰ যজ্ঞেশ্বৰী দেৱী নামেৰে এজনী মহিলাক বিয়া কৰায়। ধীৰেণ, অমৰ আৰু বীৰেণ নামেৰে তিনিজন সন্তান জন্মৰ পিছতে ঘৈনিয়েক জনী ঢুকায়। পিছত উপায়ন্তৰত দেবেন্দ্ৰই বহলপুৰ গাঁওৰ ভূ-বালা নামেৰে মহিলা এজনীক দ্বিতীয় বিবাহ কৰে। দ্বিতীয় তৰফৰ বিজয়েন্দ্ৰ, দ্বিজেন্দ্ৰ, হীৰেন্দ্ৰ পুত্ৰ তিনিজন আৰু সিন্ধু, কৰুণা, যশোবালা কন্যা তিনিজনীক এৰি থৈ চাকৰি কাল শেষ নৌহওতেই ১৯৫০ চনত দেবেন্দ্ৰই মৃত্যু বৰণ কৰে। তেওঁ শালকোচা অঞ্চলৰ প্ৰথম কম্পাউণ্ডৰ। শিক্ষা আৰু চিকিৎসাৰ ক্ষেত্ৰত তেওঁৰ সুনাম এই অঞ্চলত অমৰ হৈ থাকিব।

৬। **ধৃত কিশোৰ ৰায় ঃ-** এওঁৰ জন্ম বৰ্তমান গৌৰাংটাৰী গাঁওৰ পৰাণেৰ ভিটা চুবুৰীত। তেওঁৰ পিতাকৰ নাম আছিল ৺পুৱা ৰায। আৰু ঘৈনিয়েকৰ নাম আছিল ৺মমবালা ৰায়। তেওঁৰ একমাত্ৰ ভায়েকজনৰ নাম ৺নীলমোহন ৰায। তেওঁর পুত্ৰ এজন- নাম ৺জ্যেতিষ ৰায় আৰু কন্যা এজনী নাম ৺অমিয় ৰায়। কন্যাজনীক অভয়াপুৰীলৈ বিযা দিছে। ধৃত কিশোৰ ৰায়ে গৌৰীপুৰত পাঠশালাৰ ৩য় শ্ৰেনী পাছ কৰি গৌৰাংটাৰী গাঁওৰে সুনাবাৰী চুবুৰীত এখন এল, পি, স্কুল স্থাপন কৰে আৰু তাতেই শিক্ষকতা আৰম্ভ কৰে। বহুদিন শিক্ষকতা কৰাৰ পাছত স্কুলৰ ঠাই সম্পৰ্কে ৰাইজৰ মাজত মতানৈক্য হোৱাত উক্ত স্কুলখন গৌৰাংটাৰী গাঁওৰে বামুনপাৰা চুবুৰীত স্থাপন কৰে। আৰু তাতেই তেওঁ শিক্ষকতা কৰিব ধৰে। এনেতে ভেলুপাৰাত এখন এম,ভি, স্কুল স্থাপিত হয়। সেই এম, ভি, স্কুললৈ আহে আৰু চাকৰি কাল ৬০ বছৰটো তাতেই সমাপ্ত কৰে। তেওঁৰ শিক্ষা প্ৰদানৰ আজিও যথেষ্ট সুনাম আছে। বহু ছাত্ৰ-ছাত্ৰী তেওঁৰ শিক্ষা পাই সু-শিক্ষিত নাগৰিক হব পাৰিছে। আজিও বহুতে তেওঁৰ নাম স্মৰণ কৰে। ইয়াৰ উপৰিও গছ লতিকাৰ দৰবেৰে আৰু তন্ত্ৰ-মন্ত্ৰেৰে চকুৰ আৰু বসন্ত (ঠাকুৰাণী) বেমাৰৰ তেওঁ এজন ভাল চিকিৎসক আছিল। এইজনা ব্যক্তি ১৯৫৩ চনত শালকোচাবাসী ৰাইজৰ পৰা চিৰবিদায় লয়।

৭। **নকুল চন্দ্ৰ দেৱবৰ্ম্মা ঃ-** তেওঁৰ আচল নামটো নকুল চন্দ্ৰ চৌধুৰী। শালকোচা গাঁও পঞ্চায়তৰ গৌৰাংটাৰী গাঁওৰ শুনাবাৰী নামে চুবুৰীত তেওঁ জন্ম গ্ৰহন কৰিছিল। তেওঁৰ বাপেকৰ নাম আছিল পুন্না চৌধুৰী। আৰু একমাত্ৰ ভায়েকজনৰ নাম স্বৰূপ চৌধুৰী। বিজনী ৰজাৰ দৰবাৰত তেওঁৰ যথেষ্ট আধিপত্য থকাৰ বাবে

দেৱ-বৰ্ম্মা উপাধিটো ৰজাই পুন্না চৌধুৰীক প্ৰদান কৰিছিল। নিজৰ কৰ্ম্ম-দক্ষতা আৰু ৰজাৰ অনুগ্ৰহ থকাৰ বাবে শালকোচাৰ উপৰিও কোকোৰাঝাৰতো যথেষ্ট মাটি কৰিছিল। মুঠৰ ওপৰত ৩০০ বিঘাতকৈও বেছি মাটি তেওঁৰ আছিল। ইয়াৰ উপৰিও ক্ষত্ৰিয় সমাজৰ তেওঁ এজন আগৰণুৱা সমাজ-কৰ্ম্মী আছিল। কোচ ৰাজবংশীৰ পৰা সংস্কাৰ হৈ ক্ষত্ৰিয় শ্ৰেনীত উন্নীত হোৱাত তেওঁৰ কাৰ্য্যৰ মূল্য লেখত লবলগীয়া। তেওঁৰ সুনাম আৰু কৰ্ম্ম-দক্ষতাত চৰকাৰে এই লোকেল বৰ্ডৰ মেম্বাৰ কৰি লৈছিল। মুঠতে নকুল চন্দ্ৰ দেৱ-বৰ্ম্মা এজন সৰু জমিদাৰেই আছিল। নকুল দেৱ-বৰ্ম্মাৰ তিনিপুত্ৰ- কৃষ্ণমোহন দেৱ-বৰ্ম্মা, লোহিত দেৱ-বৰ্ম্মা আৰু নিশিকান্ত দেৱ-বৰ্ম্মা আৰু জীয়েকো তিনিজনী আছিল। এই পুত্ৰবিলাকৰ ভিতৰত কৃষ্ণমোহন দেৱ-বৰ্ম্মা এজন এল, পি, স্কুলৰ শিক্ষকৰ উপৰিও ক্ষত্ৰিয় সমাজৰ এজন আগ ৰণুৱা নেতা আছিল। নকুল দেৱ-বৰ্ম্মাই ১৯৪১ চনতেই দেহত্যাগ কৰে।

৮। সুৰেশ নাথ ঃ- শালকোচা অঞ্চলৰ গেড়াভিটা গাঁওত জন্ম গ্ৰহন কৰে ১৮৬৬ খৃঃত। সেই সময়ত এই অঞ্চলত কোনো শিক্ষানুষ্ঠান নাছিল আৰু শিক্ষাৰ পৰিবেশো নাছিল। উচ্চ বৰ্গৰ লোক সকলেহে বাহিৰত নিজৰ সতি-সন্তানক পঢ়ুৱাইছিল। নাথ মহাশয় কত পঢা-শুনা কৰিছিল সঠিকভৱে জনা নাযায় আৰু বৰ্ত্তমানে জানিবৰো উপায় নাই। শালকোচাৰ নাথ সম্প্ৰদাযৰ পুৰোহিতালি তেতিয়া কৰিছিল হাকামাৰ পিতাম্বৰ ঠাকুৰ আৰু সতীশ গোস্বামী। পিতাম্বৰ এজন সৰু-সুৱা জমিদাৰ আছিল। এই দুজন সদাশয় ব্যক্তিৰ সহায়ত সুৰেশ নাথ মহাশয়ে এখন নিম্ন প্ৰাথমিক বিদ্যালয় শ্যামাৰাইপাৰা গাঁওত স্থাপন কৰে। 'শ্যামাৰাই ঠাকুৰ'ৰ নাম অনুসৰি স্কুল খনৰ নাম শ্যামাৰাইপাৰা স্কুল হয়। স্কুল স্থাপনৰ কোনো চন-তাৰিখ পোৱা নাযায়। স্কুল খনৰ প্ৰথম পণ্ডিত সুৰেশ নাথ মহাশয় আছিল। পৰবৰ্ত্তী এইখন স্কুলে ১৩৩ নং শ্যামাৰাইপাৰা এল, পি, স্কুল। শিক্ষাৰ পৰিবেশ নথকা সেই অঞ্চলৰ লোকে আজিও তেওঁক শ্ৰদ্ধাৰে সুঁৱৰে। তেওঁৰ পুত্ৰ ইন্দ্ৰ মোহন নাথ।

৯। নিখাল চন্দ্ৰ বৰ্ম্মন ঃ- পিতাকৰ নাম ভৈচালু মণ্ডল। এওঁলোক দক্ষিন পাৰৰ মানুহ- অৰ্থাৎ চৰুৱা মানুহ। তাৰ পৰা পুখুৰীপাৰালৈ আহি থিতাপি লয়। কুৰি শতিকাৰ প্ৰথমতে তেওঁৰ পুত্ৰ নিখাল চন্দ্ৰ বৰ্ম্মনৰ পুখুৰীপাৰাত জন্ম হয়। যুৱা বয়সত তেওঁ গাৰো পাহাৰলৈ যায় আৰু কিছুদিন থাকি কমাৰ বিদ্যা শিকে। তন্ত্ৰ-মন্ত্ৰ বিদ্যাও কিছুপৰিমানে শিকিছিল। লোক মুখে শুনা যায় যে তেওঁ হেনো বন্দুক তৈয়াৰ কৰিব

জানিছিল। পুখুৰীপাৰাত পুনৰ আহি ইয়াতে বিয়া-বাৰু কৰাইছিল। কোকোৰাঝাৰত তেওঁ এখন দোকান খুলিছিল। তাৰ পৰা আহি ভাটী বয়সত সমাজ সেৱাত মনোনিবেশ কৰে।

তেওঁ ভালেমান যুৱকক কামাৰ বিদ্যা শিকাইছিল। তেওঁ নিজে শিক্ষিত নহলেও শিক্ষানুৰাগী আছিল। তেতিয়া শালকোচাত কোনো হাইস্কুল নাছিল। হাইস্কুল এখন প্ৰতিষ্ঠা কৰা কামত শালকোচাৰ কেইজনমান ব্যক্তি - সিদলী ৰাজকুমাৰ সূৰ্য্যেন্দু নাৰায়ন দেৱ (বামুনপাৰা গাঁওৰ পানী টেঙ্কী থকা টিলাটোত বাস কৰিছিল), নিয়োগী জমিদাৰ নৃপেন্দ্ৰ নাৰায়ন নিয়োগী, শ্ৰীগ্ৰাম জমিদাৰৰ সুধীৰ কুমাৰ বৰুৱা সাধাৰণ ঘৰৰ কাদং বৰ্মন (কামাৰপাৰা), খুলু বৰ্ম্মন (ভোলাপাৰা), ৰমনী মোহন চৌধুৰী (গৌৰাংটাৰী) সৈতে তেৱোঁ আগভাগ লৈছিল। শালকোচা হাইস্কুল প্ৰতিষ্ঠা হ'ল, কিন্তু হেড মাষ্টৰ নাই। স্থানীয় মানুহ নথকাত নিখাল বৰ্ম্মন আৰু কাদং বৰ্ম্মন চাপৰ হাইস্কুলৰ হেডমাষ্টাৰ শৰৎ চন্দ্ৰ সিংহক কৈ মিলি তেওঁৰে সহকাৰী শিক্ষক চৈতন্যদেৱ চক্ৰবৰ্ত্তী মহাশয়ক লৈ আহে। শালকোচাৰ দ্বিতীয়খন হাইস্কুল শিলগাৰা হাইস্কুলখন প্ৰতিষ্ঠা কৰোতেওঁ তেওঁ আগভাগ লৈছিল। মানুহজনৰ সঙ্গীততো বৰ ৰাপ আছিল। তেওঁ এটা যাত্ৰা পালা খুলি গাঁওৰ ডেকাসকলৰ মনোৰঞ্জনৰ ব্যৱস্থা কৰি দিছিল। তেওঁৰ পুত্ৰ নিৰঞ্জন বৰ্ম্মন। ১৯৮৪ চনৰ ৯ ফেব্ৰুৱাৰীত তেওঁৰ পৰলোক প্ৰাপ্তি ঘটে।

১০। **সৰলা বালা ৰায় ঃ-** শালকোচাৰ গৌৰাংটাৰী গাঁওৰ গোলক ৰায়ৰ কন্যা সৰলা ৰায় এক ক্ষনজন্মা নাৰী আছিল। কুৰি শতিকাৰ প্ৰথম দশকত জন্ম হৈছিল বুলি জনা যায়। সৰলা ৰায়ে শালকোচাৰ একমাত্ৰ জীয়ৰী যি আনুষ্ঠানিক বিদ্যালয়ৰ প্ৰথমজনী শিক্ষিকা আছিল। তাই মাইনৰ পাছ আছিল। বিদ্যা-শিক্ষা বিলাসীপাৰাত কৰিছিল।

তাই আজীৱন অবিবাহিত আছিল আৰু ওৰেটো জীৱন শিক্ষকতা কৰি কটাইছিল। তাইৰ কৰ্মক্ষেত্ৰ বিলাসীপাৰাৰ হাকামা আছিল। ৰোকাখাতাত থকা বিলাসীপাৰা খণ্ড প্ৰাথমিক শিক্ষা কাৰ্য্যালয়ৰ সন্মুখত ৰাজআলিৰ কাষতে এখন প্ৰাথমিক বিদ্যালয় আছিল। স্কুলৰ আগচোতালতে এজোপা বিশাল বগৰী গছ আছিল। এই বিদ্যালয়খন স্থাপিত হৈছিল ইং ১৮৮৯ চনত। প্ৰথম জন শিক্ষক কোন আছিল বৰ্তমান জানিব পৰা নাযায়। পৰবৰ্ত্তী এইখন বিদ্যালয়তে এখন বালিকা বিদ্যালয় খুলা হৈছিল; কিন্তু ইয়াৰ চন তাৰিখ জনা নাযায় যদিও প্ৰথম বিশ্বযুদ্ধৰ পিছে পিছে কুৰি শতিকাৰ তৃতীয় দশকত শুভাৰম্ভ হৈছিল। প্ৰথমজনী শিক্ষিকা আছিল সৰলা

ৰায়। তাইৰে প্ৰাক্তন ছাত্ৰী (নাম- কলপজান নেছা, গাঁও বানীয়াপাৰা (হাকামা) বৰ্তমান শালকোচা শ্ৰীগ্ৰামৰ বোৱাৰী স্বামী-ছফিৰ উদ্দিন) এজনীৰ পৰা জানিব পৰা গৈছে যে আনুমানিক ১৯২৪-২৫ চনৰ পৰা সৰলা বাইদেউক সেইখন বালিকা স্কুলত শিক্ষিকা হিচাবে পাইছিল। একেটা ঘৰতে এফালে ল'ৰাবোৰক 'চাৰে' পঢ়ায় আৰু ছোৱালীবোৰক 'দিদি'য়ে পঢ়ায়। সৰলা বাইদেউক 'দিদি' বুলি ছাত্ৰ-ছাত্ৰীবোৰে মাতিছিল। শিক্ষাৰ মাধ্যম বঙলা ভাষা আছিল।

উক্ত প্ৰাক্তন ছাত্ৰীজনীৰ মাকৰ ঘৰ শ্ৰীগ্ৰামত হোৱাৰ কাৰণে আৰু সৰলা 'দিদি' গৌৰাংটাৰীৰ হোৱাৰ কাৰণে চিনা-পৰিচয়টো গাঢ় আছিল। ৰোকাখাতাৰ কন্দ্ৰ· দেব চক্ৰবৰ্ত্তীৰ এখন ডাঙৰ দোকান আছিল। সেই দোকানৰ পৰা তাই বস্তু বাহানি লওঁতে প্ৰায়ে এই ছাত্ৰীজনীৰ ঘৰত সোমাই গৈছিল। আন এটা কাৰণ আছিল যে এই ছাত্ৰীজনীৰ আৰু পাঁচজনী বাই-ভনী আৰু ককাই এজন একেলগে সেইখন বিদ্যালয়তে পঢ়িছিল। সেই সময়ত সাধাৰণ ঘৰৰ ছোৱালী স্কুলত নপঢ়িছিলে। সৰলা 'দিদি' বৰ কঢা আছিল। বহু ছাত্ৰী ভয়তে স্কুল নোযোৱা হ'লে তেওঁ চকীদাৰ পঠিযাই দি মাতি আনিছিল। সেইখন স্কুলত এজনী মহিলা চকীদাৰ আছিল। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ৩১ নং ৰাষ্ট্ৰীয় পথটোৰ নিৰ্মান কাৰ্য্য চলি আছিল। ৰাস্তাটো বিদ্যালয়খনৰ সন্মুখেদি বানীয়াপাৰা গাঁওৰ মাজেদি গৌৰাং নৈত কাঠৰ দলং দি পাৰ হৈ আহিছিল। বৰ্তমানে ই পৰিত্যজ্য। সামাৰিক বাহিনিৰ 'কনভয' সেই ৰাস্তাৰে সকলো সময়তে গৈছিল। এদিন নেকি সৰলা 'দিদি'ক ৰাস্তাৰে স্কুলত আহি থকা অৱস্থাত কনভয়ৰ কোনোবা সৈন্যই ঠাট্টা কৰিলে। তাই বৰ ক্ষুন্ন হ'ল। বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত অভিযোগ দিলত কৰ্তৃপক্ষই ক্ষিপ্ৰতাৰে ব্যৱস্থা ললে। তাইক বগা ৰঙৰ ছাতী দিলে। সিদিনাৰ পৰা তাইক কোনোৱে বেয়া ব্যৱহাৰ কৰিব নোৱাৰা হ'ল। তাইৰ একমাত্ৰ ভায়েক দিলীপ ৰায় কোকোৰাঝাৰৰ চৰকাৰী হাইস্কুলত শিক্ষকতা কৰিছিল।

এই বিদ্যালয়খন ১৮৮৯ চনত প্ৰতিষ্ঠা কৰা বালক বিদ্যালয় খনৰ সৈতে একত্ৰীকৰণ হৈ ৯৪ নং হাকামা নিম্ন বুনিযাদী বিদ্যালযখন হৈছে।

১১। বাহাল উদ্দিন আহমেদ ঃ-শালকোচাৰ শ্ৰীগ্ৰাম গাঁওৰ এটা অভিজাত পৰিয়ালত বাহাল উদ্দিনৰ জন্ম হয় বাংলো ১৩০২ (ইং ১৮৯৬) ২৩ আশ্বিন শনিবাৰ। তেওঁৰ পিতৃ নজৰ মামুদ সৰকাৰ। শ্ৰীগ্ৰাম বৰুৱা ইষ্টেটৰ মেনেজাৰ আছিল। নজৰ সৰকাৰৰ দুই পুত্ৰ কামাল উদ্দিন আৰু বাহালউদ্দিন। কামাল উদ্দিন পুলিচ বিভাগৰ দাৰোগা আছিল।

সেই সময়ত এই অঞ্চলত কোনো শিক্ষানুষ্ঠান নাছিল। অভিজাত ঘৰৰ ল'ৰাই ধুবুৰীত স্কুল পঢ়িছিল। বাহাল উদ্দিনো ধুবুৰীত পঢ়া-শুনা কৰিছিল। এণ্ট্ৰেঞ্চলৈকে পঢ়িছিল। ঘৰখন চম্ভালিবৰ বাবে ঘৰলৈ আহিব লগা হ'ল। কাৰণ ককাই কামাল উদ্দিনে বাহিৰত পঢ়া-শুনা কৰে। বাহাল উদ্দিন বৰ সৰবৰাহী ব্যক্তি আছিল। শালকোচাৰ জাতি-ধৰ্ম নিৰ্বিশেষে তেওঁক ভাল পাইছিল। সদা হাস্যমূলক বাহাল উদ্দিন বৰ ৰসিকতা প্ৰিয় লোক আছিল। বৃটিছ চৰকাৰৰ তেওঁ 'আদায়কাৰী মেম্বৰ' আছিল। প্ৰতি সপ্তাহত তেওঁ শনিবাৰৰ দিনা বিলাসীপাৰা থানাত 'হপ্তা' দিছিল অৰ্থাৎ উপস্থিতি দি সপ্তাহৰ কামৰ খতিয়ান সহ আদায় কৰা টেক্স খিনি জমা দিব লাগে। তেওঁৰ অধীনত ভালে কেইজন 'চকীদাৰ' থাকে। আৰবালী, হুছেইন, হুৰ বৰ্মন আদি লোকসকল তেতিয়া চকীদাৰৰ কাম কৰিছিল। কেবাজন চকীদাৰৰ ওপৰৱালা জনক 'দাফাদাৰ' বুলিছিল। পুখুৰীপাৰা গাঁওৰ হুৰ বৰ্ম্মন দাফাদাৰ আছিল।

আদায়কাৰী মেম্বৰজন বৰ সন্মানিত ব্যক্তি। তেওঁৰ ক্ষমতাও যথেষ্ট আছিল। শালকোচা অঞ্চলত চোৰ-ডকাইতি হ'লে তেওঁ নিজে বা চকিদাৰ পঠাই দি বা পুলিচ দি ধৰিছিল। সৰু-সুৰা হাই কাজিয়া নিজে বা চকীদাৰৰ হতুৱাই চালিচ কৰি দিছিল। ধুবুৰী সদৰত থকা 'জুৰী' আদালতৰ তেওঁ তিনিটাকৈ কাৰ্য্যকালৰ জুৰী আছিল।

জালান উদ্দিন আহমেদ এ চি এচ, তেওঁৰে সুযোগ্য সন্তান। বাংলা ১৩৬০ (ইং ১৯৫৪) চনৰ ১৫ আশ্বিন বুধবাৰ হৃদৰোগত আক্ৰান্ত হৈ মাত্ৰ ৫৮ বছৰ বয়সতে পৰলোক গমন কৰে।

১২। সাজিৰাম গয়াৰী ঃ- শালকোচাৰ বড়ো-কছাৰী সম্প্ৰদায়ৰ এজন নেতৃস্থানীয় ব্যক্তি। শালকোচাৰ 'গযাৰী' বুলি কলে মানুহে এওঁকে জানিছিল। তেওঁৰ পিতৃৰ নাম বন্দাৰাম গয়াৰী আৰু মাতৃৰ নাম ফতে। বিলাসীপাৰা সূৰ্য্যাখাতা গাঁওৰ মেছনাকুঠীত তেওঁলোকৰ বাস আছিল। ১৯৯৭ চনত অসম সাহিত্য সভাৰ ৬৩ তম বিলাসীপাৰা অধিবেশনৰ মূল থলীটোৱে একালত বড়ো মানুহৰ গাঁও আছিল। মেচ মানুহ আছিল বাবে ঠাই খনৰ নাম মেচনাকুঠী হৈছে। এই গাঁওতে থকা থানশালী খনৰ লগতে (বৰ্তমানে এটা মন্দিৰ হৈছে) বন্দাৰাম গয়াৰীৰ ঘৰ আছিল। নিৰিবিলি-প্ৰিয় বড়ো মানুহখিনি বাহিৰৰ পৰা অহা বসবাসকাৰী বিলাকৰ হেঁচাত মাটি-জমা বিক্ৰী কৰি অন্য ঠাইত উঠি গৈছিল। সাজিৰাম গয়াৰীহঁতৰ পৰিয়ালটো প্ৰথমে আমটেঙা ৰিৰ্জাভ ফৰেষ্টলৈ গৈছিল। কিন্তু তাত সুবিধা নেদেখি তেওঁৰ একমাত্ৰ ভনী ময়ূৰীৰ ওচৰলৈ গৈছিল। ময়ূৰীৰৰ বিয়া হৈছিল শালকোচা বেথা গাঁওৰ থাঙ্গন বসুমতাৰীৰ লগত। প্ৰথমতে গৌৰাংটাৰী যোগানন্দ বৰ্মনৰ পিতৃ নৰৰাম বৰ্মনৰ জমি-

জমা খিনি আধিয়াৰী হিচাবে গাযৰীহঁতে খেতি-বাতি কৰিছিল। পিচত কিনি লৈছিল আৰু ভাল অৱস্থাৰ গৃহস্থ হৈছিল।

সাজিৰাম গয়াৰী লক্ষীগঞ্জত পঢ়িছিল। ছাত্র বৃত্তি পাছ কৰিছিল। তেওঁৰ পৰিয়াল সূত্রে জনা যায় যে তেওঁ শৰৎ চন্দ্র সিংহৰ ভাল বন্ধু আৰু সমবয়সীয়া আছিল। সিংহ ডাঙৰীয়াৰ জন্ম ১৯১৪ চন। গতিকে তেওঁৰ জন্ম তাৰিখ ১৯১৪ চনৰ ওচৰা-ওচৰি হব যেন। গয়াৰী মহাশয় গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তৰ সভাপতি/সদস্য আছিল। স্থানীয় ভালেমান শিক্ষানুষ্ঠান আৰু সামাজিক অনুষ্ঠানৰ সৈতে তেওঁ সদায় জড়িত আছিল। তেওঁৰ মহৎ কৃতিত্ব হ'ল শিলগাৰা হাইস্কুল। এইখন অনুষ্ঠানৰ ১৯৮১-১৯৯৩ চনলৈ সভাপতি হৈ আছিল। ইং ২৭-১০-৯৩ চনত তেওঁৰ পৰলোক প্রাপ্তি ঘটে। তেওঁৰ এজন পুত্র জাগেশ্বৰ গয়াৰী উক্ত হাইস্কুলৰ চতুর্থ শ্রেনীৰ কর্মচাৰী।

* * *

শালকোচাৰ কেইখনমান ৰাজহুৱা প্রতিষ্ঠানৰ ইতিকথা ঃ (সম্পাদিত)

শালকোচা বহু ঐতিহ্যৰে ভৰা অতি প্রাচীন গ্রামাঞ্চল। ইয়াত সম্প্রদায়-ৰাজবংশী, বড়ো, গাৰো, ৰাভা, সূত্রধৰ, কৈৰ্বত্য আদিৰ উপৰিও ব্রাহ্মন, কায়স্থ কলিতা, মুচলমান আদিৰ বাসভূমি। শিক্ষা-সংস্কৃতিৰ ক্ষেত্রত শালকোচাৰ নাম আছে- অসম জুৰি ইয়াৰ পৰিচয় আছে। কিন্তু, সেই অনুসাৰে ইয়াত ৰাজহুৱা প্রতিষ্ঠান নাছিল। চৰকাৰী প্রতিষ্ঠানো বিশেষ উল্লেখনীয় নাছিল। তথাপি প্রাক্ স্বাধীনতা কালত যি দুই এখন প্রতিষ্ঠান গঢ়ি উঠিছিল, তাৰ ৰূপৰেখা যৎসামান্য তুলি ধৰা হৈছে।

১৩। শালকোচা ডাকঘৰ ঃ- শালকোচাৰ প্রথমখন ৰাজহুৱা প্রতিষ্ঠান 'শালকোচা ডাকঘৰ' ইয়াৰ অবস্থান পূর্ব্ববৎ একে ঠাইতে আছে। প্রতিষ্ঠান খনৰ প্রাৰম্ভিক কালৰ বিভাগীয় কোনো নথি-পত্র পাবলৈ নাই, মাত্র প্রতিষ্ঠা তাৰিখটোহে পোৱা যায়- ১৮৯০ চনৰ ১২ ফেব্রুৱাৰী। ডাকঘৰৰ মাটি দান কৰিছিল শালকোচাৰ নিয়োগী ইষ্টেটে। প্রথম জন পোষ্টমাষ্টাৰ কোন আছিল তাৰো কোনো নথি-পত্র পাবলৈ নাই। তথাপি নির্ভৰযোগ্য সূত্রে জনা যায় যে গৌৰাংটাৰীৰ গগন দাস (তদ পুত্র বিন্দু দাস)

মহাশয় শালকোচা ডাকঘৰৰ প্ৰথমজন পোষ্টমাষ্টাৰ আছিল। দ্বিতীয়জন পোষ্টমাষ্টাৰ আছিল হাপাপাৰা গাঁওৰ শ্ৰীকান্ত চক্ৰৱৰ্ত্তী। চক্ৰৱৰ্ত্তী মহাশয়ৰ এখন ডাঙৰ গেলামালৰ দোকান শালকোচা বজাৰত ডাকঘৰৰ কাষতে আছিল। প্ৰবাদ আছে যে তেওঁৰ দোকানত হোৱা বাকীৰ বাবদ শালকোচাৰ জমিদাৰ এজনে হাতী এটা দিহে বাকী পৰিশোধ কৰিছিল। সেই দোকানৰ পৰম্পাৰা আজিও তেওঁৰে নাতিয়েক পুলক চক্ৰৱৰ্ত্তীয়ে বজাই ৰাখিব পাৰিছে। তেতিয়াৰ দিনত ডাকোৱালে খোজ কাঢ়ি বিলাসীপাৰালৈ আৰু চাপৰলৈ ডাক অনা-নিয়া কৰিছিল। হাতত এখন চৰকাৰে দিয়া যাঠী থাকে, আৰু যাঠীত জুনুকা বন্ধা থাকে। ডাকোৱাল জনে কান্ধত ডাক বেগটো লৈ বিশেষ এটা ছন্দত খোজ দিয়ে আৰু জুনুক-জুনুক জনুকা বাজে। ১৫ কি. মিটাৰ বাট খৰালি কালত চৰুৱা বাখ্ৰা হৈ আৰু বৰ্ষা কালত টোকোৰাবান্ধা পাহাৰৰ দক্ষিন কাষেদি গৈ গৌৰাংৰ খেৱা পাৰ হৈ বিলাসীপাৰা ওলাইছিল। আনহাতে সৰ্পমাৰী পাহাৰ পাৰ হৈ তেৰ কি মি খোজ কাঢ়ি চাপৰ পাইছিল। তেতিযাৰ দিনত একমাত্ৰ বাঘহে ভযৰ কাৰণ আছিল। জনশ্ৰুতি আছে যে বাটত কিবা হিংস্ৰ জীৱ-জন্তু বা আপদে লগ পালে ডাকোৱাল জনে চিঞৰি চিঞৰি গাইছিল- 'দোহাই মহাৰাণীৰ দোহাই! জয় মহাৰাণীৰ জয়।।' 'মহাৰাণী' মানে মহাৰাণী ভিক্টৰীয়াক বুজাইছিল।

এইখন ডাকঘৰৰ প্ৰথম দুজন 'ডাকুৱা' (ডাকোৱাল) আছিল - চাপৰৰ বাবে ভেলুপাৰা গাঁওৰ জাবাৰা বৰ্ম্মন (তদ্‌পুত্ৰ বাঙ্গালু আৰু নাতি উপেন বৰ্ম্মনো এই কাম কৰিছিল) আৰু গৌৰাংটাৰীৰ বিন্দুচৰণ বৰ্ম্মন (তদ্‌পুত্ৰ বসন্ত কুমাৰ বৰ্ম্মন এজন ব্যৱসায়ী) বিলাসীপাৰাৰ বাবে 'ডাকুৱা' আছিল। প্ৰথমাৱস্থাত কোনো ডাক পিয়ন নাছিল। হাপাপাৰাৰ যামিনী ৰায় প্ৰথম জনা ডাক-পিয়ন আছিল। (তেওঁৰ ভাতৃদ্বয় তাৰিণী ৰায় আৰু কামিনী ৰায ক্ৰমে পিয়ন আছিল।)

১৪। ডাক্তাৰ খানা ঃ- শালকোচা ৰাজ্যিক চিকিৎসালয় খনক স্থানীয় মানুহে 'ডাক্তাৰ খানা' বুলি কয়। এই প্ৰতিষ্ঠানখনৰ প্ৰতিষ্ঠাপনৰ কোনো তথ্য-পাতি পাবলৈ নাই। কেৱল জনা যায যে ১৯২৩ চনৰ স্থানীয় স্বায়ত্ব শাসন এক্ট অনুসৰি ১৯২৫ চনত অসমত বিধান পৰিষদ গঠন হয়। এই পৰিষদে ধুবুৰী মহকুমালৈ (বৰ্তমানৰ বঙ্গাইগাঁও, কোকোৰাঝাৰ আৰু ধুবুৰী জিলা এই মহকুমাৰ অন্তৰ্গত আছিল।) সাতখন 'ডিচ্‌পেঞ্চাৰী' মঞ্জুৰীকৃত হয়- শালকোচা, আগমনী, তামাৰহাট, সাপটগ্ৰাম আৰু বাকী তিনিখনৰ নাম জনা নাযায়।

শালকোচা ডাক্তাৰ খানা বৰ্তমানৰ স্থানতে স্থাপিত হৈছিল। এই ঠাইখনত এজন 'মুচী' আছিল বাবে 'মুচিযাৰৰ ভিটা' বুলি কোৱা হৈছিল। তাত থকা বিশাল

আমগছ জোপা সেই লোকজনে ৰুইছিল। ডাক্তাৰখানাৰ প্ৰথম জন 'ডাক্তাৰ' (চিকিৎসক) আছিল ফণীভূষণ (উপাধিটো জনা নগ'ল), ধুবুৰীত চিভিল চাৰ্জন আছিল তেতিয়া জনৈক 'নিয়োগী' উপাধিৰ। তাৰ পিছ জন গৌৰীপুৰৰ জগদীশ চক্ৰবৰ্ত্তী ডাক্তাৰ আছিল। তাৰ পিছতে ১৯৩৮ চনত ডাক্তাৰ খগেন সেনগুপ্ত আহিছিল। সেনগুপ্ত মহাশয়ক তেতিয়াৰ লোকেল বোৰ্ডৰ চেয়াৰমেন গৌৰীপুৰৰ সন্তোষ কুমাৰ বৰুৱাদেৱে নিযুক্তি দি ইয়ালৈ আনিছিল। তাৰ পূৰ্বে তেওঁ বিজনী ইষ্টেটৰ চিকিৎসক আছিল। সেনগুপ্ত মহাশয় শালকোচা বজাৰতে স্থায়ীভাৱে আৱাসিক হ'ল। তেওঁৰ পুত্ৰ জ্যোৎস্না (ভানু) সেন গুপ্ত এজন ভাল চিকিৎসক।

শালকোচা ডাক্তাৰ খানাৰ প্ৰথম জন কম্পাউণ্ডৰ বিলাসীপাৰাৰ বিপিন দাস আছিল। তেওঁৰ পিছতে বানীয়াপাৰা (শালকোচা) গাঁওৰ দেবেন্দ্ৰ নাৰায়ন ৰায় কম্পাউণ্ডাৰ হয়গৈ। ১৯৪৮-৪৯ চনত ৰাজ্য চৰকাৰে অধিগ্ৰহন কৰে। প্ৰতিষ্ঠানখনৰ মাটি নিয়োগী ইষ্টেটে দান কৰিছিল।

১৫। ভেলুপাৰা এম, ভি, স্কুল ঃ- ১৯২৫ চনত অসমত বিধান সভা পৰিষদ গঠন হয় আৰু বিদ্যালয় সমূহত ভাষা মাধ্যমৰ বাবে 'ভাৰ্নাকুলাৰ এক্ট' বিধিবদ্ধ হয়। নিম্ন আৰু উচ্চ ছাত্ৰবৃত্তি বিদ্যালয় সমূহত মাতৃভাষাৰে শিক্ষা প্ৰদান কৰাৰ ব্যৱস্থা কৰে। ফলত এম, ই, স্কুলৰ সমপৰ্য্যায়ৰে এম, ভি, (মিড্‌ল্ ভাৰ্ণাকুলাৰ) স্কুল স্থাপন কৰে। ভেলুপাৰা গাঁওৰ সৰবৰহী আৰু শিক্ষানুৰাগী ব্যক্তি শব্দৰাম সিংহ মহাশয়ে এডোখৰ মাটি কিনি তাত এম, ভি, স্কুল প্ৰতিষ্ঠা কৰে। ৰাইজে স্কুলখনৰ নাম দিয়ে শব্দৰাম সিংহ এম, ভি, স্কুল। প্ৰথম জন শিক্ষক গৌৰাংটাৰী গাঁওৰ ধৃতকিশোৰ বৰ্ম্মন আছিল বুলি জনা যায়। কেইবা বছৰ স্কুলখন চলাৰ পাছত বন্ধ হৈ যায়। অৱশ্যে কিছুদিন পিছত স্কুলখন পুনৰ মুকলি হয়; কিন্তু স্কুল খনৰ নামৰ পৰিবৰ্তন ঘটিল। শব্দৰাম সিংহ নামটো ৰদ কৰি 'ভেলুপাৰা এম, ভি, স্কুল হয়। ১৯৫১ চনত স্কুলখন চৰকাৰীকৃত হয়।

এইখন স্কুলত চাপৰৰ বসন্ত কুমাৰ ৰায়, ৰেকিবুদ্দিন আহমেদ, বেৰভাঙ্গীৰ হুচেইন আলী প্ৰধানী, হালাকুৰাৰ নন্দেশ্বৰ ৰায় আদি শিক্ষক সকলে স্কুলৰ প্ৰথমাৱস্থাত শিক্ষকতা কৰিছিল। শব্দৰাম সিংহ এম, ভি, স্কুলৰ ছাত্ৰ সকলৰ ভিতৰত শ্ৰীগ্ৰামৰ জালাল উদ্দিন আহমেদ (এ, চি, এছ, হৈছিলগৈ) স্কুলখনৰ গৌৰৱ। পৰিতাপেৰে কব লগা হৈছে যে অন্তৰালত যি কথাই নাথাকক কিয় শব্দৰাম সিংহ নামতো ৰদ হোৱাটো অকৃতজ্ঞতাৰে নামান্তৰ।

১৬। শ্ৰীগ্ৰাম ৱাকৃফ্ জামে মছজিদ ঃ- শালকোচাত হিন্দু, খৃষ্টিয়ান, ইচলাম ধৰ্মৰ ভালেমান উপাসনাস্থলী আছে; কিন্তু স্থায়ী গৃহৰ প্ৰাচীন কীৰ্ত্তি চিহ্ন স্বৰূপ কোনো দেৱালয় বা গীৰ্জা বা মছজিদ নাই। তথাপি, শ্ৰীগ্ৰাম জামে মছজিদটো পুৰণি স্থপত্যৰ এটা নিদৰ্শন হিচাবে লেখত লব পৰা যায়। শালকোচাত দুখনে মুচলমান গ্ৰাম আছিল-কামাৰ ডিহি আৰু শ্ৰীগ্ৰাম। শ্ৰীগ্ৰাম জামে মছজিদটো চূণ-সুৰ্কি-ইটাৰে নিৰ্মিত। বেৰ বিলাক প্ৰায় একফুট ডাঠকৈ ইটাৰে গঁথা। ছাদ খন ঢালাই। ছাদৰ ওপৰত চাৰি কোণত মিনাৰ আছে। শ্ৰীগ্ৰামৰ বিখ্যাত কাঠৰ ব্যৱসায়ী আৰু তেতিয়াৰ অবিভক্ত গোৱালপাৰা জিলাৰ অন্যতম আঢ্যৱন্ত ব্যক্তি আৰৱ উদ্দিন সৰকাৰ চাহাবে এই মছজিদটো প্ৰথম বিশ্বযুদ্ধৰ কালছোৱাত (১৯১৪-১৯১৮) নিৰ্মান কৰি উলিয়াই আৰু মুচলিম সমাজলৈ এটা পুখুৰীৰে সৈতে খেতি জমি ধৰি প্ৰায় ৮০ বিঘা ভূ-সম্পত্তি ৱাকৃফ্ (ট্ৰাষ্ট) কৰি দিযে। তেওঁৰ পিতৃ আবিৰ মহম্মদ চাহাব শালকোচাৰ প্ৰথমজন হাজী।

ইয়াৰোপৰি, শালকোচা হাট (প্ৰতি ৰবিবাৰ আৰু বুধবাৰ) ৭৩ নং হাতীপোতা এল, পি, স্কুল, ১০৪ নং গৌৰাংটাৰী এল, পি, স্কুল, ১১৬ নং পুখুৰীপাৰা এল, পি, স্কুল, ১৩৩ নং শ্যামাৰাইপাৰা এল, পি, স্কুল, ১৬৮ নং দ্বাৰশীলা এল, পি, স্কুল, ১২৩ নং টোকোৰাবান্ধা এল, পি, স্কুল-প্ৰতিষ্ঠান কেইখন উনৈছ আৰু কুৰি শতিকাৰ দোমোজাৰ কালছোৱাত স্থাপিত হৈছিল বুলি স্থানীয় অনেক লোকৰে ধাৰণা। এই ক্ষেত্ৰত উল্লেখনীয যে প্ৰাথমিক বিদ্যালয় সমূহৰ স্থাপনৰ সৈতে নম্বৰ বোৰৰ সঙ্গতি নাই। বিভাগীয ভাৱে তালিকাভূক্ত কৰাৰ ক্ষেত্ৰত ক্ৰমিক নম্বৰ পদ্ধতি অৱলম্বন কৰা হয়।

'এৰা-বোটলা' নিবন্ধটোত বিভিন্নজনে তথ্য-পাতিৰে বৰঙনি যোগাইছে।

ক্ৰমিক নং	ব্যক্তিৰ নাম		তথ্য- যোগনিয়াৰৰ নাম
১।	মানিক দেৱ	ঃ	সুবল চন্দ্ৰ বৰ্মন, হাতীপোতা
২।	গদাধৰ বৰ্মন	ঃ	কানুৰাম বৰ্মন, কামাৰপাৰা
৩।	শব্দৰাম সিংহ	ঃ	কানুৰাম বৰ্মন, কামাৰপাৰা
৪।	কাদং চন্দ্ৰ বৰ্মন	ঃ	কানুৰাম বৰ্মন, কামাৰপাৰা
৫।	দেবেন্দ্ৰ নাৰায়ন ৰায়	ঃ	কানুৰাম বৰ্মন, কামাৰপাৰা
৬।	ধৃত কিশোৰ ৰায়	ঃ	কানুৰাম বৰ্মন, কামাৰপাৰা

৭।	নকুল চন্দ্ৰ দেৱ শৰ্মা	ঃ	কানুৰাম বৰ্মন, কামাৰপাৰা
৮।	সুৰেশ নাথ	ঃ	নিৰঞ্জন নাথ, ভেলুপাৰা
৯।	নিখাল চন্দ্ৰ বৰ্মন	ঃ	সুৰেন্দ্ৰ বৰ্মন, পুখুৰীপাৰা
১০।	সৰলা বালা ৰায়	ঃ	কলপজান নেছা, শ্ৰীগ্ৰাম
১১।	বাহাল উদ্দিন আহমেদ	ঃ	কুতুব উদ্দিন আহমেদ, শ্ৰীগ্ৰাম
১২।	সজিৰাম গয়াৰী	ঃ	সত্যবান গয়াৰী, বেথাগাঁও।

প্ৰতিষ্ঠানৰ নাম

১৩।	শালকোচা ডাকঘৰ	ঃ	দক্ষিনা ৰঞ্জন ৰায়, হাপাপাৰা
১৪।	ডাক্তাৰখানা	ঃ	জ্যোৎস্না সেনগুপ্ত, শালকোচা
১৫।	ভেলুপাৰা এম, ভি, স্কুল	ঃ	প্ৰনীতা বৰুৱা, শ্ৰীগ্ৰাম
১৬।	শ্ৰীগ্ৰাম জামে মছজিদ	ঃ	সম্পাদক (আবুল কালাম)

—ঃ O ঃ—

কেতিয়াও হিংসা কৰিব নাপায়, জুইয়ে যেনেকৈ খৰি পোৰে হিংসাই তেনেকৈ পুণ্য নাইকীয়া কৰে।

-হজৰত মহম্মদ।

THE KOCH-RABHA OF SALKOCHA

Damasu Ram Koch.
Sildanga

The Koch-Rabhas of Salkocha are taken into account as Scheduled Tribes (plains) as like 'Bodos' of Assam. According to the historians they are basically hailed from Mongoloid dynesty. Different Schoolars have opened different opinions about their migratian to Assam of the past. In accordance with the booklet- 'Koch-Rabhader Sankhiptya Itihas' written by Dr. Rebati Mohon Saha, a lecturer of Bilashipara College, there were Kotche, Mlitche and Limbu, three brothers, who hailed from Central Asia. (Now in Mongolya in China) On their way to the Himalayas, Limbu the youngest brother in where Mlitche liked to settle there. In course of time, his dynesty was known as 'Bod', which becomes 'Bodos' later on. Some of 'Bods' of North Bengal are still possessing their fore frather's tittle as 'mech'. These Kotchey entered India and settled down in North Bengal. In due time, his dynesty was known as 'Kochas'.

However in course of time, due to political turmoils, the 'Kochas' were divided in to several clans and lived in different parts of North Bengal and Assam scatterly. Some say that once there was a crucial bettle held in between

'Kochas and 'Garos'tribes. In that bettle, Kochas completely defeated by the Garos and they took 'Kochas' captives to the Garo king. The victorious party identified there as 'Rabha' (prisoners brought) to their king. So, from that very day, 'Koches were called 'Rabha' which now becomes 'Rabha'. On the other hand, according to some scholars, once upon a time there was a mighty king of Rabhas on the South Bank of the Brahmaputra river in the adjacent to the present Goalpara district, named by 'Dodan'. He ruled a vast kingdom at that time. But once in a decisive battle with Muslim agressors he was deteated and killed. Then in disappointment, his subjects had flown away. In jungles and hills for hiding themselves in fear of torturing of Muslims. The hidden people were identified themselves as 'Rabhas' (Loyal subjects) when asked by the Muslims. from that day, they were known as 'Rabhas'.

The 'Koch-Rabha' of Salkocha have been living in different parts of Salkocha.They have been deweling upon a small group of villages. Those are Sildanga, Hatipota, Jornagara, Shalbari, Nakargaon, Abhayakuti and Damodarpur. They reside simulteniously with the 'Bodos' Rajbanchis and Muslims respectively. Their language and culture are almost the same. It is apt to mention that the inhabitants of Sildanga only write the tittle of 'Koch' in this locality while other write 'Rabha' as because of conversion of Hinduism at least hundred decades ago. So to say, their social and cultural effinities have already been merged with Hindus although their language is still prevailed at the village.They follow the customs of Hinduism in the festivals of other cremonies when performed for inspite of this, there is no bar for matrimonal relation with other inhabitatants, in the little of 'Rabhas' of the locality. they also do not object for following their Hinduism in different ritual performances.There is no religions

fundamentalism among the 'Koch-Rabhas' after all. In this way, the **'Koch-Rabhas'** of Salkocha have been made a great social unity among themselves.

The 'Koch-Rabha' of Salkocha are educationally and economically the most backward community comparitively then other section of people of this jurisdiction. The socio-economic status of them is slow that they seem to be lived like as primitive age. Of course now in the light of other sectionss, a gradual change has been noticed among the new generations, all over the area. A few educated young boys and girls are very few in numbers. It has mentioned erlier that the 'Koch-Rabhas' of Salkocha are recognised as sheduled tribes (plains) like the 'Bodos'. But they are far behind from the 'Bodos' in repect of socio-economic progress.

It has also been said previously that the most of the villagers hold the little 'Rabhas' in this area excepting the people of Sildanga. The Rabha tittle holders have their seperate culture and religious ritualities of their own. So far the religion is concerned, they workship 'Rishi-Jagot'(saged-god) mainly. worshiped with home made wine, cocks or boars etc.The 'Huji' (the priest) enchants the 'Montras' (Slakos) in Rabha language during the worshiping. In wedding and other ceremonies, they perform according to their own maxims.

The 'koches of Sildanga are of in different nature in their customs and maxims. The present generations have been following the path of their ancestors. They abide the social and religious rules and guidance of other Hinduisms followers. Though their main 'god' is 'Hari' or 'Lord Krishna', get they believe in the diversity of Hindu gods and goddess. So, they worship and trust in 'Bishnu', Siva, Kali, Durga, Mahamaya Manasha and so on. Now a days, some of them are liking to believe in 'Sankari Religion' though Nam-kirtana. Some of them have now become 'shaiva'. In this way a mixed type of

religious cultures has been flourished among the Koches of Sildanga.

The Koch-Rabhas of Salkocha are not so much politically cautious as a whole. The lack of better education and economical development are the prime reasons of their setback of progress and improvment of their locality. Of course, now in touch and effects of All Assam 'Rabha-Sahitya Sabha', 'Koch-Rabha-Students Union' and Bebak-Rabha--Krawerang Rumchumi etc, This particular 'Tribes' of Salkocha have gradually been coming to light in the modern civilization.

Asretold by an old man (now dead) of Sildanga, the predecessors of the Koches of Sildanga had early been resided at present 'Harkata-villge, which is situated now on the bank of the 'Reni-Swamp', there is a legend on about this stream. There were two sister and brother Reni was elder sister and the boy was younger. (Unfortunately the name of the boy was not known by reteller.) At the time of the first monsoon rain both sister and brother went out to catch fishes at the existing stream and it was full of herbs and flat e land then. There was no swamp while they were fishing. But by that time suddenly gyser came out the of the deep earth with rushing water. The place was submarged with in a short time along with Reni and her brother. From that very time, the swamp had been created and it was known to be- The Renibeel! That was why, the name of the 'Reni swamp proves the residences, of Koches on its bank in early ages. In course of time, the village was shifted to the foothill of the Chandardinga on the northern side of south east direction whish place still called - '[Purani Vita', An ancient abode). After several decades back, they had again shifted to the bank of Sildanga - Best of stream, where villge is still existing. The outcome of Sildanga name is such to be heard. 'The stream was full of fishes by that

time. So, community fishing was held there in time to time. Hundreds of people from Bilashipara and chapar had come to fish there. Once, there had been a quarrel in between 'Bilashipara' and 'Chapar'. Due to that hostile attitude, both of groups had gethered bolder rocks on bothside of the Beel clendesfinely. Both groups had wanted to throw those rocks over each groups when the fight would begin. But fortunately, due to absence of one group in a certain day for community fishing, the incident could not take place. But the record was retained as Sildanga (fighting with rocks) From that very time, the beel was known as - Sildnga. Beel' and the name of the village was also known as Sildanga village.

It is not known the exact date and year from which the 'koches' of sildanga had written their the tittle of of 'Koch', as becuse cronology had not been any scholar at that time. There fore, it is based on only the 'Lakashrut or verbal traditions'. Of course, now-a-days, the Koches of Maghalaya have cliamed that the 'Koches' have a seperate. Identity and cultures of their own. releventl y, it can be stated that an existing pleader of Tura Court, Sri Sibendra Narayan Koch had strongly argued in this case through the news papers, a few year ago. But we are not going to entangle with such controversial matter as the writer is not well acquinted himself with the **'Koch-Rabhas'** story.

Above all it cannot be ruled out that the 'Koch-Rabhas' of Salkocha have contributed some extent in building up a greater culture of Salkocha which everybody must feet. It is no doubt that this tribes is very poor all respects than other sections inhabiting in this jurisdiction. Here we mean to say that they should be given the infrastruature facilities from the grass-root status for all round development by the people of other sections in general and the Government of Assam in particular. Both of them should try their best to uplift this

backward most 'tribe' of locality shunting their sectorian differences. So that the unity of diversity can be maintined in the loclity. If it is done, the peace, prosperity and solderity of Salkoch must be tightened as we expect from the core of our hearts.

—:O:—

Verily those who are patient in adversity and forgives wrongs, are the doers of Excellence.

- The Bible

শালকোচা শাখা সাহিত্য সভাৰ কিছু কথা

সম্পাদক।

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত উচ্চশিক্ষাৰ কোনো শিক্ষানুষ্ঠান নাছিল- উনৈছ শতিকাৰ শেষ অৱধি এনে পৰিস্থিতি এই মুলুকত বিৰাজমান আছিল। এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকলে উচ্চ শিক্ষাৰ বাবে ঢাকা, ৰংপুৰ, কলিকতা, বেনাৰস আদি ঠাইলৈ যাব লগা হৈছিল। অসমৰ কেইজনমান ছাত্ৰই কলিকতাত পঢ়ি থাকোতে অসমীয়া ভাষাৰ উন্নতি কল্পে এখন সাহিত্যানুষ্ঠানৰ জন্ম দিয়ে ১৮৮৮ চনৰ ২৫ আগষ্টত আৰু ইয়াৰ নাম ৰখা হয় 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'। পৰৱৰ্তী কালত ইয়াৰ নাম হয় 'সদৌ অসম সাহিত্য সম্মিলনী'। ইয়াৰ পিছত ১৯১৭ চনৰ ২৭ ডিচেম্বৰ তাৰিখত শিৱসাগৰত এখন অধিবেশন অনুষ্ঠিত হয়। এই অধিবেশনৰ সাধাৰণ সভাই অসমীয়া ভাষা-সাহিত্যৰ এজন কাণ্ডাৰী নিৰ্বাচন কৰে। তেৱেঁ হ'ল ৰায়বাহাদুৰ পদ্মনাথ গোহাঞি বৰুৱা আৰু সম্পাদক নিৰ্বাচিত হয শৰৎ চন্দ্ৰ গোস্বামী। ১৯৩৮ চনত এই মহাসভাখনৰ নাম পৰিবৰ্তন কৰি 'অসম সাহিত্য সভা' ৰখা হয়। দ্বিতীয়খন অধিবেশন অনুষ্ঠিত হয় ১৯১৮ চনৰ ডিচেম্বৰত গোৱালপাৰা চহৰত চন্দ্ৰধৰ বৰুৱাৰ সভপতিত্বত। ১৯২৬ চনৰ ডিচেম্বৰত ধুবুৰীত নৱম অধিবেশন অনুষ্ঠিত হয় বেনুধৰ ৰাজখোৱাৰ সভাপতিত্বত। এই অধিবেশনতে সাহিত্য সভাৰ প্ৰথমখন পত্ৰিকা প্ৰকাশিত হয়। এই অধিবেশনৰ উল্লেখনীয় দিশ এটা হ'ল যে শালকোচাৰ কৃতী সন্তান ষড়ানন তৰ্কতীৰ্থই দৰ্শন শাখা সম্মিলনৰ সভাপতিৰ আসন অলঙ্কৃত কৰিছিল।

প্ৰথমাৱস্থাত সাহিত্য সভাৰ পৰিসীমা অকল চহৰ অঞ্চলতে সীমাবদ্ধ আছিল আৰু উচ্চ খাপৰ সাহিত্যিক, পণ্ডিত সকলেৰে এই মহতী সভাখন গঠিত হৈছিল। কিন্তু ১৯৭২ চনত অনুষ্ঠিত উনচত্বাবিংশ ধুবুৰী অধিবেশনৰ সভাপতি হেম বৰুৱাৰ উদাত্ত আহ্বানত অসমৰ গাঁৱে-ভূৱে শাখা সভা সমূহ গঢ় লৈ উঠিব ধৰে।

এই পৰিপেক্ষিততে, ইং ১৯৭২ চনৰ ১৬ চেপ্টেম্বৰত শালকোচা উচ্চ ইংৰাজী বিদ্যালয় প্ৰাঙ্গনত এখন সাধাৰণ সভা অনুষ্ঠিত হয় আৰু এই সভাত পৌৰহিত্য কৰে উক্ত বিদ্যালয়ৰে স্বনামধন্য প্ৰধান শিক্ষক চৈতন্যদেৱ চক্ৰৱৰ্ত্তীদেৱে। সভাখনত উপস্থিত থকা বিশিষ্ট ব্যক্তি সকল ঃ- ১। চৈতন্যদেৱ চক্ৰৱৰ্ত্তী, ২। জলেশ্বৰ দাস (গৌৰাংটাৰী) ৩। প্ৰভাকান্ত শৰ্মা (বাটসৰ, নলবাৰী) ৪। শ্যামাপ্ৰসাদ চক্ৰৱৰ্ত্তী (বামুনপাৰা) ৫। মহন্ত কুমাৰ দেবনাথ (গেৰাভিটা), ৬। সুবীৰ কুমাৰ বৰ্মন (হাপাপাৰা), ৭। সুজীব লোচন চক্ৰৱৰ্ত্তী (পুখুৰীপাৰা), ৮। সুধীৰ কুমাৰ বৰ্মন (পুখুৰীপাৰা), ৯। নৰেন্দ্ৰ চন্দ্ৰ বসুমতাৰী (ছোটমাল গাঁও), ১০। শ্ৰীজীৱ লোচন চক্ৰৱৰ্ত্তী (পুখুৰীপাৰা), ১১। দুৰ্গা প্ৰসাদ চক্ৰৱৰ্ত্তী (হাপাপাৰা) ১২। মমতাজ উদ্দিন আহমেদ (উপৰটাৰী বিলাসীপাৰা) ১৩। প্ৰকাশ চন্দ্ৰ বৰ্মন (ভোলাপাৰা), ১৪। নিৰানন্দ নাথ (গেৰাভিটা), ১৫। দমাশুৰাম কোচ (শিলডাঙা), ১৬। কৰুণাকান্ত ৰায় (আৰেয়াঝাৰ, চাপৰ), ১৭। শেফালি চক্ৰৱৰ্ত্তী (পুখুৰীপাৰা), ১৮। দেবলা বৰুৱা (শ্ৰীগ্ৰাম), ১৯। সাধনা নিযোগী (নিয়োগীপাৰা), ২০। জিতেন্দ্ৰ কুমাৰ চক্ৰৱৰ্ত্তী (বামুনপাৰা), ২১। ধৰণী কান্ত বৰ্মন (পুখুৰীপাৰা), ২২। অপৰ্না চক্ৰৱৰ্ত্তী (শালকোচা বাজাৰ), ২৩। গোপাল চন্দ্ৰ বৰ্মন (ভেলুপাৰা), ২৪। নীলকান্ত সিংহ (গৌৰাংটাৰী), ২৫। প্ৰসন্ন কুমাৰ ৰায় (ইছলামাৰী), ২৬। দক্ষিনা ৰঞ্জন ৰায় (হাপাপাৰা), ২৭। সুবল চন্দ্ৰ বৰ্মন (হাতীপোতা), ২৮। ফনীন্দ্ৰ নাৰায়ন নিযোগী (নিয়োগীপাৰা), ২৯। আহমেদ আলী (হাৰকাটা), ৩০। নিৰঞ্জনেশ্বৰ চক্ৰৱৰ্ত্তী (পুখুৰীপাৰা), ৩১। আবুল কালাম (শ্ৰীগ্ৰাম)।

'শালকোচা শাখা সাহিত্য সভা' নাম দি অসম সাহিত্য সভাৰ এখন শাখা এইখন সাধাৰণ সভাত গঠিত হয়। নিম্ন উল্লেখিত ব্যক্তিসকলক লৈ 'শালকোচা শাখা সাহিত্য সভাৰ' প্ৰথমখন কাৰ্য্যনিৰ্বাহক কমিটি সাধাৰণ সভাই গঠন কৰি দিয়ে।

১। সভাপতি	ঃ	নিৰঞ্জনেশ্বৰ চক্ৰৱৰ্ত্তী (পুখুৰীপাৰা)
২। উপসভাপতি	ঃ	কৰুণাকান্ত ৰায (চাপৰ) প্ৰধান শিক্ষক, ভেলুপাৰা এম, ভি, স্কুল।
৩। সম্পাদক	ঃ	আবুল কালাম (শ্ৰীগ্ৰাম)
৪। সদস্য	ঃ	শেফালি চক্ৰৱৰ্ত্তী, (পুখুৰীপাৰা)
৫। সদস্য	ঃ	দমাশু ৰাম কোচ, (শিলডাঙা)
৬। সদস্য	ঃ	মহন্ত কুমাৰ দেবনাথ (গেৰাভিটা)
৭। সদস্য	ঃ	নীলকান্ত সিংহ (গৌৰাংটাৰী)

জন্ম লগ্নতে শালকোচা শাখা সাহিত্য সভাই অসমত চলি থকা ভাষা আন্দোলনত জড়িত হয়। কেন্দ্ৰীয় চৰকাৰে গ্ৰহন কৰা ভাষা-নীতি সমৰ্থন কৰা গৌহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে অসমত ভাষা আন্দোলন আৰম্ভ হয়। এই ভাষা-নীতি অসমীয়া ভাষাৰ পৰিপন্থী হোৱা হেতুকে শালকোচাৰ জনসাধাৰণেও এইখন প্ৰতিষ্ঠানৰ জৰিয়তে আন্দোলনত প্ৰবৃত্ত হয়।

দ্বিতীয়তে, আগন্তুক ১৯৭৩ চনৰ পৰাই মাধ্যমিক স্তৰত অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম দাবীৰে গঢ়ি উঠা আন্দেলনতো শালকোচা বাসীযে এই প্ৰতিষ্ঠানৰ যোগেদি আন্দোলনত জড়িত হয়।

১৯৭৩ চনৰ অসম সাহিত্য সভাৰ ৰঙিয়া অধিবেশনত শালকোচা শাখা সাহিত্য সভাই সম্পাদকক প্ৰতিনিধি পঠিয়াই দি প্ৰথম বাৰৰ বাবে প্ৰতিনিধিত্ব কৰে। এই চনৰে ২৯ এপ্ৰিলত সভাপতি গিৰিধৰ শৰ্মা ডাঙৰীয়া শালকোচালৈ আহে। তেতিয়া শালকোচা শাখা সাহিত্য সভাৰ কোনো স্থাযী কাৰ্য্যালয নাছিল। শালকোচা হাইস্কুলত তেখেতক বিপুলভাৱে আদৰণি জনোৱা হয।

পৰবৰ্তী অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ভালে কেইখন অধিবেশনত এই সভাই প্ৰতিনিধিত্ব কৰিছিল, যথা- মঙ্গলদৈ, টিহু, অভয়াপুৰী, গোলাঘাট, বঙাইগাঁও, পাঠশালা, দুধনৈ, মৰিগাঁও সৰ্থেবাৰী আৰু বিলাসীপাৰা।

১৯৯৭ চনৰ ৩১ আগষ্টত শালকোচা শাখা সাহিত্যসভাৰ কাৰ্য্যনিৰ্বাহক সভাখন পুনৰ্গঠিত হয়। যথা-

১।	সভাপতি	:	দিলীপ কুমাৰ চক্ৰবৰ্ত্তী (পুখুৰীপাৰা)
২।	উপসভাপতি	:	মহন্ত কুমাৰ দেবনাথ (গেৰাভিটা)
৩।	উপসভাপতি	:	সুধীৰ কুমাৰ বৰ্মন (বামুনপাৰা)
৪।	সম্পাদক	:	নজৰুল হুচেইন (শ্ৰীগ্ৰাম)
৫।	সদস্য	:	শচীন্দ্ৰ চন্দ্ৰ ৰায় (ভেলুপাৰা)
৬।	সদস্য	:	অনুপম কুমাৰ চক্ৰবৰ্ত্তী (পুখুৰীপাৰা)
৭।	সদস্য	:	দ্বিজেন্দ্ৰ ৰায় (ইছিলামাৰী)
৮।	সদস্য	:	মহাদেব গোস্বামী (ভেলুপাৰা)
৯।	সদস্য	:	কুমুৰ উদ্দিন আহমেদ (শ্ৰীগ্ৰাম)
১০।	সদস্য	:	প্ৰণীতা বৰুৱা (শ্ৰীগ্ৰাম)

১১। সদস্য ঃ ধৰণী কান্ত সূত্ৰধৰ (শালকোচা বাজাৰ)

১২। সদস্য ঃ আঞ্জামুল আমিন (শ্ৰীগ্ৰাম)

১৩। সদস্য ঃ মৃগেন চন্দ্ৰ বৰ্ম্মন (পুখুৰীপাৰা)

১৪। সদস্য ঃ দক্ষিনা ৰঞ্জন ৰায় (হ্নাপাপাৰা)

১৫। সদস্য ঃ শোভেন্দ্ৰ বৰ্মন (বামুনপাৰা)

১৬। সদস্য ঃ সমীৰ ৰঞ্জন বৰুৱা (শ্ৰীগ্ৰাম)

১৭। সদস্য ঃ ধ্ৰুব নাৰায়ন সিংহ (ইছিলামাৰী)

এইখন কমিটিৰ কাৰ্য্যকালত আশানুৰূপ কাম হোৱা নাছিল।

ইং ৮-১-২০০১ তাৰিখত শালকোচা শাখা সাহিত্য সভাৰ কাৰ্য্য নিৰ্বাহক কমিটিখন পুনৰ্গঠিত হয় -

১। সভাপতি ঃ দিলীপ কুমাৰ চক্ৰবৰ্ত্তী (পুখুৰীপাৰা)

২। উপসভাপতি ঃ প্ৰনীতা বৰুৱা (শ্ৰীগ্ৰাম)

৩। সম্পাদক ঃ আবুল কালাম (শ্ৰীগ্ৰাম)

৪। সহ সম্পাদক ঃ বাসবী চক্ৰবৰ্ত্তী (কামাৰপাৰা)

৫। পত্ৰিকা সম্পাদক ঃ অপৰ্ণা চক্ৰবৰ্ত্তী (কামাৰপাৰা)

৬। সদস্য ঃ মাজেন্দ্ৰ গয়াৰী (বামুনপাৰা)

৭। সদস্য ঃ নিৰঞ্জন নাথ (ভেলুপাৰা)

৮। সদস্য ঃ অনুপম কুমাৰ চক্ৰবৰ্ত্তী (পুখুৰীপাৰা)

৯। সদস্য ঃ বিশ্বেশ্বৰ বৰ্মন (বামুনপাৰা)

১০। সদস্য ঃ দ্বিজেন্দ্ৰ ৰায় (ইছিলামাৰী)

১১। সদস্য ঃ মনতোষ চক্ৰবৰ্ত্তী (গৌৰাংটাৰী)

১২। সদস্য ঃ সুধীৰ কুমাৰ বৰ্মন (ভোলাপাৰা)

১৩। সদস্য ঃ সমীৰ ৰঞ্জন বৰুৱা (শ্ৰীগ্ৰাম)

উপদেষ্টা মণ্ডলী ঃ-

(১) শেফালি চক্ৰবৰ্ত্তী (শালকোচা বাজাৰ)

(২) আমজাদ আলী (শ্ৰীগ্ৰাম)

(৩) কেগল ৰাভা (অভয়াকুটী)

(৪) শ্যামল বৰুৱা (শ্ৰীগ্ৰাম)

(৫) প্ৰশান্ত কুমাৰ বৰুৱা, বিধায়ক

এইখন কাৰ্য্যনিৰ্বাহক কমিটিয়ে প্ৰতিষ্ঠান খনৰ এটা গতিশীলতা আনি দিযে। ‘শিল্পী দিৱস’, ‘ৰাভা দিৱস’ আৰু ‘চেতনা দিৱস’ আদি নিয়মীয়া ভাৱে উদ্‌যাপন কৰিব পৰা হ’ল। স্থানীয় স্কুল সমূহত ছাত্ৰ-ছাত্ৰী বোৰৰ মাজত ‘কুইজ প্ৰতিযোগিতা’, ‘চিত্ৰাঙ্কন প্ৰতিযোগিতা’ ‘আবৃত্তি প্ৰতিযোগিতা’ আৰু ‘গীত-নৃত্য প্ৰতিযোগিতা প্ৰতি বছৰে পাতিব পৰা হ’ল। বহুদিন ধৰি কলা-সংস্কৃতি চৰ্চা শালকোচাত প্ৰায় স্থবিৰ হৈ আছিল। শালকোচা শাখা সাহিত্য সভাই এই ক্ষেত্ৰত এনে স্থবিৰতা কিছু পৰিমানে গতিশীল কৰি তুলিছিল।

কিন্তু আটাইতকৈ অসুবিধাটো আছিল- শালকোচা শাখা সাহিত্য সভাৰ কোনো মাটি বা ঘৰ নাছিল। মাটি কিনি ঘৰ বান্ধা সামৰ্থ্যও নাছিল। অৱশেষত ‘শালকোচা বোৱা-কটা সমবায় সমিতিৰি’ ওচৰত মাটি এটুকুৰাৰ বাবে আৰ্জি কৰা হ’ল। সমিতিৰ সভানেত্ৰী অপৰ্না চক্ৰৱৰ্ত্তীৰ প্ৰচেষ্টাত আৰু সমিতিৰ সদস্যাৱলীৰ আন্তৰিকতাত শালকোচা শাখা সাহিত্য সভাঁলৈ এক কঠা মাটি প্ৰস্তাৱ যোগে ইস্তফা দিযে। চাপৰ ৰজাহ চক্ৰৰ শালকোচা গাঁওৰ ৫৯ নং দাগৰ (নতুন ৮০ নং দাগ) ই অন্তৰ্ভূক্ত। শালকোচা-লক্ষীগঞ্জ গড়কাপ্তানি পথৰ কাষত শালকোচা উচ্চতৰ মাধ্যমিক বিদ্যালয খেল পথাৰৰ পূব ফালে মাটি ডোখৰৰ অৱস্থান। বিভাগীয় নিয়মত মাটিখিনি ‘শালকোচা শাখা সাহিত্য সভা’ৰ নামত নথিভূক্ত কৰি লোৱা হয়। মাটিৰ সমস্যা মিটিল। কিন্তু ঘৰ?

স্থানীয় বিধায়ক (২৭ বিলাসীপাৰা পূব সমষ্টিৰ) মাননীয় প্ৰশান্ত কুমাৰ বৰুৱা দেৱৰ সৌজন্যত ঘৰৰ বাবে ১,৫০,০০০.০০ (একলাখ পঞ্চাচ হেজাৰ টকা অনুদান পোৱা হ’ল আৰু ধুনীয়া এটা ঘৰ বান্ধিব পৰা গ’ল। ‘অসম কেশৰী’ অম্বিকাগিৰি ৰায়চৌধুৰীৰ জন্ম তিথি ‘চেতনা দিৱস’ জিলা ভিত্তিত শালকোচাত পাতিবলৈ ধুবুৰী জিলা সাহিত্য সভাই ইতিমধ্যে সিদ্ধান্ত লৈছে। ২০০৩ চনৰ ১৮ ডিচেম্বৰ এই শুভ তিথিত বিধায়ক মহোদয়ৰ দ্বাৰা ভৱনৰ দুৱাৰ মুকলি কৰা হয়। এনে দুটা মাঙ্গলিক অনুষ্ঠান যুগপৎ ঘটিবলৈ পোৱাটো শালকোচাৰ জনসাধাৰণৰ কাৰণে আনন্দকৰ ঘটনা।

এইবাৰৰ চেতনা দিৱস উপলক্ষে ধুবুৰী জিলা সাহিত্য সভাৰ সভাপতি মাননীয় গিয়াছুদ্দিন আহমেদ আৰু অসম সাহিত্য সভাৰ সহকাৰী সম্পাদক মাননীয় অকন

বায়ন প্ৰমুখ্যে সাহিত্য সভাৰ সৈতে জড়িত ভালেমান বিশিষ্ট ব্যক্তি বাজহৱা সভাত অংশ গ্ৰহন কৰে। সভাত প্ৰধান অতিথি ৰূপে উপস্থিত থাকে ধুবুৰী জিলাৰ উপায়ুক্ত মাননীয় প্ৰশান্ত কুমাৰ বৰুৱা ডাঙৰীয়া।

নৱনির্মিত সাহিত্য সভা ভৱন উন্মোচন অনুষ্ঠানত শালকোচা অঞ্চলৰ গণ্য মান্য ব্যক্তি সকলে অংশ গ্ৰহন কৰে। আমাৰ বিধায়ক মহোদয়ে (বিলাসীপাৰা পূব সমষ্টি) অনুষ্ঠান খনলৈ দান বৰঙনি আগবঢ়াবলৈ আহ্বান জানোৱাত লগে লগে নিম্ন উল্লেখিত সামগ্ৰী সমূহ পোৱা হয়।

১। ষ্টীলৰ 'শ্ব' কেচ' এটা (গীতা চক্ৰৱৰ্ত্তী, বামুনপাৰা)

২। ষ্টীলৰ 'শ্ব' কেচ' এটা (অনুপম কুমাৰ চক্ৰৱৰ্ত্তী, পুখুৰীপাৰা)

৩। ষ্টীলৰ টেবিল চেয়াৰ এযোৰ (অপৰ্ণা চক্ৰৱৰ্ত্তী, কামাৰপাৰা)

৪। ষ্টীলৰ টেবিল এখন (চন্দনা চক্ৰৱৰ্ত্তী, শালকোচা বাজাৰ)

৫। ষ্টীলৰ চেয়াৰ এখন (প্ৰণীতা বৰুৱা, শ্ৰীগ্ৰাম)

৬। দেৱাল ঘড়ী আৰু 'পেন- ষ্টেণ্ড' এটা (গৌতম শৰ্ম্মা, শালকোচা বাজাৰ)

৭। অসমীয়া ভাষা-সংস্কৃতিৰ বৰেণ্য ব্যক্তি সকলৰ ১২ জনৰ ১২ খন বন্ধোৱা ফটো (আবুল কালাম, শ্ৰীগ্ৰাম)

৮। এবছৰৰ বাবে 'প্ৰান্তিক' আলোচনীখন (দিলীপ কুমাৰ চক্ৰৱৰ্ত্তী, পুখুৰীপাৰা)

৯। পাঁচশ টকাৰ কিতাপ (শেফালি চক্ৰৱৰ্ত্তী, শালকোচা বাজাৰ)

প্লাষ্টিক চেয়াৰ মুঠতে ২৯ খন, দাতাসকল ঃ-

১০। ফনীন্দ্ৰ নাৰায়ন নিযোগী, (শালকোচা বাজাৰ)

১১। উত্তম শৰ্মা (শালকোচা বাজাৰ)

১২। উৎপল ৰায় (বিলাসীপাৰা)

১৩। অনুপ্ৰভা বৰ্মন (গৌৰাংটাৰী)

১৪। দক্ষিনা ৰঞ্জন ৰায় (হাপাপাৰা)

১৫। গোবিন্দ বৰ্মন (হাপাপাৰা)

১৬। ধ্ৰুব কুমাৰ বৰ্মন (হাপাপাৰা)

১৭। ভবেন্দ্র বর্মন (কামাৰপাৰা)

১৮। নীৰেশ বৰ্মন (ভেলুপাৰা)

১৯। সুধীৰ কুমাৰ বৰ্মন (ভোলাপাৰা)

২০। নুৰ উদ্দিন আহমেদ (বেলতলী)

২১। আখতাৰ হুছেইন (শ্ৰীগ্ৰাম)

২২। মহন্ত কুমাৰ দেবনাথ (গেৰাভিটা)

২৩। উদয়ন চক্ৰৱৰ্ত্তী (হাপাপাৰা)

২৪। অপূৰ্ব ৰায় (হাতীপোতা)

২৫। অকন বায়ন (ধুবুৰী)

এই ক্ষেত্ৰত উল্লেখনীয় যে শালকোচা শাখা সাহিত্য সভা ভৱনত অসম সাহিত্য সভাৰ প্ৰতীক আৰু স্থানীয় নাম-ঠিকনা চিমেণ্টেৰে খোদিত কৰি লিখে শালকোচা বজাৰৰ -

২৬। শ্ৰীমান বিমল চন্দ্ৰ দেব সূত্ৰধৰ আৰু

২৭। ৰমজান আলী (বিলাসীপাৰাৰ ফলিমাৰী গাঁওৰ)।

এইদিনা উন্মোচন উৎসৱত উপস্থিত থকা সমূহ লোককে মিঠাই আৰু চাহ জলপানেৰে আপ্যায়ন কৰে শালকোচা বাজাৰৰ কবিৰাজ নগেন্দ্ৰ চন্দ্ৰ চক্ৰৱৰ্ত্তীৰ কন্যা -

২৮। আল্পনা চক্ৰৱৰ্ত্তীয়ে

ইয়াৰোপৰি, গৃহনিৰ্মানৰ কামত সহায় কৰে -

২৯। শ্যামল বৰ্মন (বামুনপাৰা)

৩০। মুকুল সৰকাৰ (শ্ৰীগ্ৰাম) আৰু

৩১। অশোক সিংহী (বিলাসীপাৰা)।

তেওঁলোকে কেবাট্ৰাককৈ মাটি পেলাই দি ঘৰৰ ভেটিটো বনোৱাত সাহায্য আগবঢ়ায়।

ওপৰৰ উল্লেখিত সমূহ দাতা আৰু সহায়কৰ দান-বৰঙনিৰ কথা শালকোচা শাখা সাহিত্য সভাই চিৰদিন মনত ৰাখিব আৰু তেখেত সকললৈ সদা কৃতজ্ঞ থাকিব।

স্থানীয় বিধায়ক শ্ৰী প্ৰশান্ত কুমাৰ বৰুৱা দেৱৰ সহযোগত শালকোচা সাহিত্য সভাই বিনামূলীয়া চকু অস্ত্ৰোপ্ৰচাৰ শিবিৰৰ আয়োজন কৰে। মুঠতে ৩৩ জন চকুত ছানি পৰা ৰোগী অস্ত্ৰোপ্ৰচাৰ হয়। এই কল্যানমূলক আঁচনিখন ৰূপায়ন কৰোতে শিবিৰৰ বাবে স্থানদিয়া শালকোচা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মহোদয় শ্যামল বৰুৱা, ৰোগী বিলাকৰ সেৱা যত্নত অহৰহ লাগি থকা শালকোচা ৰাজ্যিক চিকিৎসালয়ৰ চিকিৎসক ৰাজদীপ গুহ আৰু তেওঁৰ সহযোগীসকল ঔষধ-পাতিৰে সহায় কৰা ধুবুৰী হস্পিটালৰ উদয়ন চক্ৰবৰ্ত্তী মহাশয়, অস্ত্ৰোপ্ৰচাৰৰ চকু চিকিৎসা বিশেষজ্ঞ ডঃ মুকুল বৰ্মন প্ৰমুখ্যে সহযোগী সকল-এওলোকৰ সেৱাৰ বাবে শালকোচা শাখা সাহিত্য সভাই সকলোকে কৃতজ্ঞতা জনায়।

বহুত আগৰে পৰা সঙ্গীত নৃত্য, কলা-কৃষ্টি আৰু লোক-সংস্কৃতিত শালকোচা অঞ্চল বহুত উন্নত। এই অঞ্চলৰ ললিত-সংস্কৃতিতো অভিজাত্যৰ এটা পৰিচ্ছন্ন ছাপ আছে। খুলা মঞ্চৰ যাত্ৰাভিনয়, কুশান, লোক-সঙ্গীত, আদিৰ ক্ষেত্ৰত শালকোচাৰ মানদণ্ড নামনি অসমতে এসময়ত লেখত লবলগীয়া আছিল। কিন্তু কিছুদিনৰ পৰা ইয়াৰ অৱনতি হোৱা দেখা যায় আৰু ইয়াৰ মূলতে হৈছে চৰ্চাৰ অভাৱ। এইবোৰ কথা চিন্তা-চৰ্চা কৰি শালকোচা শাখা সাহিত্য সভাই সঙ্গীতৰ এখন আনুষ্ঠানিক বিদ্যালয় খুলাৰ সিদ্ধান্ত গ্ৰহন কৰিলে। ইয়াৰে ফলশ্ৰুতিত ৫ ফেব্ৰুৱাৰী ২০০৫ দিনা শালকোচা সাহিত্য সভা ভৱনত এখন সঙ্গীত বিদ্যালয়ৰ উন্মেষ ঘটিল- 'শালকোচা সাহিত্য সভা সঙ্গীতালয়'। শুভ উদ্বোধন কৰিলে এক সংস্কৃতিবান পৰিয়ালৰ এজন বয়োজ্যেষ্ঠ নাগৰিক শ্ৰী ফণী কুমাৰ বৰুৱা (শ্ৰীগ্ৰাম)। চাৰিজন শিক্ষক-শিক্ষয়িত্ৰীৰে-

১। সঙ্গীতা চক্ৰবৰ্ত্তী (বামুনপাৰা)

২। নিৰঞ্জন নাথ (ভেলুপাৰা)

৩। ধনঞ্জয ৰায় (হাপাপাৰা) আৰু

৪। সুকুমাৰ বৰ্মন (শ্ৰীগ্ৰাম)

ৰাইজৰ উদুলি-মুদুলিত শঙ্খ-ঘন্টা-উৰুলিৰ মাঙ্গলিক ধ্বনিত ৩১ জন ছাত্ৰ-ছাত্ৰীৰে 'শালকোচা সাহিত্য সভা সঙ্গীতালয়' খনৰ জন্ম লগ্নৰে বন্তি এগছি জ্বলি উঠিল শালকোচাৰ জনসাধাৰণৰ আশীৰ্বাদ বিচাৰি। ৰাইজৰ মৰম স্নেহৰ মহিমা অপাৰ। সিদিনাই লাভ কৰা হ'ল এখন উন্নত মানৰ হাৰমনিয়াম এযোৰ তবলা, এটা জুনুকা, এখন খোল আৰু বহাৰ বাবে সতৰঞ্চ। প্ৰথম দুটা দান কৰিলে -

৩২। প্ৰশান্ত কুমাৰ বৰুৱা (জেম) শ্ৰীগ্ৰাম

৩৩। তৃতীয়টো কামাৰপাৰাৰ অপৰ্ণা চক্ৰৱৰ্ত্তী (মিনু)

৩৪। চতুৰ্থটো বামুনপাৰাৰ সুনীল বৰ্ম্মন

৩৫। শেষৰটো বিলাসীপাৰাৰ ভঁৱৰলাল নেমচাঁদ আৰু শ্ৰীগ্ৰামৰ আবুল কালামে।

অসম চৰকাৰ 'প্ৰতিষ্ঠান আৰু সমিতি পঞ্জীয়ন বিভাগৰ পৰা সঙ্গীতালয় খন পঞ্জীয়ন কৰা হ'ল ইং ১৪-৯-২০০৫ তাৰিখত - নং আৰ. এচ./ডি.বি.আৰ/ডি/৭২,২০০৫-০৬ তাং ১৪-৯-২০০৫। বৰ্তমান বিদ্যালয়খনত 'ভাটখাণ্ডে বিশ্ববিদ্যালয, লক্ষ্ণৌৰ পাঠ্যক্ৰম মতে কণ্ঠসঙ্গীত আৰু তবলা শিক্ষা দি থকা হৈছে। অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী বৃন্দ ঃ ২০০৫ চন আৰম্ভনি শিক্ষা বৰ্ষ-

১। জুতিমা দাস (পিতা হৰেশ্বৰ দাস)

২। নিজৰা দাস (পূৰেণ দাস)

৩। মৌচুমী বৰ্মন ( )

৪। প্ৰতিমা দেৱী (খুকু বৰ্মন)

৫। পল্লবী চক্ৰৱৰ্ত্তী (সিদ্ধাৰ্থ চক্ৰৱৰ্ত্তী)

৬। ছন্দামিতা ৰায (পৰেশ ৰায়)

৭। নাস্তাইনা হুছেইন (নজৰুল হুছেইন)

৮। জ্যোতিষ্মিতা ৰায় (হীৰেন্দ্ৰ নাৰায়ন ৰায)

৯। আমীন নেহা (আক্ৰামুন আমীন)

১০। নিবেদিতা দেৱী (বাটুল বৰ্মন)

১১। মমী দেৱী (হেমেন বৰ্মন)

১২। বিউটী বিশ্বাস (ৰবীন্দ্ৰ বিশ্বাস)

১৩। মিত্ৰজিৎ ৰায় (ডিম্বুৰায়)

১৪। মাহজুবা হাছিন (মছাবিৰ আকন)

১৫। অঞ্জনা চৌধুৰী (বাদল চৌধুৰী)

১৬। নাহিদ আখতাৰ (জাকিৰ আহমেদ)

১৭। দীপজ্যোতি বৰ্মন (ফন্টু বৰ্মন)

১৮। হৰিপ্ৰিয়া নাথ (সৰ্বেশ্বৰ নাথ)

১৯। নয়ন চক্ৰবৰ্ত্তী (বিজন চক্ৰবৰ্ত্তী),

২০। সন্দীপ চক্ৰবৰ্ত্তী (প্ৰদোষ চক্ৰবৰ্ত্তী)

২১। কবিস্মিতা কলিতা (দিলীপ কলিতা)

২২। শামীন চুলতানা (চেলিমুদ্দিন আহমেদ)

২৩। উজ্জ্বল চন্দ্ৰ নাথ (সাৰেন্দ্ৰ নাথ)

২৪। কেশব নাথ (নব কুমাৰ নাথ)

২৫। অঙ্কিতা চক্ৰবৰ্ত্তী (ৰণেশ চক্ৰবৰ্ত্তী)

২৬। অনিন্দিতা চক্ৰবৰ্ত্তী (ৰণেশ চক্ৰবৰ্ত্তী)

২৭। মাছুদ হাছান (নূৰ নবী আহমেদ)

২৮। কুইন ডেকা (চণ্ডী চৰণ ডেকা)

২৯। প্ৰীতম নন্দী (পৰিমল নন্দী)

৩০। সঞ্জীব বৰ্মন (নীৰেশ বৰ্মন)

৩১। ৰুমী ৰায় (টিকেন ৰায়)

২৩ এপ্ৰিল, ২০০৫। শালকোচা শাখা সাহিত্য সভাৰ এটি স্মৰণীয় দিন। এইদিনাখন অসম সাহিত্য সভাৰ উপসভাপতি মাননীয় পাচুগোপাল চক্ৰবৰ্ত্তী দেৱক নৃত্য-গীত-বাদ্যৰে আদৰি শৰাই-গামোছা-জাপি আৰু মানপত্ৰেৰে সম্বৰ্দ্ধনা জনোৱা হয়। শালকোচাৰ বিশিষ্ট ব্যক্তি সকলৰ উপৰিও ধুবুৰী জিলা সাহিত্য সভাৰ শ্ৰী অৰুন ৰায়ন, উদয়ন চক্ৰবৰ্ত্তী, ৰমেন্দ্ৰ নাথ, আহিদ খান আদি ভালেমান অসমীয়া ভাষা জননীৰ সেৱক উপস্থিত থাকি অনুষ্ঠান খনৰ সৌষ্ঠৱ বৰ্দ্ধন কৰে। [(*) মানপত্ৰখন পিছত দিয়া হৈছে।]

($) ২ মাৰ্চ, ২০০৫। শালকোচা শাখা সাহিত্য সভাৰ কাৰ্যনিৰ্বহক সভাৰ ম্যাদ সম্পূৰ্ণ হোৱাত এখন সাধাৰণ সভা সাহিত্য সভা ভৱনত অনুষ্ঠিত হয় আৰু সভাপতিত্ব কৰে শ্ৰী দিলীপ কুমাৰ চক্ৰবৰ্ত্তীদেৱে।

পুনৰ্গঠিত কাৰ্য্যনিৰ্বাহক সভাৰ সদস্য বৰ্গ :-

১। সভাপতি : শ্ৰী দিলীপ কুমাৰ চক্ৰবৰ্ত্তী (পুখুৰীপাৰা)

২। উপসভাপতি : শ্ৰীমতী প্ৰণীতা বৰুৱা (শ্ৰীগ্ৰাম)

৩। সম্পাদক : আবুল কালাম (শ্ৰীগ্ৰাম)

৪। সহসম্পাদক : শ্ৰীমতী বাসবী চক্ৰৱৰ্ত্তী (বামুনপাৰা)

৫। পত্ৰিকা সম্পাদক : শ্ৰীমতী অপৰ্না চক্ৰৱৰ্ত্তী (কামাৰপাৰা)

৬। সদস্য : শ্ৰী অনুপম কুমাৰ চক্ৰৱৰ্ত্তী (পুখুৰীপাৰা)

৭। সদস্য : শ্ৰী নিৰঞ্জন নাথ (ভেলুপাৰা)

৮। সদস্য : শ্ৰী হীৰেন্দ্ৰ নাৰায়ন ৰায় (বানীয়াপাৰা)

৯। সদস্য : শ্ৰী সিদ্ধাৰ্থ কুমাৰ চক্ৰৱৰ্ত্তী (হাপাপাৰা)

১০। সদস্য : শ্ৰী নিৰেশ বৰ্মন (ভেলুপাৰা)

১১। সদস্য : শ্ৰী গৌতম শৰ্ম্মা (শালকোচা)

১২। সদস্য : শ্ৰী মনতোষ চক্ৰৱৰ্ত্তী (গৌৰাংটাৰী)

১৩। সদস্য : শ্ৰী সুধীৰ কুমাৰ বৰ্মন (ভোলাপাৰা)

১৪। সদস্য : শ্ৰী মহন্ত কুমাৰ দেবনাথ (গেৰাভিটা)

১৫। সদস্য : শ্ৰী নীলিমা দেৱী (শালকোচা)

১৫। উপদেষ্টা : শ্ৰী প্ৰশান্ত কুমাৰ বৰুৱা
(বিধায়ক, ২৯ বিলাসীপাৰা পূব সমষ্টি)

২০ জুন, ২০০৫। এইদিনা জিলাভিত্তিত বৰকান্দাৰ নয়াহাটৰ ওচৰত ফাকিৰাণীঝাৰ এল, পি, স্কুল প্ৰাঙ্গণত 'ৰাভা দিবস' উদ্‌যাপিত হয়। শালকোচা শাখা সাহিত্য সভাই এই অনুষ্ঠানত যোগদান কৰে। আৰু চিত্ৰাঙ্কন, আকস্মিক বক্তৃতা, আবৃত্তি, গীত আৰু নৃৰ্ত্য প্ৰতিযোগিতাত অংশ গ্ৰহন কৰে। প্ৰতিটো বিভাগতে পুৰস্কাৰ লাভ কৰি সুনাম অৰ্জন কৰি আহে। এই ক্ষেত্ৰত যাতায়াতৰ বাবে বিধায়ক বৰুৱা ডাঙৰীয়াই গাড়ী এখন দি সহায় কৰাত তেখেতলৈ সভাই ধন্যবাদ জ্ঞাপন কৰে।

২০০৫। ভাটখাণ্ডে বিশ্ববিদ্যালয়ৰ চাপৰ পৰীক্ষা কেন্দ্ৰত প্ৰথম বাৰৰ বাবে শালকোচা সাহিত্য সভা সঙ্গীতালয়ৰ ৮ জন ছাত্ৰ-ছাত্ৰী 'প্ৰথমা' পৰীক্ষা দিয়ে। **পৰীক্ষাৰ্থী সকল ঃ-**

(১) অঙ্কিতা চক্ৰৱৰ্ত্তী

(২) পল্লবী চক্ৰৱৰ্ত্তী

(৩) জ্যোতিস্মিতা ৰায়

(৪) নিজৰা দাস

(৫) মৌচুমী বৰ্মন

(৬) নাস্তাহুনা হুছেইন

(৭) জুতিমা দাস

(৮) সন্দীপ চক্ৰবৰ্ত্তী (তবলা)।

আঠাই কেইজন পৰীক্ষাৰ্থীয়ে পৰীক্ষাত উত্তীৰ্ণ হয়।

২৫ ডিচেম্বৰ, ২০০৫। অসমৰ জননেতা প্ৰাক্তন মুখ্যমন্ত্ৰী, মূল্যবোধ ৰাজনীতিৰ অন্তিমজন অসমৰ গান্ধীবাদী নেতা শৰৎ চন্দ্ৰ সিংহৰ পৰলোক প্ৰাপ্তিত সভাই গভীৰ শোক প্ৰকাশ কৰে। শালকোচা সাহিত্য সভাৰ আলোচনী খনত শালকোচাৰ আৰ্থ-সামাজিক অবস্থা সম্বন্ধীয় এটা প্ৰবন্ধ দিয়াৰ বাবে যো-জা কৰি আছিল বুলি জনাইছিল। কিন্তু, নিয়তিৰ পৰিহাস! কামখিনি হৈ নুঠিল।

৩০ ডিচেম্বৰ ২০০৫। ৰামায়নী সাহিত্যৰ গৱেষক, অসম সাহিত্য সভাৰ সাধাৰণ সম্পাদক পৰৱৰ্ত্তী উপসভাপতি, কটন কলেজৰ অধ্যক্ষ ৰাম চৰণ ঠাকুৰীয়াৰ মৃত্যুত সভাই শোক প্ৰকাশ কৰে।

একেই তাৰিখতে শালকোচা শাখা সাহিত্য সভাৰ দিলীপ কুমাৰ চক্ৰৱৰ্ত্তী দেৱৰ মাতৃ বিন্দু বাসিনী দেৱী আৰু শালকোচা উঃ মাঃ বিদ্যালয়ৰ উপাধ্যক্ষ (অৱসৰপ্ৰাপ্ত) নগেন্দ্ৰ চন্দ্ৰ ৰায়ৰ মৃত্যুত সভাই শোক প্ৰকাশ কৰে।

নৃত্য আৰু অভিনয় শিল্পী শিৰাজ উদ্দিনৰ (শ্ৰীগ্ৰাম) মৃত্যুত সভাই শোক প্ৰকাশ কৰে।

১৭ জানুৱাৰী ২০০৬। সভাই উলহ-মালহেৰে 'শিল্পী দিৱস' দিন জোৰা কাৰ্য্যসূচীৰে উদ্‌যাপন কৰে। নিজা সঙ্গীতালয়ৰে ছাত্ৰ-ছাত্ৰীসকলে আৰু লগতে ৰাজহুৱা ভাবে প্ৰতিযোগিতা মূলক বিচিত্ৰানুষ্ঠান এখন এই উপলক্ষে পতা হয়।

২০ জুন ২০০৬। দিন জোৰা কাৰ্য্যসূচীৰে সভাই 'ৰাভা দিৱস' উদ্‌যাপন কৰে। এই উপলক্ষে চিত্ৰাঙ্কন, আবৃত্তি, গীত আৰু নৃত্য প্ৰতিযোগিতা এখন পতা হয় আৰু মানপত্ৰেৰে সৈতে বটা দিয়া হয়। আবেলি এখন মুকলি সভা পাতি প্ৰয়াত বিষ্ণু প্ৰসাদ ৰাভাৰ বহুমুখী প্ৰতিভাৰ স্মৃতি চাৰণ কৰা হয়। সভাত চাপৰ সাহিত্য সভাৰ সভাপতি শ্ৰী ডম্বৰু ৰায় ডাঙৰীয়াই এটি গহীন ভাষণ ৰাখে।

শালকোচা শাখা সাহিত্য সভাত উদ্‌যাপন কৰা প্ৰতিখন অনুষ্ঠানৰ কেইটামান বৈশিষ্ট লক্ষ্য কৰা যায়। শালকোচাৰ বিশিষ্ট ব্যক্তি সকল অনুষ্ঠান বোৰত উপস্থিত থাকে। স্কুলৰ ছাত্ৰ-ছাত্ৰীবিলাক সাংস্কৃতিক প্ৰতিযোগিতা সমূহত স্বতঃস্ফূৰ্ত্তভাৱে অংশ গ্ৰহন কৰে। অনুষ্ঠান বোৰত যথেষ্ট টকা পইচা খৰছ হয়; কিন্তু ইয়াৰ বাবে কোনো ৰাজহুৱা চান্দা তোলা নহয়। সভাৰ কাৰ্য্যবাহী সদস্য সকলে আটাইখিনি খৰচেই বহন কৰে। এইক্ষেত্ৰত সততে দুজনৰ নাম প্ৰনিধানযোগ্য- এজন সভাৰ সম্পাদক আবুল কালাম মহাশয় আৰু আনজন উপদেষ্টা শ্ৰী প্ৰশান্ত কুমাৰ বৰুৱা ডাঙৰীয়া, যি দুজনে প্ৰতিখন অনুষ্ঠানতে ঘাটি পৰা ব্যয় বহন কৰে। এই সম্পৰ্কত আৰু দুটা নাম কৃতজ্ঞতাৰে উল্লেখ কৰিছোঁ-

১। সোনা ৰায় আৰু

২। শ্ৰী সুভাষ ৰায়চৌধুৰী।

দুয়ো টেন্ট হাউচৰ ব্যৱসায়ী। প্ৰতিখন অনুষ্ঠানতে দুযো আমাক যথেষ্ট সহায় কৰে। আন কেইজনমান দান কৰা ব্যক্তিৰ নাম হ'ল -

৩৬। ৰূপালী নিয়োগী (বিলাসীপাৰা) : এখন অভিধান

৩৭। অশোক কুমাৰ সিংহী (বিলাসীপাৰা): এটা ডাঙৰ ষ্টিল আলমাৰী

৩৮। আল্পনা চক্ৰবৰ্ত্তী (বিলাসীপাৰা) : এখন হাৰমনিয়াম লগতে

৩৯। শাহিদুল ইচলাম (শ্ৰীগ্ৰাম) : বিদ্যুতৰ ৱাৰিং কৰি দিয়ে আৰু

৪০। ছোবাহন আলী (শালকোচা বাজাৰ) : এখন বিজুলী পাংখা।

শালকোচা শাখা সাহিত্য সভাই শালকোচা সম্পৰ্কীয় কিছু প্ৰবন্ধ-পাতি থুপাই পুথি আকাৰে প্ৰকাশ কৰিবলৈ প্ৰস্তাৱ গ্ৰহন কৰিছিল; কিন্তু অৰ্থাভাৱত ইমান দিনে হৈ উঠা নাছিল। বৰ্তমানে এই সম্পৰ্কত সভাৰ উপদেষ্টা প্ৰশান্ত কুমাৰ বৰুৱাদেৱে ব্যক্তিগত ভাৱে উদ্যোগ লোৱা হেতুকে কিতাপখন প্ৰকাশ পোৱাৰ আশা কৰিব পৰা হৈছে। কিতাপ খনৰ নাম **'কালিদহ'** ৰখা হৈছে। পদ্মাপুৰাণত বৰ্ণিত 'কালিদহ' সাগৰতে চান্দ সদাগৰৰ বানিজ্য পন্যৰে বোজাই চৈধ্যখন ডিঙা মনসা দেৱীৰ ৰোষত নিমজ্জিত হৈছিল। কালিদহ সাগৰৰ অৱস্থানে শালকোচাকো সামৰিছিল। এই হেতু কিতাপখন **'কালিদহ'** নামেৰে নামাকৰণ কৰা হৈছে।

কালিদহত **শুভেচ্ছা ৰাৰ্তা** দিয়া বাবে মাননীয় -

১। প্ৰশান্ত কুমাৰ বৰুৱা,

২। কনকসেন ডেকা,

৩। বীৰেন্দ্ৰ নাথ দত্ত

৪। পাচুগোপাল চক্ৰবৰ্ত্তী

৪। নিৰ্মল কুমাৰ চৌধুৰী- সকলোলৈ সভাৰ পক্ষে কৃতজ্ঞতা জনাইছোঁ।

পৰিশেষত কিতাপ খনত দু-আষাৰ লিখি দিয়াৰ বাবে প্ৰথিতযশা শিল্পী-সাহিত্যিক-শিক্ষাবিদ বীৰেন্দ্ৰ নাথ দত্ত দেৱলৈ সদৌ শালকোচা বাসীৰ হৈ মই কৃতজ্ঞতা যাচিছোঁ। এই আপাহতে 'কালিদহ'লৈ লিখা প্ৰবন্ধকাৰ সকল আৰু সভাৰ কাৰ্য্যনিৰ্বাহক সদস্য বৰ্গলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ; লগতে মোৰ ভুল-ত্ৰুটিৰ বাবে সংশ্লিষ্ট সকলোৰে ওচৰত মাৰ্জনা বিচাৰিছোঁ।

জয়তু শালকোচা শাখা সাহিত্য সভা।

আবুল কালাম

তাং ঃ ৫ চেপ্টেম্বৰ, ২০০৬

সম্পাদক,

শালকোচা শাখা সাহিত্য সভা

"চিৰ চেনেহী মোৰ ভাষা জননী"

শালকোচা শাখা সাহিত্য সভা

শালকোচা, ধুবুৰী, অসম।
পিন-৭৮৩ ৩৪৮

শ্ৰী দিলীপ কুমাৰ চক্ৰৱৰ্তী
সভাপতি

শ্ৰী আবুল কালাম
সম্পাদক

অসম সাহিত্য সভাৰ উপ-সভাপতি

মাননীয় শ্ৰীযুত পাচুগোপাল চক্ৰৱৰ্তী লৈ

অভিনন্দন

হে সৌম্য,

অসম সাহিত্য সভাৰ দৰে মহিমামণ্ডিত এখন জাতীয় অনুষ্ঠানৰ উপসভাপতি ৰূপে অসম বাসীয়ে আপোনাক নিৰ্বাচিত কৰাত আৰু ধুবুৰী জিলাৰ নিচিনা এখন অনুন্নত অঞ্চলৰ পৰা আপোনাক বৌদ্ধিক সমাজে আদৰি লোৱাত আমি ধুবুৰী জিলাৰ সমূহ জনসাধাৰণ গৰ্বিত; লগতে শালকোচাৰ আবাল-বৃদ্ধ-বনিতা, জাতি-ধৰ্ম-বৰ্ণ-নিৰ্বিশেষে আমি সকলোৰে উৎফুল্লিত।

হে সুধি,

আপোনাৰ কান্ধত আজি অসমবাসীয়ে যি গহীন দায়িত্ব অৰ্পন কৰিলে আৰু অসমীয়া সাহিত্য জগতৰ কাণ্ডাৰী ৰূপে যি মহানতা সমৰ্পিলে, তাৰ সফল বাস্তৱায়ন কামনাৰে আপোনাৰ ওচৰত আমি সৰ্বতোভাৱে আস্থাশীল।

হে মহান,

শালকোচা শাখা সাহিত্য সভাৰ এই পূতস্থলীত আপোনাৰ দৰে ভাষা

জননীৰ এজন একনিষ্ঠ সেৱকক আদৰিবলৈ পাই আমি তথা শালকোচাৰ জনসাধাৰণ সঁচাকৈয়ে আনন্দিত।

পৰম ঈশ্বৰলৈ প্ৰাৰ্থনা আমাৰ- আপোনাক শক্তি দিয়ক। প্ৰেৰণা দিয়ক। পৰিশেষত, আপোনাৰ উন্নততৰ উজ্জ্বল ভৱিষ্যৎ কামনাৰে-

শালকোচা শাখা সাহিত্য পক্ষে আপোনালৈ জনাওঁ আমাৰ অভিনন্দন।

শালকোচা সাহিত্য সভা ভৱন
২৩ এপ্ৰিল, ২০০৫

আবুল কালাম
সম্পাদক,
শালকোচা শাখা সাহিত্য সভা
জিলা - ধুবুৰী।

'কলিদহ'ৰ প্ৰবন্ধকাৰ সকলৰ চমু পৰিচয় ঃ-

সম্পাদক।

১। অপৰ্ণা চক্ৰবৰ্ত্তী ঃ- কামাৰ পাৰাত ঘৰ। প্ৰখ্যাত চিকিৎসক কবিৰাজ নগেন্দ্ৰ চন্দ্ৰ চক্ৰবৰ্ত্তীৰ কন্যা। শিলগাৰা হাইস্কুলৰ এজনী প্ৰতিষ্ঠাপক শিক্ষিকা। অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ সৈতে ওতঃপ্ৰোত ভাবে জড়িত। শালকোচা শাখা সাহিত্যসভাৰ পত্ৰিকা সম্পাদিকা।

২। অনিল কুমাৰ নাথ ঃ- ভেলুপাৰাত ঘৰ। পিতৃ লেপা ৰাম নাথ। শালকোচাৰ কলাগুৰু বিষ্ণুৰাভা এম ই, স্কুলৰ শিক্ষক।

৩। অনামিকা লাহিৰী ঃ- বিলাসীপাৰাত ঘৰ। বাদল লাহিৰী আৰু আলপনাৰ কন্যা। বিলাসীপাৰা মহাবিদ্যালয়ৰ ছাত্ৰী। গীত আৰু নৃত্যত অনুশীলন আছে।

৪। আবুতাহেৰ সৰকাৰ ঃ- শ্ৰীগ্ৰামত ঘৰ। লেমু সৰকাৰ নামে সৰ্বজন পৰিচিত। বিখ্যাত সৰকাৰ পৰিয়ালৰ জব্বাৰ সৰকাৰৰ পুত্ৰ। শালকোচাৰ অন্তিমজন চিকাৰী বুলি এওঁকে কব পাৰি।

৫। আবুল কালাম ঃ- শ্ৰীগ্ৰামৰ ছফিৰ উদ্দিনৰ পুত্ৰ। শিলগাৰা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক। এজন কৃতী শিক্ষক আৰু বিদ্যায়তনিক সু-প্ৰশাসক। স্থানীয় ভালেমান অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত। শালকোচা শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক। ভালেমান লেখনি প্ৰকাশ পাইছে। **'কলিদহ'**ৰ সম্পাদক।

৬। কানুৰাম বৰ্মন ঃ- কামাৰপাৰাৰ চিনো ৰাম বৰ্মনৰ পুত্ৰ। শিলগাৰা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত এজন কৰ্মচাৰী। খেল-ধেমালিত এজন নাম থকা মানুহ।

৭। কৃষ্ণেন্দু নাৰায়ন নিয়োগী ঃ- বিখ্যাত নিয়োগী বংশৰ ভূপেন্দ্ৰ নাৰায়ন নিয়োগীৰ পুত্ৰ। এজন সৰবৰহী যুৱক।

৮। কুতুব উদ্দিন আহমেদ ঃ- শ্ৰীগ্ৰামৰ বাহাল উদ্দিন আহমেদৰ পুত্ৰ। খেল-ধেমালিত ৰাপ থকা; বিশেষকৈ ফুটবলত এজন দক্ষ খেলুৱৈ আছিল।

৯। খায়ৰুণ নেছা ঃ- শ্ৰীগ্ৰামৰ আবুল কালামৰ সহ-ধৰ্মিনী। স্থানীয় ভালেকেইটা সামাজিক প্ৰতিষ্ঠানৰ লগত জড়িত। পিতৃ ধুবুৰী নিবাসী হাজী খয়ৰাত হোছেইন।

১০। ডেভিড ঃ- শ্ৰীগ্ৰামৰ আবুল কালাম আৰু খায়ৰুণ নেছাৰ পুত্ৰ। এজন কৃতী ছাত্ৰ। বৰ্তমানে কম্পিউটাৰ ইঞ্জিনিয়াৰিঙত অধ্যয়নৰত।

১১। দক্ষিনা ৰঞ্জন ৰায় ঃ- হাপাপাৰাত ঘৰ। পিতৃ যদি ৰাম ৰায়। এজন কৃতি শিক্ষক। সুন্দৰ হাতৰ আখৰ আৰু ড্ৰইংৰ ক্ষেত্ৰত নাম আছে।

১২। দমাশু ৰাম কোচ ঃ- ঘৰ শিলভাঙাত। বৰকাণা পিপলচ্ একাডেমি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ। এজন কৃতি শিক্ষক। পিতৃৰ নাম ইচ্লা ৰাভা।

১৩। দিলীপ কুমাৰ চক্ৰৱৰ্ত্তী ঃ-পুখুৰীপাৰাৰ প্ৰখ্যাত বিধিকৰ্ত্তা জমিদাৰ পৰিয়ালৰ কুমুদলোচন চক্ৰৱৰ্ত্তীৰ পুত্ৰ। অসম চৰকাৰৰ কৃষি বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক। এজন সৎ আৰু নিষ্ঠাবান বিষয়াৰূপে বহুল পৰিচিত। স্থানীয় ভালেকেইটা অনুষ্ঠানৰ সৈতে জড়িত। শালকোচা শাখা সাহিত্য সভাৰ বৰ্তমানে সভাপতি।

১৪। দীপিকা চক্ৰৱৰ্ত্তী ঃ- পুখুৰীপাৰাত ঘৰ। প্ৰয়াত তৰুণ দেৱ চক্ৰৱৰ্ত্তীৰ সহধৰ্মিনী। এজনী সৰবৰহী মহিলা।

১৫। নিৰঞ্জন চক্ৰৱৰ্ত্তী ঃ- পুখুৰীপাৰা গাঁওৰ কৃতি শিক্ষক দেবেশ্বৰ চক্ৰৱৰ্ত্তীৰ পুত্ৰ। এজন কৃতি শিক্ষক। শিলগাৰা এম,ই, স্কুল আৰু শিলগাৰা হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক। ৰাজনীতিৰ সৈতেও ওতোঃপ্ৰোত ভাৱে জড়িত। স্থানীয় অনেক কেইটা অনুষ্ঠানৰ সৈতে সম্পৰ্কিত। শালকোচা অঞ্চলৰ এজন নেতৃস্থানীয় ব্যক্তি। শালকোচা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি।

১৬। নিৰঞ্জন নাথ ঃ- ভেলুপাৰা গাঁওৰ চকমল নাথৰ পুত্ৰ। আনন্দ নগৰ এম,ই, স্কুলৰ শিক্ষক। শালকোচা সাহিত্য সভা সঙ্গীতালয়ৰ এজন সঙ্গীত শিক্ষক।

১৭। পাৰিজাত ঃ- শ্ৰীগ্ৰামৰ আবুল কালাম আৰু খায়ৰুণ নেছাৰ কন্যা। গুৱাহাটী বিশ্ববিদ্যালয়ত আইন বিভাগত অধ্যয়নৰতা ছাত্ৰী।

১৮। প্ৰণীতা বৰুৱা ঃ- শ্ৰীগ্ৰাম বৰুৱা ইষ্টেটৰ প্ৰখ্যাত জমিদাৰ আৰু অতি উচ্চ শিক্ষিত নীল মাধব বৰুৱাৰ কন্যা। ভেলুপাৰা এম,ভি, স্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষিকা। স্থানীয ভালেমান অনুষ্ঠানৰ সৈতে জড়িত। শালকোচা শাখা সাহিত্য সভাৰ উপসভানেত্ৰী।

১৯। বাসৱী চক্ৰৱৰ্ত্তী ঃ- প্ৰখ্যাত শিক্ষাবিদ আৰু শালকোচা হাইস্কুলৰ (বৰ্তমান হায়াৰ চেকেণ্ডাৰী স্কুল) প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক চৈতন্যদেৱ চক্ৰৱৰ্ত্তীৰ কন্যা। শালকোচা ছোৱালী এম, ই, স্কুলৰ শিক্ষয়িত্ৰী। শালকোচা শাখা সাহিত্য সভাৰ সহ-সম্পাদিকা।

২০। বিমল চন্দ্ৰ সুত্ৰধৰ ঃ- শালকোচাৰ যামিনী কান্ত দেৱ সুত্ৰধৰৰ পুত্ৰ। এজন ভাল শিল্পী। নিজা ব্যৱসায়িক প্ৰতিষ্ঠান আছে।

২১। বিশ্বজিৎ গোস্বামী ঃ- পুখুৰীপাৰাৰ বিখ্যাত 'গোসাঁই' পৰিয়ালৰ ধীৰেন্দ্ৰ গোস্বামীৰ পুত্ৰ। বিলাসীপাৰা মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞানৰ প্ৰবক্তা। ভালেমান অনুষ্ঠানৰ সৈতে জড়িত।

২২। মনতোষ চক্ৰৱৰ্ত্তী ঃ- শালকোচাৰ 'পঞ্চ পণ্ডিত'ৰ অন্যতম অখিল চক্ৰৱৰ্ত্তী দেৱৰ পুত্ৰ। গৌৰাংটাৰীত ঘৰ। গোৱালপাৰীয়া লোক-কৃষ্টি বিষয়ক ভালেমান প্ৰবন্ধ-পাতি প্ৰকাশ পাইছে। অৱসৰপ্ৰাপ্ত এজন চৰকাৰী বিষয়া। এজন সৰবৰহী ব্যক্তি।

২৩। মনমোহন নাথ ঃ- শ্যামাৰাইপাৰা নিবাসী জয়নাথ নাথৰ পুত্ৰ। আনন্দ নগৰ এম, ই, স্কুলৰ শিক্ষক।

২৪। মহম্মদ আলী ঃ- কামাৰডিহি গাঁওত ঘৰ। পিতৃ সাইবুদ্দিন আহমেদ। টিলাপাৰা হাইস্কুলৰ প্ৰধান শিক্ষক। ভালেমান অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত সম্পৰ্কিত।

২৫। মনালিছা বৰুৱা ঃ- শ্ৰীগ্ৰামৰ শিবু মাধব আৰু মন্দিৰা বৰুৱাৰ কন্যা। অধ্যয়নৰতা এজনী ছাত্ৰী।

২৬। শবনম ঃ- শ্ৰীগ্ৰামৰ আবুল কালাম আৰু খাযৰুণ নেছাৰ কন্যা। এজনী কৃতী ছাত্ৰী। বৰ্তমানে অধ্যযনৰতা।

২৭। শ্ৰীজীৱলোচন চক্ৰৱৰ্ত্তী ঃ- পুখুৰীপাৰা ব্ৰাহ্মন জমিদাৰ পৰিযালৰ ৰাজীব লোচন চক্ৰৱৰ্ত্তীৰ পুত্ৰ। এজন অৱসৰপ্ৰাপ্ত (শালকোচা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ) কৃত্তি শিক্ষক।

২৮। সৰ্বেশ্বৰ ৰায় চৌধুৰী ঃ- বাণীযাপাৰা গাঁওৰ জগন্নাথ ৰাযৰ পুত্ৰ। ভাৰত চৰকাৰৰ প্ৰতিৰক্ষা বিভাগৰ এজন অৱসৰপ্ৰাপ্ত কৰ্মচাৰী।

২৯। সিদ্ধাৰ্থ কুমাৰ চক্ৰৱৰ্ত্তী ঃ- হাপাপাৰাৰ অৱনী চক্ৰৱৰ্ত্তীৰ পুত্ৰ। ঔষধৰ নিজা ব্যৱসাযিক প্ৰতিষ্ঠান আছে। স্থানীয যুৱ অনুষ্ঠানবোৰৰ লগত জড়িত।

৩০। সুধীৰ কুমাৰ বৰ্মন ঃ- ভোলাপাৰা ফালটিযা বৰ্মনৰ পুত্ৰ। অৱসৰ প্ৰাপ্ত এজন কৃতি শিক্ষক। স্থানীয় ভালেমান প্ৰতিষ্ঠান আৰু সামাজিক অনুষ্ঠানৰ লগত সম্পৰ্কিত। এজন সৰবৰহী ব্যক্তি।

৩১। সুবল চন্দ্ৰ বৰ্মন ঃ- হাতীপোতা গাঁওৰ জীবেশ্বৰ বৰ্মনৰ পুত্ৰ। নুনমাটি এল, পি, স্কুলখনৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক। এজন কৃতি শিক্ষক। স্থানীয বহুতো অনুষ্ঠানৰ সৈতে জড়িত।

৩২। সুভাষ চৌধুৰী ঃ- বামুনগাঁওৰ দুৰ্গামোহন চৌধুৰী আৰু ভবতাৰা দেৱীৰ পুত্ৰ। এজন কৃতী ছাত্ৰ ৰূপে নাম আছে। গোৱালপাৰা সৈনিক স্কুল, কটন কলেজ আৰু অসম অভিযান্ত্ৰিক মহাবিদ্যালয- আদি বিদ্যালয সমূহৰ পৰা অতি সুখ্যাতিৰে পাছ কৰি আহে। দাৰ্জিলিঙৰ হিমালয় পৰ্বত-আৰোহন প্ৰতিষ্ঠানত অভিলেখ ৰাখে। অসম-মেঘালয়, এন,চি,চি ৰ শ্ৰেষ্ঠ কেডেট বটা লাভ কৰে। বৰ্তমানে অসম চৰকাৰৰ জলসিঞ্চন বিভাগত অভিযন্তা হিচাবে কৰ্মৰত। তেওঁৰ প্ৰকাশিত 'হিমালয দৰ্শন' এখন দুঃসাহসিক ভ্ৰমন কাহিনী। ৰাজবংশী কৃষ্টি-সংস্কৃতি সম্পৰ্কে লেখা-মেলা কৰি আছে।

৩৩। সুৰেন্দ্ৰ বৰ্মন ঃ- পুখুৰীপাৰা গাঁওৰ বাটুল বৰ্মনৰ পুত্ৰ। কিছুদিন শিক্ষকতা কৰিছিল। পিছত, অসম চৰকাৰৰ পি ডব্লু ডি বিভাগত চাকৰি কৰিছিল। অমাযিক ব্যৱহাৰৰ এজন কৃতি ছাত্ৰৰূপে শালকোচা হাইস্কুলত যথেষ্ট সুনাম আৰ্জিছিল।

৩৪। লক্ষ্মণ চন্দ্ৰ দেৱ সূত্ৰধৰ ঃ- শালকোচাৰ ছেদোৰাম সূত্ৰধৰৰ পুত্ৰ। কাঠশিল্পত এজন দক্ষ কাৰিকৰ।

শালকোচা শাখা সাহিত্য সভাৰ দাতা সকলৰ একাংশঃ

বহি থকা- (বাওঁফালৰ পৰা) দক্ষিণা ৰঞ্জন ৰায়, নিৰঞ্জন চক্ৰবৰ্ত্তী, দিলীপ কুমাৰ চক্ৰবৰ্ত্তী, প্ৰশান্ত কুমাৰ বৰুৱা, মনতোষ চক্ৰবৰ্ত্তী, সুধীৰ কুমাৰ বৰ্মন, ছোৱাহান আলী।

দ্বিতীয় শাৰী- (সোঁফালৰ পৰা পৰা) বহি থকা ১ম জন ভবেন্দ্ৰ বৰ্মন ২য় জন ধীৰেন্দ্ৰ নাথ শৰ্মা, ৩য় জন ফনীন্দ্ৰ নাৰায়ন নিয়োগী ।

শেষৰ শাৰী থিয় হৈ থকা- (বাওঁৰ পৰা) নিৰঞ্জন নাথ, নীলিমা দেৱী, অপৰ্ণা চক্ৰবৰ্ত্তী, বাসবী চক্ৰবৰ্ত্তী, আখতাৰ হুসেন, অপূৰ্ব ৰায়, সঙ্গীতা চক্ৰবৰ্ত্তী, প্ৰণীতা বৰুৱা, আবুল কালাম, সুকুমাৰ বৰ্মন, শেফালি চক্ৰবৰ্ত্তী

দাতা সদস্য ঃ-



অকন বাযন (ধুবুৰী)

উদযন চক্ৰবৰ্ত্তী

শাহিদুল ইচলাম

দাতা সদস্য ঃ-

মহন্ত কুমাৰ দেৱনাথ

গৌতম শৰ্মা

গীতা চক্ৰৱৰ্ত্তী



উত্তম শৰ্মা

ৰূপালী নিয়োগী

আলপনা চক্ৰৱৰ্ত্তী

চন্দনা চক্ৰৱৰ্ত্তী

গোবিন্দ বৰ্মন

সুনীল বৰ্মন



নীৰেশ বৰ্মন (ভেলুপাৰা)

অনুপ্ৰভা বৰ্মন (গৌৰাংটাৰী)

ধৰ্মীয় স্থান ঃ-

বুঢ়া-বুঢ়ী থানৰ গাখীৰেৰে স্নান কৰোৱা পবিত্ৰ শিলটো য'ত শাৰী পতা খোদিত গৰ্ত আছে।



দুধনাথ পাহাৰত থকা শিৱ মন্দিৰ।

চক্ৰশিলা অভয়াৰণ্যত থকা শিলৰ যোৰা-নাগাবা।

ধৰ্মীয় স্থান ঃ- (শালকোচা)

চক্ৰশিলা অভযাৰন্যত থকা শিলৰ **একক-নাগাৰা।**

চক্ৰশিলা অভযাৰণ্যৰ পূৰ্ব প্ৰান্তত থকা বিশাল শিলটোৰ ওপৰত খোদিত **বিষ্ণু চক্ৰ** আৰ এটা গভীৰ **সুৰঙ্গ ছিদ্ৰ।**



শ্ৰীগ্ৰাম ৱাক্‌ফ জামে মছজিদ।

প্ৰবন্ধকাৰ সকল ঃ- (চমু পৰিচয়ত থকা ক্ৰমিক নং বন্ধনীত দেখুৱা হৈছে)

(১৫) নিৰঞ্জন চক্ৰৱৰ্ত্তী

(২১) বিশ্বজিৎ গোস্বামী

(২৪) মহম্মদ আলী



(২) অনিল নাথ

(৩১) সুবল চন্দ্ৰ বৰ্মন



(৩২) সুভাষ চৌধুৰী

(৩৪) লক্ষ্মণ চন্দ্ৰ দেৱ সুত্ৰধৰ



(৬) কানুৰাম বৰ্মন



(২৯) সিদ্ধাৰ্থ চক্ৰৱৰ্ত্তী



(২৭) শ্ৰীজীৱ চক্ৰৱৰ্ত্তী

(১১) দক্ষিনা ৰঞ্জন ৰায

(১৬) নিৰঞ্জন নাথ

প্ৰবন্ধকাৰ সকল ঃ-

(৩৩) সুৰেন্দ্ৰ চন্দ্ৰ বৰ্মন

(২৩) মনমোহন নাথ

(১০) বিমল চন্দ্ৰ দেৱ সূত্ৰধৰ


(৮) কুতুব উদ্দিন আহমেদ

(২৮) সৰ্বেশ্বৰ ৰায চৌধুৰী

(৩০) সুধীৰ কুমাৰ বৰ্মন

(২২) মনতোষ চক্ৰৱৰ্ত্তী

(৫) আবুল কালাম

(১২) দমাশু ৰাম কোচ

(১৮) প্ৰণীতা বৰুৱা

(১৪) দীপিকা চক্ৰৱৰ্ত্তী

(১) অৰ্পণা চক্ৰৱৰ্ত্তী

প্ৰবন্ধকাৰ সকল ঃ-


(৯) খাযৰুণ নেছা


(১৯) বাসবী চক্ৰৱৰ্ত্তী

(১০) ডেভিড

(২৫) মনালিছা বৰুৱা


(১৭) পাৰিজাত


(৩) অনামিকা লাহিৰী

(২৬) শবনম

দাতা সদস্য বৰ্গৰ একাংশ

শালকোচাৰ নৈসৰ্গিক দৃশ্য কেতবোৰ ঃ-



পদ্ম পুৰাণ বিজড়িত চান্দৰ ডিঙা পাহাৰৰ দৃশ্য।

চক্ৰশিলা অভয়াৰণ্যত থকা যোৰ-নাগাৰা ঝৰ্ণা।

চক্ৰশিলা অভয়াৰণ্যৰ ডিপ্লাই বিলৰ অংশ।

শালকোচাৰ নৈসৰ্গিক দৃশ্য কেতবোৰ ঃ-



চক্ৰশিলা অভযাৰণ্যৰ সমীপৱৰ্তী ডাকাৱা বিলৰ অংশ।



দুধানাথ পাহাৰ আৰু টোকোৰাবান্ধা পাহাৰ দুখন।

শালকোচাৰ জাকৈযা কেইজনী মান।

শালকোচাৰ নৈসৰ্গিক দৃশ্য কেতবোৰ ঃ-

চক্ৰশিলা- বাওকুমাৰী পাহাৰৰ এটা দৃশ্য।

চক্ৰশিলা অভয়াৰণ্যত থকা সোণালী বান্দৰ।

বিষয় ববীয়া সকল ঃ- (শালকোচা শাখা সাহিত্য সভা)

(বাওঁৰ পৰা)
বৰ্তমানৰ সভাপতি - দিলীপ কুমাৰ চক্ৰৱৰ্ত্তী
প্ৰতিষ্ঠাপক সভাপতি - নিৰঞ্জন চক্ৰৱৰ্ত্তী

মাননীয় প্ৰশান্ত কুমাৰ বৰুৱা
সভাৰ উপদেষ্টা আৰু
বিলাসীপাৰা (পূব) সমষ্টিৰ বিধায়ক।

আবুল কালাম
(সম্পাদক)

প্ৰণীতা বৰুৱা



বাসবী চক্ৰৱৰ্ত্তী
(সহ সম্পাদিকা)

অপৰ্ণা চক্ৰৱৰ্ত্তী
(পত্ৰিকা সম্পাদিকা)

শালকোচা শাখা সাহিত্য সভাৰ 'কালিদহ'ৰ সম্পাদনা সমিতি ঃ-

বহি থকা বাওঁৰ পৰা আবুল কালাম (সম্পাদক), প্ৰশান্ত কুমাৰ বৰুৱা (উপদেষ্টা) দিলীপ কুমাৰ চক্ৰৱৰ্ত্তী (সভাপতি) **থিয় হৈ থকা - (বাওঁৰ পৰা)** সুধীৰ কুমাৰ বৰ্মন, অনুপম চক্ৰৱৰ্ত্তী, হীৰেন্দ্ৰ ৰায (সদস্য বৰ্গ), বাসবী চক্ৰৱৰ্ত্তী, অপৰ্ণা চক্ৰৱৰ্ত্তী **(সহকাৰী আৰু পত্ৰিকা সম্পাদক।**

শালকোচা শাখা সাহিত্য সভা প্ৰসঙ্গত ঃ-

শালকোচা সাহিত্য সভা ভৱন।

শালকোচা সাহিত্য সভা ভৱনৰ দুৱাৰ মুকলি - বিধায়ক প্ৰশান্ত কুমাৰ বৰুৱাদেৱ

শালকোচা সাহিত্য সভা সঙ্গীতালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ একাংশ ঃ-

শিক্ষক সকল- (বাওঁৰ পৰা)

সুকুমাৰ বৰ্মন, নিৰঞ্জন নাথ, সঙ্গীতা চক্ৰৱৰ্ত্তী আৰু নৃত্য শিক্ষক প্ৰভাত বৰা।

অসম সাহিত্য সভাৰ উপসভাপতি মননীয় পাচুগোপাল চক্ৰৱৰ্ত্তীক আদৰিছে শালকোচা সাহিত্য সভাই।

শলাকোচা শাখা সাহিত্য সভাই উদ্‌যাপন কৰা 'চেতনা দিৱস' উপলক্ষে অসম সাহিত্য সভাৰ সহ-সম্পাদক মাননীয় অকণ বায়ন লৈ (তলত)

ধুবুৰী জিলা সম্পাদক মাননীয উদযন চক্ৰৱৰ্ত্তীলৈ (তলত)



শালকোচা সাহিত্য সভা সঙ্গীতালয় উদ্বোধন উপলক্ষে -

শালকোচা সাহিত্য সভা সঙ্গীতালযব উদ্বোধক-
শ্ৰী ফণী কুমাৰ বৰুৱা (শ্ৰীগ্ৰাম)



শৰৎ চন্দ্ৰ সিংহ
(শালকোচা সাহিত্য সভাৰ এজন শুভাকাংখী)

শ্ৰীগ্ৰাম বৰুৱা ইষ্টেটৰ সিংহ পুৰুষ
জমিদাৰ চন্দ্ৰমাধৱ বৰুৱা।

শ্ৰীগ্ৰাম বৰুৱা ইষ্টেটৰ গৌৰৱ -
প্ৰাণেশ্বৰী বৰুৱানী
(বিধায়ক প্ৰশান্ত কুমাৰ বৰুৱাৰ পিতামহৰ মাতৃ)

শালকোচা সাহিত্য সভাৰ সভাপতি শ্ৰী দিলীপ কুমাৰ চক্ৰৱৰ্ত্তীলৈ সম্বৰ্দ্ধনা।

চেতনা দিবস উপলক্ষে পতাকা উত্তোলন।

কালিদহ

শুধৰণি-তালিকা

প্ৰবন্ধৰ নাম	পৃষ্ঠা	শাৰী	অশুদ্ধ	শুদ্ধ
সূচীপত্ৰ	ক্ৰমিক নং	২৮	মনতোষ চক্ৰবৰ্তী	সংগ্ৰহ
শালকোচাৰ	১৫	২৯	পুখুৰীপাৰাৰ	হাপাপাৰাৰ
অতীতত	১৬	১৪	পুখুৰীপাৰাৰ	হাপাপাৰাৰ
এভুমুকি	১৭	২৪	তেৰাৰ শিষ্য	তেৰাৰ শিষ্য (শঙ্কৰদেৱৰ শিষ্য দামোদৰদেৱ নহয় বুলি কিছুমান ব্যক্তিয়ে দাবী কৰে)....
কোচ	৪৭	২৬	হাড়িয়া সকলে	হাড়িয়া মণ্ডলে
ৰাজবংশীৰ অতীত আৰু ভৱিষ্যত	৬২	৪	এচ, চি,	এচ, টি,
আজিকা বালিক নাজাইমৰে ছাৰিয়া	৭১	১২	(বন্ধনীকৃত বাক্যশাৰীৰ অৱস্থান)	(প্ৰবন্ধটিৰ ১ম পেৰাগ্ৰাফৰ তলত অনুৰূপ ভাবে হব)।
শালকোচাৰ কায়স্থ পৰিবাৰ বৰ্গ	১৩৫	৮	ৰজা ভৈৰবেন্দ্ৰৰ	ৰজা কুমুদ নাৰায়ণৰ
বিস্মৃতিৰ পথত কেইগৰাকী মান বাৰণ্য আৰু কৃতি সন্তান	১৪৩	২৫	পণ্ডিত ষড়ানন তৰ্কতীৰ্থ	পণ্ডিত ষড়ানন ন্যায় তৰ্কতীৰ্থ
	১৪৪	৪	এই পৰিয়ালৰ	৩। **সৰ্বেশ্বৰ বিদ্যাৰত্ন ঃ-** সৰ্বেশ্বৰ বিদ্যাৰত্ন, বিশ্বেশ্বৰ স্মৃতিৰত্ন আৰু অখিল চন্দ্ৰ চক্ৰবৰ্তী মূলতঃ একেটা পৰিয়ালৰ। এই পৰিয়ালৰ চতুৰ্দশ ....
	১৪৪	২০	বিদ্যাৰত্ন	স্মৃতিৰত্ন
	১৪৬	১০	আৰু লগতে	আৰু ভায়েক যোগেন্দ্ৰ নাৰায়ণ নিয়োগী
শালকোচাৰ আশে-পাশে ভাস্কৰ্য্যৰ বিননি	১৬৫	১৭	বিহুৰ প্ৰথম	বিহুৰ ৪ৰ্থ দিনা, যদি শনি বা মঙ্গলবাৰ হয় তেন্তে পিছদিনা

সিপিঠিত

প্ৰবন্ধৰ নাম	পৃষ্ঠা	শাৰী	অশুদ্ধ	শুদ্ধ
সুৰালি	১৭৯	পাদটীকা	(ঘ) দেওঘৰ	(ঘ) দেওকুৰা
নিয়োগী বংশৰ পূৰ্ব কথা	১৮০	শেষশাৰী	ৰাধাৰ বিগ্ৰহটো	ৰাধাৰ বিগ্ৰহটো কিংবদন্তি মতে
যায় কৰে পৰেৰ আশ তাৰ ঘৰে নিত্য উপাস	১৮৩	১ম	মনতোষ চক্ৰবৰ্তী, গোৰাংটাৰী	সংগ্ৰহ
শালকোচা অঞ্চলৰ ..... মেজলৈ	২৪০	১০	১৯৬৭	১৯৬১
এৰা-বোটলা	২৬৭	২২	একমাত্ৰ	সমাজকৰ্মী
	২৬৮	শেষশাৰী	হেমন্ত ৰায়	হেমন্ত ৰায আৰু গজেন ৰায়
	২৭৩	২১	একমাত্ৰ	এজন
শালকোচাৰ কেইখনমান .... ইতিকথা	২৭৬	২০	ভাতৃদ্বয়	পুত্ৰদ্বয়
	২৭৭	২৪	হালাকুৰা	গেন্দেৰা বিল
শালকোচা শাখা ....কিছু কথা	২৯২	১৬	শালকোচা বজাৰৰ কবিৰাজ নগেন্দ্ৰ চন্দ্ৰ চক্ৰবৰ্তীৰ কন্যা (২৮) আলপনা চক্ৰবৰ্তীয়ে	শালকোচাৰ শিক্ষাবিদ চৈতন্যদেব চক্ৰবতীৰ কন্যা (২৮) স্বাতী চক্ৰবৰ্তীয়ে
	২৯২	ক্ৰঃ নং	২৫ (ৰ পিছত দুজন দাতাৰ নাম উঠা নাই)	২৫ (ক) নীলিমা দেবী (শালকোচা) ২৫ (খ) আলপনা চক্ৰবতী (কামাৰপাৰা) ।
	২৯৪	ক্ৰঃ নং	৩৫ (ৰ পিছতএটা শাৰী উঠা নাই)	উদ্বোধন অনুষ্ঠানত চাহ-মিঠাইৰে আপ্যায়ণ কৰে শালকোচা বজাৰৰ কবিৰাজ নগেন্দ্ৰ চন্দ্ৰ চক্ৰবৰ্তীৰ কন্যা আলপনা চক্ৰবৰ্তীয়ে

কালিদহ ত কিছু ভুল-ক্ৰটী চকুত পৰিছে । কেৱল তথ্যগত ভুলখিনিৰ শুধৰণি দিয়া হৈছে । পৰবৰ্তী সংস্কৰণত আসোৱাঁহ-মুক্ত কৰিব পৰা যাব। ভুলক্ৰটীৰ বাবে মাৰ্জনা বিচাৰি শুধৰণি-পত্ৰ খন কিতাপখনৰ শেষত লগাই লোৱাৰ বাবে ইতিমধ্যে কিনি লোৱা সুধীজন লৈ ইয়াৰে অনুৰোধ জনালোঁ ।

শ্ৰী দিলীপ কুমাৰ চক্ৰবৰ্ত্তী
সভাপতি
শালকোচা শাখা সাহিত্য সভা

আবুল কালাম
সম্পাদক
শালকোচা শাখা সাহিত্য সভা